অমিয় কুমাৰ দাস

ড° অৰুণ চন্দ্ৰ ভূঞা

লোকনায়ক অমিয় কুমাৰ দাস স্মৃতি ন্যাস সমিতি
ঢেকিয়াজুলি : অসম

Lokanayak Amiya Kumar Das writer by Dr. Arun Chandra Bhuyan and Published by Lokanayak Amiya Kumar Das Memorial Trust Committee, Dhekiajuli, Assam. Price : Rs. forty only.

প্ৰকাশক :

লোকনায়ক অমিয় কুমাৰ দাস

স্মৃতি ন্যাস সমিতি

ঢেকীয়াজুলি, অসম

এপ্ৰিল : ১৯৮৮

প্ৰচ্ছদপট :

বিজয় মণ্ডল

মূল্য : ৪০.০০ টকা

ছপা :

পূৰ্বোদয় প্ৰেছ

১০ কৈলাস বোস ষ্ট্ৰীট

কলিকতা-৬

তেখেতৰ অগণন গুণমুগ্ধ ভক্তবৃন্দলৈ

GUWAHATI ★ LIBRARY SERVICES

প্ৰকাশকৰ একেষাৰ

লোকনায়ক অমিয় কুমাৰ দাস স্মৃতি ন্যাস সমিতিয়ে লোকনায়কৰ স্মৃতি ৰক্ষাৰ মানস কৰি কেইটামান কাম হাতত লৈছে। তাৰ লগতে তেখেতৰ এখনি জীৱনী প্ৰকাশ কৰিবলৈ মনস্থ কৰা হয়।

শিক্ষাবিদ ডাঃ অৰুণচন্দ্ৰ ভূঞাদেৱক জীৱনীখন লিখিবলৈ অনুৰোধ কৰাত নানা কামৰ মাজতো সেই কামৰ দায়িত্ব লবলৈ তেখেতে সম্মতি দিয়ে। এই জীৱনীখন যুগুত কৰি উলিওৱাত যিখিনি সময় দিলে যি কষ্ট কৰিলে তাৰ কাৰণে আমি তেখেতৰ ওচৰত কৃতজ্ঞ।

লোক নায়কৰ ডায়েৰী, চৰকাৰী নথি-পত্ৰ, পুলিচ ৰিপোর্ট, গণপৰিষদ আৰু বিধান সভাত দিয়া তেখেতৰ ভাষণ আৰু তেখেতক ঘনিষ্ঠভাৱে জনা বন্ধু-বান্ধৱ সকলৰ পৰা তথ্যাদি সংগ্ৰহ কৰি ডাঃ ভূঞাই স্বাধীনতা যুঁজৰ ঐতিহাসিক পটভূমিত দাসদেৱৰ জীৱনৰ সামগ্ৰিক কাহিনী এটা শৃংখলাবদ্ধ ভাৱে যুগুত কৰি উলিয়াই আমাক দিছে।

লোক নায়কৰ এই জীৱনীখন আমি ছপা আদি কৰি ৰাইজৰ হাতলৈ আগবঢ়াইছো। আমাৰ আশা যে জীৱনীখনে অসমৰ তথা ভাৰতৰ এজন স্বাধীনতা যুদ্ধৰ অগ্ৰণী সেনানীৰ জীৱন আৰু কাৰ্য্যাৱলীৰ আভাস দিব।

জীৱনীখন প্ৰকাশত যি দোষ ত্ৰুটি ৰৈ গৈছে তাৰ কাৰণে আমি ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছো।

শিল্পী হেমন্ত মিশ্ৰদেৱে বেটুপাতৰ আছি আঁকি কিতাপখনিৰ যি সৌষ্ঠৱ বঢ়ালে তাৰ কাৰণে আমি তেখেতৰ ওচৰত ঋণী।

শ্ৰীপ্ৰতাপ কলিতা

লোক নায়ক অমিয় কুমাৰ দাস স্মৃতি ন্যাস সমিতি

ঢেকিয়াজুলি

১০।৯।৮৪

কৃতজ্ঞতা জ্ঞাপন

অমিয় কুমাৰ দাস স্মৃতি ন্যাস সমিতিয়ে (ঢেকিয়াজুলি) আজি কেইবা বছৰৰো আগতে এই লিপিকক দাস ডাঙৰীয়াৰ ৰাজনৈতিক জীৱন আলেখ্য লিখাৰ ভাৰ দিয়ে। বিভিন্ন কাৰণত জীৱনী গ্ৰন্থখন সম্পূৰ্ণ কৰোঁতে কেইবাবছৰো পাৰ হৈ গ'ল। সেইয়া মোৰ বাবে অক্ষমনীয় অপৰাধ। তথাপি ধৈৰ্যসহকাৰে মোৰ লগতে কিতাপখনলৈ সমিতিৰ কাৰ্যকৰ্তাসকলে বাট চাই থাকিল। মই সমিতিলৈকে পোন প্ৰথমে মোৰ কৃতজ্ঞতাৰ মেটমৰা শৰাইখনি আগবঢ়ালো।

দ্বিতীয়তে, প্ৰতাপ কলিতা (নিধিৰ সম্পাদক) মোৰ পিছত লাগি নথকা হ'লে কিতাপখন জানো শেষ কৰিব পাৰিলোহেঁতেন? তেখেতৰ প্ৰতি মই সকৃতজ্ঞই নহয় ঋণী হৈয়ে ৰ'লো

জীৱনী গ্ৰন্থখনৰ যাৱতীয় সমল যোগোৱাত মোক সৰ্বতো প্ৰকাৰে সহায় কৰিছিল পুষ্পলতা বাইদেৱে, ধীৰেন্দ্ৰনাথ দাস, সমীন কলিতা আৰু সুনীল পৱন বৰুৱাই। আন্তৰিক কৃতজ্ঞতা জনালো বুলি ক'লেই সেই ঋণ পৰিশোধ নহয়। আৰু বিভিন্ন ব্যক্তিয়ে বিভিন্ন সময়ত আমাৰ এই কাৰ্যত যথেষ্ট সহায় কৰিছিল। সকলোৰে নাম ইয়াত দিয়া সম্ভৱ নহয়। সকলোলৈকে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

শেষত, আমাৰ অনুৰোধ ৰক্ষা কৰি ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই নানা কামৰ মাজতো এই গ্ৰন্থৰ বাবে "আগ-কথা" লিখি দিয়াত আৰু ৺দাস দেৱৰ সহবাসী বিজয় চন্দ্ৰ ভাগৱতীদেৱে একেষাৰ লিখি দিয়াত দুয়োলৈকে আমাৰ পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত এশৰাই গুৱা-পাণৰে গ্ৰন্থখনি ৰাইজৰ ওচৰত আগবঢ়াই দিলো।

ৰাধাগোবিন্দ বৰুৱা পথ
নবীন নগৰ
গুৱাহাটী-২৪
এপ্ৰিল, ১৯৮৮

অৰুণ চন্দ্ৰ ভূঞা

এজন ভাল মানুহলৈ

—শ্ৰদ্ধাৰ্ঘ

বিশেষজনৰ বিশেষ সৃষ্টিয়ে তেওঁক প্ৰখ্যাত কৰে আৰু সেয়ে তেওঁৰ জীৱনী লিখাৰ সৰ্বপ্ৰধান উপাদান। তেনে পুৰুষৰ প্ৰতিভা আৰু অৱদানৰ হিচাপ লৈয়ে মানুহজনৰ বিচাৰো হয় আৰু তেওঁক বুজিবলৈ চেষ্টা চলে। কিন্তু কেতিয়াবা এনেও হ'ব পাৰে যে, কোনো বিশ্ববিজয়ী কামেৰেও মানুহজন জুখিবও নোৱাৰি, প্ৰকাশ কৰাও সম্ভৱ নহয়। ধৰ্ম, দৰ্শন-বিজ্ঞান, কলা-সাহিত্য, ৰাজনীতি প্ৰমুখ্যে বিভিন্ন ক্ষেত্ৰত যিবিলাক কামৰ কাৰণে তেওঁ প্ৰখ্যাত হয়, সমাজৰ বৰেণ্য হয়, জনস্বীকৃতি পায়, এই সকলোবে উপৰিও মানুহজনৰ আন এটা সত্তা থাকিব পাৰে। তেওঁৰ মনৰ নিভৃত কোণত, তেওঁ কৰা সাধনাই মানুহজনক মানুহ হিচাপে মহত্ব দিব পাৰে।

অমিয়কুমাৰ দাসৰ জীৱন আলোচনা কৰিবলৈ গৈ প্ৰথমতেই এইকিটা কথা কোনেও মানি নোলোৱাকৈ নোৱাৰে যে, বিভিন্ন ক্ষেত্ৰত তেওঁৰ মূল্যবান অৱদান আছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ তেওঁ আছিল এজন নিৰ্ভীক সৈনিক আৰু অগ্ৰণী নেতা। মহাত্মাগান্ধীৰ পৰিচালিত কেউটা স্বাধীনতাৰ আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰিয়েই তেওঁ ক্ষান্ত থকা নাছিল; বিশেষকৈ মন দিবলগীয়া যে, দুটা আন্দোলনৰ মাজৰ অৱসাদৰ সময়তো, তেওঁ সীমিত সংখ্যক সেইসকল নেতাৰ ভিতৰত আছিল যিসকলে পিছৰ আন্দোলনৰ কাৰণে প্ৰস্তুতিৰ কামত নেৰানেপেৰাকৈ, একান্তভাৱে আত্ম-নিয়োগ কৰিছিল। সাংবাদিক হিচাপে আৰু সম্পাদনা কৰা বিষয়েও তেখেতৰ বিশেষ খ্যাতি আছে। তেখেত আছিল কেজনমানৰ ভিতৰত, যিসকলে অসমীয়াত ৰাজনৈতিক সাহিত্য গঢ়ি তোলাত আগবঢ়া আছিল। সৰল সহজ ভাষাত লিখা তেওঁৰ ৰচনাৱলীয়ে অসমীয়া সাহিত্যত এটা লেখত লবলগীয়া বৰঙণি দি গৈছে। দাস ভাঙৰীয়া বৰ কমসংখ্যক নেতাৰ ভিতৰত এজন, যিজনে পাহাৰৰ আৰু ভৈয়ামৰো জনজাতিৰ লোকসকলৰ—ছাত্ৰসকলৰ লগত, তেওঁলোকৰ অঞ্চলবিলাকলৈ গৈ, বিশেষ সম্বন্ধ ৰাখি, উত্তৰপূৰ্ব সীমান্তৰ এটা গুৰুত্বপূৰ্ণ কাৰণে, সেইদিনতে, সকলোৰে মনোযোগ আকৰ্ষণ কৰিছিল।

স্বাধীনতাৰ পিছত মন্ত্ৰীত্বৰ দায়িত্ব লৈ থাকোঁতেও, তেওঁ সৰ্বসাধাৰণ ৰাইজৰ লগত আপোনজনৰ সম্পৰ্ক আৰু ঘনিষ্ঠতা ৰাখিছিল। অমিয়দাদাৰ অৱদানৰ কামবিলাকৰ মই গুণগ্ৰাহী। কিন্তু তেওঁৰ স্বাধীনতাৰ যুদ্ধৰ দিনৰ বা আন সময়ৰ বিশেষ কামবিলাকৰ মাজেদি মই যিমান ওচৰৰপৰা, যিমান ভালকৈ অমিয়দাদাক দেখিছো, তাতোকৈ সকলো অলংকাৰ বিভূষণ, বিমুক্ত, মানুহ হিচাপে, মোৰ অনুভূতিৰে মই তেওঁক যেনেকৈ বুজিছো, সি মোৰ কাৰণে বিশেষ মূল্যবান। মোৰ বোধেৰে, কোনে কি ক্ষেত্ৰত, কিমান মূল্যবান কাম কৰিলে, কোনে দেশৰ বা বিশ্বৰ ভঁড়াললৈ কি বৰঙণি দিলে, কাৰ প্ৰভাৱ-প্ৰতিপত্তি, মান-সম্মান-যশস্যা, খিতাপ ক্ষমতা কিমান সেইবিলাকৰ লেখ লবলৈ বহুত থাকিলেও আৰু সমাজত তাৰ অপৰিসীম মৰ্যাদা আৰু প্ৰয়োজন থাকিলেও, সেই সকলোতকৈ মহৎ কথা হৈছে মানুহ হিচাপে মানুহজন কেনে। মানুহ মানুহ হোৱাটোৱেই মানুহৰ জীৱনৰ চৰম সাৰ্থকতা। মোৰ বিশ্বাস অমিয়দাদাই এই সাৰ্থকতা লাভ কৰিছিল। ইয়াকে স্মৰণ কৰি, মই তেওঁলৈ শ্ৰদ্ধাৰ অৰ্ঘ্য নিবেদন কৰোঁ।

আজিৰ পৃথিৱীত মানুহৰ সকলো কৃতকাৰ্যতাৰ মাজতো মানুহে মানুহ হিচাপে সাৰ্থকতা লাভ কৰিব নোৱাৰাটোৱেই মানুহৰ চৰম ব্যৰ্থতা। ইয়েই আজিৰ যুগৰ সমস্যা। সৃষ্টি ধ্বংসকাৰী পাৰমাণৱিক অস্ত্ৰ বা অন্য মাৰক অস্ত্ৰ নিবাৰণ বা নিষ্ফল কৰিব পাৰিলেও মানুহৰ সমাজৰ আজিৰ সমস্যাৰাশি সমাধান হব নোৱাৰে, যদি বিশ্ব-সংসাৰৰ কেন্দ্ৰত অধিষ্ঠিত মানুহজন, মানুহ হিচাপে ভাল হ'ব নোৱাৰে। সকল স্বয় পৰিচালিত যন্ত্ৰৰ উদ্ভাৱক আৰু সুদক্ষ চালক হিচাপেই নহয়, মানুহ হিচাপেও মানুহ, আজিৰ উন্নতিৰ যুগৰ লগত খাপখুৱাই উচ্চস্তৰলৈ উঠিব নোৱাৰিলে মানুহৰ সংসাৰ নিৰাৰিকৈ চলিব নোৱাৰে। যন্ত্ৰ সভ্যতাৰ যুগত মানুহে আজি উৎপাদনৰ ক্ষেত্ৰত ধনদৌলতৰ পৰ্বত-প্ৰমাণ দ'ল বান্ধিব পাৰে, কিন্তু মানুহৰ সংসাৰত শান্তি স্থাপন হ'ব নোৱাৰে। নভোমণ্ডলত বিচৰণ কৰিলেও, স্থূলধৰ্মী বস্তুতন্ত্ৰৰ সৰ্বগ্ৰাসী প্ৰয়োগ আৰু অনিয়ন্ত্ৰিত-অপৰিসীম অৰ্থ লালসাই আজিৰ মানুহক পংগু কৰি পেলাইছে। একালেদি যেনেকৈ মানুহে বিশ্ব-ব্ৰহ্মাণ্ড নিৰ্মিৰতে অপ্ৰয়াসে বিচৰণ কৰিব পৰা হৈছে, আনকালে সেই হিচাপে নিজৰ অন্তৰখন সম্প্ৰসাৰিত কৰিব নোৱাৰাৰ কাৰণে যি বিসংগতি দেখা দিছে, সি স্বাভাৱিকতেই দুখ দায়ক হৈছে। একালেদি দিকচক্ৰবাল অতিক্ৰম কৰিব আৰু আনকালেদি নিজৰ মনটো সংকুচিত কৰি

পিঞ্জৰাবদ্ধ কৰি ৰাখিব, ই খাপ নোখোৱা কথা। সামগ্ৰিকভাৱে মানুহজন আৰু সেই মানুহজনৰ সৃষ্টিৰ মাজত যি অসামঞ্জস্য হৈছে,—সৃষ্টিৰ মূল সত্তাৰ লগত যি বিৰোধ ঘটিছে, সিয়েই সকলো অভূতপূৰ্ব সাফল্যৰ মাজতো, নানাভাৱে এই যুগটোৰ ভবিষ্যত সন্দিহান কৰি তুলিছে।

সংগঠনৰ প্ৰয়োজন কোনেও নুই কৰিব নোৱাৰে। কিন্তু যিমানেই সংগঠনৰ শক্তি সুদৃঢ় কৰা নহওক, পৰিচালক ভাল নহলে, অনৰ্থ ঘটিব পাৰে। যিমানেই যন্ত্ৰই যন্ত্ৰ চলোৱা উন্নত কাৰখানা গঢ়ি তোলা নেথাওক, ক'ৰবাত কোনো এজন কৰ্তব্যনিষ্ঠ মানুহে নিৰ্ধাৰিত নিয়ম পদ্ধতি অনুসৰি বুটামটো টিপি নিদিলে বা বন্ধ নকৰিলে, ডাঙৰ বিপদ হ'বলৈ আছে। পাৰমাণৱিক অনুষ্ঠানত কোনোজনৰ অমনোযোগিতাৰ কাৰণে, সৰ্বনাশীয়া ঘটনা ঘটি আছে। মানুহৰ সংসাৰত বিভিন্ন ক্ষেত্ৰত হোৱা বা হব লগা নানা কাম ভালকৈ হ'বলৈ হ'লে, কৰোঁতাজনৰ নিয়মানুবৰ্তিতা সাধুতা আৰু কৰ্তব্যনিষ্ঠা, শাৰ অপৰিহাৰ্য চৰ্ত। ব্যৱহাৰিক ক্ষেত্ৰত ই যদি সঁচা তেন্তে নৈতিকতা আৰু মানবীয়ক্ষেত্ৰত ইয়াৰ প্ৰয়োজন যে, সহস্ৰ কোটী গুণে বেছি, তাক কেও নুই কৰিব নোৱাৰে। মহাত্মাগান্ধীয়ে সেইকাৰণে, মানুহ হিচাপে ভাল হোৱাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছিল। স্বাধীনতাৰ আন্দোলনৰ মাজেদি তেওঁৰ সত্য অহিংসাৰ নীতি আদৰ্শ ৰক্ষা কৰি কাম কৰা কৰ্মীদল গঢ়ি তুলিবলৈ তেওঁ অশেষ চেষ্টা কৰিছিল। গান্ধীজীৰ জীৱনৰ আহি আৰু স্বাধীনতাৰ যুদ্ধৰ প্ৰেৰণাই তেনে কৰ্মীদল সৃষ্টিও কৰিছিল। অমিয়দাদা তাৰে এটা নিদৰ্শন। দুৰ্ভাগ্য যে, কালক্ৰমে অমিয়দাস আৰু তেওঁৰ লগৰীয়া সকলৰ আদৰ্শৰ সেই জ্যোতি ক্ৰমে গান্ধীৰ দেশতে হ্ৰাস পাবলৈ ধৰিলে। হয়তোবা ই লোপেই পাবলৈ ধৰিছে।

কোনো ধৰ্মপন্থা বা মতবাদৰ লগত সম্পৰ্ক নৰখাকৈ গভীৰ অনুভূতিৰে উপলব্ধ তত্ত্বমূলক কথাৰে বিদ্বানসমাজত আলোড়ন সৃষ্টি কৰোটা, সংস্কাৰ বিমুক্ত, ধীমান জে, কৃষ্ণমূৰ্তিয়ে কোৱা কেশাৰমান কথা এই প্ৰসংগত উল্লেখযোগ্য।

তেখেতে কৈছে :—

"দেশ দেশান্তৰ ভ্ৰমণ কৰিলে, যি কোনো লোকেই দেখিব যে, সকলোতে মানবীয় সমস্যা দেখাত বেলেগ যেন লাগিলেও দৰাচলতে কমবেছি ৰকমে একেই। সি হৈছে হিংসাৰ সমস্যা, স্বাধীনতাৰ সমস্যা, মানুহ আৰু মানুহৰ ভিতৰত কেনেকৈ ভাল সম্পৰ্ক ৰক্ষা কৰা যায় তাৰ সমস্যা যাতে মানুহে অকল নিজৰ ভিতৰতে নহয়, ওচৰ চুবুৰীয়াৰ লগতো শান্তিৰে আৰু অলপ শিষ্টাচাৰ ৰক্ষা কৰি

বসবাস কৰিব পাৰে। এনে সমস্যাও আছে যেনেকৈ সমগ্ৰ এছিয়াতে থকা দৰিদ্ৰতাৰ সমস্যা, নিবাহাৰৰ আৰু দৰিদ্ৰজনৰ নিদাৰুণ নৈৰাশ্যৰ সমস্যা। তাৰ উপৰি যেনেকৈ পশ্চিম ইউৰোপত ঐশ্বৰ্যৰ সমস্যা য'ত সংযম বা নিয়ন্ত্ৰণ নথকাত ঐশ্বৰ্যৰ মাদকতা সৃষ্টি হয়; এনে ক্ষেত্ৰত হিংসা থাকিবই; তাত নীতি বিগৰ্হিত বিলাসিতাই ৰাজত্ব কৰাও স্বাভাৱিক—সি এখন সমাজ যিখন সমাজ দুৰ্নীতি ভাৰাক্ৰান্ত আৰু নৈতিকতাহীন।"

লগতে কৃষ্ণমূৰ্তিয়ে আৰু কৈছে : —

"আমাৰ ইমানবিলাক জটিল সমস্যা! দুৰ্ভাগ্য যে, এই সকলো সমস্যা সমাধানৰ কাৰণে আমি আনৰ ওপৰত নিৰ্ভৰ কৰোঁ। বিশেষজ্ঞই সেইবিলাক সমাধান কৰিব বুলি ভাবো। পৃথিৱীৰ সকলোতে ধৰ্মই সেই সমস্যাৰপৰা উদ্ধাৰ পাবৰ উপায় দিয়ে। ইমানলৈকো ভবা হয় যে, বিজ্ঞানে আমাৰ মানৱীয় সমস্যা বিলাকো সমাধান কৰিব। শিক্ষাই সকলো সমস্যাৰ ওৰ পেলাব বুলিও ভবা হয়। কিন্তু বাস্তৱিক ক্ষেত্ৰত সমগ্ৰ পৃথিৱীতে সমস্যা বাঢ়িহে আছে।

সমস্যাবিলাক ক্ৰমে অধিকতৰ জটিল আৰু দেখামতে অন্তহীন হৈহে পৰিছে। এই সকলো দেখিশুনি অৱশেষত এনে ধৰণে নভবাকৈ নোৱাৰি ভাবিবলৈ বাধ্য যে, সমস্যা সমাধানৰ কাৰণে কাৰো ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি—তেওঁলোক ধৰ্মযাজকেই হওক, বৈজ্ঞানিকেই হওক বা বিশেষজ্ঞই হওক। কিয়নো তেওঁলোকৰ প্ৰত্যেকেই ব্যৰ্থ হৈছে। এনে অৱস্থাত প্ৰতি জনে নিজৰপৰাই সমস্যাৰাশি সমাধানৰ চেষ্টা কৰিব লাগিব। প্ৰত্যেকেই নিজেই নিজৰ পৰাই আত্মঅনুশীলনৰ আৰু আত্মবোধৰ অভিযান কৰিব লাগিব।"

ইয়াৰ তাৎপৰ্য হৈছে ব্যক্তিগত মানুহে নিজক ভাল কৰিব নোৱাৰিলে—মানুহ মানুহ নহ'লে, মানৱীয় সমস্যা অন্য উপায়েৰে সমাধান হ'ব নোৱাৰে। মানুহৰ এনে অভিব্যক্তিৰ কাৰণেই মানুহ হিচাপে মানুহজনৰ ওপৰত বেছি গুৰুত্ব দিবৰ প্ৰয়োজন। ইয়েইহে মানুহৰ মিলনৰ সেতু বান্ধিব পাৰে। আজিৰ পৰিস্থিতিত ইয়াৰ প্ৰাসংগিকতা অনস্বীকাৰ্য। মানুহৰ ইতিহাসত মানুহৰ বুদ্ধিৰ, চমৎকাৰ কামবিলাকৰ অসংখ্য নিদৰ্শন আছে। বুদ্ধিৰ সহায়ত মানুহে অসাধ্য সাধন কৰিছে, কিন্তু ইয়াকো স্বীকাৰ কৰিব লাগিব যে বুদ্ধিৰ ওপৰতো মানুহৰ অন্তৰৰো অন্তৰত কিবা এটি মহিয়সী অনিৰ্বচনীয় সত্তা আছে, যি মানুহৰ সৰ্ব প্ৰধান প্ৰেৰক শক্তি।

অমিয় দাস বিশেষ প্ৰতিভাশালী বা ক্ষুৰধাৰ বুদ্ধিৰ মানুহ আছিল বুলি

বহুতে মৰ'বও পাৰে। তেওঁ কবি হোৱা কামবিলাকৰ কাৰণেও তেওঁ দেশত বা পৃথিবীত জনাজাত হৈ হুঠিব পাৰে কিন্তু সেই বুলি সেই সেই ক্ষেত্ৰত তেওঁৰ বিশেষত্ব আৰু স্বকীয় মহত্বৰ কথা কেও হ্ৰুই কৰিব নোৱাৰে। তদুপৰি তেওঁৰ জীৱনৰ সকলোতকৈ ডাঙৰ কৃতকাৰ্যতা হৈছে যে তেওঁ মানুহজন মানুহ হিচাপে ভাল হোৱাৰ সাধনাত আজীৱন ব্ৰতী আছিল আৰু সিয়েই তেওঁৰ ক্ৰান্তিকাৰী জীৱনৰ মাধ্যমেৰে কঢ়িয়াই আনিছে, আজিৰ যুগৰ সকলোতকৈ প্ৰয়োজনীয় বাণী—মানুহ মানুহ হোৱাৰ আহ্বান। এজন মানুহৰ মানুহ জাতিলৈ ইয়াতকৈ শ্ৰেষ্ঠ অৱদান একো হ'ব নোৱাৰে। ভাল মানুহ বুলি অমিয়দাদাই তেওঁৰ যি ভাবমূৰ্তি ৰাখি গৈছে, সি আমাৰ অমূল্য সম্পদ।

আজিৰ যুগৰ মানৱীয় সমস্যাৰাশিৰ সমাধানৰ কাৰণে—মানুহৰ সংসাৰৰ মূলীভূত প্ৰশ্নবিলাকৰ নিৰাকৰণৰ উদ্দেশ্যে অমিয়দাদাৰ দৰে ভাল মানুহৰে সকলোতকৈ বেছি প্ৰয়োজন। অমিয় দাসৰ জীৱন আদৰ্শই আজিৰ অৱস্থাত প্ৰকৃত বাটৰ সন্ধান দিব—ঘোপমৰা অন্ধকাৰৰ মাজতো পোহৰ পেলাব—ইয়াকে আশা কৰি প্ৰাৰ্থনা জনাওঁ।

বাহিৰে ভিতৰে শুদ্ধ, নিকা-নিৰ্মল চৰিত্ৰৰ ভাল মানুহ লোকনায়ক অমিয়দাসলৈ মই মোৰ প্ৰাণৰ প্ৰণতি জনাওঁ।

তেজপুৰ, ১৯০৮ শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী

আগ-কথা

'অমিয় কুমাৰ দাস' গ্ৰন্থখন এখন চিনাকি ঘৰৰ পদূলিমুখ যেন লাগিল। ঘৰগনৰ বাহিৰত মাটিৰ বেৰৰ আড়ম্বৰবিহীন শোভা; ভিতৰত নিৰ্মল অন্তৰৰ শুভ্ৰ আলোক। জীৱন-কালত অমিয় কুমাৰ দাসৰ বাহিৰটোহে সৰহ ভাগ মানুহে দেখিছিল। তেওঁৰ ভিতৰখন দেখাৰ সৌভাগ্য ঘটিছিল কেৱল তেওঁৰ অতি ঘনিষ্ঠ বন্ধু আৰু প্ৰিয়তমা পত্নীৰহে। তেওঁৰ দিনলিপি আৰু লেখাসমূহেও তেওঁৰ অন্তৰখনৰ ৰূপ প্ৰকাশ কৰিছে। ৰাজনীতিজ্ঞসকলৰ দুটা জাত। এটা জাতে ক্ষমতাৰ পূজা কৰে। ইটো জাতে সংগ্ৰাম আৰু সেৱাত মজি যায়। অমিয় কুমাৰ দাস দুদিনৰ বাবে মন্ত্ৰী আছিল যদিও, তেওঁৰ আত্মাই সদায় অহিংস অসহযোগ আৰু গঠনমূলক কামৰ বাবেহে হাবিয়াস কৰিছিল। তেওঁ ব্যক্তিগত সম্পত্তি গোটাবলৈ আগ্ৰহ কৰা নাছিল, বিভিন্নসূত্ৰে যি মাটি বা ধন পাইছিল সেইবোৰক তেওঁ বিভিন্ন ন্যাসলৈ (বা Trust) ৰূপান্তৰিত কৰি গৈছে। তেওঁৰ আচল পৰিচয় সেৱাত ফুটি উঠিছিল।

১৯৩৭ চনৰ কথা। কংগ্ৰেছে পশ্চিম তেজপুৰ সমষ্টিৰপৰা অমিয়কুমাৰ দাসক বিধান পৰিষদৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ নিৰ্দেশ দিলে। অমিয় দাসৰ সদস্য হ'বৰ বাবে বিন্দুমাত্ৰও ইচ্ছা নাছিল। পদটো প্ৰথমতে যচা হৈছিল জ্যোতি প্ৰসাদ আগৰৱালাক। জ্যোতিপ্ৰসাদৰ অসুখ হ'লত, তেওঁ এই প্ৰতিদ্বন্দ্বিতাত নানামিবলৈ ঠিৰাং কৰিলে। নিৰ্বাচনী কমিটীয়ে অমিয় দাসৰ অনিচ্ছাৰ কথা জানিও তেওঁকেই প্ৰাৰ্থী মনোনীত কৰিলে। তেতিয়া নিৰ্ধাৰিত সম্পত্তি নথাকিলে কোনো লোকেই নিৰ্বাচনত প্ৰাৰ্থী হ'ব নোৱাৰিছিল। অমিয় দাসৰ এচিকটাও মাটি নাছিল। সহকৰ্মী চন্দ্ৰ কুমাৰ নাথে নিজৰ টকাৰে অমিয়কুমাৰৰ নামত তেজপুৰ নগৰৰ দাতিকাষৰীয়া বেছেৰীয়াত অলপ মাটি কিনি দিলে। নিৰ্বাচনত ঘূৰিবলৈ লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাই দিলে এখন গাড়ী। অমিয়কুমাৰে কংগ্ৰেছৰ আদৰ্শৰ নামত ভোট খুজিলে। ৰাইজে ভোটৰ বাকচ ভৰাই ভোটো দিলে। এই সৰল অথচ কঠোৰ আদৰ্শবাদী অমিয় কুমাৰ জনকে ড° অৰুণচন্দ্ৰ ভূঞাদেৱে "অমিয় কুমাৰ দাস' গ্ৰন্থত তুলি ধৰিছে। ভূঞা ইতিহাসৰে ছাত্ৰ। ইয়াৰ আগতে 'অসমৰ ৰাজনৈতিক ইতিহাস'ৰ শেহৰ দুটা খণ্ড তেওঁ যুটীয়াভাৱে সম্পাদনা কৰি স্বাধীনতা আন্দোলনৰ যথেষ্ট তথ্য পোহৰলৈ

আনিছে। তাৰো আগতে তেওঁ বিয়াল্লিছৰ আন্দোলনৰ ওপৰত গবেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিছে। 'অমিয় কুমাৰ দাস' গ্ৰন্থখনত ভূঞাই স্বাধীনতা আন্দোলনৰ অক্লান্ত কৰ্মী আৰু সৎ দেশসেৱক স্বৰ্গীয় অমিয় কুমাৰ দাসৰ থূলমূল জীৱন-চিত্ৰ আঁকিছে। তেওঁ বহুত কথা চমুৱাই কৈছে; কিন্তু তাৰ হৈছে দাসৰ জীৱনৰ লাগতিয়াল ঘটনা একো বাদ পৰা নাই। কাহিনী কোৱা ভংগীৰে ঘটনাৰ বৰ্ণনা কৰাৰ প্ৰয়াস গ্ৰন্থখনত পৰিস্ফুট হৈছে।

ভূঞাৰ কিতাপখনত মুঠতে এবৈশ অধ্যায় আছে। জন্মৰপৰা মৰণলৈকে দাসৰ জীৱনৰ তাৎপৰ্যপূৰ্ণ ঘটনাৱলী একাদিক্ৰমে অধ্যায়বোৰত বৰ্ণোৱা হৈছে বুলি ক'লেও ভুল কৰা নহয়। ঠায়ে ঠায়ে ক্ৰম ভংগ হৈছে যদিও কথাৰ তাল ভংগ হোৱা নাই। আৱশ্যক অনুসৰি অমিয় দাসৰ দিনলিপি, অন্যান্য লেখা আৰু আপোনজনৰ কথাৰ উদ্ধৃতি দি জীৱনীখন নিৰ্ভৰযোগ্য কৰি তুলিবলৈ ভূঞাই বিশেষভাৱে যত্ন কৰিছে। অৱশ্যে দুই এটা আসোৱাহ চকুত পৰিছে। এটা উদাহৰণ দিওঁ। ৪২ পৃঃ ত লেখকে কৰ্মবীৰ চন্দ্ৰ শৰ্মাৰ মৃত্যু পুৰীত হৈছিল বুলি লিখিছে। প্ৰকৃতপক্ষে কৰ্মবীৰৰ মৃত্যু হৈছিল শ্বিলঙত। এই ভুলটোৰে অমিয় দাসৰ জীৱন-কাহিনী বৰ্ণনাত বিশেষ একো ক্ষতি সাধন কৰা নাই। জীৱনৰ তথ্যবো হেৰ-ফেৰ ঘটা নাই বুলিয়েই ভাব হৈছে। লেখকৰ অমিয় দাসৰ প্ৰতি শ্ৰদ্ধা তেওঁৰ লেখাতো ফুটি উঠিছে। এই শ্ৰদ্ধা আদৰ্শগত, জাতীয়তাৰ দ্বাৰা অনুপ্ৰাণিত। হ'লেও এটা কথা ক'ব লাগিব। অমিয় কুমাৰ কংগ্ৰেছৰ সংগ্ৰাম আৰু সেৱাৰ ঐতিহ্যৰ বাহক আছিল। এইবোৰ কামত ব্যক্তিগত স্বাৰ্থ পূৰণৰ সুবিধা নাছিল। তদুপৰি অমিয় দাসৰ মন নিস্বাৰ্থসেৱাৰ ভাৱধাৰা সততে পৰিচালিত হৈছিল। এনে ধৰণৰ মানুহৰ লগত কাৰোবাৰ আদৰ্শৰ মতভেদ ঘটিলেও, সেই মতভেদ কেতিয়াও কন্দলৰ পৰ্যায় নেপায়গৈ। একপ্ৰকাৰ চালে এই মানুহবোৰ অজাতশত্ৰু।

গাইগুটীয়া জীৱনৰ লগত মিলি থকা বাবে অমিয় কুমাৰে পৰিয়াল, দল আৰু জনতাৰ মাজত এক ব্যৱহাৰিক সমন্বয় সাধন কৰিবলৈ সমৰ্থ হৈছিল। অৱশ্যে পৰস্পৰৰ সম্পৰ্ক নীতিসম্মত কৰিবৰ বাবে তেওঁ সততে আত্ম সমীক্ষণ আৰু আত্ম-সমালোচনা কৰিবলৈ বাধ্য হৈছিল। সিদ্ধান্ত লওঁতে বা কাম কৰোঁতে যাতে ভুল নহয়, তাৰ কাৰণে তেওঁ সততে কামৰ আৰু সিদ্ধান্তৰ ভাল-বেয়া বিচাৰ কৰি চাব লগাত পৰিছিল। এই ধৰণৰ বিবেকসম্পন্ন মানুহৰ জীৱনটো মুকলি কিতাপৰ দৰে। এনে মানুহৰ জীৱন পানীৰ দৰে—পৰিষ্কাৰ, কোমল আৰু

বিনম্ৰ। বিনম্ৰভাবে এওঁলোকে বিবোধৰ অৱসান ঘটায় আৰু কোমলভাবে অতি কঠিন দুৰ্গৰ দুৱাৰো ভাঙি চুৰমাৰ কৰে। এনে মানুহক নিন্দায়ো বিচলিত নকৰে। অমিয় কুমাৰ দাসৰ এই জীৱনীখন পঢ়িলে এই ভাব দৃঢ় হয়। আন এটা কথাও মোৰ উপলব্ধি হৈছে। স্বাধীনতাৰ পিছত কংগ্ৰেছৰ আদৰ্শচ্যুতি আৰু স্খলনত ডেকাসকলৰ বহুতেই অসন্তুষ্ট হৈছিল। তেওঁলোকে কংগ্ৰেছৰ খাই নেতাসকলকো সমালোচনা কৰিছিল। মন্ত্ৰী হৈ থাকোতে তেখেতৰ কামৰ সমালোচনা কৰাও মনত পৰে। জীৱনীখন পঢ়িলে অনুভৱ হয়, অমিয়কুমাৰে নিজেও কংগ্ৰেছৰ কিছুমান কামত সন্তুষ্ট হোৱা নাছিল। মন্ত্ৰীত্ব এৰি দি গঠন-মূলক কামত আত্মনিয়োগ কৰিবলৈ ধৰাৰ মূলতেই যে তেওঁৰ আত্মসমালোচনা-মূলক চিন্তা-ভাৱনা আছিল, সেই কথাও জীৱনীখনে আমাক জানিবলৈ দিয়ে। মূঠৰ ওপৰতে তেওঁ যে স্বাধীনতাৰ পিছত কংগ্ৰেছৰ ভিতৰৰা অৱস্থাৰ অৱনতি ঘটাত ভয়ানক মনোকষ্ট পাইছিল, এই কথা ধ্ৰুপ। অসমৰ আৰু অসমৰ বিবিধ গোটৰ মাজত ঐক্য ৰক্ষাৰ বাবে তেওঁ মনে-প্ৰাণে যথেষ্ট খাটিছিল যদিও তেওঁৰ জীৱন-কালতে অসম খণ্ড-বিখণ্ড হোৱাত আৰু অসমৰ বিভিন্ন গোটৰ মানুহৰ মাজত বিভাজন ঘটাত, তেওঁৰ অন্তৰ অনুতাপৰ জুইত দেই-পুৰি গৈছিল। অসমক কেবিনেট মিছনৰদ্বাৰা ৰচিত ৰাজনৈতিক ব্যৱস্থাৰ 'গ' শাখাত অন্তৰ্ভুক্ত কৰাৰ বিৰুদ্ধে হোৱা সংগ্ৰামত সৰ্বভাৰতীয় কংগ্ৰেছৰ শীৰ্ষস্থানীয় নেতা কেইজনমানৰ পূৰ্ণ সমৰ্থন নোপোৱাৰ বাবে অমিয় কুমাৰ ক্ষুব্ধ হৈছিল। কিন্তু মহাত্মাৰ আশীৰ্বাদে সকলো ক্ষুব্ধতাৰ অৱসান ঘটালে। অসমক কেইবাখনো ৰাজ্যত বিভক্ত কৰা, অৰুণাচলত অন্ধভাৱে হিন্দী ভাষা প্ৰচলন কৰা, অসমলৈ হোৱা অবাধ প্ৰব্ৰজনত কোনো বাধা-নিষেধ আৰোপ নকৰা, অসমীয়াৰ দৰে ক্ষুদ্ৰ জাতিৰ অস্তিত্বৰ সমস্যাৰ সম্যক উপলব্ধি কৰিব নোৱাৰা বাবে অমিয়বাবু কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰ আৰু অনুষ্ঠানৰ সংশ্লিষ্ট নেতাসকলৰ ওপৰত ভিতৰি ভয়ানক অসন্তুষ্ট হৈ পৰিছিল। শেষৰ কালে তেওঁৰ ধাৰণা হৈছিল, উত্তৰ পূব ভাৰতৰ বাইজৰ চিন্তাৰ লগত দেশৰ শাসকসকলৰ ঘনিষ্ঠ পৰিচয় নোহোৱাৰ বাবেই তেওঁলোকে এই অঞ্চলত পূৰ্বৰ সাম্ৰাজ্যবাদী শাসকসকলৰ দৰেই বিভাজনৰ বিহগুটি সিঁচি তাক এজোপা বৰ গছ হ'বলৈ দিলে। তাৰ ফল হ'ল বিষম। উত্তৰ ভাৰতত প্ৰতিৰক্ষাৰ আধ্যাত্মিক ভেটি ভাগি গ'ল। অমিয় কুমাৰৰ ধাৰণা হৈছিল, ১৯৬২ চনত হোৱা চীনা আক্ৰমণৰ সময়ত তেজপুৰ নগৰৰ শাসন আৰু ৰাজহুৱা সেৱা ব্যৱস্থা বিকল কৰা, নেতা আৰু ৰাইজৰ মাজত সন্ত্ৰাসৰ ভাব ৰচা

আৰু ব্ৰহ্মপুত্ৰ (শৰাই ঘাট) দলং ভঙা আদিৰ কথা তথাৰ মূলতে এই আধ্যাত্মিক ভেটিৰ ধ্বংস সাধন ভাবেই ক্ৰিয়া কৰিছিল। বিভাজনৰ নীতি অনুসৰণ কৰাৰ ফলত উত্তৰ পূব ভাৰতৰ বিভিন্ন প্ৰজাতীয় গোটসমূহৰ মাজত মিলন আৰু একতাৰ ভাব সুদৃঢ় হোৱাত বাধা জন্মিল। জনসাধাৰণৰ মনোবলৰ অবিহনে অকল সামৰিক বাহিনীয়ে অস্ত্ৰৰ বলেৰে দেশৰক্ষা কৰিব নোৱাৰে। জনসাধাৰণৰ মনোবল তেওঁলোকৰ একতাৰ ওপৰতহে নিৰ্ভৰশীল। অমিয়কুমাৰৰ এইবিলাক মনোবেদনা জীৱনীখনত স্পষ্টভাৱে ফুটি ওলাইছে।

অমিয় কুমাৰৰ দৃঢ় বিশ্বাস আছিল অসমৰ জনসাধাৰণৰ একতা ৰক্ষাৰ মনোভাৱত। তেওঁ নগা, মিজো, খাচী, গাৰো, কাৰ্বি, বড়ো সকলোৰে নিজ নিজ বৈশিষ্ট্য ৰক্ষা কৰাৰ ওপৰত জোৰ দিছিল। অসমত থকা সকলো লোকেই আপোন সত্তা ৰক্ষা কৰি এখন নতুন অসম গঢ়াত সহায় কৰিব, এয়ে আছিল তেওঁৰ অন্তৰৰ কামনা। এনে সমন্বয়ৰ ফলত এটা নতুন জাতিৰ জন্ম হ'ব বুলি তেওঁৰ দৃঢ় বিশ্বাস হৈছিল। জাতিটোৰ নাম অসমীয়া হ'লেও, সেই জাতিৰ ওপৰত অসমীয়া সকলৰ প্ৰাধান্য নচলিব। সমতা আৰু সত্যৰ ভেটিত জাতি গঠনৰ সকলো সমস্যা সমাধান হ'লে এনে ধৰণৰ প্ৰাধান্যৰ কোনো ভয় নেথাকিব। এই জাতিগঠনৰ ভাব কাৰ্যত পৰিণত কৰিবলৈ তেওঁ অশেষ যত্ন কৰিছিল। তেওঁৰ জীৱনত আজৰি মুঠেই নাছিলেই। কিন্তু কামৰ মাজতে আজৰি উলিয়াই তেওঁ বড়ো আৰু খাচী জনজাতীয় ভাষা শিকিছিল। তেওঁ ভাষা শিক্ষা বহীবোৰ তেখেতৰ সুযোগ্যা আৰু প্ৰিয়তমা পত্নী শ্ৰীমতী পুষ্পলতা দাসে আজিও সযত্নে ৰক্ষা কৰিছে। তেখেতৰ কাকতৰ টোপোলাবোৰো শ্ৰীমতী দাসে আটোম-টোকাৰিকৈ ৰাখিছে। এই কাকতবোৰ চাওঁতে চকুত পৰিল মোৰ হাইস্কুলৰ সহপাঠী ৺ভিছৰ আঙামী আৰু মিজো ইউনিয়নৰ সম্পাদক আদিৰ চিঠিবোৰে অমিয় দাসে কৰা জাতি গঠনৰ কামৰ আভাস দিয়ে। এইবোৰ নীৰৱ সেৱাৰ কাম। যি সময়ত নগাসকলৰ এচাম নেতাই নগাসকলক অসম আৰু ভাৰতৰ পৰা বিচ্ছিন্ন কৰাৰ বাবে আন্দোলন কৰিছিল, সেই সময়ত অমিয় দাসে ভিছৰ আঙামীৰ দৰে কৰ্মীৰ যোগেদি সংহতি আৰু সমন্বয়ৰ বাণী নগাসকলৰ গাৱেঁ গাৱেঁ বিলাবলৈ যত্ন কৰিছিল। ভিছৰে ১৪।৩।৪৭ তাৰিখে অসমীয়াত লিখা চিঠিখনৰ কেইটামান বাক্য এই প্ৰসংগত উল্লেখযোগ্য। ভিছৰে লিখিছিল "...মাওৰ পৰা কহিমালৈকে (এই ছোৱাত) কাম কৰি আছো। বিপৰীত পাৰ্টিও প্ৰায় ঠাণ্ডা হৈ আহিছে। কিন্তু এতিয়ালৈকে তেওঁবিলাকে কৈামাৰৰ মানুহক ভয়

কৰে, আৰু বগা চেহেৰাক বৰকৈ বিশ্বাস কৰে। ......আপোনালোকে কহিমা হাইস্কুলৰ কাৰণে সদায় অসমীয়া মাষ্টাৰ পঠিয়াবলৈ চেষ্টা কৰিব। ...পাৰিলে যি কামতেই হওক অসমীয়া মানুহক পঠিয়ালেহে ভাল। ...অসমীয়া হলে একেই মানুহ বুলি চিনাকি দিয়ে। অসমীয়া মাষ্টাৰ সকলৰ পৰাই বহুত কাম হৈছে। আৰু পঠিয়ালে (কাম) হ'ব বুলি বিশ্বাস কৰো। **আসামৰ মানুহ অসমীয়াই** এই ভাবটো পাহাৰ বিলাকত প্ৰথমেই প্ৰচাৰ কৰিবলৈ কামৰ বাট ওলাব বুলি মোৰ মনেৰে হয় (মনে ধৰে)।" (বন্ধনীত দিয়া অংশ পাতনি-লেখকৰহে)।

ভিছুৰৰ সংহতিৰ পথ আৰু অমিয় কুমাৰৰ সংহতিৰ পথ একেটাই আছিল। সেৱাৰ মাজেদি জন সংহতিৰ সেতু গঢ়া। এই পথ হৈ-চৈ, উগ্ৰ ধ্বনি আৰু আমোলাতান্ত্ৰিক শাসনৰ পথ নহয়। এই পথ নীৰৱ কাম, সজ চিন্তা আৰু স্বশাসনৰ পথ। এইবোৰ কামৰ বাবে প্ৰবল উদ্যমৰ প্ৰয়োজন। জনজাতিবোৰৰ বিষয়ে জানিবলৈ আমি তেওঁলোকৰ গুৰিলৈ যাব লাগিব, ভাৱৰ আদান-প্ৰদান কৰি উমৈহতীয়া উভয়কে শুভা উন্নয়নৰ পৰিকল্পনা কৰিব লাগিব। অমিয় দাসে নিজে কাৰ্বিসকলৰ গাঁৱলৈ গৈ তেওঁলোকৰ সুখ-দুখৰ ভাগ লৈছিল। এই বিষয়ে তেওঁ এখন গ্ৰন্থও লিখিছে। ভৈয়ামতো তেওঁ নোযোৱা আৰু নেদেখা অঞ্চল নাছিল। অসমৰ গঠনমূলক কামত আৰু জনজাতীয় সকলৰ সেৱাৰ ক্ষেত্ৰত কৰ্ণাটকৰ পৰা অহা ৺বি-কে-ভাণ্ডাৰীৰ দৰেই অমিয় কুমাৰৰো বৰঙণি চিৰস্মৰণীয় হৈ ৰ'ব।

ভিছুৰে ধুমুহাৰ দৰে কাম কৰিছিল। ভিছুৰৰ দৰেই এজন তেজ্‌ৰজীয়া মিজো ডেকা হ'ল 'ৰানখুআমা'। তেওঁ ১৪।৩।৪৭ তাৰিখে অমিয় কুমাৰ লৈ লিখিছিল, "I know personally that you have a great sympathy for the Lushai people. We appeal to you and to your co-workers such as the premier of Assam etc. to exert your influence to clear up misunderstanding which has been created during this short period in not alloting seat in the Advisory Committee and others...Now, there are a large section of the people who are inclined to pursue the policy of independent Mizo district. Unless the suspicion is cleared up, Assam will be divided into different states in

free India." অমিয় কুমাৰৰ যত্ন আছিল উগ্ৰ জাতীয়তাবাদৰ পথ পৰিহাৰ কৰি অসমৰ সকলো গোটৰ মানুহক সেৱাৰ আৰু মৰমৰ ডোলেৰে বান্ধি এটা উদাৰ আৰু বহল অসমীয়া জাতি গঢ়া। এনে এটা জাতীয়তাইহে ভাৰতবৰ্ষৰ লগত অসমৰ সম্বন্ধ যাউতিযুগীয়া কৰি তুলিব। উগ্ৰ জাতীয়তাৰ পথ পৰিহাৰ কৰিছিল কাৰণেই তেওঁ অসমীয়া ভাষাভাষীকো দেৱনাগৰী লিপি গ্ৰহণ কৰিবলৈ উপদেশ দিব পাৰিছিল। সমগ্ৰ ভাৰতৰ ভাষাবোৰৰ বাবে যদি এটা লিপি হয়, আমাৰ সাংস্কৃতিক যোগাযোগৰ সমস্যা যথেষ্ট লাঘৱ হ'ব। এয়ে আছিল তেওঁৰ ধাৰণা।

জীৱনকালত যি জন অমিয়কুমাৰক আমি লগ পাওঁ, সেই জন অমিয় কুমাৰ ঘৰে-পৰে আৰু বাহিৰে-ভিতৰে এক আছিল। আমি ঘৰ বুলিলে যাক বুজো, তেওঁৰ তেনে ঘৰ নাছিল। ভোগৰ মোহতকৈ ত্যাগৰ মহত্বহে তেওঁৰ ঘৰুৱা জীৱনত ফুটি উঠিছিল। তেওঁ প্ৰকৃততে আশ্ৰমতহে বাস কৰিছিল। 'মাকন'ক (শ্ৰীমতী পুষ্পলতা দাস) তেওঁ 'ভগৱানৰ দান' বুলি গ্ৰহণ কৰিছিল। মাকনৰ মানসিক সৌন্দৰ্য আৰু সেৱাৰ প্ৰবৃত্তিয়ে অমিয় কুমাৰক সততে মুগ্ধ কৰিছিল। মানুহজনে পত্নীলৈ লিখা এখন চিঠিত মন্ত্ৰীপদ গ্ৰহণৰ আগ মুহূৰ্তত হোৱা উথল-খুথল অৱস্থা আৰু অন্তৰ্দ্বন্দৰ কথা প্ৰকাশ কৰিছিল। তেওঁ লিখিছিল: "আমাৰ দুয়োকে জীৱনত সৰহ বস্তু একো নেলাগে। লগাতকৈ সৰহ বস্তুৰ সাৰ্থকতা কি? ইমান দিন এইবিলাক প্ৰশ্ন মনলৈ অহা নাছিল। এতিয়া জানোচা পদমৰ্যাদাই মোৰ মনলৈ লগা বস্তুতকৈ সৰহ বস্তুৰ বাবে মোহ আনে? এই প্ৰশ্নই মনলৈ আহিছে। সেইবাবে নিজকে সাজু কৰি লৈছোঁ যাতে লগাতকৈ সৰহ খৰচ নিজৰ বাবে নকৰোঁ। জীয়াই থাকিবলৈ প্ৰয়োজনীয় আয়তকৈ সৰহখিনি ৰাজহুৱা কামত দিম বুলিয়েই সিদ্ধান্ত কৰিছোঁ। সেৱা ধৰ্মকেই জীৱনৰ 'একমাত্ৰ ব্ৰত' বুলি নতুন অৱস্থাৰ লগ হ'বলৈ সাজু হৈছোঁ।" এই ভাৱ গান্ধীবাদী অৰ্থনীতিৰ মূল ভাৱ। এই ভাৱ যে তেওঁ যথাসাধ্য পালন কৰি গৈছে সেই কথা শেষৰ জীৱনৰ কাম বিলাকলৈ চালেই অনুমান কৰিব পাৰি। গোটেই জাতিটোৰ দাৰিদ্ৰ্যৰ ভাগ নেতৃস্থানীয় লোকেও গ্ৰহণ কৰক, তেহে দৰিদ্ৰ ভাৰতবাসীৰ মনত আত্মোন্নতিৰ প্ৰবল আগ্ৰহ জন্মিব। এনে আগ্ৰহ নজন্মিলে ভাৰতৰ দাৰিদ্ৰ্য মোচন অসম্ভৱ, কিয়নো বাইজে নিজে নিজৰ প্ৰয়োজনীয় বস্তু উৎপাদন কৰি তাৰ সমবিতৰণ কৰিলেহে ভাৰতৰ উৎকট দাৰিদ্ৰ্য অৱসান সম্ভৱ হ'ব।

অমিয় কুমাৰ দাস আদৰ্শবাদী মানুহ আছিল। এনে মানুহে কেতিয়াও নিজৰ সীমাবদ্ধ কামত বা কৃতকাৰ্যতাত সন্তুষ্ট হ'ব নোৱাৰে। এনে লোকৰ মনত প্ৰত্যেক মুহূৰ্ততেই সংগ্ৰাম হয়। গান্ধীজীয়ে নিজেও আত্মশ্লাঘামাত বা আত্মনিন্দাত ভুগিছিল। তেওঁ কৈছিল, যদি মোৰ হাঁহিবৰ শক্তি নাথাকিলহেঁতেন তেন্তে আত্মহত্যা কৰিব লাগিলহেঁতেন। অমিয় কুমাৰেও মাজে মাজে অনুভৱ কৰিছিল: "জীৱনটো ব্যৰ্থ হ'ল, ক'তো কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলো।" মাজে মাজে ভয় আৰু আন্ধাৰে মন ঢাকি ধৰিছিল। তেওঁৰ সৰল স্বভাৱতেই এই আত্মনিন্দাৰ ভাৱ নিহিত আছিল। দেশ প্ৰেম ভগবৎ প্ৰেমৰে অনুৰূপ। অমিয় দাস আছিল কৰ্মযোগী। দেশভক্তসকলে যেতিয়ালৈকে কৰ্মযজ্ঞত নিজকে আত্মাহুতি দিব নোৱাৰে, তেতিয়ালৈকে এটা আধ্যাত্মিক হীন ভাৱত ভোগে। অমিয় কুমাৰে সততে অন্য ত্যাগী কৰ্মীৰ ত্যাগৰ লগত নিজৰ ত্যাগৰ তুলনা কৰিছিল। ফাঁচীৰ আগমুহূৰ্তত কুশল কোঁৱৰক দেখা কৰিবলৈ যাওঁতেও তেওঁৰ তেনে ভাৱ হৈছিল: "১৪ জুন, ১৯৪৩। কালিলৈ কুশল কোঁৱৰৰ ফাঁচী হ'ব। আজি আবেলি ৪ বজাত তেওঁৰ লগত দেখা কৰিবলৈ গৈছিলো। তেওঁক অলপ সান্ত্বনা দিবলৈ গৈছিলো। পাছে আমিহে তেওঁৰ পৰা সান্ত্বনা লৈ উলটিবলগীয়া হ'ল। আচৰিত তেওঁৰ মনৰ বল, দেখাত তেওঁক আগতকৈ শকত দেখাইছে। সাধক পুৰুষৰ দৰে তেওঁ যিবিলাক কথা আমাক ক'লে, তাৰ পৰা আমিহে শক্তি পালো। নিজে তেওঁৰ ওচৰত যে এজন সামান্য মানুহ তাকেই মোৰ মনলৈ আহিছিল আৰু বৰ লাজ লাগিছিল।" এই নৈতিক চেতনা আছিল অমিয় কুমাৰৰ চৰিত্ৰৰ বৈশিষ্ট্য। এই নৈতিক চেতনাৰ অবিহনে কোনো মানুহ ডাঙৰ আৰু মহৎ হ'ব নোৱাৰে। জীৱনীখন পঢ়িলে মানুহজনৰ দুটা গুণ স্পষ্ট ভাৱে ধৰা পৰে। এটা হ'ল অচলা দেশ-ভক্তি আৰু ইটো হ'ল নিস্বাৰ্থ কৰ্ম কৰাৰ প্ৰবৃত্তি। এই দুটা গুণ থকা বাবেই তেওঁ হেলাৰঙে নিজৰ ঠাইত গোপীনাথ বৰদলৈক বিধান সভাৰ কংগ্ৰেছ দলৰ নেতা হ'বলৈ এৰি দিছিল আৰু 'দুৰ্বল' বুলি ভাৱ হোৱাৰ পিছতো গদিচ্যুত কৰিবলৈ বিচৰা নাছিল। তেওঁ শিক্ষামন্ত্ৰীৰূপে বুনিয়াদী শিক্ষাৰ ভেটি শকত কৰা, বনুৱা মন্ত্ৰীৰূপে চাহ বনুৱাই প্ৰভিডেন্ট ফাণ্ড পোৱাৰ বাবে আইন প্ৰণয়ন কৰা আৰু বিভিন্ন সেৱা অনুষ্ঠান পতাৰ দিহা কৰা কথাও এই প্ৰসংগত স্মৰণীয়। এই সকলো কাৰ্যসূচী ৰূপায়ণৰ মূলতে আছিল গান্ধীজীৰ কাৰ্যসূচী চৰকাৰৰ কাৰ্যসূচীত পৰিণত কৰাৰ প্ৰেৰণা। কিন্তু চৰকাৰ ইতিমধ্যে পুঁজিবাদৰ গৰাহত পৰিছিল। অমিয় দাসেও সেইহে

দেখা পাইছিল কংগ্ৰেছৰ ভিতৰত ক্ষমতাৰ কাজিয়া আৰম্ভ হৈ উপদল গঠিত হৈছে। অকল সেয়ে নহয়, চৰকাৰ যে জনসাধাৰণৰ আশা-আকাংক্ষাৰ পৰা বিচ্ছিন্ন হৈ ক্ৰমাৎ যে গান্ধীজীৰ প্ৰদৰ্শিত পথৰ পৰা আঁতৰি আহিছিল, সেই কথাও তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। ইয়াৰ ফলত তেওঁৰ অন্তৰত মনোবেদনাৰ উদয় হৈছিল। এই অৱস্থাত তেওঁ একমাত্ৰ সান্ত্বনা লভিছিল অবিৰাম গঠনমূলক কামত।

অমিয় কুমাৰৰ মানসিকতা গঢ় লৈ উঠিছিল ঊনবিংশ শতিকাৰ বঙ্গদেশীয় নৱজাগৰণৰ প্ৰভাৱত। তেওঁৰ ককাক আৰু মাক ব্ৰাহ্ম আছিল। তেওঁৰ দেউতাকো কলিকতাত পঢ়ি থাকোতে ব্ৰাহ্ম ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। তেওঁ ককাকৰ ঘৰত থাকোতেই মহাত্মা গান্ধীৰ নাম শুনে। কটন কলেজৰ হোষ্টেলত তেওঁক ৰাখিব নোৱাৰি বুলি এজন অধ্যাপকে আপত্তি দৰ্শাইছিল। কাৰণ তেওঁ আছিল ব্ৰাহ্ম। কিন্তু কটনৰ সৰহভাগ ছাত্ৰই তেওঁক ঠাই দিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। অমিয়কুমাৰে লিখিছে, "মই ভাবো কটন কলেজৰ সৰহভাগ ছাত্ৰই বৈষ্ণৱ ধৰ্মৰ এই উদাৰ ধৰ্মৰ (মহাপুৰুষীয়া) প্ৰভাৱত মোক হোষ্টেলত ঠাই দিয়াত আপত্তি কৰা নাছিল।" অমিয়কুমাৰৰ ৰাজনৈতিক দীক্ষা হয় কলিকতাত। অকল ৰাজনৈতিক বুলিলে ভুল হ'ব তেওঁৰ সমাজ-সংস্কাৰ, অৰ্থনৈতিক উন্নতি আৰু সাংস্কৃতিক বিকাশৰ ধাৰণাবোৰো গঢ় লৈ উঠে ইয়াতে। ইয়াৰ পিছত আহিল অসহযোগ আন্দোলনৰ আহ্বান। এই আন্দোলনত তেজপুৰীয়া কৰ্মীদলটোৰ কাম আছিল বহল আৰু গভীৰ। চন্দ্ৰ শৰ্মা আৰু অমিয় দাসৰ দিনলিপিত এই কামবোৰ সোণালী আখৰেৰে লিপিবদ্ধ হৈছে। অমিয় দাস প্ৰকৃতপক্ষে এই আন্দোলনৰ গতিশীল সমূহীয়া মনৰ অধিকাৰী হৈ পৰিছিল। তেওঁৰ শান্ত মনৰ পৰ্যবেক্ষণ শক্তিও সূক্ষ্ম আছিল। তেওঁৰ মন আছিল সুন্দৰ। তেওঁৰ দিনলিপি পঢ়িলে আৰু কামৰ খতিয়ান ললে অনুমান হয় স্বাধীনতা আন্দোলনৰ মাজেদিয়েই তেওঁৰ জন-প্ৰাণ ব্যক্তিত্বৰ সুন্দৰতম বিকাশ ঘটিছিল। এই বিকাশ কিছু দূৰ অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছিল স্বাধীনতাৰ পিছৰ কালছোৱাত। বহুত দেশভক্তৰ বাবে এই চোৱা কাল স্বপ্ন ভংগৰ কাল। গান্ধীবাদী বিপ্লৱৰ ধাৰাবাহিকতা এইছোৱা কালতে ব্যাহত হয়। কিন্তু এই ছোৱাকালতো অমিয়কুমাৰ লক্ষ্যভ্ৰষ্ট হোৱা নাছিল। তেওঁৰ জীৱনীখনেও ইয়াৰ যথেষ্ট ইংগিত দিয়ে।

অমিয়কুমাৰৰ ব্যক্তিত্বৰ লগত অসমৰ স্বাধীনতা আন্দোলনৰ কেইবাটাও

দিশ গভীৰভাৱে মিলি আছিল। প্ৰকৃততে স্বাধীনতাৰ অৰ্থ অকল ৰাজনৈতিক ক্ষেত্ৰতে সীমাবদ্ধ নহয়। অৰ্থ নৈতিক, সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক সকলো দিশলৈকে ইয়াৰ অৰ্থ বিস্তাৰিত হৈছিল। অমিয় কুমাৰ সেইসকল সংগ্ৰামী কৰ্মীৰ এজন, যিসকলে স্বাধীনতাৰ এই সুদূৰপ্ৰসাৰী লক্ষ্যবোৰৰ তাৎপৰ্য উপলব্ধি কৰিছিল। চমু জীৱনীখনত এই সকলোবোৰ দিশ সামৰা সম্ভৱ নহয়। লক্ষ্য সম্পৰ্কে বুনিয়াদী ধাৰণা স্পষ্ট আছিল বাবেই তেওঁ সময়ত নেহৰুকো টান কথা শুনাব পাৰিছিল। সত্যৰ আগত একোৱেই ডাঙৰ নহয়। তেওঁ নিজে যিটো সত্য বুলি ভাবিছিল, তাকে কৰিবলৈ বা ক'বলৈ দ্বিধাবোধ নকৰিছিল। তেওঁ উগ্ৰ জাতীয়তাবাদ, সাম্প্ৰদায়িকতা আৰু অসমতা আদিৰ সততে বিৰোধী আছিল। 'বাঁহী'ৰ সম্পাদনা কালত তেওঁ অসমীয়া লেখকসকলক এক নতুন কিন্তু সৎ গণ-সাহিত্য ৰচনা কৰিবলৈ উদগনি দিছিল; বিশ্ব সাহিত্যৰ প্ৰতিও পঢ়ুৱৈসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ব্যক্তিগত আচৰণত সমতা, ন্যায় আৰু প্ৰেমৰ ভাৱ প্ৰদৰ্শন কৰিবৰ বাবেও তেওঁ সততে যত্নবান আছিল।

জীৱনীখন ৰচনা কৰা বাবে অৰুণ ভূঞা নিশ্চয় আমাৰ ধন্যবাদৰ পাত্ৰ। কিন্তু এই জীৱনীখন পোহৰলৈ অনাৰ মূলতে যে অমিয়কুমাৰ দাসৰ সুযোগ্যা পত্নী আৰু সহকৰ্মী শ্ৰীমতী পুষ্পলতা দাসৰ নেৰানেপেৰা চেষ্টা আৰু ঢেকিয়াজুলীৰ ৰাইজৰ অসীম আগ্ৰহ, এই বিষয়ে মোৰ বিন্দুমাত্ৰও সন্দেহ নাই। অসমৰ ৰাজনীতি আৰু সমাজত শ্ৰীমতী দাস অতি সুপৰিচিত ব্যক্তি। তেখেতৰ কথা বাহিৰতো শুনিছো। দাস পৰিয়ালৰ লগত মোৰ উৰিয়াৰ চৌধুৰী পৰিয়ালক বিজাবৰ মন যায়। চৌধুৰী পৰিয়াল মানে ৺নবকৃষ্ণ চৌধুৰী আৰু শ্ৰীমতী মালতী চৌধুৰীৰ পৰিয়াল। দেশসেৱাত ব্ৰতী এনে বহুত পৰিয়ালৰ নাম স্বাধীনতা আন্দোলনৰ বুৰঞ্জীত পোৱা যায়। এওঁলোকে পৰিয়াল আৰু দেশৰ ভিতৰত বিশেষ প্ৰভেদ নকৰিছিল। শ্ৰীমতী দাসে অমিয় কুমাৰৰ স্মৃতি ৰক্ষাৰ্থে যিখিনি কাম কৰিছে সেইখিনিও প্ৰকৃতপক্ষে স্বাধীনতা আন্দোলনৰ প্ৰমূল্যখিনি প্ৰকাশৰে কাম। বহুত কৰ্মীও ইয়াৰ যোগেদি পোহৰলৈ আহিছে। এই জীৱনীখনে যদি মানুহক সৎ কৰ্ম কৰিবলৈ প্ৰেৰণা দিয়ে, তেন্তে অমিয়কুমাৰৰ আত্মাই সন্তোষ লভিব।

গুৱাহাটী-৪ — বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

৭।১।৮৮

অনুক্ৰমণিকা

			পৃষ্ঠা
এজন ভাল মানুহলৈ-শ্ৰদ্ধাৰ্ঘ—বিজয় চন্দ্ৰ ভাগৱতী		…	i
আগ-কথা—ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য		…	vii
পৰিৱেশৰ প্ৰভাৱ	১ম অধ্যায়	…	১
সোণৰ শৈশৱকাল গ'লে আৰু নাহে	২য় অধ্যায়	…	৯
বিদ্যা মন্দিৰত অন্তৰায়	৩য় অধ্যায়	…	১৬
দেশ মাতৃকাৰ মুক্তি যজ্ঞত	৪ৰ্থ অধ্যায়	…	২৯
অহিংসা পৰম ধৰ্ম	৫ম অধ্যায়	…	৪৩
তীৰ্থ যাত্ৰা—জেললৈ	৬ষ্ঠ অধ্যায়	…	৪৯
অৱসাদ-অৱসাদ	৭ম অধ্যায়	…	৬০
অনিশ্চয়তাৰ মাজেৰে	৮ম অধ্যায়	…	৭২
সংগ্ৰাম : সংগ্ৰাম	৯ম অধ্যায়	…	৮০
এইবাৰ সামাজিক বিপ্লৱত	১০ম অধ্যায়	…	৯৫
এক নতুন সমৰ ক্ষেত্ৰত : সাহিত্যত	১১শ অধ্যায়	…	১০২
নিৰ্বাচনী ৰাজনীতিৰ ধামখুমীয়াত	১২শ অধ্যায়	…	১১০
সংসদী ৰাজনীতিৰ মেৰপাকত	১৩শ অধ্যায়	…	১১৭
বিপ্লৱৰ হাত-বাউলি	১৪শ অধ্যায়	…	১২৩
পখী বন্দী হ'ল	১৫শ অধ্যায়	…	১২৮
বন্দী জীৱনৰ কেতিয়া পৰিব ওৰ	১৬শ অধ্যায়	…	১৪০
এইবাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত	১৭শ অধ্যায়	…	১৬১
ডিঙিত মন্ত্ৰীত্বৰ ডোল লাগিল	১৮শ অধ্যায়	…	১৭৫
মনে ভাল পোৱা কাম	১৯শ অধ্যায়	…	১৮৮
পাহাৰে পৰ্বতে-হাবিয়ে-জঙ্ঘলে	২০শ অধ্যায়	…	২০১
এন্ধাৰৰ পৰা পোহৰলৈ নিয়া	শেষ অধ্যায়	…	২১৮
সহায় লোৱা কিতাপৰ তালিকা		…	২৪০
পৰিশিষ্ট		…	২৪৯

শ্রীঅমিয় কুমাৰ দাস

প্ৰথম অধ্যায়

পৰিবেশৰ প্ৰভাৱ

হয় তেজপুৰেই !

থানা-পুখুৰীটোৰ পাৰতে এটা ডাঙৰ খেৰী ঘৰ আছিল—ঘৰটো দীঘলীয়া ন'টা খোটালীযুক্ত। ঘৰৰ মালিক হ'ল লক্ষ্মীকান্ত বৰকাকতী। ঘৰটোত থকা প্ৰাণী মাত্ৰ দুজনহে—বৰকাকতী নিজে আৰু তেওঁৰ পুত্ৰ ব্ৰহ্মানন্দ। ঘৰটোৰ চৌহদতে কেইটামান সৰু সৰু খেৰী ঘৰ আছিল। তাতে চতিয়া অঞ্চলৰ কেইজনমান ল'ৰাই থাকি স্থানীয় স্কুলত পঢ়াশুনা কৰিছিল।

এই ঘৰটোলৈকে এদিন সদ্য বিধৱা হোৱা সৰলা দেৱী ঘূৰি আহিল। সৰলাৰ সংসাৰ বৰ সৰু নাছিল। নিজৰ ল'ৰা-ছোৱালীৰ বাহিৰেও স্বামীৰ ফালৰ ভাগিন-ভাগিনী আৰু কেইটামান অনাথ চাহ-বনুৱাৰ ল'ৰা-ছোৱালীকে ধৰি ছয়জনীয়া পৰিয়াল। হঠাতে স্বামী ডাঃ উদয় দাসৰ অকাল বিয়োগ হোৱাত সৰলাৰ পিতৃ-গৃহৰ বাহিৰে গত্যন্তৰ নাছিল। কণ কণ শিশুৰ কণ্ঠৰে লক্ষ্মীকান্তৰ ঘৰৰ পৰিবেশ সম্পূৰ্ণ বেলেগ হ'ল। সৰলাই কেলিডন চাহ বাগিচাৰপৰা আহোঁতে এটা হুদু পোৱালিও লগতে লৈ আহিছিল। এদিন সিও ডাঙৰ হৈ 'হুদু' 'হুদু' বুলি মাতিবলৈ ধৰিলে। তাৰ মাত শুনি বহুতে এইটো এটা অমঙ্গলৰ প্ৰতীক বুলি কোৱাত সৰলাই এদিন তাক এৰি দিলে। বনৰ পখী বনলৈ উৰি গ'ল। কিন্তু বাকী সকলোৱেই সৰলা দেৱীৰ দেউকাৰ তলত নিশ্চিন্ত মনে থকাৰ আশ্বাস পালে। আশ্ৰয় পালে।

সৰলা দেৱীৰ স্বামীৰ নিজা ঘৰ তেজপুৰ নাছিল, আছিল গুৱাহাটীহে।

সেয়া এক বেলেগ ইতিহাস !

গুৱাহাটীৰ পশ্চিমে ভৰলু নৈখন।

এই নৈৰ দুয়োকাষে উজনীৰ বিখ্যাত টিয়কীয়া অধ্যাপকৰ বংশ লতাৰ বিভিন্ন জনৰ টোলসমূহ। এই বংশত কেইবাজনো মুধাফুটা লোকৰ জন্ম হৈছে, যেনে হলিৰাম ঢেকিয়াল ফুকন, যজ্ঞৰাম খাৰঘৰীয়া ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, কালি াম বৰুৱা, তৰুণৰাম ফুকন আৰু পিছৰ যুগৰ জ্ঞানদাভিৰাম বৰুৱা (জে. বৰুৱা) আৰু কামাখ্যাৰাম বৰুৱা আদি। এই বংশৰে দুগৰাকী মহিলাই বিষ্ণুপ্ৰিয়া দেৱী আৰু পদ্মাৱতী ফুকননীয়ে অসমীয়া সাহিত্যলৈ বৰঙণি দি বংশৰ গৌৰৱ বৃদ্ধি কৰিছিল।

ভৰলুৰ এটা পাৰে বৰ্তমানৰ শান্তিপুৰ অঞ্চলত বেল আলিৰ কাষত বঙালহটীয়া বৰুৱাৰ চাউলি আছিল। আনটো পাৰে 'ফুকনৰ টোল' আছিল। ফুকনৰ টোল আৰু বৰুৱাৰ চাউলিৰ মাজতে এটা সাধাৰণ ঘৰত এহাল মাক আৰু পুতেকে নানা কষ্টৰে জীৱন নিৰ্বাহ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা পদ্মাৱতী দেৱী ফুকননী, কালিৰাম বৰুৱা আৰু এই ল'ৰাটি উদয়ৰাম দাস কাণসমনীয়া বাল্যবন্ধু। উদয় দাসৰ এজনা ভনীয়েকো আছিল, গতিকে সকলো মিলি খেল-ধেমালিৰ ভাল লগৰীয়া হৈ পৰিছিল। উদয়ৰ বন্ধু কালিৰাম বৰুৱাৰ ঘৰখন নৈষ্ঠিক ব্ৰাহ্মণৰ হ'লেও সামাজিক আৰু ধৰ্ম বিষয়ক কথাবোৰত তেওঁলোকৰ মন উদাৰ আৰু দৃষ্টিভঙ্গী উন্মুক্ত আছিল। উল্লেখযোগ্য যে কালিৰামৰ এজন ভাতৃয়ে পিছত অসবৰ্ণ বিবাহ কৰে।

আমি যি সময়ৰ কথা কৈছো সেয়া হৈছে প্ৰায় আনুমানিক ১৮৬০ চনৰ কথা। অসমৰ পঢ়াশালিবোৰত আৰু আদালতত তেতিয়াও বঙালী ভাষাৰ পয়োভৰ। ফুকন আৰু বৰুৱাৰ ঘৰৰ ল'ৰা-ছোৱালী কেউটাৰ পঢ়াশুনাৰ প্ৰতি বৰ ধাউতি। কাষৰ ঘৰটোত থকা ল'ৰা-টোৰো বৰ ইচ্ছা—সি পঢ়িবই—পঢ়িশুনি ডাঙৰ মানুহ হ'বই। ল'ৰাটোৰ দেউতাক সকতে ঢুকাল। মাকে ল'ৰাটোকে বুকুত সাৱটি জীয়াই থকাৰ সম্বল পালে। ল'ৰাৰ পঢ়াৰ খৰচ উলিয়াবলৈ মাকে

তাঁত সূত বয়—কাপোৰ বিক্ৰী কৰে—সেইদৰে সামান্যভাৱে হ'লেও ল'ৰাৰ পঢ়াৰ খৰচ উলিয়ায়।

সময়ত উদয়ৰাম দাসে গুৱাহাটীৰ ইংলিছ চেমিনেৰীত নাম লগালে। স্কুলৰ প্ৰধান শিক্ষক আছিল উইলিয়াম ৰবিন্সন। পঢ়া-শুনাৰ কথাত ফুকন পৰিয়ালেও আৱশ্যক হ'লে ধনবিত দি ল'ৰাটোক সহায় কৰে। ল'ৰাটিৰ বুদ্ধি-বৃত্তি ভালেই আছিল।

এদিন উদয়ে এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰিলে। লগতে চৰকাৰৰ পৰা কুৰিটকীয়া জলপানীও পালে। এইবেলি উদয় কলিকতালৈ ওলাল কেম্পবেল মেডিকেল স্কুলত ডাক্তৰী পঢ়িবলৈ।

উনৈশ শতিকাৰ শেষ ভাগৰ কলিকতা। সমগ্ৰ ভাৰতৰ প্ৰশাসনিক কেন্দ্ৰস্থল, ব্যৱসায়-বাণিজ্যৰ মূলকেন্দ্ৰ: শিক্ষা-সংস্কৃতিৰ স্নায়ুকেন্দ্ৰ। নানাদেশৰ নানা লোক আহি কলিকতাতে থুপ খাইছেহি। প্ৰায় পাঁচলক্ষ লোকৰ বসতি স্থল। নগৰখনো চালে চকুৰোৱা। আলিবাটবোৰ আহল বহল, জাবৰ-জোথৰ দেখিবলৈ নাই। ৰাতি হ'লে আলিৰ মূৰে মূৰে গেচৰ বন্তি জ্বলে। অচিনাকি মানুহৰ ধাৰণা হ'ব যেন দীপান্বিতাহে পাতিছে। চৌৰঙ্গী অঞ্চলত অকল ইংৰাজ লোক থাকে; সেই টুকুৰা ঠাই অতি মনোৰম। কলিকতা উচ্চ শিক্ষাৰো কেন্দ্ৰস্থল। বিচপৰ কলেজ, প্ৰেচিডেন্সি কলেজ, সংস্কৃত কলেজ, কেম্পবেল মেডিকেল স্কুল, শিবপুৰ ইঞ্জিনিয়াৰিং স্কুল আৰু কেইবাখনো হাইস্কুল আছে।

এয়া ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আৰু স্বামী বিবেকানন্দৰ কলিকতা। কলিকতাকে কেন্দ্ৰ কৰি এটা সামাজিক, আধ্যাত্মিক, বৌদ্ধিক আৰু ৰাজনৈতিক জাগৰণ আৰম্ভ হ'ল। পশ্চিমীয়া পণ্ডিতে ইয়াকে হয়তো 'ৰিনাইচাঁ' বুলি কয়। 'ৰামমোহন ৰায়ৰ নেতৃত্বত ব্ৰাহ্ম সমাজে মূৰ্তিপূজা, সতী হোৱা প্ৰথা, বহু বিবাহ প্ৰথা, জাতি-ভেদ প্ৰথা আৰু অন্যান্য সামাজিক অন্যায় অবিচাৰৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে। আনকি তিৰোতাই সমাজত ন্যায্য অধিকাৰৰপৰা কিয় বঞ্চিত হ'ব তাৰ বাবেও আন্দোলন আৰম্ভ

হ'ল। চৰকাৰে আইন কৰি সতী যোৱা প্ৰথা, বাল্যবিবাহ আৰু বহুবিবাহ প্ৰথা বন্ধ কৰিলে। আনহাতে পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰেও মাত মাতিলে বাল্যবিবাহ আৰু বহুবিবাহ প্ৰথাৰ বিৰোধিতা কৰি। স্ত্ৰী শিক্ষা আৰু স্ত্ৰীৰ ন্যায্য অধিকাৰ ৰক্ষাৰ অৰ্থে তেওঁ মাত মাতিলে। তাৰ উপৰি সেইকালৰ পৰিপ্ৰেক্ষিতত তেওঁ এক বৈপ্লৱিক কামত হাত দিলে: দেশত বিধবা বিবাহ প্ৰচলন কৰিব লাগিব। ১৮৫৬ চনৰ ৭ ডিচেম্বৰত পোন প্ৰথমবাৰৰ বাবে এগৰাকী বিধবাৰ পুনঃ বিবাহ হ'ল। কলিকতীয়া কাকতত এই-বিলাক কথালৈ নানা গল্প কৰিতাৰ জন্ম হ'ল। ৰামকৃষ্ণ পৰমহংসৰ শিষ্য স্বামী বিবেকানন্দই সকলোকে মানৱ সেৱা আৰু সমাজ সেৱা কৰিবলৈ আহ্বান জনালে।

কলিকতাত স্ত্ৰীশিক্ষা প্ৰসাৰৰ বাবে ১৮৪০ চনৰ পৰাই আন্দোলন আৰম্ভ হৈছিল। খৃষ্টান মিছনেৰীসকলে এই বিষয়ত আগভাগ লৈছিল। ১৮৪৯ চনত জন্ এলিয়ট ড্ৰিংকৱাটাৰ বেথুনে পোন প্ৰথমবাৰৰ বাবে ছোৱালীৰ বাবে সুকীয়াকৈ স্কুল প্ৰতিষ্ঠাপন কৰে। বহুত দিনলৈকে স্কুলত ছাত্ৰীৰ সংখ্যা বৰ কম আছিল। স্কুললৈ যোৱা ছোৱালীবিলাকক লৈ মানুহে নানা কুৎসা ৰটনা কৰিছিল। আনকি ছোৱালীহঁতৰ মাক-দেউতাককো সমাজে ত্যাগ কৰিছিল। বহুত দিনলৈকে এই স্কুলটোত খৃষ্টান আৰু ব্ৰাহ্ম সমাজৰ ছোৱালীয়েই পঢ়িছিল

অসম বঙ্গৰ অতি কাষৰীয়া দেশ। গতিকে বঙ্গত হোৱা উল্লেখিত জাগৰণৰ প্ৰভাৱ অসমত পৰাটো স্বাভাৱিক। মণিৰাম খাৰঘৰীয়া ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন, মণিৰাম দেৱান, গুণাভিৰাম বৰুৱা আদিৰ সেইকালত কলিকতাৰ বিখ্যাত লোকসকলৰ লগত ভালৰকমৰ যোগসূত্ৰ আছিল।

গুণাভিৰাম বৰুৱাই ব্ৰাহ্মসমাজত অন্তৰ্ভুক্ত হৈছিল আৰু তেওঁতে এগৰাকী বিধৱাক বিবাহ কৰাইছিল। জগন্নাথ বৰুৱা সত্ৰৰ গঙ্গাৰাম গোস্বামীয়ে ব্ৰাহ্মসমাজত অন্তৰ্ভুক্ত হৈ সেই সমাজৰ কথাবিলাক

অসমীয়া সমাজত প্ৰচাৰৰ অৰ্থে "ব্ৰাহ্মধৰ্মনো কাক বোলে?" "ব্ৰাহ্মধৰ্মৰ লক্ষণ" আৰু "পদ্মমালা" প্ৰকাশ কৰে।* কনকহাঁস গোস্বামী, চতিয়াৰ লক্ষ্মীকান্ত বৰকাকতী আৰু "অগ্নিকবি" কমলাকান্ত ভট্টাচাৰ্য্য ব্ৰাহ্মসমাজত অন্তৰ্ভুক্ত হৈছিল।

ব্ৰাহ্মসমাজত অন্তৰ্ভুক্ত হৈ বা ভাবধাৰা অনুপ্ৰাণিত হোৱা অসমীয়া শিক্ষিত ডেকাসকলে অসমৰ নৱ-জাগৰণ আন্দোলনত আগভাগ লৈছিল। তথাকথিত সমাজৰ চকুত হেয় প্ৰতিপন্ন হোৱাৰ আশংকা থকা সত্বেও কেইজনমান শিক্ষিত অসমীয়া ডেকাই ব্ৰাহ্মধৰ্মক সাৰটি লৈ অসমত এক নতুন সামাজিক আৰু সাংস্কৃতিক আন্দোলনৰ পাতনি মেলাৰ প্ৰয়াস কৰিছিল। কলিকতাত শিক্ষাপ্ৰাপ্ত অসমীয়া ডেকাদল সেইকালৰ বৌদ্ধিক জাগৰণৰ ধাৰা পূৰামাত্ৰাই প্ৰভাৱান্বিত হৈছিল।

কেম্পবেল মেডিকেল স্কুলৰ ছাত্ৰ উদয়ৰাম দাসৰ সহপাঠী আৰু বন্ধু আছিল বুদ্ধেশ্বৰ বৰদলৈ (গোপীনাথ বৰদলৈৰ পিতৃ)। ভোলানাথ বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ লগতো সেই সময়তে তেওঁৰ লগত বন্ধুত্ব গঢ়ি উঠিছিল। কলিকতীয়া প্ৰভাৱে উদয়ৰ মনৰ দুৱাৰ খুলি দিলে।

ডাক্তৰী পাছ কৰি ডাঃ উদয়ৰাম দাসে প্ৰথমতে গুৱাহাটীতে চিকিৎসা-সেৱা আগবঢ়াবলৈ মনস্থ কৰিছিল। সেই সময়ত তেওঁ কালিৰাম বৰুৱা আৰু ফুকনৰ ঘৰৰ থকুৱা চিকিৎসক ৰূপে আছিল। কিছুদিনৰ পিছত নগাঁও জিলাৰ কেলিডন্ চাহবাগিচাত চিকিৎসকৰ নিযুক্তি পাই তালৈ চাকৰি কৰিবলৈ গুচি যায়।

কলিকতাত পঢ়াশুনা কৰা কালত ডাঃ দাসক সেই ঠাইৰ বৌদ্ধিক আৱহাৱাই স্পৰ্শ নকৰাকৈ থকা নাছিল। তেওঁৰ মন বহু পৰিমাণে নৱভাৱধাৰাৰে প্ৰভাৱান্বিত হৈছিল। গতিকে সামাজিক গোড়ামি আৰু অন্ধবিশ্বাসে তেওঁৰ মনৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব পৰা নাছিল। তেতিয়াৰ দিনতে তেওঁ গুৱাহাটীৰ পৰা এখন ইংৰাজী

* পদ্মমালা (১৮৭১) প্ৰথম অসমীয়া কবিতা সংকলন।

সংবাদ পত্ৰ উলিওৱাৰ কথা মনে মনে চিন্তা কৰিছিল। এই উদ্দেশ্যে তেওঁ কালিৰাম বৰুৱাক চাৰিশ' টকা অগ্ৰিম ধাৰে দিছিল। ১৮৯৪ চনত বৰুৱাৰ সম্পাদনাত 'আসাম' নামৰ এখন দ্বিভাষিক (ইংৰাজী-অসমীয়া) সাপ্তাহিক বাতৰি কাকত 'আসাম নিউচ' প্ৰেছযোগে প্ৰকাশিত হৈছিল। প্ৰেছটো ডাঃ দাসৰ ভনীয়েকৰ ভৰলুৰ ঘৰ এটাতে আৰম্ভ হৈছিল।

এদিন আচম্বিতে ডাঃ উদয়ৰাম দাস আৰু চতিয়াৰ লক্ষ্মীকান্ত বৰকাকতীৰ লগত যোগাযোগ হ'ল। বৰকাকতীয়ে আধুনিক চিন্তাধাৰাৰে পৰিপুষ্ট ডাঃ দাসৰ মনৰ আভাস পাই জীয়েক সৰলা দেৱীক তেওঁৰ হাতত্তে পাত্ৰস্থ কৰিবলৈ ঠিক কৰে।

বৰকাকতী পৰিয়ালটো আদিতে উজনিৰ ফালৰ—আছিল। মানৰ আক্ৰমণতহে পৰিয়ালটো আহি দৰং জিলাৰ চতিয়াৰ চতিয়াল গাঁওত থাকিবলৈ লয়। পৰিয়ালৰ কিছু মানুহ চতিয়াৰ শলাল গাঁওতো আছিল।

এই পৰিয়ালটো আদিতে শাক্ত আছিল। পৰিয়ালৰ সকলোটিয়েই পূজা-অৰ্চনাত যথেষ্ট সময় অতিবাহিত কৰিছিল। লাহে লাহে লক্ষ্মীকান্তৰ ধৰ্মীয়মতৰ পৰিবৰ্তন ঘটিল। সমসাময়িক বাতৰি কাকতৰ যোগেদি লক্ষ্মীকান্তই বহিঃজগতৰ লগত সম্বন্ধ ৰাখিছিল। তেৰেঁ। সেইকালৰ কলিকতীয়া বৌদ্ধিক জাগৰণৰ দ্বাৰা প্ৰভাৱন্বিত হৈ ব্ৰাহ্মধৰ্ম আৰু সমাজৰ প্ৰতি আকৃষ্ট হয় আৰু পিছত সেই সমাজত অন্তৰ্ভুক্ত হৈ পৰে। তেওঁ ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰা বাবে অসমীয়া সমাজত কটু-সমালোচনাৰ সম্মুখীন হ'ব লগা হৈছিল। চতিয়াত থকা তেওঁৰ আপোন মানুহখিনিয়ে তেওঁ খৃষ্টান হ'ল বুলি চক পেলাই তেওঁক এঘৰীয়া কৰিছিল।

চল্লিশ বছৰ বয়সতে লক্ষ্মীকান্ত বৰকাকতীৰ পত্নী বিয়োগ হয়। নিজৰ ল'ৰা-ছোৱালীক উপযুক্ত শিক্ষা দিয়াৰ কথাত তেওঁ অতি আগ্ৰহি আছিল। তেওঁ জীয়েক সৰলা দেৱীক কলিকতাৰ বেথুন স্কুলত পঢ়ুৱাৰ ব্যৱস্থা কৰে। গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণময়ীও এই

সময়তে কলিকতালৈ গৈছিল। দুয়ো বেথুন স্কুলত ভৰ্তি হৈছিল। পিছত দুয়ো-দুয়োকে এৰিব নোৱৰা সখী হৈ পৰিছিল। অসমৰপৰা জাহাজেৰে গৈ কলিকতাৰ ইংৰাজী স্কুলত শিক্ষালাভ কৰা কথাটোৱেই সেইকালৰ পৰিপ্ৰেক্ষিতত এটা বৈপ্লৱিক ধৰণৰ কথা আছিল।

সেই সময়ত নাৱেৰে কলিকতালৈ গ'লে পঁচিশ দিনমান লাগিছিল। ৰে'ল-জাহাজেৰে গ'লে চাৰি-পাঁচ দিনমানহে লাগিছিল। কলিকতালৈ যোৱা যাত্ৰাক সেইকালত ফুলৰ মালা পিন্ধাই ভোজভাত খুৱাই বিদায় দিছিল।

কলিকতাৰ ব্ৰাহ্ম-সমাজৰ ধৰ্মীয় অনুষ্ঠানসমূহত সৰলা দেৱীয়ে প্ৰায়ে ব্ৰাহ্মসংগীত পৰিবেশন কৰিবলৈ নিমন্ত্ৰণ পাইছিল। তেওঁৰ মাতটো মিঠা আৰু সুললিত আছিল। লক্ষ্মীকান্তই জীয়েকৰ বাবে কলিকতাৰ ভাল ভাল ব্ৰাহ্ম পৰিয়ালৰপৰা কেইবাটাও বিবাহ-প্ৰস্তাৱ পাইছিল। কিন্তু অসমৰপৰা ইমান দূৰত জীয়েকক বিয়া দিয়াৰ ইচ্ছা তেওঁৰ নাছিল। শেহত ডাঃ উদয় দাসৰ লগত যোগাযোগ হোৱাত তেওঁৰ হাততে জীয়েকক সম্প্ৰদান কৰাৰ সিদ্ধান্ত ল'লে।

অসমৰ সাংবাদিকতাৰ ইতিহাসতো লক্ষ্মীকান্ত বৰকাকতীৰ এক বিশেষ ভূমিকা আছে। সেইকালতেই তেওঁ বিশ্বনাথ চাৰিআলিৰ পৰা সাদিনীয়া কাকত 'আসাম বান্ধৱ' সম্পাদনা কৰি প্ৰকাশ কৰিছিল। প্ৰকাশৰ দায়িত্বত আছিল 'বান্ধৱ সমিতি'। কাগজখনত ৰাইজৰ অভাৱ-অভিযোগৰ লগতে নতুন চিন্তাধাৰাৰ কথাও প্ৰকাশ পাইছিল। সমসাময়িক ঘটনা-প্ৰৱাহো প্ৰকাশ হৈছিল। নানা প্ৰতিকূল অৱস্থাৰ মাজতো বিশ্বনাথৰ পৰাই কাকতখন সম্পাদনা কৰি প্ৰকাশ কৰিছিল। ই তেওঁৰ চাৰিত্ৰিক দৃঢ়তা আৰু অসীম সাহসৰ কথাই সূচায়।

সমসাময়িক কালছোৱাত লক্ষ্মীকান্ত বৰকাকতী, হৰিবিলাস আগৰৱালা, ভৱানীচৰণ ভট্টাচাৰ্য, মহেন্দ্ৰ দে, লম্বোদৰ বৰা, জয়দেৱ শৰ্মা, ঠাকুৰদাস শৰ্মা আদি তেজপুৰীয়া শিক্ষিত দলটোৱে ৰাইজ আৰু চৰকাৰৰ মাজত যোগসূত্ৰ হিচাপে কাম কৰিবলৈ ১৮৮২ চনত

তেজপুৰত 'ৰায়ত সভা' গঠন কৰে। এই 'ৰায়ত সভা'ৰ যত্নতে ১৮৮৭ চনত 'তেজপুৰ টাউন হল আৰু লাইব্ৰেৰী' স্থাপিত হয়। লাইব্ৰেৰীত 'বেঙ্গলী', 'অমৃত বজাৰ পত্ৰিকা.' 'সঞ্জিবনী', 'বসুমতী' আদি কাকত সদায় ৰাখিছিল। লাইব্ৰেৰীৰ ৰক্ষণাবেক্ষণৰ বাবে যি ট্ৰাষ্ট সমিতি গঠিত হৈছিল লক্ষ্মীকান্ত বৰকাকতী তাৰ অন্যতম সভ্য আছিল।

সেই সময়ত অসমৰ কেইবা ঠাইতো 'ৰায়ত সভা'ৰ জন্ম হৈছিল। এই ৰায়ত সভাবোৰৰ পৰা কেইবাজনো লোক প্ৰতিনিধি হিচাপে ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনসমূহত যোগদান কৰিছিল গৈ। লক্ষ্মীকান্ত বৰকাকতীয়ে 'তেজপুৰ ৰায়ত সভা'ৰ প্ৰতিনিধি হিচাপে ডিব্ৰুগড়ৰ সেইকালৰ প্ৰখ্যাত সাংবাদিক 'টাইমচ অৱ্ আসাম'ৰ সম্পাদক ৰাধানাথ চাংকাকতীৰ লগত ১৮৮৭ চনৰ মাদ্ৰাজত বহা জাতীয় কংগ্ৰেছৰ তৃতীয় অধিবেশনত প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। সৰ্ব ভাৰতীয় ৰাজনৈতিক অনুষ্ঠান এটাত যোগ দিয়াত লক্ষ্মীকান্তৰ মনৰ দিগন্তৰ পৰিসৰ আৰু বৃদ্ধি পাইছিল।

স্বাধীনচিতীয়া লক্ষ্মীকান্তই তেওঁৰ জীৱনৰ বিয়লি বেলাত তেজপুৰৰপৰা চাৰি-পাঁচ মাইল দূৰৰ দোলাবাৰী নামৰ ঠাইত পাম পাতি খেতি কৰিবলৈ আৰম্ভ কৰে। কেলিডন্ চাহ বাগিচাত ডাক্তৰ উদয় দাসৰ লগত সংসাৰ কৰোঁতে সৰলা দেৱীয়েও স্বামীৰ পৰা চিকিৎসা শাস্ত্ৰৰ দুই এটি কথা শিকিছিল বিশেষকৈ প্ৰসূতি ৰোগৰ চিকিৎসাৰ কথা। ডাক্তৰৰ বায়েক-ভিনিহিয়েকৰ হঠাতে অকাল বিয়োগ হোৱাত সেই পৰিয়ালৰ মানুহখিনিও একেলগে দাস পৰিয়ালৰ লগতে বাগিচাত আছিল। ডাক্তৰে তেজপুৰত ঘৰ সাজিবলৈ মনে মনে ঠিক কৰিছিল। কিন্তু একো কামেই হৈ নুঠিল। হঠাতে এদিন ডাঃ দাসে ইহলীলা সামৰিলে।

দ্বিতীয় অধ্যায়

সোণৰ শৈশৱকাল গ'লে আৰু নাহে

হয়, চহৰখন তেজপুৰেই।

লক্ষ্মীকান্ত বৰকাকতীৰ ঘৰৰ আগচোতালত কেইবাটাও সৰু সৰু ল'ৰাই মাৰ্বল গুটি খেলি আছে। খেলাত জিকা-হৰাৰে হাই-উকমি হৈ আছে। অলপ নিলগত বুঢ়া লক্ষ্মীকান্ত বৰকাকতীয়ে বিতচকু লগাই বাতৰি-কাকত পঢ়ি আছে। বুঢ়াৰ বাতৰি ডাঙৰকৈ পঢ়াৰ অভ্যাস। হঠাতে বুঢ়া দেখোন উত্তেজিত হ'ল—মুখখন উদ্ভাসিত হৈ উঠিল—সকলোকে শুনাকৈ গৰগৰীয়া মাতৰে বুঢ়াই ঘোষণা কৰিলে: 'এজন মানুহ ওলাল', 'এজন মানুহ ওলাল।'

খেলা ল'ৰাই খেলি থাকিল। যিয়েই ওলাই-ওলাই থাকক—সিহঁতৰ কি দৰ্কাৰ ?

কিন্তু খেলাৰ মাজৰপৰা ভুলু নামৰ ল'ৰাটো উঠি আহিল। খেলাত আৰু মনোনিবেশ কৰিব পৰা নাছিল। কোন নো, কোন মানুহ সেইজন ?

'ককাদেউতা—আপুনি কাৰ কথা কৈছে ? কোন মানুহ নো ওলাল ? কত ওলাল ?'

ককাক বৰকাকতীয়ে ভুলুক বুকুৰ ওচৰলৈ টানি আনিলে: 'এহ তই এইবোৰ বুজি নেপাবি নহয়'। 'ককাদেউতা, কওকচোন—কোন নো সেই মানুহজন ? ক'ত ওলাল ? কেতিয়া ওলাল ?' সৰু ল'ৰাটোৰ উৎকণ্ঠাৰ শেষ নাই।

ককাৰ আৰু নিস্তাৰ নাই। ক'বই লাগিব।

'শুন, এই মানুহজন হ'ল মোহনদাস কৰমচাঁদ গান্ধী। এওঁ কিন্তু এজন সঁচা মানুহ দে'ই। মই চকু মুদিলেও তইঁতে দেখা পাবি ভাৰতবাসীয়ে এওঁক এদিন ভগৱান সদৃশ পূজা কৰিব।'

চেননীয়া ভুলুৰ ননত গান্ধী নামটোৱে পুলকৰ সঞ্চাৰ কৰিলে। সৰলা আৰু ডাঃ উদয়ৰাম দাসৰ ষষ্ঠ সন্তানটিৰ নামেই আছিল ভুলু।* ভুলুৰ ডেৰ বছৰ বয়সতেই দেউতাক ঢুকায়। ককাক আৰু নোনায়েকৰ আশ্ৰয়তে ভুলু ডাঙৰ হ'ল।

সৰলাই দেউতাকৰ ঘৰত মূৰটো গুজিলেও ঘৰখনৰ দৈন্যতাৰ ছবিখন দেখি চিন্তাক্লিষ্ট হৈ পৰে। ভায়েক ব্ৰহ্মানন্দই কলিকতাত অৰ্থৰ অভাৱত আধাতে পঢ়া এৰি তেজপুৰত চাকৰিত সোমাব লগা হ'লহি। প্ৰথমতে হাইস্কুলৰ শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰি পিছত তেওঁ পেস্কাৰ আৰু শেষত উপায়ুক্তৰ অফিচত হেডক্লাৰ্ক পদলৈ পদোন্নতি পায়। সেই সময়ত তেওঁৰ কামানি আছিল মাত্ৰ পঁচিছ টকা। সেই টকাৰেই গোটেই পৰিয়ালটোৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰিব লগা হয়।

অৱশ্যে সৰলা দেৱীও বহি নেথাকিল—সংসাৰৰ লেঠা মাৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলালে। ঘৰৰ যাৱতীয় কাপোৰ-কানি তেওঁ নিজৰ শালতে বৈ লৈছিল। জামুগুৰীৰ 'মনাই' চাহবাগিচাৰ মেনেজাৰ নতিলাল হালদাৰে খৰকৈ কাপোৰ ব'বৰ বাবে তেওঁক এটি 'ফ্লাইং স্বাটল' উপহাৰ দিছিল। ইমান আলৈ-আহুকালৰ মাজতো সৰলা দেৱীয়ে সামাজিক কাম-কাজলৈ পিঠি দিয়া নাছিল। সেই সময়ত তেজপুৰত নাৰ্ছ, মিড্‌ৱাইফ্ আদিৰ একো ব্যৱস্থা নাছিল। কেইগৰাকীনান মহিলাই বেমাৰীক সেৱা-শুশ্ৰূষা কৰিবৰ বাবে স্বেচ্ছাই আগবাঢ়ি আহিছিল, এইসকলৰ ভিতৰত সৰলা দেৱী আছিল অন্যতম।

ভুলুক ওচৰচুবুৰীয়া সকলোৱেই মৰম কৰে। দুই এক বুঢ়াই মৰমতে 'বাপেকৰ মূৰ খোৱা' বুলিও কয়। সৰু হ'লেও ভুলুৰ কিন্তু কথাষাৰে অন্তৰত লাগি যায়। মাকৰ নানা কাম, ভুলুক চাই থাকিবলৈ সময় নাই। সেয়েহে ভুলুৰ চোৱাচিতাৰ দায়িত্ব

* জন্মৰ তাৰিখটো সঠিকভাৱে জনা নেযায়। জন্মস্থান তেজপুৰ, জন্ম তাৰিখ—১৮৯৫ চন ২১ মে; বাৰ—দেওবাৰ।

লৈছিল তেজপুৰৰ এচিষ্টেণ্ট চাৰ্জন ডাক্তৰ অতুল চন্দ্ৰ ৰায়ৰ জীয়েক লাৱণ্য দেৱীয়ে।

লক্ষ্মীকান্ত বৰকাকতীৰ প্ৰভাৱশালী ব্যক্তিত্বই ভুলুৰ শিশুকাল আৱৰি ৰাখিছিল। ককাদেউতাকৰ ছত্ৰছাঁয়াত ডাঙৰ-দীঘল হোৱাত ভুলু সেই কালৰ বহুত শিশুতকৈ ভাগ্যৱান আছিল। সৰু হলেও ককাদেউতাকৰ লগে লগে ফুৰি ভুলুৱে দেশবিদেশৰ ঘটনাৱলীৰ লগত পৰিচিত হৈ পৰিছিল। এইবিলাক কথাই কোনো কোনো ক্ষেত্ৰত তেওঁৰ মনত স্পষ্ট ৰেখা আঁকি থৈ গৈছিল।

এদিন ভুলু আন বহুতো ল'ৰা-ছোৱালীৰ দৰে স্কুললৈ যাব লগা হ'ল। ভুলু নামেৰে নচলিব—এটা পোছাকী নাম ঠিক হ'ল: অমিয়-কুমাৰ। নামটো চাইচিতি দিলে ডাক্তৰ অতুল চন্দ্ৰ ৰায়ে। ঘৰৰ তেনেই কাষতে এখন বঙালী বালিকা বিদ্যালয় আছিল। বঙালী ভাষাৰ মাধ্যমত শিক্ষাদান কৰিলেও তেজপুৰৰ সেইকালৰ অসমীয়া-বঙালী সকলো ল'ৰা-ছোৱালীয়েই তাত শিক্ষা লাভ কৰিছিল। অভিভাৱকসকলৰ পৰা পোৱা যৎসামান্য দান-বৰঙণিৰে স্বৰ্ণলতা দত্ত নামৰ মহিলা এগৰাকীয়ে স্কুলখন চলাইছিল।* তেওঁক সকলোৱে 'দিদিমা' বুলি মাতিছিল। বৰকাকতী পৰিয়ালৰ লগত দিদিমাৰ ঘৰুৱা সম্বন্ধ। সময়ত এই দিদিমাৰ জীয়েক কিৰণবালাক ভুলুৰ মোমায়েক ব্ৰহ্মানন্দই বিয়া কৰাইছিল।

বালিকা স্কুলত অমিয়কুমাৰৰ পঢ়া বেছি দিন নচলিল। শিক্ষা বিভাগৰপৰা স্কুল পৰিদৰ্শন কৰিবলৈ আহিল ডক্টৰ বুথ। লেয়ে

---

* পদ্মনাথ গোহাঞি বৰুৱাই লেখিছে: "এই কন্যাগৰাকীৰ নাম আছিল টুলু আৰু তেওঁৰ পিতৃ আছিল তেজপুৰৰ মধ্য ছাত্ৰবৃত্তি বঙ্গবিদ্যালয়ৰ হেড পণ্ডিত গুৰুনাথ দত্ত।" এই প্ৰসঙ্গত গোহাঞি বৰুৱাই আৰু লেখিছে—তেজপুৰত লক্ষ্মীকান্ত বৰকাকতীৰ ঘৰ দৰং জিলাৰ স্কুলসমূহৰ ডেপুটি ইন্সপেক্টৰ হাৰাণচন্দ্ৰ দাসগুপ্তৰ লগালগি আছিল। বৰকাকতীয়ে তেওঁলোকৰ সহধৰ্মী বঙালী ব্ৰাহ্ম সমাজৰ মাজত বাস কৰি আছিল।

পদ্মনাথ গোহাঞি বৰুৱা, "মোৰ সোঁৱৰণী", পৃঃ ৯৫

কাল হ'ল। বালিকা বিদ্যালয়ত বালিকাহে পঢ়িব, বালক পঢ়িব নোৱাৰে। বছ, তলৰ শ্ৰেণীত পঢ়া ল'ৰাবোৰে স্কুল এৰিব লগা হ'ল। ড° বুথ সম্পৰ্কে পদ্মনাথ গোহাঞি বৰুৱাই লেখিছে: "অঙ্ক বিদ্যাৰ পাতনি আঁচনিত বিভোল সেই অগাধ পণ্ডিত পুৰুষ জনাৰ তুনাই চিনাকি দিয়াৰ সকাম নাই। তেওঁৰ মূৰটো বোলে চৰকাৰে দহ হেজাৰ টকাত কিনি থৈছিল! কিন্তু পুৰুষজন ভোলানাথ, অলপ অকৰা চানেকীয়া বুলিলেও বঢ়াই কোৱা নহ'ব হ'বলা।"

স্কুল এৰা পৰিলত এবছৰমান ভুলুৱে ঘৰতে পঢ়াশুনা কৰি থাকিল। এই সময়ত জেঠায়েকৰ জীয়েক নিৰ্মলা দেৱীয়ে তেওঁৰ পঢ়াশুনা চাইছিল।* স্কুললৈ যাবলৈ নেপায় ভুলুৱে অৱশ্যে বৰ বেয়া পোৱা নাছিল। কাৰণ, স্কুলমানেই সোকা আৰু বেতৰ কোব। কিন্তু এই সুখ খন্তেকীয়া। ১৯০৬ চনত ভুলুৱে হাইস্কুলত নাম লগালে। হেডমাষ্টৰ আছিল প্ৰসন্ন মুখাৰ্জী: পূৰ্ণদমে বেত চলোৱাৰ সদনাম তেখেতৰ নামৰ লগত জড়িত আছিল। মুখাৰ্জী বেছিদিন নেথাকিল; তেখেত বদলি হৈ যোৱাত কেশৱচন্দ্ৰ ফুকন আহিল।

স্কুলত ভুলুৰ বিশেষ বন্ধুত্ব হ'ল চন্দ্ৰনাথ শৰ্মা আৰু হেমচন্দ্ৰ বৰুৱাৰ লগত। বিহগুৰিৰ এটা দুখীয়া পৰিয়ালত চন্দ্ৰনাথৰ জন্ম। তেওঁ স্কুলৰ বোৰ্ডিঙত থাকি পঢ়ে। আনক সহায় কৰা তেওঁৰ জীৱনৰ মূল ব্ৰত আছিল। বোৰ্ডিঙত তেওঁ আলোচনী সমিতিৰ সভা পাতে। ভুলুৱে সেইবোৰত যোগ দিয়ে। মাদ্ৰাজৰপৰা প্ৰকাশিত সুৰেন্দ্ৰনাথ বেনাৰ্জী আৰু গোপালকৃষ্ণ গোখলেৰ বক্তৃতাৱলী কিনি আনি নিজে পঢ়ি ভুলুকো পঢ়িবলৈ দিয়ে। কিতাপ পঢ়াৰ

* এই নিৰ্মলা দেৱীয়ে পিছত তেজপুৰ টাউনহলত খোলা অসমীয়া ছোৱালী স্কুলখনৰ দায়িত্ব লৈছিল। ১৯১৫ চনত তেওঁৰ অকাল মৃত্যু হয়। তেওঁৰ ভনীয়েক বিমলা দেৱীয়েও উচ্চ শিক্ষাৰ বাবে ঢাকাৰ ইডেন ফিমেল স্কুললৈ গৈছিল: কিন্তু তাতে অসুখ হৈ ঢুকায়।

বাবে তেওঁৰ বিশেষ থাউতি আছিল। এইদৰে ভুলুৰ বহিঃজগতৰ লগত পৰিচয় ঘটিল।

সেই স্কুলীয়া দিনতেই অমিয়ক তিনিজন নেতাই বিশেষভাৱে প্ৰভাৱন্বিত কৰিছিল। তেওঁলোক হ'ল—বাল গঙ্গাধৰ তিলক, গোপালকৃষ্ণ গোখলে আৰু সুৰেন্দ্ৰনাথ বেনাৰ্জী। তিলকৰ বাহিৰে বাকী দুজন নৰমপন্থী দলৰ নেতা আছিল। গোখলেৰ মানৱ-সেৱাৰ আদৰ্শই অমিয়ক বৰকৈ আকৰ্ষিত কৰিছিল। তেৱেঁা মনতে সংকল্প লৈছিল ডাঙৰ হ'লে গোখলেৰ servant of India societyৰ দৰে এটা অনুষ্ঠান অসমত গঢ়ি মানৱ-সেৱাত তেওঁ ব্ৰতী হ'ব। তেতিয়াই অমিয়ই চিৰকুমাৰ হৈ থাকি, সমাজ সেৱা আৰু মানৱ সেৱাত জীৱন উছৰ্গা কৰাৰ অভিলাষ কৰিছিল। তিলক আৰু বেনাৰ্জীৰ বিৰল সাহস আৰু ত্যাগে অমিয়ৰ মনত স্বদেশপ্ৰেম আৰু জাতীয়তাবাদী ভাৱৰ উন্মেষ ঘটাইছিল।

অমিয়, হেম বৰুৱা আৰু লক্ষ্মীধৰ শৰ্মা এই তিনিও সেই কালতে গোখলেৰ 'ফ্ৰেণ্ডচ্ অব্ ইণ্ডিয়া ছোচাইটীৰ' আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ গোটেই জীৱন চিৰকুমাৰ ৰূপে থাকি দেশসেৱা আৰু নৰ-নাৰায়ণৰূপী মানৱ-সেৱা কৰাৰ সংকল্প লৈছিল। স্কুলত চন্দ্ৰনাথে জাতীয় বীৰ-পূজা প্ৰবৰ্তণ কৰিবলৈ ধৰে। স্কুলত অসমৰ প্ৰখ্যাত পণ্ডিত আনন্দৰাম বৰুৱাৰ তিথি পাতে। চন্দ্ৰনাথৰ লগত পদ্মনাথ গোহাঞি বৰুৱাৰ বিশেষ ঘনিষ্ঠতা আছিল। গোহাঞি বৰুৱা সম্পাদিত 'অসম বন্তি' আৰু 'উষা'ত তেওঁ নিয়মিতভাৱে কৱিতা প্ৰবন্ধ লেখিছিল। ভুলুৰ আনজন বন্ধু হেমচন্দ্ৰ বৰুৱা আদিতে নগাঁৱৰ বহাৰ মানুহ আছিল। পিছত আহি তেজপুৰত থাকিবলৈ লয়হি। ভুলুৰ দৰে তেওঁৰো দেউতাক সৰুতে ঢুকায়। ককায়েক প্ৰিয়লাল বৰুৱাৰ তত্বাৱধানত ডাঙৰ দীঘল হয়। সাহিত্য চৰ্চা, গাঁওবাসীৰ মাজত সমাজ-সেৱা কৰা তেওঁৰ প্ৰধান কৰ্তব্য আছিল। তাৰ উপৰি তেওঁক সাংবাদিকতাই বৰ আকৰ্ষণ কৰিছিল। ককায়েক বিনয়কুমাৰ দাসৰ বন্ধুবৰ্গৰ লগতো ভুলুৰ বন্ধুত্ব হৈছিল। ভুলুৱে

মাইকেল মধুসূদন দত্তৰ 'মেঘনাদ বধ' আৰু নবীন সেনৰ 'পলাচীৰ যুদ্ধ'ৰ আবৃত্তি কৰে। বন্ধুবৰ্গৰ লগত সাহিত্য-চৰ্চা, ধৰ্ম-বিষয়ক আলোচনা কৰি আজৰি সময় কটায়।

ইফালে মাজে মাজে ককাদেউতাকৰ বন্ধু কমলাকান্ত ভট্টাচাৰ্য্য আহে। এই ককাকেও নাতিয়েক ভুলুক স্বৰচিত কবিতা 'মৰিশালী', 'জাতীয় গৌৰৱ', আৰু 'পাহৰণি'ৰ আবৃত্তি কৰি শুনায়। অসমৰ প্ৰথম জাতীয়তাবাদী কবি গৰাকীয়ে অসম আৰু অসমীয়াৰ হক ৰক্ষাৰ্থে বিভিন্ন ক্ষেত্ৰত যুঁজ দিছিল। সমাজৰ অন্যায়-অবিচাৰ, গোড়ামী আৰু অন্ধ-বিশ্বাসৰ বিৰুদ্ধেও তেওঁ যুঁজ দিছিল।*

ককাকৰ সান্নিধ্যত থাকি ভুলুৰ সেইকালৰ কেইবাজনো প্ৰখ্যাত ব্যক্তিক ভালদৰে জনাৰ সৌভাগ্য হৈছিল। সেই ব্যক্তিসকল আছিল একালৰ ব্ৰাহ্মসমাজৰ গুৰিয়াল কেশৱচন্দ্ৰ সেন (তেওঁ নিজৰ নাবালিকা কন্যাক কোচবিহাৰৰ মহাৰাজৰ লগত বিয়া দিয়াত ককাক ৰৰকাকতীৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল)। ককাকে প্ৰায়ে দুজন চাহাবৰ কথা কৈছিল: এজন চাহাবক অসমৰ চীফ্ কমিচনাৰ চাৰ হেনৰী জন্ ষ্টেদমান্ কটনক বৰ প্ৰশংসা কৰিছিল। তেওঁৰ যত্নতে অসমত প্ৰথম কলেজ 'কটন কলেজ' ১৯০১ চনৰ ২৭ মে'ত আৰম্ভ হৈছিল। আনহাতে আনজন চাহাবৰ প্ৰতি ভাৰতৰ গৱৰ্ণৰ-জেনেৰেল লৰ্ড কাৰ্জনক ককাকে দেখিব নোৱাৰিছিল: পেটে-মুখে বৰ খং। মানুহটো বোলে বৰ অহংকাৰী, মদগৰ্বী, নিৰ্দয় আৰু ক্ৰূৰ প্ৰকৃতিৰ: ভাৰতীয় লোকক যেন হাতেৰে পিহি-মোহাৰি শেষ কৰি দিব। সাম্ৰাজ্যবাদী কাৰ্জনক ভুলুৱে এনেকৈয়ে চিনি পাইছিল।

তেজপুৰত পঢ়িবলৈ সেইসময়ত বহুতো বঙালী ল'ৰা আহিছিল। তেওঁলোকৰ পিতৃসকল চৰকাৰী চাকৰিয়াল; তেজপুৰলৈ বদলি হৈ আহিছিল। সেই ল'ৰাবিলাকৰ মুখত ভুলুৱে শুনিছিল কেনেকৈ

* পিছৰ কালত ভট্টাচাৰ্য পৰিয়ালৰ লগত দাস পৰিয়ালৰ পাৰিবাৰিক সম্বন্ধ ঘটিছিল।

কাৰ্জনে বঙ্গদেশক দ্বিখণ্ডিত কৰি বঙ্গ আৰু পূৰ্ববঙ্গ আৰু অসম দুখন প্ৰদেশ গঠন কৰি বঙ্গৰ জাগ্ৰত জাতীয়তাবাদী শক্তিক নিঃচিহ্ন কৰাৰ ষড়যন্ত্ৰ কৰিছিল। তাৰ প্ৰতিবাদত আৰম্ভ হ'ল বঙ্গ-ভঙ্গ ৰদ আন্দোলন; সেয়ে সমৰ্থিত হ'লগৈ স্বদেশী আন্দোলন। লগে লগে ভাৰতীয় ৰাজনীতিত সন্ত্ৰাসবাদেও ভুমুকি মাৰিলে। ঢাকাত 'অনুশীলন সমিতি' গঠন হ'ল। ১৯০৭ চনত বঙ্গৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰ, ১৯০৮ চনত মজফৰপুৰত এজন বিচাৰকক, আৰু স্বয়ং গৱৰ্ণৰ-জেনেৰেল লড হাৰ্ডিঞ্জক হত্যাকৰাৰ নিষ্ফল চেষ্টা চলিল। তেজপুৰতো গুপ্ত সমিতি গঠন হ'ল। মহাভৈৰৱ মন্দিৰৰ আওহতীয়া ঠাইত লাঠী-খেল, চুৰি-খেলৰ চৰ্চা চলিল। আন ল'ৰাৰ লগতে ভুলুৰো তেজপুৰৰ জাহাজঘাটলৈ গৈ মুটীয়াৰ কাম কৰি জাতীয় পুঁজিলৈ দান ৰবঙণি তুলিলে। ল'ৰা-ছোৱালীয়ে বঙ্গ-বিভাজনৰ প্ৰতিবাদত সভা-শোভাযাত্ৰা পাতিলে।

তৃতীয় অধ্যায়

বিদ্যা মন্দিৰত অন্তৰায়

এইবাৰ গুৱাহাটী !

কটন কলেজৰ ছাত্ৰাবাসত কটোৱা ভুলুৰ প্ৰথম নিশা। বুকুত বহুত আশা। চকুত ভৱিষ্যতৰ ৰঙীণ সপোন।

১৯১২ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা ভুলুৱে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ল। ইয়াৰ পিছত ? ভুলুৰ নিজৰ ইচ্ছা ডাক্তৰী পঢ়াৰ। মোমায়েক ব্ৰহ্মানন্দই কিন্তু ভাগিনীয়েকক বি-এ ডিগ্ৰীধাৰী হোৱাৰ কথাতহে জোৰ দিলে। কালীকান্ত বৰকাকতীৰ পিছত এই পৰিয়ালৰ কোনেও বি-এ ডিগ্ৰী ল'ব পৰা নাই। মোমায়েকৰ তাতেই আক্ষেপ আৰু ক্ষোভ। নিজেও আধাতে কলেজ এৰিব লগা হ'ল। গতিকে ভুলুৱে কটন কলেজত পঢ়ক—*

১৯১২ চনৰ জুলাইত তেজপুৰীয়া ছাত্ৰসকলৰ লগতে ভুলুৱেও গুৱাহাটী অভিমুখী জাহাজত উঠিল, উদ্দেশ্য কটন কলেজত পঢ়াৰ—

কিন্তু কটন কলেজৰ ছাত্ৰাবাসে ভুলুক অভ্যৰ্থনা জনাবলৈ বৈ থকা নাছিল। অপমান আৰু অপদস্থ কৰিবলৈহে যেন প্ৰথম নিশাটোৱে ভুলুলৈ বাট চাই আছিল। এটা নিশা কত আশা আৰু উৎকণ্ঠা : কিন্তু নিশা আগবঢ়াৰ লগে লগে আশা-নিৰাশাত পৰিণত হ'ল : উৎকণ্ঠা—দুঃচিন্তাত পৰিবাহিত হ'ল।

হঠাতে ভুলুৱে গম পালে তেওঁক কেন্দ্ৰ কৰি ছাত্ৰসকলৰ মাজত এটি আন্দোলন গঢ়ি উঠিছে। সংৰক্ষণশীল, গোড়ামী আৰু অন্ধ-বিশ্বাসী সমাজৰ প্ৰতিভূস্বৰূপ কেইজনমান ছাত্ৰই জনাই দিলে যে অমিয়ই হোষ্টেলৰ খোৱা-ঘৰত সকলোৱে লগত খোৱাতো তেওঁলোকৰ

---

* কালীকান্ত বৰকাকতীয়ে ১৮৮৬ চনৰ জাতীয় কংগ্ৰেছৰ কলিকতা অধিবেশনত ছিলং এচোচিয়েচনৰ প্ৰতিনিধি হিচাপে যোগদান কৰিছিল।

বিয়াৰ মালা-বদলৰ পিছত

বিয়াৰ পিছত তেজপুৰলৈ যোৱাৰ বাটত শ্ৰীঅমিয় কুমাৰ দাস আৰু শ্ৰীমতী পুষ্পলতা দাস

প্ৰথম নাতিনী শ্ৰীমতী স্মীতাৰ (মিতা) অন্নপ্ৰাসনৰ সময়ত

কহিমালৈ নগা ভাইসকলৰ লগত আলোচনা কৰিবলৈ যাওঁতে
পণ্ডিত জৱাহৰলাল নেহৰুজীৰে সৈতে শ্ৰীঅমিয় কুমাৰ দাস

পছন্দ নহয়। আন হাতে আন এটি দলে এই লৈ বাদানুবাদৰ সৃষ্টি কৰিলে। পিছত চুজনমান ওপৰ শ্ৰেণীৰ ছাত্ৰই তেওঁক হাতত ধৰি খোৱা-ঘৰলৈ লৈ গ'ল। এনেকৈয়ে তিক্ত অভিজ্ঞতাৰে হোষ্টেলৰ প্ৰথম নিশা পাৰ হৈ গ'ল। পুৱা অমিয়ই গম পালে ব্ৰাহ্ম সমাজ ভুক্ত হোৱা বাবে তেওঁ হোষ্টেলত চিটেই নেপায়। হোষ্টেলৰ চুপাৰিন্‌টেনডেণ্ট দৰ্শনৰ অধ্যাপক বনমালী চক্ৰবৰ্ত্তী বেদান্ততীৰ্থ ই তেওঁক হোষ্টেলত ৰাখিবলৈ ঘোৰ আপত্তি কৰিলে। দ্বিতীয় নিশা চুপাৰিন্‌টেনডেণ্টে তেওঁক হোষ্টেলৰপৰা উলিয়াই দিলে। উপায় বিহীন হৈ অমিয় গৈ পাণবজাৰৰ বন্ধু এজনৰ ঘৰত উঠিল গৈ। অমিয়ই সকলো কথা মোমায়েকক জনোৱাত তেওঁ তৰুণৰাম ফুকনলৈ চিঠি দিয়ে। পিছত ফুকন আৰু মাণিকচন্দ্ৰ বৰুৱাৰ যত্নত অমিয়ই কলেজ আৰু হোষ্টেলত চিট পায়। হোষ্টেলত সোমাই অমিয়ই অৱশ্যে এখন লেখা দিব লগা হ'ল: 'নিজৰ কোঠাতে মই ভাত খাম, কুকুৰা কণী আৰু কুকুৰা নেখাওঁ' বুলি।

হিন্দু ধৰ্মৰ স্বাৰ্থ-ৰক্ষক ছাত্ৰবন্ধুসকলে অমিয়ক কিন্তু সহজে এৰি নিদিলে। কথাই কথাই ইতিকিং আৰু বিভিন্ন ধৰণে তেওঁৰ অন্তৰত আঘাত দিয়াৰ চেষ্টা কৰিছিল। অমিয়ই সেই সময়ত অন্য ঠাইলৈ যাবলৈও চেষ্টা কৰিছিল: খৃষ্টান মিচনেৰীৰ লগতো যোগাযোগ কৰিছিল। কিন্তু বিশেষ একো নহ'ল।

নতুন পৰিবেশত ইংৰাজীৰ অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ পৰিয়ালৰ লগত পৰিচিত হৈ অমিয়ই বহুতো সকাহ পালে। অধ্যাপক ৰায় নিজেও ব্ৰাহ্ম সমাজভুক্ত আছিল। তেওঁ অমিয়ৰ স্থানীয় অভিভাৱক হ'ল। প্ৰায়ে দেওবাৰে অমিয়ই তেওঁলোকৰ ঘৰলৈ যায়, তাতে ভাত খায়। অধ্যাপক ৰায়ৰ পত্নী গুণাভিৰাম বৰুৱাৰ জী-নাতি আছিল। এসময়ত এওঁৰ মাক (স্বৰ্ণময়ী) অমিয়ৰ মাকৰ লৈতে নলে-গলে-লগা বন্ধু আছিল। অমিয় সেই কালত অধ্যাপক ৰায়ৰ দৰেই পোছাক-পৰিচ্ছদত অতি পৰিপাটি আছিল। লগৰ সহপাঠী-সকলে তেওঁক চৌখিন বুলিয়েই ভাবিছিল। অমিয়ৰ কিন্তু কাপোৰ

দুই-তিনি সাজমানহে আছিল। তাকে নিজে ধুই জাপি-কুচি গাৰুৰ তলত থৈ ভাঁজ দি পিন্ধিছিল। ধোবাই-ধোৱা কাপোৰ নহয়।

লাহে লাহে কলেজৰ দুটি বছৰ পাৰ হৈ গ'ল। পঢ়াৰ বাবে অনুকূল পৰিবেশ নথকা হেতু অমিয়ৰ আই, এ পৰীক্ষাৰ ফলাফল বেয়া হ'ল। এইবাৰ অমিয়ই আহি কলিকতাৰ চিটি কলেজত নাম ভৰ্তি কৰিলে। থাকিবলৈ ল'লে ব্ৰাহ্ম বয়জ বোৰ্ডিঙত। তাত তেওঁ যিটো কোঠাত সোমাল তাৰ এজন বোৰ্ডাৰে তেওঁ তাত থকাটো অকণো পছন্দ নকৰিলে। তেওঁ মাজে মাজে গুণ্ডা লগাই অমিয়ক খেদাই দিব বুলিও ভাবুকি দিলে। তেনে পৰিবেশত আৰু বেছি দিন থকা ভাল নহ'ব বুলি ভাবি বোৰ্ডিং হাউচ এৰি অমিয়ই এঘৰ বঙালী ভদ্ৰলোকৰ ঘৰত 'পইচা দি থকা আলহী'ৰ দৰে থাকিবলৈ ল'লে।

এই ঘৰটোতো অমিয়ৰ বেছি দিন থকা নহ'ল। এই ঘৰ এৰাৰ কাৰণ অৱশ্যে বেলেগ ধৰণৰ। ঘৰৰ গৃহস্থ-গৃহস্থনীয়ে অমিয়ক আপোনজনৰ দৰেই ব্যৱহাৰ কৰিছিল। কিন্তু দিগ্‌দাৰ হৈছিল আন এটি কথাতহে। গৃহস্থ-গৃহস্থনীৰ মনৰ অমিল, মতৰ অমিল, বয়সৰ অমিল। গৃহিণী গৃহস্থতকৈ বয়সত বহুত সৰু। দেখাতো অতিপাত সুন্দৰী। এদিন সন্ধিয়া তিৰোতা গৰাকী অমিয়ৰ কোঠালৈ সোমাই আহিল। অমিয় অপ্ৰস্তুত হ'ল। বহিবলৈ দিলে। মহিলা গৰাকী হঠাতে অতি আৱেগপ্ৰৱণ হৈ উঠিল। নিজ স্বামীৰ অমনোযোগিতাৰ কথা, উপেক্ষাৰ কথা কৈ কৈ নিজৰ জীৱনটোক ধিক্কাৰ দি কান্দিবলৈ ধৰিলে। হঠাতে তেওঁ অমিয়ৰ কোলাত মুৰটো থৈ কান্দি কান্দি ক'লে—মই কিমান অকলশৰীয়া তুমি জানা নে? অমিয় হতভম্ব হৈ গ'ল। কি বুলি সান্ত্বনা দিব? অমিয়ৰ সমস্ত দেহ কঁপি উঠিল। মই আপোনাক কি সান্ত্বনা দিম? আপুনি মোৰ মাতৃতুল্যা। আপুনি শান্ত হওক। আপুনি অসুস্থ! আপুনি ভিতৰলৈ গৈ শোৱক গৈ। সমস্ত শক্তিৰে মানুহ গৰাকীক তেওঁ ঠেলি বাৰাণ্ডালৈ লৈ গ'ল। সেয়ে শেষ। সেইদিনাই অমিয়ই সেই ঘৰ এৰি অন্য ঘৰ এটিত সোমাল গৈ।

সেই কালত অমিয়ৰ চেহেৰা-পানী দেখনিয়াৰেই আছিল। গুৰ-পাথ হৃষ্ট-পুষ্ট। তেতিয়া তেওঁ নিয়মীয়াভাৱে ব্যায়াম কৰে। মুদগৰ লৈ কছৰৎ কৰে। অৱসৰ সময়ত তবলা আৰু বাঁহী বাদনৰ শিক্ষা লয়। অৱশ্যে সংগীত চৰ্চাৰ ক্ষেত্ৰত তেওঁ বিশেষ পাৰদৰ্শিতা আৰ্জিব নোৱাৰিলে—হয়তো তেওঁৰ এই ক্ষেত্ৰত ঐকান্তিকতাৰ অভাৱ আছিল।

অমিয়ৰ সমকালীন ছাত্ৰবন্ধুসকল আছিল—কৃষ্ণকান্ত সন্দিকৈ (সংস্কৃত কলেজৰ), বাণীকান্ত কাকতী (প্ৰেসিডেন্সি কলেজৰ), বেণুধৰ শৰ্মা (ৰিপণ কলেজৰ), ৰাজেন্দ্ৰনাথ বৰুৱা (প্ৰেসিডেন্সি কলেজৰ), দেবেশ্বৰ শৰ্মা, গিৰিশচন্দ্ৰ বৰুৱা, দিবাকৰ হাজৰিকা, ডাঃ বংশীধৰ বৰুৱা, ধীৰেন্দ্ৰনাথ আগৰৱালা আৰু যতীন্দ্ৰনাথ দুৱৰা। দুৱৰাৰ যোগেদিয়েই অমিয়ৰ লক্ষ্মীনাথ বেজবৰুৱাৰ লগত পৰিচয় হয়। বেজবৰুৱা সম্পাদিত 'বাঁহী'ৰ তেওঁ নিয়মীয়া পঢ়ুৱৈ আছিল। ১৯১৮-১৯ চনত বেজবৰুৱা সম্বলপুৰলৈ যোৱাত অমিয়ই 'বাঁহী'ৰ সম্পাদনাৰ অৰ্ধভাৰ নিজৰ হাতত লৈছিল।

সৰুৰেপৰা কাৰোবাক উপকাৰ কৰা, আতুৰজনক সেৱা কৰা, শুশ্ৰূষা কৰা, অমিয়ৰ ভাল লগা কামবোৰৰ ভিতৰত প্ৰধান আছিল। হাওৰাৰ ভাড়াঘৰ এটাত এবাৰ যোৰহাটৰ ৰজনী বৰুৱাৰ দুজন ল'ৰাৰ টাইফয়দ ৰোগ হৈ পৰি থকা শুনি অমিয় আৰু কৃষ্ণকান্ত সন্দিকৈয়ে গৈ শুশ্ৰূষা কৰাত লাগিছিল। ৰোগীৰ শৌচ পৰ্যন্ত অমিয়ই চাফা কৰি দিছিল। ল'ৰা দুজন অৱশ্যে নেবাচিল। এনে কামত আগৰণুৱা অমিয়ই—বেমাৰীক শুশ্ৰূষা কৰা, মৃতকৰ শ দাহ কাৰ্য্য সমাপন কৰা আদি বিভিন্ন সমাজ সেৱাৰ কামত ব্যস্ত আছিল।

অমিয় আৰু অন্যান্য অসমীয়া ছাত্ৰসকল একে লগে ৪৫ নং হেৰিছন ৰোডত থকা 'আসাম মেছ'ত আছিল।

অসমৰ ছাত্ৰসকলে সমগ্ৰ অসমৰ ছাত্ৰ সমাজৰ বাবে এটি উমৈহতীয়া ছাত্ৰ অনুষ্ঠান গঢ়ি তোলাৰ কথা চিন্তা কৰিছিল। ছাত্ৰ-সকলৰ কলিকতাত এ, এছ, এল, ক্লাব, গুৱাহাটীত এ, এছ, এল ক্লাব

আৰু একতা সভা আদি বিভিন্ন অনুষ্ঠান আছিল। সদৌ অসমৰ বাবে এক মাত্ৰ এটি ছাত্ৰ অনুষ্ঠান গঢ়ি তোলাৰ বাবে চন্দ্ৰনাথ শৰ্মাই অমিয়হঁতলৈ চিঠি দি উৎসাহ জনাইছিল। কলিকতীয়া ছাত্ৰদল বিহাৰী ছাত্ৰ সন্মিলনৰ দ্বাৰা প্ৰভাৱন্বিত হৈছিল। পিছত সকলোৰে প্ৰচেষ্টাত 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন'ৰ জন্ম হয়। শেহলৈ ইয়াৰ নাম পৰিবৰ্তিত হৈ 'অসম ছাত্ৰ সন্মিলন' হয়। প্ৰথম সন্মিলন-খন বেজবৰুৱাৰ সভাপতিত্বত গুৱাহাটীত বহিছিল (২৫-২৬ ডিচেম্বৰ, ১৯১৬)। সভাই এখন নিয়মাৱলী গ্ৰহণ কৰে। চন্দ্ৰনাথ শৰ্মাই সম্পাদকৰ প্ৰতিবেদনত কয় :

> ...হুজুগৰ ভৱিষ্যত ফল ভাল। আন্দোলনবপৰা অতি সুফল ফলা দেখা গৈছে। জগতৰ বহুত সৎকাৰ্য্যৰ মূলত আন্দোলন।...অসমৰ ইমূৰৰপৰা সিমূৰলৈ এটি তোলপাৰ তুলি দিব লগা হৈছে। জয় ঘণ্টা বজাই অসমীয়া মানুহৰ টোপনি ভাঙি দিবৰ সময় হৈছে...

ছাত্ৰ সন্মিলনৰ প্ৰস্তাৱ অনুযায়ী কলিকতাৰ অসমীয়া ছাত্ৰদলে আনন্দৰাম বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে ধনগুণি সংগ্ৰহ কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গণত আনন্দৰাম বৰুৱাৰ আবক্ষ মূৰ্তি এটি প্ৰতিষ্ঠা কৰাৰ ছাত্ৰসকলৰ হাবিয়াস আছিল। ছাত্ৰসকলে ভৱামতে ধন সংগ্ৰহ নহ'ল : মাত্ৰ দুহেজাৰ টকাহে সংগৃহীত হ'ল। সংগৃহীত ধন কলিকতা বিশ্ববিদ্যালয়ক সংস্কৃত গৱেষণা কাৰ্যত খটুৱাবলৈ দিলে।

সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল আশুতোষ মুখাৰ্জী যাক বহুতে 'বাংলাৰ বাঘ' বুলিও কয়। তেওঁৰ '৭৭ নং ৰোচা ৰোড'ৰ বাসস্থান সকলোৰে বাবে মুক্ত আছিল। মুখাৰ্জীয়ে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতাত চৰকাৰী হস্তক্ষেপ সহ্য নকৰিছিল। আনহাতে তেওঁ আছিল 'চিম্পল লিভিং হাই থিংকিঙ'ৰ জ্বলন্ত প্ৰতীক। তেওঁৰ পাণ্ডিত্য আৰু দেশপ্ৰেমে সকলোকে আকৰ্ষিত কৰিছিল। তেওঁৰ দিনত কলিকতা বিশ্ববিদ্যালয় দেশৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ শিক্ষানুষ্ঠান হৈ পৰিছিল। সেয়া আছিল কলিকতা

বিশ্ববিদ্যালয়ৰ সোণালী যুগ। মুখাৰ্জীৰ ব্যক্তিগত চেষ্টাত সেইসময়ত কলিকতা বিশ্ববিদ্যালয়ত ভাৰতৰ সৰ্বশ্ৰেষ্ঠ মস্তিকৰ সমাবেশ ঘটিছিল। সেইসকলৰ ভিতৰত ডি, আৰ, ভাণ্ডাৰকাৰ, ইৰাখ চৌধাৰজী তাৰাপুৰৱালা, ব্ৰজেন্দ্ৰনাথ শীল, সৰ্বপল্লী ৰাধাকৃষ্ণণ, ৰমেশচন্দ্ৰ মজুমদাৰ, সুনীতিকুমাৰ চেটাৰ্জী, প্ৰফুল্ল চন্দ্ৰ ৰায়, চি, ভি, ৰমণ, খুদা বক্স, হৰেন্দ্ৰকুমাৰ মুখাৰ্জী, পি, ক্ৰল আদি উল্লেখযোগ্য।

সময়ত অমিয়ই চিটি কলেজৰপৰা প্ৰথম বিভাগত আই, এ, পৰীক্ষাত উত্তীৰ্ণ হ'ল। তাৰ পিছত স্কটিছ চাৰ্চ কলেজৰপৰা বি-এ পাছ কৰে ১৯১৮ চনত। বি-এ পাছ কৰি কলিকতাতে তেওঁ আইন পঢ়িবলৈ লয়।

অসম ছাত্ৰ সম্মিলনৰ তৃতীয় অধিবেশনত (ডিব্ৰুগড়) অমিয় সম্পাদকৰূপে নিৰ্বাচিত হয়। ছাত্ৰ সম্মিলনৰ ৪ৰ্থ অধিবেশনখন তেজপুৰত বহাৰ কথা। অমিয় আৰু তেওঁৰ বন্ধুবৰ্গই আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ক সভাপতিৰূপে নিৰ্বাচিত কৰি তেজপুৰলৈ নিয়াৰ কথা ঠিক কৰিলে। আচাৰ্য ৰায় আছিল সেইকালৰ এজন প্ৰখ্যাত ৰসায়ণবিদ। এই পণ্ডিতজনাৰ আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰতিহে বেছি ধাউতি আছিল। এই চিৰকুমাৰ বৈজ্ঞানিকজন আছিল অত্যন্ত জাতীয় ভাবাপন্ন, স্বদেশী শিল্প উদ্যোগ গঢ়াৰ ক্ষেত্ৰত আছিল অত্যুৎসাহী। কলেজৰ শিক্ষকতা বাদ দি তেওঁ Bengal Chemical and Pharmaceutical Works প্ৰতিষ্ঠা কৰে। সক্ৰিয় ৰাজনীতিত অংশ নোলোৱাকৈয়ে তেওঁ স্বদেশী প্ৰচলনৰ দায়িত্ব লৈছিল। এই পণ্ডিতজনাৰ দুজন প্ৰখ্যাত ছাত্ৰ হ'ল—মেঘনাদ সাহা আৰু জ্ঞান ঘোষ.

আচাৰ্য ৰায় ছাত্ৰসমাজত অতি জনপ্ৰিয় আছিল দৰমহাৰ সামান্য পৰিমাণৰ টকা নিজলৈ ৰাখি বাকী টকা তেওঁ দুখীয়া ছাত্ৰক পঢ়াশুনা কৰাৰ ক্ষেত্ৰত খৰচ কৰিবলৈ দিছিল। বিপদৰ সময়ত তেওঁ ছাত্ৰৰ পৰামৰ্শদাতাও আছিল।

এদিনৰ কথা : অমিয়ই তেওঁৰ বন্ধুবৰ্গৰ সৈতে ৰায়ৰ ওচৰলৈ গ'ল : উদ্দেশ্য তেওঁক তেজপুৰ অধিবেশনলৈ নিয়াৰ।

সকলো কথা শুনি ৰায়ে ক'লে—মই ৰুগীয়া মানুহ ভেদাই লতাৰ জোলেৰে ভাত খুৱাই মোক জীয়াই ৰাখিছে। মোক অসমলৈ নি মাৰিব খুজিছ নে ?

অমিয়ই আশ্বাসৰ সুৰত ক'লে : আমি অসমৰপৰা বেলৰ ডবা ভৰাই আপোনাক ভেদাই লতা আনি দিব পাৰিম। অসমত ভেদাই লতা পোৱাৰ একো অসুবিধা নাই।

অমিয়লৈ চাই ৰায়ে ক'লে : বাচাধন ধৰা পৰি গৈছা, তোমাৰ বহল মুখখনৰপৰাই তোমাৰ গাত মঙ্গোলীয়ান তেজ আছে বুলি গম পাইছো।

—মোৰ গাত মঙ্গোলীয়ান তেজ আছে নে, দ্ৰাবিড় তেজ আছে একো নেজানো। আৰ্যৰ তেজ আছে বুলি দাবীও নকৰো। মই অসমীয়া। অমিয়ই তপতে তপতে ক'লে।

এইখিনিতে ৰায়ে এটা অদ্ভুত কাম কৰিলে। তেওঁ জাপ মাৰি অমিয়ৰ কান্ধত উঠি বহিল আৰু ক'লে : তই এতিয়া মোক তিনি তলাত থকা মোৰ শোৱাকোঠালিৰপৰা ঘূৰাই লৈ আহ। লগে লগে ভৰিৰ গোৰোহাৰে অমিয়ৰ বুকুত খুণ্ডিয়াই খুণ্ডিয়াই ক'লে : ব'ল ! ব'ল ! ল'ৰি ব'ল।

অমিয়ই তেওঁক বোকোচাত লৈ লৰৰি গ'ল। শোৱাকোঠালিৰ পৰা তেওঁক ঘূৰাই লৈ আহিল।

কান্ধৰপৰা নামিয়েই মেঘনাদ সাহাক ক'লে : মেঘনাদ, চা এই অসমীয়া ল'ৰাটিয়ে মোক কেনেকৈ ওপৰৰপৰা কান্ধত লৈ আহিলে। তই পাৰিবি নে ? তই ৰুগীয়া ল'ৰা—তই নোৱাৰ'।

অসমীয়া ছাত্ৰদলক ক'লে : মই সন্তোষ্ট হ'লো তহঁতে মোক ৰাটে-পথে ক'ৰবাত বিপদত পৰিলেও ৰক্ষা কৰিব পাৰিবি। মই অসমলৈ যাম। মোৰ ওচৰলৈ তহঁত আবেলি-আবেলি আহি থাকিবি।

তাৰ পিছত অম্বিয়ৰ বায়ৰ লগত এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। গুৰু-শিষ্যৰ সম্বন্ধ। অম্বিয়ৰ লগত পণ্ডিত জনাই না না সমস্যাৰ কথা আলচ কৰে।

তেজপুৰ অধিবেশনত (অক্টোবৰ, ১৯১৯) ৰায়ে কৈছিল :

> অসমীয়া ছাত্ৰৰ বিষয়ে মোৰ পূৰ্বৰ সকলো ধাৰণা আজি সলনি কৰিবলগীয়া হ'ল। অসমৰ ছাত্ৰসকলৰ জীৱন্ত জাগ্ৰত কৰ্ম শক্তিয়ে মোৰ প্ৰাণত পৰম আশাৰ সঞ্চাৰ কৰিছে। কংগ্ৰেছ মণ্ডপৰ বাহিৰে আৰু অইন ঠাইত মই এনে নিয়মানুৱৰ্তিতা, এনে কৰ্মপৰায়ণতা কেতিয়াও দেখা নাছিলো। সম্মিলনৰ কৃতকাৰ্যতাৰ কাৰণে এই চহৰ আৰু ইয়াৰ আশে-পাশে থকা লোকসকলৰ আপ্ৰাণ চেষ্টা দেখি মই আনন্দত অভিভূত হৈ পৰিছো। ধনী-দুখীয়া, উচ্চ-নীচ নিৰ্বিশেষে সকলোৱে কঠোৰ পৰিশ্ৰম কৰি এই সম্মিলনৰ সফলতাত বৰঙণি যোগাইছে।
>
> ···অসম আৰু এতিয়া আগৰ দৰে অন্ধকাৰত পৰি থকা দেশ হৈ থকা নাই। বঙ্গদেশে অৰ্দ্ধ শতাব্দীত কৰা অগ্ৰগতি অসমে দহ বছৰতে লাভ কৰিবলৈ সমৰ্থ হৈছে। অসমৰ নৱ জাগৰণলৈ আৰু সৰহ দিন নাই।···

সম্পাদক ৰূপে অম্বিয়ই ছাত্ৰ সমাজক উদ্দেশ্যি কয় :

> আমাৰ অভাৱ-অভিযোগ অকল চৰকাৰক জনাই ক্ষান্ত থাকিলে নচলিব, মানুহ হ'বলৈ যি আচল চেষ্টা লাগে তাকো আমি নিজেই কৰিব লাগিব। কোনেও কাকো মানুহ কৰি দিব নোৱাৰে। ভিকছুৰ বৃত্তি এৰি স্বাৱলম্বন নীতি বাচি ল'ব লাগিব। কোনো জাতিক অইন জাতিয়ে উন্নত কৰি দিব নোৱাৰে। আচল চেষ্টা নিজৰপৰাই হ'ব লাগিব। অইনে মাথোন সহায় কৰিব পাৰে। দেশৰ সকলো শ্ৰেণীৰ মাজত আত্মোন্নতিৰ চেষ্টা নজন্মিলে জাতীয় উন্নতি হ'ব নোৱাৰে। এজন দুজন মানুহৰ চেষ্টাত গোটেই

> দেশ উন্নত হ'ব নোৱাৰে। দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত উন্নতিৰ আকাঙ্ক্ষা হ'ব লাগিব। এই কাৰণে দেশৰ মানুহৰ ভিতৰত উন্নত হ'বলৈ আকাঙ্খা ওপজাব লাগিব। দেশত আত্মবোধ উদগাব নোৱাৰিলে কেতিয়াও আমি উদ্দেশ্যত সফলকাম হ'ব নোৱাৰো।

তেজপুৰ অধিবেশনৰ পিছতো অমিয়ই ৰায়ৰ লগত যোগাযোগ ৰাখিছিল। দেশত যেতিয়া অসহযোগৰ বা, বলিল খাদীৰ প্ৰচাৰ চাৰিওফালে ব্যাপ্ত হ'ল তেতিয়া ৰায়ে বিদেশী ৰঙৰ সলনি গছ-পাতৰ সহায়ত স্বদেশী ৰং তৈয়াৰ কৰি খাদী কাপোৰত ব্যৱহাৰ কৰিছিল।

কলিকতাত শিক্ষালাভ কৰা কালচোৱাত অমিয়ৰ আমাৰ জাতীয় জীৱনৰ আগশাৰীত ঠাই পোৱা কেইবাজনো নেতাক দেখাৰ আৰু শুনাৰ সৌভাগ্য ঘটিছিল। সেইসকলৰ ভিতৰত তেওঁৰ 'বঙ্গদেশৰ মুকুটবিহীন সম্রাট' বাগ্মীবৰ সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ বক্তৃতা শুনাই প্ৰথম। বেনাৰ্জীয়ে সেইকালৰ অতি প্ৰলোভনীয় 'আই চি-এছ' পদ ত্যাগ কৰি ৰিপন কলেজত ইংৰাজীৰ অধ্যাপনা কৰিছিল। তেওঁ এজন নিৰ্ভিক সাংবাদিকো আছিল। ইংৰাজী দৈনিক কাগজ 'বেঙ্গলী'ৰ সম্পাদনা কৰিছিল। তেওঁ যুৱ সমাজৰ অবিসম্বাদী নেতা আছিল।

১৯১৫ চনৰ ৫ মাৰ্চত গান্ধীজী কলিকতালৈ আহে আৰু তেওঁ 'সাধাৰণ ব্ৰাহ্মসমাজে' আয়োজন কৰা এখন সভাত সমাজ-সেৱা কৰা সম্পৰ্কত দু-আষাৰমান কৈছিল। এই সভাৰ বাহিৰেও বৌ-বজাৰৰ 'ইণ্ডিয়ান এছোচিয়েচন হল'ত পতা এখন সভাত গান্ধীজীয়ে ডেকাসকলক হিংসা নীতি পৰিত্যাগ কৰিবলৈ অনুৰোধ কৰিছিল। গান্ধীজীয়ে কৈছিল—তোমালোকে হিংসা নীতিৰ বাহিৰে যি কোনো উপায় লোৱা মই তোমালোকক অনুসৰণ কৰিম। সেইদিনা গান্ধীজীক কোনেও প্ৰতিবাদ কৰা নাছিল। অথচ সেই সময়ত সমগ্ৰ বঙ্গদেশ সন্ত্ৰাসবাদী ৰাজনীতিৰ আৱহাৱাৰে আক্ৰান্ত হৈ পৰিছিল।

এই সুযোগত সভাতে অমিয় উপস্থিত আছিল। গান্ধীজীৰ কোমল আচৰণ অথচ দৃঢ় ব্যক্তিত্বই সকলোৰে মন চুই গৈছিল। তেওঁৰ কথাত প্ৰতিবাদ কৰিবলৈ কাৰো সাহস নাছিল। স্বাভাৱিকতে অমিয়ৰ মানুহজনৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱ উপজিছিল নিয়তিয়ে বোধকৰো অলক্ষিতে সেই দিনাই (প্ৰথম দিনৰ সভাত) তেওঁৰ 'জীৱনৰ জৰীডাল গান্ধীক গতাই দিলে।'

গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাৰ শ্বেতকায় চৰকাৰৰ বৰ্ণ বৈষম্যনীতিৰ বিৰুদ্ধে আন্দোলন কৰি ভাৰতলৈ উভটি অহা বেছিদিন হোৱা নাই। এই আন্দোলন প্ৰায় দুই দশক কালজুৰি চলিছিল। গান্ধীজীয়ে এই আন্দোলনৰ যোগেদি এক নতুন ৰাজনৈতিক অস্ত্ৰ আৱিষ্কাৰ কৰিলে —সি হ'ল সত্য আৰু অহিংসাৰ ভিত্তিত গঢ়া সত্যাগ্ৰহ। প্ৰকৃত সত্যাগ্ৰহী হ'ব লাগিব নিষ্ঠাবান, সত্যবাদী, শান্তি আৰু অহিংসা ভাবাপন্ন। অন্যায়ৰ লগত তেওঁ কোনো কথাতে আপোচ মীমাংসা নকৰে। অন্যায়ৰ বিৰুদ্ধে তেওঁ যি কোনো কষ্ট বৰণ কৰিবলৈ সাজু থাকিব লাগিব। অন্যায়ৰ বিৰোধিতা কৰিলেও অন্যায়কাৰীক ঘৃণা কৰা উচিত নহয়। প্ৰকৃত সত্যাগ্ৰহীয়ে কেতিয়াও কাকো ঘৃণা নকৰে। তেওঁ নিৰ্ভিকভাৱে অন্যায়ৰ বিৰুদ্ধে থিয় দিব। গান্ধীজীৰ মতে অহিংসা দুৰ্বলী আৰু কাপুৰুষৰ বাবে নহয়। অতি সাহিয়াল-জনেহে ইয়াক প্ৰয়োগ কৰিব পাৰে। কাপুৰুষালিৰ আশ্ৰয় লোৱাতকৈ হিংসাৰ আশ্ৰয় লোৱাই শ্ৰেয়ঃ।

গান্ধীজীৰ এই নতুন ৰাজনৈতিক দৰ্শনে অমিয়ক অভিভূত কৰিছিল।

১৯১৭ চনত কলিকতাত জাতীয় কংগ্ৰেছৰ অধিবেশন বহে। জাতীয় কংগ্ৰেছৰ কথা সকতে ককাদেউতাকৰপৰা শুনি অমিয় তাৰ প্ৰতি আগৰেপৰাই আকৃষ্ট হৈ আছিল। এইবেলি কলিকতাত অধিবেশন বহাৰ সিদ্ধান্ত হোৱাত তেওঁ তাত সক্ৰিয় অংশ ল'বলৈ ঠিক কৰে। সেই উদ্দেশ্যে তেওঁ কংগ্ৰেছ স্বেচ্ছাসেৱকৰ দলত যোগ দিয়ে। কংগ্ৰেছৰ এই অধিবেশনৰ "সভানেত্ৰীৰ বাবে নিৰ্বাচিত

হৈছিল 'হোমৰুল লীগ' আন্দোলনৰ নেত্ৰী এনী বেছান্ত। অমিয়হঁতক দায়িত্ব দিয়া হ'ল বে'লত অহা কংগ্ৰেছ প্ৰতিনিধিসকলক আগবঢ়াই অনাৰ। স্বেচ্ছাসেৱক দলৰ নেতা আছিল আইন কলেজৰ অধ্যাপক অজয় দত্ত (ৰমেশচন্দ্ৰ দত্তৰ পুতেক)। আগবঢ়াই আনোতে ভাৰতৰ বহুতো ৰাজনৈতিক নেতাৰ লগত অমিয়ৰ দেখা পোৱাৰ সৌভাগ্য হৈছিল। এনী বেছান্ত আৰু বাল গঙ্গাধৰ তিলক আহি পাওঁতে বৰ উথল-মাথল লাগিছিল। তদুপৰি তেওঁ মদন মোহন মালব্য আৰু গান্ধীজীক আদৰি অনাৰ সুযোগ পাইছিল। কংগ্ৰেছ মহাসভাৰ লগতে অখিল ভাৰত হিন্দু সম্মিলন, সমাজ সংস্কাৰ সম্মিলন আদিও হৈছিল। অমিয়ই এবাৰ সভাৰ মাজতে পট্টভী সীতাৰামায়াই লেখা এখন পুস্তিকা দৰ্শকৰ মাজত বিলাই দিছিল। তাত সীতাৰামায়াই ভাষাৰ ভিত্তিত সুকীয়াকৈ অন্ধ্ৰপ্ৰদেশ কংগ্ৰেছ কমিটি গঠনৰ বাবে দাবী জনাইছিল। তেতিয়া অন্ধ্ৰপ্ৰদেশ মাদ্ৰাজ কংগ্ৰেছৰ অন্তৰ্গত আছিল। সেইদৰে অসমো ১৯২১ চনলৈকে বঙ্গীয় প্ৰদেশ কংগ্ৰেছ কমিটিৰ অন্তৰ্ভুক্ত আছিল। অসমৰ প্ৰতিনিধি-সকল আসাম এছোচিয়েচনৰ প্ৰতিনিধি স্বৰূপে নিৰ্বাচিত হৈ বঙ্গীয় প্ৰদেশ কংগ্ৰেছৰ তলতীয়া হৈ কংগ্ৰেছ মহাসভাত যোগ দিছিল। ১৯২১ চনত কংগ্ৰেছৰ নতুন নিয়মাৱলী ঠিক হোৱাৰ পিছতহে ভাষাৰ ভিত্তিত অসমতো সুকীয়া প্ৰদেশ কংগ্ৰেছ কমিটি গঠন হয়।

অসমত কংগ্ৰেছ গঠন হোৱাৰ আগলৈকে আসাম এছোচিয়েচনেই একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল। মাণিকচন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাৰ উদ্যোগত ১৯০৩ চনত এই অনুষ্ঠানৰ জন্ম হয়। ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি আছিল গৌৰিপুৰৰ জমিদাৰ প্ৰভাতচন্দ্ৰ বৰুৱা। এছোচিয়েচনৰ প্ৰথম অধিবেশন বহে ডিব্ৰুগড়ত ১৯০৫ চনত। এই অনুষ্ঠানে চৰকাৰৰ ওচৰত আবেদন-নিবেদনৰ যোগে ৰাইজৰ অভাৱ অভিযোগৰ প্ৰতিকাৰ বিচাৰিছিল। ৰাজনৈতিক মতবাদৰ ক্ষেত্ৰত দলটোৰ দৃষ্টিভঙ্গী আছিল নৰম পন্থী। অসমৰ বহুতো অৰ্থনৈতিক ৰাজনৈতিক সমস্যাৰ ক্ষেত্ৰত আসাম এছোচিয়েচনে

মাত মাতিছিল। বিশেষকৈ কানি নিবাৰণৰ অৰ্থে আৰু 'গ্ৰেজিং টেক্স' উঠাই দিয়াৰ বাবে এছোচিয়েচনে চৰকাৰৰ ওচৰত দাবী জনাইছিল।

১৯১৭ চনৰ শেষৰ ফালে ভাৰতৰ শাসন-সংস্কাৰ বিষয় লৈ আলচ কৰিবলৈ ভাৰত সচিব মণ্টেগু এই দেশ পায়হি। তেওঁক লগ ধৰিবলৈ কলিকতালৈ আসাম এছোচিয়েচনৰপৰা সাত জন প্ৰতিনিধি গৈছিল। দলটোত আছিল ঘনশ্যাম বৰুৱা, গঙ্গাগোবিন্দ ফুকন, তৰুণৰাম ফুকন, পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰধৰ বৰুৱা, নবীনচন্দ্ৰ বৰদলৈ আৰু প্ৰসন্নকুমাৰ বৰুৱা। কলিকতাত অসমীয়া ছাত্ৰদলে দলটোক লগ ধৰি আগন্তুক শাসন সংস্কাৰৰ বিষয়ে কথা পাতিছিল। অসমক প্ৰতিনিধিত্ব-মূলক শাসন ব্যৱস্থাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব নেলাগে বুলি ইণ্ডিয়ান টী এছোচিয়েচনৰ সুৰমা ভেলী শাখা আৰু অন্যান্য ইউৰোপীয়ান চাহ-খেতিয়কসকলে দাবী জনাইছিল। বহুতো অনুষ্ঠানে শাসন কাৰ্যত সাম্প্ৰদায়িকতামূলক প্ৰতিনিধিত্বৰ দাবী জনাইছিল। এই-বিলাক কথাৰ প্ৰতিবাদ কৰিবলৈ আৰু অসমক ভৱিষ্যত শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত কৰাৰ দাবী লৈ আসাম এছোচিয়েচনৰ সহকাৰী সম্পাদক চন্দ্ৰনাথ শৰ্মাৰ যত্নত অসমৰ বিভিন্ন ঠাইত সভা-সমিতি হ'ল। অসমক ৰাজনৈতিক শাসন সংস্কাৰৰপৰা আঁতৰাই ৰখাৰ যে এটি ষড়যন্ত্ৰ চলিছে সেইকথা তেওঁ অসমীয়া ৰাইজক বুজাই দিলে।

গুৱাহাটীত বহা আসাম এছোচিয়েচনৰ কাৰ্যনিৰ্বাহক সভাই ইংলণ্ডৰ জইণ্ট পাৰ্লেমেণ্টৰী কমিটিৰ (সভাপতি লৰ্ড চেলবোৰ্ণ) আগত সাক্ষ্য দিবলৈ এছোচিয়েচনৰ সাধাৰণ সম্পাদক নবীনচন্দ্ৰ বৰদলৈ আৰু ডিব্ৰুগড়ৰ প্ৰসন্নকুমাৰ বৰুৱাক নিৰ্বাচিত কৰে। সেই সময়ত বিলাতলৈ যাবলৈ এজন ব্যক্তিক কমেও ছয় হেজাৰ টকা লাগে। এই টকা তুলিবলৈ চন্দ্ৰনাথ শৰ্মা ভিক্ষাৰ মোনা লৈ অসমৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰিলে। তেওঁৰ যত্নতে টকা সংগ্ৰহ হ'ল। বৰুৱাই নিজৰ খৰচতে যাবলৈ ওলাল, হাওৰা ষ্টেচনৰপৰা দলটো বোম্বাই অভিমুখে যাওঁতে কলিকতাত থকা অসমীয়া ছাত্ৰদল ষ্টেচনলৈ

আহি তেওঁলোকক ফুলৰ মালা পিন্ধাই শুভেচ্ছা জনাই বিদায় দিছিল।

অসমৰ প্ৰতিনিধিদ্বয়ে কমিটিৰ আগত অসমক শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত কৰা উচিত বুলি অতি দক্ষতাৰে যুক্তি সহকাৰে ক'লে। অসমৰ চীফ কমিচনাৰ নিক'লাচ বীটচন বেল আৰু চাহ খেতিয়ক-সকলৰ দাবী উফৰি গ'ল। চৰকাৰে অসমক শাসন-সংস্কাৰত অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰিলে।

আসাম এছোচিয়েচনৰ নৰম পন্থী ৰাজনীতিবিদসকলৰ মাতো ইতিমধ্যে ক্ষীণতৰ হৈ আহিছিল। ডেকা উকীল তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা, ৰোহিণীকুমাৰ চৌধুৰী, বিষ্ণুৰাম মেধি, কুলধৰ চলিহা আদিৰ দলত অনুপ্ৰৱেশ ঘটাত এছোচিয়েচনৰ কাৰ্যপন্থাৰ পৰিবৰ্তন ঘটিছিল। ভাৰতৰ অন্যান্য প্ৰদেশৰ লগতে অসমেও এক নতুন ৰাজনৈতিক আন্দোলনত জপিয়াই পৰিবলৈ লাহে লাহে সাজু হ'ল।

চতুৰ্থ অধ্যায়

দেশ-মাতৃকাৰ মুক্তিযজ্ঞত

কলিকতা !

১৯২০ চনৰ ৪ চেপ্তেম্বৰ ।

জাতীয় কংগ্ৰেছৰ বিশেষ অধিবেশন বহিছে। চফলডেকা অমিয় কংগ্ৰেছৰ ভলন্টিয়াৰ হ'ল। উদ্দেশ্য কংগ্ৰেছৰ অধিবেশনলৈ অহা কংগ্ৰেছৰ নেতৃবৃন্দৰ লগত চাক্ষুষ পৰিচয় লাভ কৰা। ভলন্টিয়াৰ দলৰ নেতা হ'ল অখিল চন্দ্ৰ দত্ত। অমিয়ৰ লগতে অসমৰ ভুবনেশ্বৰ বৰুৱা প্ৰমুখ্যে কেইবাজনো ডেকাই ভলন্টিয়াৰ দলত যোগ দিলে।

দেশজুৰি অসন্তোষৰ বা বলিছে। ৰাওলাট আইন, জালিয়ানৱালা বাগ আৰু খিলাফতে সমগ্ৰ ভাৰতবাসীক ইংৰাজৰ শাসন সম্পৰ্কে তিতা অভিজ্ঞতা দিলে। মানুহৰ মন ক্ষুব্ধ হ'ল, বিতুষ্ট হ'ল। সকলোকে প্ৰতিকাৰ লাগে—এই অন্যায় অবিচাৰৰ প্ৰতিকাৰ লাগে। গান্ধীজীয়ে পৰিস্থিতিৰ সুযোগ লৈ হিন্দু-মুছলমানৰ ঐক্য আৰু সংহতিৰ ভিত্তিত এটা ৰাজনৈতিক আন্দোলন গঢ়ি তোলাৰ প্ৰয়াস কৰিলে। জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগ এক হ'ল। গান্ধীজীৰ নেতৃত্বত খিলাফৎ কমিটি গঠিত হ'ল। কমিটিয়ে পোনপ্ৰথমেই চৰকাৰৰ লগত সকলো প্ৰকাৰৰ সম্পৰ্ক ছেদ কৰাৰ কথা ঘোষণা কৰিলে।

এক নতুন সংগ্ৰামৰ পটভূমি সৃষ্টি হ'ল। ৰাজনৈতিক আন্দোলনৰ ক্ষেত্ৰত এক নতুন প্ৰক্ৰিয়াৰ আৰম্ভনি হ'ল। সাম্ৰাজ্যবাদী ইংৰাজৰ বিৰুদ্ধে থিয় হ'ল ভাৰতীয় জনতা—নিৰন্ন-নিঃসহায়-সম্বলহীন এমুঠি মানুহ।

কংগ্ৰেছৰ বিশেষ অধিবেশনৰ সভাপতি হ'ল লালা লাজপৎ

ৰায়। সভাপতিয়ে নিষ্ক্ৰিয় প্ৰতিৰোধদ্বাৰা স্বাধীনতা লাভ অসম্ভৱ বুলি ভাবিছিল। আনহাতে গান্ধীজীয়ে কৈছিল, পঞ্জাৱৰ ঘটনাৱলীৰ সুবিচাৰ আৰু খিলাফতৰ এটা সুসমাধান নোহোৱালৈকে ভাৰতবাসীৰ অহিংস অসহযোগ কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাই। আন্দোলন পৰ্যায়ক্ৰমে হ'ব—চৰকাৰ প্ৰদত্ত উপাধি প্ৰত্যাখ্যান আৰু চৰকাৰী কমিটিসমূহৰপৰা পদত্যাগ, চৰকাৰী সভাসমিতি বৰ্জন, কাছাৰী-আদালত বৰ্জন, জাতীয় স্কুল স্থাপন, গ্ৰাম্য পঞ্চায়ত সংগঠন, কাউন্সিল-নিৰ্বাচন বৰ্জন ইত্যাদি। শেহত গান্ধীজীৰ প্ৰস্তাৱ ১৮৮৬-৮৪৪ টা ভোটত গৃহিত হয়। গান্ধীজীক বিৰোধিতা কৰা আন নেতাসকল আছিল—চিত্তৰঞ্জন দাস, এনী বেছান্ত, বিপিনচন্দ্ৰ পাল, পণ্ডিত মদনমোহন মালব্য, মহম্মদ আলি জিন্না, ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু সুৰেন্দ্ৰ নাথ বেনাৰ্জী আদি। বেনাৰ্জীয়ে আনকি অমিয়হঁতক তেওঁৰ ঘৰলৈ মাতি নি সত্যাগ্ৰহ অসহযোগত যোগ দিবলৈ বাধা দিছিল। বৰঞ্চ তেওঁ গঠন কৰা লিবাৰেল দলতহে যোগ দিবলৈ আহ্বান জনাইছিল।

গান্ধীজীক কলিকতা কংগ্ৰেছত যদিও বহুতো নেতাই বিৰোধিতা কৰিছিল, তাৰ কিছুদিনৰ পিছতে নাগপুৰ কংগ্ৰেছত (ডিচেম্বৰ, ১৯২০) প্ৰায় সকলোৱে গান্ধীজীৰ কথা মানি ল'লে। কংগ্ৰেছ মহাসভাৰ লগতে নাগপুৰত লালা লাজপৎ ৰায়ৰ সভাপতিত্বত নিখিল ভাৰত ছাত্ৰ সম্মিলন বহে। সভাই সকলো যুৱকক স্কুল-কলেজ বৰ্জন কৰি আন্দোলনত সক্ৰিয়ভাৱে যোগ দিবলৈ আহ্বান জনায়। জাতীয় ভলণ্টিয়াৰ দল গঠন কৰি ছাত্ৰক পিকেটিং কৰা আদি কামত লাগিবলৈ নিৰ্দেশ দিয়ে। কলিকতাৰ আইন কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ অমিয়ো আন্দোলনত জপিয়াই পৰিল। ছাত্ৰ জীৱনৰ ইতি পৰিল ইমানতে।

অমিয়ই সত্যাগ্ৰহৰ অন্তৰ্নিহিত শক্তিৰ বিষয়ে জানিবলৈ আগ্ৰহান্বিত হ'ল। সেয়ে তেওঁ সত্যাগ্ৰহ সম্পৰ্কে থুৰোৱে লেখা Passive Resistance আৰু Ethics of Satyagraha গ্ৰন্থ

তুখন অধ্যয়ন কৰে। সত্যাগ্ৰহ নো কি, আধ্যাত্মিক শক্তি কিমান আছে বুজি নেপালেও সত্যাগ্ৰহৰ প্ৰতিৰোধাত্মক ভাৱেই অমিয়ক বোধকৰো বেছিকৈ তালৈ আকৰ্ষণ কৰে।

গোটেই ভাৰত জুৰি হোৱা ৰাজনৈতিক ভূমিকম্পই অসমকো কঁপাই গ'লহি। অসহযোগৰ প্ৰস্তাৱ গ্ৰহণৰ যুক্তিযুক্ততা দৰ্শাই নবীনচন্দ্ৰ বৰদলৈ আৰু চন্দ্ৰনাথ শৰ্মাই অসমৰ বিভিন্ন ঠাইত থকা উকীলসকললৈ চিঠি দিলে। ১৯২০ চনৰ ডিচেম্বৰত (২৬-২৮ ডিঃ) তেজপুৰত আসাম এছোচিয়েচনৰ বাৰ্ষিক অধিবেশন বহে; সভাপতি—প্ৰসন্ন কুমাৰ বৰুৱা। অভ্যৰ্থনা সমিতিৰ সভাপতি—ডালিম বৰা। অমিয় আৰু আন ডেকাসকল উঠি পৰি লাগিল অধিবেশনত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিবই। জগৎ কছাৰী, প্ৰতাপ দত্ত, নিত্যানন্দ বৰদলৈ আদিৰ সহযোগত এখন চিত্ৰ-প্ৰদৰ্শনীৰ আয়োজন হ'ল। এই প্ৰদৰ্শনীৰ উদ্দেশ্য হ'ল চিত্ৰৰদ্বাৰা দেশৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ লগত ৰাইজক পৰিচয় কৰি দিয়াৰ। দেশীয় কুটীৰ শিল্পক ইংৰাজে কেনেকৈ ধ্বংস কৰিলে তাকো দেখুওৱা হৈছিল। তাৰ উপৰি কানি, মদ, ভাঙে অসমীয়াৰ জীৱনত কি ধুমুহাৰ সৃষ্টি কৰিছে তাকো চিত্ৰৰদ্বাৰা দেখুৱা হৈছিল।

সভাস্থলিত 'তিলক গেট', 'গান্ধী গেট', 'ছৌকট আলি গেট' আৰু 'স্বৰাজ গেট' নামৰ চাৰিখন তোৰণ সজা হৈছিল।

অমিয়হঁতে বিচৰাৰ দৰেই সভাই অসহযোগৰ প্ৰস্তাৱ মানি ল'লে।

আন্দোলন সমাগত: মনত উগুল-থুগুল ভাৱ। অমিয়ই ডায়েৰীত লেখিলে:

এদিন তেজপুৰৰ ঘৰত বহি থাকোঁতে জ্ঞানকালি পুৱাকেলো হেমচন্দ্ৰ বৰুৱা ওলালহি। দুয়ো ওলালো ফুৰিবলৈ—ফুৰি ফুৰি মাজেদি ব'দ ওলাইছে। এফালে তেজপুৰৰ প্ৰস্তাৱ আনফালে নাগপুৰৰ প্ৰস্তাৱ—অসহযোগ আন্দোলনৰ সমৰ্থন। সমুখত অনিশ্চয়তা—মনতো উগুল-থুগুল ভাৱ! স্কুল-কলেজ বৰ্জন কৰি

কি কৰা হ'ব? ...হেম বৰুৱাই মাত দিলে স্কুল-কলেজ এৰিব নেলাগে। চোৱা যাওক ক'ৰ পানী ক'লৈ যায়? আমাৰ মনলৈ আহিল কুঁৱলীৰ মাজেদি যিদৰে বেলি ওলাই পোহৰ দিছে—গান্ধীয়েও আমাক বাট দেখুৱাব।

অসমৰ ৰাইজে ইতিমধ্যে গান্ধীজীৰ নিৰ্দেশমতে কাউন্সিল বৰ্জনৰ সিদ্ধান্ত লৈছিল। কেইবাজনেও মনোনয়ন-পত্ৰ দাখিল কৰিও পিছত উঠাই লয়। ইতিমধ্যে জাতীয় কংগ্ৰেছৰ নিৰ্দেশ মতে গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠিত হয়। সভাপতি ৰূপে নিৰ্বাচিত হয় কুলধৰ চলিহা আৰু সাধাৰণ সম্পাদক হয় নবীনচন্দ্ৰ বৰদলৈ। তৰুণ ৰাম ফুকনে ওকালতী তেতিয়াও বৰ্জন নকৰা কাৰণে সভাপতি পদৰপৰা কিছুদিনলৈ তেওঁ বঞ্চিত হয়। পিছত অৱশ্যে ফুকনেই সভাপতি হয়।

ইতিমধ্যে কলিকতাত বহুতো ছাত্ৰই স্কুল-কলেজ বৰ্জন কৰি আন্দোলনত জপিয়াই পৰিছিল। কলিকতাত পঢ়া অসমীয়া ছাত্ৰ-সকলো আহি গুৱাহাটী পালেহি। ছাত্ৰসকল আছিল—লক্ষ্মীধৰ শৰ্মা, হেমচন্দ্ৰ হাজৰিকা, নবীনচন্দ্ৰ বৰুৱা, প্ৰফুল্লচন্দ্ৰ বৰুৱা, শিৱপ্ৰসাদ আগৰৱালা, উমেশচন্দ্ৰ বৰদলৈ আদি। চন্দ্ৰনাথ শৰ্মাই ওকালতি সাময়িকভাৱে স্থগিত ৰাখি গুৱাহাটীত কেম্প পাতিলে। অমিয় আৰু হেমচন্দ্ৰ বৰুৱা তেজপুৰৰপৰা আহি তেওঁৰ লগ লাগিল। চন্দ্ৰনাথে গুৱাহাটীৰ বাহিৰেও গোৱালপাৰা, ধুবুৰি, বৰপেটা আদি ঠাইলৈ গৈ ছাত্ৰ আৰু উকীলসকলক লগ ধৰি আন্দোলনত নামিবলৈ কয়। সেই সময়ত চন্দ্ৰনাথে প্ৰায়ে কয়—নাই, অসমে ভাৰতৰপৰা আঁতৰি থাকিব নোৱাৰে। এই স্বাধীনতা আন্দোলনত অসমে ভাগ ল'বই লাগিব। আৰু কৈছিল: হে'বা, লুইত এৰি দিখৌ, দিছাং, ধনশিৰী, ভ'ৰলী ক'লৈ যাব? ভাৰতৰ জাতীয় আন্দোলন এৰি আমি অকলে ক'লৈ যাম?

চন্দ্ৰনাথ, অমিয় আৰু হেম বৰুৱাই কটন কলেজৰ ছাত্ৰাবাসলৈ গৈ ছাত্ৰসকলক ততালিকে আন্দোলনত যোগ দিবলৈ অনুৰোধ কৰে।

ছাত্ৰৰ মাজত গুণাগ'থা চলে। সেইসময়ত তৰুণৰাম ফুকনো ছাত্ৰৰ স্কুল-কলেজ বৰ্জনৰ সপক্ষে নাছিল। কিন্তু চন্দ্ৰনাথ আকোঁৰগোঁজ। কিছুমান ছাত্ৰই জাতীয় কলেজ এটা হ'লেহে কলেজ বৰ্জন কৰিব বুলি জনালে। এনে এটা পৰিস্থিতিত তেজপুৰীয়া ছাত্ৰদল এটাই (কুমুদচন্দ্ৰ শৰ্মা, তিলকচন্দ্ৰ শৰ্মা, দক্ষৰাম বৰুৱা, বগীৰাম শইকীয়া, জয়ৰাম শইকীয়া, কাশীৰাম হাজৰিকা, ৰমাকান্ত শৰ্মা আৰু ফঠিকচন্দ্ৰ শৰ্মা) অধ্যক্ষক চিঠিৰে জনাই কলেজ এৰি গুচি আহিল। ছাত্ৰ-দলটো আহি তেজপুৰ পালেহি। তেজপুৰত ছাত্ৰদলক কোৱা হ'ল আসাম এছোচিয়েচনৰ সভাত প্ৰদৰ্শিত চিত্ৰসমূহ ন-দুৱাৰ আৰু ছয়-দুৱাৰ অঞ্চলৰ ৰাইজক দেখুৱাই ইংৰাজ শাসনৰ প্ৰকৃত অৱস্থাটো উদঙাই দিয়া।

আন্দোলনত ভৰি দিওঁতেই অমিয়ই এটা মৰ্মান্তিক আঘাত পাব লগা হ'ল। তেওঁৰ ককায়েক ডাক্তৰ বিনয়কুমাৰ দাস গুৱালকুছীত ক'লাজ্বৰত আক্ৰান্ত হোৱা মানুহক চিকিৎসা কৰি থাকোতে নিজেও সেইৰোগত আক্ৰান্ত হয়। অমিয়ই বগীৰাম শইকীয়াৰ সহায়ত প্ৰথমতে ৰুগ্ন ককায়েকক গুৱাহাটীলৈ আনে পাছত জাহাজেৰে তেজপুৰলৈ আনে। তেজপুৰত মোমায়েকৰ ঘৰতে ১৯২১ চনৰ ২৮ জানুৱাৰীত তেওঁ শেষ নিশ্বাস পেলায়। সদ্য বিৱাহিত অৰ্থোপাৰ্জন সক্ষম জ্যেষ্ঠজনৰ মৃত্যুত অমিয়ৰ মন বিষাদৰে ভাৰাক্ৰান্ত হয়। কোনো ৰাজহুৱা কামতে যোগ দিয়াৰ তেওঁৰ মানসিক অৱস্থা নাই। তথাপি সেইদিনাই স্থানীয় ছাত্ৰদলে অমিয়ক জোৰকৈ সভা এখনলৈ লৈ গ'ল। ককায়েকৰ বিয়োগত অন্তৰত যি আঘাত পাইছিল—তাক অনুভৱ কৰিবলৈ আৰু সময় নহ'ল। সদ্য বিধৱা হোৱা বৌৱেকক সান্ত্বনা দিবলৈও সময় নহ'ল। অমিয়ৰ এই বৌৱেক গৰাকীয়ে প্ৰায় পাচ বছৰ কালৰ অন্তত গুৱাহাটীৰ গুৰুপ্ৰসাদ বৰুৱাৰ লগত ব্ৰাহ্মধৰ্মৰ প্ৰথা মতে পুনঃ বিৱাহ পাশত আৱদ্ধ হয়। এই বিৱাহত অমিয়ই ঘৰৰ কালৰ পৰা যোগদান কৰিছিল: অমিয়ৰ মাতৃয়েও বোৱাৰীয়েকক আন্তৰিক শুভাশীষ জনাইছিল। ইতিমধ্যে তেজপুৰৰ স্কুলীয়া ছাত্ৰ

জ্যোতিপ্ৰসাদ আগৰৱালা, গুণাভি শৰ্মা, লক্ষ্মীপ্ৰসাদ, নিত্যানন্দ বৰদলৈ আদি প্ৰায় ৪০ জন ছাত্ৰই স্কুল এৰি আন্দোলনত যোগ দিয়ে। লক্ষ্মীধৰ শৰ্মাই ছাত্ৰ-সভা এখনত ক'লে :

> ছাত্ৰবন্ধুসকল! আপোনালোকে চিৰদিনৰ কাৰণে স্কুল এৰিব নেলাগে। মাত্ৰ এবছৰৰ কাৰণে আপোনালোকে স্কুল এৰি আহক। ধৰি লওক, এবছৰ যেনিবা প্ৰমোচন নেপালে। এবছৰ দেশৰ কাম কৰি ভাৰত-মাতৃক তথা অসম-মাতৃক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত-কৰক।

লগে লগে বহুতো ছাত্ৰই স্কুল-বৰ্জন কৰা প্ৰতিজ্ঞা পত্ৰত চহি কৰিলে। অমিয়ই সভাপতিৰ আসনৰ পৰা কয় :

> অসহযোগৰ পথ পদুম পাতেৰে আবৃত নহয়—কাইটীয়া বাটেদি খোজ দিব লাগিব অনিশ্চিত ভৱিষ্যতক সম্মুখত লৈ।...কিন্তু মানুহৰ অন্তৰত একো একোটা ভাৱ জাগি উঠি বাধা বিঘিনিৰ মাজেদিয়েও একোটা বিপ্লৱৰ সৃষ্টি কৰিছে। বিপ্লৱ যিবিলাকে সৃষ্টি কৰে তেওঁলোকে বিপ্লৱতেই জাহ যায়। ভৱিষ্যতৰ সপোন দিঠকত পৰিণত হ'লেও বিপ্লৱী বিপ্লৱতেই জাহ যায়।

ৰ'বৰ সময় নাই। এখন গাঁৱৰ পিছত আন এখন গাঁও। এখন সভাৰ পিছত আন এখন। গোটেই দৰং জিলা অমিয়ৰ দলে ভ্ৰমি তহিলং কৰিলে। সভাবিলাকত গাঁৱলীয়া ৰাইজক অহিংস আন্দোলনৰ তাৎপৰ্য্য, স্কুল বৰ্জনৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে বুজাই কয়।

অসমতো লাহে লাহে স্কুল-কলেজ বৰ্জন কৰা ছাত্ৰৰ সংখ্যা বৃদ্ধি পালে। তেজপুৰীয়া ছাত্ৰদলৰদ্বাৰা অনুপ্ৰাণিত হৈ কটন কলেজৰ পৰা আৰু বহুতো ছাত্ৰ ওলাই আহিল। কলেজৰ ছাত্ৰাবাস এৰি ছাত্ৰদল উজান বজাৰৰ ভাস্কৰ নাট্যমন্দিৰত থাকিবলৈ ল'লে। কটন কলেজ সাময়িকভাৱে বন্ধ হৈ গ'ল। তেজপুৰত ছাত্ৰসকলে অভিভাৱকৰ তিৰস্কাৰ-গঞ্জনা খাই ঘৰতঁআৰু থাকিব নোৱাৰা হ'ল। চন্দ্ৰনাথ শৰ্মাই তেওঁলোকৰ বাবে ভাড়াঘৰ এটি ঠিক কৰি দিলে।

চহৰৰ হাজাৰা পুখুৰীৰ ওচৰত চন্দ্ৰকুমাৰ নাথৰ দোকান ঘৰত পাচ ফেব্ৰুৱাৰীৰ পৰা জাতীয় স্কুল আৰম্ভ হ'ল। ছাত্ৰৰ সংখ্যা হ'ল ৪০ জন। লক্ষ্মীধৰ শৰ্মাই ছাত্ৰৰ বাবে পাঠ্যক্ৰম যুগুত কৰিলে। ভাৰত বুৰঞ্জী, কংগ্ৰেছৰ বুৰঞ্জী, ভাৰতৰ অৰ্থনীতি, বৃটিছৰ সাম্ৰাজ্যবিস্তাৰ, বাণিজ্যিক ভূগোল, ইত্যাদি। শিক্ষকসকল হ'ল অমিয়কুমাৰ দাস, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীধৰ শৰ্মা, হেম হাজৰিকা, তিলক শৰ্মা, নবীন ভট্টাচাৰ্য্য, কুমুদ শৰ্মা আৰু সোণাৰাম পটঙ্গীয়া। অফিচ চলোৱাৰ দায়িত্ব ল'লে—দক্ষৰাম বৰুৱাই। ঘাই গুৰি ধৰিলে চন্দ্ৰনাথ শৰ্মাই। ছাত্ৰ আৰু শিক্ষকদলে ভাগ ভাগ হৈ গাঁওবিলাকলৈ যায়। ছাত্ৰ আৰু শিক্ষকদলে অকল অসহযোগৰ বাণীকে প্ৰচাৰ নকৰিলে লগতে গাঁওবিলাকত কানি-নিবাৰণী অভিযানো চলালে। কানি-মদ-ভাং খোৱা লোকৰ পৰিসংখ্যান মূলক সমীক্ষা চলিল। মেজিক লেণ্টাৰ্ণ আৰু ছবিৰ সহায়েৰে নিৰক্ষৰ গাঁওবাসীক মানুহৰ স্বাস্থ্যৰ ওপৰত কানি ৰবিহে কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে—তাক বুজাই দিলে। কানীয়াক কেনেকৈ লাহে লাহে এই অভ্যাস একৰাব পাৰি—তাৰ দিহাও দিলে: এটি বটলত এমাহৰ বাবে পানীসহ কানি লৈ ৩০টি দাগ কাটি খালে এই অভ্যাস লাহে লাহে নাইকিয়া হ'বগে। তাৰ উপৰি কানি-মদ-ভাং বিক্ৰী কৰা দোকানৰ সন্মুখত ছাত্ৰদলে পিকেটিং আৰম্ভ কৰিলে। এনে কৰাৰ ফলত গান্ধীজীৰ অহিংস পূজাৰীসকল কানীয়া, মদপী, ভঙুৱা, পুলিচ আৰু মহলদাৰৰ ক্ৰোধৰ সন্মুখীন হ'ব লগা হ'ল। কেতিয়াবা কেতিয়াবা মহলদাৰে-দোকানীয়ে পিকেটাৰৰ দলক টকা-শিকা ঘোচ দি পিকেটিং উঠাব খোজে—কিন্তু বিশেষ কামত নাহে। ছাত্ৰদলৰ আকোঁৰ-গোজ মনোভাৱ। এদিনৰ কথা বৰ্ণাই অমিয়ই ডায়েৰীত লেখিছে:

> চাৰি দুৱাৰ অঞ্চলৰ মদৰ দোকানত পিকেটিং চলিছে। মহলদাৰে এহেজাৰ টকা দি পিকেটিং বন্ধ কৰাৰ প্ৰস্তাৱ দিছিল। এগৰাকী মাইকী মানুহে হাতত বটল লৈ অহাত এজন ভলন্টিয়াৰে আগভেটি ক'লে—আই, সিপিনে মদ কিনিবলৈ নাযাব। গিৰ্জনী

হাঁহি মাৰি তিৰোতা গৰাকীয়ে ক'লে—হেৰৌ তই কোন? তিনিটা চাহাবৰ মুৰ খালো। মোক তই মদ শুচাবলৈ আহিছ!

—আপুনি কোন? লক্ষ্মীধৰে সুধিলে।

—মই কোন? মই কোন? আহিবা মোৰ ওচৰলৈ? মোক নেজানা? মোৰ নাম এম-এ-এন্-জি-আৰ-আই। চাওঁ বাট এৰ!

—মা বুলিছো আপোনাক যাবলৈ নিদিওঁ।

—মা! মা! বুলিছে কোনে? —হঠাতে মানুহজনীৰ পৰিবৰ্তন দেখা গ'ল।

—আপুনিতো আমাৰ মা! মদ এৰক! —লক্ষ্মীধৰে ক'লে।

মানুহজনী এইবাৰ সন্মত হ'ল।

—মই মদ এৰিম! মোক সকলোৱে মাংৰী বুলি মাতে। মোৰ ঘৰলৈ যাবা নে?

এইদৰেই দলটোৰ লগত লালমাটিৰ মাংৰী মেমৰ লগত চিনাকি হৈছিল।

ইটাখুলীত কানিৰ দোকানত পিকেটিং চলিছে। ওচৰৰ ডফলাগাঁৱৰ ডফলাই কংগ্ৰেছ ভলন্টিয়াৰ পালে মাৰি পেলাব বুলি জনৰৱ উঠিছে এইবোৰ শুনি অমিয় আৰু কেইজনমান নিজে গ'ল পৰিস্থিতি অধ্যয়ন কৰিবলৈ। তেওঁলোকে গৈ গম পালে প্ৰায় সাতদিনমান ডফলাই কানি আনিবলৈ অহা নাই। হঠাতে এজন ডফলাই কাটিম! কাটিম! বুলি দা জোকৰি তেওঁলোকৰ ফালে আগবাঢ়ি আহিল।

—কাটিবৰ আগতে ৰজায়ো মাত এষাৰ শুনে, শুনাচান মোৰ কথা। —লক্ষ্মীধৰে মাত লগালে।

—ক! মই হ'লে আৰু নোৱাৰো, কানি খামেই খাম।

—বেচ, চা চোন এইডাল কি!

—এইডাল আৰু কি? কানিপাণৰ নলীচা। আমিছ' চাগৈ কাৰোবাৰ পৰা কাঢ়ি।

—দাৰে কাণি চা চোন কি আছে? —সি দাৰে কাণি চালে।

—কি দেখিছ ?

—ক'লা দাগ, কানিৰ মলি।

—চাচোন বাহঁৰ নলীচাডালতেই কিমান মলি গোট খাই আছে, আৰু তোৰ পেটৰ নাড়ী ডালত চাগে কিমান মলি গোট খাই আছে। এই মলি গোট খাই পেটৰ নাড়ী পচি গৈছে চাগে। কিয় কানি খাই দেহাটো এইদৰে গেলাইচ, ঐ গাম ? —ডকলা গামে দা-খন খাপত সুমালে।

—এৰা বেচ কথা কৈছ ! উঃ কানি কি মহাবিহ। দে, আজিৰ পৰা আৰু কানি নেখাওঁ। তহঁতৰ গান্ধীক ক'বি আমাক যেন আশীৰ্বাদ দিয়ে।

মাইলৰ পিছত মাইল খোজকাঢ়ি থাকোঁতে ল'ৰাহঁত ভাগৰত লালকাল হয়। তেওঁলোকৰ দুখকষ্টৰ লাঘৱ কৰিবলৈ লক্ষ্মীধৰ আৰু অমিয়ই সাধু কয়; গন্তব্যস্থান পায়ো অমিয়ই নিজে ভাত ৰান্ধি ল'ৰাহঁতক খুৱায়। সাপ্তাহিক হাট-বজাৰত তেওঁলোকে পিকেটিং কৰে—মাদকদ্ৰব্যৰ বিৰুদ্ধে; সভাবোৰত বক্তৃতা দিয়ে। এনেকৈ ঘূৰি ফুৰোতে অমিয়ই এদিন ভৰিত মোচোকা খায়। লেঙেৰাই লেঙেৰাই ছাত্ৰদলৰ লগত ঘূৰি তেজপুৰ পায়হি।

তেজপুৰত জিলা কংগ্ৰেছ কমিটি গঠন হ'ল। চন্দ্ৰনাথ—সভাপতি, অমিয়—সম্পাদক, লক্ষ্মীধৰ-সহকাৰী সম্পাদক নিৰ্বাচিত হ'ল। সভ্য ভৰ্তিৰ কাম আৰম্ভ হ'ল। চন্দ্ৰনাথে সভাত ক'লে :

আমাৰ ডাঙৰ কাম হৈছে দেশৰ জনতাৰ মাজত বৃটিছ গভৰ্ণমেণ্টৰ বিপক্ষে থিয় দিয়াৰ মনোভাব সৃষ্টি কৰা। খাজনা বঢ়োৱালৈ তাহানি যি অসন্তোষ হৈছিল আৰু যি অসন্তোষে এটি Militant Spirit আনিছিল—তেনেবিধৰ Militant Spirit সৃষ্টি কৰা টোৱেই আমাৰ কাম। কেৱল শাসক শক্তিৰ বিৰুদ্ধেই নহয়—আমাৰ মাজত যিটো প্ৰতিক্ৰিয়াশীল শক্তি আছে—সামাজিক আৰু অৰ্থ নৈতিক শক্তিবিলাকৰ বিপক্ষেও এনে বিধৰ Militant Spirit সংগঠিত কৰিব লাগিব।

মৌজাই মৌজাই কংগ্ৰেছ কৰ্মী ৰখাৰ ঠিক হ'ল   তিলক শৰ্মাক চতিয়াত, বগীৰাম শইকীয়াক জামুগুৰিত, নবীন ভট্টাচাৰ্য্যক বিহগুৰিত ইত্যাদি। অমিয়ৰ দল আকৌ ওলাল। গাংমৌঠান, বিশ্বনাথ চাৰিআলি, গমিৰি, গহপুৰ, কাউৰি পথাৰ, মিছামাৰী আদি বিভিন্ন ভিতৰুৱা অঞ্চলত ঘূৰিল। স্বৰাজ আন্দোলনৰ নামত সমাজত বাচ-বিচাৰ, নীতি-নিয়ম নাইকিয়া হ'ল বুলি কিছুমান মানুহৰ মাজত আশংকাই দেখা দিছিল। সেইবিলাক কৰ্কথনা অমিয়হঁতে শুনিব লগা হৈছিল। এদিন অমিয়ই ভৰ বাৰিষাৰ গাভৰু নৈ সাতুৰি পাৰ হৈ মিছামাৰীত সভা পাতি ঘূৰি আহিছিল। তাকে দেখি তাৰ স্থানীয় লোকে কৈছিল—উস্ তই বৰ বেয়া কাম কৰিহঁ। বনৰীয়া গাভৰু পাৰ হৈ আহিছ। আগলৈ কেতিয়াও এনে কাম নকৰিবি।

সেই সময়ত চৰকাৰী চাকৰিয়ালে যিমানেই ওচৰ সম্বন্ধীয় হওক অসহযোগীক ঘৰত আশ্ৰয় দিয়াতো চৰকাৰৰ ওচৰত অপৰাধৰ কথা আছিল। অসহযোগীক ঘৰত ৰাখিলে গৃহস্থ চাকৰিয়ালৰ চাকৰি যোৱাৰ ভয়। সেই সময়ত অমিয়ৰ মোমায়েক ব্ৰহ্মানন্দ বৰকাকতী ডি, চি, অফিচৰ হেড ক্লাক হৈ থকা হেতু অমিয়ই তেওঁক অসুবিধাত নেপেলাবলৈ প্ৰায়ে তাত নেথাকি কংগ্ৰেছ অফিচতে থাকিবলৈ লৈছিল। মাত্ৰ দুখন কম্বলৰে মাটিতে শুইছিল।

এবাৰ অমিয়, বগীৰাম শইকীয়া আৰু নবীন চন্দ্ৰ বৰুৱাই কান্ধত মেজিক লেণ্টাৰ্ণৰ সঁজুলি লৈ বিহালিৰ পৰা কলাবাৰীলৈ যাত্ৰা কৰিছিল। ৰাস্তাৰ দুয়োপাৰে ভীষণ জঙ্গল। দিনতে বাঘ-ভালুকৰ ভয়। দলটোৱে বুৰৈ নদীৰ ওচৰত ভালুক এটিও পাইছিল। আন্ধাৰ ৰাতি। দলটো গৈ সন্ধ্যাৰ পাছত হেলেম মৌজাৰ ৰৰঙাবাৰী পালেগৈ। অমিয়ই সেই ঠাইতে পুলিচ চুপাৰিণটেনডেণ্টৰ ভায়েকৰ ঘৰ পাই তাতে থকাৰ মনস্থ কৰিলে গৃহস্থই কিন্তু অসহযোগীক ঠাই দিব নোৱাৰো বুলি খেদি দিলে   ইতিমধ্যে বৰষুণ পৰিছিল। বাহঁগছৰ তলে তলে তিনিও গৈ থাকিল। এইবাৰ নবীন বৰুৱাই

তেওঁৰ সম্বন্ধীয় মানুহ এঘৰত উঠাৰ চেষ্টা কৰিলে। তাতো তিৰোতা এগৰাকীয়ে ঘৰত মতা মানুহ নথকাৰ বাবে আলহি ৰাখিব নোৱাৰো বুলি ক'লে। উপায়ন্তৰ হৈ দলটো কলাবাৰীলৈকে খোজ ল'লে। গহপুৰ পাওঁতেই ৰাতি এঘাৰ বাজিল, কলাবাৰী পাবলৈ তিনি মাইলমান থাকোঁতে ভুবিয়া দলওত হনুৰাম গগৈ নামৰ কংগ্ৰেছ সেৱক এজন বহি থকা পালে। তেওঁ তিনিওকে তেওঁৰ ঘৰত থাকিবলৈ নিমন্ত্ৰণ জনালে। 'কিমান দূৰ' সোধাত 'ওচৰতে', 'সোঁৱা' বুলি ক'লে। বেঁকাবেকি বাটেৰে পানী ভাঙি ভাঙি তেওঁৰ ঘৰ পাওঁতে বহুত নিশা হৈছিল। গগৈৰ মাত্ৰ সৰু ঘৰ এটি আছিল—তাৰ মূৰতে চাল এখন দি ভাত ৰান্ধে আৰু ইটো কোঠালীত শোৱে। দলটোক বেৰ নহোৱা গোহালি ঘৰ এটিত শুবলৈ বুলি নগাঢাৰি এখন উলিয়াই দিলে। কাষতে এটি গোবৰৰ দ'মো আছিল। সেই ঠাইতে তিনিও আঠুৱা তৰি বিচনা পাতিলে। লগত নিয়া ম'হ মৰা তেল চাৰিওফালে ঢালি দিলে। ঠাইখনত ভীষণ ম'হ। ৫ ফুট মান আঁতৰত বেমাৰি ম'হ এটা বন্ধা আছিল। সি হাগি থকাত ঠাইখন দুৰ্গন্ধময় হৈছিল। ৰাতি দুই বজাত গৃহস্থই ভাত খাবলৈ মাতিলে—ভাত আৰু দাইল নিসিজিলেই। ভোকত সেই ভাতকে তিনিও খালে। সেইদৰেই ৰাতিটো পাৰ হ'ল।....ঘূৰি আহোঁতে গহপুৰৰ নদীত গা-ধোৱঁতে অমিয়ক ডেৰ আঙুলমান বহল এটা প্ৰকাণ্ড ম'হ জোকে ভৰিৰ কৰঙনত কামুৰি ধৰিছিল। বহুত কষ্টৰ মূৰতহে তাক এৰুৱাব পৰা হৈছিল

কংগ্ৰেছ সেৱকসকলৰ যত্নত ৰাইজৰ সহযোগত প্ৰায়বোৰ অঞ্চলতে কংগ্ৰেছ অফিচ স্থাপন হ'ল। ঠায়ে ঠায়ে মুষ্টি ভিক্ষাৰ যোগে ধন-সংগ্ৰহ কৰি নৈশ স্কুল স্থাপন কৰা হ'ল। তাৰ উপৰি স্থানীয় ডেকা দলক স্বেচ্ছাসেৱক দলত ভুক্ত কৰি কংগ্ৰেছ অফিচ পতা, পিকেটিং কৰা, বিদেশী বস্ত্ৰ বৰ্জন, চৰকাৰী হাট-বজাৰ বৰ্জন, ঘৰে ঘৰে সূতা-কটাৰ প্ৰচলন, মদ ভাং কানি চিগাৰেট বৰ্জন আৰু গান্ধীজীৰ বাণী প্ৰচাৰেই মুখ্য কাম আছিল। সেই সময়ত মানুহৰ

ঘৰত অসুখ-বিসুখ হ'লে মহাত্মাৰ নামত নৈবদ্য আগবঢ়াইছিল— গৃহস্থই সেই নৈবদ্য কংগ্ৰেছ ভলন্টিয়াৰক দান কৰিছিল। এই দান গ্ৰহণ কৰি ভলন্টিয়াৰহঁত বৰ্তিছিল। ঢেকিয়াজুলীৰ বাহিৰেও বৰছলা, ডুমডুমা, বৰগাওঁ আদি ঠাইত বেদলেম্প চিগাৰেট, মদ-ভাং-কানিৰ প্ৰচলন বহু কমি গৈছিল! কোনো অঞ্চলত মানুহে আনকি চাহ চেনি খাবলৈও এৰিছিল।

৩০ জুনৰ ভিতৰত দৰং জিলাত দহ হেজাৰ লোকে কংগ্ৰেছ দলত অন্তৰ্ভুক্ত হয়। গোটেই অসমত সেই সময়ত একলাখ সভ্য কংগ্ৰেছত ভৰ্তি হয়

গান্ধীজীয়ে যঁতৰত সূতা কটাত অধিক গুৰুত্ব দিছিল। ৩০ চেপ্তেম্বৰৰ ভিতৰত অসমত একলাখ যঁতৰ চলোৱাৰ প্ৰস্তাৱ আছিল। অমিয়ই নিজে সূতা কাটিবলৈ ল'লে। ঘৰুৱা যঁতৰৰ শলা-কাঠিলৈ সমস্যা হ'ল। প্ৰথমতে ছাতিৰ শলাৰে কাম চলাবলৈ ঠিক কৰা হ'ল। এই শলাডালে কাম ভাল নকৰাত কমাৰৰ হতুৱাই লোৰ শলা-কাঠি কৰা হ'ল। ধনশিৰীমুখ আৰু কুঠৰিৰ পৰা কপাহ আহে। লক্ষ্মীধৰ শৰ্মাৰ ককায়েক গিৰীশ শৰ্মাক এটা নতুন যঁতৰ উদ্ভাৱন কৰাৰ দায়িত্ব দিয়া হয়। কংগ্ৰেছৰ ফালৰপৰা তেওঁক কলিকতাৰ বেৰী কোম্পানীত ওলোৱা নতুন তাঁতশালত প্ৰশিক্ষণ ল'বলৈও পঠোৱা হয়

অসমত আন্দোলনৰ প্ৰকোপ বঢ়াই তুলিবলৈ অসম কংগ্ৰেছৰ নিমন্ত্ৰণত সদল-বলে গান্ধীজী ১৮ আগষ্টত আহি গুৱাহাটী পায়হি। প্ৰথমতে গান্ধীজী গুৱাহাটীত মাত্ৰ এটা দিন কটাই ঘূৰি যোৱাৰ কথা আছিল। পিছত এই কাৰ্য্যসূচীৰ পৰিবৰ্তন কৰি অসমত সাতদিন থকাৰ ঠিক হয় আৰু লগতে অসমৰ অন্যান্য চহৰলৈ যাবলৈও সিদ্ধান্ত লয়। গান্ধীজীক লগ পাবলৈ, দৰ্শন লভিবলৈ তেজপুৰৰ প্ৰায় সকলো কৰ্মীয়েই গুৱাহাটীলৈ গুচি গৈছিল। অমিয়হে অকলে তেজপুৰত আছিল। এনেতে ১৯ আগষ্টত তাঁৰ যোগে খবৰ আহিল ২১ তাৰিখে গান্ধীজীৰ দল তেজপুৰলৈ আহিব।

জিলা কৰ্তৃপক্ষ আৰু পুলিচৰ সহযোগত ৰাজহুৱা সভা প'লোফিল্ডত পতাৰ ব্যৱস্থা হয়। গান্ধীজী আৰু তেওঁৰ সঙ্গীবৃন্দক পৰমানন্দ আগৰৱালা, মাই সিং মেঘৰাজ আৰু মহেন্দ্ৰনাথ দাঁৰ ঘৰত ৰখাৰ ব্যৱস্থা হয়।

২১ তাৰিখে পুৱাৰে পৰা বৰষুণ। জাহাজৰে গান্ধীজী আহি জাহাজঘাটত নামিলহি। অমিয়ৰ নিৰ্দেশত সকলো কাম সুকলমে পাৰ হ'ল। জাহাজলৈ অমিয় আৰু কেইজনমান বিশেষ ব্যক্তি গৈ মহাত্মাক আদৰণি জনালে। কিন্তু জাহাজৰ পৰা মহাত্মা নমাৰ লগে লগে জনতা নিয়ন্ত্ৰণৰ বাহিৰ হৈ গ'ল। "মহাত্মা গান্ধী কী জয়" ধ্বনিৰে আকাশ মুখৰিত হ'ল। গান্ধীজীৰ ইচ্ছানুসৰি তেজপুৰৰ কাৰ্য্যসূচী ঠিক কৰা হ'ল। গান্ধীজীয়ে চাহবাগিচা চাবলৈ ইচ্ছা কৰাত ওচৰৰ পৰোৱা বাগানলৈ লৈ যোৱা হ'ল। প'লোফিল্ডত হোৱা বিৰাট ৰাজহুৱা সভাত গান্ধীজীয়ে অসমীয়া তাঁত-শিল্পীৰ দক্ষতাৰ শলাগ ল'লে। সভাৰ শেষত বিলাতি কাপোৰৰে বস্ত্ৰযজ্ঞ সমাপণ কৰা হ'ল। ২২ তাৰিখেও আবেলি সভা বহিছিল। তাত মহম্মদ আলি আৰু আজাদ চোভানীয়ে বক্তৃতা দিছিল। তৰুণৰাম ফুকনে তেওঁলোকৰ বক্তব্যক অসমীয়ালৈ ৰূপান্তৰিত কৰিছিল। মহাত্মাই কংগ্ৰেছ সেৱক সকলকো লগ ধৰি দু-আষাৰ কৈছিল। সেইদিনাই নিশা দহবজাত মহাত্মা সদলবলে স্পেচিয়েল জাহাজৰে নগাঁওলৈ যাত্ৰা কৰে। অমিয় আৰু কংগ্ৰেছ কৰ্মীসকলে জাহাজ-ঘাটলৈ গৈ মহাত্মাক বিদায় দিছিল।

কিছু দিনৰ পিছতে মহাত্মা গান্ধীৰ ত্ৰিচিন্নপল্লীৰ ভাষণ পঢ়ি অমিয় আৰু লক্ষ্মীধৰে আঠুমূৰীয়া চুৰিয়া পিন্ধিবলৈ লৈছিল। এবাৰ গৰেহাগী গাঁৱত সভাপতি থাকোঁতে তাত উপস্থিত থকা মহিলাৰ দলে অমিয়হঁতৰ আঠুমূৰীয়া চুৰিয়া দেখি কৈছিল: স্বৰাজৰ বাবে ইমান কষ্ট কৰিব লগীয়া হৈছে। আমি সূতা কাটিম। মহাত্মাক কৌপীন এৰিবলৈ কওক।

বৰগাঁও অঞ্চলত ডেকা কংগ্ৰেছ কৰ্মীসকলে কছাৰী ভাইসকলৰ

গাঞ্জাৰি, মদ, কুকুৰা খোৱা অভ্যাস এফলীয়াকৈ বন্ধ কৰাত বুঢ়া তৰপীয়া মানুহৰ লগত সংঘৰ্ষ হয়। এই কথাত দুই একে কংগ্ৰেছ ভলন্টিয়াৰৰ বিৰুদ্ধে কাছাৰীত গোচৰো তৰিছিল। অমিয়ই সেই ঠাইলৈ গৈ বুজাই কয়—অহিংস আন্দোলনত বল প্ৰয়োগৰ কথা নাই। গাঞ্জৰি কুকুৰা খোৱাত কংগ্ৰেছৰ ফালৰ পৰা কোনো বাধা নাই। তেওঁৰ বুজনিত বাইজ শান্ত হৈছিল।

দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ পৰিশ্ৰম কৰাৰ ফলত তেজপুৰ তথা অসম কংগ্ৰেছৰ প্ৰাণস্বৰূপ চন্দ্ৰনাথ শৰ্মা গান্ধীজীৰ প্ৰত্যাৱৰ্তনৰ পিছতেই অসুখত পৰিল। অসুখ লাহে লাহে বাঢ়ি গ'ল। তেওঁৰ ঘৰতে জিলা কংগ্ৰেছৰ অফিচ গতিকে তেওঁক এটা ভাড়া ঘৰলৈ স্থানান্তৰিত কৰা হ'ল। অসুখৰ পৰীক্ষাত জনা গ'ল তেওঁৰ টি, বি, হৈছে। দুই-একে শৰ্মাক সাগৰৰ কাষৰ ঠাইলৈ নিয়াৰ কথা কয়। ইফালে কংগ্ৰেছ সেৱকসকলৰ হাতত কাৰো টকা নাই। শৰ্মাই শয্যাগত হৈও কংগ্ৰেছ ফাণ্ডৰ পৰা তেওঁৰ চিকিৎসাৰ বাবে যেন এক পইচাও খৰচ নকৰে তাৰ বাবে সকিয়াই থাকে। লাহে লাহে শৰ্মাৰ অগণন গুণগ্ৰাহী ব্যক্তিয়ে উপযাচি আহি তেওঁৰ চিকিৎসাৰ বাবে অৰ্থ সাহায্য দিবলৈ ধৰে। অমিয়ই নিজে কলিকতালৈ গৈ ভীম ঘোষৰ লেণত এটা ভাৰাঘৰ ঠিক কৰে। ৫ চেপ্তেম্বৰত শৰ্মাক জাহাজেৰে কলিকতালৈ লৈ যোৱা হয়। তেওঁ গৈ পোৱাৰ পিছত অমিয় তেজপুৰলৈ ঘূৰি আহে। কলিকতাৰ পৰা শৰ্মা পুৰীলৈ গৈছিল আৰু তাতে ৩৩ বছৰ বয়সত ১৯২২ চনৰ ২০ জুলাইত ইহকাল সম্বৰণ কৰে। শৰ্মাৰ বিয়োগত অসম কংগ্ৰেছৰ অভাৱনীয় ক্ষতি হ'ল। দেশে হেৰুৱালে এজন অক্লান্ত কৰ্মীক আৰু নিঃস্বাৰ্থ দেশসেৱকক।

পঞ্চম অধ্যায়

অহিংসা পৰম ধৰ্ম

'২১ চনৰ অসহযোগৰ ধ্বনি অসমৰ চাহবাগিচাবিলাকতো প্ৰতিধ্বনিত হৈছিল গৈ। কংগ্ৰেছ আৰু গান্ধীজীৰ প্ৰভাৱ বনুৱাৰ মাজত বৃদ্ধি পোৱাত চাহবাগিচাৰ মালিকসকল আতঙ্কগ্ৰস্ত হৈ পৰিল। তেওঁলোকে চৰকাৰক হেঁচা দিলে কংগ্ৰেছ আন্দোলনক সম্পূৰ্ণৰূপে মষিমূৰ কৰিবলৈ। অসমৰ অৰ্থনীতি আৰু ৰাজনীতি বাগিচাৰ ইংৰাজ চাহাবসকলৰ "খুচী"ত্তহে চলিছিল। চৰকাৰ বোলা যন্ত্ৰটো সম্পূৰ্ণৰূপে তেওঁলোকৰ বহতীয়া আছিল। চৰকাৰে তেওঁলোকক আশ্বাস দিলে আন্দোলনে হিংসাত্মক ৰূপ ললে তেওঁলোকে হস্তক্ষেপ কৰিব।

কংগ্ৰেছ কৰ্মীসকল বাগিচাত সোমাই বাগিচাৰ হাট বৰ্জন আন্দোলনত লিপ্ত হয়। বেদেতি, হেলেম, জিঞ্জিয়া, ফুলবাৰী আদিত এনে কাৰ্য্য সফলভাবে পালন হয়। এইবিলাক ঠাইত পুলিচ আৰু ৰাইজৰ মাজত কোনো ধৰণৰ সংঘৰ্ষ হোৱা নাছিল।

ম'জদুৰৰ হাজিৰাৰ নিৰিখ আৰু অন্যান্য কথালৈ কিছুমান বাগানত ইতিমধ্যে গণ্ডগোল আৰম্ভ হৈছিল। দৰং জিলাৰ কছাৰীগাঁও, সোণাজুলী আৰু ধেনদাই এই তিনিখন বাগানতে বেছি গণ্ডগোল হৈছিল। ১৪ অক্টোবৰৰ দিনা ধেনদাই বাগিচাত চাহবাগিচাৰ বনুৱাসকল উন্মত্ত হৈ বাগিচাৰ কৰ্মচাৰীবৃন্দক আৰু দৰং জিলাৰ পুলিচ চুপাৰিণটেণ্ডেণ্ট মিঃ ক্ৰেচক প্ৰহাৰ কৰে। বহুতো লোকে আঘাত পায়। সেই ৰাতিয়েই ডেপুটি কমিচনৰে নিজে ঘটনাস্থলীলৈ গৈ ৫২ জন ম'জদুৰক গ্ৰেপ্তাৰ কৰে।

তেজপুৰত থকা কংগ্ৰেছ কৰ্মীসকলৰ এনে পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ কোনো ধৰণৰ অভিজ্ঞতা নাছিল। দলে গুৱাহাটীৰ

পৰা তৰুণৰাম ফুকন বা নবীনচন্দ্ৰ বৰদলৈক তুৰন্তে আহিবলৈ তাঁৰ পঠিয়ালে। কিন্তু সময়ত এজনো নাহিল। পৰিস্থিতিৰ গুৰুত্ব বুজি কংগ্ৰেছকৰ্মীসকলে কৰ্তৃপক্ষৰ লগত সহযোগ কৰাৰ সিদ্ধান্ত ল'লে। অৱশ্যে এই সিদ্ধান্ত সকলোৰে মনঃপুত নাছিল। কৰ্মীসকলে চিৰা-মুৰি-গুড় আদি সংগ্ৰহ কৰি চহৰলৈ তিনি মাইল দূৰত্ব থকাতে গৈ বনুৱাসকলক লগ ধৰে। এটা উন্মত্ত জনতাৰ ওচৰত অমিয়হঁত গৈ থিয় হয় গৈ। জোনাক নিশা। সমুখত অহা তিৰোতাদলক উদ্দেশ্যি লক্ষ্মীধৰে ক'লে: মাহঁত ক'লৈ যাব'?

—কোন তহঁত? আজি আমাক সুধিবলৈ আহিছ। মাৰ! মাৰ! মাৰ! ইহঁতক। —লগে লগে চিঞৰি উঠিল সকলোৱে।

—আজি আপোনালোকক গান্ধীৰ কথা ক'বলৈ আহিছো। কিন্তু গান্ধীৰ কথা কোৱাৰ আগতে আপোনালোকলৈ অলপ চিৰা-গুড় আনিছো, খাই ল'বনে? —লক্ষ্মীধৰে ক'লে।

—মাৰ ইহঁতক! ইহঁত পুলিচৰ মানুহ। উন্মত্ত জনতাই দলটোক ঘেৰি ধৰিলে।

—আমাক মাৰি পেলাই যদি তোমালোকৰ দুখ গুচে, তেন্তে আমাক নিশ্চয় মাৰিবা। আমি, বুকুপাতি দিম। লক্ষ্মীধৰৰ কথাত জনতা শান্ত হ'ল। সকলোৱে বহি চিৰা গুড় ল'লে। অমিয়-লক্ষ্মীধৰহঁতে 'গান্ধী বাবা'ৰ কথা ক'লে।

পিছদিনা পুৱা বনুৱাৰ দল চহৰ অভিমুখে ৰাওনা হ'ল। উদ্দেশ্য কাছাৰীত ডি-চিক তেওঁলোকৰ নিৱেদন জনাব। কংগ্ৰেছ কৰ্মী-সকলেও লগতে খোজ ল'লে. সকলো কাম শান্তিপূৰ্ণভাৱে সমাধান হ'ল। ডি-চিয়ে স্পেচিয়েল ট্ৰেইন যোগে দলটোক বাগিচালৈ ঘূৰোৱাৰ ব্যৱস্থা কৰে। অমিয়ই ডায়েৰীৰ পাতত লেখে:

> আমিও একাগ্ৰমনে অসহযোগ আন্দোলনত লাগি থাকোতে চাহ-বাগিচাৰ বনুৱাসকলৰ বিক্ষোভত অসহযোগী হৈও শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰিবলৈ গৱৰ্ণমেণ্টৰ লগত সহযোগ কৰিছিলো। অকল সেয়ে নহয় আদালত বৰ্জন

কৰিও কাছাৰী ঘৰলৈ বিক্ষুব্ধ বনুৱাসকলক বাট দেখুৱাই
লৈ গৈছিলো।

কালীপূজাৰ দিনা (৩০ অক্টোবৰ) আকৌ ধেনদাই, সোণাজুলী বাগিচাত গণ্ডগোল লাগিল। পুলিচে ৫০ জন বনুৱাক গ্ৰেপ্তাৰ কৰি আনিলে। আকৌ উন্মত্ত জনতা আহিল চহৰ অভিমুখে—গ্ৰেপ্তাৰ হোৱা লোকৰ 'খালাচ' বিচাৰি। কংগ্ৰেছ কৰ্মীসকলে আগৰবাৰৰ দৰে কৰ্তৃপক্ষৰ লগত সহযোগ কৰিলে। ডি-চি লেইনীয়ে বুজাই বঢ়াই শান্ত কৰিব নোৱৰাত আসাম ৰাইফলচে গুলি চলাবলৈ উদ্যত হ'ল। লক্ষ্মীধৰৰ কথাত সিহঁত শান্ত হ'ল। পিছদিনা পুৰা স্পেচিয়েল ট্ৰেইনৰে সিহঁতকো ডি-চিয়ে বাগিচাত থোৱাই দিলে।

ঠিক এই সময়তে ডিক্ৰু-দৰং বাগিচাৰপৰা অৰ্জুন ঘাটোৱাৰ নামৰ এজন বনুৱাক কৰ্তৃপক্ষই বাগিচাত মিটিং পাতি গান্ধীজীৰ কথা কোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰি তেজপুৰলৈ আনে। বিচাৰত ঘাটোৱাৰে 'মই গান্ধীৰ মানুহ আদালত নেমানো' বুলি কৈ কোনো উকীলৰ সহায় নলয়। বিচাৰত তেওঁৰ ছয়মাহকাল সশ্ৰম কাৰাদণ্ড হয়। অমিয় আৰু তেওঁৰ বন্ধুবৰ্গ সেই সময়ত আদালতত উপস্থিত আছিল। তেওঁলোকে ঘাটোৱাৰক মালা পিন্ধাই জয়ধ্বনি দিয়ে।

ইতিমধ্যে সুৰমা উপত্যকাৰ চাৰগোলাকে ধৰি কেইবাখনো বাগিচাতে বনুৱা আৰু কৰ্তৃপক্ষৰ মাজত সংঘৰ্ষ হয়। অসম চৰকাৰে বনুৱাৰ অৱস্থাৰ কথা তদন্ত কৰিবলৈ চীফ চেক্ৰেটেৰী এ ডব্লিও বোঠামৰ নেতৃত্বত এটি তদন্ত আয়োগ গঠন কৰি দিয়ে।

> 'তহঁতে কলাবাৰীলৈ আহি গুচি যাব, আমাৰ এইখিলাক গাঁৱলৈ নাহা। আমি গান্ধী ৰজাৰ কথা শুনিবলৈ উজ্জ্বল হৈ আছোঁ। সিদিনা ফুকন মাজুলীলৈ অহাৰ বাতৰি পাই আমাৰ কিছুমানে মাজুলীলৈকে গৈ ফুকনক চাই আহিছে। কিন্তু সকলো গঞা ৰাইজেতো চাব পৰা নাই। আমি হাবিৰ মাজত সোমাই আছোঁ। তহঁতে খোজকাঢ়ি আহিব নোৱাৰিলে আমি কলাবাৰীলৈ হাতী পঠাম।'

গজালী মিৰিৰ চিঠিখন পঢ়ি অমিয়ই লগে লগে মিৰিগাঁৱলৈ যাবলৈ ঠিক কৰিলে। ৰাইজৰ এই উৎসাহ-উদ্দীপনাক কামত লগাব লাগিব। বাওনামুখ, পিচলামুখ আদি গাঁওবিলাকলৈ যোৱাৰ অমিয়ই প্ৰস্তুতি চলালে।

অমিয় আৰু দুজনমান বন্ধুৱে সৈতে নৰেশ্বৰৰ শেহৰ ফালে কলাবাৰী হৈ বাওনামুখৰ মিৰিগাঁৱলৈ খোজ ল'লে। কলাবাৰীৰ পৰা বাপুটি মিৰিয়ে আগবঢ়াই লৈ গ'ল। আঠ মাইল বাট। কৃষ্ণপক্ষৰ ৰাতি তৰাৰ পোহৰত মাজে মাজে চপৰাতলীত উজুটি খাই দলটো আগবাঢ়িল। কাতি মাহৰ ভোটাতৰা মাৰ গ'ল। নৈ পাই বাপুটিয়ে নাও বিচৰাত লাগিল। নৈৰ ইটো পাৰে মানুহৰ মাত শুনা গ'ল। বাপুটিয়ে চিঞৰিলে, নাওখন এইপাৰে আনিবলৈ। হঠাতে কথা-বাৰ্তা বন্ধ হ'ল। বাপুটি এইবেলি অধৈয্য হৈ মিৰিৰ দোৱানত গালি পৰাত লাগিল। এইবেলি উত্তৰ আহিল: 'এই ৰাতিখন ভূতে মাতিছে বুলিহে ভাবিছিলো। তইঁত আহিছ' বুলি আমি বুজিব পৰা নাছিলো।' নাও আহিলত সকলো উঠি গৈ পাৰ পালে গৈ। গজালী মিৰিয়ে তেওঁলোকক পাই বৰ ভাল পালে।

গজালীয়ে ক'লে আমাক এজন ৰজা লাগিব'ই। তইঁতে যদি ৰজা নেপাত আমি ফুকনক ৰজাপাতি গাদীত বহুৱাম। ফুকন নহ'লে, নবীন বৰদলৈ, কুলধৰ চলিহা—কোনোবা এজনক বহুৱাম। তইঁতৰ কথা আমি হ'লে বুজি পোৱা নাই। মূৰ নহোৱাকৈ গা-টো কেনেকৈ থাকে?

—বাৰু ইংৰাজৰ ৰজাক গুচাও আহাঁ—তাৰ পিছত ৰাইজে যাকে পাতে পাতক। —অমিয়ই ক'লে।

গজালী এই কথাত মান্তি হয়।

পিছদিনা পুৱা সভা বহিল। সভাত অমিয় আৰু কুমুদ শৰ্মাই কংগ্ৰেছ আৰু অসহযোগৰ কথাৰ বিৱৰণ দিয়ে। ৰাইজে আৰু দুদিনমান তেওঁলোকক গাঁৱত থাকিবলৈ অনুৰোধ কৰিছিল।

—পোণতে স্বৰাজ হওক। স্বৰাজ হোৱাৰ পাছত তোমালোকৰ

মাজত থাকি কাম কৰিবলৈ দিহা কৰিম। এই আশ্বাস দি অমিয়ই উভতে।

অমিয় আৰু তেওঁৰ সহকৰ্মীসকলে চিপাহী-চন্তৰীৰ মাজতো অসহযোগৰ বাণী প্ৰচাৰ কৰে। লথবাৰ পৰা আসাম ৰাইফলচৰ চিপাহী চুবাদাৰ কিছুমান মাজে সময়ে তেজপুৰলৈ আহে। তেওঁলোকে চিপাহীবোৰক চাকৰি এৰি দি আন্দোলনত যোগ দিবলৈ কয়। চৰকাৰী চাকৰিয়ালে চাকৰি এৰিলে ইংৰাজে দেশ এৰি যাবলৈ বাধ্য হ'ব।

নৰেন্দ্ৰৰ মাহত তেজপুৰত জিলা কংগ্ৰেছ কমিটিৰ প্ৰথম অধিবেশন বহে। তাৰে দৰং জিলাৰ সকলো ঠাইৰপৰা প্ৰতিনিধি আহিছিল। সভাত নতুন কাৰ্যকৰী কমিটি এখন গঠন হয়। চন্দ্ৰনাথ শৰ্মা অসুস্থ হৈ কলিকতাত থকাত সভাপতিৰ দায়িত্ব অমিয়ৰ ওপৰতে ন্যস্ত হয়। লক্ষ্মীধৰ শৰ্মা আৰু হেমচন্দ্ৰ বৰুৱা সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হয়। এই কালচোৱাত অমিয়ই তেজপুৰত ভলন্টিয়াৰ দলৰ সংগঠনৰ গুৰি ধৰিছিল—সেয়ে তেওঁ সকলোৰে মাজত "কেপ্তেইন" নামৰে প্ৰখ্যাত হৈ পৰে।

নৰেন্দ্ৰৰ মাহত ৰেলচৰ যুৱৰাজে ভাৰত-ভ্ৰমণলৈ আহে। ইয়াৰ আগতে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে তেওঁক কোনোধৰণৰ সম্বৰ্ধনা জনোৱা নহ'ব বুলি সিদ্ধান্ত লৈছিল। সোতৰ নৱেম্বৰৰ দিনা যুৱৰাজে ব'ম্বেত পদাৰ্পণ কৰাৰ লগে লগে তাৰ ৰাইজে ক'লা পতাকা দেখুৱাই তেওঁক ঘূৰি যাবলৈ ধ্বনি দিয়ে। ঠায়ে ঠায়ে জনতা আৰু ইউৰোপীয়-ইউৰেচিয় লোকৰ মাজত সংঘৰ্ষ হয়। কেইবা ঠাইতো পুলিচে গুলি চলায়। ফলত ৫৩ জন লোক নিহত হয় আৰু বহুতো লোকে আঘাত পায়। গান্ধীজী তেতিয়া বোম্বাইতে আছিল। হৰতালৰ পিছত তেওঁ বৰদোলীলৈ গৈ সত্যাগ্ৰহ কৰাৰ কথা আছিল। হিংসাত্মক জনতাৰ এই কাৰ্য্যৰ প্ৰতিবাদ কৰি গান্ধীজীয়ে অনশন ব্ৰত ধৰে। ১৭ নৱেম্বৰত অসমৰ অন্যান্য ঠাইৰ লগতে তেজপুৰতো শান্তিপূৰ্ণভাৱে হৰতাল পালন হয়। জাহাজৰ খালাচীয়েও সেইদিনা

হৰতালত যোগ দিছিল। বিশ্বনাথ চাৰিআলি, চতিয়া, বিহালি আদি অঞ্চলতো হৰতাল পালন হৈছিল।

বোম্বাইত হোৱা ঘটনাৰ ফলত ভলন্টিয়াৰ দলৰ পুনঃ সংগঠনৰ প্ৰয়োজন হ'ল। কংগ্ৰেছ কাৰ্যকৰী কমিটিয়ে নিৰ্দেশ দিলে নতনকৈ সংগঠিত হোৱা ভলন্টিয়াৰ দলসমূহৰ সভ্যসকলে প্ৰতিশ্ৰুতি পত্ৰত চহি কৰিব লাগিব। প্ৰতিজন ভলন্টিয়াৰে একনিষ্ঠ মনে অহিংস আচৰণ আৰু অহিংস আদৰ্শ জীয়াই ৰখাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই যাবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব।

গান্ধীজীৰ অহিংসা ধৰ্ম পালনৰ ওপৰত লেখা আৰু অন্যান্য কেইবাটাও নিবন্ধ এই সময়ত অমিয়ই অসমীয়ালৈ অনুবাদ কৰি গুণাভি শৰ্মা আৰু জগন্নাথৰ হতুৱাই লেখাই 'লিথো' কৰি কংগ্ৰেছ কৰ্মী আৰু ভলন্টিয়াৰৰ মাজত বিলাই দিছিল। গান্ধীজীয়ে "Hasten Slowly" প্ৰবন্ধত লেখিছিল:

> ন'ন-কোঅপৰেটৰৰ জীৱনত গ্ৰেপ্তাৰ হোৱাটো এটা স্বাভাৱিক কথা হ'ব লাগে। মৃত্যুক বৰণ কৰিবলৈ যিদৰে চিপাহী যুদ্ধলৈ যায়, সেইদৰে আমি গ্ৰেপ্তাৰ আৰু কাৰাদণ্ড বৰণ কৰিব লাগিব। একো অন্যায় নকৰা স্বত্তেও আমাক গ্ৰেপ্তাৰ কৰিলে আমাৰ জয় হ'ব। আমি যিমানেই নিৰ্দোষী হ'ম—সিমানেই আমাৰ নৈতিক বল বাঢ়িব। আমাৰ মনত কাৰাদণ্ডলৈ থকা ভয়েই গৱৰ্ণমেণ্টে সুবিধা লৈ আছে।

ষষ্ঠ অধ্যায়

তীর্থ যাত্ৰা

১৯২১ চনৰ ২৪ নৱেম্বৰ।

তেজপুৰতো খানা-তালাচ পৰ্ব আৰম্ভ হৈছে।

অমিয়ক বিচাৰি স্বয়ং ডি-চি লেইনী আহিল থানা পুখুৰীৰ পাৰৰ ঘৰটোলৈ। ঘৰৰ মালিক হ'ল ব্ৰহ্মানন্দ বৰকাকতী—ডি-চি অফিচৰে হেড ক্লাৰ্ক।

বহুত দিন হ'ল অমিয়ই ঘৰ এৰি কংগ্ৰেছ অফিচত থকাৰ। ডি-চিয়ে মাত্ৰ অমিয়ই শোৱা শোৱনি কোঠাটোহে চাব খুজিলে। অমিয়ৰ শোৱা খাটখন দেখি তেওঁ অবাক মানিলে—ইয়াতেই তেওঁ শোৱে নে? এখন কম্বলৰেই শোৱ পাৰে নে?

—তেওঁ কংগ্ৰেছ কেম্পতেই থাকে। মাজে সময়ে কেতিয়াবা আহে। আহিলে তাতেই শোৱে—উত্তৰত মোমায়েকে কলে।

কাষত থকা আলমাৰিটো ডি-চিয়ে খুলি চালে—তাত দাদাভাই নৌৰজী, ৰমেশচন্দ্ৰ দত্ত, ডিগবী, জন-চিলী, গান্ধীৰ 'হিন্দ স্বৰাজ' আৰু ৰমানন্দ চেটাৰ্জীৰ Towards Home Rule আদি দেখা পাই ক'লে—এইবোৰ কিতাপৰে কি হ'ব? এখনো Sedition নহয়। তালাচী পৰ্ব শেষ হ'ল।

অসম চৰকাৰে ২৬ নৱেম্বৰত ক্ৰিমিনেল এমেণ্ডমেণ্ট এক্ট জাৰি কৰি ভলণ্টিয়াৰ সংগঠন বে-আইনী বুলি ঘোষণা কৰে। আন্দোলন দমন কৰিবলৈ ফৌজদাৰী দণ্ডবিধি আইন প্ৰয়োগ কৰিবলৈ অৰ্ডিনান্স জাৰি কৰে।

গান্ধীজীৰ পৰিকল্পনা আছিল নিজে বৰদোলীলৈ গৈ সমূহীয়া সত্যাগ্ৰহ আৰম্ভ কৰাৰ। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে প্ৰদেশ কংগ্ৰেছ কমিটি সমূহক খাজনা বন্ধ ৰখাকে সামৰি যিকোনো অঞ্চলতে সমূহীয়া সত্যাগ্ৰহ কৰাৰ দায়িত্ব দিছিল।

অসমতো এনে জাতীয় সমূহীয়া সত্যাগ্ৰহ কৰাৰ জল্পনা-কল্পনা চলিছিল। বহুতে কৈছিল যোৰহাটৰ জাঁজিত, গুৱাহাটীৰ বকোত আৰু বৰপেটাৰ বৰনগৰত এনে আন্দোলনৰ বাবে সুচল হ'ব।

বোম্বাইত হোৱা হিংসাত্মক ঘটনাৱলীৰ ফলত সমূহীয়া সত্যাগ্ৰহৰ কথা তল পৰিল। তাত ঘটা হিংসাত্মক কাৰ্যাৱলীৰ ফলত চৰকাৰে গান্ধীজীৰ শান্তিপূৰ্ণ অহিংস আন্দোলন দমন কৰাৰ সুযোগ পালে।

দেশজুৰি আৰম্ভ হ'ল গ্ৰেপ্তাৰী অভিযান, খানা-তালাচ—সৰ্বাত্মক নিষ্পেষণ আৰু নিপীড়ন। ভলণ্টিয়াৰ দল বে-আইনী হ'ল। তৰুণৰাম ফুকনে উপলুঙাৰ সুৰত ক'লে—চৰকাৰে এতিয়া বলেৰে আমাৰ ওপৰত এই আইন জাৰি কৰি জানিবা সত্যাগ্ৰহ কৰিবলৈ নিমন্ত্ৰণ জনাইছে। এতিয়া ওলোৱা জেললৈ।........ ভলণ্টিয়াৰ বুলি এইখন কাকতত চহি দিয়া মাথোন—তুমি আৰু একো কৰিব নেলাগে। টোপোলা বান্ধি ৰজাৰ আলহী হোৱা গৈ—

তেজপুৰত লক্ষ্মীধৰ শৰ্মা, হেমচন্দ্ৰ বৰুৱা আৰু তিলক শৰ্মা আদিয়ে ৰাজহুৱাভাবে ভলণ্টিয়াৰ দল সংগঠন কৰিব বুলি জাননী দি মিটিং পাতি প্ৰকাশ্যে প্ৰতিজ্ঞা পত্ৰত চহি কৰে। প্ৰকৃতাৰ্থত চৰকাৰে কংগ্ৰেছক এটা প্ৰত্যাহ্বান জনালে। কংগ্ৰেছ কৰ্মীয়েও তাৰ সম্মুখীন হোৱাৰ পৰা বিমুখ নহ'ল। আৰম্ভ হ'ল জেললৈ তীৰ্থ যাত্ৰা—অগণন কংগ্ৰেছ কৰ্মীৰ। চৰকাৰী নিষ্পেষণ নীতিয়ে দেশত এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰিলে। কাক কেতিয়া গ্ৰেপ্তাৰ কৰি জেললৈ নিয়ে তাৰ স্থিৰতা নোহোৱা হ'ল। আন বহুতৰ দৰে অমিয়ৰ বাবেও জেল-যাত্ৰা হ'ব এটা নতুন অভিজ্ঞতা। মনৰ মাজত সংশয় আৰু আশংকা। এনে পৰিস্থিতিত কোনো কোনো কংগ্ৰেছ কৰ্মীয়ে ঘৰৰ শোকাকুল পৰিবেশ সহ্য কৰিব নোৱাৰি কংগ্ৰেছ অফিচতে থাকিবলৈ লৈছিল।

ইতিমধ্যে পুলিচে তেজপুৰৰ কংগ্ৰেছ অফিচ খানা-তালাচ কৰিলে। লিথ'মেচিন, ক্যেছবাকচ, সভ্য ভৰ্তিৰ তালিকা বহি, কেন্দ্ৰ সমূহৰ নামৰ তালিকা, মোকৰ্দ্দমাৰ ফাইল, চাঁদাৰ প্ৰচলনৰ হিচাপ ইত্যাদি

নানা বিষয়ৰ ফাইল জব্দ কৰিলে। গুৱাহাটীত নবীন বৰদলৈ, গোপীনাথ বৰদলৈ, গৌৰীকান্ত তালুকদাৰ, কালীৰাম বৰ্মণ, বিষ্ণুৰাম মেধি আদি সকলোৰে ঘৰত খানা-তালাচ চলিল। লতাশিলত থকা কংগ্ৰেছ অফিচো বাদ নপৰিল।

৩০ নৱেম্বৰত ফুকন-বৰদলৈ আৰু বিষ্ণুৰাম মেধিক পুলিচে গ্ৰেপ্তাৰ কৰে।

নেতৃত্ববিহীন আন্দোলন এটা বেছিদিন চলি থাকিব নোৱাৰে এই কথা অমিয়ই ভালদৰে উপলব্ধি কৰিছিল আৰু সেয়ে তেওঁ জধে-মধে জেললৈ যোৱাৰ সপক্ষে নাছিল। আন্দোলনক নিয়ন্ত্ৰণত ৰাখিবলৈ হ'লে নেতৃত্বৰ প্ৰয়োজন। দৰং জিলাত যাতে নেতৃত্ব দিব পৰা কৰ্মীৰ অভাৱ নহয়—তাৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা চলালে। ইতি-মধ্যে বহুতো কৰ্মী গ্ৰেপ্তাৰ হৈছে। কলিকতাত চন্দ্ৰনাথ শৰ্মাৰ লগত থকা গুণাভিক তেওঁ কাম কৰিবলৈ তেজপুৰলৈ পঠিয়াই দিলে। গুণাভিক অমিয়ই জিলা কংগ্ৰেছ অফিচ চলোৱাৰ দায়িত্ব দিলে। ঢেকীয়াজুলি অঞ্চলৰ দায়িত্ব দিলে দক্ষৰাম বৰুৱাক; বিশ্বনাথ চাৰিআলি অঞ্চলৰ দায়িত্ব পৰিল ডাক্তৰ ভূমিধৰ শৰ্মা আৰু হেম হাজৰিকাৰ ওপৰত।

ফুকন-বৰদলৈৰ কাৰাদণ্ড (ফুকনৰ এবছৰ, বৰদলৈৰ ডেৰ বছৰ) হোৱা শুনি অমিয় আৰু লক্ষ্মীধৰে লগে লগে মূৰৰ চুলি খুৰাই পেলালে। ডায়েৰীৰ পাতত অমিয়ই লেখিছে:

> পুৱা শ্ৰীকুমুদচন্দ্ৰ গোস্বামীৰ ঘৰলৈ গৈ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰি আছো। এনেতে নাপিত এজন আহিল। তেওঁৰ দাড়ী খুৰোৱা হ'লতময়ো বহিলো মূৰৰ চুলি খুৰাবলৈ। তেওঁ হাক দিলে—'মূৰ খুৰায় কিয়?' মোৰ উত্তৰ হ'ল—'মহাত্মা গান্ধীৰ ত্ৰিচিন্নপল্লীৰ বক্তৃতাৰ পাছত লক্ষ্মীধৰ আৰু মই আঠুমূৰীয়া চুৰিয়া লৈছো আৰু আজি ফুকনকে আদি কৰি নেতৃস্থানীয় লোকসকলৰ কাৰাদণ্ডৰ পাছত চুলি খুৰাবলৈ সংকল্প লৈছো'।

তেজপুৰৰ জাহাজ ঘাটত অমিয়ৰ নতুনৰূপ দেখি পুলিচ এছ পি ক্ৰেচ্ উচপ্ খাই আঁতৰি গৈছিল। পিছত তেওঁ কৈছিল: Omeo Babu has become a Political fanatic. He is determined to drive us.

ডিচেম্বৰ মাহৰ তৃতীয় সপ্তাহত প্ৰায় এহেজাৰ মান কংগ্ৰেছ কৰ্মী অসমৰ বিভিন্ন কাৰাগাৰত কাৰাৰুদ্ধ হয়। নেতৃস্থানীয় প্ৰায়বোৰেই ইতিমধ্যে জেললৈ গৈছে। নেতাবিহীন কংগ্ৰেছ কৰ্মীসকলক নিৰ্দশনী দিবলৈ জেলৰ বাহিৰত থকা সকলে লিথ'কৰি 'বুলেটিন' আকাৰে কংগ্ৰেছৰ বাতৰি প্ৰচাৰ কৰিছিল। ইংৰাজী-অসমীয়া দুয়ো ভাষাতে ই প্ৰকাশ হৈছিল। এই লিথ'কৰা কাগজবোৰ সময়ে সময়ে গান্ধীজীলৈও পঠোৱা হৈছিল।

হেমচন্দ্ৰ বৰুৱাৰ মতে অসহযোগ আন্দোলনত ৩৩ কোটি ভাৰত-বাসীৰ ভিতৰত ২৫ হেজাৰ জনেই জেল-বন্দী হৈছিল। ২০ লাখ অসমীয়াৰ ভিতৰত প্ৰায় ১২০০ জন অসমীয়াই জেল খাটিছিল!

হেমচন্দ্ৰ বৰুৱাৰ ককায়েক ক্ষীৰধৰ বৰুৱা পুলিচৰ কোর্ট ইন্সপেক্টৰ আছিল ভায়েক হেমচন্দ্ৰ, উমেশ বৰদলৈ, কৃষ্ণ বৰুৱা, মহেন্দ্ৰ ফুকন, সুৰেশ ভট্টাচাৰ্য্যক গ্ৰেপ্তাৰ কৰিবলৈ কোৱাত তেওঁ 'ক্ৰচবেল্ট' দলিয়াই 'জয় মহাত্মা গান্ধী কী জয়" ধ্বনি দি কাম ইস্তফা দিয়ে। বৃহৎ পৰিয়ালৰ মুৰব্বীজনে ভৱিষ্যতলৈ নেচাই এনেদৰে বিৰল সাহস আৰু ত্যাগ দেখুৱাত অমিয়ই তেওঁৰ ওচৰলৈ গৈ শ্ৰদ্ধা জ্ঞাপন কৰাত তেওঁ কৈছিল—হে'ৰা অমিয়, ওলালো তোমালোকৰ লগত।

প্ৰতিটো অঞ্চলতে কংগ্ৰেছ কৰ্মীসকলে ১৪৪ ধাৰা আইন ভঙ্গ কৰি অথবা পিকেটিং আৰু শোভাযাত্ৰা কৰি চৰকাৰক ব্যতিব্যস্ত কৰি তুলিলে। চৰকাৰে জৰিমানা কৰিলে কোনেও নিদিয়ে ফলত জেলবোৰ মানুহেৰে ভৰি পৰিল। উপায়বিহীন হৈ চৰকাৰে ভলন্টিয়াৰক নি লোকালয় বিহীন ঠাইত এৰি দিয়া হ'ল গৈ।

১৯২২ চনৰ ২৭ জানুৱাৰীত গোপীকান্ত তালুকদাৰ, ভৈয়বুল্লা,

ধনীৰাম তালুকদাৰ, দেবেন্দ্ৰনাথ উজিৰ আদিক হাত কেৰেয়া লগাই জাহাজেৰে গুৱাহাটী জেলৰ পৰা তেজপুৰ জেললৈ স্থানান্তৰিত কৰা দৃশ্যই সকলোৰে মনত বিশেষকৈ তেজপুৰবাসীৰ মনত বিশেষ আঘাত দিছিল : ইংৰাজ বিদ্বেষীভাব তীব্ৰতৰ হৈছিল।

১৯২১ চনৰ ডিচেম্বৰ মাহৰ শেহৰ ফালে আহমেদাবাদত জাতীয় কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশন বহে। অধিবেশনৰ সভাপতি নিৰ্বাচিত হৈছিল চিত্তৰঞ্জন দাস। তেওঁক হঠাতে আটক কৰাত তেওঁৰ ঠাই ল'লে হাকিম আজমল খাঁই।

তেজপুৰৰ পৰা কংগ্ৰেছ চাবলৈ ওলাল পৰমানন্দ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালা, চন্দ্ৰনাথ শৰ্মা (কলিবাৰীৰ), আবুল হুচেইন আৰু বসন্তকুমাৰ দাস। তেওঁলোকৰ ইচ্ছা 'কেপ্তেইনক' লগত লৈ যায়। ইফালে ইমান দূৰ অহা যোৱা কৰাৰ বাবে তেওঁৰ হাতত পইচা নাই। কুমুদ শৰ্মাই বজাৰৰ দোকানীৰ পৰা বৰঙণি তুলিলে। প্ৰায় দুশ টকা সংগ্ৰহ হ'ল। কেপ্তেইন যাবলৈ ওলাল। যোৱাৰ আগতে ঘৰলৈ গৈ মাকৰ পৰা বিদায় ল'লে। দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ কাৰণে মাক-পুতেকৰ বিশেষ সম্বন্ধ নাছিল বুলিলেই হয়; কেতিয়াবা কাচিৎ দেখাদেখি। মাকে আশীৰ্বাদ দি বিদায় দিলে।

গিখন জাহাজত তেওঁলোকে যাত্ৰাৰম্ভ কৰিলে তাৰ মুদিজন বিহাৰৰ। তেওঁ কংগ্ৰেছী ভাবাপন্ন। লগে লগে তেওঁ হিন্দীত স্বৰাজ গীত গাবলৈ আৰম্ভ কৰিলে। জ্যোতিপ্ৰসাদেও তেওঁৰ লগত যোগ দিলে। ঠাইখন স্বৰাজ সঙ্গীতৰে মুখৰিত হ'ল। সকলোৰে ভাব হ'ল তেওঁলোকে যেন স্বৰাজ তীৰ্থলৈ যাত্ৰা কৰিছে।

কংগ্ৰেছ মহাসভাই ওঠৰ বছৰৰ ওপৰৰ সকলো ছাত্ৰকে স্কুল-কলেজ বৰ্জন কৰি জাতীয় ভলণ্টিয়াৰ দলত অন্তৰ্ভুক্ত হ'বলৈ আহ্বান জনায়। তাৰ উপৰি ব্যক্তিগতভাৱে অথবা সমূহীয়াভাৱে আইন অমান্য আন্দোলন কৰাৰ সিদ্ধান্ত লয়। অসমৰ দলুটোৱে গান্ধীজীক

সাক্ষাৎ কৰোঁতে তেওঁ কয়ঃ দেশবাসীয়ে যদি গঠনমূলক কাৰ্য্য-পদ্ধতিৰে কাম কৰে, এবছৰৰ ভিতৰত স্বৰাজ অৱশ্যম্ভাৱী।

১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত অসম কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে অমিয়ই দিল্লীত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাত যোগ দিয়ে। সভাখন দিল্লীৰ ডৰিয়াগঞ্জত ডাঃ আনসাৰীৰ ঘৰত বহিছিল। অমিয়ই অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা পৰ্য্যালোচনা কৰে। লগতে তেওঁ অসমৰ কংগ্ৰেছ কৰ্মীয়ে কিমান অসুবিধাৰ মাজত কাম কৰিব লগা হৈছে সেই কথাও কয়। গাঁৱৰ কংগ্ৰেছ অফিচ জুই লগাই পুৰিছেঃ নগৰত ভাড়ালৈও ঘৰ পোৱা টান হৈছে। ভাড়ালৈ দিওঁতাক পুলিচে গ্ৰেপ্তাৰ কৰিছে।

সমস্যাৰ সমাধানকল্পে গান্ধীজীয়ে কয়—

> অফিচ ঘৰ নেপালে গছৰ তলত অফিচ পাতিবা, তথাপি গোপনীয়তাৰ আশ্ৰয় নল'বা। গোপনীয়তাই নৈতিক বল খৰ্ব কৰে, জনতাৰো নৈতিক বল কমায়। অহিংসাৰ লগত গোপনীয়তা খাপ নোখোৱা কথা।

আকৌ দেশত সামুহিক আইন অমান্য আন্দোলনৰ প্ৰস্তুতি চলিল। চৰ্দাৰ বল্লভভাই পেটেলৰ নেতৃত্বত গুজৰাটৰ বৰদোলীত এই আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ কথা ঠিক হয়।

গান্ধীজীয়ে "ইয়াং ইণ্ডিয়া"ত লেখিলেঃ

> সমূহীয়া আইন অমান্য এটা প্ৰচণ্ড ভূমিকম্পৰ দৰে। ৰাজনৈতিক ক্ষেত্ৰত ই এটি সমূহীয়া উত্থান। যদিহে এই অমান্যত শান্তিপুৰ্ণতাৰ অভাৱ হয়, যদিহে এনে এটা কথাত বাহাদুৰি দেখুৱা, উত্তেজনা নাইবা প্ৰতিশোধৰ ভাব থাকে, তেন্তে এই অমান্য 'চিভিল' হৈ নেথাকে—এইটো 'ক্ৰিমিনেল' হ'ব। সেইবাবে এনে এটা আইন অমান্য আন্দোলনত সকলোৱে যোগ্য বুলি বিবেচিত হ'ব নোৱাৰে।

আন্দোলনৰ প্ৰস্তুতি চলাই থাকোঁতেই গোৰোখপুৰ জিলাৰ চৌৰিচৌৰাত হিংসাম্মোত্ত জনতাই স্থানীয় পুলিচ থানালৈ গৈ থানা অৱৰোধ কৰে (৫ ফেঃ ১৯২২ চন)। পুলিচ আৰু জনতাৰ মাজত সংঘৰ্ষ হয়। জনতাই থানাটোৰে সৈতে বাইছজন পুলিচক জীয়ন্তে অগ্নিদাহ কৰে। এই কথা শুনি গান্ধীজী অতি বিচলিত হৈ পৰে। ভাৰতীয় জনতাৰ ওপৰত আস্থা ৰাখি তেওঁ 'হিমালয় সদৃশ' ভুল কৰিলে। প্ৰকৃততে ভাৰতীয় লোকৰ অহিংসা অসহযোগৰ ক্ষেত্ৰত কোনো ধৰণৰ শিক্ষা হোৱা নাই। গান্ধীজীয়ে লগে লগে আন্দোলন স্থগিত কৰিলে। তেওঁ আন্দোলনৰ অবিহনে কৰ্মীসকলক গঠনমূলক কৰ্ম আঁচনিত যোগ দিবলৈ আহ্বান জনায়।

সুবিধা বুজি ভাৰত চৰকাৰে গান্ধীজীক ছয় বছৰ কাললৈ কাৰাদণ্ডিত কৰে।

গান্ধীজীৰ পৰামৰ্শত অসহযোগ আন্দোলনত অসমৰ ভূমিকা সম্পৰ্কে সমীক্ষা চলাবলৈ পণ্ডিত মদনমোহন মালব্য আৰু ড° ৰাজেন্দ্ৰ প্ৰসাদ ১৯২২ চনৰ মে' মাহত অসমলৈ আহে। অসম পাই দুয়ো দুটা ভাগত বিভক্ত হৈ প্ৰায় এসপ্তাহকাল অসমত থাকি বিভিন্ন ঠাইলৈ গৈ প্ৰত্যক্ষভাৱে খবৰ-বাতৰি সংগ্ৰহ কৰে। এই সময়ত অসমৰ প্ৰায় সকলো নেতা কাৰাৰুদ্ধ হৈ থকাত নেতা দুগৰাকীক সৰ্বতো প্ৰকাৰে সহায় কৰিছিল হেমচন্দ্ৰ বৰুৱা, অমিয় আদি ডেকা কংগ্ৰেছ কৰ্মীসকলে। অমিয় আৰু বগীৰাম শইকীয়াই মালব্যক তেজপুৰ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আদি ঠাইলৈ লৈ গৈছিল। দলটো উজনি অসমলৈ জাহাজেৰে গৈছিল। ককিলামুখত গড়মূৰ আৰু আউনীআটি সত্ৰৰ বহুতো ভকতে আহি মালব্যক দৰ্শন কৰে। মালব্যৰ অনুৰোধত ভকতসকলে কীৰ্তনৰ প্ৰহ্লাদ চৰিত্ৰ গাই শুনায়। মালব্যই বঙালী ভালদৰে জানিছিল গতিকে বুজাত অসুবিধা নহ'ল। এনে সুন্দৰ বাখ্যা কোনে ৰচনা কৰিলে বুলি সোধাত তেওঁক মহাপুৰুষ শঙ্কৰদেৱৰ কথা কোৱা হ'ল। তেওঁ শঙ্কৰদেৱৰ ৰচিত সকলো গ্ৰন্থ চাবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। দলটো

যোৰহাটত কুলধৰ চলিহাৰ ঘৰত, শিৱসাগৰত টাউন হল আৰু ফণীধৰ চলিহাৰ ঘৰত আৰু ডিব্রুগড়ত প্রসন্নকুমাৰ বৰুৱাৰ ঘৰত আছিল।

এই প্রথম সর্বভাৰতীয় ৰাজনৈতিক আন্দোলনটোত অসমৰ কৃষক, ছাত্র, শ্রমিক, শিক্ষক, উকিল, আমোলা সকলোৱেই কিছুদিনলৈ হ'লেও অংশ গ্রহণ কৰিছিল। গান্ধীজীৰ অসম ভ্রমণে আন্দোলনক সর্বাত্মক ৰূপ দিছিল। দেখাত ৰাজনৈতিক আন্দোলন হ'লেও ই সর্বসাধাৰণৰ আর্থ-সামাজিক জীৱনৰ ওপৰতো প্রভাৱ পেলাইছিল। মানুহৰ আচাৰ-ব্যৱহাৰ আনকি নৈতিক স্বভাৱৰো পৰিবর্ত্তন ঘটিছিল। অধিক মাদক-দ্রব্য সেৱনকাৰীজনো আন্দোলনৰ প্রভাৱৰ ফলত মিতাচাৰী হৈ পৰিছিল। বিদেশী বস্ত্র পৰিধান কৰি ভাল পোৱা জনো খদ্দৰ ভক্ত হৈ পৰিছিল। অসমীয়াই বহু পৰিমাণে স্বজাত্যাভিমান ঘূৰাই পাইছিল। আনহাতে অসমত বসবাস কৰা বঙালীসকলৰ আন্দোলনৰ প্রতি অনিচ্ছা দেখা গৈছিল। এই কথা লৈ নবীনচন্দ্র বৰদলৈয়ে 'আনন্দ বজাৰ পত্রিকা'ত লেখিছিল ঃ

> আপোনালোকে জানি আচৰিত হ'ব যে ১৯২১ চনৰ গণ আন্দোলনত যেতিয়া কার্য্যতঃ এটি অসমীয়া পৰিয়ালো চৰকাৰৰ উৎপীড়নৰ হাত সাৰিব নোৱাৰিছিল, যেতিয়া সম্ভ্রান্ত অসমীয়া পৰিয়ালৰ যুৱক-যুৱতীসকলে কাৰাগাৰ আৰু মৃত্যু পর্য্যন্ত বৰণ কৰিছিল, তেতিয়া আপুনি উল্লেখ কৰা অসম উপত্যকাৰ দুই লাখ উনৈশ হাজাৰ বঙালীৰ ভিতৰত মাত্র এজনেহে গুৱাহাটীৰ জেলত আছিল। তেজপুৰৰ বঙালী নেতা এজনে গৱর্ণমেণ্টলৈ চিঠিৰে জনাইছিল যদি অসমীয়া সকলে চাকৰি এৰি দিয়ে সেই খালিহোৱা পদবিলাক পূৰণ কৰিবলৈ তেওঁ বংগদেশৰ পৰা বঙালী মানুহ আনিব।
>
> (১৯৩৬ চনৰ 'আৱাহনত' (বিহু সংখ্যা) এই চিঠিৰ অসমীয়া অনুবাদ প্রকাশ পাইছিল)

অমিয়ই বঙালীসকলে আন্দোলনৰ বিৰোধীতা কৰা সম্পর্কে

অহুকাণে-পহুকাণে নানা কথা শুনিছিল। তেজপুৰৰ ওচৰৰে পৰোৱা বাগানত থকা বঙালী কৰ্মচাৰীসকলে সভা পাতি চৰকাৰক জাননী দিছিল যদি অসমীয়াই চাকৰি ইস্তফা দিয়ে তেওঁলোকে সেই চাকৰি ল'বলৈ প্ৰস্তুত। অমিয়ৰ মনে মনে বেজাৰ লাগে 'তেজপুৰৰ যি সকলে বঙালী নাম লৈ থকা লোকে এনে কামত অংশ ল'লে তেওঁলোক নিশ্চয় বঙ্গ মাতৃৰ সন্তান নহয়।'

ড° ৰাজেন্দ্ৰ প্ৰসাদ আৰু মালব্যই অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি অসহযোগ আন্দোলনত অসমীয়া ৰাইজৰ সহযোগিতাৰ আৰু অংশ গ্ৰহণ কৰাৰ সম্পৰ্কত এখনি নিটোল ছবি দেখা পায়। ঠায়ে ঠায়ে চৰকাৰী নিষ্পেষণৰ কদৰ্য্য ৰূপো দেখা পায়। এই সময়ত অমিয়ৰ মাকৰ প্ৰায়ে অসুখ হৈ থাকে। সেইবেলি লক্ষ্ণৌত নিখিল ভাৰত কংগ্ৰেছ কমিটি বহাৰ কথা। মালব্যই অমিয়ক লগ ধৰিলে সভালৈ বুলি। ডিব্ৰুগড়ত থাকোঁতেই অমিয়ই শুনিছিল মাকৰ টান নৰিয়া বুলি। ডিব্ৰুগড়ৰ পৰা ভুলু তেজপুৰলৈ ঘূৰি আহিছিল মাকক চাবলৈ। মাকৰ অৱস্থা দেখি ভুলুৱে লক্ষ্ণৌলৈ যোৱাৰ আশা বাদ দিছিল। মাকে কিন্তু কথাটো গম পাই পুতেকক যাবলৈ ক'লে। মাকৰ অনুমতি পাই তেওঁ যাবলৈ ওলাল। মাকক চোৱাচিতাৰ ভাৰ মোমায়েকৰ ওপৰতে এৰিলে। যাবলৈ ওলাই হঠাতে তেওঁ মাকৰ ভৰি চুই সেৱা কৰিলে—যি প্ৰথা তেওঁ সৰুতেই কিছুমান পৰস্পৰ বিৰোধী কথাৰ কাৰণে এৰিছিল। নেদেখাজনে হয়তো ভুলুক কৈছিল—এয়ে শেষ দেখা। অন্তৰৰ ভক্তি-প্ৰেম অঞ্জলি মাকৰ চৰণত অৰ্পি ভুলু ওলাই গ'ল। ভুলুৰ লগত লক্ষ্মীধৰ সহচৰ হ'ল।

তেওঁলোক যোৱাৰ দিনাৰ পৰাই মাকৰ অসুখ বৃদ্ধি পালে।

অমিয় আৰু লক্ষ্মীধৰে লক্ষ্ণৌ পাই নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাত যোগ দিয়ে। মালব্যৰ লগতে একেলগে অমিয় আছে। এদিন মালব্যই ক'লে, 'আজি আমি সোনকালে ওলাম। পণ্ডিত মতিলাল আহিব। একেলগে লক্ষ্ণৌ জেলত জৱহৰলাল আৰু

দেৱদাস গান্ধীক দেখা কৰি মিটিঙলৈ যাম।' অলপ পিছতে মতিলালৰ গাড়ী আহি পালেহি। দুয়ো গাড়ীত উঠিল। অমিয়লৈ কটাক্ষ কৰি মতিলালে ক'লে: 'কি গান্ধী হলা!' (সেই সময়ত অমিয়ৰ মূৰ খুৰোৱা, গাত এটি খাদীৰ হাত কটা চোলা—কঁকালত আঠু মূৰীয়া চুৰিয়া)। মতিলালৰ কথাত অমিয় ভীষণ ৰুষ্ট হৈছিল। কিন্তু উত্তৰ দিবলৈ নৌ পাওঁতেই তেওঁ নিজেই কৈ উঠিল—'গান্ধীয়ে আমাক কি কৰিলে আৰু কি কৰিব নেজানো।' কথাষাৰ শুনি অমিয়ৰ খং ৰাগ নাইকিয়া হ'ল। সঁচাই মতিলালৰ জীৱনতো কম পৰিবৰ্তন অহা নাই।

লক্ষ্ণৌত হোৱা কংগ্ৰেছ সভাত যোগ দি অমিয় আৰু লক্ষ্মীধৰে কেইদিনমানৰ বাবে মালব্যৰ অনুৰোধত বেনাৰসলৈ গৈছিল। লক্ষ্ণৌত থাকোঁতেই অমিয়ৰ জ্বৰ উঠিছিল। বেনাৰসৰ পৰা ঘূৰি কলিকতা পাওঁতে তেওঁৰ অসুখ আৰু বৃদ্ধি পায়। জ্বৰীয়া গাৰে কলিকতাত ডাঃ বংশী বৰুৱাৰ লগত এৰাতি কটালে। পিছ দিনা গুৱাহাটী বুলি যাত্ৰা কৰিলে।

মাকে কিন্তু অমিয়লৈ বাট নেচালে। ১৯২২ চনৰ ২০ জুনত মাকৰ পৰলোক প্ৰাপ্তি ঘটিল। মৃতকৰ প্ৰায় সকলো কামেই মোমায়েকে কৰিলে।

গুৱাহাটীত অমিয়ই হেম বৰুৱা আৰু কামাখ্যাৰাম বৰুৱাক লগ ধৰিছিল। কামাখ্যাৰাম বৰুৱাই কৈছিল—তুমি তেজপুৰলৈ যোৱা গৈ—মাৰাৰ টান বুলি শুনিছো। তেজপুৰৰ জাহাজঘাটত কেৰাণী এজনে অমিয়ক কৈছিল আপোনাৰ নিচিনা দুৰ্ভগীয়া কেৱে নাই। মাকৰ মৃত্যুৰ সময়ত আপুনি থাকিব নোৱাৰিলে? এই কথা কেইশাৰীয়ে অমিয়ক শেলে হনাদি হানে। পিছৰ কালতো মাকৰ মৃত্যু তিথিত অমিয়ৰ কাণত এই কথা কেইশাৰী বাজি থাকে—হয়তো মোৰ মৃত্যুৰ সময়তো ময়ো কাকো বিচাৰি নেপাম।

অমিয়ই খবৰ পাওঁতে তিনিদিন পাৰ হৈ গৈছিল। মাকৰ পঁচিশ বছৰীয়া বৈধব্যকাল চোৱাত অমিয়ৰ লগত বিশেষ যোগাযোগ

নাছিল বুলিলেই হয়। কলিকতালৈ যোৱাৰ পৰা অমিয়ৰ ঘৰৰ লগত থকা টান প্ৰায় শেষ হৈছিল। আনকি দুয়োৰে মাজত চিঠি-পত্ৰ চলাচলো বৰ কম হৈছিল। অমিয়ৰ কিন্তু মাকৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ভক্তি আছিল।

ব্ৰতাচাৰী ভুলুক কিন্তু ৰাইজে নেপাহৰিলে। ৰাইজক ‘কেপ্তেইন’ক লাগে। অমিয়ক কৰ্তব্যই হাত বাউল দি মাতিলে। লগৰ কংগ্ৰেছ কৰ্মী আহি ঘৰতে ওলাল। অমিয় যাব লাগে বেছেৰীয়ালৈ। মাকৰ মৃত্যুৰ লগে লগে যাযাবৰী জীৱনৰ ঘৰৰ লগত থকা টান কণো শেষ হৈ গ'ল।

অমিয় প্ৰকৃতাৰ্থত ৰাইজৰ মানুহ হ'ল।

সপ্তম অধ্যায়

অৱসাদ ! অৱসাদ !

হঠাতে আন্দোলন বন্ধ হৈ যোৱাত দুজন তৰুণ দেশকৰ্মী সম্পূৰ্ণ বেকাৰ হ'ল। আন্দোলনৰ নামত দিন নাই—ৰাতি নাই—সময় নাই—অসময় নাই, খালি ঘূৰা—কাম কৰা—বক্তৃতা দিয়া—সূতা কটা—মৰিবলৈ সময় নাই। কিন্তু এতিয়া—

অমিয় আৰু হেম বৰুৱাৰ বাবে এতিয়া সময় নেযায় দুপুৱায়। অফুৰন্ত সময়। কি কৰি সময় কটোৱা যায়? নিৰ্কৰ্মা হৈ থাকিব নোৱাৰি। দিনে-ৰাতিয়ে সূতা-কাটিও জানো সময় পাৰ কৰিব পাৰি? আৰু সূতা কাটিলেই জানো পেট ভৰিব? চাকৰি অথবা ব্যৱসায় কৰি ধন অৰ্জাৰ সপোন তেওঁলোকে কোনোবা কালতে বিসৰ্জন দিছিল। ইতিমধ্যে বহুতো উকিলে ওকালতিত ধৰিলে। আন্দোলনত নমা বহুতো ছাত্ৰ পুনৰ স্কুল-কলেজলৈ ঘূৰি গ'ল। দুই / একে চাকৰি / ব্যৱসায়ত নামিল। অসমত তেতিয়ালৈকে কোনো ধৰণৰ গঠনমূলক আঁচনি কৰ্মক্ষেত্ৰত ৰূপান্তৰিত হোৱা নাছিল। ভাৰতৰ অন্যান্য ঠাইত বহুতো নিঃস্বাৰ্থ দেশকৰ্মীয়ে এনেবিলাক অনুষ্ঠানত সোমাই দেশ-মাতৃকাৰ সেৱা কৰিছিল। অমিয় আৰু হেম বৰুৱাৰ বাবে সেই পথো বন্ধ আছিল—যিহেতু তেতিয়ালৈকে তেনে অনুষ্ঠান অসমত গঢ়ি উঠা নাছিল।

সেই সময়ৰ মনৰ ভাব ব্যক্ত কৰি অমিয়ই ডায়েৰীৰ পাতত লেখিছে ঃ

> দেশত এটা অৱসাদ। এবছৰৰ ভিতৰত স্বৰাজ হ'ব সেই আশাতেই সকলো ভোল গৈ আছিল। সেইবাবে এবছৰ পাৰ হৈ যোৱাত অৱসাদৰ মাত্ৰা বাঢ়িল। আকৌ গাঁৱলৈ গৈ দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা বুজাবলৈ যত্ন কৰাটো তেতিয়া একান্ত প্ৰয়োজনীয় কথা আছিল।

কিন্তু কর্মীসকলৰ নিজৰ মনতেই এটা বিৰাট অৱসাদ সম্মুখত ভৱিষ্যতৰ এখন ৰঙীন ছবিয়ে কর্মীৰ মনত উত্তেজনা আনি তেওঁক আগবঢ়াই নিছিল—কিন্তু এতিয়া সেই ৰঙীন ছবি নাই।

জোৰকৈ মনৰ পৰা অৱসাদৰ ভাব গুচাবলৈ অমিয়ই দৰং জিলাৰ গাঁৱে-গাঁৱে ভ্রমি ফুৰে। বিদেশী বর্জন আৰু স্বদেশী প্রচলনৰ কথা সভাই সমিতিয়ে ৰাইজক কৈ ফুৰে। মাজে মাজে গান্ধীজীৰ কথাও কয়—দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ কথাও কয়। কিন্তু কর্মীসকলৰ উৎসাহ আৰু উদ্যম যেন নাই।

১৯২২ চনৰ ২৬ ডিচেম্বৰৰ পৰা গয়াঁত জাতীয় কংগ্রেছৰ বছেৰেকীয়া অধিবেশন চিত্তৰঞ্জন দাসৰ সভাপতিত্বত বহে। সভালৈ হেমচন্দ্র বৰুৱা, অমিয় আদি গৈছিল। গান্ধী-বিহীন কংগ্রেছত ইতিমধ্যে মতান্তৰে দেখা দিছে। কাউন্সিলত প্রৱেশ কৰি চৰকাৰৰ দোষ-ত্রুটি সমালোচনা কৰি চৰকাৰী শোষণ নীতিক বাধা দিয়াৰ উদ্দেশ্যে স্বৰাজ্যদল গঠনৰ প্রস্তাৱ দিলে সভাপতি চিত্তৰঞ্জন দাসে। তেখেতক সমর্থন জনালে মতিলাল নেহৰু, শ্রীনিবাস আয়েঙ্গাৰ, তৰুণৰাম ফুকন আদিয়ে। আনহাতে তেওঁলোকক বিৰোধীতা কৰিলে ৰাজাগোপালাচাৰী, বল্লভভাই পেটেল, ডাক্তৰ আনসাৰি আৰু ৰাজেন্দ্রপ্রসাদে। পিছৰ দলটো 'ন'চেঞ্জাৰ্চ' নামে অভিহিত হ'ল। দাসৰ প্রস্তাৱ ১৭৪০-৮৯৪টা ভোটত অগ্রাহ্য হ'ল। ন'চেঞ্জাৰ্চ দলৰ অভিমত হ'ল সংসদী ৰাজনীতিয়ে জাতীয় সংগ্রামৰ সঞ্চিত শক্তি ক্ষয় কৰিব—তাৰ সলনি সকলোকে গান্ধীজীৰ গঠন-মূলক কার্যক্রমত অংশ গ্রহণ কৰিবলৈ দলে আহ্বান জনায়। দাসে গয়াঁতে তেওঁৰ সমর্থকসকলৰ সৈতে স্বৰাজ্যদল গঠন কৰে। দাসে কংগ্রেছ সভাপতিৰ পদো ইস্তফা দিয়ে।

গয়াঁ কংগ্রেছ পাৰ হৈ গ'ল। ডেকা কর্মীসকলে কোনো ধৰণৰ কাম কৰাৰ প্রেৰণা নেপালে। অসম কংগ্রেছৰ সংগঠনৰ ক্ষেত্রত সেই সময়ত যথেষ্ট শিথিলতা আৰু নিষ্ক্রিয়তা প্রকাশ পাইছিল।

বেছিভাগ বয়োজ্যেষ্ঠ নেতা কাৰাৰুদ্ধ হৈ থকাত সংগঠনৰ কামত চকু দিবলৈ মানুহ নাইকিয়া হ'ল। ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসম কংগ্ৰেছো ১৯২৩ চনৰ আগষ্টত দুটা ভিন্ন দলত বিভক্ত হয়। ১৮ আগষ্টত প্ৰদেশ কংগ্ৰেছৰ বিশেষ অধিৱেশন গুৱাহাটীত বহে। এই সভাতে তৰুণৰাম ফুকনে সভাপতি পদ ত্যাগ কৰাত কুলধৰ চলিহা সভাপতিৰূপে নিৰ্বাচিত হয়। অসমত সৰহসংখ্যক কংগ্ৰেছ কৰ্মীয়েই ন'-চেঞ্জাৰ্চদলত অন্তৰ্ভুক্ত হৈছিল। স্বৰাজ্যদলে নিৰ্বাচনত নমাত অসমৰ সকলো কংগ্ৰেছ কৰ্মীয়েই তেওঁলোকক সৰ্বতোপ্ৰকাৰে সহায় কৰিছিল। নিৰ্বাচনত স্বৰাজ্যদলে যথেষ্ট সফলতা আৰ্জে। অমিয়ই তৰুণৰাম ফুকনৰ নিৰ্বাচনী সভাবোৰত যোগ দি বহু সভাত বক্তৃতা দিছিল। এই নিৰ্বাচনত স্বৰাজ্যদলৰ প্ৰাৰ্থী তৰুণৰাম ফুকন আৰু কামিনীকুমাৰ চন্দ কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হৈছিল। অসম কাউন্সিলৰ সভাত স্বৰাজ্য আৰু স্বতন্ত্ৰ দুয়োদলৰে মুঠ ১৬ জন সদস্য আছিল। দলৰ নেতা আছিল ফৈজনুৰ আলি।

নিৰ্বাচন শেষ হ'ল। আকৌ চাৰিওফালে অৱসাদ। অমিয়ৰ মনৰ ভাবে ডায়েৰীৰ পাতত প্ৰকাশ পালে :

> যি উদ্দীপনা আৰু উদ্যমৰে সৈতে আমি ১৯২১ চনত অসহযোগ আন্দোলনত নামিছিলো—সেই উদ্যম উদ্দীপনা নোহোৱা হ'ল ১৯২২ চনৰ গয়া কংগ্ৰেছৰ পাছত। কাউন্সিলৰ মজিয়াত যুদ্ধক্ষেত্ৰ সীমাবদ্ধ কৰি নেতাসকল তালৈ ওলাল, কিন্তু ডেকাহঁতে কি কৰে ? ডেকাসকলৰ যি কাৰ্য্যশক্তি কেন্দ্ৰীভূত কৰি দেশত জাগৰণ আনিবলৈ প্ৰয়োগ কৰা হৈছিল অসমৰ নেতৃত্বই সেই কাৰ্য্যশক্তিক স্থায়ীভাৱে কামত লগাবলৈ চেষ্টা নকৰিলে। আন কিছুমান প্ৰদেশত সংগঠনমূলক কিছুমান অনুষ্ঠান গঢ়ি উঠাত তেনেবিধৰ অনুষ্ঠানত ডেকা কৰ্মীসকলৰ সংস্থান হ'ল। ঢৌৰ পিঠিত উঠি ঢৌক নিয়ন্ত্ৰণ কৰি কাৰ্য্যশক্তি সৃষ্টিৰ ঘটোৱাৰ ক্ষমতা অসমৰ নেতৃত্বৰ নাছিল।

ইতিমধ্যে গান্ধীজীয়ে সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লৈ অস্পৃশ্যতা বৰ্জন, হিন্দু মুছলমানৰ ঐক্য-সাধন আদি গঠনমূলক কৰ্ম আঁচনিত শক্তি আৰু সময় প্ৰয়োগ কৰাৰ সিদ্ধান্ত লয়। গান্ধীজীয়ে যঁতৰত সূতা কটাৰ ওপৰত বেছি গুৰুত্ব দিছিল। গান্ধীজীৰ মতে ভাৰতৰ সাত লক্ষ গাঁৱৰ প্ৰত্যেক ঘৰতে যঁতৰ প্ৰতিষ্ঠিত হ'লেই ভাৰতৰ চল্লিশ কোটি লোকে দৰিদ্ৰতাৰ পৰা সকাহ পাব। তেওঁ প্ৰতিজন কংগ্ৰেছ কৰ্মীকে দৈনিক এঘণ্টাকৈ সূতা কাটিবলৈ নিৰ্দেশ দিছিল। এই উদ্দেশ্যে গান্ধীজীৰ নেতৃত্বত নিখিল ভাৰত শিপিনী সংঘই ফলপ্ৰসূ কাৰ্য্য পদ্ধতি লয়। অসমতো খাদীবোৰ্ড গঠন হয়— কৃষ্ণনাথ শৰ্মাই সম্পাদকৰ দায়িত্ব লয়। অসমৰ কংগ্ৰেছী নেতাসকলে সংসদী ৰাজনীতিত ব্যস্ত হৈ গঠনমূলক কৰ্ম আঁচনিৰ প্ৰতি সম্পূৰ্ণ অৱহেলা আৰু আওকাণ কৰিলে। ফলত ডেকাকৰ্মীসকলৰ সমুখত সমস্যাই দেখা দিলে—কঃ পন্থা ?

দুই বন্ধুৱে—অমিয় আৰু হেম বৰুৱাই শেহত ঠিক কৰিলে গুৱাহাটীৰ উজান বজাৰত এখন গেলামালৰ দোকান দি অন্ন-সংস্থানৰ লগে লগে কংগ্ৰেছৰ কাম কৰি যাব। ফাঁচী বজাৰলৈ গৈ মহাজনৰ পৰা মাল সংগ্ৰহ কৰি দগা-পাল্লা লৈ চাউল-দাইল জুখি গ্ৰাহকক দিবলৈ ধৰিলে। লাহে লাহে নগদ দি খোৱাতকৈ বাকী-খোৱাৰ সংখ্যা বাঢ়ি গ'ল। 'বিক্ৰেতা দুগৰাকীৰ উদাৰতাৰ সুযোগ লৈ খৰিদ্দাৰসকলে শোষণৰ বিৰুদ্ধে যুদ্ধ কৰা দুগৰাকীকে শোষণ কৰিলে'। দোকান বন্ধ হ'ল। দেনা-পাওনা ইমান বাঢ়িলগৈ যে শেহত হেমচন্দ্ৰ বৰুৱাৰ পৈত্ৰিক সম্পত্তি মাটি এটুকুৰাও মহাজনৰ হাতলৈ গ'ল। হেমচন্দ্ৰ বৰুৱাই উপায় বিহীন হৈ আকৌ ১৯২৪ চনত আইন শিক্ষা সম্পূৰ্ণ কৰিবলৈ কলিকতালৈ গুচি গ'ল। ১৯২৫ চনত তেওঁ বি-এল পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীতে ওকালতি কৰিবলৈ আৰম্ভ কৰে।

অমিয়ইও একালত আইনৰ শিক্ষা লভিছিল। তাক সম্পূৰ্ণ নকৰাকৈ তেওঁ আন্দোলনত জঁপিয়াই পৰিছিল। আকৌ ছাত্ৰ-জীৱনলৈ তেওঁ উভতি যাবলৈ মন নকৰিলে।

অমিয়ক এইবাৰ সংবাদ সেৱাই টানিলে। ১৯২৩ চনৰ আগষ্টত তেওঁৰ বন্ধু ধীৰেন্দ্ৰনাথ আগৰৱালাৰ পৰা আহ্বান আহিল ডিব্ৰুগড়লৈ গৈ 'সাদিনীয়া অসমীয়া'ৰ সম্পাদক মণ্ডলীত যোগ দিয়াৰ বাবে। এই কাকতৰ স্বত্বাধিকাৰী আছিল চন্দ্ৰকুমাৰ আগৰৱালা। সাংবাদিকতা এক স্বাধীন ব্যৱসায়। অমিয়ই বিনা দ্বিধাই এই আহ্বান গ্ৰহণ কৰিলে। 'অসমীয়া'ই ইতিমধ্যে কংগ্ৰেছ দলৰ মুখপত্ৰৰূপে ৰাইজৰ ওচৰত সুপৰিচিত হৈ পৰিছিল। ৰাজনৈতিক অভিমত ব্যক্ত কৰাত কাকতখনে বজ্ৰাঘৰৰ অশুভ দৃষ্টিত পৰিছিল। অসমীয়া ৰাইজৰ মাজত স্বৰাজৰ প্ৰবল স্পৃহা আৰু স্বাধীনতাৰ অদম্য আকাঙ্ক্ষা জন্মোৱাই 'অসমীয়াৰ মূল উদ্দেশ্য' বুলি কাকতখনে স্বনীতি ঘোষণা কৰিছিল। দ্বিতীয় বছৰত ভৰি দিয়ে (১৮৪৯ শক)—"অসমীয়া"ই আকৌ ঘোষণা কৰে:

> মানৰ আক্ৰমণৰ পাছত ইংৰাজৰ অধীনলৈ দেশ অহাৰ পিছত অসমীয়াৰ সমাজ ভাগিল, অসম দেশ বকৰাণি হ'ল। বাকনিৰ মাজত দুই/এজোপা গছ পাব পাৰি, কিন্তু অধিকাংশই দুৰ্বল, নিস্তেজ, আওকঠীয়া গছ। দেশৰ শতকৰা ৯০ জনৰ অৱস্থা শোচনীয়। সেই পতনৰ শিক্ষাকে সাৰোগত কৰি লৈ যাতে বৰ্তমানৰ অসমীয়া আগবাঢ়িব পাৰে—তাৰবাবেই আমি যত্ন কৰি আহিছো।

'অসমীয়া'ত যোগ দিয়ে অমিয়ই বাতৰি যোগনিয়াৰ হিচাপে গ'ল ডিব্ৰুগড়ৰ ওচৰৰ গৰুমৰা চাপৰিত মিৰি গাঁওত জুই লগাই মিৰি-সকলক কেনেকৈ উচ্ছেদ কৰা হৈছে তাক চাবলৈ কাগজত প্ৰত্যক্ষ-দৰ্শীৰ বৰ্ণনা ওলাল। গোলাঘাটৰ ওচৰৰ উখাবাগানত চাহাবৰ গোৰত তেহলু নামৰ বণুৱা এজনৰ মৃত্যু হোৱা বাতৰি। নকছাৰীৰ ওচৰৰ ৰাজহুৱা পথ বাগানৰ চাহাবে বন্ধ কৰাৰ বাতৰি—আদি বিভিন্ন বাতৰি 'অসমীয়া'ই পৰিবেশন কৰিলে। ডুমডুমা অঞ্চলৰ হাঁহচৰা বাগিচাৰ এটি ঘটনাৰ সম্পৰ্কত মেজিষ্ট্ৰেটে দিয়া ৰায়ৰ ওপৰত "অসমীয়া"ই কৈছিল: "আজি আচামী কেইজন ক'লা নহৈ বগা

হোৱা হলে আদালতৰ বিচাৰো অন্য হ'লহেঁতেন—তাত কোনো সন্দেহ নাই।” উথা বাগিচাৰ তেহলুৰ মৃত্যু সংক্ৰান্ত বিচাৰত যোৰহাটৰ ছেশ্যন আদালতে বেটীক (বাগিচাৰ চাহাব) নির্দোষী বুলি ৰায় দিছিল। কিন্তু ইতিমধ্যে জনমতৰ হেঁচাত অসমৰ গৱৰ্ণৰ ল'ৰী হেমণ্ডে ছেশ্যন আদালতৰ ৰায়ৰ বিৰুদ্ধে কলিকতা হাইকোর্টত আপিল কৰাত বেটীক হাইকোর্টে তিনিমাহকাল সশ্রম কাৰাদণ্ড আৰু ২০০ টকাৰ জৰিমনা কৰে। জৰিমনাৰ টকা তেহলুৰ বিধৱা ঘৈণীয়েকক দিবলৈ কোর্টে নির্দেশ দিয়ে। নকলেও হ'ব 'অসমীয়া'ই পঢ়ুৱৈ সমাজৰ মাজত এক আলোড়নৰ সৃষ্টি কৰিছিল।

ডিব্ৰুগড়ত থাকোতেই এবাৰ অমিয় ক'লাজ্বৰত আক্রান্ত হয়। কাহিলে তেজ ওলায়। টি-বি বুলিয়েই প্রথমতে সকলোৱে সন্দেহ কৰিছিল। গোটেই দেহৰ বৰণ ক'লা হৈ পৰিছিল, মূৰৰ চুলি সৰি নাইকিয়া হৈছিল। খীণাই-শুকাই অৱস্থা নাইকিয়া হ'ল। সেই অৱস্থাৰে অমিয় তেজপুৰ পালেহি। তাত চিকিৎসাৰ সুব্যৱস্থা নোহোৱাত জাহাজেৰে গুৱাহাটী পায়হি। সেই সময়ত ডাঃ ভুবনেশ্বৰ বৰুৱা কলিকতাত থকাত অমিয়ো কলিকতালৈ যায় গৈ। তাত ডাক্তৰ বৰুৱাই ক'লাজ্বৰৰ নৱ আৱিষ্কৃত 'ব্রহ্মচাৰী' ইনজেকচন দি তেওঁক সুস্থ কৰি তোলে।

কিছুদিনৰ পিছত “অসমীয়া” কাকত আৰু নিউ প্ৰেছ ডিব্ৰুগড়ৰ-পৰা উঠি আহি গুৱাহাটীৰ খাৰঘুলি অঞ্চলত থিতাপি লাগেহি। এই কালচোৱাত অমিয়, হেমচন্দ্র বৰুৱা, হেম হাজৰিকা আৰু কিছুদিনৰ পিছত নিত্যানন্দ বৰদলৈ আহি একেলগে গুৱাহাটীৰ উজান বজাৰৰ ভাস্কৰ নাট্য মন্দিৰৰ ওচৰত এটা ভেবোণীয়া ঘৰত 'মেছ' কৰি আছিল। ঘৰটোৰ মালিক আছিল তেজপুৰৰ প্ৰতাপ চন্দ্ৰ হাজৰিকা। মেছ-বাসী আটাইকেউজনেই আছিল '২১ চনৰ অসহযোগী বিপ্লৱী। প্ৰেছৰ মেনেজাৰ আছিল তেজপুৰৰে দণ্ডৰাম বৰুৱা। এই প্ৰেছৰপৰাই সেই সময়ত “বাঁহী,” “মিলন” আদি মুদ্রিত হৈছিল।

মেছটোৱে নিকটতম প্ৰতিবেশী অতুলচন্দ্ৰ হাজৰিকাই তাক 'কেৰলীয়া সত্ৰ' বুলি অভিহিত কৰিছে। হাজৰিকাই লেখিছে :

> ধৰ্মীয় সত্ৰ নহয় ৰাজনীতি আৰু সমাজ সেৱাৰ সত্ৰহে··· আটাইকেউজনেই আছিল মহাত্মা গান্ধীৰ কংগ্ৰেছৰ আদৰ্শৰে উদ্বুদ্ধ। সেই কাৰণে তেওঁলোকে সেই বাহৰত স্বাৱলম্বী জীৱন অৱলম্বন কৰিছিল। নামত লিতিকাই এডুখৰি আছিল যদিও তেওঁলোকে নিজে ৰন্ধা-বঢ়া কৰিছিল। নিজৰ নিজৰ কাঁহীবাতি ধুইছিল, কাপোৰ ধুই লৈছিল, ঘৰ সাৰিছিল অৰ্থাৎ প্ৰতিজনেই গৃহিণীৰ কামো কৰিছিল, ৰান্ধনিৰ কামো কৰিছিল, লগুৱাৰ কামো কৰিছিল···

অমিয়ৰ কাম বহুত। অকল সম্পাদকৰ কাম লৈয়ে ব্যস্ত নাছিল। বেচৰকাৰীভাৱে মেনেজিং ডিৰেক্টৰো আছিল। কোনো প্ৰেছ কৰ্মীৰ অসুখ-বিসুখ হ'লে ডাক্তৰক মতাই চিকিৎসাৰ ব্যৱস্থা কৰা, প্ৰেছৰ কৰ্মীসকল থকাৰ বাবে খাৰঘুলিত ঘৰ-দুৱাৰ সজাই দিয়া— আসাম প্ৰিণ্টাৰ্চ এণ্ড পাবলিচাৰ্চ লিমিটেডৰ বাবে অংশ (share) বিক্ৰী কৰা ইত্যাদি কামো তেওঁ কৰিছিল।

এই সময়ত অমিয়ই বাতৰি কাকত সম্পাদনা কৰাৰ উপৰিও অন্যান্য আলোচনী আৰু সৰু সৰু পুস্তিকা লেখিছিল। তাৰ উপৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে গঠন কৰি দিয়া কানি নিবাৰণী তদন্ত কমিটিৰ সভ্য হিচাপে অসমৰ বিভিন্ন ঠাই লৈ গৈ বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰপৰা সাক্ষ্য গ্ৰহণ কৰিছিল। এই তদন্ত কমিটিৰ প্ৰতিবেদনখন ১৯২৫ চনত জেনেভাত বহিব লগা বিশ্ব আফিং সন্মিলনত যাতে তুলিব পাৰি তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছিল। এই ক্ষেত্ৰত অসমক সহায় কৰিবলৈ নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ৰেভাৰেণ্ড চি-এফ-এণ্ড্ৰুজক অসমলৈ পঠাইছিল। কমিটিৰ সম্পাদক আছিল ৰোহিণীকান্ত হাতীবৰুৱা। প্ৰায় ৪০০ লোকে কমিটিৰ আগত সাক্ষ্যদান কৰে। প্ৰতিবেদনত কানি ব্যৱসায় বা চৰকাৰে কেনেকৈ

এটা লাভজনক ব্যৱসায় কৰি তুলিছে তাক পৰিকাৰকৈ দেখুৱাইছিল। চৰকাৰে কানিৰ প্ৰচলন বন্ধ কৰিবলৈ যি বোৰ ব্যৱস্থা লৈছে সেইবোৰ ভুৱা। কমিটিয়ে পাঁচ বছৰৰ ভিতৰত অসমৰপৰা কানি নিৰ্মূল কৰিবলৈ Dangerous Drug Act এখন প্ৰণয়ন কৰিবলৈ অনুমোদন জনায়

১৯১৬ চনৰ কাউন্সিল নিৰ্বাচনতো অমিয়ই স্বৰাজ্যদলৰ প্ৰাৰ্থীৰ জয়লাভৰ বাবে দেহেকেহে খাটিছিল। এই নিৰ্বাচনত আকৌ ৰোহিণীকান্ত হাতীবৰুৱা, নবীনচন্দ্ৰ বৰদলৈ আদি এঘাৰ জনে জয় লাভ কৰে। ইতিমধ্যে স্বৰাজ্যদলে দেশৰ বিভিন্ন ঠাইত হোৱা লোকেল বোৰ্ড, মিউনিচিপেল বোৰ্ড নিৰ্বাচনত অংশ লৈ কৃতিত্ব লভে। কাউন্সিল প্ৰৱেশ নীতিক সমৰ্থন জনাই "অসমীয়াই" লেখিছিল ঃ

> ·· গৱৰ্ণমেণ্টৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰি গৱৰ্ণমেণ্টক পৰাস্ত কৰা আমাৰ পক্ষে অসম্ভৱ। আমাৰ বাবে একমাত্ৰ বাট আছে জন-সংগঠন আৰু কাউন্সিল আদিত প্ৰতিৰোধ।

কাকতখনে 'স্বৰাজিষ্ট'সকলক সকিয়াইছিল···

> দেশৰ ৰাজনীতিকসকলে যেতিয়ালৈকে গাঁৱলীয়া প্ৰজাৰ মাজত ৰাজনৈতিক অধিকাৰৰ স্পৃহা জগাবলৈ চেষ্টা নকৰিব, তেতিয়ালৈকে কাউন্সিলত প্ৰতিৰোধ নীতি (obstruction) নাইবা প্ৰতিদানমূলক সহযোগ নীতি (Responsive Cooperation) লৈ যিমানেই চিঞৰ বাখৰ কৰক—তাৰদ্বাৰা একোৱেই নহয়।....

১৯২৬ চনৰ ডিচেম্বৰ মাহত পাণ্ডুত শ্ৰীনিবাস আয়েঙ্গাৰৰ সভাপতিত্বত কংগ্ৰেছৰ ৪১তম বাৰ্ষিক অধিৱেশন বহে। অসমলৈ কংগ্ৰেছ মাতিছিল মূলতঃ ৰোহিণীকান্ত হাতীবৰুৱা আৰু কৃষ্ণনাথ শৰ্মাই। পাণ্ডু কংগ্ৰেছৰ অভ্যৰ্থনা সমিতিৰ যথাক্ৰমে সভাপতি আছিল তৰুণৰাম ফুকন আৰু সম্পাদক নবীনচন্দ্ৰ বৰদলৈ। অমিয় আৰু হেমচন্দ্ৰ বৰুৱাৰ ওপৰত প্ৰচাৰ বিভাগৰ যুটীয়া সম্পাদকৰ দায়িত্ব ন্যস্ত হৈছিল। কংগ্ৰেছ অধিৱেশনৰ বাবে অমিয় আৰু

হেমচন্দ্ৰ বৰুৱাই উজনি অসম ভ্ৰমণ কৰি চাহবাগিচাবিলাকৰপৰা প্ৰায় দহ হেজাৰ টকা সংগ্ৰহ কৰি দিয়ে। এই টকা সংগ্ৰহ কৰোঁতে তেওঁলোকৰ ব্যক্তিগতভাৱে পঞ্চাশ-ষাঠি টকা মানহে খৰচ হৈছিল। বহুতো ঠাইলৈ দুয়ো খোজ কাঢ়িয়ে গৈছিল। বাগিচাৰ কৰ্মচাৰী-সকলে ২৫ টকা দি অভ্যৰ্থনা সমিতিৰ সভ্য হৈছিল। অধিৱেশনৰ মুৰামুৰি সময়ত অভ্যৰ্থনা সমিতিয়ে আশানুৰূপ টকা তুলিব নোৱৰাত অমিয়ই ফুকন আৰু বৰদলৈৰ অনুৰোধত তেওঁৰ বন্ধু ধীৰেন্দ্ৰনাথ আগৰৱালাৰপৰা দহ হেজাৰ টকাৰ ঋণ লয়। (আনৰদ্বাৰা এই টকা পোৱা সম্ভৱ নাছিল) অধিৱেশনত আশাকৰা মতে টকা নুঠাত এই ধাৰ থাকি যায়। শেষত এই ধাৰ আগৰৱালাই স্বইচ্ছাৰে এৰি দিয়ে।

"অসমীয়াই" (২৬ আঘোন, ১৮৪৮ শক) কংগ্ৰেছ মহাসভাত যোগ দিবলৈ ৰাইজক আহ্বান জনাইছিল:

> অসম আৰু অসমীয়াৰ জাতীয় জীৱনত এক নতুন যুগৰ সূচনা কৰি এইবাৰ গুৱাহাটীৰ পাণ্ডু নগৰীত ভাৰতৰ জাতীয় মহাযজ্ঞৰ মহা আয়োজন। ...কংগ্ৰেছত যোগ দিবলৈ অহা প্ৰত্যেক অসমীয়াই পৱিত্ৰ স্বদেশী কাপোৰ পিন্ধি এই মহাযজ্ঞলৈ অহা উচিত। স্বদেশীয়েই এই যজ্ঞৰ মূলমন্ত্ৰ। সেইবাবে প্ৰত্যেক অসমীয়াই নিজৰ ঘৰত বোৱা এড়ী, মুগা, নাইবা কপাহী কাপোৰ পিন্ধি পৱিত্ৰমনৰে এই মহাযজ্ঞত যোগ দিয়েহি যেন।

পাণ্ডু কংগ্ৰেছে ৰাইজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাত কিমানদূৰ সফল হৈছিল—এই কথা পৰ্যবেক্ষণ কৰি "অসমীয়াই" (১৩ চ'ত, ১৮৪৮ শক) লিখে:

> ৪১তম কংগ্ৰেছ মহাসমাৰোহেৰে গুৱাহাটীত হৈ গ'ল। কিন্তু কংগ্ৰেছৰ মহাত্মা গান্ধী প্ৰমুখ্যে ভাৰতৰ নেতাসকলৰ সমাগমত আৰু তেখেতসকলৰ প্ৰাণস্পৰ্শী বাণীত জন-সাধাৰণৰ মাজত স্বৰাজ স্পৃহাৰ যে কিবা ভাব হৈছে

> বুলিতো আজিও বুজিব পৰা নগ'ল। মুঠতে ক'ব লাগিলে গোটেই ভাৰত জুৰি এটা অৱসাদৰ ভাব হৈছে। ....গঠন-মূলক কামৰ আঁচনিৰ অভাৱত, নেতৃত্বৰ অভাৱত—জাগি উঠা কৰ্মশক্তি প্ৰায় নিশ্চিহ্ন হ'ল।

অসমৰ চাহ-বাগিচাৰ বনুৱাৰ সামাজিক / অৰ্থনৈতিক দুৰৱস্থাৰ কথা তেতিয়া কাচিৎহে বহিঃজগতত প্ৰকাশ পাইছিল। আনকি ভাৰতৰ ক্ষেত্ৰতেই ট্ৰেড ইউনিয়ন আন্দোলনে সদ্য জন্মপ্ৰাপ্তি লাভ কৰিছিলহে মাত্ৰ। অসমত শ্ৰমিক আন্দোলন কৰা অথবা শ্ৰমিক সংগঠন কৰা কথাটো তেতিয়াও সম্পূৰ্ণ নাভূত-নাশ্ৰুত কথা আছিল। কোনো কোনো ঠাইত কংগ্ৰেছ কৰ্মীসকলে চাহ-বাগিচাত সোমাই মহাত্মাৰ বাণী প্ৰচাৰ কৰাৰ লগতে বনুৱাসকলক আন্দোলনলৈ আনিবলৈ চেষ্টা কৰিছিল। '২১ চনৰ আন্দোলনৰ সময়ত বহুতো কংগ্ৰেছ কৰ্মী বাগিচাবিলাকত সোমাইছিল। কিন্তু কংগ্ৰেছ কৰ্মী দেখিলেই বাগিচাৰ কৰ্তাসকলৰ ধৈৰ্যচ্যুতি ঘটে। তেওঁলোকক নানা ধৰণে অপমান আৰু অপদস্থ কৰে। বাগিচাৰ ভিতৰুৱা বাটেদি বাহিৰৰ কোনো মানুহেই অহা-যোৱা কৰিব নোৱাৰে। বহুতো ঠাইত কংগ্ৰেছ কৰ্মীয়ে বাগিচাৰ কৰ্তৃপক্ষই পতা হাট-বৰ্জন আন্দোলন কৰিছিল। এইবিলাক কাৰণতো দুয়োপক্ষৰ মাজত নানা তিক্ততাৰ সৃষ্টি হৈছিল।

কোনো কোনো বাগিচাত গান্ধীজীৰ ভাবমূৰ্তি আৰু কংগ্ৰেছ আন্দোলনে বনুৱাৰ ওপৰত বিশেষ প্ৰভাৱ পেলাইছিল। পোন প্ৰথমে সদৌ ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সদস্য এন্ এন্ যোশীয়ে অসমৰ চাহ বাগিচাৰ বনুৱাক লৈ এটা শ্ৰমিক সংগঠন কৰাৰ প্ৰচেষ্টা চলায়। এই উদ্দেশ্যে এই কামৰ দায়িত্ব নগাঁওৰ কনকচন্দ্ৰ শৰ্মাৰ ওপৰত দিয়ে। শৰ্মা হঠাতে অসুস্থ হৈ পৰাত এই কামত বিশেষ আগবাঢ়িব নোৱাৰিলে।

এনেতে তৰুণৰাম ফুকনলৈ খবৰ আহিল—বৃটিছ ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ দুজন প্ৰতিনিধি পাৰ্লেমেণ্টৰ সদস্য মিঃ পাৰ্চেল আৰু

হলছৰ্থ অসমলৈ আহিব—চাহ বনুৱাৰ সম্পৰ্কে অনুসন্ধান কৰিবলৈ। ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈয়ে তেওঁলোকৰ ভ্ৰমণকালত সহায় কৰিবলৈ অমিয়ক অনুৰোধ কৰে। সেইমতে অমিয়ই তেওঁলোকৰ ভ্ৰমণ তালিকা প্ৰস্তুত কৰে।

১৯২৭ চনৰ ১২ ডিচেম্বৰত মিঃ পাৰ্চেল আৰু হলছৰ্থ অসম পায়হি। ১৩ তাৰিখে তেওঁলোক গৈ ডিব্ৰুগড় পায়গৈ। তাত তেওঁলোকে ৰজাভেটা বাগানৰ মালিক ৰোহিণীকুমাৰ বৰুৱাৰ ঘৰত উঠে। ডিব্ৰুগড়ত পানীতোলা বাগান, ডিগবৈ অইল কোম্পানী আৰু মাৰ্ঘেৰিটা আৰু লিডোৰ কয়লাখনি আৰু কেইখনমান ভাৰতীয় মালিকৰ চাহ বাগিচা চাই দলটো ১৯ তাৰিখে গুৱাহাটী পায়হি।

এই সময়তে ইংলণ্ডৰপৰা ফ্ৰেণ্ডচ্ অব্ ইণ্ডিয়া চোচাইটিৰ তৰফৰ পৰা হ'ৰাচ আলেকজেণ্ডাৰো কানি নিবাৰণী অভিযানত ভাগ ল'বলৈ আৰু এই বিষয়ে তদন্ত কৰিবলৈ অসম ভ্ৰমণত আছে। তেওঁৰ ভ্ৰমণ কালৰ সহচৰ আছিল ৰোহিণীকান্ত হাতীবৰুৱা।

অমিয়ই যদিও চাহাব দুজনৰ সহচৰ হৈ সকলো ঠাইত ঘূৰি ফুৰিছিল—বাগিচাৰ চাহাবসকলে নিমন্ত্ৰিত অতিথি দুজনৰ বাবে পতা ভোজমেলৰপৰা তেওঁক কিন্তু সদায় বাদ দিছিল। বগা-ক'লাৰ পাৰ্থক্য শাসক-শোষকৰ পাৰ্থক্য—এইবিলাক কথাই বাগিচাৰ চাহাবৰ মনক তেতিয়াও প্ৰভাৱন্বিত কৰিছিল। আনহাতে লেবাৰ পাৰ্টিৰ সদস্য দুজনৰ শ্ৰমিকৰ অৱস্থা জনাৰ প্ৰতি যি আগ্ৰহ আছিল সি প্ৰকৃততে অকৃত্ৰিম। গুৱাহাটীৰ ছাত্ৰসভাত পাৰ্চেলে ভাষণ প্ৰসঙ্গত কৈছিল ঃ

> আপোনালোকৰ চাহ আজি আন্তৰ্জাতিক বস্তু হৈছে। পশ্চিমীয়া জীৱনৰ মানদণ্ডত এটা প্ৰধান অঙ্গ-স্বৰূপ হৈছে। কিন্তু যিজন বনুৱাই আন্তৰ্জাতিক সমাজৰ মানদণ্ডত এই অৱদান দিছে সেইজন বনুৱাৰ কথা কোনেও নেজানে। ......এইখন দেশৰ আপোনালোকেই হৈছে বুদ্ধিজীৱী লোক। আপোনালোকে "কুলী" বুলি কিনাই থকা বনুৱা

> সকলক সংগঠন কৰা আপোনালোকৰ দায়িত্ব। আপোনা-লোকে মনত ৰাখিব যে চাহ আপোনালোকৰ সমাজৰ এটা প্ৰধান লাগতিয়াল অঙ্গ।

আনজন বনুৱা নেতা হ'লছৱৰ্থে কয় :

> আজি আমিও আপোনালোকক বনুৱা সংগঠনৰ কামত লাগিবলৈ কওঁ। আপোনালোকৰ দেশত চাহ বনুৱা ক্ৰীতদাসৰ দৰে। বনুৱাক লগ ধৰিবলৈ চাহবাগিচাত সোমাবলৈ দিয়া নহয়। কিন্তু আপোনালোক ডেকা, আপোনালোকে এই বনুৱাসকলক লগ ধৰিবলৈ বুদ্ধি উলিয়াওক।

১৯২৮ চনৰ জুলাই মাহত নেতা দুজনে বৃটিছ ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অধিৱেশনত অসমৰ চাহ-বনুৱা সম্পৰ্কে কৰা তদন্তৰ প্ৰতিবেদন দাখিল কৰে। ইংলণ্ডত এটলীৰ লেবাৰ পাৰ্টিৰ চৰকাৰ গঠন হোৱাৰ পিছতহে চাহ-বাগিচাবিলাকত ট্ৰেড ইউনিয়ন গঠনৰ পথ সুচল হয়।

অষ্টম অধ্যায়

অনিশ্চয়তাৰ মাজেৰে

আকৌ কলিকতা মহানগৰী !

আগতে অমিয়ই কলিকতাত ছাত্র হিচাপেহে আছিল—এইবাৰ আকৌ জীৱন নির্বাহৰ তাড়নাত আহি এইখিনি পালেহি। অমিয়ই 'সাপ্তাহিক অসমীয়া'ত মনৰ সন্তোষেৰে কাম কৰিছিল যদিও অহৰহ তেওঁক এটা কথাই অত্যন্ত পীড়া কৰিছিল। তেওঁ কেনেকৈ কংগ্রেছ অধিৱেশনৰ সময়ত ধীৰেন্দ্রনাথ আগৰৱালাৰপৰা লোৱা দহ হেজাৰ টকাৰ ঋণ পৰিশোধ কৰিব ? সেই বন্ধুৰ কাগজতে কাম কৰি তেওঁ জানো কেতিয়াবা ঋণ পৰিশোধ কৰিব পাৰিব ? —তেনেহ'লে উপায় ? —নাই যেনে তেনে এই ঋণ পৰিশোধ কৰিবই লাগিব— ১৯২৮ চনত অমিয়ই "সাপ্তাহিক অসমীয়া"ৰ লগত সকলো সম্পর্ক ছেদ কৰিলে।

কিন্তু কলিকতাত তেওঁ কি কৰিব ? খদ্দৰ পিন্ধা কংগ্রেছ কর্মীক কোনে সংস্থান দিব ? অথবা কোনে তেওঁক ব্যৱসায়ৰ অংশীদাৰ কৰিব ? —শেহত আকৌ সংবাদ সেৱাই শেষ সম্বল হ'ল। তেওঁ এদিন সুভাষচন্দ্ৰ বসুক সকলো কথা কোৱাত বসুৱে তেওঁক "ফৰৱাৰ্ড" কাকতৰ সম্পাদকীয় গোষ্ঠীত নিযুক্তি দিয়ে। এই সময়ত এই কাকতৰ গুৰি ধৰিছিল কংগ্রেছৰ বাওঁপন্থী নেতা সুভাষচন্দ্ৰ বসুৱে। সেই সময়ত কলিকতাৰ ৰাজনৈতিক পৰিবেশ অতি লেতেৰা, নিকৃষ্ট আৰু জঘন্যতম হৈ পৰিছিল। ৰাজনীতিৰ নামত মানুহ ইমান যে চৰিত্রহীন, অসাধু আৰু সুবিধাবাদী হ'ব পাৰে এই কথা গান্ধীৰ শিষ্য অমিয়ৰ বোধগম্যই হোৱা নাছিল। মহানগৰীৰ চিক্‌মিকীয়া আৱৰণৰ অন্তৰালত ৰাজনীতি নামৰ এটা বিষাক্ত সাপ সোমাই সমগ্র সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক জীৱনক এনেভাৱে যে

গ্ৰাস কৰিব পাৰে, পঙ্গু কৰিব পাৰে—তাক নেদেখিলে কোনেও উপলব্ধি কৰিব নোৱাৰিব। এইবিলাক দেখি শুনি অমিয়ৰো ৰাজনীতিৰ প্ৰতি ঘৃণাৰ ভাৱ উপজিছিল।

মালব্যৰ নিমন্ত্ৰণ পাই অমিয়ই এই সময়তে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ সমাবৰ্তন উৎসৱত যোগ দিয়েগৈ। ঘূৰি আহোঁতে এলাহাবাদত নামি মতিলাল নেহৰুক দেখা কৰে। মতিলালক তেওঁ এটা মুগাৰ কাপোৰৰ থান উপহাৰ দিয়ে। পিছত মতিলালে এই কাপোৰৰপৰা এটা ঘৰত পিন্ধা কাপোৰৰ কোট চিলাই লৈছিল। মতিলালৰ অনুৰোধত অমিয়ই "আনন্দ ভৱন"ত চাৰিটা দিন কটাব লগা হ'ল। মতিলালে অমিয়ক মৰমতে ৰোমিয়' বুলিহে মাতে। সেই সময়ত মতিলাল নেহৰু সম্পাদিত "ইণ্ডিপেণ্ডেণ্ট" কাকতখনৰ প্ৰকাশত চৰকাৰী বাধা আৰোপ কৰাত—অমিয়ই কাকতৰ সম্পাদক গান্ধী পুত্ৰ দেৱদাস গান্ধীক কাকতখন স্পষ্ট আখৰে কেনেকৈ লিথ' কৰিব লাগে তাৰ কিটিপ শিকাই দিছিল। গান্ধীজীয়েও আনকি পূৰ্বে অসমৰপৰা প্ৰকাশিত লিথ' কৰা কাগজবোৰ দেখি সন্তোষ প্ৰকাশ কৰিছিল। মতিলালে অমিয়ৰ কাৰ্যদক্ষতাত সন্তোষ পাই তেওঁক ব্যক্তিগত সচিব ৰূপে ৰখাৰো প্ৰস্তাৱ দিছিল। অৱশ্যে তাৰ বাবে অমিয়ই উৰ্দু শিকিব লাগিব। আকৌ, 'ৰয়টাৰ'ৰ প্ৰতিনিধি হিচাপে আফগানিস্থানলৈ গৈ সংবাদ সেৱা কৰাৰো পৰামৰ্শ দিছিল। এই ক্ষেত্ৰতো 'পস্তু' শিকাৰ প্ৰয়োজনীয়তা আছিল। অৱশ্যে লগতে খদ্দৰৰ ধুতি-কুৰ্তা এৰি চাহাবী পোছাক পৰিধান কৰিব লাগিব। অমিয়ই স্ববেশ-স্বমাত-স্বদেশ এৰি বিদেশলৈ যাবলৈ অসম্মতি প্ৰকাশ কৰিলে। এলাহাবাদৰপৰা আহি তেওঁ দিল্লীত সোমায়। ভাৰতৰ নতুন ৰাজধানী দিল্লী তেতিয়া প্ৰস্তুতিৰ পথত। অমিয়ই ভাৰতীয় লেজিছলেটিভ কাউন্সিলৰ সভাপতি ভিথলভাই পেটেলক লগ ধৰে। পেটেলৰ লগতো অমিয়ৰ আগৰেপৰা চিনাকি। কংগ্ৰেছ অধিৱেশনবিলাকলৈ যাওঁতে অমিয় আৰু তেওঁৰ সহযোগীসকলে সদায় লগত কোমল চাউল, এৰী চাদৰ, মুগাৰথান আদি লৈ

যায়। এই বোৰ বিক্ৰী কৰি অহা যোৱাৰ খৰচ উলিয়ায়। এই কোমল চাউলৰ ভাগ এবাৰ পেটেলেও পাইছিল আৰু খাই অতি তৃপ্তি পাইছিল। তেওঁ অলপ চাউল বোম্বাইলৈও লৈ গৈছিল। পুৰণি কথা সোঁৱৰাই অমিয়ই ক'য়—আপুনি দেখোন বহুত দিন কোমল চাউল নিবিচৰা হ'ল?

কথাষাৰ শুনি গহনী-গম্ভীৰ পেটেলৰ মুখত হাঁহি ওলাল—গান্ধীজীয়ে আমাক ফকিৰ কৰিবলৈ বিচাৰিছিল। সেই সময়ত বোম্বাইত জুই নোহোৱাকৈ ৰান্ধিব পৰা চাউলৰে কিছুদিন চলালো। এতিয়া বাৰু লগা হলে ক'ম। আৰু' সম্মুখত কি আছে—ক'ব নোৱাৰিছোঁ।

পেটেলে অমিয়ই 'ফৰৱাৰ্ড'ত কাম কৰা শুনি বৰ ভাৰ্ল পালে। পেটেলৰ ওচৰৰপৰা তেওঁ বিদায় ল'লে। অমিয়ই দিল্লীৰপৰাই কলিকতামুৱা হয়।

১৯২৮ চনৰ ৩০ ডিচেম্বৰত কলিকতাত কংগ্ৰেছৰ বছেৰেকীয়া অধিৱেশন বহে। ঔপনিবেশিক স্বায়ত্ব শাসন নে পূৰ্ণ স্বাধীনতা? দুটা দলৰ মাজত এই লৈ মতানৈক্য। অধিৱেশনৰ সভাপতি হ'ল সৰ্বদলীয় সম্মিলনৰ নেতা মতিলাল নেহৰু। তেওঁৰ প্ৰত্যক্ষ বিৰোধ হ'ল নিজ পুত্ৰ জৱহৰৰ লগত। জৱহৰে কোনো পথ্যে ঔপনিবেশিক স্বায়ত্ব শাসন মানি নলয়। গান্ধীজীৰ কথা হ'ল—প্ৰস্তাৱ গ্ৰহণ কৰিলেই স্বাধীনতা নাহে। গান্ধীজীয়ে বিপক্ষদলক শান্ত কৰাৰ উদ্দেশ্যে ক'লে—চৰকাৰৰ লগত এটা মীমাংসাত উপনীত হ'বলৈ এবছৰ সময় দিব লাগে। গান্ধীজীৰ প্ৰস্তাৱ মুকলি সভাত ভোট গ্ৰহণত সংখ্যাধিক্য লাভ কৰি গৃহীত হয়। "ফৰৱাৰ্ড" কাকতে এই সময়ত সুভাষ-জৱহৰৰ প্ৰস্তাৱৰ হকে জোৰ প্ৰচাৰ চলাইছিল। প্ৰস্তাৱটো গৃহীত নোহোৱাত 'ফৰৱাৰ্ডে' আগৰ সুৰ সলাবলৈ বাধ্য হ'ল। ইয়াৰ পিছত 'ফৰৱাৰ্ড' কাকতৰ জীৱনতো বিপৰ্য্যয় নামে। 'ইষ্ট ইণ্ডিয়ান ৰেলৱে'ৰ লগত মোকৰ্দমা কৰি হাৰি কাকতখনে কেইবালাখো টকাৰ জৰিমনা ভৰিব লগা হয়। তাৰ উপৰি সম্পাদক

আৰু মুদ্ৰক কাৰাদণ্ডিত হ'ব লগা হ'ল। 'ফৰৱাৰ্ড' কাকতৰ দোষ হ'ল এটা ৰে'ল দুৰ্ঘটনাত ৰে'ল কৰ্তৃপক্ষই হতাহত হোৱা লোকৰ এটা বৃজন সংখ্যাৰ লোকক সম্পূৰ্ণৰূপে নিখোজ কৰা বুলি সম্পাদকীয় স্তম্ভত অভিযোগ তুলিছিল। এই সময়ত এনে ধৰণৰ জনশ্ৰুতি প্ৰায়ে মানুহৰ মাজত শুনা গৈছিল। আনকি ১৯২৭ চনত লঙ্কা আৰু লামডিঙৰ মাজত হোৱা এটা ৰে'ল দুৰ্ঘটনাত এনেদৰে বহুত মানুহ নিখোজ হোৱা বুলি জনৰৱ উঠাত 'সাপ্তাহিক অসমীয়া'ৰ প্ৰতিনিধি হিচাপে অমিয়ই ঘটনাস্থলীলৈ গৈ সকলো কথাৰ সম্ভেদ লৈ কাকতত লেখিছিল।

এই সময়তে অসমৰ ৰাজনৈতিক মঞ্চতো এটা নাটকীয় ঘটনা ঘটিল। স্বৰাজ্যদলৰ যত্নত মন্ত্ৰী সভাৰ এজন মন্ত্ৰীৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ ভোট যুদ্ধত গৃহীত হয়। লগে লগে গৱৰ্ণৰ ল'ৰী লুকাচ হেমণ্ডে নতুনকৈ নিৰ্বাচন পতা হ'ব বুলি ঘোষণা কৰে।

আগন্তুক নিৰ্বাচন চলাবলৈ তৰুণৰাম ফুকনে অমিয়লৈ টেলিগ্ৰাম কৰিলে—মতিলালক লগ ধৰি টকা আনিবলৈ। সেই সময়ত মতিলাল কলিকতাত। বোৱাৰীয়েক কমলাৰ যক্ষ্মাৰোগৰ চিকিৎসা চলিছে। তেনে এটা পৰিবেশৰ মাজতে অমিয়ই গৈ মতিলালক দেখা কৰিলে আৰু ফুকনৰ টেলিগ্ৰাম দেখুৱালে। মতিলালৰ ফুকনৰ ওপৰত বহুত দিনীয়া খং—তোমালোকৰ ফুকন বৰ এলেহুৱা। কোনো এটা 'ডিবেট'ত অংশ ল'বলৈ নোলায়। কিন্তু মোৰ গোঁফ কোচালৈ ল'বীত মেল পাতি brilliant wit দেখুৱাব পাৰে।

ফুকন সম্পৰ্কে তেখেতৰ আক্ষেপৰ শেষ নাই। তেখেতৰ মত হ'ল —ৰাজনৈতিক সম্ভাৱনাৰে শক্তি সম্পন্ন ফুকনে নিজৰ শক্তিৰ কিদৰে অপব্যৱহাৰ কৰিছে....মই টকা নিদিওঁ। তোমালোকৰ ফুকন এলেহুৱা। ফুকনে নিৰ্বাচন চলাব? কিন্তু এই খং বেছি দেৰি নেথাকিল। ফুকনৰ বাহিৰেও অসমত আন বহুতো কৰ্মী আছে আৰু মাত্ৰ দুহেজাৰ টকা অসমে বিচাৰিছে—বুলি কোৱাত মতিলালে টকা দিবলৈ ৰাজি হ'ল। নিৰ্বাচনত অসমৰ স্বৰাজ্যদলে যথেষ্ট সফলতা লভে।

এনে সন্ধিক্ষণতে অসমৰ উদ্যোগী কংগ্ৰেছ কৰ্মী ৰোহিণীকান্ত হাতীবৰুৱা 'জনদিছ' ৰোগত আক্ৰান্ত হৈ কলিকতা পায়হি। অমিয়ই তেওঁৰ চিকিৎসাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলালে। অসুখ কিন্তু লাহে লাহে বেয়াৰ ফালেহে ঢাল খালে। এমাহ মানৰ পিছত কলিকতাৰ চিকিৎসাই একো কৰিব নোৱৰাত হাতীবৰুৱা গুৱাহাটীলৈ ঘূৰি আহে আৰু তাতে শেষ নিশ্বাস পেলায়। এওঁৰ মৃত্যুত অসমে এজন নিঃস্বাৰ্থ তৰুণ কংগ্ৰেছ কৰ্মীক হেৰুৱালে।

'ফৰৱাৰ্ড' কাকতৰ অৱস্থা লাহে লাহে আৰু বেয়াৰ ফালে ঢাল ল'লে। প্ৰথমতে 'নিউ ফৰৱাৰ্ড' আৰু পিছত 'লিবাৰ্টি' নাম লৈ আত্মপ্ৰকাশ কৰিছিল। কিন্তু কোনোপধ্যে কাকতখনে গা-কৰি উঠিব নোৱৰাত অমিয়ই কাগজৰ লগত সংস্পৰ্শ ত্যাগ কৰি অসমলৈ ঘূৰি আহিবলৈ বাধ্য হয়।

ভৱিষ্যতৰ অনিচ্ছয়তাক সাবটি লৈ আমিনগাঁৱৰপৰা পাণ্ডুলৈ ফেৰীত পাৰ হওঁতে অমিয়ৰ লগত হঠাতে এজন পুৰণি বন্ধুৰ দেখা সাক্ষাত হ'ল। বন্ধু দৰং জিলাৰ বনবিভাগৰ ওখখাপৰ কৰ্মচাৰী। অমিয়ৰ বৰ্তমান সমস্যাৰ কথা গম পাই তেওঁ অমিয়ক লগে লগে ইষ্টাৰ্ণ ৰেলৰেক বনচোম কাঠৰ যোগান দিয়াৰ এটা ঠিকা দিয়ে। অমিয়ৰ কাম হ'ব কাঠ কাটি টংলা ষ্টেচনত জমা দিয়া।

এইবাৰ জীৱিকা-নিৰ্বাহৰ তাড়নাত অমিয় সোমাল ভূটান পাহাৰৰ তলৰ কলিং দুৱাৰৰ হাবিত—বনচোম কাঠৰ সন্ধানত।

এবাৰ ৰাজনীতি কৰা মানুহে ৰাজনীতিৰ সংশ্ৰৱ সহজে এৰিব নোৱাৰে। ভূটানৰ হাবিত থাকিলেও অমিয়ই দেশৰ ৰাজনীতিৰ ভু-ভা ৰাখে। মাজে মাজে গুৱাহাটীলৈ আহে—বন্ধু-বান্ধৱক লগ ধৰে। নানা পৰামৰ্শ চলে আকৌ জীৱিকাৰ তাড়নাত হাবিলৈ লৰ ধৰে।

এই সময়ত ভাৰতীয় ৰাজনীতিতো অভূতপূৰ্ব পৰিবৰ্তন ঘটিল। লাহোৰত হোৱা কংগ্ৰেছ অধিৱেশনত (ডিচেম্বৰ, ১৯২৯) কংগ্ৰেছৰ লক্ষ্য 'পূৰ্ণ স্বাধীনতা লাভ' বুলি ঘোষণা হ'ল। ৩১ ডিচেম্বৰৰ দিনা

ৰাবী নদীৰ পাৰত স্বাধীনতাৰ ত্ৰিৰঙ্গ পতাকা জৱহৰলালে উত্তোলন কৰে। সেইদিনাৰপৰা কংগ্ৰেছে ২৬ জানুৱাৰীৰ দিনটো "স্বাধীনতা দিৱস" হিচাপে পালন কৰাৰ সিদ্ধান্ত লয়। লগতে গান্ধীজীৰ নেতৃত্বত দেশজুৰি আইন অমান্য আন্দোলন শীঘ্ৰে আৰম্ভ হোৱাৰ কথাও ঘোষণা কৰে। সভাই কাউন্সিল প্ৰৱেশ কৰা স্বৰাজ্যদলৰ সভ্যসকলক সভ্যপদ ইস্তফা দিবলৈ আহ্বান জনায়।

এনে সন্ধিক্ষণত অসমৰ কংগ্ৰেছ নেতাসকল দোমোজাত পৰে। জ্যেষ্ঠ নেতাসকল কাউন্সিল বৰ্জনৰ সপক্ষে নাছিল। শেহত উপায় বিহীন হৈ স্বৰাজ্যদলৰ বাৰজন সদস্যই কাউন্সিলৰ সভ্যপদ ইস্তফা দিয়ে। ফুকন আৰু বৰদলৈয়ে আকৌ নিৰ্বাচনত নথাব সিদ্ধান্ত লয়। প্ৰায় সকলো নেতাই কংগ্ৰেছ অনুষ্ঠানৰপৰা বিদায় লয়। কংগ্ৰেছৰ দায়িত্ব ল'বলৈ সকলোৰে মনত সংকোচ। ডেকাদলক ভৎ'সনা কৰি বৰদলৈয়ে এখন সভাত কলে :

> আজি ফুকন-বৰদলৈ নাইকিয়া হ'লে অসমত এনে কোনো ডেকাশক্তি নোলাব নে, যি তেওঁলোকৰ ঠাই ল'ব পাৰে? ইংলণ্ডৰ খ্যাতনামা বীৰ নেলচনৰ দৰে আমি ক'ব পাৰিব লাগিব আজি এজন নেলচন নাইকিয়া হ'লেও এই দেশত শত সহস্ৰ নেলচন ওলাব।

অসম কংগ্ৰেছৰ 'নেলচন' হৈ ওলাল বিষ্ণুৰাম মেধি আৰু সহায়কাৰী হ'ল মহম্মদ তৈয়বুল্লা। এই সময়ত অসম কংগ্ৰেছৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। জিলা কংগ্ৰেছ কমিটিসমূহ সম্পূৰ্ণ নিষ্ক্ৰিয় হৈ পৰিছিল। ১৯৩০ চনৰ ১৯ এপ্ৰিলত তৈয়বুল্লাই প্ৰদেশ কংগ্ৰেছৰ সভা এখনত অৱস্থাই কি পৰিণতি পাইছেগৈ তাক বৰ্ণাই কয় : 'কংগ্ৰেছৰ মেম্বাৰ ভৰ্তি হোৱা নাই। জিলা অফিচ বিলাকে চিঠি দিলেও একো প্ৰত্যুত্তৰ নিদিয়ে, সকলোতে নিষ্ক্ৰিয়তা। ইফালে সংগ্ৰাম সমাগত। সৈন্যবাহিনী নাই, ধনৰ টোপোলা শূন্য। নেতা-পালি নেতাৰো অভাৱ।'

ইতিমধ্যে গোটেই দেশতে এটা আন্দোলনমুখী পৰিবেশ গঢ়ি

উঠিছে। গান্ধীজীয়ে কেনে ধৰণৰ আন্দোলন আৰম্ভ কৰিব এই লৈ নানা ধৰণৰ জল্পনা-কল্পনা, ৰাইজ আৰু চৰকাৰ দুয়ো পক্ষতে উদ্বিগ্নতা। ১৯৩০ চনৰ ১২ মাৰ্চত গান্ধীজীয়ে ডাণ্ডী যাত্ৰাৰে আৰম্ভ কৰিলে আইন অমান্য আন্দোলন। গান্ধীজীয়ে সিদ্ধান্ত ললে গুজৰাটৰ সাগৰৰ উপকূলত থকা ডাণ্ডীলৈ গৈ সাগৰৰ প্ৰাকৃতিক লোণ তুলি চৰকাৰী লোণ কৰ ভঙ্গ কৰিব। গান্ধীজীয়ে ঘোষণা কৰিলে ঃ

> ইংৰাজ শাসনে ভাৰতৰ মৌলিক চৰিত্ৰগত, সাংস্কৃতিক আৰু আধ্যাত্মিক গুণাৱলীৰ বিনাশ ঘটাইছে মই এই শাসন ব্যৱস্থাক এক অভিশাপ বুলি গণ্য কৰো। গোটেই চৰকাৰী যন্ত্ৰটোকে ধ্বংস কৰাই মোৰ উদ্দেশ্য। চৰকাৰক বিৰোধীতা কৰা মোৰ ধৰ্ম। আমাৰ অস্ত্ৰ হ'ল অহিংস আন্দোলন। কাকো হত্যা কৰা আমাৰ ধৰ্ম নহয়। কিন্তু চৰকাৰী অভিশাপক সম্পূৰ্ণৰূপে বিলুপ্ত কৰা আমাৰ মূল উদ্দেশ্য।

গান্ধীজীৰ নেতৃত্বত আন্দোলনে ব্যাপক ৰূপ ল'লে। দেশৰ প্ৰায় সকলো ঠাইতে ৰাইজে হৰতাল, শোভাযাত্ৰা, পিকেটিং কৰি আন্দোলনত সঁহাৰি দিলে। বিদেশী বৰ্জন আন্দোলনে ব্যাপকৰূপ ধাৰণ কৰিলে। কোনো কোনো ঠাইত খাজনা বন্ধ আন্দোলন আৰম্ভ হ'ল। লাখ লাখ ভাৰতীয়ই নিষ্ক্ৰিয় প্ৰতিৰোধৰদ্বাৰা সংগ্ৰামত লিপ্ত হ'ল, ভাৰতীয় মহিলা সমাজ পৰ্দাৰ বাহিৰলৈ ওলাই আহি আন্দোলনত সক্ৰিয় ভূমিকা ল'লে। মহিলাই পিকেটিং কৰাত আগভাগ ল'লে। ৫ মে'ত গান্ধীজীৰ গ্ৰেপ্তাৰ হোৱাৰ লগে লগে আন্দোলনে আৰু ব্যাপক ৰূপ ল'লে।

অমিয় কিন্তু তেতিয়াও ভূটান পাহাৰৰ অটব্য অৰণ্যত। ডায়েৰীৰ পাতত তেওঁ লেখিলে ঃ

> হাবিৰপৰা ওলাই সেইদিনা মই ওচৰৰে সাপ্তাহিক হাটলৈ গৈছিলো, তাত এজন বন বিভাগৰ কৰ্মচাৰীক চিগাৰেট খাই থকা দেখি এজন নেপালী দোকানীয়ে

কৈছিল: 'বাবু তই এতিয়াও চিগাৰেট খাই আছ'? নাজান, মহাত্মা গান্ধীক গ্রেপ্তাৰ কৰিলে। পেশোৱাৰত 'লালকুৰ্তা'দলৰ ৫০০ জন স্বেচ্ছাসেৱকে মৃত্যু বৰণ কৰিলে। সকলোৱে বিলাতী কপোৰ, চিগাৰেট এৰি পেলাইছে। তই এতিয়াও চিগাৰেট খাই আছ?

ওচৰতে বৈ থকা অমিয়ই কথাষাৰ শুনি উচপ খাই টোপনিৰ পৰা যেন সাৰ পাই উঠিল। তেওঁৰ ভাব হ'ল—মই ক'ত আছো? মোৰ লগৰীয়াসকল আজি স্বাধীনতাৰ আন্দোলনত ব্যস্ত। মই এনে এটা মুহূৰ্তত জীৱিকাৰ বাবে জাতীয় আন্দোলনৰপৰা আঁতৰি হাবিত সোমাই আছো'।—হাটৰপৰা তেওঁ লগে লগে গৈ ওচৰৰ চাহ বাগিচাৰ মেনেজাৰৰ পৰা ১০-১৫ দিনৰ 'ষ্টেটচমেন' কাকত আনি পঢ়ি সকলো খবৰ পাই অমিয়ৰ মন উত্ৰাৱল হৈ পৰিল। দুসপ্তাহৰ ভিতৰতে সকলো কাম সামৰি তেওঁ গুৱাহাটী অভিমুখে যাত্ৰা কৰিলে—উদ্দেশ্য আকৌ ৰাজনীতিত জপিয়াই পৰাৰ।

গাত মেলেৰিয়াৰ জ্বৰ লৈয়ে অমিয় গুৱাহাটী পালেহি। পাণবজাৰৰ ডাঃ কনকেশ্বৰ বৰুৱাৰ (সোণৰ) ঘৰতে উঠিল। অসুখ অলপ টান বিধৰেই আছিল। ভাল হওঁতে কিছু দিন লাগিল। লগৰ সহকৰ্মীসকল আহে। ৰাজনীতিৰ চৰ্চা চলে। অমিয়ই নীৰৱে শুনে। মনে মনে প্ৰস্তুতি চলে।

নৱম অধ্যায়

সংগ্ৰাম···সংগ্ৰাম

আকৌ তেজপুৰ !

অমিয়ই অলপ গা ভাল পোৱাৰ লগে লগেই গুৱাহাটী এৰিলে। তেজপুৰত আন্দোলন গঢ়ি তুলিব লাগিব। ৰাইজক সংগঠন কৰিব লাগিব। হেমচন্দ্ৰ বৰুৱা তেজপুৰত নাই—বিষ্ণুৰাম মেধিৰ লগত উজনি অসম ভ্ৰমণত গৈছে। গুজৰাটৰপৰা ঘূৰি আহি লীলাধৰ বৰুৱাই তেজপুৰত ছাত্ৰদলৰ নেতৃত্ব দিছে। হেম হাজৰিকাই অমিয়ক সহায় কৰিবলৈ আগবাঢ়ি আহিল। সংগঠন লাগে—সংগ্ৰঠন বিনা আন্দোলন অসম্ভৱ।

অসমত আন্দোলনৰ বা' তেতিয়াও বলা নাই। অসমৰ যুৱক সমাজক আন্দোলনলৈ আনিবলৈ অমিয়, হেম বৰুৱা, বিষ্ণুৰাম মেধি আদিয়ে ঐকান্তিক প্ৰচেষ্টা চলালে, ঠিকেই—এইবেলি আন্দোলন বয়সস্থ জনক বাদ দিয়েই হ'ব। জৱহাৰলাল নেহৰুৰ গ্ৰেপ্তাৰ হোৱাৰ বাতৰি শুনাৰ লগে লগেই স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে স্কুল বৰ্জন কৰি হৰতাল শোভাযাত্ৰাত যোগ দিলে। ছাত্ৰদলক আন্দোলনমুখী কৰি তুলিবলৈ ডেকা কংগ্ৰেছ কৰ্মীসকলে প্ৰচেষ্টা চলালে।

এইবাৰৰ আন্দোলনত যুৱক দলে সক্ৰিয় অংশ লোৱা দেখি চৰকাৰো প্ৰথমৰ পৰাই সন্ত্ৰস্ত হ'ল। ছাত্ৰ শক্তিক মষিমূৰ কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ শিক্ষাবিভাগৰ ডিৰেক্টৰ জে, আৰ, কানিংহামে মে-মাহত এখন চাৰ্কুলাৰ জাৰি কৰে। এইখনৰ মতে কোনো ছাত্ৰই কোনো ধৰণৰ ৰাজনৈতিক আন্দোলনত যোগ দিব নোৱাৰিব। এই চাৰ্কুলাৰে যুৱ সমাজত এক আলোড়নৰ সৃষ্টি কৰিলে। এই চাৰ্কুলাৰ মতে কোনো ছাত্ৰই জাতীয় পতাকা লৈ শোভাযাত্ৰা কৰা, জাতীয় সঙ্গীত গোৱা বা কোনো আন্দোলনত মুখীয়ালভাৱে বা আনপ্ৰকাৰে যোগ নিদিয়ে বুলি স্কুল কৰ্তৃপক্ষক

প্ৰতিশ্ৰুতি পত্ৰ দি অঙ্গীকাৰ বন্ধ হ'ব লাগিব আৰু সেই পত্ৰতে অভিভাৱকেও জনাব যে তেওঁৰ ল'ৰা বা ছোৱালীয়ে কোনো ৰাজনৈতিক দলত যোগ নিদিয়ে।

এই আত্মসম্মান হানিকৰ কাৰ্যৰ প্ৰতিবাদ কৰিবলৈ ছাত্ৰৰ লগতে অভিভাৱকসকলো আগবাঢ়ি আহিল।

স্কুলৰ গৰমৰ বন্ধ খোলাৰ লগে লগে এই চাকুৰ্লাৰৰ প্ৰতিবাদত ছাত্ৰদলে পিকেটিং আৰম্ভ কৰিলে। স্কুল বৰ্জন কৰি শ-শ ছাত্ৰ ওলাই আহিল। গাঁৱেভূঞে চহৰে নগৰে ইয়াৰ প্ৰতিবাদত শোভা-যাত্ৰা হ'ল। ঠায়ে ঠায়ে চৰকাৰী স্কুলৰ বিকল্প ব্যৱস্থা হ'ল। জাতীয় শিক্ষানুষ্ঠান গঢ়ি উঠিল। গুৱাহাটীত কামৰূপ একাডেমী, বৰপেটাত বৰপেটা বিদ্যাপীঠ, তেজপুৰত তেজপুৰ একাডেমী, শিৱসাগৰত শিৱসাগৰ বিদ্যাপীঠ, ডিব্ৰুগড়ত পাব্লিক স্কুল আৰম্ভ হ'ল।

অমিয়ই হেমচন্দ্ৰ বৰুৱাৰ লগত ন-দুৱাৰ ৰায়ত সন্মিলনত যোগ দিলে। সভাত সভাপতিত্ব কৰিলে হেমচন্দ্ৰ বৰুৱাই। গাঁৱলীয়া ৰাইজৰ কংগ্ৰেছৰ প্ৰতি আস্থা দেখি তেওঁলোক আশ্বস্ত হ'ল।

ছাত্ৰ-সমাজৰ বিভিন্ন সভাত অমিয়ই বক্তৃতা দিলে। সকলো ছাত্ৰকে আইন অমান্য আন্দোলনত ভাগ ল'বলৈ আহ্বান জনালে। ১৯৩০ চনৰ ২৩ জুলাইত অমিয়ৰ সভাপতিত্বত অসম ছাত্ৰ সন্মিলনৰ বিশেষ অধিবেশন বহিল গুৱাহাটীৰ পাণবজাৰত। অমিয়ই তেওঁৰ বক্তব্যত কয়—

> কানিংহাম স্বয়ংভূ নহয়। বৃটিছ সাম্ৰাজ্যবাদৰ তেওঁ মাত্ৰ অংশ বিশেষ। গতিকে কানিংহাম চাকুৰ্লাৰৰ বিৰুদ্ধে বিৰুদ্ধতা কৰা মানে বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধেও বিদ্ৰোহ কৰা। আমাৰ দেশ যেতিয়ালৈকে ইংৰাজৰ অধীন হৈ থাকিব তেতিয়ালৈকে এনেকুৱা কানিংহাম এজন নহয়—বহুজন ওলাব। গতিকে যুৱশক্তি আজি ওলাই আহক—বৃটিছ সাম্ৰাজ্যবাদ সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়কহি।....

দেশৰ বাবে সৰ্বস্ব ত্যাগ কৰি দেশ সেৱা কৰিবলৈ আগবাঢ়ি অহা ছাত্ৰৰ আজি বিশেষ প্ৰয়োজন। এনে ছাত্ৰ তৈয়াৰ কৰাৰ বাবে দেশৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ প্ৰয়োজন।

তেওঁ ওঠৰ বছৰৰ ওপৰৰ সকলো ছাত্ৰকে এবছৰৰ বাবে শিক্ষালয় বৰ্জন কৰি আন্দোলনত যোগ দিয়াৰ পৰামৰ্শ দিয়ে। কংগ্ৰেছৰ লগত সহযোগ কৰি কাম কৰিবলৈ ছাত্ৰ সন্মিলনৰ এখন 'একচন্ কমিটি' গঠন হয়।

অমিয়ই ছাত্ৰসভাৰ বাহিৰেও কামৰূপ জিলাৰ ভিতৰুৱা অঞ্চল-বোৰত ৰাইজক বিদেশী বৰ্জনৰ প্ৰয়োজনীয়তা আৰু খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰিবলৈ আহ্বান জনাইছিল।

ইতিমধ্যে অসম ছাত্ৰসন্মিলন আৰু অসম ইয়ুথলীগে আন্দোলনত পুৰাদমে লাগি গৈছে। গুৱাহাটীত হেমচন্দ্ৰ, অমিয়, সিদ্ধিনাথ শৰ্মা আৰু লক্ষ্মীধৰ বৰা আদিৰ নেতৃত্বত স্কুল-কলেজ পিকেটিং কৰাৰ বাহিৰেও কানি-মদৰ দোকানত পিকেটিং কৰা, স্বদেশী প্ৰচাৰ কৰা আদি বিভিন্ন কাম পূৰ্ণ উদ্যমৰে চলিল। এই সময়ত আন্দোলনৰ সুপৰিচালনাৰ অৰ্থে এখন কাউন্সিল অব একচন্ কমিটি গঠিত হয়। ইয়াৰ সভাপতি আছিল বিষ্ণুৰাম মেধি আৰু সম্পাদক আছিল বিজয় চন্দ্ৰ ভাগৱতী আৰু পিছত ৰজনীকান্ত গোস্বামী সম্পাদক হয়। কমিটিৰ নেতৃত্বত যুব-আন্দোলন সুপৰিকল্পিতভাৱে চলে। ১৯৩০ চনৰ আন্দোলনত কংগ্ৰেছে এটা পৰামৰ্শ দিছিল যে আন্দোলন চলাবলৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গ্ৰেপ্তাৰ হ'লে তেওঁৰ নিজৰ উত্তৰাধিকাৰী মনোনীত কৰি যাব। এইদৰে কেইবাজনো 'ডিক্টেটৰ' মনোনীত হৈছিল

আন্দোলনে ব্যাপক ৰূপ লোৱাত চৰকাৰে ১২ আগষ্টত 'ক্ৰিমিনেল এমেণ্ডমেণ্ট এক্ট' জাৰি কৰি ভলণ্টিয়াৰ দল সংগঠন আৰু কংগ্ৰেছ অনুষ্ঠানক বে-আইনী বুলি ঘোষণা কৰে। লগে লগে কংগ্ৰেছৰ অফিচ আৰু কংগ্ৰেছ কৰ্মীৰ ঘৰ আদি খানাতালাচ হয়।

নবীনচন্দ্ৰ বৰদলৈৰ ভাৰাঘৰত চলা 'সত্যাগ্ৰহী শিবিৰ' (বিজয় ভাগৱতীয়ে পৰিচালনা কৰিছিল) খানাতালাচ হয়।

ইতিমধ্যে কংগ্ৰেছ সভাপতি বিষ্ণুৰাম মেধি গ্ৰেপ্তাৰ হোৱাত তেওঁ উত্তৰাধিকাৰী হিচাপে গোপীনাথ বৰদলৈক মনোনীত কৰে। বৰদলৈয়ে ঘৰুৱা কাৰণত এই দায়িত্ব ল'ব নোৱাৰাত এমাহমানৰ পিছত যাদৱপ্ৰসাদ চলিহাই দায়িত্ব লয়। ২০ চেপ্তেম্বৰত হেমচন্দ্ৰ বৰুৱা আৰু সিদ্ধিনাথ শৰ্মা গ্ৰেপ্তাৰ হয়। সেই দিনাই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ জৰুৰী সভাই অমিয়কুমাৰক 'ডিক্টেটৰ' মনোনীত কৰে।

এই সময়তে অতি আচৰিতভাৱে অমিয়ৰ লগত বঙ্গৰ সন্ত্ৰাসবাদী বিপ্লৱী দীনেশ ৰঞ্জন গুপ্তৰ লগত দেখা-সাক্ষাত হয়। দীনেশে মেদিনীপুৰ জিলাত তিনিজন ইংৰাজক হত্যা কৰি আতঙ্কৰ সৃষ্টি কৰিছিল। পলাতক দীনেশে অমিয়ৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি-ছিল। এই ক্ষেত্ৰত অমিয়ই তেওঁ কংগ্ৰেছ অফিচত থকাটো নিৰাপদ নহ'ব বুলি অপৰাগতা প্ৰকাশ কৰিলে। তেওঁ অৱশ্যে তেওঁক কোনোবা চাহবাগিচালৈ গৈ আত্মগোপন কৰাৰ পৰামৰ্শ দিছিল।*

কিছুদিনৰ পিছতেই ১৯৩০ চনৰ ১৭ অক্টোবৰত অমিয়ৰ ঘৰ

---

* ১৯৩০ চনৰ ৮ ডিচেম্বৰত দীনেশ গুপ্ত, বিনয় বসু আৰু বাদল গুপ্তই বেঙ্গল সচিবালয়ত প্ৰৱেশ কৰি ইন্সপেক্টৰ জেনেৰেল অব প্ৰিজনচ কৰ্ণেল চিমচনক গুলিয়াই হত্যা কৰে। লগে লগে বিনয় আৰু বাদলে আত্মহত্যা কৰে। দীনেশে বহুত দিন আত্মগোপন কৰি আছিল পিছত ধৰা পৰে আৰু তেওঁৰ ফাঁচী হয়। (৭ জুলাই, ১৯৩১)।

স্বাধীনতাৰ কালছোৱাত অমিয় মন্ত্ৰী হৈ থকা সময়ত এবাৰ এজন অসুস্থ পলাতক কমিউনিষ্ট নেতাই অতি দুৰ্যোগপূৰ্ণ ৰতৰত তেওঁৰ গাড়ীত উঠি কিছুদূৰ যাব খোজাত তেওঁক বিনা প্ৰতিবাদে তেওঁৰ আৰু স্ত্ৰীৰ মাজত বহুৱাই লৈ গৈছিল। সেই সময়ত নেতাজনৰ মূৰৰ ওপৰত অসম চৰকাৰে দহ হেজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। (সাক্ষাতকাৰ: পুষ্পলতা দাস)।

খানাতালাচ হয় আৰু লগে লগে তেওঁক গ্ৰেপ্তাৰ কৰি ছয়মাহ কাল কাৰাদণ্ডিত কৰে। ১৯৩১ চনৰ মাৰ্চতহে তেওঁ মুক্তি লভে।

হঠাতে ১৯৩১ চনৰ ৫ মাৰ্চত গান্ধী-আৰৱিন চুক্তি কাৰ্য্যকৰী হয়। এই চুক্তিৰ চৰ্ত সাপেক্ষে জেলত বন্দী হৈ থকা কংগ্ৰেছ কৰ্মী-সকল মাৰ্চ মাহৰ ভিতৰতে মুক্তি লভে। এইবাৰৰ আন্দোলনত সমগ্ৰ ভাৰততে প্ৰায় ৯০ হেজাৰ সত্যাগ্ৰহীয়ে কাৰাদণ্ড বৰণ কৰিছিল। কংগ্ৰেছ অনুষ্ঠানটোৱেই বে-আইনী হৈ পৰিছিল ঃ চৰকাৰে প্ৰচাৰ-মাধ্যমৰ ওপৰত নানা নিষেধাজ্ঞা জাৰি কৰিছিল। বিভিন্ন ঠাইত হোৱা পুলিচৰ গুলি চালনাত ১১০ জন লোকৰ প্ৰাণনাশ হয় আৰু ৩০০ জন লোক গুৰুত্বৰভাৱে আঘাতপ্ৰাপ্ত হয়। অসমত এহেজাৰ জন লোকে কাৰাবৰণ কৰে। এইবাৰৰ আন্দোলনত অসমৰ কেইবা গৰাকীও মহিলাই অংশ গ্ৰহণ কৰি জেল খাটিছিল।

গান্ধী-আৰৱিন চুক্তিমতে ভাৰতৰ মূল ৰাজনৈতিক প্ৰশ্নৰ একো সমাধান হোৱা নাছিল। ই আছিল যুদ্ধ বিৰতিৰ চুক্তিহে। এই চুক্তিক যিকোনো সময়তে যিকোনো পক্ষই ভঙ্গ কৰিব পাৰে। ভাৰতীয় ৰাইজৰ মনৰপৰা যাতে সংগ্ৰামশীল মনোভাৱ শেষ নহয়— তাৰ বাবে ডেকা নেতৃবৃন্দই যৎপৰোনাস্তি চেষ্টা চলাই থাকিল। এই চুক্তিক ডেকা নেতৃবৃন্দই সহজে মানি ল'বলৈও টান পালে। বিশেষকৈ সন্ত্ৰাসবাদী ভগৎ সিং, শুকদেৱ আৰু ৰাজগুৰুৰ ফাঁচীৰ আদেশ বাতিল নোহোৱাত বহুতে গান্ধীজীক সমালোচনা কৰিছিল।

চাইমন কমিচন ভাৰতলৈ আহোতে বহু ঠাইতে ক'লা পতাকা প্ৰদৰ্শন, শোভাযাত্ৰা আদিৰে ইয়াক গৰিহণা দিয়া হৈছিল। এনে এটা শোভাযাত্ৰাত লালা লাজপৎ ৰায়ে নেতৃত্ব দি আহোতে পুলিচে লাঠী চালনা কৰে আৰু ৰায়ে ইয়াৰ ফলত মূৰত গুৰুতৰভাৱে আঘাত পায় আৰু কিছুদিনৰ পিছত সেই আঘাতৰ ফলতেই তেওঁৰ মৃত্যু ঘটে। ৰায়ৰ মৃত্যুৰ প্ৰতিশোধ ল'লে এজন ইংৰাজ পুলিচ কৰ্মচাৰীক হত্যা কৰি বিপ্লৱীদলৰ ভগৎ সিং, আজাদ আৰু ৰাজগুৰুৱে। তিনিওজন চন্দ্ৰশেখৰ আজাদৰ নেতৃত্বত গঢ়ি উঠা হিন্দুস্থান চচিয়েলিষ্ট

ৰিপাব্লিকান এছোচিয়েচনৰ সভ্য আছিল। জনমতৰ বিৰুদ্ধে গৈও চৰকাৰে ১৯৩১ চনৰ ১৩ মাৰ্চত ভগৎ সিং, শুকদেৱ আৰু ৰাজগুৰুক ফাঁচী দিয়ে।

১৯৩১ চনত কৰাচীত বল্লভভাই পেটেলৰ সভাপতিত্বত কংগ্ৰেছৰ বছেৰেকীয়া অধিৱেশন বহে। ইয়াত অসমৰপৰা ৫০ জন প্ৰতিনিধিয়ে যোগ দিছিল। সকলোৰে শেহত অমিয়ই কোমল চাউল, এড়ি চাদৰ আৰু মুগাৰ থান লৈ তাত উপস্থিত হৈছিল গৈ। কৰাচীত অমিয়ৰ বহুত দিনৰ আগতে প্ৰায় হেৰাই যোৱা এজনী ভনীৰ লগত অপ্ৰত্যাশিতভাৱে দেখা সাক্ষাত হয়। অসমৰ প্ৰতিনিধিবৰ্গ কৰাচী গৈ পাওঁতেই এগৰাকী মহিলাই আহি 'অমিয় ককাইদেউ' কেতিয়া আহিব সুধি সুধি তেওঁলোকক ব্যতিব্যস্ত কৰি তুলিছিল। তাহানিতে কেলিডন্ বাগিচাৰপৰা তেজপুৰলৈ আহোঁতে মাকে কুসুম (কুমুদ) নামৰ এজনী ছোৱালীও লগত আনিছিল। আন ল'ৰা-ছোৱালীৰ দৰে কুসুমেও তেজপুৰৰ ছোৱালী স্কুলত অষ্টমমান শ্ৰেণীলৈকে পঢ়িছিল। দেখা-শুনাই তাই ভালেই আছিল. ছোৱালীজনীৰ প্ৰেমত পৰিছিল তেজপুৰৰে এজন সিন্ধী ব্যৱসায়ী। পিছত মাকৰ অনুমতি সাপেক্ষে কুসুম দাসে কলিকতাত ব্ৰাহ্মধৰ্মমতে এই ব্যৱসায়ীজনক বিয়া কৰায়। সেই কুসুম এতিয়া কৰাচীবাসী। গিৰীয়েক ডাঙৰ ব্যৱসায়ী। কুসুমে বহুত দিনৰ মূৰত অসমীয়া মানুহক লগ পাই বিশেষকৈ নিজৰ আপোনজন ককায়েকক পাই আনন্দত আত্মহাৰা হৈছিল। সকলোকে নিজৰ ঘৰলৈ নি আপ্যায়ন কৰিছিল।

অতি আনন্দৰেই সকলোৱে কৰাচীত দিন কটালে। কৰাচী কংগ্ৰেছে গান্ধী-আৰৱিন চুক্তি সম্পৰ্কে আলোচনা কৰে আৰু তাত সমৰ্থন জনায়। দ্বিতীয় ঘূৰণীয়া মেজমেলৰ বাবে একমাত্ৰ গান্ধীজীকে কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰে। ১৯৩১ চনৰ ২৯ আগষ্টত গান্ধীজীয়ে ২য় ঘূৰণীয়া মেজমেলত যোগদান কৰিবৰ বাবে লণ্ডন অভিমুখে যাত্ৰা কৰে। ঘূৰণীয়া মেজমেলত দিয়া গান্ধীজীৰ

বক্তৃতাসমূহ অমিয়ই অসমীয়ালৈ অনুবাদ কৰি কংগ্ৰেছ কৰ্মীসকলৰ মাজত বিলাই দিছিল।

কৰাছীৰপৰা ঘূৰি আহিয়ে অমিয় আৰু হেমচন্দ্ৰই অসমৰ কংগ্ৰেছ অনুষ্ঠানটোক সৱল আৰু সুদৃঢ় কৰাৰ প্ৰচেষ্টা চলালে। গান্ধী-আৰৱিন চুক্তিৰ ফলত কংগ্ৰেছৰ সম্মান বহু পৰিমাণে বৃদ্ধি পায়। কংগ্ৰেছৰ প্ৰতি মানুহৰ পুৰণি আগ্ৰহ আৰু স্নেহ পুনৰ ঘূৰি আহে। আকৌ আগৰ দৰে ঘৰে ঘৰে কংগ্ৰেছৰ পতাকা উৰিবলৈ ধৰে। সৰ্ব-সাধাৰণ ৰাইজৰ ধাৰণা হ'ল যে দেশে কংগ্ৰেছৰ নেতৃত্বত সোনকালেই স্বাধীনতা লভিব। অসমত কংগ্ৰেছদলৰ কাম হ'ল দলত মেম্বৰ ভৰ্তি কৰা, কংগ্ৰেছ কৰ্মীক সংগঠিত কৰা, সেৱকদল গঠন কৰা—চৰকাৰে গান্ধী-আৰৱিন চুক্তি ভঙ্গ কৰিছে নেকি তাৰ প্ৰতি চকু ৰখা আৰু তেনে ঘটিলে ততালিকে নিখিল ভাৰত কংগ্ৰেছ কমিটিক জনোৱা—ইত্যাদি। এই সময়ত প্ৰায় সকলো কংগ্ৰেছ কৰ্মীয়ে অসমৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ সভা-সমিতি পাতি ৰাইজক ৰাজনৈতিক পৰিস্থিতিৰ লগত সাঙোৰ খুৱাই ৰাখিছিল।

১৯৩১ চনৰ ১৪ জুনত ১০।১১ হেজাৰ লোকৰ সমাৱেশত যোৰহাটত অসম প্ৰাদেশিক ৰাষ্ট্ৰীয় সন্মিলন বহে। ইয়াত সভাপতিত্ব কৰিছিল বৰপেটাৰ হৰিপ্ৰসাদ ব্ৰহ্মচাৰীয়ে। সেই ঠাইতে পিছদিনা অসম ৰাজনৈতিক নিৰ্য্যাতিত সন্মিলনো বহে। অমিয়ই দুয়োখন সন্মিলনতে যোগ দিছিল। তাৰউপৰি তেওঁ গমিৰিত বহা ছয়দুৱাৰ ৰায়ত সন্মিলন, বিহগুৰিত বহা চাৰি দুৱাৰ ৰায়ত সন্মিলন, শিৱসাগৰৰ বলিয়াঘাটত বহা শিৱসাগৰ ৰায়ত সন্মিলন আদিত যোগ দিছিল। এইবিলাকৰ উপৰিও ভলণ্টিয়াৰ সমাৱেশ, যুৱ সন্মিলন, মহিলা-সন্মিলন আদিতো তেওঁ যোগ দিছিল। ১৫ নৱেম্বৰত নগাঁওৰ বৰহমপুৰত বহা যুৱ সন্মিলনত অমিয়ই সভাপতিত্ব কৰে। সভাই বঙ্গ চৰকাৰে "বেঙ্গল অৰ্ডিনান্স" জাৰি কৰা বাবে আৰু হিজলী আৰু চিতাগঙৰ জেলত থকা ৰাজনৈতিক বন্দীসকলক অত্যাচাৰ কৰা বাবে চৰকাৰক গৰিহণা দি প্ৰস্তাৱ লয়। ৰাজবন্দীসকলে

এনে ত্যাগ আৰু কষ্ট স্বীকাৰ কৰাৰ বাবে সভাই তেওঁলোকলৈ সমবেদনা জনায়।

১৯৩১ চনৰ জুন মাহত শিৱসাগৰৰ বলিয়াঘাটত বহা ৰায়ত সম্মিলনৰপৰা ঘূৰি আহোঁতে হেমচন্দ্ৰ বৰুৱাই দিখৌ নৈৰ গৰাৰপৰা পৰি কঁকালত বিষমভাৱে দুখ পায়। অমিয়ই তেওঁক লৈ গৈ ডাক্তৰ ভুবনেশ্বৰ বৰুৱাৰ ঘৰত থয় গৈ। হেমচন্দ্ৰ বৰুৱাৰ এই আকস্মিক দুৰ্ঘটনাৰ ফলত অমিয়ৰ গাত কংগ্ৰেছৰ দায়িত্বৰ ভাৰ আৰু বৃদ্ধি পায়।

গান্ধী-আৰৱিন চুক্তিৰ চৰ্ত নগাঁৱত কংগ্ৰেছ দলে পালন নাই কৰা বুলি চৰকাৰীভাৱে অভিযোগ উঠাত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে অমিয়ক তদন্ত কৰিবলৈ পঠায়—অভিযোগটো হ'ল নগাঁৱত কানীয়াসকলৰ ওপৰত কংগ্ৰেছ ভলণ্টিয়াৰ দলে বলপ্ৰয়োগ কৰিছে। ১৯১৪ চনত কানি-তদন্ত কমিটিৰ ৰিপোৰ্ট মতে কানীয়াক পট্টা দিয়াৰ ব্যৱস্থা হয়। নগাঁৱত কংগ্ৰেছ স্বেচ্ছাসেৱক দলে নিয়ম কৰে যে কানীয়াই পট্টা সমাজত জমা দিব লাগিব। কোনো কোনো ঠাইত কানীয়াক আটক কৰি সমাজৰ ফালৰপৰা ফাটেক দিয়াৰ ব্যৱস্থা হৈছিল। সকলো চাই চিতি অমিয়ই এই ব্যৱস্থাৱলী উঠাই দিয়ে আৰু কানীয়াৰ ওপৰত কোনো ধৰণৰ জোৰ জুলুম নকৰিবলৈ কয়। অহিংস উপায়েৰে তেওঁলোকক বশ কৰিবলৈ কয়।

তেতিয়ালৈকে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কোনো স্থায়ী ঘৰ নাছিল। সম্পাদকৰ ঘৰেই অফিচ ঘৰ আছিল। অফিচৰ কাম চলাবলৈ বা কাগজপত্ৰ চিজিল লগাই থ'বলৈ কোনো কেৰাণীৰ মকৰল হোৱা নাছিল। ১৯৩১ চনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ তৰফৰ পৰা অসম কংগ্ৰেছৰ হিচাপ পৰীক্ষা কৰিবলৈ যুগল কিশোৰ আহে। অসমত হেজাৰাধিক লোকে আন্দোলনত যোগ দিছিল আৰু প্ৰদেশ কংগ্ৰেছৰ মতে ইয়াত মাত্ৰ ১১০০ টকা খৰচ হৈছিল। এইবিলাক দেখিশুনি যুগল কিশোৰে আচৰিত মানিছিল আৰু তেওঁ এই কথা জৱহাৰলালক জনাইছিলগৈ। তাৰ ফল স্বৰূপে জৱহাৰলালে অসম কংগ্ৰেছৰ সম্পাদকলৈ কঠোৰ ভাষাত সমালোচনা কৰি গোটেই

অসম কংগ্ৰেছক "বোগাচ কংগ্ৰেছ" বুলি অভিহিত কৰিছিল। নেহৰুৰ এই চিঠিয়ে কংগ্ৰেছ কৰ্মীসকলৰ মনত ক্ষোভ আৰু বেজাৰৰ সৃষ্টি কৰিছিল। অমিয়ৰ মনতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। অসমৰ নিঃস্বাৰ্থ কৰ্মীসকলে ঘৰবাৰী এৰি কোনো বেতন নোলোৱাকৈ কাম কৰি আছে। পৰিয়ালৰ ভৰণ-পোষণৰ কথা লৈ সম্পূৰ্ণ আওকাণ কৰি কংগ্ৰেছ অনুষ্ঠানতে লাগি আছে। এটি মৃতপ্ৰায় অনুষ্ঠানক সমগ্ৰ উত্তৰ-পূব ভাৰতেে তেওঁলোকে শক্তিশালী কৰি তুলিলে। অসমত কংগ্ৰেছৰ নামত অফিচ নচলিলেও অসমে জাতীয় সংগ্ৰামৰপৰা ফালৰি কাটি থকা নাই। অৱশ্যে এই কথাও ঠিক যে নিয়মমতে অফিচ নচলাৰ বাবে বহুতো মূল্যবান নথি-পত্ৰ হেৰাই গৈছে। কিন্তু তাৰবাবে অসম কংগ্ৰেছক 'বোগাচ কংগ্ৰেছ' বুলি কোৱাটো জানো যুক্তিসঙ্গত? হেমচন্দ্ৰ বৰুৱাই নেহৰুৰ কথাৰ তীব্ৰ প্ৰতিবাদ কৰি তেওঁলৈ লেখিলে ঃ

> অসম কংগ্ৰেছ সম্পৰ্কে কোনো মন্তব্য কৰাৰ আগতে যোৱা আন্দোলন কিটাত অসমে কি বৰঙণি দিছে, পণ্ডিতজীয়ে ভালকৈ তাৰ খবৰ লোৱা উচিত আছিল। কংগ্ৰেছৰ দৰে এটি বিপ্লৱী অনুষ্ঠানৰ কাম আমোলাতন্ত্ৰৰ দৰে অফিচ ৰখাৰ ওপৰত নিৰ্ভৰ নকৰে। অফিচ নথকা স্বত্বেও ১৯২১ চনৰ আন্দোলনত অসমে ভাৰতৰ বহুত প্ৰদেশকে চেৰ পেলোৱা নাছিল নে?

জৱহাৰলালৰ চিঠিয়ে কংগ্ৰেছকৰ্মীসকলৰ আগত এটা প্ৰত্যাহ্বান হিচাপে থিয় দিলে। সকলোৱে উঠিপৰি লাগিল কংগ্ৰেছ অফিচ প্ৰতিষ্ঠাৰ বাবে। চৰকাৰী পেঞ্চনাৰ আৰু কংগ্ৰেছ কৰ্মী ডাক্তৰ হৰেকৃষ্ণ দাসে অফিচৰ বাবে গুৱাহাটীত এটুকুৰা মাটি দান কৰে। আন কৰ্মীসকলে অৰ্থসংগ্ৰহ আৰু ঘৰ-সজাৰ যাৱতীয় সাজ-সৰঞ্জাম সংগ্ৰহ কৰাত লাগি গ'ল। ১৯৩২ চনত আধাসজা ঘৰটো পুলিচে অধিকাৰ কৰিছিল। যাহওক ১৯৩৪ চনত সি সম্পূৰ্ণ হয় গৈ। প্ৰদেশ কংগ্ৰেছৰ অফিচ প্ৰতিষ্ঠা হ'ল।

কংগ্ৰেছ অফিচ পতাৰ উপৰিও কৰ্মীসকলে সেৱাদল সংগঠনলৈ চকু দিলে। প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এই সংগঠন আৰু শক্তিশালী কৰি তুলিবলৈ এখন "অসম ৰাজ্যিক স্বেচ্ছাসেৱী পৰিষদ" গঠন কৰি দিয়ে (১২-১৩ চেপ্তেম্বৰ, ১৯৩৯)। এই পৰিষদৰ সভ্যসকল আছিল পূৰ্ণচন্দ্ৰ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, ৰাজেন্দ্ৰনাথ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু দেৱেশ্বৰ শৰ্মা। ১৯৩১ চনৰ নৰেশ্বৰত নগাঁৱৰ বৰহমপুৰত সেৱাদল সংগঠন শিবিৰ আৰম্ভ হয়। এই শিবিৰত প্ৰশিক্ষণ দিবলৈ ভাৰতীয় জাতীয় সেৱাদলৰ অধিনায়ক ডাক্তৰ হাৰ্ডিকাৰে মহাৰাষ্ট্ৰৰ হাতীংগডীক পঠিয়ায়। এই প্ৰশিক্ষণপ্ৰাপ্ত সেৱা দলে অসমৰ গাৱেঁ-ভূয়েঁ বহুতো সেৱকৰ সৃষ্টি কৰে।

ইতিমধ্যে গান্ধী-আৰৱিন চুক্তি সম্পূৰ্ণৰূপে নিষ্ফল হৈছিল। ৰাজনৈতিক পৰিবেশ দ্ৰুতভাৱে বেয়াৰ ফালে ঢাল খালে। দুয়োপক্ষ আগন্তুক সমৰৰ বাবে প্ৰস্তুত হ'ল। ১৯৩২ চনৰ ৪ জানুৱাৰীত গান্ধীজী আৰু বল্লভভাই পেটেলক চৰকাৰে গ্ৰেপ্তাৰ কৰে। গান্ধীজীক লগ ধৰিবলৈ আহোঁতে বাটতে এলাহাবাদত নেহৰুক পুলিচে আটক কৰে। আকৌ কংগ্ৰেছ 'বে-আইনী' বুলি ঘোষিত হ'ল। দেশৰ প্ৰশাসনীয় কাম কাজ চলিল অৰ্ডিনান্সৰ যোগেদি। প্ৰায় সকলো ঠাইতে পুলিচী অত্যাচাৰ বৃদ্ধি পালে। বাতৰি কাকতৰ ওপৰত নিষেধাজ্ঞা জাৰি হ'ল।

গান্ধীজীৰ গ্ৰেপ্তাৰৰ লগে লগে আইন অমান্য আন্দোলনৰ দ্বিতীয় পৰ্য্যায় আৰম্ভ হয়।

১৯৩২ চনৰ ২১ জানুৱাৰীত 'অসমীয়া'কাকত মুদ্ৰিত হোৱা 'নিউপ্ৰেছ' পুলিচে খানাতালাচ কৰে আৰু 'ইয়াং ইণ্ডিয়া' কাকতৰ কেইটামান সংখ্যা জব্দ কৰে। ৬ ফেব্ৰুৱাৰীত কংগ্ৰেছ আৰু সংশ্লিষ্ট অনুষ্ঠানসমূহ ভাৰতীয় ফৌজদাৰী আইনৰ ১৬ ধাৰা মতে বে-আইনী ঘোষিত হয়। অসম সেৱাদল আৰু তাৰ শাখাসমূহো বে-আইনী ঘোষিত হ'ল। ২১ ফেব্ৰুৱাৰীৰ দিনাই বিষ্ণুৰাম মেধি, হেমচন্দ্ৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, ডাঃ ভুবনেশ্বৰ বৰুৱাৰ ঘৰ আৰু 'গ্ৰেজুৱেটচ,

ইউনিয়ন'ৰ ঘৰত পুলিচে থানাতালাচী চলায়। কেইবাঠাইবো পৰা সেৱাদল সম্পৰ্কীয় কাগজ-পত্ৰ জব্দ কৰে।

চৰকাৰী প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলৈ প্ৰদেশ কংগ্ৰেছে ২৬ জানুৱাৰীৰ দিনটো বিস্তৃত কাৰ্যসূচীৰে পালন কৰিবলৈ সিদ্ধান্ত লয়। সকলোকে সেইদিনা সমদল বান্ধি জাতীয় পতাকা উত্তোলন কৰি প্ৰকাশ্যে স্বাধীনতাৰ সংকল্প গ্ৰহণ কৰিবলৈ কোৱা হয়। ৭ জানুৱাৰীৰ পৰা অমিয়ই তেজপুৰ, গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় আদি ঠাইত দিৱসটো যাতে যথাযথভাৱে পালন হয় তাৰ ব্যৱস্থা কৰে। তেজপুৰত জ্যোতিপ্ৰসাদক লগত লৈ অমিয়ই জামুগুৰি, চতিয়া, বিশ্বনাথ, বিহালি আদি অঞ্চল ভ্ৰমণ কৰে। সেই সময়ত জ্যোতিপ্ৰসাদে পেটৰ বিকাৰত ভুগিছিল। বুৰৈ নদীৰ ঘাটত তেওঁৰ অৱস্থা বেয়া হোৱাত অমিয়ই তেওঁক বোকোচাত তুলি লৈ পাৰ কৰি দিয়ে। এইদৰে তেওঁলোক গৈ গমিৰি পায় গৈ। প্ৰায় সকলো ঠাইৰে সেৱকদল আহি তেজপুৰৰ নিকামুল সত্ৰৰ নামঘৰত (ৰঙা পুথুৰী) গোট খায়হি তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ দায়িত্ব লয় অমিয় আৰু জ্যোতিপ্ৰসাদে' ডেৰশ মান সেৱক আহি তাত গোট খাইছিলহি। বেদানন্দ শৰ্মা আৰু ফণীধৰ দাসে 'ড্ৰিল' শিক্ষা দিয়ে। জ্যোতিপ্ৰসাদে সমবেত সঙ্গীত শিক্ষাৰ পাঠদান কৰে। ওচৰৰ গাঁওবিলাকৰপৰা চাউল, শাক-পাচলি ধনৰ বৰঙণি আহে। দিনৰ কাৰ্যসূচী আছিল—পুৱা ড্ৰিল শিক্ষা, দুপৰীয়া সংগীত শিক্ষা, শিবিৰৰ ঘৰ-সজাৰ কাম, আৰু গধূলি জোৰ বন্তি লৈ সমদল বাহিৰ কৰি নগৰ পৰিভ্ৰমণ কৰা। ফলস্বৰূপে গাৱেঁ গাঁৱে উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছিল।

'জ্যোতিপ্ৰসাদ সঙ্গীত শিক্ষাদানত অতি কঠোৰ। তেওঁ সুৰৰ অঙ্গহানি, ছন্দৰ পতন সহ্য কৰিব নোৱাৰে। যেয়ে গানৰ লগত পদক্ষেপ ভুল কৰে তাকে কাণতলীয়া চৰ সোধায়। এনেকৈ চৰ খাই কেইবাজনো সেৱকে দল এৰি গুচি গ'ল। কথা বিষম হোৱা যেন দেখি অমিয়ই হস্তক্ষেপ কৰে আৰু জ্যোতিপ্ৰসাদক কয় 'মানুহ-

খিনিৰ পুলিচৰ লাঠীৰ কোব খাবলৈ বোধকৰো আপত্তি নাই, কিন্তু গানৰ বাবে চৰ-লাঠী খাবলৈ ভাল পোৱা নাই। গতিকে ভুল কৰিলেও বৰকৈ ধৰিব নেলাগে।' উল্লেখযোগ্য যে ১৯৩০-৩১ৰ কালছোৱাত জ্যোতিপ্ৰসাদে তেওঁৰ কেইবাটাও বিখ্যাত স্বৰাজ সঙ্গীত ৰচনা কৰি সুৰ দি ভলণ্টিয়াৰ সমাৰেশত গোৱাইছিল।

সকলো আয়োজন সমাপ্ত হোৱাৰ পিছত এতিয়া প্ৰশ্ন হ'ল তেজপুৰত ক'ত পতাকা উত্তোলন কৰা হব? এই লৈ কংগ্ৰেছকৰ্মীৰ মাজত গুণাগ'ঠা চলিল। ভিক্টোৰিয়া জুবিলী লাইব্ৰেৰীৰ সংলগ্ন মুকলি পথাৰত পতাকা উত্তোলন কৰিবলৈ মিউনিচিপেলটিৰ চেয়াৰমেনে দিবলৈ অস্বীকাৰ কৰিলে। ১৫ জানুৱাৰীত স্থিৰ হ'ল সকলোৱে সমদল কৰি নগৰত ফুৰি প'লো ফিল্ডত পতাকা উত্তোলন কৰি স্বাধীনতাৰ সংকল্প গ্ৰহণ কৰিব। ৰুদ্ৰকান্ত বৰাক দায়িত্ব দিয়া হ'ল পতাকা উত্তোলনৰ বাবে বামুণচুবুৰী লৈ গৈ ভলুকাবাঁহৰ খুটাৰ দিহা কৰি গাঁতখনাই থ'বলৈ। ৰাতিপুৱা খুটা পুতিবলৈ আৰু তাৰ ৰক্ষাৰ বাবে কেইজনমান সেৱকক দায়িত্ব দিয়া হ'ল।

সেই সময়ত অমিয়ই কংগ্ৰেছকৰ্মী হেম হাজৰিকাৰ ঘৰত থাকিবলৈ লৈছিল। ২৬ জানুৱাৰীৰ পুৱা অমিয়ই প্ৰথমতে প'লো-ফিল্ডলৈ গৈ তাৰ প্ৰস্তুতি চাই নিকামুলসত্ৰলৈ যায়। চাৰে সাত বজাত নিকামুল সত্ৰত সেৱকসকলক অহিংসভাৱে লাঠী চাৰ্জৰ সম্মুখীন হ'বলৈ শপত গ্ৰহণ কৰাটো নিৰ্ধাৰিত আছিল। কাৰোবাৰ যদি মনত সংশয় থাকে তেন্তে আগতে বিদায় ল'বলৈ কোৱা হ'ল। এজন এজনকৈ আহি সকলোৱে সত্ৰৰ থাপনাৰ সম্মুখত শপত গ্ৰহণ কৰে। পতাকাধাৰী নিৰ্দিষ্ট হ'ল ফণীধৰ দাস আৰু হেমোৰাম হাজৰিকা। তেওঁলোকৰ পিছত থিয় হ'ল গহনচন্দ্ৰ গোস্বামীৰ পত্নী—তেওঁলোকৰ পাছত সেৱক বাহিনী আৰু সেৱক বাহিনীৰ পাছত গাঁৱৰপৰা অহা ৰাইজক শৃঙ্খলাবদ্ধভাৱে সজোৱা হ'ল। সমদলৰ সম্মুখত থিয় হ'ল অমিয় নিজেই, মাজ-ভাগত গহনচন্দ্ৰ গোস্বামী আৰু শেহৰ ফালে জিলাধিনায়ক জ্যোতিপ্ৰসাদ। ঠিক

হ'ল পুলিচে লাঠী চালনা কৰিলে দলপতি অমিয়ই আদেশ দিব 'বৈঠ যাও'—সকলোৱে লগে লগে বহি দিব। সমদলটো প্ৰায় ২।৩ ফার্লংমান দীঘল হৈছিল। সকলোৱে জ্যোতিপ্ৰসাদৰ 'বিশ্ব-বিজয়ী ন' জোৱান' গীতটো গাই গাই আগবাঢ়িবলৈ ধৰে। আগৰৱালা পৰিয়ালৰ ঘৰৰ সম্মুখত জ্যোতিপ্ৰসাদৰ মাতৃয়ে সমদল চাবলৈ ওলাই আহিছিল। সেৱাদলৰ নিয়মানুসাৰে সেৱকদলে তেওঁৰ ফালে মুখ ঘূৰাই সম্মান প্ৰদৰ্শন কৰে। এনেদৰে সমদল গৈ থানাৰ সম্মুখ পালেগৈ। এনেতে থানাত হুইচেল বাজিল। লাঠী লৈ এদল চিপাহী লৰি আহি থানাৰ গেটত থিয় হ'ল আৰু আন এটা দলে টাউন হলৰ গেটত থিয় দি ৰ'ল। সম্মুখত পুলিচ ইন্সপেক্টৰ! অমিয়ই হাঁহি হাঁহি আগবাঢ়ি গ'ল। সমদলে নগৰ পৰিভ্ৰমণ কৰি প'লোফিল্ডত পতাকা উত্তোলন কৰি স্বাধীনতাৰ সংকল্প গ্ৰহণ কৰে। পতাকা উত্তোলন কৰে অমিয়ই। তাৰ পিছত তেওঁ পতাকাখনৰ প্ৰতীকৰ অৰ্থ আৰু তাৰ মূল্যৰ কথা ব্যাখ্যা কৰে। পতাকাৰ সম্মান ৰক্ষা কৰিবলৈ সকলোকে আহ্বান জনায়। সেই সময়ত সমদল বাহিৰ কৰিলে তাৰ বাবে ডি-চিৰপৰা লাইচেন্স লোৱাটো নিয়ম আছিল। অমিয়হঁতে সেইদিনা একো অনুমতি লোৱা নাছিল। পুলিচে কোনো ধৰণৰ হস্তক্ষেপ নকৰাত সমদলত যোগ দিয়া মানুহৰ সংখ্যা বহুত বাঢ়িছিল।

পিছত সেৱকদলৰ মাজৰপৰা ৫০ জনক বাচি অসম সেৱাদলৰ প্ৰশিক্ষণ শিবিৰত ভৰ্তি কৰোৱা হ'ল, তেওঁলোকৰ বাবে চাউল পাত, শাক-পাচলি আদি প্ৰয়োজনীয় বস্তু ওচৰৰ গাঁওবিলাকৰপৰা আহিছিল। প্ৰশিক্ষাৰ্থীসকলক ড্ৰিল শিক্ষা, পেৰেড কৰা আদিৰ উপৰিও কংগ্ৰেছৰ বুৰঞ্জী, গণতান্ত্ৰিক সমাজ ব্যৱস্থা আদিও বুজোৱা হৈছিল। চতিয়া, জামুগুৰি আদি অঞ্চলতো প্ৰশিক্ষণ শিবিৰ পতাৰ ব্যৱস্থা হয়।

ইয়াৰ কিছুদিনৰ পিছতেই অসম চৰকাৰে সেৱাদল সংগঠন বে-আইনী বুলি ঘোষণা কৰে।

২০ ফেব্ৰুৱাৰীৰ দিনা পুৱা পুলিচে সেৱাদল সংগঠনৰ মূলকেন্দ্ৰ নিকামুলসত্ৰত খানাতালাচী চলায়। তাৰপৰা লাঠী, হাফপেণ্ট, গান্ধীকেপ, চাউল, বাচন-বৰ্তন আদি জব্দ কৰে। পুলিচৰ সম্মুখতে অমিয়ই পতাকা উত্তোলন কৰে—সেৱকসকলে অভিবাদন জনায়। গোটেই সেৱাদলটোকে পুলিচে গ্ৰেপ্তাৰ কৰে। সেৱকদলে সমদল বান্ধি ত্নজন ত্নজনকৈ থিয় হ'ল। সম্মুখত থিয় হ'ল অমিয় আৰু গহণচন্দ্ৰ গোস্বামী। এনেদৰে ৪৯ জন সেৱকৰ সৈতে দলটোৱে পুলিচৰদ্বাৰা আবৃত্ত হৈ মাৰ্চ কৰি জ্যোতিপ্ৰসাদৰ সঙ্গীত গাই আগবাঢ়ি গ'ল জেল অভিমুখে।

বহুতদিন দলটো বিচাৰাধীন হৈ হাজোতত আছিল। ১৯৩২ চনৰ ৭ মাৰ্চত দলটোৰ বিচাৰ ল'লে ডেপুটি কমিচনাৰে নিজে। বিচাৰত গহণচন্দ্ৰ গোস্বামীক এবছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা —অনাদায়ে ছয়মাহ কাল কাৰাদণ্ড (এখেতে সত্ৰৰ মাটিত শিবিৰ পাতিবলৈ দিয়াত শাস্তিৰ মাত্ৰা বাঢ়িছিল), বেদানন্দ শৰ্মা আৰু ফণীধৰ দাসক এবছৰ সশ্ৰম কাৰাদণ্ড আৰু অমিয়ক ছয়মাহ কাল সশ্ৰম কাৰাদণ্ড আৰু তিনিশ টকা জৰিমনা অনাদায়ে ছয় সপ্তাহ কাল কাৰাদণ্ডৰ আদেশ দিয়ে।

সকলো ঠাইতে চৰকাৰী নিষ্পেষণৰ মাত্ৰা বৃদ্ধি পায়। সকলো ঠাইতে সেৱাদলৰ অফিচ ঘৰত পুলিচে তলা-চাবি লগায়। চতিয়াত পুলিচে সেৱাদলৰ কেম্প ভাঙি লণ্ড-ভণ্ড কৰে. সেই অঞ্চলৰ বহুতো লোকক পুলিচে গ্ৰেপ্তাৰ কৰে। দৰং জিলাত চাৰিদুৱাৰ অঞ্চলৰ ১৫০ জন, ন দুৱাৰ অঞ্চলৰ ১২০ জন সেৱকক গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিহে। মুঠতে সেৱাদলৰ ছয়শ জন সেৱক কাৰাদণ্ডিত হয়। বৰঙাবাৰীৰ ছয়জন সেৱকে ঘোঁৰাত উঠি 'দিগ্‌বিজয়'ত ওলাইছিল। তেওঁলোকে ঘোঁৰাৰ পিঠিত কাকত লেখি আঁৰিছিল যে দলটোৱে ৰাজসূয় যজ্ঞ পাতিছে—যি তাক ধৰিব—তেওঁৰেই ৰণ দিব লাগিব। এইদৰে গৈ তেজপুৰৰ কাছাৰী ঘৰ পোৱাত তেওঁলোকক গ্ৰেপ্তাৰ কৰি ছয় মাহৰ কাৰাদণ্ড দিয়ে। চতিয়াৰ ত্নজন লোকে তেজপুৰৰ

কোৰ্টৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰি কাৰাদণ্ড বৰণ কৰে। জ্যোতিপ্ৰসাদৰ জাতীয় সঙ্গীতৰ ওপৰত চৰকাৰে নিষেধাজ্ঞা জাৰি কৰে। জ্যোতিপ্ৰসাদৰ ওপৰতো এবছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা অনাদায়ে ছয়মাহকালৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ হয়। তাৰ উপৰি বিজয়চন্দ্ৰ ভাগৱতী, মহাদেৱ শৰ্মা, লক্ষ্মীধৰ শৰ্মা, মহিম চন্দ্ৰ সিংহ আৰু চেনীৰাম দাস আদিক পুলিচে গ্ৰেপ্তাৰ কৰে। অসম কংগ্ৰেছৰ সম্পাদক হেমচন্দ্ৰ বৰুৱাৰ মতে এই আন্দোলনত গোটেই অসমত পুলিচে ১৭০০ জন লোকক গ্ৰেপ্তাৰ কৰে আৰু তাৰে ভিতৰত ৮০০-৯০০ জন লোক কাৰাদণ্ডিত হয়।

অমিয় বেছিদিন তেজপুৰ জেলত থাকিবলৈ নেপালে। তেওঁক তাৰপৰা যোৰহাট জেললৈ বদলি কৰে। ১ অক্টোবৰতহে তেওঁ জেলৰপৰা মুক্তি লভে।

ৰাজনৈতিক কামৰপৰা অৱসৰ পাই জেলৰ দিনকেইটাত তেওঁ সাহিত্য-চৰ্চা কৰিবলৈ লৈছিল। জেলত থাকোঁতেই তেওঁ তেওঁৰ আদৰ্শ পুৰুষ মহাত্মা গান্ধীৰ আত্ম-জীৱনী 'My Experiment with Truth'ৰ অসমীয়া অনুবাদ "মোৰ সত্য অন্বেষণৰ কাহিনী" লেখিবলৈ আৰম্ভ কৰে।

দশম অধ্যায়

এইবাৰ সামাজিক বিপ্লৱত

অমিয়ই অসম কংগ্ৰেছৰ ভৱিষ্যত কাৰ্য পদ্ধতি নিৰ্ধাৰণ কৰিবলৈ গান্ধীজীক দেখা-সাক্ষাত কৰাৰ উদ্দেশ্যে পুণা পালে গৈ।

ইতিমধ্যে এৰা-ধৰাকৈ চলি থকা আইন-অমান্য আন্দোলন প্ৰায় অন্ত পৰিছিল। গান্ধীজীয়ে সমূহীয়া আইন অমান্য আন্দোলনৰ সলনি ব্যক্তিগত আইন অমান্য আন্দোলন কৰিবলৈ নিৰ্দেশ দিয়ে। অসমৰ ক্ষেত্ৰত গান্ধীজীয়ে কয়ঃ 'য'ত জীৱন-যাত্ৰা ইমান সহজ বুলি ধৰি কানিৰ ৰাগীত ভোল গৈ থকা এটা জাতিক কৰ্মময় জীৱনৰ প্ৰেৰণা দিয়াৰ বাহিৰে উপায়ন্তৰ নাই।'

গান্ধীজীয়ে সেই সময়ত পুণাত থাকি সমগ্ৰ ভাৰতবৰ্ষতে কেনেকৈ এক সামাজিক বিপ্লৱ সংঘটিত কৰিব পাৰি তাৰেই পৰিকল্পনাত ব্যস্ত আছিল।

১৯৩২ চনৰ ১৭ আগষ্টত ইংৰাজ চৰকাৰে সমগ্ৰ দেশৰ বাবে 'সাম্প্ৰদায়িক বাটোৰাৰা' (communal award) ঘোষণা কৰিছিল। ইয়াৰ অৰ্থ হ'ল এতিয়াৰপৰা দেশৰ চাৰি কোটি অস্পৃশ্য লোকৰ বাবে সুকীয়া নিৰ্বাচনী গোট গঠন কৰা হ'ব।

এই ব্যৱস্থাই আমাৰ সমাজ ব্যৱস্থাত জাত-পাতৰ ব্যৱধান আৰু বঢ়ায়হে তুলিব। গান্ধীজীয়ে নীৰৱে নেথাকিল। ইয়াৰ প্ৰতিবাদ কৰি ১৯৩২ চনৰ ২০ চেপ্তেম্বৰৰপৰা অনশন ব্ৰত আৰম্ভ কৰিলে। গান্ধীজীৰ সিদ্ধান্তই দেশবাসীক আৰু' এবাৰ চমক খুৱালে। সকলোৱে নিজৰ নিজৰ সমাজ ব্যৱস্থালৈ চকু দিলে। অস্পৃশ্যতা নামধাৰি কিবা সামাজিক ব্যাধি থাকিলে তুৰন্তে তাক নিবাময় কৰিব লাগিব—দেশৰ চৌদিশে আৱেগিক ধুমুহা বলিল—নাই দেশৰপৰা অস্পৃশ্যতা বৰ্জন কৰিবই লাগিব। গান্ধীজীৰ জীৱন অৱসান হ'বলৈ দিব নোৱাৰি। অস্পৃশ্যতা বৰ্জনৰ বাবে আন্দোলন আৰম্ভ হ'ল।

কোনো কোনো ঠাইত 'অস্পৃশ্যতা বৰ্জন' সপ্তাহ পালন হ'ল। বৰ্ণ-হিন্দুৰ লোকে অস্পৃশ্যলোকৰ লগত বহি একেলগে খোৱা-লোৱা কৰিলে। মদন মোহন মালব্য, ৰাজাগোপালাচাৰী, আম্বেদকাৰ আদিৰ মধ্যস্থতাত গান্ধীজীৰ সম্মতিক্ৰমে 'পুণা-চুক্তি' স্বাক্ষৰিত হ'ল। ২৬ চেপ্তেম্বৰৰ দিনা গান্ধীজীয়ে অনশন ব্ৰত ভঙ্গ কৰে। 'পুণা-চুক্তি' মতে সাধাৰণ নিৰ্বাচনী গোটৰ মাজতে অনুসূচীত লোকৰ বাবেও আসন সংৰক্ষণৰ ব্যৱস্থা হয়। অস্পৃশ্যলোকক গান্ধীজীয়ে 'হৰিজন' আখ্যা দিয়ে আৰু এই নামৰে তেওঁ এখন কাকত প্ৰকাশ আৰু সম্পাদনা কৰিবলৈ লয়। হৰিজনসকলৰ কল্যানাৰ্থে গান্ধীজীৰ পৃষ্ঠপোষকতাত ঘনশ্যাম বিৰলাৰ নেতৃত্বত 'হৰিজন সেৱকসংঘ' স্থাপন হয়।

১৯৩০ৰ পৰা ১৯৩৪ চনলৈ অসমত মাদক দ্ৰব্য নিবাৰণী আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰিছিল। চিগাৰেট, মদ, ভাং কানি সম্পৰ্কে অসমৰ সকলো ঠাইতে কংগ্ৰেছ সেৱকসকলে প্ৰচাৰ অভিযান চলাইছিল। মহল-দোকান আদিত পিকেটিং কৰি বহু সংখ্যক সেৱক গ্ৰেপ্তাৰ হৈছিল। বিদেশী দ্ৰব্য বৰ্জন আন্দোলনো সমান গতিৰে চলিছিল। মানুহে চেনী খাবলৈ এৰি গুৰ খাবলৈ লৈছিল। প্ৰচাৰ অভিযানৰ ক্ষেত্ৰত প্ৰদেশ কংগ্ৰেছ অফিচে বুলেটিন, প'ষ্টাৰ, পুস্তিকা আদি বিনামূলীয়াকৈ ৰাইজৰ মাজত বিলাই দিছিল, এনে অভিযানৰ ফলত চৰকাৰৰ ৰাজহ শতকৰা ৫০ ভাগ হ্ৰাস পায়। সেৱকে দলে ১০০খন মদৰ দোকানত পিকেটিং কৰে আৰু তাৰে ৩খন সম্পূৰ্ণৰূপে বন্ধ হৈ যায়। সৰ্বমুঠ ২,২৫০ জন সেৱক এই আন্দোলনত অংশ লয় তাৰে ১৫০ গৰাকী মহিলা সেৱিকা আছিল। কাৰাদণ্ডিত হোৱা ৭০০ জনৰ ভিতৰত ৫০ গৰাকীয়ে মহিলা আছিল। হেমচন্দ্ৰ বৰুৱাই কানিৰ দোকানৰ সন্মুখত 'ব্যক্তিগত সত্যাগ্ৰহ' কৰাৰ কথা ঘোষণা কৰাত তেওঁক পুলিচে আটক কৰে। ১৯৩৪ চনৰ মে মাহতহে তেওঁ মুক্তি লভে।

ইয়াৰ মাজতে ১৯৩৩ চনৰ এপ্ৰিল মাহত কলিকাতাত বহা

জাতীয় কংগ্ৰেছৰ অধিবেশনত যোগ দিবলৈ অমিয় আৰু লগৰ কেইবাজনো সতীৰ্থ গৈছিল। চৰকাৰে হঠাতে এই অধিবেশনৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে। অধিবেশনৰ নিৰ্বাচিত সভাপতি মদনমোহন মালব্যক গ্ৰেপ্তাৰ কৰে। কংগ্ৰেছ কৰ্মীসকলে নেলী সেনগুপ্তাক সভানেত্ৰী নিৰ্বাচিত কৰি সভা পাতে আৰু তাত সাতোটা প্ৰস্তাৱ গৃহীত কৰোৱায়। অমিয় আৰু তেওঁৰ সতীৰ্থসকল কিন্তু কলিকতা গৈ নেপালে—তেওঁলোকক বাটতে পাৰ্বতিপুৰ ষ্টেশ্যনত পুলিচে আটক কৰে আৰু পুৰা এসপ্তাহকাল দিনাজপুৰ জেলত আটক কৰি ৰাখি এৰি দিয়ে।

শঙ্কৰ মাধৱৰ দেশ অসমত অস্পৃশ্যতাই কেতিয়াও ভয়াবহ ৰূপ লোৱা নাছিল। উদাৰ বিমল ভাগৱতীধৰ্মই দেশত এটা সুস্থ সামাজিক বাতাবৰণৰ সৃষ্টি কৰিছিল যিটো ভাৰতৰ অন্যান্য ঠাইত পোৱাটো দুষ্প্ৰাপ্য।

'সাদিনীয়া অসমীয়া'ই (১৬ জেঠ, ১৮৪৮ শক) সাম্প্ৰদায়িকতা-বাদক গৰিহণাদি লেখিছিল :

> ······সাম্প্ৰদায়িকতাত এবাৰ ভিৰ দিলে অসংখ্য সম্প্ৰদায় থকা আমাৰ দেশত সকলোৰে মাজত খোৱা-কামোৰা লাগি অশান্তি হোৱাৰ সম্ভাৱনা।........যোগ্যতা এৰি দি সাম্প্ৰদায়িকতাত আশ্ৰয় লোৱাতো জাতীয় স্বাস্থ্যৰ পক্ষে অমঙ্গলজনক।

হিন্দু-মুছলমান, বৰ্ণহিন্দু আৰু অনুন্নত শ্ৰেণীৰ সাম্প্ৰদায়িক মনোভাৱ অসমীয়া সমাজতো লাহে লাহে শিপাইছে মূলতঃ অৰ্থনৈতিক কাৰণত ; চাকৰিৰ বজাৰ অত্যন্ত মহঙা হোৱাত এনে ভাৱবিলাক লাহে লাহে শিক্ষিত লোকৰ মাজত বৃদ্ধি পাইছিল।

ইতিমধ্যে দেশত অস্পৃশ্যতা নিৱাৰণী আন্দোলনে ব্যাপক ৰূপ লৈছিল। গান্ধীজীৰ নিৰ্দেশত সমগ্ৰ দেশজুৰি হৰিজন সেৱক সংঘৰ বাবে অৰ্থ সংগ্ৰহ অভিযান আৰম্ভ হয়। এই উদ্দেশ্যে ১৯৩৩ চনৰ আগষ্টত ঠক্কৰ বাপা অসম ভ্ৰমণলৈ আহে। ১৯৩৪ চনৰ এপ্ৰিলত

গান্ধীজী নিজে অসম ভ্ৰমণলৈ আহে। গান্ধীজীৰ এয়া হ'ল তৃতীয় অসম ভ্ৰমণ ১০ এপ্ৰিলত গান্ধীজী আহি গোলোকগঞ্জ পায়হি। তাতে তেখেতক আদৰণি সম্ভাষণ জনায় গৈ গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী, দেৱেন্দ্ৰনাথ শৰ্মা আৰু অমিয়ই। ১২ এপ্ৰিলত গান্ধীজী তেজপুৰ পায়হি, তেজপুৰত পৰমানন্দ আগৰৱালা, মহাদেৱ শৰ্মা, হৰকান্ত দাস, মহিমচন্দ্ৰ সিংহ আৰু অমিয়ই তেওঁক সম্ভাষণ জনায়। আন ঠাইৰ দৰে ইয়াতো গান্ধীজীয়ে পৌৰসভাৰ স্বাস্থ্য-বিভাগৰ ম'জদুৰসকলৰ থকা ঘৰ আদি পৰিদৰ্শন কৰে। তেওঁলোকৰ আৰ্থ-সামাজিক সমস্যাৰ বুজ লয়। সঘনে ঋণ লোৱা স্বভাৱ আৰু ৰাগীয়াল বস্তুৰ প্ৰতি থকা লোভ এই কু-অভ্যাসবিলাক তেওঁলোকৰ মাজৰপৰা কেনেকৈ গুচাব পাৰি সেই কথাও তেওঁ আলচ কৰে। ধাৰাসাৰ বৰষুণৰ মাজতে ৰাজহুৱা সভাখন অনুষ্ঠিত হয়। বহুতো অনুষ্ঠানে অভিনন্দন পত্ৰ প্ৰদান কৰে। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা তেওঁক ৫০১ টকাৰ বৰঙণি দিয়া হয়। সেই দিনাই নিশা বাৰ বজাত গান্ধীজীৰ দল গড়মূৰীয় সত্ৰাধিকাৰ, দেৱেন শৰ্মা আৰু অমিয়ৰ লগত গুৱাহাটীলৈ প্ৰত্যাৱৰ্তন কৰে।

প্ৰায় ১০ দিন অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি গান্ধীজীয়ে পোন্ধৰ হেজাৰ টকা সংগ্ৰহ কৰে। অসম ভ্ৰমণ কালত গান্ধীজীয়ে দুটা প্ৰধান সমস্যাৰ কথা কৈছিল—অস্পৃশ্যতা বৰ্জন আৰু কানি নিবাৰণ। অসম কংগ্ৰেছে কানি নিবাৰণী অভিযানত ইতিমধ্যে যথেষ্ট সফলতা লভিছিল। এইবাৰ অস্পৃশ্যতা নিবাৰণী অভিযানতো আগ-ভাগ ল'বলৈ অসমৰ ডেকা কংগ্ৰেছ কৰ্মীসকল আগবাঢ়ি আহিল। নক'লেও হ'ব গঠনমূলক কামৰ প্ৰতিহে অসমৰ কংগ্ৰেছ কৰ্মীসকলৰ ধাউতি বেছি। অস্পৃশ্যতা নিবাৰণী আন্দোলনৰ লগে লগে অসম কংগ্ৰেছে কানি নিবাৰণী অভিযানো চলাই আছিল। অসম চৰকাৰে নতুনকৈ কানীয়াক "পাচ" দিয়াৰ নীতি প্ৰবৰ্তণ কৰাত কংগ্ৰেছে তাৰ ঘোৰ বিৰুদ্ধতা কৰে। আন্তৰ্জাতিক জাতিসংঘৰ সভাত চৰকাৰী কাৰ্য্যৰ প্ৰতিবাদ কৰিবলৈ অসম কংগ্ৰেছে সিদ্ধান্ত লয়। ফলে সেই

সময়ত বিদেশত থকা সুভাষচন্দ্ৰ বসুকে এই দায়িত্ব দিবলৈ মনস্থ কৰে। এই উদ্দেশ্যে প্ৰদেশ কংগ্ৰেছে (১৮ অক্টোবৰ, ১৯৩৫) কুলধৰ চলিহাক সভাপতি, কৃষ্ণনাথ শৰ্মাক সম্পাদকৰূপে বাছনি কৰি এখন সমিতি গঠন কৰি দিয়ে—অমিয় তাৰ অন্যতম সদস্যৰূপে নিৰ্বাচিত হৈছিল। ১৯৩৫ চনৰপৰাই জাতিসঙ্ঘই ভাৰতৰ কানি পৃথিৱীৰ অন্যান্য দেশলৈ ৰপ্তানি হোৱাটো বন্ধ কৰে। কিন্তু অসমত কানিৰ খেতি তেতিয়াও চলি আছে। দৰৱৰ বাহিৰে কোনো কাৰণত কোনো প্ৰকাৰৰ কানি যাতে অসমলৈ আমদানি বা বিক্ৰী হ'ব নোৱাঁৰে তাৰবাবে চৰকাৰক প্ৰতিকাৰ ল'বলৈ কংগ্ৰেছ কমিটিয়ে টানি মত প্ৰকাশ কৰে।

ৰাজনৈতিক আন্দোলন প্ৰায় বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। অমিয়ৰ দিন নেযায় নুপুৰায়ৰ দৰে হ'ল। সময় অফুৰন্ত। মাজে মাজে সভা-সমিতিত বক্তৃতা দিবলৈ বা সভাপতিত্ব কৰিবলৈ আহ্বান আহে। অসমৰ বিভিন্ন ঠাইত হোৱা ৰায়ত সভাবোৰলৈ অমিয়ই প্ৰায়ে নিমন্ত্ৰণ পাইছিল অসমৰ ৰায়ত সভা অতি পুৰণি অনুষ্ঠান। এই সভাবোৰে সাধাৰণতে কৃষকৰ অভাৱ অভিযোগৰ কথাই আলচ কৰিছিল। প্ৰতিবাৰ জৰিপ কাৰ্য্য শেষ কৰি চৰকাৰে মাটিৰ খাজনাৰ নিৰিখ বৃদ্ধি কৰে। মেল-মোকৰ্দমা, বিয়া-সবাহ আদিয়ে অসমীয়া কৃষকৰ অৰ্থনৈতিক অৱস্থা জুৰুলা কৰি তোলে। উল্লেখ-যোগ্য যে ৰায়ত সভাৰ উদ্গনিত গাৱঁৰ বাট-পদূলি, নতুন বাট বন্ধা-পুৰণি বাট মেৰামতিকৰা আদি কাম হৈছিল। ৰায়ত সভাৰ সভ্যৰ বছেৰেকীয়া বৰঙণি আছিল মাত্ৰ এক অনা। ৰায়ত সভাৰ নিয়মাৱলীও আছিল। অসমত প্ৰায় ২।৩ শ খন মান শাখা ৰায়ত সভাই কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৩৬ চনৰ ২১-২২ মাৰ্চত দেৰগাঁওত অসম ৰায়ত সভাৰ বাৰ্ষিক সভা ডাঃ হৰেকৃষ্ণ দাসৰ সভাপতিত্বত বহে; আদৰণি সভাৰ সভাপতি আছিল গঙ্গাৰাম মেধি। এই সভাত অমিয়ই যোগদান কৰিছিল আৰু তেওঁ অসম ৰায়ত সভাৰ কাৰ্য্যকৰী কমিটিৰ সভ্য হিচাপে নিৰ্বাচিত হৈছিল।

তাৰোপৰি অসম ৰাষ্ট্ৰীয় সম্মিলনসমূহ বহুবি অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈছিল। ১৯৩৫ চনৰ ২০ এপ্ৰিলত যোৰহাটৰ ঢেকিয়াখোৱাত 'ৰোহিণীকান্ত হাতীবৰুৱা' নগৰত অমিয়ৰ সভাপতিত্বত অসম ৰাষ্ট্ৰীয় সম্মিলনৰ ৩য় অধিবেশন বহে, সভাত তিনি হেজাৰমান লোকৰ সমাৱেশ হৈছিল। সভাত সিদ্ধিনাথ শৰ্মা, বেলিৰাম দাস, মহাদেৱ শৰ্মা, ৰাজেন্দ্ৰনাথ বৰুৱা, দেৱেশ্বৰ শৰ্মা, কুলধৰ চলিহা আদিও উপস্থিত আছিল। সভাপতিক বিশিষ্ট নেতাসকলে শোভাযাত্ৰা কৰি আগবঢ়াই আনে। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল শশীধৰ মলীয়া বৰুৱা। সভাৰ কাৰ্য্যক্ৰমণিকা চলি থাকোঁতেই হঠাতে সভাত ৰাজকুমাৰী অমৃত কাউৰ আৰু জামায়েৎ সিং উপস্থিত হয় গৈ। (তেওঁলোকে বানপীড়িত ৰাইজক সহায় কৰিবলৈ অসমলৈ আহিছিল।) কাকজান কংগ্ৰেছ কমিটিৰ তৰফৰপৰা তেওঁলোকলৈ অভিনন্দন পত্ৰ প্ৰদান কৰে। তাৰ উপৰি এই ঠাইতে গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ সভাপতিত্বত অসম হিন্দী প্ৰচাৰণী সভা, দেবেন্দ্ৰনাথ শৰ্মাৰ সভাপতিত্বত অসম শ্ৰমিক সম্মিলন, শঙ্কৰচন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অসম যুৱক সম্মিলন আদিও অনুষ্ঠিত হৈছিল।

১৯৩৬ চনৰ ৭ ডিচেম্বৰত ৪ৰ্থ অসম ৰাষ্ট্ৰীয় সম্মিলন তেজপুৰৰ বেহেৰীয়াত অনুষ্ঠিত হয়। এই সভাত সভাপতিত্ব কৰিছিল কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ কংগ্ৰেছ দলৰ দলপতি ভুলাভাই দেশায়ে। অভ্যৰ্থনা সমিতিৰ গুৰি ধৰিছিল অমিয়ই। এই সভাৰ উপৰিও ভুলাভায়ে অসমৰ কেইবাখনো ঠাইত বক্তৃতা দিছিল। সভাত কেইবাটাও প্ৰস্তাৱ গৃহীত হৈছিল।

১৯৩৪ চনত নগাঁও আৰু কামৰূপ জিলাত বানপানীয়ে বিস্তৰ ক্ষতি সাধন কৰে। কংগ্ৰেছৰ ফালৰপৰা বানপীড়িত ৰাইজৰ মাজত সাহায্য বিতৰণৰ ব্যৱস্থা কৰা হয়। এই কামত অমিয়ই আগভাগ লৈছিল। তাৰ উপৰি তেওঁ অসমৰ বিভিন্ন ঠাই ভ্ৰমি ৰাজনৈতিক নিৰ্য্যাতিত কৰ্মীৰ পৰিয়ালৰ সাহায্যৰ বাবেও অৰ্থসংগ্ৰহ কৰিছিল।

এই সময়তে অসম কংগ্ৰেছৰ পৰা কংগ্ৰেছ পাৰ্লেমেণ্টৰী বোৰ্ডলৈ বিমলাপ্ৰসাদ চলিহা, ডাঃ হৰেকৃষ্ণ দাস আৰু অমিয় নিৰ্বাচিত হয়। তাৰোপৰি অসম কংগ্ৰেছৰ সম্পাদক হেমচন্দ্ৰ বৰুৱাই স্বাস্থ্য জনিত কাৰণত সাময়িকভাৱে কামৰপৰা অৱসৰ লোৱাত সাধাৰণ সম্পাদকৰ দায়িত্বও অমিয়ই ল'ব লগা হৈছিল।

১৯৩৫ চনৰ ২৪ ডিচেম্বৰৰ পৰা গুৱাহাটীত কংগ্ৰেছে জুবিলী সপ্তাহ পালন কৰে। এই উপলক্ষে বিষ্ণুৰাম মেধিয়ে ওহিদ বজাৰত এখন স্বদেশী প্ৰদৰ্শনী মুকলি কৰে। এই প্ৰদৰ্শনীলৈ হেজাৰ হেজাৰ মানুহৰ সমাগম হৈছিল।

একাদশ অধ্যায়

এক নতুন সমৰক্ষেত্ৰত ঃ সাহিত্যত

দেশ সেৱা আৰু সাহিত্য সেৱা অমিয়ৰ বাবে একেটা মুদ্ৰাৰ দুটি ফাল স্বৰূপ আছিল। সময় সুবিধা আৰু সুযোগ পালেই অমিয়ই কাৰো অনুমতিলৈ বাট নেচায় সাহিত্যৰ জগতত অনুপ্ৰৱেশ কৰিছিল। তেওঁৰ দৰে ব্যস্ত দেশকৰ্মীৰ বাবে একাণপতীয়াকৈ সাহিত্য-চৰ্চা কৰাটো অসম্ভৱেই আছিল। সাহিত্যৰ ৰহস্যময় জগতৰ লগত তেওঁৰ প্ৰথম পৰিচয় হৈছিল সেই তাহানিতে স্কুলীয়া দিনতে। তেজপুৰত মোমায়েকৰ ঘৰত থাকোতে ককায়েকৰ বন্ধু পদ্ম শৰ্মাই নানা অসমীয়া-বঙালী কৱিতা আবৃত্তি কৰি অমিয়ৰ মনটো সেইফালে আকৰ্ষিত কৰিছিল। তাৰ উপৰি চন্দ্ৰনাথ শৰ্মাই ৰাজনীতি বিষয়ক আৰু অন্যান্য সাহিত্য বিষয়ক কিতাপ আনি তেওঁক পঢ়িবলৈ দিয়ে। কোনো কোনো সাহিত্যিকৰ ৰচনাই মনত ৰেখাপাত কৰি যায়। কলিকতাৰ কলেজত পঢ়িবলৈ আহি অমিয়ৰ সুহৃদয়তা হৈছিল কবি যতীন্দ্ৰনাথ দুৱৰাৰ লগত। অভিমানী কবিয়ে কিতাপ পঢ়ি ভাল পায়, ভাল পোৱা কিতাপৰ ভাগ অমিয়কো দিয়ে। তেওঁ এই সময়তে টুৰ্গেনিভ, শ্বেকভ, পুস্কিন আদি বিশ্ববিখ্যাত সাহিত্যিক সকলৰ অমূল্য গ্ৰন্থৰাজিৰ অধ্যয়ন কৰাৰ সুযোগ পায়। দুৱৰাৰ লগত থকা বন্ধুত্বৰ যোগেদিয়েই অমিয়ৰ লক্ষ্মীনাথ বেজবৰুৱাৰ লগত চিনাকি হৈছিল। লাহে লাহে বেজবৰুৱাৰ লগত তেওঁৰ গভীৰ আত্মীয়তা গঢ়ি উঠিছিল। এবাৰ বেজবৰুৱা ব্যৱসায় সংক্ৰান্তত সম্বলপুৰলৈ যোৱাত ১৯১৭ চনত অমিয়কে "বাঁহী" চলোৱাৰ আংশিক দায়িত্ব দি গৈছিল, কিন্তু সি সাময়িক ব্যৱস্থাহে আছিল। অমিয় আকৌ ৰাজনীতিলৈকে ঘূৰি গৈছিল।

অমিয়ৰ সংবাদ-সেৱাৰ কথা আগতে উল্লেখ কৰা হৈছে। সেই

কালত সংবাদ-সেৱা কৰা আৰু ৰাজনীতি কৰা অমিয়ৰ বাবে একেকথাই আছিল। কিন্তু সাহিত্য চৰ্চা কৰা কথাটো—

এৰা, সকলো সাংবাদিকেই সাহিত্যিক নহয়; অমিয়ৰ সাহিত্যিক হোৱাৰ দুৰাশা বহুতদিনৰপৰা—সেই তাহানিৰ অসম ছাত্ৰ সম্মিলনীৰ দিনতো হেমচন্দ্ৰ বৰুৱাৰ সহযোগত অমিয়ই সাহিত্য-চৰ্চাৰ প্ৰতি আকৰ্ষিত হৈছিল। অসমীয়া সাহিত্যৰ ওজা ৺হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে ছাত্ৰ সম্মিলনে ইউৰোপীয় সাহিত্যৰ বছা বছা গল্প / উপন্যাস অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰাৰ সংকল্প লৈছিল। হেম বৰুৱা সোঁৱৰণী চিৰিজৰ ভিতৰত শ্বাৰ্লক হোমচৰ গল্প, ৰেগনাৰৰ সাধু, গলিভাৰৰ কাহিনী, ৰবিঞ্চন ক্ৰুছো আৰু হফৰ সাধু আদি প্ৰকাশিত হৈছিল। তাৰ উপৰি সন্মিলনে প্ৰতিখন বছৰেকীয়া অধিবেশনৰ পিছতে সম্মিলনী প্ৰবন্ধাৱলী প্ৰকাশ কৰিছিল। এইবিলাকত ভাৰতৰ জাতীয় আন্দোলন আৰু অন্যান্য চিন্তা গধুৰ প্ৰবন্ধপাতি প্ৰকাশ কৰিছিল। নক'লেও হ'ব অমিয় এইবিলাক কাৰ্য্যত তেওঁৰ অন্তৰঙ্গ বন্ধু হেম বৰুৱাৰ লগত প্ৰত্যক্ষ-ভাৱে জড়িত আছিল।

১৯১৮-১৯ চনত অমিয় কলিকতাৰ এ-এছ-এল ক্লাৱৰ সম্পাদক আছিল। সেই সময়ত তেওঁ আইন কলেজৰ ছাত্ৰ আৰু লগতে চিটি কলেজিয়েট স্কুলত শিক্ষকতা কৰে। ছাত্ৰ সম্মিলনীৰ সকলো কামকে তেওঁ অতি উৎসাহ আৰু নিষ্ঠাৰে পালন কৰে। এবাৰ এখন প্ৰবন্ধাৱলীত প্ৰকাশিত প্ৰবন্ধৰ ভাষা লৈ উজনি আৰু নামনিৰ ছাত্ৰসকলৰ মাজত বিস্তৰ বাকবিতণ্ডা চলিছিল। উক্ত প্ৰবন্ধাৱলীত বাণীকান্ত কাকতীৰ প্ৰবন্ধ "সাহিত্যত করুণ ৰস", কামেশ্বৰ দাসৰ "আকাশ ৰহস্য" শীৰ্ষক কেইবাটাও প্ৰবন্ধ প্ৰকাশ হৈছিল। দাসৰ প্ৰবন্ধটোত "হাথীপটী" (Milkyway), তাৰা, ইত্যাদি শব্দবিলাক কৃষ্ণকান্ত সন্দিকৈয়ে 'প্ৰুফ' চাওঁতে শুধৰাই হাতীপটী, তৰা, বজ্ৰা আদি কৰাত নামনি অসমৰ কেইজনমান ছাত্ৰই অসন্তোষ প্ৰকাশ কৰিছিল। কিতাপখনৰ প্ৰকাশনৰ দায়িত্ব আছিল লক্ষ্মীনাথ

ফুকন। বিতৰ্কিত বিষয়টো লৈ বহুত দিনলৈ ছাত্ৰসকলৰ মাজত তৰ্কযুদ্ধ চলে। প্ৰতি দেওবাৰে অসমীয়া ছাত্ৰসকলে এঠাইত গোটখাই আৰু তাত এটা পক্ষই আনটো পক্ষক তিৰস্কাৰ-গৰিহণা দিয়ে। ছাত্ৰদলৰ মাজত শেহত মনোমালিন্য ইমান বাঢ়িল যে কামৰূপী ছাত্ৰসকলে বেলেগ হৈ স্বকীয়া অনুষ্ঠান গঢ়াৰ কথা চিন্তা কৰিলে। আনকি কামৰূপীয়া ছাত্ৰ-সন্মিলন পতাৰো দিহা কৰিলে। ইতিমধ্যে বাণীকান্ত কাকতীয়ে কলিকাতা এৰি গুৱাহাটীত চাকৰি কৰিবলৈ গৈছিল। কামেশ্বৰ দাসে কলিকতাত নিজৰ কাৰবাৰত ধৰিছিল। এইবিলাক বিতৰ্কত সোমাবলৈ তেওঁলোকে ভাল নেপাইছিল। কৃষ্ণকান্ত সন্দিকৈ আৰু লক্ষ্মীনাথ ফুকনেও এইবিলাক কথাত ভাগ নলৈছিল। অম্বিকা বৰাই দুয়োপক্ষকে লগ-লগাবলৈ যত্ন কৰিছিল কিন্তু বিফল হ'ল। দুজনমান উগ্ৰ স্বভাৱৰ ছাত্ৰই সেইবাৰ অসম সাহিত্য সভা আৰু আসাম এচোচিয়েচনৰ সভাৰ পেণ্ডেলত জুই লগাই দিম বুলিও হুমিয়ালে। পৰিস্থিতি দিনে দিনে বেয়া হৈ যোৱাত অমিয়ই কেনেকৈ দুয়োদলকে এক কৰিব পাৰি তাৰ বিষয়ে যত্ন কৰিবলৈ ধৰিলে। কলিকতাৰ বোটানিকেল গাৰ্ডেনত যাতে সকলোৱে সমিল-মিল প্ৰচেষ্টাৰে মাঘবিহুৰ মেলা পাতিব পাৰি তাৰ বাবে তেওঁ চেষ্টা চলালে। কামৰূপী ছাত্ৰদলে প্ৰথমতে কোনো কথাই নুশুনে। শেহত অমিয়ই প্ৰস্তাৱ দিলে যে এ-এছ-এল্ ক্লাবৰ সম্পাদক হিচাপে তেৱেঁই এই বিতৰ্কৰ গুৰি। গতিকে তেওঁৰ বিৰুদ্ধেই এটি গৰিহণা সূচক প্ৰস্তাৱ লওক আৰু লগতে এই মতানৈক্যৰ-মনোমালিন্যৰ অন্ত পৰক। তেওঁৰ কথাত সিপক্ষ সন্তুষ্ট হ'ল আৰু তেওঁৰ বিৰুদ্ধে গৰিহণা সূচক প্ৰস্তাৱ ল'লে। ছাত্ৰদল কিন্তু এক হৈ থাকিল—অমিয়ৰ প্ৰচেষ্টা সফল হ'ল।

সাহিত্য চৰ্চাৰ প্ৰতি অমিয়ৰ ধাউতি সদায়ে আছিল। কিন্তু সময় আৰু সুযোগ নোপোৱাৰ বাবে কথাটো বহুত দিন তল পৰি আছিল। তেওঁৰ কিন্তু সাহিত্যৰ নামত পেনপেনীয়া প্ৰেমৰ গল্প

অসহ্যকৰ আছিল। ড্ৰয়িং ৰুমৰ ৰোমান্স, ধনী যুৱক-যুৱতীৰ প্ৰেমৰ কাহিনী এইবিলাক তেওঁৰ মতে সাহিত্যত নেচেল। তেওঁক লাগে সাহিত্যত দুখীয়া খেতিয়কৰ প্ৰেমৰ কাহিনী, ৰজাৰ কৰৰ বোজা ব'ব নোৱৰা অশান্তিত দিননিওঁতা খেতিয়কৰ করুণ কাহিনী, কলঘৰৰ বাঁহী বজাৰ লগে লগে শোৱা পাটি এৰি দিনৰ দিনটো পৰিশ্ৰম কৰা চাহবনুৱাৰ অন্তৰৰ কথা—ইত্যাদি। আৰু ভাষা—সাধাৰণ মানুহৰ বাবে লেখা সাহিত্য সাধাৰণে বুজি পোৱা ভাষাতেই প্ৰকাশ হ'ব লাগিব। ক'তো কৃত্ৰিমতা থাকিব নোৱাৰে। সঁচা কাহিনী সাহিত্যৰ উপজীব্য হোৱা উচিত। অমিয়ৰ মতে,

> নতুন যুগৰ সাহিত্যিকে ৰূপ দি ফুটাই তুলিব লাগিব সাধাৰণ মানুহৰ চৰিত্ৰৰ সৌন্দৰ্য্য। সাধাৰণ মানুহৰ জীৱনৰ ভিতৰত তেওঁ সোমাব লাগিব। সাধাৰণ মানুহৰ জীৱনৰ বৈচিত্ৰ্য আৰু লুইতৰ দৰে বিপুল প্ৰৱাহৰপৰা তেওঁ বিচাৰি আনিব লাগিব নতুন যুগৰ সৃষ্টিৰ বাবে প্ৰেৰণা।

আইন অমান্য আন্দোলনৰ অন্ত পৰাৰ পিছত অমিয়ৰ আকৌ দিন নেযায় নুপুৱায় হ'ল। কিন্তু এইবেলি মাজে—মধ্যে ৰাজনীতি কৰিলেও কিবাকিবি সৃষ্টি কৰাৰ মানসো হ'ল। 'কেৱল পেট-পোহাৰ কাৰণেই বৃত্তি গ্ৰহণ কৰি ঘৰ-বুঢ়া হোৱাৰ দুৰাগ্ৰহ' তেওঁৰ নাছিল। আন্দোলন স্থগিত ৰখা কথাটো সাময়িক যুদ্ধ বিৰতিৰহে ব্যৱস্থা। যুঁজ আকৌ লাগিব'ই মাজৰ এই সময় চোৱাত অমিয়ই ঠিক কৰিলে আগৰ ৰণক্ষেত্ৰ সলনি কৰি সাহিত্যৰ ক্ষেত্ৰত ৰণ দিয়াটো বেছি মঙ্গলজনক। সুবিধাও ওলাল। অলপতে প্ৰকাশ বন্ধ হোৱা বেজবৰুৱাৰ "বাঁহী"ৰ সম্পাদনাৰ দায়িত্ব লবলৈ ১৯৩৪ চনত আহ্বান অহাত তাক তেওঁ সানন্দে গ্ৰহণ কৰিলে। কিছুদিনৰ পিছত হেমচন্দ্ৰ বৰুৱাও জেলৰপৰা মুকলি হৈ আহি অমিয়ৰ লগ লাগিল। হেমচন্দ্ৰই দেশ-বিদেশৰ বাচকবনীয়া সাহিত্যৰাজিৰপৰা বাছি বাছি কেইবাটাও গল্প, উপন্যাস, প্ৰবন্ধ অসমীয়ালৈ অনুবাদ কৰি

আগবঢ়ালে। "বেজবৰুৱাৰ বাঁহীয়ে স্বীয় ঐতিহ্য আৰু প্ৰতিষ্ঠা বজাই ৰাখিও দাসৰ হাতত পৰি নতুন আদৰ্শ আৰু উদ্দীপনা এটি অসমীয়া সাহিত্যলৈ বোৱাই আনিবলৈ সমৰ্থ হ'ল।" (তীঃ শ) ১৯৩৪ চনৰপৰা ১৯৩৬ চনলৈ অমিয়ই "বাঁহী"ৰ সম্পাদনাৰ দায়িত্বত আছিল। নতুন সম্পাদকৰ সম্পাদকীয় নীতি ব্যাখ্যা কৰি তেওঁ লেখিছিল :

> বৰ্তমান জগতত এটি নৱ জাগৰণৰ সূচনা দেখা গৈছে। পৰাক্ৰমী জাতিসকলৰ গৰকাত পৰি থকা দুৰ্বলী লোক-সমূহে আজি মূৰদাঙি উঠি জগতত আত্ম-প্ৰতিষ্ঠাৰ বাবে কঁকালত টঙালি বান্ধি লাগিছে। ·· অজ্ঞানতাৰ আন্ধাৰত টোপনিত অচেতন এচিয়াবাসী আজি নৱযুগৰ পোহৰত সাৰ পাই উঠিছে।···আজি অসমীয়ায়ো বিশ্বজগতৰ চিন্তাৰাজ্যৰ পোহৰ পৰিবলৈ খিৰিকিখন মেলি দিব লাগিব।···অসমীয়াই যাতে নিজৰ অন্তৰত থকা সঙ্গীতক প্ৰাণ দি মূৰ্তিময়া কৰি বিশ্ব সভ্যতাৰ মন্দিৰত শুনাব পাৰে, সেয়ে "বাঁহী"ৰ আকাঙ্ক্ষা। (বাঁহী, ২৪শ বছৰ, ১ম সংখ্যা)

অমিয়ৰ সম্পাদনাত ওলোৱা দুবছৰীয়া "বাঁহী"ত গ্ৰীক, ইটালীয় ৰুচ, জাৰ্মান আদি সাহিত্যৰ বছা বছা সাহিত্যৰাজি অসমীয়ালৈ অনুবাদিত হৈছিল। অসমীয়া ডেকা সাহিত্যিকসকলেও সাহিত্যৰ নতুন দিগন্তৰ সন্ধান পাই তেওঁলোকেও পাৰ্যমানে বিভিন্ন ৰসৰ সাহিতৰ যোগান ধৰিলে। 'দুবছৰীয়া জীৱনেৰে কোনো মাহেকীয়া কাকতে সাহিত্যত এটি স্থায়ী পৰশ দি যাব নোৱাঁৰে, কিন্তু দাস-ডাঙৰীয়াৰ লালনত থকা দুবছৰীয়া "বাঁহী"য়ে তাকে কৰিলে।" (শৰ্মা)

"বাঁহী"ত প্ৰকাশিত অমিয়ৰ ৰচনাৰাজি গ্ৰন্থাকাৰে নিজে "বাঁহীৰ প্ৰতিধ্বনি" নামৰে দুটা খণ্ডত প্ৰকাশ কৰিছে। সমালোচক তীৰ্থনাথ শৰ্মাই "বাঁহীৰ প্ৰতিধ্বনি"ৰ প্ৰথম আৰু দ্বিতীয় খণ্ডৰ সম্পৰ্কত মন্তব্য কৰিছিল :

> ....এই প্ৰবন্ধবোৰৰ ভাষাত বাগাড়ম্বৰ নাই কিন্তু বাক্‌স্ফুৰণ আছে, শব্দৰ ধুৰঁলী-কুৰঁলীৰে ভাৱৰ দাৰিদ্ৰ ঢকাৰ প্ৰচেষ্টা নাই। শব্দৰে কেনেকৈ ভাৱক নিটোল কৰিব পাৰি তাৰ চানেকিহে এই প্ৰবন্ধবোৰৰ ৰচনা-শৈলীয়ে দাঙি ধৰিছে।

অমিয় গান্ধীজীৰ অন্ধ ভক্ত নাছিল। গান্ধীজীক বুজাৰ, গান্ধীবাদৰ তত্ত্বৰ গূঢ়াৰ্থ বুজাৰ প্ৰয়াস তেওঁৰ মাজত সততে বিদ্যমান আছিল। গান্ধীজীক নিজে বুজাৰ উপৰিও অসমীয়া ৰাইজৰ লগত তেওঁক পৰিচয় কৰি দিবলৈও তেওঁ চেষ্টা কৰিছিল। সেই চেষ্টাৰে ফলস্বৰূপ গান্ধীজীৰ আত্মজীৱনী My Experiment with Truthৰ অসমীয়া অনুবাদ গ্ৰন্থ "মোৰ সত্য অন্বেষণৰ কাহিনী"। পিছত এই গ্ৰন্থ খণ্ড খণ্ডকৈ তেওঁৰে সম্পাদিত 'সাপ্তাহিক অসমীয়া''ত প্ৰকাশিত হৈছিল ১৯৩৪ চনত ই গ্ৰন্থকাৰে প্ৰকাশ পায়।

এই গ্ৰন্থৰ উপৰিও অমিয়ই গান্ধীজীৰ Satyagrah in South Africa নামৰ গ্ৰন্থৰ অসমীয়া অনুবাদ "দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ" ১৯৬৫ চনত গান্ধী স্মাৰক নিধিৰদ্বাৰা প্ৰকাশ কৰিছিল। গান্ধীজীয়ে লণ্ডনত অনুষ্ঠিত হোৱা ঘূৰণীয়া মেজমেললৈ যোৱাৰ আগতে, মেজ মেলত আৰু তাৰ পিছত যিবোৰ বক্তৃতা দিছিল সেইবোৰক অমিয়ই অসমীয়ালৈ অনুবাদ কৰি "বিলাতত মহাত্মা" আৰু "মেজমেলত মহাত্মা" নামৰ দুখন গ্ৰন্থত প্ৰকাশ কৰিছিল।

গান্ধী-সম্পৰ্কীয় অমিয়ৰ আন গ্ৰন্থসমূহ হ'ল "গান্ধী কথামৃত", "অনশনত মহাত্মা" আৰু "গান্ধীজীৰ জীৱনী"। গান্ধীজী অসম ভ্ৰমণত চাৰিবাৰ আহিছিল। তেওঁৰ ভ্ৰমণৰ লগত জড়িত সকলো বা-বাতৰি সংগ্ৰহ কৰি লীলাধৰ বৰুৱাৰ সৈতে অমিয়ই গান্ধী শতবাৰ্ষিকীত "অসমত মহাত্মা" (১৯৬৯) সংকলন কৰি প্ৰকাশ কৰিছিল।

অমিয়ৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল 'অসহযোগ আন্দোলনত অসম' (১৯৬৯)। এই গ্ৰন্থই ১৯২১ চনৰ আন্দোলনত

অসমৰ ভূমিকা সম্পৰ্কে এটি চমু খতিয়ান দাঙি ধৰিছে। বুৰঞ্জী-গৱেষকসকলৰ বাবে গ্ৰন্থখন মূল্যবান বুলি চিহ্নিত হৈছে।

এই গ্ৰন্থসমূহৰ উপৰিও অমিয়ৰ ৰচিত "জীৱন-স্মৃতি", "ত্ৰকুৰি বছৰৰ আগৰ কাহিনী", "মহাত্মা গান্ধী—আমি তেওঁক কিদৰে বুজিলোঁ", "১৯৩০-২ চনৰ স্বাধীনতা আন্দোলনৰ স্মৃতি" আৰু হেম বৰুৱা, বিষ্ণুৰাম মেধি, নবীনচন্দ্ৰ বৰদলৈৰ সোঁৱৰণত লেখা প্ৰবন্ধসমূহ অসমৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত বহুমূলীয়া ৰৰঙণি যোগাইছে। ১৯২১ চনৰ পৰা ১৯৪৭ চনলৈ এই সুদীৰ্ঘ কালচোৱাৰ স্বাধীনতা সংগ্ৰামৰ অমিয় অকল প্ৰত্যক্ষদৰ্শীয়েই নাছিল তাৰ তেওঁ এজন প্ৰধান অংশীদাৰো আছিল। তেওঁৰ ৰচনা ইতিহাস সচেতন আৰু পক্ষপাত শূন্য বুলি প্ৰমাণিত হৈছে। তেওঁৰ স্মৃতি-শক্তিক তাৰিফ কৰি লগৰে সহকৰ্মী মহেন্দ্ৰমোহন চৌধুৰীয়ে অসমৰ 'এন্‌চাইক্লপেদিয়া' বুলি অভিহিত কৰিছিল। তেওঁ লেখা "জীৱন-স্মৃতি"ত বহুতো কংগ্ৰেছ কৰ্মীৰ নাম নাই উঠা বুলি আপত্তি উঠাত তেওঁ কৈছিল—মোৰ ডায়েৰীত যি লিখা আছে তাকহে প্ৰকাশ কৰিছো। তোমালোকৰ নাম মোৰ ডায়েৰীত নাই। গতিকে মই দিব নোৱাঁৰো। আপত্তিৰ "উজান আৰু বেছিকৈ উঠাত তাৰ প্ৰকাশ কাৰ্য্যই তেওঁ বন্ধ কৰি দিছিল। কিন্তু কোনো ক্ষেত্ৰতে কাৰোবাক ভাল লগাবলৈ বা তোষমোদ কৰিবলৈ তেওঁ তেওঁৰ ৰচনা সলাবলৈ প্ৰস্তুত নাছিল।

অমিয়ই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কথা চিন্তা কৰিলেও তেওঁ সততে বিভিন্ন ভাষা-ভাষী-জাতি-উপজাতিৰ স্থলী অসমৰ বৃহত্তৰ ঐক্য আৰু সংহতিৰ কথাতহে বেছি জোৰ দিছিল। অসম সাহিত্য সভাৰ সাম্প্ৰতিক অধিবেশন সমূহত উগ্ৰ জাতীয়তাবাদী মনোভাৱ প্ৰকাশ কাৰ্যক তেওঁ অন্তঃকৰণৰে সমৰ্থন কৰিব পৰা নাছিল। তেওঁৰ মতে অসম-অসমীয়াৰ ইত্যাদি কথাবিলাক মুখৰে নকৈ কাৰ্যৰে প্ৰমাণিত কৰিলেহে অসমীয়াৰ প্ৰাধান্য ৰক্ষা পাব। ই যেন ভাছ-পাত্তৰে সজা ঘৰত ছাহেব-বিবীৰ খেলহে পাতিছে

তেওঁৰ সন্ধা হয়; "পৰ্বত-ভৈয়ামৰ বান্ধোন সুদৃঢ় কৰিবলৈ যি ৰাজনৈতিক কৌশল লাগে তাৰ অভাৱ—নিজক গুবুজাকৈ উগ্ৰ জাতীয়তাভাৱৰ দৰ্শন লৈ দেশখন ৰক্ষা কৰাৰ দুৰব কথা-টুকুৰা-টুকুৰহে কৰিব।"

অমিয়ৰ মতে অসমীয়া মানুহে নিজকে আত্ম-বিশ্লেষণ নকৰে। নিজৰ ব্যক্তিগত অথবা ৰাজহুৱা দোষ ক'ত-তাক দেখা নেপায়। 'পোনতে অসমীয়াৰ লোকসংখ্যা কম—বুৰঞ্জীয়ে আমাক এখন অসম দিয়া নাই—অসমীয়া মানুহৰ মাজত সংহতিৰ অভাৱ। ধৰ্ম-কলাকৃষ্টিয়ে অসমীয়াৰ সংহতি সাধনত সহায়ক হোৱা নাই।' তাৰ উপৰি

> আমাৰ ফালৰপৰা যিটো চেষ্টা হ'ব লাগিছিল সেই চেষ্টা হোৱা নাই। কথাবতৰাত যি সংযমৰ প্ৰয়োজন—সেই সংযম আমি আনিব পৰা নাই। সকলো মানুহৰ মাজত বিশ্বাসৰ ভাৱ আনিবলৈ দেশৰ সকলো লোক সাৱধান হ'ব লাগিছিল—কিন্তু তাৰ ঠাইত ঘিন্ উপলুঙাৰ ভাৱ আমি গুচাব পৰা নাই।

১৯৬৯ চনৰ ১৯ জুনত অমিয়ই ডায়েৰীৰ পাতত লেখে :

> ভাষা সম্পৰ্কে পূববঙ্গৰপৰা অহা মুছলমানসকলে অসমীয়া গ্ৰহণ কৰিছিল—কিন্তু এতিয়া তেওঁলোকে ভৱিষ্যতলৈ কি কৰে একো ক'ব নোৱাৰি ···সেইবাবে ভৱিষ্যতলৈ এটি বিশৃঙ্খল অৱস্থাৰ সম্ভাৱনা দেখা গৈছে। এনে পৰিস্থিতিত অসমীয়া জনসাধাৰণে নিজকে কেনে ধৰণে চম্ভালিব পাৰিব—সেইটো ভাবিবলগীয়া কথা। পৃথিৱীত এটা নীতি পোৱা যায়—যোগ্য-ভোগ্য বসুন্ধৰা—যদি অসমীয়াই যোগ্যতা অৰ্জন নকৰি আধুনিক জগতৰ লগত খাপ-খুৱাব নোৱাৰে তেন্তে লুপ্ত হৈ যাব।

১৯৭৩ চনৰ ধুবুৰি অধিবেশনত অসম সাহিত্য সভাই অমিয়ক তেওঁৰ আজীৱন সাহিত্য কীৰ্তিৰ স্বীকৃতি স্বৰূপে অভিনন্দন জনায়।

দ্বাদশ অধ্যায়

নিৰ্বাচনী ৰাজনীতিৰ ধামখুমীয়াত

১৯৩৪ চনৰ ৫ আগষ্ট।

তেজপুৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অধিবেশন বহিছে। উদ্দেশ্য আগন্তুক কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সদস্য নিৰ্বাচনৰ বাবে অসম উপত্যকাৰ সমষ্টিৰ বাবে এজন কংগ্ৰেছ প্ৰাৰ্থী মনোনীত কৰা। প্ৰাৰ্থীত্ব বিচৰা লোককেইজন হ'ল—নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা আৰু তৰুণৰাম ফুকন ; সভাত সকলো সভ্যই একমুখে ফুকনক প্ৰাৰ্থীত্ব দিয়াৰ কথাত আপত্তি তোলে। ফুকন বহুত দিন ধৰি জাতীয় কংগ্ৰেছৰ মূল সুঁতিৰপৰা আঁতৰি আছিল। সকলো সদস্যই নবীনচন্দ্ৰ বৰদলৈৰ প্ৰাৰ্থীত্বতে সম্মতি দিয়াত তেওঁক সভাই কংগ্ৰেছ প্ৰাৰ্থী হিচাপে মনোনীত কৰে। নিৰ্বাচনী প্ৰচাৰ অভিযান চলাবলৈ সভাই হৰেন্দ্ৰনাথ বৰুৱা, পদ্মধৰ চলিহা, লক্ষ্মীধৰ বৰা, বেলিৰাম দাস আৰু অমিয়ক লৈ এখন পাবলিচিটি কমিটি গঠন কৰি দিয়ে।

প্ৰাৰ্থী বাছনিৰ কথা লৈ কলিকতাত কংগ্ৰেছ পাৰ্লেমেণ্টৰী বোৰ্ডৰ সভা বহে। তৰুণৰাম ফুকনে প্ৰদেশ কংগ্ৰেছৰ বাছনিত খুঁত ধৰি বোৰ্ডত নিজৰ প্ৰাৰ্থীত্ব বিচাৰি আবেদন জনাইছিল। অমিয়ই প্ৰদেশ কংগ্ৰেছৰ কাৰ্য্যক সমৰ্থন কৰি তেওঁৰ একালৰ গুৰু ফুকনৰ বিৰুদ্ধে অভিযোগ আনি কৈছিল যে তেওঁ হিন্দু মহাসভা আৰু মালব্যৰ নেচনেলিষ্ট দলত সংযুক্ত। ফুকনেও নিজৰ স্বপক্ষে যুক্তি দাঙি ধৰিছিল। বোৰ্ডে কিন্তু শেহত বৰদলৈকে প্ৰাৰ্থীত্ব দিয়ে।

১৯৩৪ চনৰ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হয়। ফুকনে নেচনেলিষ্ট দলৰ হৈ বৰদলৈক প্ৰতিদ্বন্দ্বিতা কৰে। হেমচন্দ্ৰ বৰুৱা আৰু অমিয়ই কংগ্ৰেছ দলৰ হৈ নিৰ্বাচনী অভিযান চলায়।

শেহত বৰদলৈয়ে জয়লাভ কৰে। এই নিৰ্বাচনতে সুৰমা

উপত্যকাৰপৰা বসন্তকুমাৰ দাস আৰু মুছলমান সমষ্টিৰপৰা মুছলীম লীগৰ প্ৰাৰ্থী আব্দুল মতীন চৌধুৰী নিৰ্বাচিত হয়।

ইতিমধ্যে চৰকাৰে ভাৰত চৰকাৰৰ আইন, ১৯৩৫ (Govt. of India Act, 1935) প্ৰণয়ন কৰি দেশত প্ৰয়োগ কৰে। এই সংশোধিত আইন মতে ইংৰাজৰ অধীনৰ প্ৰদেশসমূহ আৰু দেশীয় ৰাজ্যসমূহক লৈ ভাৰত-যুক্তৰাষ্ট্ৰ গঠন হ'ব। প্ৰাদেশিক শাসনকাৰ্য্যৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বায়ত্ব শাসন প্ৰদান কৰা হ'ব। প্ৰতিৰক্ষা বিভাগ, পৰৰাষ্ট্ৰ সম্পৰ্কীয় বিভাগ, গৱৰ্ণৰ জেনেৰেল আৰু গৱৰ্ণৰসকলৰ নিয়োগ কাৰ্য্য সম্পূৰ্ণৰূপে ইংৰাজ চৰকাৰৰ হাতত থাকিব। প্ৰাদেশিক শাসন ব্যৱস্থাতো গৱৰ্ণৰসকলৰ বিশেষ ক্ষমতা থাকিব। পুলিচ আৰু চৰকাৰী আমোলাসকল গৱৰ্ণৰৰ আজ্ঞাধীন হৈ কাম কৰিব। বিধানসভাত 'পাছ' হোৱা বিল গৱৰ্ণৰে বিশেষ ক্ষমতাৰ দ্বাৰা নাকচ কৰিব পাৰিব।

নতুন সংশোধনী আইনৰ লগত কোনোধৰণৰ আপোচ মীমাংসা নকৰো বুলিয়েই জাতীয় কংগ্ৰেছে নিৰ্বাচনী যুদ্ধত অংশ ল'বলৈ আগবাঢ়ি আহিল। প্ৰথমতে নিৰ্বাচনত জয়লাভ কৰিলেও কোনো ক্ষেত্ৰতে কংগ্ৰেছে চৰকাৰ গঠন নকৰে বুলিয়েই ঘোষণা কৰিলে।

১৯৩৭ চনৰ জানুৱাৰীত সমগ্ৰ দেশতে নিৰ্বাচন অনুষ্ঠিত হ'ল সকলো ঠাইতে কংগ্ৰেছে অভূতপূৰ্ব সফলতা লভিলে।

অসমত কংগ্ৰেছে ১০৮টা সমষ্টিৰ ভিতৰত ৪৯টাত প্ৰতিদ্বন্দ্বিতা কৰি ৩৩টা সমষ্টিত জয়লাভ কৰে। ব্ৰহ্মপুত্ৰ উপত্যকাত ১৬টা আৰু সুৰমা উপত্যকাত ৭টা সমষ্টিত জয়লাভ কৰে। সকলো সমষ্টিতে কংগ্ৰেছ প্ৰাৰ্থীসকলে বহু ভোটৰ ব্যৱধানত জয়লাভ কৰে।

অমিয়ৰ এই নিৰ্বাচনত নিজে প্ৰাৰ্থী হিচাপে অংশ লোৱাৰ কথা নাছিল। নিৰ্বাচনী কমিটিৰ সম্পাদক হিচাপে প্ৰাৰ্থী বাছনি আৰু নিৰ্বাচনী অভিযান চলোৱাৰহে তেওঁৰ দায়িত্ব আছিল। তেজপুৰ পশ্চিম সমষ্টিৰ বাবে প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হৈছিল জ্যোতিপ্ৰসাদ আগৰৱালাহে। কিন্তু সময়ৰ মূৰকত অসুস্থতাৰ বাবে আগৰৱালাই

নির্বাচনত নলমাৰ সিদ্ধান্ত ল'লে, নির্বাচনী কমিটি বিপাণ্ডত পৰিল। সেইটো সমষ্টিৰপৰা কাক প্ৰাৰ্থী হিচাপে বাছনি কৰে? কাৰ জয়লাভৰ বেছি সম্ভাৱনা আছে? শেহত কমিটিৰ সিদ্ধান্ত হ'ল অমিয় কুমাৰ দাসেই তাৰ বাবে নির্ভৰযোগ্য প্ৰাৰ্থী হ'ব। অমিয় কিন্তু মানসিক বা শাৰীৰিক কোনো ভাৱেই নির্বাচনী যুদ্ধত নমাৰ বাবে প্ৰস্তুত নাছিল। কমিটিৰ অনুৰোধত শেহত তেওঁ নির্বাচনী যুঁজত নামিবলৈ বাধ্য হ'ল। কিন্তু তাৰ আগতে তেওঁ নির্বাচনী বাছনি কমিটিৰ সম্পাদকৰ দায়িত্বৰপৰা অব্যাহতি ল'লে। নিজে সম্পাদক হৈ নিজক কেনেকৈ বাছনি কৰে? তাৰ পিছত অমিয় আন কিছুমান সমস্যাৰ সন্মুখীন হ'ল। প্ৰাৰ্থী হিচাপে থিয় হ'বলৈ প্ৰাৰ্থীৰ নিজস্ব ভূ-সম্পত্তি থাকিব লাগিব নিজৰ নামত মাটিৰ গৰাকী হ'ব লাগিব। বৈষয়িক ক্ষেত্ৰত সম্পূৰ্ণ দেৱলীয়া অমিয়ৰ এই দুৰ্ভাৱনাৰ কথা গম পাই তেওঁৰ সহযোগী চন্দ্ৰকুমাৰ নাথে তেওঁৰ নামত বেছেৰীয়াত অলপ মাটি কিনি দিলে। এটি সমস্যাৰ সমাধান হ'ল। সমষ্টিত ঘূৰিবলৈ অমিয়ৰ গাড়ী মটৰ নাই। এইটো সমস্যাৰ সমাধান কৰিলে ডাক্তৰ ভুবনেশ্বৰ বৰুৱাই গাড়ী এখন দি। গাড়ী লৈ মাত্ৰ এবাৰেই অমিয়ই নিজ সমষ্টিত ভ্ৰমণ কৰিলে। ভোটদাতা সকলক ক'লে: মোৰ গাড়ী-মটৰ নাই। বাৰে বাৰে আহিবলৈ সামৰ্থ্যও নাই। অন্যান্য ৰাজনৈতিক দলৰ দৰে আমাৰ টকা-পইচাও নাই। ভোটদাতাক গাড়ীৰে ভোটকেন্দ্ৰলৈ নিয়াৰো আমাৰ সামৰ্থ্য নাই। মোৰ অৱস্থাই দলৰ অৱস্থাই তদনুৰূপ। যদি কংগ্ৰেছৰ আদৰ্শক ভাল বুলি ভাৱে—ইত্যাদি। শেহত কিন্তু সৰহ সংখ্যক ভোটদাতাই অমিয়কে ভোট দিছিল। বহুতো ভোটদাতাই তেওঁ-লোকৰ মৰমৰ প্ৰাৰ্থীজনৰ ভোটৰ বাকচত টকাৰ নোট, খুচুৰা পইচা ভৰাই দিছিল। হয় ধনৰ দুখীয়া হলেও মনৰ দুখীয়া নোহোৱা এইজন প্ৰাৰ্থীকে বাইজক লাগে।

অসমত কংগ্ৰেছে একক সংখ্যা গৰিষ্ঠতা লভিবলৈ সক্ষম নহ'ল। কিন্তু অন্যান্য সাতখন প্ৰদেশত কংগ্ৰেছে একক সংখ্যা গৰিষ্ঠতা



জী, জোঁৱাই, নাতিনী আৰু পত্নীৰে সৈতে শ্ৰীঅমিয়কুমাৰ দাস

কলিকতাত আইন মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাত শ্ৰীঅমিয় কুমাৰ দাস
গণ পৰিষদৰ সদস্য হিচাপে দিল্লীলৈ যাত্ৰা

গণ পৰিষদৰ সদস্য হিচাপে দিল্লীলৈ যাত্ৰা

লাভ কৰিলে। পূৰ্বৰ সিদ্ধান্ত অনুযায়ী কংগ্ৰেছে সকলো ঠাইতে চৰকাৰ গঠন কৰিবলৈ অস্বীকাৰ কৰাত দেশত এটি সাংবিধানীক অচল অৱস্থাৰ সৃষ্টি হ'ল। পিছত গৱৰ্ণৰ জেনেৰেল লিন্‌লিথগো'ই গৱৰ্ণৰ সকলে স্বইচ্ছাৰে বিশেষ ক্ষমতা প্ৰয়োগ নকৰে বুলি আশ্বাস দিয়াতহে কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিবলৈ সম্মত হয়।

কংগ্ৰেছৰ নৱ-নিৰ্বাচিত সদস্যসকলে গোপীনাথ বৰদলৈক দলপতি আৰু ক্ষীৰোদচন্দ্ৰ দেৱক উপদলপতি হিচাপে নিৰ্বাচিত কৰে। দেবেশ্বৰ শৰ্মা আৰু সিদ্ধিনাথ শৰ্মা দলৰ চীফ হুইপ; অমিয় আৰু দক্ষিণাৰঞ্জন গুপ্ত যুটীয়া সম্পাদক; আৰু যোগেন্দ্ৰনাথ বৰুৱা ধন-ভঁৰালী ৰূপে নিৰ্বাচিত হয়। দলৰ নিয়মাৱলী প্ৰস্তুত কৰিবলৈ অমিয়, যোগেন্দ্ৰনাথ বৰুৱা আৰু গোপীনাথ বৰদলৈৰ ওপৰত দায়িত্ব ন্যস্ত হয়।

কংগ্ৰেছ বিধায়নী দলৰ নেতা হিচাপে গোপীনাথ বৰদলৈ নিৰ্বাচিত হৈছিল কেইবাটাও ঘটনাৰ সংমিশ্ৰিত ঘটনাৰ ফলস্বৰূপে। ১৯৩৬ চনত নবীনচন্দ্ৰ বৰদলৈৰ আকস্মিক বিয়োগ হোৱাত আৰু প্ৰায় লগে লগে কুলধৰ চলিহা কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হোৱাত আৰু আন এজন নেতা বিষ্ণুৰাম মেধি বিধান সভালৈ নিৰ্বাচিত হৈ নহাত গোপীনাথ বৰদলৈৰ দলপতি হোৱাৰ পথ মুকলি হয়। বৰদলৈয়ে ১৯৩০ আৰু ১৯৩২ৰ আন্দোলনত ভাগ লোৱাৰপৰা বিৰত থকাত আৰু সততে কংগ্ৰেছ ত্যাগী তৰুণৰাম ফুকনৰ সহচৰ হৈ থকাত কংগ্ৰেছী সদস্যসকলে তেওঁক দলপতি হিচাপে মনোনীত কৰিবলৈ দ্বিধাভাৱ প্ৰকাশ কৰিছিল। আনহাতে নিঃস্বাৰ্থভাৱে দলৰ সাংগঠনীক কামত ব্যস্ত থকা আৰু ৰাইজক অকুণ্ঠভাৱে সেৱা কৰা অমিয়ৰ দলপতি হোৱাৰ সকলো গুণেই আছিল। সেয়ে দলপতিৰ বাবে বহুতে তেওঁৰ নামটো গুণাগঁথা কৰিছিল। শেহত বিধায়নী সভাত দেবেশ্বৰ শৰ্মাই দলপতিৰ বাবে তেওঁৰ নামটো প্ৰস্তাৱ কৰিলে। সেইকালত অমিয়ই কংগ্ৰেছ অনুষ্ঠানত এখন স্বকীয়া আসন পাইছিল। ডেকা কৰ্মীসকলৰ বাৱে তেওঁ আছিল

অতি শ্ৰদ্ধাৰ আৰু মৰমৰ পাত্ৰ। দেৱকান্ত বৰুৱাই সেই সময়ত প্ৰায়ে কৈছিল—"If Hem Barua is the head, Omeodada is the heart of Assam Congress."

দলপতি হোৱাৰ আকাঙ্খ্যা কিন্তু অমিয়ৰ একেবাৰে নাছিল। দেবেশ্বৰ শৰ্মাই যেতিয়া তেওঁৰ নামটো দলপতিৰ বাবে প্ৰস্তাৱ কৰিলে—তেওঁ তাক তত্তালিকে বিৰোধিতা কৰিলে। মনৰ কুণ্ঠাবোধ প্ৰকাশ কৰি তেওঁ কৈছিল :

> মই সাধাৰণ সেৱক হৈ থাকিব খোজোঁ ; শ্ৰীযুতগোপীনাথ বৰদলৈদেৱ এই পদৰ বাবে দেখাকৈ বেছি যোগ্য, এই পদৰ প্ৰতি মোৰ তিলমানো আসক্তি নাই।

অসম বিধান সভাত কংগ্ৰেছ দলৰ দলীয় অৱস্থান আন দলতকৈ ভাল হোৱা সত্বেও অসমৰ গৱৰ্ণৰ ৰবাৰ্ট ৰীডে চৈয়দ মহম্মদ চাহুল্লাকহে মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান জনায়। চাহুল্লাই নিৰ্দলীয় মুছলমান আৰু ইউনাইটেড পিপলচ পাৰ্টিৰ সদস্যসকলকলৈ সংযুক্ত মন্ত্ৰীসভা গঠন কৰে। বিৰোধী পক্ষ চৰকাৰ পক্ষতকৈ সংখ্যা গৰিষ্ঠ হোৱাত এই চৰকাৰ কিমানদিন টিকি থাকিব-সন্দিহান হৈ পৰিছিল। ১৯৩৭ চনৰ ৭ এপ্ৰিলত নৱগঠিত বিধানসভাৰ প্ৰথম অধিবেশন বহে। পোন প্ৰথমেই কংগ্ৰেছ দলে অভূতপূৰ্ব সাফল্য লাভ কৰে যেতিয়া দলৰ প্ৰাৰ্থী বসন্তকুমাৰ দাসে চৰকাৰ পক্ষৰ কেৰামৎ আলিক ৫৬-৫১টি ভোটত পৰাজিত কৰি অধ্যক্ষ ৰূপে নিৰ্বাচিত হয়। এই অধিবেশনত চৰকাৰ পক্ষ ন বাৰ পৰাজিত হয় অমিয়ই চৰকাৰ পক্ষৰ বিৰুদ্ধে অনাস্থাসূচক প্ৰস্তাৱ আনিছিল। এই প্ৰস্তাৱৰ ওপৰত হোৱা বিতৰ্কত ভাগলৈ অমিয়ই চৰকাৰৰ ৰাজহ নীতিৰ তীব্ৰ সমালোচনা কৰে। তেওঁ ৰাজহ মন্ত্ৰী ৰোহিণীকুমাৰ চৌধুৰীয়ে নিৰ্বাচনী সভাবোৰত দিয়া আশ্বাসৰ কথা সোঁৱৰাই কয় যে মন্ত্ৰী গৰাকীয়ে খেতিয়ক ৰাইজক এই বুলি প্ৰতিশ্ৰুতি দিছিল : অসমীয়া ৰায়তৰ মাটিৰ খাজনা কমোৱা তেৰম ৰাজহৱা জীৱনৰ এটি মুখ্য উদ্দেশ্য আৰু সেই উদ্দেশ্য সফল কৰিবলৈ

মই সদাই যত্ন কৰি আহিছো।···ৰাইজে যদি অসমৰ মাটিৰ খাজনা কমাব লাগে বুলি সমৰ্থন কৰে তেনেহ'লে মোক ভোট দি খাজনা যাতে কম হয় তাৰ নিমিত্তে চেষ্টা কৰিবলৈ উদগনি দিয়ে যেন।' ইতাদি। তেখেতৰ সকলো আশ্বাসেই ভুৱা প্ৰমাণিত হ'ল। আজি সেই গৰাকী ব্যক্তিয়েই ৰায়তৰ অৱস্থা ভাল হৈছে বুলি কৈ খাজনা বঢ়োৱাৰ চেষ্টা কৰিছে। খাজনা বৃদ্ধিযে দুখীয়া কৃষকৰ অৱস্থা আৰু শোচনীয় কৰিহে তুলিব বুলি তেওঁ সকিয়াই দিয়ে। চৰকাৰ পক্ষই কংগ্ৰেছদলৰ দাবি সম্পূৰ্ণভাৱে মানি নললেও খাজনাৰ নিৰিখ ৩৩ শতাংশলৈ কমাবলৈ সম্মত হয়।

আৰু আন কেইবাটাও ক্ষেত্ৰত চৰকাৰপক্ষই বিৰোধীপক্ষৰ হাতত হাৰ মানি শেহত পদত্যাগ কৰিবলৈ বাধ্য হয়।

দ্বিতীয়বাৰ, চাহুল্লাই মুছলীম লীগৰ লগ হৈ ১৯৩৮ চনৰ ফেব্ৰুৱাৰীত আকৌ সংযুক্ত চৰকাৰ গঠন কৰে।

ইতিমধ্যে লোকেলবোৰ্ডসমূহৰ নিৰ্বাচন হৈ গৈছিল। প্ৰায়বোৰতে কংগ্ৰেছ দলেই সংখ্যা গৰিষ্ঠতা লভিছিল। কিন্তু চাহুল্লাই প্ৰায় সকলো লোকেলবোৰ্ডতে তেওঁৰ মনোনীত প্ৰাৰ্থীক মনোনয়ন দি কংগ্ৰেছদলৰপৰা কোনো প্ৰাৰ্থী যাতে চেয়াৰমেন হ'ব নোৱাৰে তাৰ সুবিধা কৰি লৈছিল। তেনে কৰা সত্বেও চাৰিখন লোকেলবোৰ্ডত কংগ্ৰেছ প্ৰাৰ্থীয়েই চেয়াৰমেন হৈছিল, চৰকাৰৰ মনোনয়ন দিয়া ব্যৱস্থাৰ বিলোপ সাধন বিচাৰি অমিয়ই বিধান সভাত সভা স্থগিতৰ প্ৰস্তাৱ আনিছিল। ভাষণ প্ৰসঙ্গত অমিয়ই চাহুল্লাই কেনেকৈ মনোনয়ন দিয়া প্ৰথাৰ অপব্যৱহাৰ কৰিছে তাৰ তীব্ৰ সমালোচনা কৰে। এই কাৰ্যৰ ফলত লোকেলবোৰ্ডক দিয়া স্বায়ত্বশাসনৰ ক্ষমতা এটা ভুৱাত পৰিণত হৈছে বুলি তেওঁ কয়।

চাহুল্লা চৰকাৰৰ দিনত অসমৰ বিভিন্ন চাহ বাগিচাসমূহত আৰু ডিগবৈত থকা তেল কাৰখানা আৰু ধুবুৰীত থকা জুইশালা কাৰখানাত কাম কৰা শ্ৰমিকসকলে বেতনৰ নিৰিখ—দৰ্মহাৰ হাৰ বৃদ্ধিৰ দাবীত বিক্ষোভ প্ৰদৰ্শন কৰিছিল। শ্ৰমিক আন্দোলনে

ডিগবৈ আৰু ধুবুৰীত ব্যাপকৰূপ লৈছিল। ডিগবৈত শ্ৰমিকবৃন্দই মজদুৰ ইউনিয়ন এটা গঠন কৰি কোম্পানীৰপৰা স্বীকৃতি বিচাৰি আন্দোলন আৰম্ভ কৰে। কিন্তু বৰ্মা অইল কোম্পানীয়ে ইউনিয়নক স্বীকৃতি দিবলৈ অস্বীকাৰ কৰে। ইয়াৰ ফলত দহ হেজাৰ শ্ৰমিকে ধৰ্মঘট আন্দোলন আৰম্ভ কৰে। পুলিচে ধৰ্মঘটকাৰীসকলৰ ওপৰত গুলি চালনা কৰাৰ ফলত তিনিজন লোকৰ মৃত্যু হয়। পৰিস্থিতি দ্ৰুত গতিৰে বেয়াৰ ফালে ঢাল খোৱাত চাদুল্লা চৰকাৰে শেহত হস্তক্ষেপ কৰিবলৈ বাধ্য হয়। ১৯৩৮ চনৰ ১৬ আগষ্টত চৰকাৰে জে চি হিগিনচৰ নেতৃত্বত ছৈয়দুৰ ৰহমান আৰু অমিয়ক লৈ এটা তদন্ত কমিটি গঠন কৰি দিয়ে। তদন্ত কমিটিৰ লগত শ্ৰমিক ইউনিয়নে সহযোগ নকৰে। কোম্পানীৰ কৰ্তৃপক্ষইও তদন্ত কমিটি ডিগবৈ লৈ যোৱাত ভাল পোৱা নাছিল। ১৯৩৯ চনৰ ৭ জানুৱাৰীত কমিটিয়ে প্ৰতিবেদন দাখিল কৰে। প্ৰতিবেদনখনত অমিয়ই নিজা বৰীয়াকৈ এটা টোকা দিছিল, কাৰণ বহুক্ষেত্ৰত তেওঁৰ আন দুজন সদস্যৰ লগত মতানৈক্য ঘটিছিল। প্ৰতিবেদন পোৱাৰ পিছতেই চাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটিছিল। পিছত সংযুক্ত কংগ্ৰেছ চৰকাৰৰ দিনতো এই আন্দোলনৰ সমাপ্তি নঘটিল। দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত আন্দোলনটোক চৰকাৰে সম্পূৰ্ণৰূপে মষিমূৰ কৰে।

চাদুল্লাৰ শাসনাধিষ্ঠ দলৰপৰা কেইবাজনো সভ্যই পদত্যাগ কৰি বিৰোধী-পক্ষত যোগ দিয়াত এই দলে সংখ্যা গৰিষ্ঠতা হেৰুৱায় আৰু চাদুল্লাই ১৯৩৮ চনৰ ১৩ চেপ্তেম্বৰত পদত্যাগ কৰিবলৈ বাধ্য হয়।

ত্ৰয়োদশ অধ্যায়

সংসদী ৰাজনীতিৰ মেৰপাকত

শেহত অসমতো কংগ্ৰেছ দলে ক্ষমতাৰ বাঘজৰিডাল নিজৰ হাতলৈ আনিবলৈ চেষ্টা চলালে। ইতিমধ্যে জাতীয় কংগ্ৰেছে সাতখন প্ৰদেশত চৰকাৰ গঠন কৰিছিল। দলে পূৰ্বৰ ঘোষিত নীতি সলাই ঠিক কৰে যে মনোমত দল পালে আৱশ্যক হ'লে সংযুক্ত চৰকাৰ গঠন কৰিব পাৰিব।

পৰিস্থিতি আৰু পৰিবেশে অসমতো সংযুক্ত চৰকাৰ গঠন কৰাৰ পথ মুকলি কৰি দিলে. কিন্তু অসমত চৰকাৰ গঠন কৰাৰ কাম বৰ সহজ নাছিল। কংগ্ৰেছ কাৰ্যকৰী কমিটিয়ে প্ৰথমতে আবুল কালাম আজাদক চৰকাৰ গঠনৰ প্ৰস্তুতিত সহায় কৰিবলৈ অসমলৈ পঠায়। আজাদে এই ক্ষেত্ৰত বিশেষ আগবাঢ়িব নোৱাৰাত কংগ্ৰেছ সভাপতি সুভাষ চন্দ্ৰ বসুৱে পৰিস্থিতি অধ্যয়ন কৰিবলৈ নিজে আহে। প্ৰত্যক্ষদৰ্শী হিচাপে থকা অমিয়ই সেই সময়ৰ পৰিস্থিতিৰ কথা ভালদৰে বুজিছিল। তেওঁৰ মতে অসমত মন্ত্ৰীসভা গঠনৰ ক্ষেত্ৰত কংগ্ৰেছৰ সভাপতি সুভাষচন্দ্ৰ বসু আৰু আবুল কালাম আজাদৰ মাজত মতানৈক্য ঘটিছিল। কংগ্ৰেছ দলৰ সংখ্যা আছিল মাত্ৰ ৩৫ জন। অন্যান্য সমৰ্থকসকলক লৈ ৫০ জন হৈছিল গৈ। মন্ত্ৰীসভা গঠন কৰিবলৈ কমেও ৫৬ জন সমৰ্থক লাগে। বহুতো চেষ্টাৰ মূৰত কংগ্ৰেছৰ সমৰ্থকৰ সংখ্যা ৫৪ জনলৈ বৃদ্ধি পায়। আজাদে এনেদৰে সমৰ্থক বৃদ্ধি কৰা কাৰ্য ভাল নেপাই মন্ত্ৰীসভা গঠনৰ সম্পূৰ্ণ দায়িত্ব বসুৰ হাতত দি গুচি যায় গৈ। ১৩ চেপ্তেম্বৰত চাদুল্লাই পদত্যাগ পত্ৰ দাখিল কৰে। ১৫ তাৰিখত এছেম্বলী বহে আৰু অধ্যক্ষই ১৯ তাৰিখলৈ স্থগিত ৰাখে। ইতিমধ্যে কংগ্ৰেছ দলে পূৰ্বৰ চাদুল্লা মন্ত্ৰীসভাৰ আনোৱাৰ আলিক কংগ্ৰেছ মন্ত্ৰীসভালৈ

আনিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁৰ হঠাতে টাইফয়দ ৰোগ হোৱাত সেই আঁচনি বাদ দিয়ে। কংগ্ৰেছদলে বিধান সভা কিছুদিনলৈ স্থগিত ৰখাতো বিচাৰিছিল। ১৯ তাৰিখে দলপতি বৰদলৈয়ে গৱৰ্ণৰক দেখা কৰে। গৱৰ্ণৰে বৰদলৈক ১২-৩০ বজাত শপত গ্ৰহণ কৰিবলৈ কয় আৰু ২ বজাত বিধান সভাৰ অধিবেশন পাতিবলৈ নিৰ্দেশ দিয়ে। ১৯ তাৰিখে বিধানসভাৰ কক্ষত একে উত্তেজনাময় পৰিবেশৰ সৃষ্টি হৈছিল।

> এফালে কংগ্ৰেছ কোৱালিশ্যন দল আনফালে মুছলীম লীগ দলৰ লগত বৃটিছ সদস্য ৯ জন। দুয়োদলৰ মাজত চিঞৰ-বাখৰ। যতীন চৌধুৰীয়ে ক'লে, সিন্ধুত মন্ত্ৰীসভা পদত্যাগৰ পাছতেই ততালিকে আল্লাবক্স মন্ত্ৰীসভা গঠন কৰিছে—ইয়াতো তেনেদৰে হব লাগে।···এই সময়ত স্পীকাৰে যি সাহ দেখুৱালে সেই সাহৰ আঁৰত কংগ্ৰেছ প্ৰেছিডেণ্ট বসুৰ উদ্দীপনা। মন্ত্ৰীসভা গঠন নৌ হওঁতেই মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাৱ দাঙি ধৰা হ'ল আৰু লগে লগে চিঞৰ-বাখৰ। এনে এটা পৰিস্থিতিত স্পীকাৰে এছেম্বলী অনিৰ্দিষ্টকাললৈ স্থগিত ৰাখিলে। আৰু সেইদিনা বৰদলৈ মন্ত্ৰীসভাই আবেলি শপত গ্ৰহণ কৰিলে। *

সেই সময়ৰ আন এজন প্ৰত্যক্ষদৰ্শীৰূপে থকা দেৱেশ্বৰ শৰ্মাই লেখিছে ঃ

> ···কংগ্ৰেছদলৰ চীফ হুইপ স্বৰূপে আমাৰ সংযুক্ত দলটোত সংখ্যা গৰিষ্ঠ কৰি তোলাৰ দায়িত্ব আৰু কাৰ্য্যভাৰ সম্পূৰ্ণ মোৰ ওপৰতে আছিল।· নেতাজী সুভাষ বসুৱে চিলঙত তৰুণৰাম ফুকন, বৈদ্যনাথ মুখাৰ্জী, ফখৰুদ্দীন

---

* অমিয়কুমাৰ দাস "অসমৰ প্ৰথম মন্ত্ৰীসভা গঠন আৰু সুভাষ বসু," "নৱযুগ", ২২ জানুৱাৰী, ১৯৬৪ চন।

আহমদ আৰু মোৰ বাহিৰে কাৰো লগত মন্ত্ৰীসভা গঠনৰ বিষয়ে কোনো কথা পতা নাছিল।

শৰ্মাৰ মতে বৈদ্যনাথ মুখাৰ্জী, ৰামেশ্বৰ শৰ্মা আৰু মোহিনী গোস্বামীয়ে মন্ত্ৰীসভা গঠন কাৰ্যত টকা-পইচা গাড়ী মটৰ দি নানা প্ৰকাৰে সহায় কৰিছিল। তৰুণৰাম ফুকনে দিহা পৰামৰ্শ দিছিল। প্ৰকাৰন্তৰে সমৰ্থকৰ সংখ্যা বৃদ্ধি কৰিবলৈ কংগ্ৰেছ দলেও টকা-পইচা দিয়া-থোৱাৰ লীলা খেলা চলাইছিল।*

বহুতো নাটকীয় ঘটনাৰ মাজেৰে বৰদলৈ মন্ত্ৰীসভাই ১৯৩৮ চনৰ ২০ চেপ্তেম্বৰত শপত গ্ৰহণ কৰে। বৰদলৈৰ আঠজনীয়া মন্ত্ৰীসভাৰ সদস্যসকল হ'ল—বৰদলৈ, অক্ষয়কুমাৰ দাস, ৰামনাথ দাস, কামিনী কুমাৰ দাস, ৰূপনাথ ব্ৰহ্ম, ফখৰুদ্দীন আলি আহমদ, মামুদ আলি আৰু আলি হাইদৰ খাঁ।

নক'লেও হ'ব, কংগ্ৰেছৰ সহযোগী, দল আৰু ব্যক্তিসকলে কংগ্ৰেছৰ আদৰ্শ আৰু কাৰ্যপ্ৰণালীক সৰ্বান্তঃকৰণে সমৰ্থন কৰাত বৰদলৈ মন্ত্ৰীসভাই কংগ্ৰেছ মতাদৰ্শ মানি চলাত সুবিধা পাইছিল। প্ৰকৃতাৰ্থত প্ৰাদেশিক স্বায়ত্ব শাসন-ব্যৱস্থা বৰদলৈৰ দিনতহে বাস্তৱত ৰূপায়িত হয়।

কংগ্ৰেছ দলে আগৰ প্ৰতিশ্ৰুতি মতে মন্ত্ৰীৰ মাহিলী দৰ্মহা ৫০০ টকালৈ হ্ৰাস কৰে।

মাদক দ্ৰব্য বিশেষকৈ কানি নিবাৰণী অভিযান অব্যাহত ৰাখিবলৈ চৰকাৰে শিৱসাগৰ আৰু ডিব্ৰুগড় দুয়োটা মহকুমাতে কানিৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষেধ কৰে। এই কাৰ্য্য পৰিচালনা কৰিবলৈ চৰকাৰে অমিয়কে 'অনাৰেৰী প্ৰহিবিচন কমিচনাৰ' ৰূপে নিযুক্তি দিয়ে। কানি মহলত পিকেটিং কৰা আৰু কানীয়াক কানি এৰুৱা বৰ সহজ কথা নাছিল। কংগ্ৰেছ স্বেচ্ছাসেৱীসকলে অমিয়ৰ নেতৃত্বত কানি সেৱীৰ মন বুজি অসীম ধৈৰ্য্য আৰু সহানুভূতিৰে

* দেবেশ্বৰ শৰ্মা, "হেৰাই যোৱা দিনবোৰ", পৃঃ ১৯৭, ১৯৮

তেওঁলোকৰ কাম চাপিছিল—বুজাইছিল কানি খানে কেনেকৈ তেওঁলোকৰ দৈহিক, মানসিক আৰু অৰ্থনৈতিক অৱস্থা জুৰুলা কৰি তুলিছে। লাহে লাহে তেওঁলোকে এই পুৰণিকলীয়া কু-অভ্যাস এৰিবলৈ সমৰ্থবান হৈছিল। হঠাতে কানিৰ ব্যৱহাৰ এৰি দিয়াত কোনো কানিসেৱীৰ মৃত্যু হোৱা নাছিল। কানিসেৱীৰ চিকিৎসাৰ বাবে কেইবা ঠাইতো চিকিৎসালয় খোলে। এই সময়ছোৱাত চৰকাৰী পঞ্জীয়ণভুক্ত দহ হেজাৰ আৰু পঞ্জীয়ণত অন্তৰ্ভুক্ত নোহোৱা পাঁচ হেজাৰজন কানীয়াই কানি খাবলৈ এৰিছিল। কানি নিবাৰণী অভিযানত চৰকাৰৰ এক লাখ টকা খৰচ হয়। চৰকাৰে কানিৰ পৰা পোৱা চাৰে চাৰিলাখ টকাৰ ৰাজহ হেৰুৱায়। ১৯৪০ চনত অসমত ব্যৱহৃত কানিৰ পৰিমাণ ৯৪ মোনলৈ হ্ৰাস পায়। শিৱসাগৰ আৰু ডিব্ৰুগড় দুয়োটা মহকুমাতে শতকৰা ৫০ জনে এই কু-অভ্যাস এৰিবলৈ সমৰ্থ হৈছিল। ১১ ফেব্ৰুৱাৰীৰ দিনটো অসমত "কানি নিবাৰণী দিৱস" হিচাপে পালন হৈছিল। পিছৰ কালত, ১৯৪১ চনত চৰকাৰীভাৱে কানিৰ ব্যৱহাৰ সমগ্ৰ অসমতে নিষেধকৰণ কৰা হয়।

কংগ্ৰেছ চৰকাৰে বহুতো কিবাকিবি কৰাৰ পৰিকল্পনা আৰু কল্পনা কৰিছিল। সময় আৰু সুবিধা নোপোৱা হেতু তাৰে মাত্ৰ কেইটিমানহে বাস্তৱত ৰূপান্তৰিত কৰিব পাৰিলে। এই কেইটিৰ ভিতৰত প্ৰধানতঃ ধনী কৃষি-কৰ্মৰ মালিকক কৃষি আয়কৰ দিবলৈ বাধ্য কৰা আইন প্ৰণয়ন, খাজনাৰ নিৰিখ হ্ৰাসকৰণ, নিলামত যোৱা মাটিৰ পুনৰ মূল গৰাকীক ঘূৰাই দিয়াৰ ব্যৱস্থা, আয়ুক্তৰ কাৰ্য্যালয়ৰ বিলুপ্তিকৰণ, পুলিচ বিভাগৰ খৰচৰ মাত্ৰাৰ হ্ৰাসকৰণ, সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰতো ব্যয় সংকোচন, বানপানীৰ গৰাহত পৰা অঞ্চলত খাজনা ৰেহাই দিয়া, আৰু আমোলাবৰ্গৰ দৰমহাৰ নিৰিখ বান্ধি দিয়া, ইত্যাদি। প্ৰাথমিক শিক্ষা, জনশিক্ষা অভিযান আৰু জনজাতীয় অনুসূচীত আৰু প্ৰাক্তন চাহ-শ্ৰমিকৰ ল'ৰা-ছোৱালীক শিক্ষাদানৰ বাবেও বিহিত ব্যৱস্থা হাতত লোৱা আঁচনি আদিয়েই

প্ৰধান। কুটীৰ শিল্পৰ উন্নয়ণ আৰু তেল কোম্পানী আৰু চাহ শ্ৰমিকৰ কল্যাণৰ অৰ্থেও আইন প্ৰণয়নৰ ব্যৱস্থা কৰিছিল। মুঠতে কম দিনতে কংগ্ৰেছ চৰকাৰে ৰাইজৰ মাজত জনপ্ৰিয়তা আর্জিবলৈ সক্ষম হৈছিল।

১৯৩৯ চনৰ ৩ চেপ্তেম্বৰত দ্বিতীয় মহাসমৰৰ লেলিহান জিহ্বাই সমগ্ৰ বিশ্ব সামৰি ল'লে। ইংৰাজৰ পদানত ভাৰতবৰ্ষই গৰাকীৰ কথামতে জাৰ্মেনীৰ বিৰুদ্ধে সমৰ ক্ষেত্ৰত নামিবলৈ বাধ্য হ'ল। পৰাধীন ভাৰতে গান্ধীজীৰ নেতৃত্বত পূৰ্বৰ হৃত আত্ম-সম্মান বহুতো-খিনি ঘূৰাই পাইছিল। ইতিমধ্যে দেশৰ স্বাধীনতাৰ বাবে সঘনে সংগ্ৰাম কৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বাবে ইংৰাজ চৰকাৰৰ এনে কাৰ্যই জাতীয় সম্মানত আঘাত হানিলে, এনে অপমানজনক অসম্মানজনক কাৰ্যৰে প্ৰতিবাদ কল্পে জাতীয় কংগ্ৰেছে ঘোষণা কৰিলে যে বিভিন্ন প্ৰদেশত বৰ্তি থকা কংগ্ৰেছ চৰকাৰসমূহে ততালিকে পদত্যাগ কৰিব। লগে লগে সাতখন প্ৰদেশত চৰকাৰৰ পতন ঘটিল। এনে এটি সন্ধিক্ষণত অসমে কি কৰিব ? অসমৰ জ্বলন্ত সমস্যা হ'ল পূৰ্ববঙ্গৰপৰা অহা লানি-নিছিগা পমুৱাৰ অনুপ্ৰৱেশ। কংগ্ৰেছে গাদী এৰিলেই মুছলীম লীগে গাদী দখল কৰি বহিব। অসমৰ খিলঞ্জীয়া ৰাইজৰ ভৱিষ্যতে আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অৱস্থাই এক ভয়াবঁহ ৰূপ ল'ব সি সুনিশ্চিত! অসমৰ পৰিস্থিতিৰ কথা চিন্তা কৰি কংগ্ৰেছ সভাপতি সুভাষ বসু আৰু গান্ধীজীয়ে অসমত কংগ্ৰেছ চৰকাৰৰ পদত্যাগ বাঞ্ছা কৰা নাছিল। হেম বৰুৱাই কোৱাৰ দৰে বহুকাল ধৰি আন্দোলন কৰাৰ ফলত ভাৰতবাসীয়ে ইংৰাজ চৰকাৰৰপৰা চাৰিঅনা ক্ষমতা পাইছিলহে মাত্ৰ। সেই চাৰি অনা ক্ষমতাকে সদ্ব্যৱহাৰ কৰি কংগ্ৰেছে মন্ত্ৰীসভাৰ দায়িত্ব লৈ শাসনকাৰ্য চলাইছিল। অসমত চৌদ্ধ মহীয়া কংগ্ৰেছ চৰকাৰে কানি নিবাৰণ, নিৰক্ষৰতাৰ বিৰুদ্ধে অভিযান, কৃষি আয়কৰ ব্যৱস্থা, টকাত আঠ অনাকৈ খাজনা মাফ দিয়াৰ নিয়ম প্ৰৱৰ্তন কৰা আদিয়েই প্ৰধান কাৰ্য্য আছিল। এই কালছোৱাত অনুন্নত শ্ৰেণীৰ লোক-

সকলেও নানান সা-সুবিধা লাভ কৰিছিল। বাকী বাৰ অনা ক্ষমতা লাভৰ বাবে ভবিষ্যতে আন্দোলন কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সকলো কংগ্ৰেছ কৰ্মীয়েই কম বেছি পৰিমাণে নিঃসন্দেহ আছিল। কংগ্ৰেছ দলে মন্ত্ৰীসভা গঠন কৰাৰ সময়তে হেম বৰুৱাই সকীয়াই দিছিল: 'কংগ্ৰেছে মন্ত্ৰীত্বৰ ভাৰ লৈছে কাৰণে স্বাধীনতাৰ যুঁজ শেষ হ'ল বুলি নেভাবিব। যুদ্ধৰ ই কেৱল এটা কৌশল। কংগ্ৰেছে আদেশ কৰিলেই মন্ত্ৰীসকলে কাম এৰিব লাগিব। সমুখত এখন ডাঙৰ যুদ্ধ দেখা গৈছে। আজি দেখাত ভাৰতৰ ৰাজনৈতিক আকাশ পৰিষ্কাৰ। কিন্তু ধুমুহা হোৱাৰ লক্ষণ আছে।'

এদিন সঁচাকৈয়ে ধুমুহা আহিল। বৰদলৈয়ে ১৯৩৯ চনৰ ১৫ নৱেম্বৰত গৱৰ্ণৰৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিলে।

আৰু প্ৰায় লগে লগেই চাদুল্লাই এখন ছয়জনীয়া মন্ত্ৰীসভা গঠন কৰে। চাদুল্লা চৰকাৰে ইংৰাজ চৰকাৰৰ যুদ্ধ-প্ৰস্তুতিত সকলো প্ৰকাৰে সাহায্য কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁৰ নেতৃত্বত এখন 'ৱাৰ ফাণ্ড কমিটি' গঠন হয়। এই কমিটিয়ে সাধাৰণ লোকৰ পৰাও জোৰ জুলুম কৰি যুদ্ধলৈ "চাঁদা" তোলে। চৰকাৰী কোষৰপৰা এক লাখ টকা বৰঙণি দিয়ে। ১৯৪১ চনৰ ফেব্ৰুৱাৰীলৈকে ফাণ্ডত সৰ্বমুঠ ৮'৫৩ লাখ টকা সংগৃহীত হয়।

নকলেও হ'ব চাদুল্লাৰ মন্ত্ৰীসভা গঠন কাৰ্যত চৰকাৰৰপৰা পৰোক্ষভাৱে নানা সহায় সুবিধা পাইছিল। অন্যথা তেওঁৰদ্বাৰা মন্ত্ৰীসভা গঠন কাৰ্য্য সম্ভৱপৰ নহ'লহেঁতেন। গণতন্ত্ৰৰ যুগত এনেদৰেই শাসকবৰ্গই নিয়মতন্ত্ৰ বিগৰ্হিত কাম কৰিছিল। কংগ্ৰেছ মন্ত্ৰীসভাই পদত্যাগ কৰাত ইউৰোপীয় চাহখেতিয়কসকলে স্বস্তিৰ নিশ্বাস পেলালে। এটি দুঃস্বপ্নৰ যেন অন্ত পৰিল।

চতুর্দশ অধ্যায়

বিপ্লৱৰ হাত বাউলি

১৯৪০ চনৰ এপ্ৰিল মাহ।

অমিয় ভীষণ ব্যস্ত। অসমৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰিব লগা হৈছে। গান্ধীজীয়ে সকলোকে আগন্তুক অসহযোগ আন্দোলনৰ বাবে সৰ্ব প্ৰকাৰে প্ৰস্তুত হৈ থাকিবলৈ আহ্বান জনাইছে। খাদীৰ উৎপাদন বৃদ্ধি, হৰিজন আন্দোলন আৰু হিন্দু-মুছলমানৰ মাজত ঐক্য আৰু সম্প্ৰাতি গঢ়ি তুলিবলৈ কংগ্ৰেছ কৰ্মীসকলক আহ্বান জনাইছে। অসম কংগ্ৰেছে ৰহা, শিৱসাগৰ আৰু বাইহাটা অঞ্চলত ব্যাপকতৰ ৰূপত খাদী উৎপাদন কৰাৰ আঁচনি লৈছে। দেশবাসীক আগন্তুক সত্যাগ্ৰহৰ বাবে সজাগ কৰিব লাগিব, প্ৰস্তুত কৰিব লাগিব। অসম কংগ্ৰেছে জিলা কমিটিসমূহ সত্যাগ্ৰহ কমিটিলৈ ৰূপান্তৰিত কৰিলে। কোনো কোনো ঠাইত কংগ্ৰেছ কৰ্মীয়ে স্বেচ্ছাৰে সত্যাগ্ৰহীৰ লিষ্টত নাম ভৰ্তি কৰিলে। অকল দৰং জিলাতে ৫০০ জন সত্যাগ্ৰহীয়ে নাম ভৰ্তি কৰে। সত্যাগ্ৰহৰ বাবে সকলো সাজু হৈ থকা সত্বেও গান্ধীজীয়ে ততালিকে যুদ্ধ ঘোষণা নকৰা বাবে— অহিংসা সৈনিক দল হাত সাৰটি বহি থাকিব লগাত পৰে।

অক্টোবৰ মাহত গান্ধীজীয়ে সত্যাগ্ৰহৰ এক নতুন অস্ত্ৰ উলিয়ালে। এই অস্ত্ৰই বিপক্ষক অলপো ব্যতি-ব্যস্ত কৰি নোতোলে আৰু গান্ধীপক্ষৰ সৈন্যদলক দমাবলৈ বিপক্ষৰ বিস্তৰ সৈন্য-সামন্ত আৰু অস্ত্ৰ-সস্ত্ৰৰো প্ৰয়োজন নহয়। গান্ধীজীৰ নিৰ্দিষ্ট সত্যাগ্ৰহীয়ে ইংৰাজে কৰা যুদ্ধৰ প্ৰতি নৈতিক বিৰোধ আচৰণ প্ৰকাশ কৰিব এটুকুৰা জনসমাবেশ পূৰ্ণ ঠাইলৈ গৈ যুদ্ধ-বিৰোধী কথা ক'ব আৰু ভাৰতবাসীক এই যুদ্ধত কোনো প্ৰকাৰে সহায় নকৰিবলৈ আহ্বান জনাব। 'ইংৰাজৰ সমৰ সজ্জাত ধন-জন দি সহায় কৰা অনুচিত।

সকলো ধৰণৰ সংঘৰ্ষৰ বিপৰীতে অহিংস উপায়েৰে প্ৰতিৰোধ কৰাহে কৰ্তব্য।' গান্ধীজীৰ এই অননুকৰণীয় সত্যাগ্ৰহৰ প্ৰথম সত্যাগ্ৰহী আছিল বিনোৱা ভাৱে। দ্বিতীয় সত্যাগ্ৰহী আছিল জৱহাৰলাল নেহৰু। পিছৰ সত্যাগ্ৰহীসকল হ'ব কংগ্ৰেছৰ উৰ্ধতন মহলৰ সভ্য-সকল, বিধান সভা আৰু কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সভ্যসকল, আৰু তাৰ পিছত অন্যান্য নেতাসকল।

অসমৰ প্ৰথম বাইছজনীয়া দলৰ লিষ্টত অমিয়ৰ নামো অন্তৰ্ভুক্ত আছিল। গান্ধীজীয়ে এই লিষ্টত সম্মতি প্ৰদান কৰাৰ লগে লগে ডিচেম্বৰ মাহৰপৰা ব্যক্তিগত সত্যাগ্ৰহ অসমত আৰম্ভ হয়। আন সত্যাগ্ৰহীৰ দৰেই অমিয়ৰো ছয় মাহকাল কাৰাদণ্ডৰ আদেশ হয়। ১৯৪১ চনৰ জুনতহে তেওঁ মুক্তি লভে। ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনত অসমত সৰ্বমুঠ ৬৬১ জনে সত্যাগ্ৰহ কৰে আৰু ২৯৬ জনে কাৰাবৰণ কৰে, ১৬১ জনক গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। ১৯৪১ চনৰ ডিচেম্বৰ মাহত সকলো সত্যাগ্ৰহীয়েই কাৰাগাৰৰপৰা মুক্তি লভে।

গান্ধীজীৰ উদ্দেশ্য আছিল ভাৰতবাসীৰ এই যুদ্ধত যে কোনো ধৰণৰ সমৰ্থন নাই আনকি নৈতিক সমৰ্থনো নাই তাক ভালদৰে ইংৰাজক বুজাই দিয়া। গান্ধীজী নিৰ্বাচিত ব্যক্তিয়ে এই আন্দোলন চলাইছিল—কোনো সময়তে সি যাতে জনতাসৰ্বস্ব হৈ নপৰে তাৰ বাবে তেওঁ বিহিত ব্যৱস্থা লৈছিল। চৰকাৰৰ লগত ঠিক সেই সময়তে এক প্ৰত্যক্ষ সংঘৰ্ষলৈ অহাৰ গান্ধীজীৰ উদ্দেশ্য নাছিল।

১৯৪১ চনৰ ডিচেম্বৰ মাহত বিধান সভাৰ শীতকালীন অধিবেশন বহে। চাদুল্লা চৰকাৰৰ কাৰ্য্যাৱলীয়ে বিশেষকৈ বহিৰাগতক ভূমি পট্টন দিয়া নীতিয়ে অসমীয়া খিলঞ্জীয়া ৰাইজক অতি অসন্তুষ্ট কৰি তুলিছিল। সকলোৱে কংগ্ৰেছ আকৌ বিধান সভালৈ ঘূৰি অহাটোকে বাঞ্ছা কৰিছিল। গান্ধীজীৰ সম্মতিক্ৰমে কংগ্ৰেছী বিধায়কসকলে বিধানসভাত আকৌ যোগ দিলে। কিন্তু বেছিদিন তাত থাকিব নোৱাৰিলে। ৬ ডিচেম্বৰত কটন কলেজত চৰকাৰৰ পৃষ্ঠপোষকতাত যুদ্ধ-প্ৰচাৰ বিষয়ক এখন প্ৰদৰ্শনী আৰম্ভ হৈছিল।

কটনীয়ানসকলে এই কার্য্যৰ বিৰোধীতা কৰি সমদল বাহিৰ কৰি সাম্রাজ্যবাদী চৰকাৰৰ সমৰসজ্জাক গৰিহণা দিয়ে। কামৰূপৰ ডি-চি হামফ্রেই ছাত্রদলক এশিকনি দিবলৈ পুলিচক লগাই দিলে—শোভাযাত্রাকাৰীৰ ওপৰত লাঠিৰ কোব পৰিল—কমেও দুশ' জন ছাত্রই কম-বেছি পৰিমাণে আঘাত পালে। পিছদিনাই চৰকাৰী আতিশয্যৰ প্রতিবাদত ছাত্রদলে হৰতাল পালন কৰিলে। অসমৰ চহৰে নগৰে আনকি বঙ্গ আৰু বিহাৰতো এই উপলক্ষে প্রতিবাদ-দিৱস পালন হ'ল, বিধান সভাত এই ঘটনাই তীব্র প্রতিক্রিয়াৰ সৃষ্টি কৰিলে। চাদুল্লা মন্ত্রীসভাৰ শিক্ষা মন্ত্রী ৰোহিণীকুমাৰ চৌধুৰীয়ে দলপতিৰ লগত বিৰোধ হৈ পদত্যাগ পত্র দাখিল কৰিলে। চৌধুৰীৰ বহুতদিনৰপৰা আশা মুখ্য মন্ত্রী হোৱাৰ। কংগ্রেছী সভ্যসকল ঘূৰি অহাত চৌধুৰীয়ে আশা কৰিছিল সেই দলৰ সহায়ত তেওঁ এটি বিকল্প চৰকাৰ গঠন কৰিব। কটন কলেজৰ ঘটনাই তেওঁক এটি অভাৱনীয় সুবিধা দিলে। চাদুল্লাৰ লগত হোৱা মতানৈক্যই তেওঁক ছাত্রসমাজত জনপ্রিয় কৰি তুলিব আৰু লগতে তেওঁৰ আশাও হয়তো ফলৱতী হ'ব কিন্তু চৌধুৰীৰ আশাত এচলু পানী পৰিল। ইংৰাজে কংগ্রেছত ভেজাদি কোনো দলে চৰকাৰ গঠন কৰা কথাটোত বৰ বিশ্বাস নকৰিছিল—সেয়ে চৰকাৰে ৯৩ অনুচ্ছেদ অনুসৰি অসমত পোন প্রথম বাৰৰ বাবে গৱর্ণৰৰ শাসন বলবৎ কৰে। কিছু দিনলৈ অসমত গণতন্ত্রৰ ইতি পৰিল। ইতিমধ্যে যুদ্ধৰ গতি আৰু বিষম হয়। জাপানে জামের্নীৰ লগ লোৱাত আৰু আমেৰিকাই মিত্রপক্ষৰ লগ হোৱাত ৰণাঙ্গন আৰু বিস্তৃত হৈ পৰে। জাপানী সামৰিক শক্তিয়ে ছিঙ্গাপুৰ, ৰেঙ্গুন, আন্দামান আৰু প্রায় দক্ষিণ পূব এচিয়াৰপৰা মিত্রশক্তিক পৰাজয় কৰাত অসম-বঙ্গভূমি মিত্র শক্তিৰ প্রতিৰক্ষা শিবিৰত পৰিণত হয়। অসমত হাজাৰ হাজাৰ দেশী-বিদেশী সৈন্যৰ সমাবেশ ঘটে। নতুন নতুন উৰাজাহাজৰ ঘাটি, সামৰিক ঘাটি-সামৰিক সাজ-সজ্জাৰে অসমৰ সর্বত্র ঠাই উপচি পৰে। বর্মা আৰু মালয়দেশৰপৰা হেজাৰ হেজাৰ যুদ্ধৰ ভগনীয়া স্বদেশ বুলি খোজকাঢ়ি

বা অন্যান্য যানবাহনেৰে আহি অসম সোমায়হি। চৰকাৰে ভগনীয়া-সকলৰ সাহায্যৰ বাবে একো ব্যৱস্থা নকৰাত কংগ্ৰেছৰ শান্তি সেনা দলে ডিব্ৰুগড়, মণিপুৰৰোড, ডিমাপুৰ আদি ঠাইলৈ গৈ এই লোকসকলৰ চিকিৎসা আৰু সাহায্য দিয়াৰ ব্যৱস্থা কৰে। বহুতো অনাথ শিশুক কংগ্ৰেছৰ নেতাসকলে ব্যক্তিগতভাৱে সংস্থানৰ ব্যৱস্থা কৰি দিয়ে। লিডো, দিনজান আদি ঠাইত জাপানী বোমা বৰ্ষণ হোৱাত যুদ্ধৰ বিভীষিকাই মানুহৰ মাজত আতঙ্ক আৰু ত্ৰাসৰ সৃষ্টি কৰে। এই সময়ত উত্তৰ ভাৰতৰ বহুতো মানুহ অসম এৰি নিজ ঠাইলৈ গুচি যায়।

আতঙ্কগ্ৰস্ত ৰাইজক আশ্বাস আৰু সাহায্য দিবলৈ অসম কংগ্ৰেছে এখন জৰুৰীকালীন উপসমিতি গঠন কৰে। এই সমিতিত গোপীনাথ বৰদলৈ, ডাঃ হৰেকৃষ্ণ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা, বিষ্ণুৰাম মেধি, অমিয়কুমাৰ দাস, ফখৰুদ্দিন আলি আহমদ, সিদ্ধিনাথ শৰ্মা, আৰু দেৱকান্ত বৰুৱা সভ্য আছিল। দেশত যাতে অৰাজকতা বিৰাজ নকৰে তাৰ বাবে এই সমিতিয়ে শান্তি সেনা দলে যাতে শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰিব পাৰে তাৰ ব্যৱস্থা কৰে। কোর্ট কাছাৰীৰ ঠাই গাঁও পঞ্চায়তে যাতে ল'ব পাৰে তাৰো ব্যৱস্থা কৰে।

দেশৰ এই বিশৃঙ্খল অৱস্থাত গান্ধীজীয়ে ঘোষণা কৰিলে যে ইংৰাজে ততালিকে ভাৰত-ত্যাগ কৰিলেহে ভাৰতবৰ্ষ এক গুৰুত্বৰ পৰিস্থিতিৰপৰা ৰক্ষা পৰিব। লগতে ক'লে ইংৰাজ গ'লেহে ভাৰতে ৰাজনৈতিক ঐক্য আৰু সংহতি লভিব। গান্ধীজীয়ে এই ধাৰণাৰে বশৱৰ্তী হৈ "ভাৰত ত্যাগ" প্ৰস্তাৱৰ খচৰা তৈয়াৰ কৰে আৰু পিছত ব'ম্বেত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ৮ আগষ্টত ইয়াত অনুমোদন জনায়। চৰকাৰ পক্ষ আৰু কংগ্ৰেছৰ মাজত ইমান দিনে চলি থকা শীতল যুদ্ধই এইবেলি প্ৰকাশ্যে সংঘৰ্ষত পৰিণত হ'ল। ৯ আগষ্টৰ দিনা চৰকাৰে গান্ধীজী, নেহৰু আদিকে ধৰি প্ৰায় সকলো আগশাৰীৰ কংগ্ৰেছ নেতাকে আটক কৰে। নেতাসকল বন্দী হোৱাৰ কথা জনাজাত হোৱাৰ লগে লগেই ভাৰতীয়

জনতাই প্ৰায় সকলো ঠাইতে স্বতঃস্ফূৰ্তভাৱে ৰাজপথলৈ ওলায় আহে। প্ৰথমতে ৰাইজে শান্তিপূৰ্ণভাৱে সভা-শোভাযাত্ৰা-হৰতাল পালন কৰি চৰকাৰী কাৰ্যক গৰিহণা দিছিল। কিন্তু চৰকাৰী নিষ্পেষণৰ মাত্ৰা বাঢ়ি যোৱাৰ লগে লগে আন্দোলনেও হিংসাৰ পথ লয়। লাহে লাহে উন্মত্ত জনতাই যাতায়ত আৰু যোগাযোগ ব্যৱস্থাক বিকল কৰাৰ চেষ্টা কৰিলে। কংগ্ৰেছ ছচিয়েলিষ্ট দলৰ নেতৃত্বত থানা-কাছাৰী-ডাকঘৰ টেলিগ্ৰাফ ঘৰ ধ্বংস কৰি সমান্তৰাল চৰকাৰ গঠনৰ প্ৰচেষ্টা চলিল—দেশৰ ইমূৰৰপৰা সিমূৰলৈ এক বিৰল বিপ্লৱ আৰম্ভ হ'ল—যাক ইতিহাসবিদে ৪২ৰ গণবিপ্লৱ বুলি অভিহিত কৰিছে।

পঞ্চদশ অধ্যায়

পখী বন্দী হ'ল

গুৱাহাটীত অমিয়ই লেখতল'বলগীয়া কেইঘৰমান মানুহৰ ঘৰলৈহে ৰবকৈ আহ-যাহ কৰে। পাণবজাৰত থকা ডাক্তৰ হৰেকৃষ্ণ দাস, উজান বজাৰত থকা ডাক্তৰ ভুবনেশ্বৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা আৰু বিষ্ণুৰাম মেধিৰ ঘৰলৈ যায়। সেই কেইঘৰ মানুহৰ লগত অমিয়ৰ সম্বন্ধ অকল ৰাজনৈতিকেই নহয়—তাতকৈ বহুত বেছি। তেওঁ আলহি নহয় ঘৰৰ যেন আপোন মানুহ। পৰিয়ালৰ দুখ শোক আনন্দ সকলোৰে সমভাগী তেওঁ। পৰিয়ালৰ গোপনীয় কথাবোৰৰো তেওঁ ভাগ পায়।

সিদ্ধিনাথ শৰ্মাৰ ঘৰত প্ৰায়ে গুৱাহাটীৰ কংগ্ৰেছ-মুখী যুৱক সমাজ গোট খায়। কংগ্ৰেছৰ যুৱনেতাসকল আহে। অমিয় আৰু সিদ্ধি শৰ্মাই নানা দিহা পৰামৰ্শ দিয়ে। তেওঁলোকৰ পৰামৰ্শতে সেইকালৰ যুৱনেতা লক্ষ্মীধৰ বৰাই কামৰূপ জিলাৰ কংগ্ৰেছৰ নথিপত্ৰ সমূহ পুলিচৰ হাতৰপৰা ৰক্ষা কৰিবলৈ টিনৰ বাকচত ভৰাই চহৰৰ বিভিন্ন ঠাইত মাটিত পুতি থোৱাৰ ব্যৱস্থা কৰিছিল। এয়া আছিল ১৯৪২ চনৰ কথা। অৱশ্যে পিছত কিছু নথি-পত্ৰ উঁয়ে গ্ৰাস কৰিছিল—বাকীবিলাক অক্ষত অৱস্থাতে পাইছিল।

সমাজ সেৱাৰ প্ৰতি অমিয়ৰ আগ্ৰহ সৰুৰেপৰা। কেতিয়াবা গুৱাহাটীত গৰাকীবিহীন মৃতদেহৰ খবৰ পালে অমিয়ই অকলেই শ্মশানলৈ নি শেষ সংকাৰ কৰে। কেও কিছু নোহোৱা টান ৰোগীৰ খবৰ পালে তেওঁ গৈ ৰাতি পৰ দিয়ে। অমিয়ৰ কাৰ্যই কামৰূপ ব্যায়াম সংঘৰ যুৱকসকলক অনুপ্ৰাণিত কৰে। হস্পিটেলৰ পৰা গৰাকীবিহীন মৃতকৰ খবৰ পালে এই দলে কামাখ্যাৰ শ্মশানলৈ নি শৱদাহ কৰে গৈ। বিভিন্ন সামাজিক কামত যুৱসমাজে আগভাগ লয়।

শৰ্মাৰ ঘৰতে প্ৰায়ে বিয়লি অমিয়, সিদ্ধি শৰ্মা, ভুবনেশ্বৰ বৰুৱা আৰু শিশিৰ বৰুৱাই 'লুডু' খেলে। খেলাৰ সময়ত তেওঁলোক যেন চাৰিজন কিশোৰহে।

ডাক্তৰ হৰেকৃষ্ণ দাস এসময়ত চৰকাৰী চাকৰিয়াল আছিল। চিভিল চাৰ্জনৰ কাম কৰি এটা সময়ত কামৰপৰা অৱসৰ লৈছিল। অৱসৰ লৈ সম্পূৰ্ণৰূপে দেশসেৱা কৰাত মনে প্ৰাণে লাগি গৈছিল। দাসৰ দেহাটোহে চৰকাৰৰ গোলামী খাটিছিল—মনটো কিন্তু সম্পূৰ্ণ বিপৰীত আছিল। স্বাধীনচিতীয়া, কালৈকো কেৰেপ নকৰা। পেঞ্চন পোৱা চাকৰিয়ালে চৰকাৰক সমালোচনা কৰা চৰকাৰী সেৱা বিধিমতে অন্যায় বোলে। ডাক্তৰ দাসে এইবোৰ কথা লৈ বৰকৈ কেৰেপ কৰা নাছিল। ভগৎ সিং, শুকদেৱ আৰু ৰাজগুৰুক চৰকাৰে ৰাজৰোষত পেলাই ফাঁচী দিয়াত দাস ডাঙৰীয়াই এখন ৰাজহুৱা সভাত তীব্ৰ প্ৰতিবাদ কৰিছিল। প্ৰতিবাদ কৰাৰে কথা। তিনিজন বিপ্লৱী ডেকাই লালা লাজপৎ ৰায়ৰ নিচিনা দেশনেতাক লাঠিৰে কোবাই মৃত্যু ঘটোৱা পুলিচ বিষয়াজনক হত্যা কৰি তাৰ প্ৰতিশোধ লৈছিল। দেশৰ বৰেণ্য নেতাক ৰাস্তাৰ কুকুৰৰ দৰে লঠিয়াই মৰাৰ দৰে হত্যা কৰা। ইমান সাহস পুলিচ বিষয়াই ক'ৰ পৰা পালে? কিন্তু দাস ডাঙৰীয়া চৰকাৰী ৰাজৰোষত পৰিল। তেখেতৰ পেঞ্চন বন্ধ হ'ল। ডাক্তৰ এইবাৰ সম্পূৰ্ণৰূপে গান্ধীবাদী হ'ল। অকল তেৱেঁই নহয় তেওঁৰ পত্নী হেমপ্ৰভা দাস, জীয়ৰী অমলপ্ৰভা দাস সকলো গান্ধীভক্ত আৰু কংগ্ৰেছ অনুগামী হ'ল। তেখেতৰ ঘৰখন সকলো কংগ্ৰেছ কৰ্মীৰ বাবেই উন্মুক্ত হ'ল।

দাসে অমিয় আৰু হেম বৰুৱাক লৈ আসাম সেৱক প্ৰেছ আৰম্ভ কৰিলে। এই প্ৰেছৰপৰাই 'আসাম সেৱক' কাকতখন প্ৰকাশ হৈছিল। এই কাকতখন কংগ্ৰেছদলৰ মুখপত্ৰ স্বৰূপ আছিল। ১৯৩৮ চনৰ ডিচেম্বৰত দাসৰ অনুমতিক্ৰমে প্ৰেছটো তেজপুৰলৈ তুলি নিয়া হয় আৰু তেতিয়াৰপৰা তাৰ দায়িত্ব অমিয়, হেম বৰুৱা, বিজয় ভাগৱতীৰ ওপৰত ন্যস্ত হয়। বহুত দিন ধৰি 'আসাম সেৱক'

কাকতখন তেজপুৰৰপৰা প্ৰকাশ হৈছিল আৰু তাৰ সম্পাদনাৰ দায়িত্বত আছিল ভাগৱতী। দাস ডাঙৰীয়াৰ মৃত্যুৰ পিছত এই প্ৰেছৰ মালিক অমিয়ই আছিল—কাকতখনৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পিছত অমিয়ৰ ইচ্ছাতে ১৯৭১ চনত আসাম সেৱক ট্ৰাষ্ট ফাণ্ড এটা গঠিত হৈছিল। এই ফাণ্ডৰ টকাটো গুৱাহাটী বেঙ্কত জমা ৰখা হৈছিল। অমিয়ই নিজে ১৮টা অংশ ক্ৰয় কৰিছিল। ১৯৩৪ চনত গান্ধীজী হৰিজন আন্দোলনৰ বাবে তৃতীয়বাৰ অসমলৈ আহোঁতে ডাক্তৰ দাসৰ ঘৰতে আলহি হৈছিল। গান্ধীজীৰ লগত ঠক্কৰ বাপা, যমুনালাল বাজাজ, মীৰা বেন্, কৃষ্ণা ধুমটকৰ আৰু উমা বাজাজো আহিছিল। গান্ধীজীৰ খাদ্যৰ দায়িত্ব লৈছিল ডাঃ দাসৰ পত্নী হেমপ্ৰভা দাসে। অন্যান্য কামৰ তদাৰক আৰু দেখাশুনা কৰিছিল কংগ্ৰেছৰ ডেকা কৰ্মীসকলে।

'৪১ৰ আন্দোলনৰ সময়ত ডাঃ দাসো ৰাজবন্দী হ'ব লগা হ'ল। সেই সময়ত তেওঁ প্ৰদেশ কংগ্ৰেছ কমিটিৰ এগৰাকী আগশাৰীৰ নেতা আছিল। জৰুৰীকালীন কংগ্ৰেছ উপ-সমিতিৰ তেওঁ অন্যতম সদস্য আছিল। চৰকাৰে তেওঁক ভাৰত প্ৰতিৰক্ষা আইনৰ অধীনত 'ক' শ্ৰেণীভুক্ত ৰাজনৈতিক বন্দী কৰি সাতাইছ মাহ কাল যোৰহাট জেলত আটক কৰি ৰাখে। এই সময়ছোৱাত তেওঁৰ দুখ-শোক আনন্দ-বিষাদ সকলোৰে সমভাগী আছিল একে জেলৰে সহবন্দী অমিয়। পিছত ডাঃ দাস গুৱাহাটী জেললৈ যায় আৰু তাৰপৰাই চৰকাৰে তেওঁক বিনাচৰ্তে মুক্তি দিয়ে। অমিয়ই গুৱাহাটীৰ কাৰাগাৰত থাকোঁতে ডাঃ দাসৰ পত্নীৰ অসুখৰ বাতৰি পাই বৰ ম্ৰিয়মাণ হৈ পৰিছিল। হেমপ্ৰভা দাসৰ আগন্তুক মৃত্যুৰ সম্ভাৱনাত অমিয়ই বৰ মনোকষ্ট পাইছিল। ১৯৪৫ চনৰ ২৫ জানুৱাৰীত তেওঁ ডায়েৰীৰ পাতত লেখে :

> আজি ৰাতিপুৱা প্ৰায় ৫ বজা মানত 'হৰিবোল' হৰিবোল' শব্দ শুনি সাৰ পাই উঠোঁ। বুকুখন হঠাতে চিৰিং কৰে উঠিল। মনত হ'ল যেন Mrs. Das ৰ মৃত্যু হৈছে। সেই

সময়ত মোৰ মনত হৈছিল তেওঁ যেন মোৰ সমুখত। তেওঁৰ কথা বহুতো মনলৈ আহিল। দিনটো তেওঁৰ বাবে মনটো বেয়া লাগি আছিল। গধূলি লক্ আপৰ আগতে শুনিলো যে হয় সঁচাকৈয়ে তেওঁৰ হেনো মৃত্যু হৈছে।... তেওঁলোকৰ সকলোৰে কথা মনলৈ আহিছিল।... তেওঁলোক সকলোৰে কথা মনত পৰি বৰ বেজাৰ লাগিছিল।

অমিয়ৰ ডাক্তৰ দাসৰ পৰিয়ালৰ লগত এনে এটা আৱেগিক সম্বন্ধ থকা বাবেই হয়তো এনে ধৰণৰ অভিজ্ঞতা লাভ হৈছিল।

অমিয় গুৱাহাটীলৈ আহিলেই ডাঃ দাসৰ খা-খবৰ লয়। ১৯৫৮ চনৰ শেহৰ ফালে ৮৩ বছৰীয়া বৃদ্ধ ডাঃ দাসে বিচনা ল'লে। অমিয়ই মাজে মাজে আহি চায়, অমিয়ক দেখিলেই বৃদ্ধই তেওঁৰ হাতখন সাৰটি ধৰে। অমিয়ৰ ভাব হয় বৃদ্ধৰ মনত যেন এটা আক্ষেপ আছে। কেইবাদিনো ধৰি মৃত্যুৰ লগত যুঁজি ১৯৫৮ চনৰ ২ ডিচেম্বৰত তেওঁৰ পৰলোক প্ৰাপ্তি ঘটিল।

ডাক্তৰ ভুবনেশ্বৰ বৰুৱা হ'ল অমিয়, হেমচন্দ্ৰ বৰুৱা আদি অবিবাহিত ডেকা কংগ্ৰেছ কৰ্মীসকলৰ 'ফ্ৰেণ্ড, ফিলচফাৰ আৰু গাইড' স্বৰূপ। ডাক্তৰ বৰুৱাই এওঁলোকৰ শাৰীৰিক, মানসিক সকলো কথাৰ তদাৰক কৰিছিল। ডাক্তৰ বৰুৱা বয়সত অমিয়তকৈ ডাঙৰ ; কিন্তু কলেজীয়া দিনৰেপৰা দুয়োৰে মাজত সখীত্ব আছে। দুয়ো পৰম বন্ধুৰ দৰে কথা পাতে। ডাক্তৰে মাজে মাজে এই জয়-বিজয়ক (অমিয়-হেমচন্দ্ৰ) বিয়া কৰাই সংসাৰী হ'বলৈ কয়। কিন্তু কোনে কাৰ কথা শুনে? হেমচন্দ্ৰৰ মন লাহে লাহে কুমলিছে। দিখৌ নৈৰ গৰাৰপৰা তললৈ পৰি কঁকালত দুখ পোৱাৰপৰা মানুহজনে অনুভৱ কৰিছে এৰা বিয়া কৰোৱাই ভাল হ'লহেঁতেন চাগে। সদায় চোৰা-চিতা কোনে কৰিব? বুঢ়া কালত কোনে চাব? কথা পাতিবলৈকো লগ লাগে! এতিয়া আকৌ বহুমূত্ৰ ৰোগে বাহ লৈছে। হেমচন্দ্ৰই মাজে মাজে অসহায় অনুভৱ কৰে। মনত পৰে উজান বজাৰত দোকান দিয়াৰ সময়ৰ কথা! তেতিয়া দুই বন্ধুৱে—

কৃষ্ণাৰ্জুনে ঠিক কৰিছিল তেওঁলোক আজীৱন চিৰকুমাৰ হৈ থাকিব। পৰাধীন দেশত বিয়া কৰোৱাৰ মানে নাই। বিয়া কৰালে কি হ'ব? হেম বৰুৱাৰ যুক্তি হ'ল—যি বাট লৈছো সমাজসেৱাৰ, দেশৰ মুক্তিৰ, এনে এটি বাট লৈ সাংসাৰিক জীৱনৰ বান্ধোনত সোমোৱাটো মহাপাপ। তেওঁৰ যুক্তিত ভুলুয়েও হয়ভৰ দিয়ে—এৰা বিয়া কৰোৱা মানে কিছুমান গোলামৰ সৃষ্টি কৰা। হেমচন্দ্ৰৰ কিন্তু এতিয়া আগৰ মনৰ দৃঢ়তা নাই। এদিন নৰিয়াপাটিত পৰি থাকোঁতে অমিয়ক ক'লে: হেৰ' ভুলু মোৰ যি বেমাৰ হৈছে তাক বোলে ভাল কৰিব নোৱাৰে। মই এই মৃত্যু শয্যাৰপৰা তোক এটা কথা কওঁ—তই মানিবি নে?

—তই ক—পাৰিলে নিশ্চয় মানিম!

—মোৰ দেশৰ কাম কৰিবলৈ বহুতো বাকী থাকিল। এই কাম তই শেষ কৰিব লাগিব। মই তোক বিয়া কৰাবলৈ কওঁ—তই বিয়া কৰিবি নে—এবাৰ কৰ—

—এই বুঢ়া বয়সত তই যেতিয়া বিয়া কৰিবলৈ কৈছ কৰিম তেন্তে।

--বহুত দিনৰ আগৰ কথা এটি অমিয়ৰ মনত পৰে। এগৰাকী তৰুণীৰ লগত অমিয়ৰ মনৰ বুজাপৰা হৈছিল। দেশব্ৰতী অমিয়ৰ নিষ্ঠা আৰু আন্তৰিকতাই তেওঁৰ চাৰিত্ৰিক সৌন্দৰ্যই আৰু ক্ষমাসুন্দৰ ৰূপটোৱে গাভৰুক অমিয়ৰ প্ৰতি আকৃষ্ট কৰিছিল। কিন্তু অমিয়ই তেতিয়াও ঠিক কৰিব পৰা নাছিল তেওঁ বিয়া কৰাব নে নকৰাই? কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। তাৰ পিছত আৰম্ভ হ'ল এক বেলেগ অধ্যায়। কলিকতা মহানগৰীত এক বেলেগ পৰিবেশত যুৱতীৰ মন সেই অক্লান্ত দেশপ্ৰেমীৰ বাবে আৰু উন্মুখ হৈ নেথাকিল। লাহে লাহে তেওঁৰ মন একে বিদ্যালয়তে পঢ়া এজন যুৱকৰ প্ৰতি আকৃষ্ট হ'ল। তাৰ পিছত ঘনিষ্ঠতা হ'ল। এদিন অমিয়ই যুৱতীৰপৰা মনৰ দ্বন্দ্ব জনাই লেখা এখন চিঠি পালে চিঠিৰ মৰ্ম হ'ল তেওঁক মুক্তি লাগে। তেওঁৰ মনৰ সিংহাসন আজি আনে অধিকাৰ কৰিছে। চিঠিখন পঢ়ি অমিয়ৰ মন যুৱতীৰ প্ৰতি

করুণা আৰু সহানুভূতিৰে উপচি পৰিল। তেওঁ ভাবিলে বিচেৰীয়ে কিমান বিশ্বাসেৰে কিমান সৰলতাৰে চিঠিখন লিখিছে তেওঁক সহায় কৰিবই লাগিব। অথবা অমিয়! বহুত দিনৰ আগৰপৰাই ঘৰৰ লগত কোনো সম্বন্ধ নাই। টান নাই। বহুতো মৰমৰ বস্তু—বহুজন আত্মীয়ক ইতিমধ্যে অমিয়ই ত্যাগ কৰিছে হেলাৰঙে। অন্তৰৰ চুক এটিত হয়তো কেতিয়াবা বেজাৰৰ চেক্ চেকনি লাগিব। তথাপি অমিয়ই ঠিক কৰিলে তেওঁ ত্যাগ কৰিব। হেলাৰঙে! আনন্দৰে! শুভাশীষেৰে। জীৱনত তেওঁ সুখী হওক। তেওঁলোক চিৰদিন প্ৰিয় বন্ধু-বান্ধৱীৰ দৰে থাকি যাব। হেমচন্দ্ৰৰ কথাই অমিয়ক ভবাই তুলিলে। এবা, বহুতো পলম হৈ গ'ল? বিয়া কৰাব খুজিলেও তেওঁ জানো ছোৱালী পাব? বিয়াৰ কন্যা তেওঁৰ কেতিয়াবাই হেৰাই গ'ল!

নাৰীৰ মন বোলে দেৱতায়ো বুজি নাপায়! এজনী নাৰীয়ে ভাল পায়ো শেহত অমিয়ক ত্যাগ কৰিছিল। আনহাতে আন এগৰাকী নাৰীয়ে যি বয়সত অমিয়তকৈ বহুত সৰু আছিল—তথাপি তেওঁ আহি অমিয়ৰ ওচৰত থিয় হ'লহি—হয় ইচ্ছা কৰিলে আমি দুয়ো একেখন জীৱন নাৱৰ সহচৰী হ'ব-পাৰো। সেই নাৰীৰ মন অমিয়লৈ উন্মুখ হৈ আছে আজি বহুত দিনৰপৰা। ছোৱালীজনীৰ তেতিয়া দহ বছৰমান বয়স। গুৱাহাটীৰ যোৰপুখুৰীৰ পাৰত তেওঁলোকৰ ঘৰ। দেউতাক চৰকাৰী চাকৰিয়াল প্ৰায়ে ঘূৰি ফুৰে। মাকৰ নানা অসুখ। চাবলৈ আহে মোমায়েক ডাক্তৰ ভুবনেশ্বৰ বৰুৱাই। এদিন ছোৱালীজনীয়ে দেখিলে গেট খুলি এজন মানুহ সোমাই আহিছে—মানুহজনৰ উজ্জ্বল গৌৰবৰণীয়া, মুখত তেজৰ সোঁতে ৰঙা গোলাপৰ আকৃতি লৈছে। মূৰ আৰু কপালৰপৰা তেজৰ সোঁত বৈ আহি খদ্দৰৰ পঞ্জাবী আৰু ধুতিখনতো তেজৰ ফাকু সানি গৈছে। ছোৱালীজনীয়ে সুধিছিল, কাক লাগে বুলি; মানুহজনে কৈছিল ডাক্তৰক লাগে বুলি। অলপ পিছতে ডাক্তৰ ওলাই আহিছিল। মানুহজনক দেখি সুধিছিল: কি হে জবৰদস্ত ক'ত বীৰত্ব দেখুৱাই আহিলা?

—এ কি ক'বা? যোৰপুখুৰীৰ পাৰত এঘৰ দুখীয়া মানুহৰ

খেৰি ঘৰ এটিত জুই লাগিল। সেই সময়ত ঘৰত কোনো পুৰুষ মানুহ নথকাত অকলশৰীয়া মহিলা গৰাকীয়ে কেঁচুৰা সন্তানটি বুকুত বান্ধি বাটলৈ ওলাই আহি জুই নুমাবলৈ সহায় বিচাৰিছে? মানুহবোৰে 'সকলো পুৰি ছাই হ'ল' 'সকলো পুৰি ছাই হ'ল' বুলি চিঞৰিব লাগিছে, কিন্তু কোনেও জুই নুমাবলৈ চেষ্টা কৰা নাই। মই উপায় নেপাই নিজেই জুইত জপিয়াই পৰিবলৈ বাধ্য হ'লো। হঠাতে পাক ঘৰৰ ওপৰত জ্বলা টিনপাত এচলা খহি আহি মোৰ মূৰৰ ওপৰত পৰিল—

ছোৱালীজনীয়ে অবাক হৈ কথাবোৰ শুনি আছিল। তোমাৰ পৰা আৰু উপায় নাই বুলি ডাক্তৰে তৎক্ষণাত তেওঁৰ বন্ধু অমিয়ক উজান বজাৰৰ নিজৰ বেমাৰী চোৱা ঘৰলৈ লৈ গৈ চিকিৎসাৰ ব্যৱস্থা কৰিলে।

—আৰু এদিনৰ কথা!

ছোৱালীজনী তেতিয়া যথেষ্ট ডাঙৰ হৈছে। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত আই-এ পৰীক্ষা দি আহি গুৱাহাটীৰ ঘৰত আছেহি। হঠাতে মোমায়েকৰ মুখত 'জৰদ্গব' শব্দটো শুনি তাই ওলাই আহিছিল বাহিৰত এৰা সেই মানুহজনেই বহি আছিল। সেই দিনৰ তেওঁৰ বীৰত্বৰ কাহিনীও বেলেগ। পাণবজাৰত বলিয়া কুকুৰ এটাই কেইবাজনো মানুহক কামুৰি সৰু ল'ৰা এটাক খেদি আহোঁতে মানুহজনে ল'ৰাটোক দাঙি লৈ নিজে কামোৰটো আকোঁৱালি ল'লে। কি অদ্ভুত! মানুহজনৰ জীৱনটো যেন আনৰ বাবেই উৎসৰ্গীকৃত! ইমান মহান হৃদয় তেওঁ ক'ত পালে? মোমায়েকৰ মুখত এই ব'মভোলা—মহাদেৱ সদৃশ মানুহজনৰ কথা শুনি ছোৱালীজনীৰ মনহৃদয় মানুহজনৰ প্ৰতি শ্ৰদ্ধাত অৱনত হয়। মোমায়েকে কয় কলিকতাত থাকোতে বোলে মানুহজনে ৰোগীৰ যেনে ধৰণে পৰিচৰ্য্যা কৰিছিল ৰোগীৰ অতি আপোনজনেও তেনে কৰিব নোৱাৰে। আনৰ দুখ-কষ্টক নিজৰ বুলি ল'ব পৰা—পৰোপকাৰৰ পৰম কাষ্ঠা দেখুৱা এই মানুহজনক জানো শ্ৰদ্ধা নকৰাকৈ থাকিব পাৰি!

ছোৱালীজনী মাকন মানে পুষ্পলতা শইকীয়াই এদিন আন এজন মোমায়েকৰ মুখত এষাৰ কথা শুনিছিল, তেওঁ কৈছিল—"মই ছোৱালী হোৱা হ'লে অমিয় দাদাক বিয়া কৰালোহেঁতেন। ছোৱালীবোৰে বাৰু কিয় বাহ্যিক সুখ-সম্ভোগক ইমান ধাউতি কৰে? অন্তৰত থকা সৌন্দৰ্যৰ খনিৰ কথাৰ সম্ভেদ ল'বলৈ আজিও কিয় কোনো আগবাঢ়ি নাহিল? সেই সৌন্দৰ্যৰ জানো তুলনা আছে?— মাকনে কথাবোৰ শুনি ভাবিছিল—এৰা সেই সৌন্দৰ্য তুলনাবিহীন আৰু লগে লগে অঙ্গীকাৰ কৰিছিল যে সিফালৰ পৰা কোনো আপত্তি নেথাকিলে তেৱেঁই তেওঁৰ জীৱন-সহচৰী হ'ব! আৰু কেতিয়া? কিমান দিন?

নাই, তেৱোঁ বাট চাব! যেতিয়ালৈকে—

যোৰহাটৰ ওচৰৰ নাওবৈছা গাঁওৰ ৰামেশ্বৰ শইকীয়াৰ ছোৱালী মাকন—ওৰফে পুষ্পলতা—জন্ম উত্তৰ লক্ষীমপুৰত, মাক স্বৰ্ণলতা —গোলাঘাটৰ ইংৰাজৰ দিনৰ মন্ত্ৰী অনাৰেবল্ ঘনশ্যাম বৰুৱাৰ ঘৰৰ জীয়াৰী। ককাক কেশৰচন্দ্ৰ বৰুৱা, আনহাতে দেউতাকৰ ফালৰ ককাদেউতাক আছিল ৰায় বাহাদুৰ বেঠাৰাম শইকীয়া—তলহচিলদাৰ আজোককাক আছিল বিখ্যাত পিয়লী শইকীয়া। দেউতাকে চৰকাৰী চাকৰি কৰে ৰাজস্ব বিভাগত। মাকন বেছিভাগ সময় মাকৰ লগতে থাকে। মাকৰ উদাৰ দৃষ্টিভঙ্গী, স্বাধীনচিতীয়া মনোভাৱ আৰু স্বদেশপ্ৰেমে ছোৱালীজনীকো প্ৰভাৱন্বিত কৰে। সৰুতে স্কুলত পঢ়োতে বঙালী ছোৱালীৰ লগত পৰি বিপ্লৱী হ'ব খুজিছিল—আনকি নিজৰ তেজেৰে চহি কৰি "মুক্তি সংঘৰ" সভ্যা হৈছিল। আৰু সম্পাদিকাৰ বাবো লবলগীয়া হৈছিল।

এদিন পুষ্পলতা পাণবজাৰ ছোৱালী স্কুলৰ ছাত্ৰী একতা সভাৰ সম্পাদিকা নিৰ্বাচিত হ'ল। ঠিক সেই সময়তে কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত অসম জুৰি আৰম্ভ হৈছিল স্কুল-কলেজ বৰ্জন আন্দোলন। পুষ্পলতাৰ নেতৃত্বত পাণবজাৰ ছোৱালী স্কুলৰ ছাত্ৰীয়েও স্কুল এৰি ওলাই আহিল ৰাজপথলৈ শোভাযাত্ৰা কৰিবলৈ। তাৰ ফলাফল বিষম

হ'ল। ছাত্ৰী একতা সভাৰ সম্পাদিকা স্কুলৰ পৰা বহিঃস্কৃতা হ'ল। পুষ্পলতাৰ মনত এই ঘটনাই একো প্ৰভাৱ পেলাব নোৱাৰিলে। মন তেতিয়াও নিজ সংকল্পত স্থিৰ আৰু দৃঢ়তাৰে পূৰ্ণ এনেকুৱা এটা ঘটনাত ঘটা সত্বেও তেওঁ প্ৰাইভেটকৈ প্ৰৱেশিকা পৰীক্ষা দি সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। তাৰ পিছত আৰু তেওঁ গুৱাহাটীত নেথাকিল। বেনাৰসলৈ গুচি আহিল। তাৰপৰা সময়ত আই-এ পাছ কৰিলে। বি-এ পঢ়িবলৈ তেওঁ ৱাল্টাৰেৰ পালেগৈ। সময়ত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰপৰা তেওঁ ৰাজনৈতিক বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে। পুষ্পলতাই অকল পঢ়াৰ কথা লৈয়ে ব্যস্ত নাছিল। বেনাবসত, ৱাল্টাৰেৰত গুৰুৰ ওচৰত থাকি নৃত্য শিক্ষা লভিছিল। নৃত্যত পাৰদৰ্শিতাও আৰ্জিছিল। বেনাৰসত থকাৰ দিনৰেপৰা পুষ্পলতাৰ অভিভাৱিকা ৰূপে আছিল দুৰ্গাবাই (পিছৰ কালৰ চিন্তামণি দেশমুখৰ পত্নী)। দুৰ্গাবাই বিদুষী মহিলা —কংগ্ৰেছ কৰ্মী—জাতীয়তাবাদী। তেওঁৰ প্ৰভাৱৰ ফলতেই হয়তো পুষ্পলতাকো সমসাময়িক ৰাজনীতিয়ে আকৰ্ষণ কৰিছিল। এদিন কংগ্ৰেছদলৰ সভ্যা হ'ল। গান্ধীজীৰ ব্যক্তিত্বই সেই সময়ত তেওঁৰ মন প্ৰভাৱান্বিত কৰিছিল। ভাৱ হৈছিল গান্ধীজীব বাণীতে, সত্যাগ্ৰহৰ নীতিতে বিশ্বৰ দলিতজনৰ, নিপীড়িতজনৰ মুক্তিৰ বাৰ্তা লুকাই আছে। লাহে লাহে গান্ধীজীৰ মতাদৰ্শই বিশেষকৈ গঠনমূলক কামৰ আঁচনিয়ে তেওঁক বিশেষভাৱে আকৰ্ষণ কৰে। ১৯৩৪ চনত গুৱাহাটীত তেওঁ গান্ধীজীক ওচৰৰপৰা লগ পালে আৰু তেওঁৰ অনুগামী হোৱাৰ সংকল্প লয়। ইতিমধ্যে তেওঁ প্ৰদেশ কংগ্ৰেছ কমিটিৰ মহিলা শাখাৰ সম্পাদিকা হ'ল। অমিয় আৰু পুষ্পলতাই দুয়ো দুয়োকে বুজাৰ অৱকাশ পালে। পুষ্পলতাই বুজিলে অমিয়ৰ মনত অৰ্থ-লিপ্সা নাই—ব্যক্তিগত সম্পত্তিৰ কথাত অবিশ্বাসী বিষয়-সম্ভোগৰ প্ৰতি অনীহা—সকলো কথাতে মিতাচাৰী, কৰ্মযোগী পুৰুষ।

ডাক্তৰ বৰুৱাই বহুতদিনৰপৰা তেওঁৰ ভাগিনীয়েক পুষ্পলতাক অমিয়লৈ দিবলৈ মনতে পাতি আছিল। কিন্তু ভাগিনীয়েকৰ মনৰ

উন্নাদিহ তেতিয়াও ভালদৰে পোৱা নাছিল। ১৯৪০ চনত তেওঁ হঠাতে পুষ্পলতাৰ বান্ধৱী এগৰাকীৰ এখন চিঠি পালে। সেই চিঠিয়ে তেওঁৰ মনৰ সকলো সন্দেহ সংশয় নাশ কৰিলে। বান্ধৱীয়ে লেখিছিল 'শ্ৰদ্ধা-ভক্তি, মৰম-প্ৰীতি আৰু প্ৰতিভাৰ বয়স নাই। কিছুমান কোমল অনুভূতিক বয়সে নোচোৱে—বয়সৰ অতীত। কোনোৱে শাক-ভাত খায়ো যি অনাবিল আনন্দত থাকিব—ৰাজ ঐশ্বৰ্যয়ো কাৰোবাক সেই আনন্দ দিব নোৱাৰে।' অমিয়ই বিবাহলৈ মন মেলা কথা শুনিয়েই ডাক্তৰে পুষ্পলতাৰ প্ৰস্তাৱ দিলে।

অমিয়ই কথাষাৰ শুনিয়েই উচপ খাই উঠিল; ডাক্তৰ মোৰ পাপ হ'ব আমাৰ বয়সৰ পাৰ্থক্য বৰ বেছি তাৰ উপৰিও মোৰ জীৱনৰ লগত সাঙোৰ খালে তেওঁ বৰ কষ্ট পাব। দুখৰ জীৱন হ'ব। নিমখ ভাতকণো চাগৈ নুজুটিব।

ডাক্তৰে নেৰিলে। পুষ্পলতাৰ বান্ধৱীৰ চিঠি তেওঁক দেখুৱালে। শেহত তেওঁ সন্মতি দিলে গৈ।

অমিয়ই সন্মতি জনালেও পুষ্পলতাৰ ফালৰপৰাই বহুতো আপোন মানুহে এই বিবাহত ঘোৰ আপত্তি কৰিছিল। কিন্তু পুষ্পলতাক পৰলোকগতা মাতৃয়ে শেষ সময়ত তেওঁক দিয়া উপদেশে সততে অনুপ্ৰাণিত কৰিছিল। তেওঁ কৈছিল: 'মোৰ ল'ৰা-ছোৱালীয়ে বিয়া নকৰালেও মই বেয়া নাপাওঁ। যদি কৰাই জীৱনত লক্ষ্য থকা মানুহ যেন কৰায়। তেওঁবিলাকৰ নিৰ্বাচনত কোনেও যেন হস্তক্ষেপ নকৰে। মোৰ ল'ৰা-ছোৱালীয়ে নিজ পচন্দমতে বিয়া কৰাব। জাত, কুল চোৱাতকৈও আদৰ্শ চোৱাতোহে মই বিচাৰোঁ।" পুষ্পলতালৈ চাই কৈছিল: 'যদি বিয়া কৰাবলগীয়া হয় দেশৰ স্বাধীনতাৰ কাৰণে যুঁজা মানুহক লগৰীয়া কৰিলে ভাল পাম। চৰকাৰী চাকৰিয়ালক যেন বিয়া নকৰায়। মোৰ আত্মাই তেতিয়া হ'লে শান্তি নেপাব।' এই কেইষাৰ কথাই পুষ্পলতাক সাহস দিছিল সকলো আপত্তি আৰু বিৰোধিতাৰ বিৰুদ্ধে থিয় হ'বলৈ।

অমিয়ই বিবাহত সন্মতি দিলেও নানা ওজৰ-আপত্তি। বুঢ়া-

কালত বিয়া কৰাবলৈ ওলাইছে কোনো ধৰণৰ হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হ'ব নোৱাৰিব। হোম পুৰি তেওঁ বিয়া নাপাতে। তন্ত্ৰ-মন্ত্ৰত তেওঁৰ বিশ্বাস নাই। অমিয়ৰ কথা হ'ল 'মই মাকনক মানুহক দেখুৱাই জুইক সাক্ষী কৰি বিয়া নকৰাওঁ। হোমৰ অগ্নি সাক্ষী কৰিও বহুতে অবিচাৰ কৰা দেখিছো। মই অন্তৰৰ জুইৰ আগতে শপত ল'ম—অন্তৰৰ সেই শিখাৰ আগত মন্ত্ৰৰ সেই কেইটা শব্দহে উচ্চাৰণ কৰিম য'ত তেওঁ মোৰ কাৰণে নিজ স্বাধীনতা—নিজৰ স্বতন্ত্ৰতা বিসৰ্জন দিবলগীয়া নহ'ব। ইচ্ছা কৰিলে তেওঁ মোক এৰি যাবও পাৰিব।' তাৰ উপৰি অমিয়ৰ আৰু এটা চৰ্ত হ'ল—ছোৱালীৰ বিয়াত কোনো ধৰণৰ যৌতুক দিব নোৱাৰিব। তেওঁৰ মতে, শিক্ষিতা ছোৱালী এটিক তেওঁলৈ দান দিয়াটোৱেই ডাঙৰ যৌতুক। আৰু এটা কথাত তেওঁ লাগিল—কন্যা ঘৰলৈ গৈ তেওঁ কাকো সেৱা নকৰে। তেওঁৰ কথা, 'যাৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে অন্তৰত আছে—প্ৰদৰ্শনৰ কি প্ৰয়োজন ?'

হোম নোপোৰা আৰু কাকো সেৱা নকৰা কথাটোত ডাক্তৰে হলে বৰ ভাল পোৱা নাছিল। তেওঁৰ মতে অমিয়ই যৌতুক নলয়-নেলাগে, হোম নোপোৰে-নেলাগে কিন্তু তেওঁ মাকনৰ আইতাকক সেৱা কৰিব লাগিব—নকৰিলে তেওঁ বৰ বেজাৰ পাব। তেওঁ মাকনক কৈছিল 'তই অমিয়ৰ কাৰণে সকলো ত্যাগ কৰিলি, তোৰ কাৰণে অমিয়ই কি কৰিলে ?' —কথাষাৰে মাকনক ভবাই তুলিছিল।

বহুত ভাবিচিন্তি এহাতেৰে চকুপানী মচি মচি মাকনে অমিয়লৈ চিঠি লেখিলে: 'ডাক্তৰ মোমাইদেউৰ চকুৰ পানীয়ে আপোনাৰ কথাত মোমাইদেৱে কিমান দুখ পাইছে বুজাইছে। মই মোমাইদেউক দুখ দিব নোৱাঁৰো। মা-দেউতা ঢুকুৱাৰ পিছত মোমাইদেউৰ মৰমেই আমাক আৱৰি আছে—সেই মানুহজনৰ চকুৰ পানী মই সহ্য কৰিবলৈ টান পাইছো। মোমাইদেৱে কিজানি ঠিকেই কৈছে—মই আপোনাৰ কাৰণে সকলো এৰিছোঁ, কিন্তু আপুনি মোৰ

কাৰণে একো ত্যাগ কৰিব নোৱাৰেনে? গুৰুজনৰ আশীৰ্বাদ য'ত নাথাকিব সেই বিয়া সুখৰ সুগম হ'ব নোৱাৰে। মা নাই, আইতা আছে। আইতাৰ ওচৰত মূৰ দোৱাবলৈ যদি সম্মানত লাগে তেন্তে এই বিয়া ভাঙি যোৱাই ভাল।'

পুষ্পলতাৰ এই চিঠিখন কিন্তু অমিয়ৰ হাতত নপৰিল। দুয়োপক্ষৰে বন্ধু হিচাপে থকা দেৱকান্ত বৰুৱাই চিঠিখন নি হেম বৰুৱাক দেখুৱালেগৈ আৰু তেওঁ গৈ অমিয়ক চিঠি নেদেখুৱাই মাকনৰ আইতাকক সেৱা যাচিবলৈ সম্মত কৰালে। পৰিস্থিতি আৰু বেয়াৰ ফালে নগ'ল। বিয়াৰ পথত আৰু কোনো হেঙাৰ নাথাকিল। অমিয়ৰ কথা মতেই দুয়োৰে মাজত 'চিভিল মেৰেজ' ৰেজিষ্টাৰি বিবাহ সম্পন্ন হ'ল। দিনটো আছিল ১৯৪২ চনৰ ১৪ ফেব্ৰুৱাৰী।

বিয়া ধুমধামকৈ পতাৰ কথা নাছিল। অমিয়ই নিমন্ত্ৰণী চিঠিও ছপোৱা নাছিল। ঘৰৰ আপোন মানুহ আৰু দুই এক বন্ধু-বান্ধৱেহে বিয়াৰ খবৰ পাইছিল। পিছে বিনা নিমন্ত্ৰণেই ডাক্তৰ বৰুৱাৰ বিবাহ-বাহৰ ঘৰ মানুহৰে উপচি পৰিল। গুৱাহাটীৰ মিঠাইৰ দোকানত মিঠাই নাইকিয়া হ'ল। দৰা আৰোতে বাটত কংগ্ৰেছৰ ডেকাদলে হেঙাৰ ধৰিলে। তেওঁলোকে দাবী জনালে—তেওঁলোকক টকা নেলাগে বাণী লাগে। অমিয়ই যেতিয়া ক'লে 'দেশৰ সেৱা কৰা' তেতিয়াই হেঙাৰ উঠি গ'ল।

হোমৰ ধোঁৱা নাছিল যদিও—উৰুলি ধ্বনি হৈছিল। বন্ধু-বান্ধৱ, আত্মীয়-স্বজনে হিয়া উপচাই দৰা-কন্যাক আশীৰ্বাদ দিছিল—শুভেচ্ছা আৰু শুভকামনাই তেওঁলোকৰ হিয়া আনন্দৰে ওপচাই পেলাইছিল।

ষোড়শ অধ্যায়

বন্দী জীৱনৰ কেতিয়া পৰিব ওৰ

অমিয়ই যি সময়ত বিয়া পাতিলে সেই সময়ত সমগ্র দেশতে বিয়াল্লিছৰ বিপ্লৱৰ আঁখৰা চলিছে।

দৰা-কন্যাই নকৈ ঘৰ পাতিবলৈ নেপালেই আন্দোলনে ভৰ পঁক ল'লে।

৯ আগষ্টৰপৰা অসমতো ধৰ-পাকৰ চলিল। বৰদলৈকে ধৰি আটাইবোৰ আগশাৰীৰ নেতাকে পুলিচে আটক কৰিলে। হেমচন্দ্র বৰুৱা সেই সময়ত বহুমূত্র ৰোগত শয্যাশায়ী। চৰকাৰে তেওঁক ৰেহায় দিলে। তেজপুৰত অমিয় আৰু মহাদেৱ শৰ্মাক প্রকৃত গান্ধীবাদী বুলি চৰকাৰে কিছুদিনলৈ ৰেহায় দিলে। অমিয় তেতিয়া তেজপুৰ জিলা কংগ্রেছ কমিটিৰ সভাপতি। চৰকাৰে কংগ্রেছদলৰ-সকলো সাংগঠনিক কাম আৰু অনুষ্ঠান বে-আইনী বুলি ঘোষিত কৰাত তেজপুৰ জিলা কংগ্রেছৰ বিষয়ববীয়াসকলে অনুষ্ঠানটোৰ যাৱতীয় কাগজ-পত্রসমূহ প্রথমতে কেতেকীবাৰীলৈ স্থানান্তৰিত কৰে, পিছত জামুগুৰিলৈ নি পতালৰ চুকত ৰাখে। অমিয়ই চিন্তা কৰে ভৱিষ্যতৰ কাৰ্যপন্থা কি হ'ব? তেওঁ কিমান দিনলৈ জেলৰ বাহিৰত থাকিব পাৰিব? নিজৰ শৰীৰো ভাল নহয়। অসুস্থ শৰীৰে কিমান ঘূৰিব? শেষত এদিন তেওঁ শয্যা ল'বলৈ বাধ্য হ'ল আৰু সহকৰ্মীসকলৰ অনুমতি সাপেক্ষে জ্যোতিপ্রসাদে এখন আঁচনি তৈয়াৰ কৰে। পুষ্পলতাৰ লগত আলচ কৰি ঠিক হ'ল সত্যাগ্রহীসকল দুটা ভাগত বিভক্ত হ'ব—এটা হ'ব মৃত্যু বাহিনী আৰু আনটো হ'ব শান্তি-বাহিনী। মৃত্যুবাহিনীত ১৮ৰপৰা ৫০ বছৰ বয়সৰ পুৰুষ মহিলা সকলোৱে যোগ দিব পাৰিব—সকলো সময়তে সকলো পৰিস্থিতিতে এই দলে মৃত্যুৰ বাবে সাজু থাকিব লাগিব। আনহাতে সকলো সক্ষম

লোকেই শান্তি-বাহিনীত যোগ দিব পাৰিব। গাঁৱৰ শান্তি ৰক্ষাৰ ভাৰ শান্তি-বাহিনীৰ ওপৰত থাকিব আৰু মৃত্যু বাহিনীয়ে সমান্তৰাল শাসনব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব। পুষ্পলতাক কোৱা হৈছিল মুকলিভাৱে তেওঁ সভা-সমিতিত যোগ দিব আৰু ৰাইজক বিভিন্ন দলত সংগঠন কৰিব। বাকীসকলে জনঃচক্ষুৰ অন্তৰালত থাকি সংগঠনৰ কাম কৰিব। পুষ্পলতাই দৰং জিলাৰ ঢেকিয়াজুলি, গহপুৰ, গমিৰি, চতিয়া আদি ঠাই ভ্ৰমণ কৰি ৰাইজক জগাই তুলিব। ঠিক হ'ল সকলো ঠাইতে ২০ চেপ্তেম্বৰৰ দিনা ৰাইজে শোভাযাত্ৰা কৰি নিজ নিজ অঞ্চলৰ পুলিচ থানাসমূহত জাতীয় পতাকা উত্তোলন কৰিব। শোভাযাত্ৰাৰ সম্মুখভাগত থাকিব মৃত্যুবাহিনীৰ লোকসকল —পিছৰ ফালে থাকিব শান্তি সেনাৰ দল আৰু জনতাৰ দল।

সকলো ঠাইতে আঁচনি মতে যা-যোগাৰ হ'ল। তেজপুৰত ঠিক হ'ল ২১ চেপ্তেম্বৰৰ দিনা পতাকা উত্তোলন কৰা হ'ব।

২০ চেপ্তেম্বৰৰ দিনা পুৱাতেই ভাৰত প্ৰতিৰক্ষা আইন মতে পুষ্পলতাক পুলিচে আটক কৰে। পুষ্পলতাই ঢেকিয়াজুলিলৈ গৈ সমদলৰ নেতৃত্ব কৰাৰ কথা আছিল। কাৰ্য্যতঃ সি নহ'ল। সেই দিনাই দুপৰ ভাগত ঢেকিয়াজুলি আৰু গহপুৰত নিৰ্বিচাৰে পুলিচ দলে দুয়ো ঠাইতে মৃত্যুযজ্ঞ পালিলে। গহপুৰত পুলিচৰ গুলিত যুৱতী কনকলতা বৰুৱা আৰু মুকুন্দৰাম কাকতীয়ে আৰু ঢেকিয়াজুলিত মনবৰ নাথ, কুমলী নেওগ, মহীৰাম কোঁচ, ৰতন কছাৰী, মণিৰাম কছাৰী, তিলেশ্বৰী বৰুৱা, খহুলি দেৱী, সৰুনাথ চুটীয়া, মঙ্গল কুৰ্কু, দয়াল দাস পানিকা আৰু লেৰেলা কছাৰীয়ে জীৱন আহুতি দিলে। বহু কেইজন জীৱনলৈ ঘূণীয়া হ'ল।

২১ চেপ্তেম্বৰত পুলিচে অমিয়কো আটক কৰে। চৰকাৰৰ বিবেচনাত গান্ধীবাদী নেতাই দৰং জিলাৰ পৰিবেশো শান্তিপূৰ্ণ কৰি ৰখাত বিফল হৈছে। গতিকে তেওঁক আৰু বাহিৰত ৰখাৰ কোনো মানে নাই।

জ্যোতিপ্ৰসাদ, গহন গোস্বামী, বিশ্বদেৱ শৰ্মা 'আণ্ডাৰগ্ৰাউণ্ড'

হ'ল। জ্যোতিপ্ৰসাদে চিকিৎসাৰ বাবে কলিকতালৈ গুচি যোৱাত আন্দোলন পৰিচালনাৰ দায়িত্ব পৰিল গহন গোস্বামীৰ হাতত। জৰুৰী চাবকমিটিয়ে আন্দোলনৰ বা-বাতৰি আৰু নিৰ্দেশসমূহ লিখো কৰি ৰাইজৰ মাজত বিলাই দিছিল।

ইতিমধ্যে জিলা কৰ্তৃপক্ষই তেজপুৰত ৰাতিভাগত সান্ধ্য-আইন জাৰি কৰে। ১৬ৰ পৰা ৫৫ বছৰ বয়সৰ সকলো সমৰ্থবান পুৰুষকে প্ৰতিৰক্ষা আইনৰ ৫৯ ক ধাৰা মতে চৰকাৰী অফিচ আৰু অন্যান্য সম্পত্তি ৰক্ষা কৰাৰ বাবে দায়িত্ব ন্যস্ত কৰে। মুঠ কথা সাধাৰণ নাগৰিকক চৰকাৰে চিপাহীৰ দায়িত্ব দিলে। কেইবা ঠাইতো 'কলেকটিভ ফাইন' সমূহীয়া জৰিমনা জাৰি হ'ল। মানুহৰ দুখে কুলাই পাচিয়ে নধৰা হ'ল। তথাপি সংগ্ৰামী জনতা ক্ষান্ত নহ'ল। বিভিন্ন ঠাইত বিক্ষুব্ধ জনতাই চৰকাৰীপক্ষক হাৰাশাস্তি কৰিলে। কেইদিনমান তেজপুৰ জেলত ৰখাৰ পিছত অমিয়ক যোৰহাট জেললৈ বদলি কৰে। তেজপুৰৰ জাহাজঘাটতহে অমিয়ৰ পত্নীৰ লগত দেখা-সাক্ষাত হয়: তেওঁকো একেলগে যোৰহাট জেললৈ বদলি কৰিছে। অমিয়হঁতক বিদায় দিবলৈ জাহাজঘাটলৈ তেওঁৰ মামীয়েকহঁত আহিছিল। কুঁৱলিৰ বাবে জাহাজ মাজে মাজে ৰৈ গৈছিল। তিনিদিনৰ মূৰতহে (৩০ চেপ্তেম্বৰ) তেওঁলোক গৈ যোৰহাট জেল পাইছিল গৈ।

জেলত অমিয়ই লগৰ বহুতো সহকৰ্মীক লগ পায়। সকলো ৰাজনৈতিক বন্দীকে যোৰহাটলৈ আনি একেলগ কৰিছিল। বন্ধু বান্ধৱক লগ পাই অমিয়ৰ ভালেই লাগে। কিন্তু জেল জেলেই। সময় নাযায় গুপুৰায়। গধূলি তেওঁলোকে জেলৰ চৌহদতে ফুৰে। আবেলি বেড্‌মিণ্টন খেলে: বহুতে ভলীবলো খেলে। ডেকা কৰ্মী দলে মাজে মাজে ফুৰ্তি কৰে বিহু মাৰে। অমিয়ই কিতাপ পঢ়িবলৈ ল'লে আৰু বিস্তৃতভাৱে ডায়েৰী লিখি ৰখাৰ অভ্যাস কৰিলে। তাৰ উপৰি সূতা কাটিবলৈও ল'লে। তথাপি দেখোন সময় নাযায় গুপুৰায়।

যোৰহাট জেলত থাকি তেওঁলোকৰ অমিয় আৰু পুষ্পলতাৰ প্ৰথমতে ভালেই লাগিছিল। একে জেলৰ চৌহদতে থকা 'ফিমেল ৱাৰ্ডত" তেওঁৰ পত্নী আছে। দুয়ো একেলগে দেশৰ মুক্তিৰ বাবে সংগ্ৰাম কৰি এনেকৈ জেল খাটিবলৈ পোৱাটোত অমিয়ই গৌৰৱ অনুভৱ কৰে। মাজে মাজে অমিয় বিমৰ্ষ হৈ পৰে পত্নীৰ কথা ভাবি। তেওঁৰ শৰীৰ ভাল নহয়, তিৰোতা মানুহ কিমান সহ্য কৰিব? আকৌ ভাৱ হয়—নাই, ভালেই হৈছে মাকনো আগবাঢ়ি আহিছে তেওঁৰ পথৰে পথিক হ'বলৈ, সমানে কষ্ট ভুগিবলৈ! দেশৰ বাবে এইকণ স্বাৰ্থ ত্যাগ আমি কৰিবই লগিব। প্ৰথমতে অমিয়ই পত্নীৰ লগত কথা পাতিবলৈ সুযোগ পাইছিল। লগৰ সতীৰ্থসকলে জেইলাৰক কৈ নৱ-দম্পতীৰ সাক্ষাতকাৰৰ সময় আনতকৈ বঢ়ায় দিছিল। কিন্তু স্বামী-স্ত্ৰী একেলগে থকাত তেওঁলোকৰ যে কোনো ধৰণৰ মানসিক কষ্ট হোৱা নাই—এই কথাটো কৰ্তৃপক্ষই সোনকালে উপলব্ধি কৰিলে। তাৰ উপৰি যেতিয়া গম পালে স্বামী-স্ত্ৰীয়ে সুখ-দুখৰ কথা পাতিবলৈ যথেষ্ট সুবিধা আৰু সুযোগ পাইছে কৰ্তৃপক্ষৰ বাবে সি আৰু অসহ্যকৰ হৈ পৰিল। এনেকৈ দুয়ো একেলগে থকাৰ চাৰি মাহৰ পিছতে (১৯৪৩ চনৰ ৭ ফেব্ৰুৱাৰীত) পুষ্পলতাক নগাঁও জেললৈ বদলি কৰে। চৰকাৰৰ এই নিৰ্মম কাৰ্যত অমিয়ৰ অন্তৰ ভাঙি পৰিছিল। যিটো মানুহে ককায়েক আৰু মাক ঢুকুৱাৰ ঠিক পিছতেই ৰাইজৰ আহ্বানত সভা-সমিতিত যোগ দিবলৈ গৈছিল কৰ্তব্যৰ খাতিৰত—দেশ মাতৃকাৰ প্ৰয়োজনত সেইটো মানুহৰে এইবাৰ অন্তৰ দহি গ'ল। অমিয়ই উপলব্ধি কৰিলে পোন প্ৰথমবাৰৰ বাবে যে হয় তেওঁ আনৰ দৰেই অনুভূতিশীল, উদ্বেগ প্ৰৱণ। প্ৰিয়জনৰ বিচ্ছেদত তেওঁ আনৰ দৰেই সমানে কাতৰ হৈ পৰিছে। সেই দিনৰ অভিজ্ঞতা বৰ্ণাই তেওঁ জেল-ডায়েৰীত মাকন যোৱাৰ দিনা লেখিলে:

…Train খন প্ৰায় তিনিবজাত যেতিয়া হুচ্ হুচ্ কৰে জেইলৰ দেৱালখনৰ অলপ আঁতৰেদি গুচি গ'ল তেতিয়া

> হঠাতে মোৰ ভিতৰৰপৰা এটি দীঘল হুমুনিয়াহ ওলাল। জীৱনত কিমান বেলি জেইললৈ আহিবলগীয়া হৈছে, কেতিয়াও মনত এনে দুখ পোৱা নাছিলো। প্ৰিয়জনৰ পৰা আঁতৰি থাকিব লগীয়া হৈছে, কেতিয়াও সেইবাবে এনেদৰে মনত বেজাৰ লগা নাছিল—আজি কিন্তু মনত বৰ বেজাৰ লাগিছে ।······এবাৰ বাহিৰ এবাৰ ভিতৰ—এইদৰেই থাকোঁতেই ট্ৰেইনখন যেন বুকুৰ ওপৰেদি তাৰ লোৰৰ চকা কেইটা চলাই লৈ গ'ল।·······নিজক ফহিয়াই চাওঁ, মানুহৰ মৰমৰ পৰা আঁতৰি থাকি মনত হৈছিল মোৰ মন বৰ টান, মোৰ মনক Sentimentয়ে ভেদিব নোৱাৰে। আজিহে বুজিলো—মই কিমান দুৰ্বল—মাকনে কিদৰে বান্ধিছে মোৰ মনক। মোৰ কাৰণে ইয়াত থকা অসহনীয় যেন হৈছে, অথচ আৰু কিমান দিন আৰু এইদৰে জেইলত থাকিব লাগিব ···

মাকন গুচি যোৱাৰ পিছত অমিয়ই কেইবাদিনো ৰাতি ভালদৰে শুব নোৱাৰিলে। মাজে মাজে হুমুনিয়াহ আহে, নিজৰ অজানিতে চকুৰ পানী ওলায়। দুখৰ ৰাতিৰ কেতিয়া অন্ত পৰিব ? এই বাট-চাই থকাৰ কেতিয়া শেষ হব ?

> মাকনে মোৰ মনটো তেনেই দখল কৰি লৈছে। মোৰ হিয়াঁ আজি শূণ্য লাগিছে। আজি তিনিদিন হ'ল থাকি থাকি মোৰ হিয়াঁৰ তলিৰপৰা হুমুনিয়াহ ওলাই আছে। ·· ট্ৰেইনখন দিনৌ ও বজাত দেৱালৰ বাহিৰেদি হুচ্ হুচ্ কৰে যায়—মনত পেলাই দি যায় যে সিদিনা সি মোৰ অতি মৰমৰ মাকনক ইয়াৰপৰা নিয়াটো।

এখন চিঠি পাবলৈ অমিয়ৰ মন অস্থিৰ হৈ পৰে। মাকনৰ কাল্পনিক অসুবিধাবোৰৰ কথা ভাবি তেওঁৰ মন আকৌ বিক্ষিপ্ত হৈ পৰে। সূতা কাটিবলৈ চেষ্টা কৰে। কিতাপ পঢ়িবলৈ চেষ্টা কৰে, নাই মন নবহে। আনকি আবেলি 'ফিমেল ৱাৰ্ড'টোৰ কাষেদি

ফুৰিবলৈ যাওঁতেও মনটো হাহাকাৰ কৰি উঠে। মানুহৰ মন সঁচাকৈয়ে অবুজ। তাক ধৰি-বান্ধি চলাব নোৱাৰি।

—আজি সেই বাটেদি আহোঁতে মনত পৰিছিল আগেয়ে সেই বাটেদি আহোঁতে মোৰ মনৰ ভাৱবিলাক কি হৈছিল— —আজি কি হৈছে—আজি যেন শূন্যপুৰী এখনৰ কাষেদি মই আহিছো।”

সময়ে লাহে লাহে বিচ্ছেদৰ শোক পাতলাই দিলে। দুয়োৰে ভিতৰত চিঠিৰ আদান-প্ৰদান হ'ল। কিন্তু 'চেনচৰচিপৰ' দৌৰাত্ম্যত অমিয় অস্থিৰ হৈ পৰিল। তাৰ উপৰি নানা নিয়ম-কায়দা। চিঠি আহিলেও জেইলাৰে সোনকালে চিঠি 'পাছ' কৰি নিদিয়ে। সকলো কথা তেওঁলোকৰ মৰ্জিৰ ওপৰত। দেখি দেখি অমিয়ৰ বিৰক্তি লাগে। শেহত দুয়ো ঠিক কৰে তেওঁলোকে পোষ্টকাৰ্ডতে লেখা-লেখি কৰিব। কিন্তু তাতো বাধা, সময়মতে সেই চিঠিও তেওঁলোকৰ হাতত নপৰেহি। উপায়বিহীন হৈ অতিষ্ঠ হৈ মাজে মাজে দুয়ো চিঠি লিখিবলৈকে এৰি দিয়ে। তেওঁলোকৰ এই অভিমান কিন্তু জেল কৰ্তৃপক্ষই বুজি নাপায়, উপলব্ধিও নকৰে। তেনেকৈয়ে দিন অতিবাহিত হয়।

গীতাত কৈছে—শোক হৈছে এটা ব্যাধি—মনৰ বিকাৰ মাথোন। ইয়াৰ মূলত অজ্ঞান আছে। ঈশ্বৰেই সত্য, জ্ঞান আৰু আনন্দৰ আধাৰ। তেৱেঁই সৎ-চিৎ-আনন্দ সচ্চিদানন্দ। য'ত পূৰ্ণ জ্ঞান, ত'ত পূৰ্ণ আনন্দ আৰু শোকৰ সম্পূৰ্ণ অৱসান। যি শোকেই হওক, মৃত্যুৰ বাবেই হওক, বস্তু লাভৰ বাবেই হওক নাইবা আকাঙ্খিত বস্তু নোপোৱাৰ বাবে হওক—শোকৰ মূলত অজ্ঞান আছে। জ্ঞান হ'লেই শোক গুচিব। জ্ঞানেই আনন্দ, অজ্ঞানেই শোক।

থাকি থাকি অমিয়বো সকলো সহ্য হৈ গৈছে। এটা পক্ষৰ উদাসীনতাই আনটো পক্ষৰ মনতো নিৰ্বিকাৰ ভাৱ জগাই তোলে। কি হ'ব অতিষ্ঠ অধৈৰ্য হৈ—কি হ'ব চিন্তা কৰি—এই দৰেই চলি যাব। ভাৱ-ভাৱনা সকলো পৰিত্যাগ কৰাই শ্ৰেয়। যি হ'ব লগা

আছে সেয়ে হ'ব। সকলো ভৱিতব্যৰ হাতত এৰি দি নিষ্কাম প্ৰতীক্ষা কৰাৰ বাহিৰে কোনো পথ নাই।

জেলৰপৰা কেইবাজনো সহকৰ্মী আত্মীয়জনৰ অসুখ বা বিয়োগত পেৰোলত এমাহ/দুমাহ কাললৈ ঘৰলৈ গৈছিল। কেইবাজনো সতীৰ্থৰ অসুখ হোৱাত চৰকাৰেই নিৰ্ধাৰিত সময়ৰ বাবে চিকিৎসাৰ সুবিধাৰ বাবে যাবলৈ দিছিল। জেলত থাকোঁতেই ৰাজনৈতিক বন্দী কমলা মিৰি অসুখ হৈ ঢুকায়। তেওঁৰ বাহিৰেও আন কেইবাজনো সতীৰ্থৰ টান অসুখ হৈছিল। অমিয়ই সকলোৰে অসুখত শুশ্ৰূষা কৰিছিল। ৰাতি দৰ্কাৰ হ'লে পৰ দিছিল। এই সময় চোৱাঁতে মৌলানা আজাদৰ পত্নী, গান্ধীজীৰ পত্নী কস্তুৰবা গান্ধী, গান্ধীজীৰ প্ৰাইভেট ছেক্ৰেটেৰি মহাদেৱ দেসাই আৰু সত্যমূৰ্তি ঢুকায়। এইবিলাক বাতৰিয়ে অমিয়ৰ মন বিষাদৰে ভাৰাক্ৰান্ত কৰি তোলে।

অমিয়ই পেৰোলত যোৱা কথাটো বৰ অসম্মানজনক বুলি ভাবিছিল। গতিকে অতি ঘৰুৱা মানুহৰো অসুখ হোৱা শুনিও তেওঁ এইদৰে যাবলৈ ইচ্ছা নকৰিছিল।

অমিয়ৰ কাৰাবাসৰ কালচোৱাতে গান্ধীজীয়ে ২১ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰিছিল। এই বাতৰিয়ে সকলো ভাৰতীয়কে চিন্তান্বিত কৰি তুলিছিল। ৭৩ বছৰীয়া এজন বৃদ্ধই এনে এটা সুদীৰ্ঘ দিন জোৰা অনশন ব্ৰত সম্পূৰ্ণ কৰিব পাৰিব নে? সকলোৰে মনত সন্দেহ, আশংকা, দুশ্চিন্তা আৰু উদ্বিগ্নতা, সমগ্ৰ দেশতে এই কথা লৈ এক আৱেগিক আলোড়নৰ সৃষ্টি হ'ল। জেলত থাকিলেও অমিয়হঁতো এই ধুমুহাত আক্ৰান্ত হয়। যোৰহাট জেলৰ ৰাজবন্দী সকলে ১২ ফেব্ৰুৱাৰীৰ দিনা অনশনব্ৰত পালন কৰে। ব্ৰতৰ শেষত সকলোৱে প্ৰাৰ্থনা সভাত গান্ধীজীৰ দীৰ্ঘ জীৱন আৰু এই ব্ৰতৰ সফলতা কামনা কৰে। সেই কেইদিন সকলোৱে পুৱা-গধূলি প্ৰাৰ্থনা সভা পাতি গান্ধীজীৰ দীৰ্ঘজীৱন কামনা কৰিছিল। অমিয়ই

ব্যক্তিগতভাৱে প্ৰাতঃকালতে উঠি ভগৱানৰ চৰণত প্ৰাৰ্থনা জনাইছিল গান্ধীজীৰ দীৰ্ঘজীৱন কামনা কৰি।

গান্ধীজীয়ে একৈশদিনীয়া অনশন কিয় কৰিব লগা হ'ল তাৰো গূঢ় কাৰণ আছিল। চৰকাৰে একপক্ষীয়ভাৱে গান্ধীজী আৰু কংগ্ৰেছদলক দেশত হোৱা হিংসাত্মক কাৰ্যৱলীৰ বাবে দোষাৰোপ কৰিছিল। তাৰ উপৰি চৰকাৰে প্ৰচাৰ মাধ্যমৰে বহিঃজগতত গান্ধীজীৰ সম্পৰ্কত নানা অসত্য আৰু জোৰা-টাপলি মৰা কথা প্ৰচাৰ কৰি গান্ধীজীৰ ভাৱমূৰ্তি নষ্ট কৰাৰ প্ৰয়াস কৰিছিল। গান্ধীজীয়ে এইবিলাক দেখি-শুনি নীৰৱে থকা নাছিল। তেওঁ গৱৰ্ণৰ জেনেৰেল লৈ এইবিলাক কথাৰ প্ৰতিবাদ কৰি কেইবাখনো চিঠি লেখিছিল। আনকি তেওঁ চৰকাৰক তুৰন্তে নিষ্পেষণ নীতি ত্যাগ কৰি দুয়োপক্ষৰ মাজত আলোচনাৰ বাবে প্ৰস্তাৱ দিছিল। কিন্তু ফল একো নধৰিল। গান্ধীজীয়ে চৰকাৰৰ এই নিৰ্বিকাৰভাৱ দেখি উপায়বিহীন হৈ ১৯৪৩ চনৰ ৯ ফেব্ৰুৱাৰীত জেলতে অনশন ব্ৰত আৰম্ভ কৰে।

অমিয়ই সেই সময়ৰ তেওঁৰ ভাৱৰ অভিব্যক্তি জেল ডায়েৰীত প্ৰকাশ কৰিছিল ঃ

> …আজি ২০ বছৰ হ'ল গান্ধীজীৰ কথাবিলাকৰ লগত আমাৰ জীৱন এনেদৰে জড়িত হৈছে যে আজি মনত ভাব হৈছে তেওঁ যেন আমাৰ অতি আপোন মানুহ। অথচ জীৱনৰ কেইটাদিনো তেওঁক আমি ওচৰত পাইছো। সঁচাকৈয়ে তেওঁ যেন আমাৰ প্ৰাণস্বৰূপ হৈছে। গান্ধীজীৰ মুখত হাঁহি লাগিয়েই থাকে। তেওঁৰ মুখ আনন্দহীন এই কথাষাৰ শুনিবৰেপৰা উদ্বিগ্নতা বাঢ়ি উঠিছে। আজি সঁচাকৈয়ে মনত হৈছে বৃটিছ ৰাজশক্তি জগতৰ কাৰণে বিশেষকৈ ভাৰতবৰ্ষৰ কাৰণে অভিসম্পাত।

প্ৰথমতে চৰকাৰী বুলেটিনত গান্ধীজীৰ অৱস্থা বেয়াৰ ফালে ঢালখোৱা বুলি জনাইছিল। এইবিলাক বাতৰিয়ে বন্দীসকলক আৰু

দুঃচিন্তাগ্ৰস্ত কৰি তুলিছিল। সকলোৱে আশা পালি আছিল গান্ধীজীৰ দৈহিক অৱস্থা সংকটপূৰ্ণ হ'লে চৰকাৰে তেওঁক মুকলি কৰি দিব। কিন্তু চৰকাৰ পক্ষ নিৰ্বিকাৰ নিস্পন্দ।

> গান্ধীজীৰ কিবা ঘটিবলগীয়া হ'লে ৰাজনীতি ক্ষেত্ৰত অহিংসাৰ চৰম পৰীক্ষাৰ অন্ত পৰিব। বৃটিছ ৰাজশক্তিৰ লগত হিটলাৰৰ দানবীয় শক্তিৰ যে পাৰ্থক্য একো নাই তাৰেই প্ৰমাণ হ'ব। মানৱীয় সভ্যতাৰ ফালৰপৰা বৃটেইনে ভৱিষ্যত বুৰঞ্জীত দোষী প্ৰমাণিত হ'ব এইটো ধ্ৰুৱপ। যীশুখৃষ্টই এদিন ক্ৰুছত নিজক বলিদান দি জগতৰ সম্মুখত চিৰন্তন সত্যৰ পোহৰ দি গৈছিল গান্ধীজীয়েও আজি সেইদৰে বৃটিছ জেইলত বন্দী থাকি আত্মবিসৰ্জন দি ভাৰতবৰ্ষৰ স্বাধীনতাৰ দাবী জগতৰ ওচৰত দাঙি ধৰিছে।

গান্ধীজীয়ে সফলতাৰে ব্ৰত পালন কৰিলে। নৈতিক শক্তিৰ জয় হ'ল। গান্ধীজীৰ এই অভূতপূৰ্ব সফলতাই সকলোকে বিজয়াভিভুত কৰিলে। ইংৰাজ কৰ্তৃপক্ষই অৱশ্যে এনে সফলতাত কিবা চক্ৰান্ত আছে বুলিহে সন্দেহ কৰিছিল। দেশৰ হেজাৰ-বিজাৰ জনতাই স্বস্তিৰ নিশ্বাস পেলাইছিল ভগৱানক সহস্ৰ প্ৰণিপাত কৰিছিল— তেওঁলোকৰ আকুল প্ৰাৰ্থনা শুনাৰ বাবে। অমিয়য়ো প্ৰাৰ্থনা কৰে:

> গান্ধীজী ভাৰতবাসীৰ কাৰণে ভগৱানৰ শ্ৰেষ্ঠ দান—আমাৰ দৰে পৰি থকা এটা জাতিক ওপৰলৈ তুলিবলৈ বিধাতাৰ আশীৰ্বাদ স্বৰূপে গান্ধীজী আমাৰ মাজলৈ আহিছে। গান্ধীজীৰ কথা যিমানেই ভাবো সিমানেই বিশ্বাস বাঢ়ে যে তেৱেঁই আমাক মুক্ত কৰিব। এই অনশনে তেওঁক আৰু শক্তিশালী কৰি আমাক আচল বাটেদি নিয়ক।

গান্ধীজীৰ অনশনৰ মাজতেই যোৰহাট কাৰাগাৰত ২৪ ফেব্ৰুৱাৰীত ৰাজনৈতিক বন্দীৰ ওপৰত পুলিচৰ অমানুষিক মাৰপিটৰ ঘটনা ঘটে। সেইদিনা সন্ধিয়া জেলৰ আৰেষ্টনীৰ ভিতৰতে থকা ঢেকীঘৰ এটিত হঠাতে জুই লগাত সহকাৰী জেইলাৰে সশস্ত্ৰ পুলিচবাহিনীৰে

লৈতে 'গ' বিভাগৰ ৰাজনৈতিক বন্দীসকলৰ ওপৰত অতর্কিতে জপিয়াই পৰে—নির্বিচাৰে একাষৰপৰা বন্দীসকলক লাঠিৰে কোবাই মৰিয়াই যায়। লাঠিৰ কোব খাই আৰু পুলিচৰ গোৰ খাই ১৫১ জন ৰাজনৈতিক বন্দী তেজেৰে লুতুৰি-পুতুৰি হৈ বিষমভাৱে আঘাত প্ৰাপ্ত হয়। গোটেই ৰাতিটো তেওঁলোক তেনেদৰে পৰি থাকিল। অমিয় আৰু অন্যান্য 'ক' শ্ৰেণীত থকা বন্দীসকলৰ ফালটো বাহিৰৰ পৰা তলামাৰি বন্ধ কৰি ৰাখিছিল, ফলত মানুহৰ চিঞৰ বাখৰ কেকনি গাঠনি শুনিও কোনো সহায় কৰিবলৈ ওলাই আহিব পৰা নাছিল। সকলোৱে নিৰুপায় হৈ নীৰৱে চাই থাকিব লগা হৈছিল। গোটেই নিশাটো সকলোৰে অশান্তিত পাৰ হ'ল।

পিছদিনা পুৱা গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাই ৱার্ডে ৱার্ডে গৈ খবৰ লৈ আহে। বিষ্ণুৰাম মেধিয়ে জেইলাৰক চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ কোৱাতহে তেওঁ ডাক্তৰ অনাৰ ব্যৱস্থা কৰে। অমিয় আৰু তেওঁৰ সতীর্থসকলে তেওঁলোকৰ ভাগৰ পুৱাৰ চাহ জলপান নিজে নেখাই আঘাত পোৱা লোকসকললৈ পঠিয়াই দিয়ে। প্ৰধান মন্ত্ৰী আৰু জেইল মন্ত্ৰীলৈ সকলো কথা বৰ্ণাই তেওঁলোকে এখন টেলিগ্ৰাম পঠিয়ায়। দিনৰ এধাৰ বজাত ডি-চি হামফ্রে তালৈ আহে। তেওঁ কয়, তেওঁক বোলে এই ঘটনাৰ কথা আগৰাতি কোনেও জনোৱা নাই। জেইল ডায়েৰীত অমিয়ই লেখিলে :

> ২৫ তাৰিখে দুপৰীয়া যিহওক আমি ভাত খালো। কিন্তু গা আৰু মন বৰ বেয়া লাগিল। ল'ৰাহঁতক গৈ চাই আহিলো—চকুলো কোনোমতে সামৰিলো। দুপৰীয়া হামফ্রে অহাৰ পাছত তেওঁলোকক হস্পিটেললৈ আনি বেণ্ডেজ কৰে। আবেলি হামফ্রে পুনৰ আহি ডাইনিং হলত আৰু ৱার্ডবিলাকত তেজৰ দাগবিলাক চায়হি। ২৫ তাৰিখৰপৰা আমাৰ ইয়াত গধুলি সমবেত প্ৰাৰ্থনা হোৱা নাই, ৱার্ডে ৱার্ডে কৰিবলৈ দিছে। ১১ আৰু ১২ নম্বৰ ৱার্ড দুটা হস্পিটেলত পৰিণত হৈছে। আচৰিত

কথা ইমানবিলাক মানুহৰ head injuries আদি হৈছে।
.........জেলৰ ঘটনা মনত পেলাই ভাবিছো আমাৰ মানুহেই আমাৰ ওপৰত কিদৰে নিৰ্দয় অত্যাচাৰ কৰিলে আজি ইয়ালৈ চাৰ্চিল নাইবা এমেৰি নাইবা লিনলিথগো অহা নাই কিন্তু আমাৰ নিজৰ ভাই-ককায়েই তেওঁলোকৰ এই শাসন ৰাখিবলৈ আমাৰ কাৰো মূৰ ভাঙিলে, আমাৰ কাৰো হাতভৰি ভাঙিলে—ধন্য বৃটিছ শাসন !

মনৰ ক্ষোভ মনতে মাৰ গ'ল। চৰকাৰে এই ঘটনাৰ এটা তদন্ত চলাইছিল। সিমানেই। সময়ে লাহে লাহে দেহৰ আৰু মনৰ ঘা শুকুৰাই পেলালে।

যোৰহাট জেলত আৰু এটি বিষাদজনক ঘটনা ঘটিছিল। এই ঘটনাই গোটেই জেলৰ পৰিবেশকে শোকাকুল কৰি তুলিছিল।

ঘটনাটোৰ গুৰি হ'ল সৰুপথাৰ ৰেল ষ্টেচনৰ ওচৰত সামৰিক বাহিনীৰ সেনা নিয়া বিশেষ ৰেল গাড়ীখন দুৰ্ঘটনাত পতিত হোৱাৰ কথা লৈ। পুলিচে গুপ্তসূত্ৰ লৈ জনালে যে এই ঘটনাৰ গুৰিতে আছে পশ্চাৎঘাটী কাৰ্য। ঘটনাত জড়িত থকা বুলি সন্দেহ কৰি পুলিচে সৰুপথাৰ অঞ্চলৰ কেইবাজনো কংগ্ৰেছকৰ্মীক গ্ৰেপ্তাৰ কৰে। তাৰ পিছত যোৰহাট কোৰ্টত বিচাৰ হ'ল—ডি-চি হামফ্ৰেৰ আদালতত। ১৯৪৩ চনৰ ৬ মাৰ্চত ৰায় ওলাল। সেই ৰায় মতে কুশলচন্দ্ৰ কোঁৱৰ, ধৰ্মকান্ত ডেকা, কনকেশ্বৰ কোঁৱৰ আৰু ঘনশ্যাম শইকীয়াৰ ফাঁচিৰ হুকুম হয়। নগেন চুতিয়া আৰু ইন্দ্ৰেশ্বৰ ফুকনৰ দহবছৰলৈ সশ্ৰম কাৰাদণ্ড হয়।

এই ৰায়ে জেলত থকা ৰাজনৈতিক বন্দীসকলৰ মনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ১১ মাৰ্চত জেলতে মৃত্যু দণ্ডৰে দণ্ডিত হোৱা চাৰিওজনৰ মঙ্গলৰ বাবে বিশেষকৈ তেওঁলোকে যাতে এই দণ্ডৰপৰা অব্যাহতি পায় আৰু তেওঁলোকৰ কল্যাণ কামনা কৰি সকলোৱে সমবেতভাৱে প্ৰাৰ্থনা কৰে। অমিয়ই সেই কেইদিন পুৱা উঠিয়েই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছিল অভিযুক্ত লোক

কেইজনৰ মুক্তি বিচাৰি। হিংসা বা অহিংসা কোনটো পদ্ধতি শুদ্ধ এনেবিলাক সূক্ষ্ম কথালৈ বিচাৰ নকৰি লগৰ সহকৰ্মী ফাঁচি-কাঠত উঠিব লগা হৈছে—এই কথাই তেওঁক বেছি বিচলিত কৰিছিল। আৰু প্ৰকৃততে দোষী কোন ? কোনে বিচাৰ কৰিব ? ইংৰাজৰ বিচাৰ পদ্ধতি জানো সকলো সন্দেহ / অনুমানৰ উৰ্ধত।

মৃত্যুদণ্ডৰ ৰায়ৰ বিৰোধিতা কৰি গৱৰ্ণৰৰ ওচৰত আপীল কৰাত কুশল কোঁৱৰৰ বাহিৰে বাকী তিনিজনৰ ফাঁচিৰ হুকুম ৰদ্ হৈ যায়। কুশল কোঁৱৰৰ উকীলে তেওঁৰ পত্নীৰ হৈ গৱৰ্ণৰ-জেনেৰেলৰ ওচৰত আপীল কৰিছিল, কিন্তু ফল নধৰিল। অমিয়ই ডায়েৰীৰ পাতত লেখিলে—

> ১৪ জুন ১৯৪৩ : কালিলৈ কুশল কোঁৱৰৰ ফাঁচি হ'ব—আজি আবেলি ৪ বজাত তেওঁৰ লগত দেখা কৰিবলৈ গৈছিলো—তেওঁক অলপ সান্ত্বনা দিবলৈ গৈছিলো। পাছে আমিহে তেওঁৰপৰা সান্ত্বনা লৈ উলটিবলগীয়া হ'ল। আচৰিত তেওঁৰ মনৰ বল—দেখাত তেওঁক আগতকৈ শকত দেখাইছে। সাধক পুৰুষৰ দৰে তেওঁ যিবিলাক কথা আমাক ক'লে তাৰপৰা আমিহে শক্তি পালো। নিজে তেওঁৰ ওচৰত যে এজন সামান্য মানুহ তাকেই মোৰ মনলৈ আহিছিল আৰু বৰ লাজ লাগিছিল। Emotions সংযত কৰি ৰাখিব নোৱৰাত মোৰ চকুৰেদি চকুলো বৰ ধৰিছিল—লাহেকৈ শ্ৰীযুত বৰদলৈৰ (গোপীনাথ) আঁৰ হ'লো। তেওঁ যিবিলাক কথা কৈছিল সকলো কেইজনে উলটি আহি টুকিছোঁহি। তেওঁৰ মুখত যেন এটি অপূৰ্ব জেউতি বিৰিঙি উঠিছিল, হাঁহি মুখেৰে আমাকহে বুজাইছে। তেওঁ কৈছিল, 'মোৰ শেষ সময়ত আপোনালোকক দেখা কৰিবলৈ পাই বৰ সৌভাগ্যবান বুলি ভাবিছো। আপোনা লোকক দেখা পাবৰ মন যায়। পাছে গৱৰ্ণমেণ্টৰ নিয়ম—আপোনালোকক ইয়ালৈ আহিবলৈ নিদিয়ে। দেশৰ

কাৰণে মোৰ এই দেহা আৰু জন্ম। গতিকে আপোনালোকৰপৰা নাম-গুৰু ভকতৰপৰা বিদায় ললো। দেশৰ মুক্তিৰ কাৰণে মোৰ জীৱন দিবলৈ পাই বৰ সৌভাগ্যবান বুলি নিজকে গৌৰৱবোধ কৰিছো। গীতা আদি ধৰ্মশাস্ত্ৰ পঢ়ি এই নশ্বৰদেহাৰ মূল্য যৎসামান্য বুজিছো। জন্মৰ সময়তো এঘণ্টা ডেৰ ঘণ্টা কষ্ট হয়—এতিয়া মৃত্যুৰ সময়তো ১৫ মিনিটমান কষ্ট হ'ব। তাক কোনে দূৰ কৰিব? যাৰ ভাগ্যত যেনে লেখিছে সেইটো হ'বই। মানুহৰ এই দেহাৰ ওপৰত কাৰো অধিকাৰ নাই। নহলে, আপোনালোক আছে, ঘৰত মোৰ ল'ৰা-তিৰোতা আছে। তেওঁলোকে মোক ইয়াৰপৰা উলিয়াই নিব নোৱাৰিলেহেঁতেন জানো? মই যোৱা ১৭ বছৰ কংগ্ৰেছৰ কাম কৰিছো। সেই অঞ্চলত মই অলপ শিক্ষিত হোৱা বাবে কংগ্ৰেছৰ সম্পাদকৰ বাবটো ৰাইজে মোকেই গতাই দিছিল। মই মহাত্মাৰ অহিংসাত ইমান দিন আছো। অহিংসাত বল পাই বুলি মই এই ১৭ বছৰ মাছ-মাংস এৰি দিছো। আনকি লোণ পৰ্য্যন্ত এৰিছিলো। আৰু জেলতহে পোনতে লোণ খাবলগীয়া হৈছে। ৰেললাইন ভঙা-চঙা কামত মই নাছিলো—তেনে কামত মোৰ বিশ্বাস নাছিল। আন প্ৰদেশত কৰিছে আৰু আন্দোলনৰ যি কাগজ পাইছিলো তাকহে ৰাইজৰ মাজত পঢ়ি দিছিলো। গতিকে মোৰ মন নিষ্পাপ। মোৰ শাস্তি হৈছে তাত দুখ নাই, কেৱল শাস্তি ওপৰঞ্চি হৈছে। মোৰ শৰীৰহে মৰিব, মৰক—কিন্তু মোৰ আত্মাতো নমৰে। যি ঈশ্বৰে আত্মা দিছে, সেই ঈশ্বৰেই আত্মা লৈ যাব। নহ'লে ইমানবোৰ মানুহৰ মাজত ঈশ্বৰে মোক বাচি ল'ব কিয়? ঈশ্বৰৰ ইচ্ছানুসাৰে সকলো হ'ব। মোক আনন্দৰে মৃত্যুক আকোৱালি ল'বলৈ আশীৰ্বাদ দিয়ক। আজি আপোনা-

লোকক লগ পাই মই গোটেই জীৱনত পোৱা আনন্দতকৈ বেছি আনন্দ পাইছো। ..... মোৰ নিজা গীতাখন সংস্কৃত গীতাখন আনিবলৈ নিদিলে—ডি-চিয়ে ৰাখি থ'লে, জেইলৰ বাবুক কৈছিলো বোধকৰো তেখেতে পাহৰিলে। ইয়াত পদগীতা এখন পাইছো তাকে পঢ়িছো। * * মই আপোনালোকৰ ওচৰত বহুতো দোষ কৰিছো; আপোনালোকে কৈছে দোষ হোৱা নাই—আপোনালোকৰ ওচৰত অজানিতে দোষ হ'ব পাৰে। দোষে সহজে পায়ঃ হেন জানি মোক ক্ষমা কৰিব।

পিছদিনা পুৱা ৪-৩০ বজাতে অমিয়ই সাৰ পালে। সাৰ পায়ে তেওঁ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় যেন কোঁৱৰৰ পৱিত্ৰ আত্মাৰ কল্যাণ হয় মঙ্গলময়ৰ বুকুত যেন পৱিত্ৰ আত্মা লীন হয়। ৪ বাজি ২৫ মিনিট যাওঁতে এটা খং কৰে শব্দ হৈছিল—সেয়ে শেষ বুলি তেওঁৰ ধাৰণা হৈছিল। গোটেই দিনটো সকলো ৰাজনৈতিক বন্দীয়ে উপবাসে কটালে। কোঁৱৰে বোলে শেষ সময়ত সকলোকে সেৱা জনাই নিজে গৈ শালত থিয় হৈছিল—তেওঁ শেষ মুহূৰ্তত 'দয়াময় দয়াৰ ঠাকুৰ' বুলি উচ্চাৰণ কৰিছিল—গধুলি ৱাৰ্ডাৰৰ মুখৰপৰা এইবিলাক কথা অমিয়ই শুনিছিল।

যোৰহাট জেলত থাকোঁতে অমিয়ৰ এনেকুৱা নানা দুখজনক কথাৰ অভিজ্ঞতা লাভ হৈছিল। সকলো কথাতে স্থিতপ্ৰজ্ঞ, নিস্পৃহ নিষ্কাম হ'বলৈ চেষ্টা কৰিলেও হ'ব নোৱাৰি। সংসাৰৰ সকলো কথাই জাগতিক নিয়মৰে বন্ধা, গতিকে সকলো কথাৰ প্ৰতি বিৰাগহীন, নিৰ্লোভ আৰু তুচ্ছ জ্ঞান কৰি সততে সেইবিলাকক মনৰপৰা বিসৰ্জন দিবলৈ সাজু থাকিব লাগে। অমিয়ৰ মনতো এইবিলাক কথা খেলায়। কিন্তু বাস্তৱক্ষেত্ৰত তাক কাৰ্যকৰী কৰাতো অসম্ভৱ হৈ পৰে।

অমিয়ই সময় কটাবলৈ কিতাপ পঢ়ে আৰু দিনে অন্ততঃ দুই নেচাকৈ সূতা কাটে। বছেৰেকত ২০০ নেচা সূতা কটা হয়।

কিতাপ পঢ়ি কিতাপৰ সাৰমৰ্ম আকৌ টোকা-বহীত টুকি থয়। তেওঁ আহিয়েই জেলত সকলো সহকৰ্মীকে লগ পাইছিল। কিন্তু চৰকাৰে লাহে লাহে কেইবাজনকো তাৰপৰা অন্য ঠাইলৈ বদলি কৰে। ১৯৪৩ চনৰ ২ ফেব্ৰুৱাৰীত ডাঃ ভুবনেশ্বৰ বৰুৱাক বিনা চৰ্তে মুক্তি দিয়ে। কিছুদিনৰ পিছত স্বাস্থ্যজনিত কাৰণত নীলমণি ফুকন আৰু সৰ্বেশ্বৰ বৰুৱাক; ১৯৪৩ চনৰ ২২ চেপ্তেম্বৰত দেবেশ্বৰ শৰ্মাক মৌলবী বজাৰ জেললৈ আৰু ১৯৪৩ চনৰ ২০ অক্টোবৰত গোপীনাথ বৰদলৈক গুৱাহাটী জেললৈ বদলি কৰে। তাৰ উপৰি কেইবাজনো পেৰোলতো ওলাই যায়। বাহিৰৰপৰা অহা খবৰ বাতৰিয়েও অমিয়ৰ মন ম্ৰিয়মান কৰি তোলে। হেম বৰুৱাৰ আঠু ভগাৰ খবৰ, ডাক্তৰ ভুবনেশ্বৰ বৰুৱাৰ 'হাৰ্ট এটেক' হোৱাৰ খবৰ, পত্নী পুষ্পলতাৰ সদায় পুৱা গধূলি জ্বৰ হোৱাৰ খবৰে অমিয়ৰ মন ভাৰাক্ৰান্ত কৰি তোলে। কেতিয়াবা আৰু' একোটা সৰু কথাতে লাগি অমিয়ৰ লগৰ কোনোবা সহকৰ্মী বন্দীৰ লগত তৰ্কাতৰ্কি হয়। সাধাৰণ কথাতে মেজাজ ঠিক ৰাখিব নোৱাৰা হয়। সংকীৰ্ণ পৰিবেশত থাকি থাকি মানুহৰ মনবোৰো যেন সংকীৰ্ণ হৈ পৰিছে। কোনো কথাতে কোনো বিষয়কে উদাৰ আৰু বহল দৃষ্টি-ভঙ্গীৰে চাব নোৱৰা হৈছে।

ইতিমধ্যে যুদ্ধৰ গতি মিত্ৰ পক্ষৰ সপক্ষে যোৱাত চৰকাৰে লাহে লাহে ৰাজনৈতিক বন্দীসকলক এজন এজনকৈ মুক্তি দিয়াৰ সিদ্ধান্ত লয়। ১৯৪৪ চনৰ ৬ মে'ত গান্ধীজীক বিনাচৰ্তে চৰকাৰে মুক্তিৰ আদেশ দিয়ে। ১৯৪৪ চনৰ ২৬ জানুৱাৰীত গোপীনাথ বৰদলৈক চৰ্ত সাপেক্ষে স্বাস্থ্যজনিত কাৰণত চৰকাৰে মুক্তি দিয়ে। কিন্তু অন্যান্য আগশাৰীৰ নেতাসকল তেতিয়াও কাৰাগাৰত বন্দী হৈ আছে।

সেই সময়ৰ মনৰ ভাব বৰ্ণাই জেইল-ডায়েৰীত অমিয়ই লেখিলে ঃ

> মাজে মাজে মনলৈ কিবা এটি ভাব আহিছিল আৰু কিমানদিন আমি এইদৰে থাকিব লাগিব? বন্দী জীৱনৰ

ওৰ পৰিব কেতিয়া ? এই অৱস্থাৰ মাজত অৰ্থাৎ আমাৰ সমস্যাৰ পূৰণ নোহোৱাকৈয়ে এৰি দিলেও আমিনো বাহিৰত কি কৰিব পাৰিম ? এইবিলাক কথাই মনলৈ আহিছে। দেশত যি দৰে এটি নৈৰাশ্য আৰু অৱসাদ আহিছে এনে এটা অৱস্থাত আমিনো কি কৰিব পাৰিম ? গঠনমূলক কাম কৰিবলৈ গৱৰ্ণমেণ্টে নিদিয়ে। গৱৰ্ণমেণ্ট দৃঢ়প্ৰতিজ্ঞ কংগ্ৰেছক ধ্বংস কৰিবলৈ। প্ৰায় সকলোপ্ৰদেশতে গৱৰ্ণমেণ্টে কঁকালত টঙালি বান্ধি লাগিছে। গান্ধীজীয়ে যোৱা ২৯ জুন তাৰিখে মহাৰাষ্ট্ৰ প্ৰদেশৰ কংগ্ৰেছ কৰ্মী-সকলক কৈছিল—সত্যাগ্ৰহৰ অভিধানত ব্যৰ্থতা বোলা শব্দটো নাই। তেওঁৰো মনলৈ সেই ব্যৰ্থতাৰ ভাৰ আহিছে। তেওঁৰ স্বাস্থ্যৰো দিনে দিনে অৱনতি ঘটিব ধৰিছে······

বহুতে মুক্তি লভিলেও অমিয় আৰু পুষ্পলতাই মুক্তি নাপায়। ১৯৪৪ চনৰ ২৯ ডিচেম্বৰত অমিয়ক গুৱাহাটী জেললৈ বদলি কৰে। আকৌ একেটা জেলৰ চৌহদতে স্বামী-স্ত্ৰী একেলগে থকাৰ সৌভাগ্য হ'ল। ১৯৪৩ চনৰ ১৯ মে'ত পুষ্পলতা নগাঁও জেলৰপৰা গুৱাহাটী জেললৈ বদলি হৈ আহিছিল। চৈধ্য দিনৰ মূৰে মূৰে দুয়োৰে সাক্ষাৎকাৰ লাভ হয়। পুষ্পলতাই স্বামীৰ স্বাস্থ্যৰ কথা চিন্তা কৰে। মাজে মাজে মাণিমুণি শাকৰ আঞ্জা বান্ধি পঠিয়ায়। অমিয়ই কিন্তু পত্নীৰ স্বাস্থ্যৰ কথা ভাবিহে বেছি চিন্তা কৰে। নিজে স্বাস্থ্যৰ যত্ন লয়—যাতে দেহ সুস্থ ৰাখি দেশৰ কামত ভালদৰে লাগিব পাৰে।

পুষ্পলতাই মাজে মাজে ফুলৰ টোড়া পঠিয়ায়। কেতিয়াবা একো পাহ গোলাপ ফুল, কেতিয়াবা আহে ৰজনীগন্ধা ফুল। ৰজনীগন্ধাৰ স্নিগ্ধ গোন্ধে অমিয়ৰ ৱাৰ্ড আমোল-মোলাই ৰাখে ভাল লাগে। ১৯৪৫ চনৰ ২৪ ফেব্ৰুৱাৰীৰ দিনটো তেওঁলোকৰ বৈৱাহিক জীৱনৰ তৃতীয় বাৰ্ষিকী দিন। ডায়েৰীৰ পাতত লেখে :

আজিৰ এই দিনটো তেওঁৰ আৰু মোৰ বাবে বৰ স্মৰণীয়। তেওঁ ১২ ফাগুনৰ স্মৃতিৰ সেৱা পঠালে গধূলি—জোনাক নিশা ছুয়ো কেনেকৈ নেদেখাকৈ থাকিব লগীয়া হৈছে। আজি এই সময়ত মোৰ মনলৈ যিবিলাক ভাৱ আহি আছে তেওঁৰো নিশ্চয় তেনে ভাৱকেই আহিছে। আজি নিজৰ কথা ভাবি বেজাৰ লাগিলেও আনন্দ হৈছে যে আমি দেশৰ কাৰণে এই দুখ এই যন্ত্ৰণা সহিব পাৰিছো, মনত এটা গৌৰৱৰ ভাৱো আহিছে মোৰ জীৱনৰ লগৰীয়া মাকণৰ বাবে তেওঁ সাহেৰে সৈতে আগবঢ়া বাবে।

১৯৪৫ চনৰ জানুৱাৰী মাহতে চৰকাৰে স্বাস্থ্যজনিত কাৰণত পুষ্পলতাক পেৰোলত মুক্তি দিয়াৰ কথা তেওঁক জনাইছিল। তেওঁ কিন্তু কোনো অসম্মানজনক চৰ্ত মানি যাবলৈ অস্বীকাৰ কৰিলে। শেহত চৰকাৰে তেওঁক বিনাচৰ্তে মুক্তি দিলে। কিন্তু তেওঁৰ ঘৰত ভৰি দিয়াৰ লগে লগে—তেওঁৰ ওপৰত অন্তৰীণ আদেশ জাৰি হ'ল যাৰ অৰ্থ হ'ল তেওঁ গুৱাহাটীৰ চৌসীমাৰপৰা বাহিৰ ওলাব নোৱাৰিব—আৰু বিশেষকৈ তেজপুৰত প্ৰৱেশ কৰাটো সম্পূৰ্ণ নিষেধ কৰি দিয়ে। এই অন্যায় আদেশ মানি চলাটো পুষ্পলতাৰ পক্ষে সম্ভৱ নাছিল। গুৱাহাটীৰ কৰ্তৃপক্ষক এই আদেশ মানি চলা নহব বুলি জনাই তেওঁ তেওঁৰ ৰুগ্না ভগ্নীক চাবলৈ কলিকতালৈ যায় গৈ। কলিকতাত এমাহ থাকি গুৱাহাটী পায়ে তেওঁ এইবাৰ তেজপুৰলৈ যাব বুলি কৰ্তৃপক্ষক জনায়। লগে লগে কৰ্তৃপক্ষই পুষ্পলতাক গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত তেওঁক ছয় মাহ কাললৈ সশ্ৰম কাৰাদণ্ডিত কৰে। পুষ্পলতা আকৌ গুৱাহাটী জেললৈকে ঘূৰি আহিল।

পুষ্পলতাই অন্তৰীণ আদেশ মানি চলিব নে তাক ভঙ্গ কৰিব—এই লৈ কংগ্ৰেছ নেতৃবৃন্দৰ মাজত এটা মতানৈক্যৰ সৃষ্টি হৈছিল। দলপতি বৰদলৈৰ মতে গান্ধীজীয়ে সত্যাগ্ৰহীৰ এনেকুৱা আচৰণ সমৰ্থন নকৰে। কাৰণ সত্যাগ্ৰহীয়ে চৰকাৰক কেতিয়াও বিপদত পেলাব নেলাগে অসুখৰ চিকিৎসাৰ কাৰণে যেতিয়া চৰ্ত ৰাখি

হ'লেও মুক্তি দিছে—তেতিয়া সম্পূর্ণ সুস্থ হোৱালৈকে আদেশ মানি চলাটো উচিত। পুষ্পলতা কিন্তু নিজ মতত অচল-অটল। তেওঁ এই বিষয়ে গান্ধীজীৰপৰা মতামত পালেহে সিদ্ধান্ত ল'ব বুলি জনোৱাত বৰদলৈয়ে মহেন্দ্রমোহন চৌধুৰীৰ হাতত এই বিষয়টো লৈ গান্ধীজীলৈ বুলি এখন পত্র প্রেৰণ কৰে। গান্ধীজীৰ মৌণ ব্রতৰ দিনত চৌধুৰীয়ে তেওঁক দেখা কৰাত তেওঁ লেখি দিয়ে: 'মই যদি বৰদলৈ হ'লোহেঁতেন তেন্তে মই তেওঁৰ (পুষ্পলতাৰ) সিদ্ধান্তত হস্তক্ষেপ নকৰিলোহেঁতেন। তেওঁৰ সিদ্ধান্তত মই একো ভুল দেখা নাই। সকলোৰে সম্মানৰ এটা মানদণ্ড আছে। ত্যাগ সম্পৰ্কেও মই সেই একে কথাই পোষণ কৰো। সেই দেখি সকলোৰে নিজৰ মানদণ্ড অনুসৰি অগ্ৰসৰ হোৱাৰ অধিকাৰ থাকে।'

নক'লেও হ'ব পত্নীৰ এই সিদ্ধান্তত অমিয়ৰ সম্পূর্ণ সমর্থন আছিল। অমিয়ৰ মতে:

> সত্য সদায় একেটা। মোৰ নিজৰ দুৰ্বলতাৰ বাবে মোৰ অসুবিধাৰ বাবে, মোৰ স্বাস্থ্যৰ বাবে মই আদেশ মানিব লগীয়া হ'লেও সত্যই নতুন ৰূপ নলয়। আগেয়ে সদায় আমি আমাৰ ওপৰত কোনো অপমানজনক নির্দেশ দিলে সেই নির্দেশ অমান্য কৰিবলৈকে ইমান দিনে কৈ আহিছো আৰু আজিনো অৱস্থাৰ কি পৰিবর্তন হ'ল যে তেনেবিধৰ অপমানজনক নির্দেশ মানি চলিম। পৰিবর্তনৰ ভিতৰত এইটোৱেই দেখিছো যে মই দুবছৰ জেলত থাকি ভাগৰি পৰিছো মোৰ স্বাস্থ্যৰ অৱনতি হৈছে। আৰু সৰহদিন জেলত থাকিবলৈ মোৰ পক্ষে টান হৈছে। আমাৰ কাৰণে মানুহে প্রাণ দিলে—বন্দুকৰ গুলিত কিমান মানুহ মৰিল? আজি আমি পাছ হুহকিব নোৱাৰো। জেলত মৰিব লগীয়া হ'লেও তাকে মূৰপাতি ল'ব লাগিব।

* * *

মাজে মাজে বৰ বেজাৰ লাগে। আমাৰ ভুল হৈছে

নেকি ?—এই প্ৰশ্নটোৱো হয়। পাছে যেতিয়া মনলৈ আহে আমাৰ কথাত কিছুমান মানুহে প্ৰাণ দিব লগীয়া হ'ল আৰু তেওঁক নাইবা মোক নধৰা হ'লে আমিও সেইদৰে প্ৰাণ দিবলগীয়া হ'লহেঁতেন—তেনে অৱস্থাত আমাৰ দায়িত্ব বৰ গধুৰ। আমি এই সময়ত নিজৰ অতি মৰমৰ বস্তুকো এৰি আগবাঢ়িব লাগিব। সেইবাবে মনৰ দুখ শোক সকলো মুৰ পাতি ল'ব লাগিব। মনত পৰে যেতিয়া গহপুৰৰ ছোৱালীজনীৰ কথা কেনেকৈ বেচাৰীয়ে শেষ উশাহ ল'লে তেতিয়া বিবেকত অশান্তি অস্বস্তিৰ ভাঁৰ আহে। সেইবাবে ভাৱোঁ—পাছ হুহকিব নোৱাৰো। মৃত্যুক পণ কৰি যেতিয়া এদিন ওলাইছিলো—আজিও সেই সংকল্প অবিচলিতভাৱে ৰাখিব লাগিব। মনৰ দুৰ্বলতাবিলাকক প্ৰশ্ৰয় নিদিওঁ।

আৰু এটা বিষয়ত অমিয়ৰ তেওঁৰ সহকৰ্মীসকলৰ লগত মতানৈক্য ঘটিছিল। বিষয়টো হ'ল সদ্যহতে মুক্তিলাভ কৰা কংগ্ৰেছী বিধায়কসকলে চৰকাৰৰ অনুমতি লৈ বিধান সভাত যোগ দিয়া কথাটো লৈ। গোপীনাথ বৰদলৈয়ে জেলৰপৰা মুক্তি লভিয়েই ডাঃ ভুবনেশ্বৰ বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ লগত আলচ কৰি সংগ্ৰামৰ পথ পৰিহাৰ কৰি গঠনমূলক কামত প্ৰবৃত্ত হোৱাৰ কথালৈ প্ৰচেষ্টা চলাইছিল। তাৰ উপৰি তেওঁ গান্ধীজীৰ অনুমতি সাপেক্ষে জেলৰপৰা মুক্তি পোৱা বিধায়কসকলক লৈ আকৌ বিধান সভাত যোগ দিয়াৰ বাবেও চেষ্টা চলাইছিল। গান্ধীজীয়ে এনে কাম চৰকাৰৰ অনুমতি সাপেক্ষেহে কৰিবলৈ কৈছিল। বৰদলৈয়ে এই বিলাক কথা লৈ গান্ধীজীক দেখা কৰোঁতে তেওঁ বোলে কৈছিল: 'আপুনি যি ভাল বুজে তাকেই কৰিব। সেই ঠাইৰ অৱস্থা নিজ চকুৰে নেদেখালৈকে মই একোৱেই ক'ব নোৱাৰোঁ। কিহত কি কৰিলে ভাল হয়—সেইটো আপুনিয়েই ভালকৈ জানে। নিৰ্ভয়ে কাম কৰি যাওক—যদি আপুনি ভুলো কৰে—তেওঁ একো নাভাবিব।'

এইবিলাকৰ ফলাফল স্বৰূপে ১৯৪৪ চনৰ নৱেম্বৰ মাহত বৰদলৈৰ নেতৃত্বত ১৮ জন কংগ্ৰেছী বিধায়কে বিধান সভাত যোগদান কৰে। অমিয়ই কিন্তু এনে কাৰ্য্য কংগ্ৰেছ আদৰ্শৰ পৰিপন্থী বুলি ভাবিছিল। চৰকাৰৰ অনুমতি লৈ বিধানসভাত ৰাজনীতি কৰা কথাটো তেওঁ হাস্যকৰ বুলিয়েই ভাবিছিল। তেওঁৰ ধাৰণাত দুৰ্বললোকে পৰিস্থিতিৰ হেচাঁত অযুক্তিকেই যুক্তি বুলি মানি সান্ত্বনা লভে। 'এজন আমি অসমৰ্থ হ'লে সকলোকে অসমৰ্থ কৰি দিয়াতো যুগুত হ'ব নে? এজন আমি দৃষ্টিহীন হ'লে আনকো আমি দৃষ্টিহীন কৰি দিম নে?' বিভিন্ন কথাৰ কাৰণে, এছেম্বলীত যোগদান, বিশ্ববিদ্যালয় আন্দোলন আৰু বহিৰাগতক অসমত সংস্থাপন ইত্যাদি কথাত অমিয়ৰ দৃষ্টিভঙ্গী দলপতি বৰদলৈৰ লগত সম্পূৰ্ণ বেলেগ ধৰণৰ আছিল। আনকি তেওঁৰ বৰদলৈৰ নেতৃত্বৰ প্ৰতিয়ে সন্দিহান হৈ পৰিছিল।

> বৰ্তমানে মোৰ মনলৈ তেওঁৰ সম্পৰ্কে এটি ভাৱ হৈছে মানুহজন বৰ দুৰ্বল। তেওঁৰ সাহৰ অভাৱ। এটা কথাত বিশ্বাস থাকিলে যি সাহৰ প্ৰয়োজন হয় সেই সাহৰ অভাৱ, আন্তৰিকতাতকৈ বাহ্যিকতাত বেছি জোৰ দিয়া যেন পাওঁ। নেতৃত্বৰ কাৰণে যিবিলাক গুণৰ প্ৰয়োজন তেওঁৰ গাত সেইবিলাকৰ একোৱেই নাই বুলি ক'ম নে? এটা কথাৰ তেওঁ দুয়োফালে বিচাৰ কৰে আৰু তেওঁনো কোনটোৰ পক্ষপাতী সেইটো প্ৰকাশ নকৰে আৰু সকলোৰে মাজত দুয়োফাল প্ৰকাশ কৰি তেওঁলোকৰ মতামত লৈ চলে। দুয়োটা ফাললৈ চকু দিয়াটো উচিত কথা—কিন্তু কোন ফালে আমি চলিব লাগিব নেতাইহে সেইটো দেখুৱাই দিয়া উচিত—নহ'লে নেতাৰ সাৰ্থকতা ক'ত?

বৰদলৈৰ নেতৃত্বৰ প্ৰতি সন্দিহান হ'লেও অমিয়ই কোনো কথাতে দলীয় আনুগত্য ভঙ্গ কৰা নাছিল। অথবা, বৰদলৈৰ সলনি আন এজনক নেতা হিচাপে বাচি লোৱাৰ কথাও চিন্তা কৰা নাছিল।

জেলৰ নিৰিবিলি পৰিবেশত বৰদলৈ সম্পৰ্কত তেওঁৰ মনত এনে ভাৱেই উদ্ৰেক হৈছিল।

বিধান সভাত কংগ্ৰেছী বিধায়কসকলৰ আগমন হোৱাত প্ৰধান মন্ত্ৰী চাদুল্লাই এটা ডাঙৰ সকাহ পালে। কাৰণ কংগ্ৰেছী বিধায়কৰ লগত এটা আপোচ-মীমাংসাত আহিলে তেওঁ আৰু কিছুদিনলৈ প্ৰধান মন্ত্ৰীৰূপে বৰ্তি থকাৰ সম্ভাৱনা উজ্জ্বল হৈ পৰিল। তেওঁৰ দলত ভাঙোন ধৰাত সংযুক্ত বিৰোধী পক্ষতকৈ তেওঁৰ পক্ষৰ সংখ্যা গৰিষ্ঠতা সন্দেহজনক বুলি ঠাৱৰ হৈছিল। বৰদলৈ-চাদুল্লা আৰু ৰোহিণী চৌধুৰীৰ মাজত এটা ত্ৰিপাক্ষিক আপোচ মীমাংসা হ'ল। চৰকাৰ পক্ষই ১৯৪৫ চনৰ জুনৰ ভিতৰতে সকলো ৰাজনৈতিক বন্দীকে (হিংসাত্মক কাৰ্যত লিপ্ত নথকা) বিনাচৰ্তে মুক্তি দিবলৈ ৰাজী হয়। বৰদলৈ চাদুল্লাৰ মিত্ৰতা হলেও সেই সময়ত কংগ্ৰেছ অনুষ্ঠান চৰকাৰৰ চকুত বে-আইনী হৈয়ে আছিল। ১৯৪৫ চনৰ ৩১ মে'তহে চৰকাৰে কংগ্ৰেছৰ ওপৰত থকা সকলো বাধা-নিষেধ আৰু নিষেধাজ্ঞা উঠাই লয়। চুক্তি মতে চাদুল্লাই তেওঁৰ পদত্যাগ পত্ৰ দাখিল কৰে আৰু পিছত বৰদলৈৰ লগত আলচ কৰি এখন নতুন মন্ত্ৰীসভা গঠন কৰে। এই মন্ত্ৰীসভাত কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী হিচাপে বৈদ্যনাথ মুখাৰ্জী, ৰোহিণীকুমাৰ চৌধুৰী, সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই, ৰূপনাথ ব্ৰহ্ম আৰু অক্ষয়কুমাৰ দাসে যোগদান কৰে।

সময়ত অমিয় আৰু অন্যান্য ৰাজনৈতিক বন্দীসকলেও মুক্তি পালে।

সোতৰ অধ্যায়

এইবাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত

গুৱাহাটী।

১৯৪৫ চনৰ ২৯ আগষ্টৰ নিশা।

এটি কাল নিশা।

ডাঃ ভুবনেশ্বৰ বৰুৱাৰ ঘৰ। অন্তিম শয্যাত পৰি আছে অমিয়ৰ বাল্য বন্ধু—ৰাজনৈতিক জীৱনৰ সখা হেমচন্দ্ৰ বৰুৱা। অমিয়, পুষ্পলতা, দেবেশ্বৰ শৰ্মা আৰু বেলিৰাম দাসে বৰুৱাৰ হাতভৰি পিটিকি দিছিল। হঠাতে হোৱা এটা কঠিন হৃদ ৰোগত তেওঁ আক্ৰান্ত হৈছে। ডাক্তৰৰ আপ্ৰাণ চেষ্টা চলিল কিন্তু সকলো বিফল হ'ল। ৰাতি ন বজাত ত্যাগবীৰে শেষ নিশ্বাস পেলালে, এইবাৰ সঁচাকৈয়ে অমিয় অকলশৰীয়া হৈ গ'ল। মনটোৱে হাহাকাৰ কৰি উঠিল। অসহায়! অসহায়! অমিয় জেলৰপৰা ওলাই আহিছিল মাত্ৰ। মনটো তেতিয়াও বিক্ষিপ্ত। দেহ শ্ৰান্ত। মন ক্লান্ত। কিন্তু মনৰ ওপৰত বন্ধুৰ বিয়োগে প্ৰচণ্ড আঘাত হানিলে।

ঠিক সেই সময়তে দেশৰ ৰাজনৈতিক পটভূমিৰ দ্ৰুত পৰিবৰ্তন ঘটিছিল। পৰিবৰ্তন আহিছিল ইংলণ্ডতো। যুদ্ধ বিজয়ী কনজাৰ-ভেটিভ দল ভোট-যুদ্ধত পৰাজিত হ'ল। ক্লীমেণ্ট এটলীৰ লেবাৰ পাৰ্টিয়ে ইংলণ্ডত চৰকাৰ গঠন কৰিলে। ভাৰততো কেতিয়াবাই সাধাৰণ নিৰ্বাচন হব লাগিছিল যুদ্ধৰ বাবে পিছুৱাই আছিল। কিন্তু এইবাৰ নিৰ্বাচন হোৱাতো খাটা' বুলি চৰকাৰে ঘোষণা কৰিলে।

কংগ্ৰেছ দলে নিৰ্বাচনী যুদ্ধত নামিব বুলি সিদ্ধান্ত ললে। অমিয়ৰ কাম বাঢ়িল। অসম কংগ্ৰেছ পাৰ্লেমেণ্টাৰী চাব কমিটি গঠন হ'ল। অমিয় তাৰ অন্যতম সদস্যৰূপে নিৰ্বাচিত হ'ল। কেন্দ্ৰীয় বিধান সভালৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰপৰা কংগ্ৰেছ দলৰ ৰোহিণীকুমাৰ চৌধুৰী

বিনা প্ৰতিদণ্ডিতাই নিৰ্বাচিত হ'ল। সুৰমা উপত্যকাৰপৰা অৰুণ-কুমাৰ চন্দ নিৰ্বাচিত হয়।

কংগ্ৰেছৰ হৈ নিৰ্বাচনী অভিযান চলাবলৈ জৱহাৰলাল নেহৰুকে ধৰি কেইবাজনো সৰ্বভাৰতীয় নেতা অসম ভ্ৰমণলৈ আহে। এই সময়ত কংগ্ৰেছৰ ভাৱ-মূৰ্তি অতি উজ্জ্বল আছিল। দেশৰ কাৰণে ত্যাগ আৰু কষ্ট বৰণ কৰা দেশ প্ৰেমৰ জ্বলন্ত উদাহৰণ দেখুৱা কংগ্ৰেছ কৰ্মীসকলৰ তুলনাত বাকী সকলৰ অৱদান আৰু ভাৱমূৰ্তি সম্পূৰ্ণ নিষ্প্ৰভ আছিল। বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা, বিজয়চন্দ্ৰ ভাগৱতী, বসন্তকুমাৰ দাস আৰু অমিয়ই বিধান সভালৈ বিনা প্ৰতিদণ্ডিতাৰে নিৰ্বাচিত হয়। বাকী কংগ্ৰেছ প্ৰাৰ্থীসকলেও বহুতো ভোটৰ ব্যৱধানত বিপক্ষ দলৰ প্ৰাৰ্থীসকলক পৰাস্ত কৰে। কংগ্ৰেছে মুঠতে-৫৮ টা সমষ্টিত জয়লাভ কৰি দলীয়ভাৱে একক সংখ্যা গৰিষ্ঠতা লাভ কৰে। মুছলীম লীগে পাকিস্তানৰ দাবীত নিৰ্বাচনত নামি ৩৪ টা সমষ্টিৰ ভিতৰত ৩১ টাতে জয়লাভ কৰে।

এইবাৰ বৰদলৈৰ কাৰণে মন্ত্ৰীসভা গঠনৰ বাবে সমস্যাৰ সৃষ্টি হোৱা নাছিল। ১৯৪৬ চনৰ ফেব্ৰুৱাৰীত নতুন মন্ত্ৰী সভাই শপত গ্ৰহণ কৰে। কিন্তু বৰাক বনাম ব্ৰহ্মপুত্ৰই কিছু সমস্যাৰ সৃষ্টি কৰি-ছিল—বিশেষকৈ বিভাগসমূহ মন্ত্ৰীসকলক ভগাই দিয়াৰ ক্ষেত্ৰত। বিধান সভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰূপে নিৰ্বাচিত হৈছিল দেবেশ্বৰ শৰ্মা আৰু বনেলি খংমেন।

গ্ৰেটবৃটেইনৰ নতুন লেবাৰ চৰকাৰ ভাৰতক স্বাধীনতা দানৰ কথাত পূৰ্বৰেপৰা সহানুভূতিশীল আছিল। প্ৰধান মন্ত্ৰী এটলীয়ে ভাৰতৰ বাবে স্বকীয়া সংবিধান ৰচনা কৰিবলৈ বিভিন্ন ব্যৱস্থাপক সভাৰ নিৰ্বাচিত সভ্যসকলক লৈ গণপৰিষদ এখন গঠন কৰা হ'ব বুলি ঘোষণা কৰে। সাংবিধানিক কথাসমূহ পৰীক্ষা কৰিবলৈ আৰু ভাৰতক পূৰ্ণ স্বাধীনতা দানৰ প্ৰক্ৰিয়াত সহায় কৰিবলৈ লৰ্ড পেথিক ল'ৰেন্স, ষ্টেফোৰ্ড ক্ৰিপচ্‌ আৰু এ. ভি. আলেকজেণ্ডাৰক লৈ তিনি জনীয়া মন্ত্ৰী মিছন গঠন কৰি ভাৰতলৈ পঠিয়ায়। দলটো আহি

১৯৪৬ চনৰ ২৩ মাৰ্চত ভাৰত পায়হি। ভাৰত পায়ে মন্ত্ৰী মিছনে ভাৰতীয় ৰাজনৈতিক দলসমূহৰ নেতাসকলৰ লগত, দেশীয় ৰাজ্যসমূহৰ প্ৰতিনিধি বৰ্গৰ লগত আলোচনাত মিলিত হয়। অসমৰ হৈ গৱৰ্ণৰ এনড্ৰুজ', প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ, মুছলীম লীগ দলৰ নেতা মহম্মদ চাহুল্লাই মন্ত্ৰী মিছনৰ লগত দেখা সাক্ষাত কৰে। মন্ত্ৰী মিছনৰ প্ৰস্তাৱত ভাৰত যুক্তৰাষ্ট্ৰ হিন্দু অথবা মুছলমান প্ৰধান গ্ৰুপ বা সংঘ ৰাজ্যত বিভক্ত হ'ব আৰু এটা গ্ৰুপ বা সংঘৰ অন্তৰ্ভুক্ত ৰাজ্যসমূহে গণপৰিষদত এটা ছেক্সন বা শাখা পৰিষদত অন্তৰ্ভুক্ত হৈ নিজাববীয়াকৈ সংবিধানৰ ধাৰাসমূহ ঠিক কৰিব। অসমৰ কংগ্ৰেছ নেতাসকলে এই ব্যৱস্থাত ছদ্মবেশী পূব পাকিস্তানৰ ষড়যন্ত্ৰ বিদ্যমান বুলি ঠাৱৰ কৰিছিল, কাৰণ প্ৰস্তাৱিত ব্যৱস্থাত অসমক মুছলমান প্ৰধান বঙ্গৰ লগত সংযুক্ত কৰি এটা গ্ৰুপত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছিল।

মন্ত্ৰী মিছনে কংগ্ৰেছ আৰু লীগৰ নেতাসকলৰ লগত কেইবাদিনো ধৰি চিমলাত আলচ কৰে। কিন্তু দুয়ো পক্ষৰ মতৰ অমিলৰ বাবে আলোচনাই ফল নধৰিল। শেহত মন্ত্ৰী মিছনে নিজাববীয়াকৈ ১৯৪৬ চনৰ ১৬ মে'ত প্ৰস্তাৱসমূহ ঘোষণা কৰে। এই প্ৰস্তাৱ

(১) ভিন ভিন প্ৰাদেশিক ব্যৱস্থাপক সভাবিলাকে প্ৰতিখন ব্যৱস্থাপক সভাৰ মুঠ সভ্য সংখ্যাৰ দহভাগৰ এভাগ পৰিমাণে ভাৰতীয় গণপৰিষদ লৈ প্ৰতিনিধি নিৰ্বাচন কৰিব—মুছলমান অমুছলমান সদস্যসকলৰপৰা সংখ্যানুপাতিকভাৱে দুয়ো সাম্প্ৰদায়ৰ সদস্যসকল নিৰ্বাচিত হ'ব।

(২) নিৰ্বাচিত সদস্যসকল গণপৰিষদত তিনিটা শাখা বা ছেক্সনত বিভক্ত হ'ব—মাদ্ৰাজ, বোম্বাই, মধ্যপ্ৰদেশ, বিহাৰ, উৰিষ্যা, আৰু উত্তৰ প্ৰদেশ 'এ' ছেক্সনত বা শাখাত; সিন্ধু, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, বেলুচিস্তান আৰু পঞ্জাব 'বি' ছেক্সন বা শাখাত আৰু অসম আৰু বঙ্গদেশ 'চি' ছেক্সন বা শাখাত অন্তৰ্ভুক্ত হ'ব।

(৩) প্ৰতিটো শাখাই নিজৰ অন্তৰ্ভুক্ত প্ৰদেশসমূহৰ বাবে সংবিধান ৰচনা কৰিব। তাৰ উপৰি প্ৰতিটো শাখাত অন্তৰ্ভুক্ত প্ৰদেশসমূহে একো একোটা গোট বা গ্ৰুপ গঠন কৰি তাৰ বাবেও স্বকীয়াকৈ সংবিধান ৰচনা কৰিব।

(৪) তিনিওটা শাখাৰ সদস্যসকল মিলিত হৈ গণপৰিষদত ভাৰতীয় ইউনিয়ন বা যুক্তৰাষ্ট্ৰৰ সংবিধান ৰচনা কৰিব।

এই ব্যৱস্থামতে অসম 'গ' শাখাত অন্তৰ্ভুক্ত হোৱাত বঙ্গ আৰু অসমে একেলগ হৈ সংবিধান ৰচনা কৰিব। তাৰ উপৰি দুয়োখন প্ৰদেশ গোট খাই এটা গোট হ'ব। এই কথা নিশ্চিত যে অসমে সংখ্যা গৰিষ্ঠ বঙ্গৰ লগ লাগিলে অসমৰ ন্যায্য স্বাৰ্থ ৰক্ষা নপৰে আৰু গোটত যোগ দিলে অসমৰ হয়তো অস্তিত্বই এদিন শেষ হৈ যাব— অসমৰ ৰাজনৈতিক, ভৌগলিক আৰু সাংস্কৃতিক পৰিচয় সম্পূৰ্ণ লোপ পাব। অসমৰ বাবে এয়া প্ৰকৃততে জীৱন-মৰণ সমস্যাৰূপেই দেখা দিলে। তাৰ উপৰি জিন্নাৰ পৰিকল্পিত উত্তৰ পূব ভাৰতক লৈ পাকিস্তান গঢ়াৰ সপোন এনেদৰেই বাস্তৱত ফলৱতী হোৱাৰ সম্ভাৱনা আৰু উজ্জ্বলতৰ হৈ পৰিল।

তাৰ উপৰি মন্ত্ৰী মিছনৰ ব্যৱস্থা মতে 'গ' শাখাত অসম আৰু বংগৰ সংযুক্তভাৱে সাধাৰণ সমষ্টিৰপৰা ৩৪জন আৰু মুছলমানসকলৰ ৩৬জন প্ৰতিনিধি থাকিব। ইয়াৰ উপৰি এই শাখাত ৬জন ইউৰোপীয় লোকৰ প্ৰতিনিধি থাকিব। নক'লেও হ'ব যে এই ছয়জনীয়া প্ৰতিনিধিদলে সংবিধান ৰচনা কাৰ্যত যথেষ্ট প্ৰভাৱ পেলাব। তাৰ উপৰি এনে ব্যৱস্থাৰ ফলত সংখ্যা-গৰিষ্ঠ মুছলমান প্ৰতিনিধি-সকলে (বঙ্গ-অসম) এদিন পাকিস্তান কৰাৰ যে প্ৰচেষ্টা নচলাব সি সম্পূৰ্ণ অবিশ্বাস্য।

এনেকুৱা সাংবিধানিক ষড়যন্ত্ৰৰ আঁৰ ফালি অসমে নিজৰ অস্তিত্ব ৰক্ষা কৰিব পাৰিব নে? অসমৰ হকে মাত মাতিব কোনে?

১৬ মে'ৰ দিনাই অসম প্ৰদেশ কংগ্ৰেছে গুৱাহাটীত গোটেই বিষয়টো বিশদভাৱে আলচ কৰে। তাত কেইবাজনো সভ্যই অসমে

শাখাত যোগ নিদিয়াটোৱেই অসমৰ বাবে মঙ্গলজনক হ'ব বুলি মন্তব্য কৰে। বেছিভাগ প্ৰতিনিধিয়ে সেই সভাত মন্তব্য কৰিছিল যে অসমৰ ইচ্ছাৰ বিৰুদ্ধে অসমক জোৰকৈ গোটত (গ্ৰুপত) সোমোৱাব নোৱাৰে; স্বায়ত্বশাসিত প্ৰদেশৰ নিজস্ব অভিমত আনে সহজে উপেক্ষা কৰিব নোৱাৰে। সেই সময়ত গোপীনাথ বৰদলৈ দিল্লীত থকাত প্ৰদেশ কংগ্ৰেছৰ প্ৰস্তাৱ কংগ্ৰেছৰ বৰমূৰীয়াসকলক আৰু কংগ্ৰেছ কাৰ্যকৰী কমিটিক তেওঁক জনাবলৈ কোৱা হয়। বৰদলৈয়ে সেই মতে সকলো কথা উধ্বতন মহলত জনায়। প্ৰদেশ কংগ্ৰেছে অসমৰ সমস্যাৰ কথা দিল্লীত কংগ্ৰেছ কাৰ্যকৰী কমিটিৰ সভ্য সকলক ভালদৰে বুজাই দিবলৈ তৈয়বুল্লা, অমিয়কুমাৰ দাস, বিজয়চন্দ্ৰ ভাগৱতী, হৰেশ্বৰ গোস্বামী, ফখৰুদ্দিন আলি আহমেদ, নীলমণি ফুকন, হৰেন্দ্ৰনাথ বৰুৱা, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী আৰু পুষ্পলতা দাসক ভাৰ দিয়ে। এই দলটো দুটা ভাগত ভাগ হৈ কংগ্ৰেছৰ উৰ্ধ্বতন মহলৰ নেতাসকলক লগ ধৰে। দলটোৱে স্পষ্টকৈ কয় যে জোৰকৈ অসমৰ ওপৰত এই আঁচনি বলবৎ কৰিব নোৱাৰিব, তেনে কৰিলে অসমে বিদ্ৰোহ কৰিব।

সেই সময়ত গান্ধীজী দিল্লীৰ ভাঙ্গী কলনীত আছিল, তৈয়বুল্লা, অমিয় আৰু কেইজনমানে গৈ তাতে গান্ধীজীক দেখা কৰে। তেওঁলোকক গান্ধীজীয়ে প্ৰথমেই ক'লে—'মই পূৰ্বেই কৈছো অসমে গোটত যোগ দিয়া উচিত নহ'ব। অসম শেষ হৈ যাব। কংগ্ৰেছে অসমক পূৰ্ণ সমৰ্থন দিব।' তৈয়বুল্লাই জিন্না আৰু ইংৰাজ চৰকাৰে এই ক্ষেত্ৰত দিয়া ব্যাখ্যাৰ কথা কোৱাত গান্ধীজীয়ে কৈছিল 'কংগ্ৰেছ তোমালোকৰ সহায়ক হিচাপে আছেই। আৰু যদি কংগ্ৰেছে সমৰ্থন দিবলৈ কুণ্ঠাবোধ কৰে—তেনেহ'লে তোমালোক কংগ্ৰেছৰপৰা ওলাই আহিবা।' এই কথা শুনি অমিয়ই বৰ আশ্চৰ্যান্বিত হৈছিল—তেওঁ গান্ধীজীক নকৈ নোৱাৰিলে—'আমিয়েই কংগ্ৰেছ অনুষ্ঠান গঢ়ি তুলিলো আৰু এতিয়া কেনেকৈ আমি তাৰপৰা ওলাই আহিম।' গান্ধীজীয়ে হাঁহি হাঁহি উত্তৰ দিছিল; 'মোৰ কথালৈকে চোৱা, মই

আজি বহুবছৰ ধৰি কংগ্ৰেছৰপৰা বাহিৰত আছো, মই এতিয়া আনকি ইয়াৰ চাৰি অনীয়া সভ্যও নহয়। ঠিকেই মযে কংগ্ৰেছ অনুষ্ঠান গঢ়িছিলো। তোমালোকে মোৰ পথ লোৱা।' গান্ধীজীৰ কথাই অমিয়ক পতিয়ন নিয়াব নোৱাৰিছিল। গান্ধীজীৰ কথাত মনে মনে থাকিব নোৱাৰি। অসমৰ জীৱন-মৰণ সমস্যা। সকলো দ্বিধা-সংশয় গুচাব লাগিব। সেয়ে অমিয়ই আকৌ প্ৰশ্ন কৰিলে 'ওলাই আহিম? ওলাই আহি আমি কি কৰিম?' গান্ধীজীয়ে অলপো নৰৈ কৈছিল: 'কংগ্ৰেছৰ বিৰুদ্ধে সত্যাগ্ৰহ কৰা।' কথাষাৰ শুনিয়েই সকলোৱে আৰু অবাক মানিছিল। এইবাৰ তৈয়বুল্লাই সুধিলে, 'সত্যাগ্ৰহ। সেয়া নো আমি কেনেকৈ কৰিম?' গান্ধীজীয়ে আশ্বাসৰ সুৰত কৈছিল, 'সময়ত মোৰ ওচৰলৈ আহিবা। ভয় নকৰিবা। সকলো ঠিক হৈ যাব।' গান্ধীজীৰ আশ্বাস বাণীয়ে সকলোৰে বুকু ডাঠ কৰি তুলিছিল। প্ৰফুল্লিত মনে গান্ধীজীৰ ওচৰৰ পৰা দলটোৱে বিদায় মাগিছিল।

গান্ধীজীয়ে মনত সাহস দিলেও সকলোৰে মনত দ্বিধাভাব আৰু সংশয়। মন্ত্ৰী মিছনৰ আঁচনি কাৰ্যকৰী হ'লেই অসমৰ ৰাজনৈতিক ভৱিষ্যত বিপদসঙ্কুল হৈ পৰিব। এই সন্দেহ তেতিয়াও তেওঁলোকৰ মনত ঘণীভূত হৈ আছিল। দলটোৱে দিল্লী এৰাৰ আগতে কংগ্ৰেছ কাৰ্যকৰী কমিটিক অসম কংগ্ৰেছৰ তৰফৰপৰা এখন স্মাৰক পত্ৰ দিছিল। উল্লেখযোগ্য যে অসম কংগ্ৰেছ 'গ' শাখাত অন্তৰ্ভুক্ত ছয়জনীয়া ইউৰোপীয় লোকক প্ৰতিনিধিত্ব দিয়াৰ কথাটোতো আপত্তি কৰিছিল। কংগ্ৰেছে কাৰ্যকৰী কমিটিয়েও অসম কংগ্ৰেছৰ এই আশংকা উপলব্ধি কৰি গৱৰ্ণৰ জেনেৰেলৰ ওচৰত ইয়াৰ বিৰোধিতা কৰিছিল। শেহত অৱশ্যে ইউৰোপীয় লোকসকলেই গণপৰিষদলৈ প্ৰতিনিধি নপঠাবলৈ সিদ্ধান্ত লয়।

ইতিমধ্যে সমগ্ৰ অসম জুৰি মন্ত্ৰী-মিছনৰ আঁচনিৰ বিৰোধিতা কৰি প্ৰতিবাদ-আন্দোলন গঢ়ি উঠিছিল। প্ৰায় সকলো ঠাইতে প্ৰতিবাদ-সভা, শোভাযাত্ৰা আদি অনুষ্ঠিত হৈছিল। অসম জাতীয়

মহাসভা আৰু অসম ছাত্ৰ সম্মিলনেও এই ক্ষেত্ৰত অসম কংগ্ৰেছক যথেষ্ট সহায় কৰিছিল।

১৯৪৬ চনৰ ১৬ জুলাইত অসম বিধানসভাৰ অধিবেশন বহে। এই অধিবেশনতে গণপৰিষদলৈ বুলি অসমৰ প্ৰতিনিধিসকলক নিৰ্বাচিত কৰা হয়। সাধাৰণ সমষ্টিৰপৰা গোপীনাথ বৰদলৈ, ৰোহিণীকুমাৰ চৌধুৰী, বসন্তকুমাৰ দাস, জে. জে, এছ্‌. নিকলচ ৰয়, অমিয়কুমাৰ দাস, ধৰণীধৰ বসুমতাৰী আৰু অক্ষয়কুমাৰ দাস আৰু মুছলমান সমষ্টিৰপৰা চাত্বল্লা, আব্দুল হামিদ আৰু আব্দুল মতীন চৌধুৰী গণপৰিষদলৈ নিৰ্বাচিত হয়। বিধানসভাই বৰদলৈৰ প্ৰস্তাৱমতে নিৰ্বাচিত প্ৰতিনিধিসকলক নিৰ্দেশ দিয়ে যে তেওঁলোকে অকল অসমৰ প্ৰাদেশিক সংবিধানহে ৰচনা কৰিব। গোটত থকা অন্যপ্ৰদেশৰ লগত সম্বন্ধ থকাৰ কথা উঠিলে অসমে আপত্তি কৰিব—কাৰণ এটা গোটৰ সংখ্যা গৰিষ্ঠতাই অসমৰ ভৱিষ্যত নিৰ্ণয় কৰিব নোৱাৰিব। বৰদলৈৰ এই প্ৰস্তাৱত মুছলীম লীগৰ সভ্যসকলে আপত্তি কৰিছিল। কিন্তু বৰদলৈৰ যুক্তিৰ আগত সি নৰজিল। এখন স্বায়ত্ব-শাসিত প্ৰদেশৰ স্বাধীনতাত আনপ্ৰদেশে হস্তক্ষেপ কৰা উচিত নহয়! এইটো কথা ঠিক যে এনে কৰিলে হয়তো অসমৰ বঙ্গৰ লগত থকা ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্বন্ধৰ কিছু ক্ষতি হ'ব, কিন্তু দেশৰ বৃহৎ স্বাৰ্থৰ কথা চিন্তা কৰি অসমে অৰ্থনৈতিক দুৰৱস্থাত পৰিলেও বঙ্গৰ লগত নিজকে সাঙোৰ খুৱাব নোৱাৰে। আৰু যদি খুৱায় সি হ'ব আত্মহত্যা কৰাৰ স্বৰূপ।

১৯৪৬ চনৰ ১০ আগষ্টত কংগ্ৰেছ কাৰ্যকৰী কমিটিয়ে মন্ত্ৰী মিছনৰ আঁচনি গ্ৰহণ কৰা হ'ল বুলি ঘোষণা কৰে। লগতে কংগ্ৰেছে তাত অংশ গ্ৰহণ কৰিব বুলিও ঘোষণা কৰে। ইতিমধ্যে অৱশ্যে মন্ত্ৰী মিছনে কংগ্ৰেছে তোলা নানা আপত্তি ভুল-ভ্ৰান্তি নাকচ কৰি বহুতো ব্যাখ্যা দিয়ে।

মন্ত্ৰী-মিছনৰ ব্যাখ্যাই কিন্তু জিন্নাক আশ্বস্ত কৰিব নোৱাৰিলে তাৰ উপৰি অসমে গোটত নোসোমাবলৈ বদ্ধপৰিকৰভাৱে আন্দোলন

কৰা দেখি লীগে তেওঁলোকৰ সপোনৰ পাকিস্তান বাস্তৱত ৰূপায়িত নহ'ব যেন দেখি ১৯৪৬ চনৰ ১৬ আগষ্টত প্ৰত্যক্ষ সংঘৰ্ষৰ দিন ঘোষণা কৰে। ইয়াৰ ফলত অকল কলিকতাতে এক অভূতপূৰ্ব হত্যাকাণ্ড সংঘটিত হৈছিল। তাত প্ৰায় ছয় হেজাৰ লোক নিহত হয়। এই হত্যাকাণ্ড লাহে লাহে আন আন চহৰ আৰু গাওঁলৈও বিয়পি পৰিছিল।

১৭ আগষ্টত জৱহাৰলাল নেহৰুৱে সাতজনীয়া সদস্যৰে অন্তৰ্বৰ্তী-কালীন চৰকাৰ গঠন কৰে।

অক্টোবৰত মুছলীম লীগেও অন্তৰ্বৰ্তীকালীন চৰকাৰত যোগ দিবলৈ সন্মতি জনালে। তেওঁলোকৰ মনোনীত পাঁচজনীয়া দল এটাই মন্ত্ৰীসভাত যোগ দিলে।

কিন্তু কিছুদিনৰ পিছতেই দেখা গ'ল যে কংগ্ৰেছ আৰু লীগে একেলগে কাম কৰিব নোৱাৰে। দুয়ো পক্ষৰ মাজত অৰিয়া-অৰি-হিংসা-খৰিয়ালে দেখা দিলে।

বৃটিছ চৰকাৰে পৰিস্থিতিৰ কিবা উন্নতি কৰিব পাৰি নেকি তাৰ বাবে প্ৰচেষ্টা চলালে। কংগ্ৰেছ আৰু লীগৰ দুয়োপক্ষৰে কেইজনমান নেতাক ৱাভেলৰ সৈতে লণ্ডনলৈ মাতি পঠালে। কিন্তু আলোচনা ব্যৰ্থ হ'ল।

শেহত চৰকাৰেই একপক্ষীয়ভাৱে ১৯৪৬ চনৰ ৬ ডিচেম্বৰত ঘোষণা কৰে যে গণপৰিষদৰ অন্তৰ্ভুক্ত প্ৰতিনিধিবৰ্গৰ মাজত কিবা কথাত মতৰ অমিল হ'লে তাক ভোটৰদ্বাৰা সমাধান কৰা হ'ব— গণপৰিষদে ইচ্ছা কৰিলে এনে সিদ্ধান্তৰ বিচাৰ ল'বলৈ ফেডাৰেল কোৰ্টলৈ দিব পাৰে। এই ঘোষণাই গণপৰিষদত থকা অসমৰ প্ৰতিনিধিবৰ্গক বিপাঙত পেলায়। লগে লগেই বৰদলৈ আৰু তেওঁৰ সতীৰ্থসকলে কংগ্ৰেছ সভাপতিক লগ ধৰি তেওঁলোকৰ আপত্তিৰ কথা জনায়। যদি ফেডাৰেল কোৰ্টে দুখন প্ৰদেশৰ কাজিয়াত হস্তক্ষেপ কৰে—সি কেতিয়াও অসমৰ বাবে সুখকৰ নহ'ব— তাৰ উপৰি কোৰ্টে চৰকাৰী আজ্ঞা পালন কৰাৰে সম্ভাৱনা বেছি।

এনে ক্ষেত্ৰত অসমে 'গ' শাখাত একেবাৰে নবহাৰে সিদ্ধান্ত লয়। অসম কংগ্ৰেছে আকৌ গোট-বিৰোধী আন্দোলন চলাবলৈকে বদ্ধ পৰিকৰ হয়। কংগ্ৰেছৰ উৰ্দ্ধতন মহলত শৰৎ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীৰ বাহিৰে অসমৰ বাবে কোনেও সহানুভূতিসূচক মাত এষাৰো নেমাতিলে। অন্যান্য প্ৰদেশৰ কংগ্ৰেছ নেতাসকল স্বাধীনতা লাভৰ বাবে ইমান আকুল হৈ পৰিছিল যে অসমে এনেকৈ বাৰে বাৰে বাধা দিয়া কথাটোত তেওঁলোকে অলপো ভাল পোৱা নাছিল। বৰদলৈয়ে উপায়বিহীন হৈ ১৫ ডিচেম্বৰত তেওঁৰ দুজন সহযোগী মহেন্দ্ৰমোহন চৌধুৰী আৰু বিজয়চন্দ্ৰ ভাগৱতীক গান্ধীজীক লগ ধৰিবলৈ পঠালে। গান্ধীজী সেই সময়ত হিন্দু-মুছলমান সম্প্ৰীতি গঢ়াৰ বাবে বঙ্গৰ এখন ভিতৰুৱা ঠাই নোৱাখালিত ভ্ৰমণ কৰি আছিল। তেওঁলোকৰপৰা সকলো কথা শুনি গান্ধীজীয়ে ক'লে: 'অসমে নিজক হেৰুৱাব নোৱাৰে: অসমে স্ব-ব্যক্তিত্ব স্ব-পৰিচয় ৰক্ষা কৰিবলৈ আৱশ্যক হ'লে সমগ্ৰ বিশ্বৰ বিৰুদ্ধেও থিয় দিব লাগিব। নহ'লে মই ক'ম যে অসমত মানুহ নাই, মনুষ্য নাম ধৰি এবিধ ক্ষুদ্ৰাকৃতিৰ মনুষ্যজীৱহে আছে।' প্ৰকাৰন্তে গান্ধীজীয়ে বুজালে আৱশ্যক হ'লে অসমে অকলে যুঁজিব লাগিব। প্ৰয়োজনত দাসত্ব সুলভ মনোবৃত্তি এৰি কংগ্ৰেছৰ বিৰুদ্ধেও বিদ্ৰোহ কৰিব লাগিব। আহিবৰ সময়ত নেতা দুগৰাকীয়ে গান্ধীজীৰপৰা আশীৰ্বাদ বিচৰাত তেওঁ কৈছিল: 'ভগৱানৰ আশীষ তোমালোকৰ পাথেয় হওক। সিহে বেছি মঙ্গলজনক। তোমালোকে ৰাইজক ক'বাগৈ যে স্বয়ং গান্ধীজীয়েও যদি আমাক ক্ষান্ত হ'বলৈ কয়—আমি কৰ্তব্যচ্যুত নহওঁ। আমি আমাৰ কৰণীয় কৰি যাম।'

নক'লেও হ'ব গান্ধীজীৰ আশীষ বাণীয়ে সমগ্ৰ অসমতে ৰাইজৰ মনত উৎসাহ, উদ্দীপনা আৰু দুৰ্বাৰ সাহসৰ সৃষ্টি কৰিছিল। ১৯৪৬ চনৰ ২৬ ডিচেম্বৰত অসম কংগ্ৰেছৰ কাৰ্যকৰী কমিটিয়ে কংগ্ৰেছৰ উৰ্দ্ধতন মহলৰ নেতাসকলক সৈমান কৰিবলৈ আকৌ তৈয়াবুল্লা, দেবেশ্বৰ শৰ্মা, বিজয়চন্দ্ৰ ভাগৱতী আৰু অমিয়ক ভাৰ

দিয়ে। অসম কংগ্ৰেছৰপৰা নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ নিৰ্বাচিত হোৱা সভ্যসকলোকো কমিটিয়ে একে দায়িত্ব অৰ্পণ কৰে। গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাই ২৯ ডিচেম্বৰত শ্ৰীৰামপুৰলৈ গৈ গান্ধীজীক দেখা-সাক্ষাত কৰে। গান্ধীজীৰ কথা এটা 'অসমে শাখাত যোগদান কৰিলে আত্মহত্যা কৰাৰ স্বৰূপ হ'ব।'

কংগ্ৰেছ কাৰ্যকৰী কমিটি আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ৪/৫ জানুৱাৰী, ১৯৪৭ চনত দিল্লীত এই বিষয়টোৰ ওপৰত আলচ কৰে। নেহৰুৱে আঁচনি গ্ৰহণৰ ওপৰত নতুনকৈ প্ৰস্তাৱ দাঙি ধৰে। কিন্তু সেই প্ৰস্তাৱত অসমৰ প্ৰতি একো সুবিচাৰ কৰা নহ'ল। প্ৰস্তাৱটোৰ-বিৰোধিতা কৰি অসমৰ প্ৰতিনিধিসকলে নিখিল ভাৰত কংগ্ৰেছ কমিটিত বক্তৃতা দিয়ে। কিন্তু শেহত নেহৰুৰ প্ৰস্তাৱ ৯৯-৫২ টা ভোটত গৃহীত হয়। মিছনৰ আঁচনিখন সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিব লাগে বুলি পুৰুষোত্তম দাস টেণ্ডনে এটা প্ৰস্তাৱ আনিছিল —এই প্ৰস্তাৱ ৫৪-১০২ টা ভোটত অগ্ৰাহ্য হয়।

* উল্লেখযোগ্য যে, অসমেও নেহৰুৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি নিজাববীয়াকৈ এটা সংশোধনী প্ৰস্তাৱ তুলিছিল। কংগ্ৰেছৰ উৰ্দ্ধতন মহলৰ অনুৰোধত প্ৰস্তাৱক পুষ্পলতা দাসে প্ৰস্তাৱটো ভোটলৈ নিদি উঠাই লৈছিল। অসমৰ প্ৰস্তাৱটোৰ সমৰ্থনত নিকলচ ৰয়, হৰেশ্বৰ গোস্বামী, বৈদ্যনাথ মুখাৰ্জীয়ে বক্তৃতা দিছিল। নিকলচ ৰয়ে বক্তৃতা প্ৰসঙ্গত কৈছিল: "We, Assamese when we say NO we mean NO, when we say YES, we mean YES—we do not know how to twist YES to NO or NO to YES. That art, that diplomacy we have not learnt." নেহৰুৱে বক্তৃতা প্ৰসঙ্গক আশ্বাস দিছিল অসমৰ প্ৰতি কোনো ধৰণৰ অন্যায় কৰা নহ'ব বুলি।

---

* শ্ৰীযুতা পুষ্পলতা দাসৰ মতে নেহৰুৱেও তেওঁৰ প্ৰস্তাৱ উঠাই লৈছিল। পুৰুষোত্তম দাস টেণ্ডনৰ সংশোধনী প্ৰস্তাৱহে সেইসভাত গ্ৰহণ কৰা হৈছিল। উক্ত প্ৰস্তাৱত' গণ-পৰিষদক সাৰ্বভৌম ক্ষমতা দিয়া হৈছিল।

ঠিক এনে সময়তে সমগ্ৰ দেশৰে ৰাজনৈতিক পৰিস্থিতিৰ এক অভুতপূৰ্ব সালসলনি ঘটিল। মুছলীম লীগে গণপৰিষদত যোগ নিদিয়াত আৰু অন্তৰ্বৰ্তীকালীন চৰকাৰত কংগ্ৰেছ আৰু লীগৰ সদস্য-সকলৰ সঘনে লাগি থকা দণ্ড-খৰিয়ালে প্ৰমাণ কৰিলে হিন্দু মুছলমানে একেলগ হৈ দেশখন চলাব নোৱাৰে। সেই সময়ত এই দুখলগা অভিজ্ঞতাৰ তিতা-কেহাৰ স্বাদ পাই হিন্দু-মুছলমান ঐক্য আৰু সম্প্ৰীতিত আজন্ম বিশ্বাস থকা জনৰ অন্তৰতো সন্দেহৰ ভাৱে লুকা-ভাকু খেলিছিল। মাথো গান্ধীজীহে তেতিয়াও নিজ বিশ্বাসত অচল অটল। নতুন দিল্লীৰপৰা বহু নিলগত থাকি গান্ধীজীয়ে তেতিয়াও অবিৰামভাৱে কাম কৰি গৈছিল—হিন্দু-মুছলমান ঐক্য সাধনৰ বাবে, সম্প্ৰীতি গঢ়াৰ বাবে।

ওপৰত উল্লেখ কৰা অভিজ্ঞতাৰপৰা ইংৰাজেও এটা শিক্ষা পালে। ৰাজনৈতিক পৰিস্থিতিৰ কোনো ধৰণৰ পৰিবৰ্তন নোহোৱাত আৰু বিশেষকৈ সি লাহে লাহে বেয়াৰ ফালেহে অধোগতি কৰাত বৃটিছ প্ৰধানমন্ত্ৰী এটলীয়ে আৰু সময়লৈ বাট নাচাই ঘোষণা কৰিলে যে ১৯৪৮ চনৰ জুনৰ ভিতৰতে বৃটেইনে ভাৰতবাসীৰ হাতত ক্ষমতা হস্তান্তৰ কৰিব। লগে লগে ইংৰাজ চৰকাৰে ৱাভেলৰ ঠাইত লৰ্ড মাউণ্টবেটেনক ভাৰতৰ নতুন গৱৰ্ণৰ-জেনেৰেলৰূপে নিয়োগ কৰে। নতুন দিল্লীত থিত লৈয়ে নতুন গৱৰ্ণৰ-জেনেৰেলে বুজিলে যে মন্ত্ৰী মিছনৰ আঁচনি মতে কাম নহব। হিন্দু-মুছলমানৰ মাজত বৰ্তমান পৰিস্থিতিত কোনো ধৰণৰ মোকাবিলা হোৱাৰ সম্ভাৱনা নাই। সমস্যাৰ সমাধান কৰিবলৈ হলে লীগৰ দাবী মানি লৈ ভাৰতবৰ্ষক বিভাজন কৰাৰ বাহিৰে গত্যন্তৰ নাই! গান্ধীজীৰ বাদে কংগ্ৰেছৰ অন্যান্য নেতাসকলে মাউণ্টবেটেনৰ এই প্ৰস্তাৱত সঁহাৰি দিলে। গান্ধীজী এই আলচ-বিলচৰপৰা নীৰৱে আঁতৰি থাকিল।

শেহত মাউণ্টবেটেন আৰু জিন্না জিকিল। ভাৰতবৰ্ষ দ্বি-খণ্ডিত হ'ল। বেলুচিস্তান, সিন্ধু, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু বংগ আৰু পঞ্জাৱৰ অৰ্ধাংশক লৈ পাকিস্তান নামৰ এখন নতুন ৰাষ্ট্ৰৰ জন্ম

হ'ল। অসমৰ শ্ৰীহট্ট জিলাত (চিলেট) গণভোট হয়। গণ ভোটৰ সিদ্ধান্ত ক্ৰমে এই জিলা পূব পাকিস্তানৰ লগত চামিলকৰণ হয়। পিছত সীমা নিৰ্ধাৰণ কমিটিয়ে ভাৰত আৰু পূব-পাকিস্তানৰ সীমা চিহ্নিত কৰে। শ্ৰীহট্ট জিলাৰ মাত্ৰ চাৰিখন থানাৰ এলেকাহে অসমত অন্তৰ্ভুক্ত হয়।

১৯৪৭ চনৰ ১৫ আগষ্টত পৃথিৱীৰ মানচিত্ৰত দুখন নতুন স্বাধীন ৰাষ্ট্ৰই ভাৰত আৰু পাকিস্তান নামৰে ভূমিস্থ হয়।

১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজৰাতি অমিয়ই গণপৰিষদৰ অন্যান্য সদস্যসকলৰ লগত দিল্লীৰ সংসদ ভৱনত শপত গ্ৰহণ কৰে। সেই সময়ত তেওঁ গণপৰিষদৰ সভ্য আছিল। প্ৰধান মন্ত্ৰী জৱহৰলাল নেহৰুৰ Tryst with destinyৰ উদ্দীপ্তময় ভাষণে অমিয় আৰু তেওঁৰ সহযোগীসকলক সমানে অনুপ্ৰাণিত কৰিছিল। স্বাধীনতা উৎসৱৰ আনন্দমুখৰ পৰিবেশ আৰু ৰং-ৰহইচেও অমিয়ক উৎফুল্লিত কৰিব পৰা নাছিল—যিহেতু স্বাধীনতা যুঁজৰ সৰ্ব প্ৰধান নেতাজনেই ব্যথিত আৰু বেদনাক্লিষ্ট। গান্ধীজীয়ে সকলো আনন্দ উৎসৱ বৰ্জন কৰি বঙ্গৰ এখন ভিতৰুৱা গাঁওত সেই দিনা মৌনব্ৰত পালন কৰিছিল।

১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজ নিশা (ৰাতি বাৰ বজাত) অমিয়ই আন সকলো সভ্যৰ লগতে থিয় হৈ প্ৰতিশ্ৰুতি লয়ঃ "এই ক্ষণত যেতিয়া সমগ্ৰ ভাৰতবাসীয়ে নানা কষ্ট আৰু ত্যাগৰ ফলত স্বাধীনতা লভিলে, মই শ্ৰীঅমিয় কুমাৰ দাসে ভাৰতীয় গণ-পৰিষদৰ সভ্য হিচাপে বিনম্ৰভাৱে পুনৰ দেশ আৰু দেশবাসীৰ বাবে সেৱা কৰিবলৈ যাতে এই প্ৰাচীন দেশখনে পৃথিৱীৰ ভিতৰত ইয়াৰ ন্যায়সঙ্গত আৰু সন্মানীয় আসনখন লাভ কৰিব পাৰে আৰু যাতে বিশ্ব শান্তি আৰু মানৱ সমাজৰ কল্যাণৰ অৰ্থে ইচ্ছাকৃতভাৱে আৰু সৰ্বতো প্ৰকাৰে আঁৰিহণা যোগাব পাৰে—তাৰ বাবে পুনৰ নিজকে উৎসৰ্গীকৃত কৰিলো।" প্ৰতিশ্ৰুতিৰ লোৱাৰ পিছতে সদন কক্ষত জয়ধ্বনি উঠেঃ মহাত্মা গান্ধী কী জয়, পণ্ডিত জৱহৰলাল নেহৰু কী জয়, লৰ্ড মাউণ্টবেটেন কী জয়।

আজি দেশবাসীৰ হাতত শাসনৰ বাঘজৰী। কংগ্ৰেছী মন্ত্ৰী-সভাই কি কৰে তালৈকে সকলোৱে পৰম আশাৰে বাট চাই আছে। অমিয়ই ৰাইজৰ মনৰ ভাৱ ৰেকট কৰি গণ-পৰিষদত কয়—দেশবাসীয়ে এটা বৈপ্লৱীক পৰিবৰ্তন বিচাৰিছে। এই প্ৰত্যাশা কৰা তেওঁলোকৰ বাবে ভুল হোৱা নাই। প্ৰচলিত শাসন পদ্ধতিক ৰঙা-ফিটাৰ অক্টোপাচী মেৰপাকৰ পৰা মুক্ত কৰিব লাগিব, নতুন পদ্ধতিৰে আমাৰ কাৰ্যপন্থা যাতে কাৰ্যকৰী হয় তাৰ ব্যৱস্থা লব লাগিব।

অসমৰ কথা চিন্তা কৰি অমিয়ই ভাবি ওৰ নেপায়। সৰু প্ৰদেশ বিলাকৰ ভৱিষ্যত কি? সৰু প্ৰদেশ এখনৰ জাতীয় সত্তা বৃহত্তৰ ভাৰতীয় যুক্তৰাষ্ট্ৰত বৰ্তি থাকিব নে? শক্তিশালী কেন্দ্ৰই অসমৰ নিচিনা সৰু প্ৰদেশ বিলাকক অৰ্থনৈতিক শোষণ কৰাৰ সুবিধা নেপাব নে? মনত নানা দ্বিধাভাৱে আৰু সংশয়ে দেখা দিয়ে। স্বাধীনতা লাভৰ ফলাফল অসমৰ বাবে মূল্যহীন হ'ব নে কি? নতুন কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত জানো কিবা নতুন নীতি আছে? বৃটিছ চৰকাৰৰ Government of India Act, 1935ৰ ভিত্তিতেই নতুন চৰকাৰৰ সংবিধান ৰচনা নহ'ব নে?—তেনেহ'লে অসমৰ দৰে ক্ষুদ্ৰ প্ৰদেশ বিলাকৰ ভৱিষ্যত কি? ৰাইজৰ মাজত অসন্তোষ্টি বিয়পি পৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

বহুল পৰিমাণে হোৱা প্ৰবজনৰ ফলত অসমৰ আৰ্থ-সামাজিক ছবিখনৰ বহুতো সাল-সলনি ঘটিছে। অসমতে থাকি অসমীয়াৰে স্থায়িত্ব নোহোৱাৰ দৰে হৈছে গৈ। সংসদীয় ৰাজনীতিত সাম্প্ৰদায়ীক প্ৰতিনিধিত্ব নীতি হিচাপে মানি লোৱাত এই দেশলৈ বহিৰাগতৰ জন-প্ৰবজন অবাৰিত ভাৱে চলি আছে। ই দেশৰ বাবে বিপদ মুচাইছে। চৰকাৰে মাজে মাজে উচ্ছেদীকৰণ অভিযান চলায়। কিন্তু সি সফল হোৱা নাই। । চৰকাৰী মাটিত অথবা নিজৰ অঙহী-বঙহীৰ ঘৰতো বহুতো বিদেশী অনুপ্ৰৱেশকাৰীয়ে লুকাই চুৰকৈ এই প্ৰদেশতে থকাৰ সুবিধা কৰি লৈছে। অত্যন্ত দৃঢ়তাৰে অমিয়ই গণ-পৰিষদত কয়: "অসমতে থাকি অসমীয়াই

যদি নিজ গৃহভূমিৰ সুৰক্ষাৰ ক্ষেত্ৰত অসহায় অনুভৱ কৰে আৰু তেওঁলোকৰ বাবে আমি যদি একো কৰিব নোৱাৰো অন্ততঃ মই ভাবো এই গণ-পৰিষদলৈ অহাতো মোৰ পক্ষে অলপো যুক্তিসঙ্গত হোৱা নাই। অসমীয়া ৰাইজক সম্পূৰ্ণ ৰক্ষণা-বেক্ষণ দিব লাগিব।"*

শ্ৰীহট্ট জিলাৰ বিচ্ছেদ কৰণৰ ফলত অসম মন্ত্ৰীসভাৰ কলেবৰো সৰু হৈ যায়। বসন্তকুমাৰ দাস, বৈদ্যনাথ মুখাৰ্জী, আব্দুৰ ৰচীদ আৰু ভীমবৰ দেউৰীয়ে পদত্যাগ কৰাত বৰদলৈয়ে মেধি, নিকলচ ৰয়, ৰামনাথ দাস, ৰূপনাথ ব্ৰহ্ম আৰু মতলিব মজুমদাৰক লৈ ছয় জনীয়া মন্ত্ৰী সভাৰে কাৰ্য পৰিচালনা কৰিব লগাত পৰে। ইতিমধ্যে বিধান সভাৰ অধ্যক্ষ দেবেশ্বৰ শৰ্মাক মণিপুৰৰ 'ডমিনিয়ন এজেণ্ট' হিচাপে নিযুক্তি দিয়াত তেখেতৰ ঠাইত কংগ্ৰেছ দলে সেই পদলৈ নিৰ্বাচিত কৰে লক্ষেশ্বৰ বৰুৱাক। বৰদলৈ মন্ত্ৰীসভাই দেশ বিভাজনৰ ফলত হোৱা নানা সমস্যাৰ সন্মুখীন হব লগাত পৰে। ৰাজনৈতিক, অৰ্থনৈতিক আৰু মানবীয় সমস্যাই প্ৰধান আছিল। দেশ বিভাজন হোৱাত পূব পাকিস্তানৰপৰা হেজাৰ হেজাৰ হিন্দু ভগনীয়াই অসম, বংগ আৰু ত্ৰিপুৰা অভিমুখে গতি কৰে। এই-বিলাকৰ উপৰিও অসম আৰু বহিঃজগতৰ লগত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা প্ৰায় বিকল হৈ পৰিছিল। খাদ্য সামগ্ৰী আৰু অন্যান্য বস্তুৰ যোগান ব্যৱস্থাৰ সম্পূৰ্ণ অৱনতি ঘটিছিল। ১৯৪৭ চনৰ অক্টোবৰ মাহত বৰদলৈয়ে মন্ত্ৰীসভাখনৰ সম্প্ৰসাৰণ ঘটায়— মহম্মদ তৈয়বুল্লা আৰু অমিয়ই মন্ত্ৰীসভাত যোগ দিয়ে। বৰদলৈয়ে অমিয়ক খাদ্য, যোগান আৰু শ্ৰম বিভাগৰ দায়িত্ব দিয়ে।

---

* Constituent Assembly Debates, 18 July, 1947, vol. IV, p. 662 ; 14 August '47, 21 August '47, vol. V to X, pp. 94-95.

ওঠৰ অধ্যায়

ডিঙিত মন্ত্ৰীত্বৰ ডোল লাগিল

১৯৪৭ চনৰ ১৫ আগষ্ট।

বহু আকাঙ্ক্ষিত দিনটো আহিল আৰু পাৰ হৈ গ'ল। দেশৰ স্বাধীনতাৰ বাবে সৰ্বস্ব ত্যাগ কৰা সংগ্ৰামীসকলে হঠাতে অনুভৱ কৰিলে—তেওঁলোকৰ কাম নাই—কৰিবলগীয়াখিনিটো সম্পূৰ্ণ হলেই, তেনেহলে? অমিয়ই লগৰ সহকৰ্মীসকলক কলে My mission is over! ঠিকেই জীৱনৰ পৰম অভিলাষ পূৰ্ণ হ'ল। স্বাধীনতা লাভ! ইয়াৰ পিছত?

অমিয়ৰ মনত বহুত দিনৰেপৰা আশা—এখন নিৰিবিলি ঠাইলৈ গৈ অশিক্ষিত জনগণৰ লগত মিলিজুলি থাকি স্বাধীনতাৰ সোৱাদ লোৱাৰ আৰু সোৱাদ বিলোৱাৰ। গান্ধীজীৰ গঠনমূলক কৰ্ম আঁচনিক বাস্তৱত ৰূপায়িত কৰা—ৰাইজৰ প্ৰকৃত সেৱা কৰা—সেইবিলাক কথাই তেওঁ ভাবিছিল।

কিন্তু হঠাতে কি হ'ল? বেছেৰীয়াৰ আশ্ৰমত থাকোঁতেই ঘটনাটো ঘটিল।

১৯৪৭ চনলৈকে তেওঁ বেছেৰীয়াৰ আশ্ৰমতে অতি সাধাৰণভাৱে জীৱন অতিবাহিত কৰিছিল। বেছেৰীয়াৰ নিৰ্জন পৰিবেশে তেওঁক মুগ্ধ কৰিছিল। মনতে সংকল্প লৈছিল জীৱনৰ বাকী কেইটা দিন এই আশ্ৰমতে কটাই গান্ধীজীৰ গঠনমূলক কৰ্ম আঁচনিক বাস্তৱত ৰূপায়িত কৰিব। ১৯৩৭ চনৰ নিৰ্বাচনৰ সময়ত বেছেৰীয়াৰ মাটিখিনি চন্দ্ৰকুমাৰ নাথে অমিয়ৰ নামত সাতশ' টকাত ক্ৰয় কৰিছিল; যিহেতু মাটিগিৰী নহ'লে সদস্যৰূপে নিৰ্বাচনত নামিব নোৱাৰে। লাহে লাহে অমিয়ই সেই ধাৰ সুজিলে। সুবিধা বুজি আৰু অলপ কাষৰীয়া মাটি তেওঁ কিনিছিল। ৰিভাই নাথ নামৰ

এজন কৃষকেও আশ্ৰমলৈ বুলি অলপ মাটি দান দিছিল। ওচৰ পাজৰৰ নিবনুৱা যুৱকসকলক লৈ আশ্ৰমতে কুটীৰ শিল্প, হস্তশিল্প, মৌমাখি পালন, বাঁহ-বেতৰ কামৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা হ'ল। অমিয়ই আশ্ৰমতে থাকে। বাঁহৰ খাটত শোৱে। হঠাতে অসমৰ গৱৰ্ণৰ চাৰ আকবৰ হাইদৰী আৰু মুখ্যমন্ত্ৰী বৰদলৈয়ে অমিয়ক এদিন এই বাঁহৰ খাটতে শুই থকাতে পাইছিলহি। তেওঁলোক আহিছিল অমিয়ক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ লৈ। প্ৰকৃততে এই আশ্ৰমৰপৰা গৈয়ে তেওঁ শ্বিলঙৰ ৰাজ-হাউলিত মন্ত্ৰী হৈ প্ৰৱেশ কৰিছিলগৈ। তেওঁ মন্ত্ৰী হৈ যোৱাৰ পিছত আশ্ৰমৰ দেখাশুনাৰ ভাৰ পুন্নেশ্বৰ নাথৰ ওপৰত ন্যস্ত হৈছিল।

অমিয়ক লগৰ সহকৰ্মীয়ে সান্ত্বনা দিছিল—মন্ত্ৰী হ'লে তেওঁ এখন কিয় এশ'খন আশ্ৰম পাতিব পাৰিব। অমিয় উপায়বিহীন! দৰং পৰীয়া ৰাইজৰ উপৰ্যুপৰি অনুৰোধ—অমিয় বাধ্য হ'ল মন্ত্ৰীত্বৰ ডোলডাল ডিঙিত আঁৰি ল'বলৈ।

সেই সময়ত অমিয়ৰ সহধৰ্মিণী পুষ্পলতায়ো তেওঁ মন্ত্ৰীসভাত যোগদান কৰিবলৈ লোৱা কথাটোত মনে মনে বৰ সুখী হোৱা নাছিল। এই ক্ষেত্ৰত দুয়োৰে মনৰ গতি চিন্তাধাৰা প্ৰায় একেই আছিল। পৰিস্থিতিয়ে কিন্তু অমিয়ক বাধ্য কৰাইছিল—নিজৰ মতবাদৰ বিৰুদ্ধে গৈও মন্ত্ৰীসভাত যোগ দিবলৈ। নতুন পৰিস্থিতি আৰু পৰিবেশত নিজকে কেনেকৈ খাপ খুৱাই চলাব সেই কথাই অমিয়ক চিন্তান্বিত কৰি তুলিছিল। অমিয়ই পত্নীলৈ লেখিছিল ঃ

> আজিহে এতিয়া গীতাৰ অনাশক্তি যোগ নিজৰ মনত কেনেকৈ ডাঠকৈ বহুৱাব পাৰো তাকেই ভাবি আছো। অনাশক্তি যোগৰ প্ৰয়োজনীয়তা এতিয়াহে ভালকৈ অনুভৱ কৰিব পাৰিছো। দাৰিদ্ৰ্যৰ মাজত থাকি অনাশক্তিৰ ভেটিত নিজৰ মনটো বহুৱাই ললেও আজি মনলৈ এটা সংশয়ৰ ভাব আহিছে জানোচা পদমৰ্যদাই মোক তল থাপলৈ নমায়, জানোচা মনলৈ মোহ আহে। গান্ধীজীৰ

জেনেভাৰ বন্ধুৱা সংস্থাৰ সভাগৃহৰ ওচৰত ভাৰতীয় প্ৰতিনিধি দলৰে সৈতে দলপতি শ্ৰীঅমিয় কুমাৰ দাস



জেনেভাত বহা আন্তৰ্জাতিক বন্ধুৱা সন্মিলনত ভাৰতীয় বন্ধুৱা সংস্থাৰ দলপতি হিচাপে ভাষণ দিয়া মুহূৰ্তত

পৰশুৰাম কুণ্ডত গান্ধীজীৰ অস্থিভস্ম তৰ্পণৰ সময়ত

দ্বিতীয় নাতিনী শ্ৰীমতী প্ৰীতাৰ (কণা) এমাহৰ দিনা

একাদশ ব্ৰতৰ* প্ৰয়োজনীয়তা আজি ভালকৈ অনুভৱ কৰিব পাৰিছো—কেনেকৈ নিজক ইয়াৰ বাবে সাজু কৰিব পাৰি সেই কথাই মনলৈ আহি আছে। আমাৰ দুয়োৰে জীৱনত সৰহ বস্তু একো নালাগে—লগাতকৈ সৰহ বস্তুৰ সাৰ্থকতা কি? ইমান দিনে এইবিলাক প্ৰশ্ন মনলৈ অহা নাছিল এতিয়া জানোচা পদমৰ্যদাই মোৰ মনলৈ লগাতকৈ সৰহ বস্তুৰ বাবে মোহ আনে!……জীয়াই থাকিবলৈ প্ৰয়োজনীয় আয়তকৈ সৰহখিনি ৰাজহুৱা কামত দিম বুলিয়েই সিদ্ধান্ত কৰিছো। সেৱা ধৰ্মকেই জীৱনৰ একমাত্ৰ ব্ৰত বুলি নতুন অৱস্থাৰ সন্মুখ হ'বলৈ সাজু হ'ব ধৰিছো।

মন্ত্ৰীসভাত যোগদান দিয়াৰ দিনা শপত গ্ৰহণৰ সময়ত অমিয়ৰ মনত পৰিছিল কনকলতালৈ, কুশল কোঁৱৰলৈ আৰু কমলা মিৰিলৈ, নিজৰ অজানিতে দুচকুৰপৰা লোতকৰ ধাৰ বৈ গৈছিল।

ৰাজপথে ৰাজপথে গাঁৱৰ অলিয়ে গলিয়ে খোজ কাঢ়ি খোজ কাঢ়ি বিৰামহীনভাৱে ৰাইজৰ মাজত স্বাধীনতা লাভৰ স্পৃহা জগাই তোলাৰ আজি যেন সাৰ্থকতা হ'ল' এটা যুগৰ অৱসান হ'ল। সেই যুগ কৰ্মৰ-ত্যাগৰ ঐকান্তিকতা আৰু নিষ্ঠাৰ।

ভাবিছিল ৰাজ-হাউলিত থাকি চৰকাৰী ফাইল ঘাটি মন্ত্ৰীত্বৰ দায়িত্ব পালন কৰি স্বাধীন অসম গঢ়াৰ সপোন এইবাৰ সাৰ্থক কৰি তুলিব। মন্ত্ৰীত্বৰ ভালুকৰ সাঙীয়ে অমিয়ক সহজে এৰা দিয়া নাছিল। প্ৰায় এটা দশক ১৯৪৭ চনৰপৰা ১৯৫৭ চনলৈ তেওঁ মন্ত্ৰীত্বৰ দায়িত্ব পালন কৰিব লগা হৈছিল। বিষ্ণুৰাম মেধিৰ মুখ্য-মন্ত্ৰীত্বত তেওঁ শিক্ষা, শ্ৰম বিভাগ আৰু জনজাতীয় উন্নয়ন বিভাগৰ দায়িত্ব পালন কৰিছিল মন্ত্ৰীত্বৰ দায়িত্ব লৈয়ে অমিয়ই গণপৰিষদৰ সদস্য পদৰপৰা পদত্যাগ কৰিছিল।

দেশৰ স্বাধীনতা সংগ্ৰামত লাগি ইংৰাজ চৰকাৰৰ বিভিন্ন জেলত

---

* একাদশ ব্ৰত—অহিংসা, সত্য, আস্তেয়, ব্ৰহ্মচৰ্য, আস্বাদ, নিৰ্ভীকতা, শাৰ পৰিশ্ৰম, সৰ্ব ধৰ্মৰ প্ৰতি সমদৰ্শীতা, অসংগ্ৰহ, স্বদেশী আৰু চিন্তাশীলতা।

জীৱনৰ বহুমূলীয়া বছৰকেইটা কটাই দেশৰ বেছিভাগ কংগ্ৰেছ কৰ্মীয়েই ১৯৪৭ চনত শ্ৰান্ত আৰু ক্লান্ত হৈ পৰিছিল। দেশে মাত্ৰ স্বাধীনতা লাভ কৰিছেহে: দেশবাসীক সংগঠন কৰা, অৰ্থনৈতিক বুনিয়াদ গঢ়া, ৰাজনৈতিক পৰিবেশ সুস্থিৰ কৰা, ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত চলি থকা অন্যায়-অবিচাৰ আৰু বিশৃঙ্খলতাৰ অন্ত পেলোৱা আদি নানা সমস্যা, দেশ গঢ়াৰ সমস্যা।

১৯৪২ৰ পৰা ১৯৪৫ চনলৈকে একেলেথাৰিয়ে জেলত থাকি অমিয়ৰো মনৰপৰা উৎসাহ-উদ্দীপনা প্ৰায় নিঃশেষ হৈ গৈছিল। নিৰাশা আৰু হতাশাই মন আগুৰি ধৰিছিল। মনত বিৰাট অৱসাদ!

১৯৪৭ চনত মন্ত্ৰীত্বৰ দায়িত্ব লোৱাৰ আহ্বান অহাত অমিয়ই অনিচ্ছাসত্বেও নতুন কৰ্মক্ষেত্ৰত জপিয়াই পৰিল।

অসমৰ প্ৰধান আৰু একমাত্ৰ ৰেল পথৰ এক প্ৰধান অংশ পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাত অসম আৰু ভাৰতৰ অন্যান্য ঠাইৰ লগত থকা যোগাযোগ ব্যৱস্থা প্ৰায় বিচ্ছিন্ন হৈ যোৱাত অমিয়ই যোগান বিভাগৰ মন্ত্ৰী হৈ ডাঙৰ সমস্যাৰে সন্মুখীন হ'ব লগা হ'ল। মুখ্যমন্ত্ৰী বৰদলৈৰ লগ লাগি তেওঁ ততাতৈয়াকৈ অসম আৰু বংগৰ মাজত এটা বিকল্প ৰেলপথ গঢ়াৰ আঁচনি ল'লে। এই আঁচনিত কেন্দ্ৰীয় চৰকাৰে লগে লগেই অনুমোদন জনালে। সময়ত সেয়ে শিলিগুৰি-বাৰাউনী ৰেলপথৰূপে গঢ়ি উঠিল।

যোগানবিভাগৰ দায়িত্বত থাকি অমিয়ই ব্যক্তিগতভাৱে কেইটা-মান আহুকলীয়া সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। সামগ্ৰী যোগানৰ 'পাৰ্মিট' বিচাৰি বহুজনে তেওঁক খাটনি ধৰিছিল। এজন প্ৰাক্তন কংগ্ৰেছকৰ্মীয়ে (তেতিয়া বিৰোধী পক্ষত যোগ দিছিল) তেওঁৰ ওচৰত কাপোৰৰ 'পাৰ্মিট' বিচৰাত আৰু তেওঁৰ বৰ্তমানৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয় বুলি লিখাত অমিয়ৰ চুপাৰিচত তেওঁৰ নামত 'পাৰ্মিট' প্ৰদান কৰাই দিছিল। বন্ধুজনে এই 'পাৰ্মিট'খন এজন মাৰোৱাৰী ব্যৱসায়ীক বিক্ৰী কৰি দিছিল। এই কথালৈ

অমিয়ই বিধায়নীদলৰ সভাত নানা সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল ; দুই / একে তেওঁৰ আনকি পদত্যাগো দাবী কৰিছিল। তেওঁক কিন্তু বৰদলৈয়ে পূৰ্ণ সমৰ্থন দিছিল। পৰিস্থিতি আৰু বেয়ালৈ যাবলৈ নাপালে। আকৌ, এবাৰ অমিয়ৰ "মোৰ সত্য অন্বেষণৰ কাহিনীৰ" প্ৰথম প্ৰকাশক গৰাকীয়ে তেওঁৰ পৰা মচুৰ দাইল আৰু চেনিৰ 'পাৰ্মিট' লৈছিল—তেৰেঁা অজানিতে দুৰ্নীতিত লিপ্ত হৈছিল। চৰকাৰে এই বন্ধুজনক পাচ শ টকাৰ জৰিমনা কৰে। বন্ধুৱে "মোৰ সত্য অন্বেষণৰ কাহিনী" (১৯৩৪) প্ৰকাশ কৰোঁতে পাঁচ শ টকা খৰচ পৰা বুলি পূৰ্বে অমিয়ক জনাইছিল। এইবেলি অমিয়ই বন্ধুক ক'লে—তুমি মোৰপৰা এই পাঁচ শ' টকা লোৱা, মোক ঋণমুক্ত কৰা আৰু জৰিমনাৰ ধন দিয়া। তেওঁ কোনোপধ্যে টকা নলয়। অমিয়ৰ চকুত চকুপানী। টকা নোলোৱোকৈয়ে বন্ধু গুচি গৈছিল। পিছত অমিয়ই চেকযোগে টকা পঠিয়াই দিয়া সত্বেও সেই টকা তেওঁ গ্ৰহণ কৰা নাছিল। চেক্ ঘূৰি আহিছিল।

কোনো লোকে তেওঁক বিশ্বাসঘাতকতা কৰিলেও, অন্যায় বা অবিচাৰ কৰিলেও তেওঁৰ বিৰুদ্ধে কঠোৰ বা নিৰ্দয় হোৱা বা কোনো প্ৰকাৰে আঘাত দিয়াতো অমিয়ৰ চৰিত্ৰৰ বৈপৰিত্য কথা। এয়া তেওঁৰ দুৰ্বলতা।

শ্ৰমমন্ত্ৰী হিচাপে তেওঁৰ লক্ষ্য আছিল কেনেকৈ চাহ শ্ৰমিকসকলৰ কল্যাণ সাধন কৰিব পাৰি। চাহ মজদুৰৰ অৰ্থনৈতিক সমস্যাৰ লগত তেওঁৰ বহুত দিনৰপৰা পৰিচয়। চাহ মজদুৰে কাম কৰি যথেষ্ট ধন পায়, কিন্তু তেওঁলোকৰ মাজত বহুতো কু-অভ্যাস থকাত ধন সাঁচিব নোৱাৰে। সেয়ে তেওঁৰ যত্নত ১৯৫২ চনত বিধান সভাত **Assam Tea Plantations Compulsory Savings Fund Scheme Bill** গৃহীত হয়। পিছত ১৯৫৪ চনত সেয়ে **Employees Provident Fund Act** নামেৰে আইনত পৰিণত হয়। তেতিয়াৰ পৰা চাহ মজদুৰে ভবিষ্যত নিধিত টকা ৰখাতো বাধ্যতামূলক হৈ পৰিল। এনেদৰে শ্ৰমিকে ভৱিষ্যত নিধিত টকা ৰাখিবলৈ সুবিধা

পোৱা অসমেই প্ৰথম ৰাজ্য। ইয়াৰ ফলত প্ৰায় পাঁচ লাখ চাহ শ্ৰমিক উপকৃত হয়। এচিয়াৰ ভিতৰতো এই আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত ভাৰতৰ এই ৰাজ্যখনেই প্ৰথম আছিল।

চাহ শ্ৰমিকৰ ল'ৰা-ছোৱালীৰ মাজত বিনামূলীয়াকৈ প্ৰাইমেৰী শিক্ষাদানৰো তেওঁ ব্যৱস্থা কৰিছিল। '৯৪৯ চনত জেনেভাত বহা আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ সভাত ভাৰতীয় দলৰ নেতৃত্বৰ ভাৰ অমিয়ৰ ওপৰত পৰিছিল। ঘূৰি আহোঁতে তেওঁ ইংলণ্ড, পেৰিচ আৰু ৰোমলৈও গৈছিল। সেই ঠাইবোৰত কেইবাজনো অসমীয়া ছাত্ৰক লগ পাইছিল। অমিয়ৰ হাতত থকা অলপ টকাৰেই তেওঁ-লোকক চাহ খুওৱা আৰু দুই/এটা সৰুসুৰা বস্তু কিনোতেই তেওঁৰ তলি উদং হৈছিল। ইচ্ছা থকাতো অৰ্থৰ অভাৱত তেওঁ অন্যান্য ঠাইলৈ যাব নোৱাৰিলে। গান্ধীজীয়ে প্ৰবৰ্তোৱা বুনিয়াদী শিক্ষা-পদ্ধতিত অমিয়ৰ গভীৰ প্ৰত্যয় জন্মিছিল। আৰু তেওঁ বিশ্বাস কৰিছিল যিখন দেশত শতকৰা ৮০ ভাগ মানুহেই কৃষি-কৰ্ম কৰি জীৱিকা উপাৰ্জন কৰে তাত পশ্চিমীয়া দেশৰ শিক্ষা পদ্ধতি কেতিয়াও খাপ নাখায়। এনে ধৰণৰ শিক্ষাৰে শিক্ষিত ল'ৰা-ছোৱালীয়ে দৈহিক শ্ৰম কৰিবলৈ লাজ পায়—ফলত শ্ৰমৰ মৰ্যদা কি বুজি নাপায়। গান্ধীজীৰ ভাষাত 'যিসকলে হাতৰ প্ৰশিক্ষণ নলৈ শিক্ষাৰ তথা কঠিত গতানুগতিক পদ্ধতিকে অনুসৰণ কৰি থাকে তেওঁলোকে প্ৰকৃত অৰ্থত জীৱনৰ মাধুৰ্য হেৰুৱাই পেলায়' গান্ধীজীয়ে কৈছিল :

> যি শিক্ষাৰ জীৱনৰ লগত সম্বন্ধ নাই, যি শিক্ষাক কোনেও আনন্দৰে আহৰণ কৰিব নোৱাৰে, যি শিক্ষাৰ মাধ্যম কোনো কাৰিকৰী বিদ্যা নহয়, সেই শিক্ষা শিক্ষনীয় বুলি ভাবে নে? স্বাৱলম্বী জাতি এটা এই শিক্ষাৰে গঢ়িব পৰা যাব নে? শিক্ষাৰ বুনিয়াদ হাতৰ বি কোনো এটা বিদ্যাৰ জৰিয়তে শিশু হাতবেই গঢ়ি তুলিব নোৱাৰিলে জাতিৰ বুনিয়াদে গঢ় নলয়। ভাত আৰু কাপোৰৰ সমস্যা আগতে

শেষ হ'ব লাগিব। এই সামান্য প্ৰয়োজনীয়তাখিনিৰ কাৰণে মানুহে কষ্ট পাব নালাগিব। সেই কাৰণেই মই যঁতৰ আৰু কৃষিক অধিক প্ৰাধান্য দিছো। যতৰৰ সলনি বিদ্যালয়বিলাকে আন হাতৰ শিল্পৰ জৰিয়তেও শিশুক শিক্ষা দিব পাৰে। তাত মোৰ কোনো আপত্তি নাই। কিন্তু শিক্ষাৰ মূল উদ্দেশ্য হব লাগিব স্বাৱলম্বন। শিশুৱে কিতাপৰ দাস নহৈ কিতাপৰ বিদ্যাখিনিকো নিজৰ আয়ত্বলৈ আনিব লাগিব, তেহে স্বাধীন ভাৰতে আত্ম-সন্মানী জাতি এটা গঢ়িব পাৰিব।

গান্ধীজীয়ে যতৰৰ ব্যৱহাৰৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছিল, যিহেতু তেওঁৰ মতে—

যতৰটোক এটা সৰুসুৰা কাৰখানা বুলি চাবলৈ যত্ন কৰক। বেকাৰ সমস্যাৰে জৰ্জৰিত দেশ এখনত মানুহ এজনক দিনে দু-অনা পইচা উপাৰ্জন কৰিবলৈ দিয়া যন্ত্ৰ হিচাপে যতৰটোলৈ মন কৰক।…মই চকু মুদিবৰ আগতে শিক্ষিত শ্ৰেণীৰ সহযোগ পালে মানুহ এজনৰ আয় দু অনাৰ পৰা আঠ অনা দেখি যাব পাৰিম।

গান্ধীজীৰ বুনিয়াদী শিক্ষা পদ্ধতিৰ ওপৰত থকা গভীৰ বিশ্বাসে অমিয়কো প্ৰভাৱন্বিত কৰিছিল। কংগ্ৰেছ চৰকাৰে এই শিক্ষা পদ্ধতিক অসমত চলাবলৈ প্ৰথমৰেপৰাই প্ৰচেষ্টা চলাইছিল। প্ৰধান মন্ত্ৰী বৰদলৈৰ শিক্ষা মন্ত্ৰীত্বৰ কালত বুনিয়াদী শিক্ষা পদ্ধতিয়ে অসমত গজালি মেলে। বৰদলৈৰ পিছত অমিয়ই শিক্ষা মন্ত্ৰীৰ দায়িত্বত থকা কালচোৰাত বুনিয়াদী শিক্ষা পদ্ধতিয়ে অসমত আন ৰাজ্যৰ তুলনাত যথেষ্ট অগ্ৰগতি লাভ কৰে। তেওঁৰ যত্নতে শিক্ষকসকলক প্ৰশিক্ষণ দিবলৈ ভিত্তাবৰত এটা বেছিক ট্ৰেইনিং কলেজ স্থাপন হয়। তাৰ বাহিৰেও অন্যান্য ঠাইত বুনিয়াদী শিক্ষা কেন্দ্ৰসমূহ মুকলি হয়। চৰকাৰে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ বাবে সুকীয়া বানচৰ ব্যৱস্থা কৰে।

প্ৰকৃততে অসমত ১৯৫০ চনৰপৰাহে বুনিয়াদী শিক্ষা পদ্ধতিৰ

কাম আৰম্ভ হয়। তত্ৰাচ, ১৯৫৩ চনত অসমৰ বুনিয়াদী কৰ্মীসকলে অমিয়ৰ নেতৃত্বত তিতাবৰৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত সৰ্বভাৰতীয় বুনিয়াদী শিক্ষা সম্মিলন সফলতাৰে পাতিবলৈ সক্ষম হৈছিল। এই সম্মিলনে চৰকাৰী সাহাৰ্য নলৈ ৰাইজৰ দানবৰঙণিৰে কাম চলাইছিল। এই সম্মিলনলৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰপৰা কমেও ডেৰ হেজাৰ প্ৰতিনিধি আহিছিল। বুনিয়াদী শিক্ষা সম্মিলনীৰ সফলতাই অসমত এই শিক্ষা পদ্ধতিক ৰাইজৰ মাজত জনপ্ৰিয় কৰি তুলিছিল। তেতিয়াৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে প্ৰাইমেৰী শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ অসমত বুনিয়াদী শিক্ষা প্ৰবৰ্তন কৰিবলৈ নিৰ্দেশ দিছিল। অসম বিধান সভাই ১৯৫৪ চনৰ জুলাই অধিবেশনত এই শিক্ষা পদ্ধতিক গ্ৰহণ কৰি আইন প্ৰণয়ন কৰে। বুনিয়াদী শিক্ষা প্ৰচলন কৰাৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে অসমে আগ আসন পাইছিল।

তিতাবৰ সম্মিলনত অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল বিমলা প্ৰসাদ চলিহা। সভাখনৰ উদ্বোধক আছিল অসমৰ প্ৰখ্যাত সমাজ-কৰ্মী ডাঃ হৰেকৃষ্ণ দাস। মূল অধিবেশনত সভাপতিত্ব কৰিছিল কাকা কালেলকাৰে। তেখেতে সভাপতিৰ ভাষণত কৈছিল ঃ

> মই ভবাত ভাৰতৰ মনীষা হিংসা বিৰোধী হোৱাত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক আদি সকলো সমস্যাৰ সমাধান শিক্ষাৰ মাধ্যমৰেহে কৰিব পৰা যাব। মোৰ সম্পূৰ্ণ প্ৰত্যয় জন্মিছে যে আগতে সামাজিক আৰু মানসিক বিপ্লৱ নহলে কোনো অৰ্থনৈতিক সংস্কাৰেই ভাৰতত কৃতকাৰ্য হব নোৱাৰে। কিন্তু সামাজিক আৰু মানসিক বিপ্লৱৰ বাবে শিক্ষাৰ ক্ষেত্ৰত দেশজোৰা বিপ্লৱৰ প্ৰয়োজন।

তিতাবৰ সম্মিলনে বাপুজীৰ শ্ৰেণীহীন সমাজৰ এটি প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সক্ষম হৈছিল। এই সম্মিলনত দিনে প্ৰতি সাঁজত হেজাৰ মানুহে একে লগে মাটিত বহি আহাৰ কৰিছিল। সেই ব্যক্তিসকলৰ মাজত ৰাজ্যপাল, মুখ্যমন্ত্ৰী, মন্ত্ৰী, ডাঙৰ বিষয়াৰ লগত

ড্ৰাইভাৰ, চাপ্ৰাচী, পিয়ন আদিও একেলগে বহিছিল। ৰাজ্যপালে নিজৰ খোৱাপাত তুলি নি গাঁতত পেলাইছিল। এই সকলো কথা আৰু কাম অমিয়ৰ বাবেই সম্ভৱ হৈছিল। তেওঁ বিচাৰিছিল সর্ব-সাধাৰণ ৰাইজৰ মাজত বুনিয়াদী শিক্ষাৰ প্ৰকৃত আদর্শ দাঙি ধৰিবলৈ আৰু তাৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ।

পিছৰবাৰ ১৯৫৪ চনৰ অখিল ভাৰত বুনিয়াদী শিক্ষা সম্মিলনৰ অধিবেশন সেৱাগ্ৰামত অনুষ্ঠিত হৈছিল। এই অধিবেশনলৈ অসমৰ পৰা একমাত্ৰ শিক্ষামন্ত্ৰী অমিয় কুমাৰ দাস আৰু বুনিয়াদী শিক্ষা বিষয়া সুৰেশ্বৰ গোহাঁয়েহে যাবলৈ সুবিধা পাইছিল। অসমৰ পৰা আৰু কোনো প্ৰতিনিধিয়ে এই সম্মিলনত যোগ দিবলৈ সুবিধা নোপোৱাত অমিয়ই বেজাৰ পাইছিল। সম্মিলনে অসমৰপৰা দহ জন প্ৰতিনিধি পঠাবলৈ কৈছিল; কিন্তু চৰকাৰে মাত্ৰ দুজনকহে যাবলৈ অনুমতি দিয়ে। সেৱাগ্ৰামত ব্যৱস্থা আছিল মন্ত্ৰীসকলে আলহী ঘৰত থাকিব আৰু বিষয়াসকল ছাত্ৰাবাসত থাকিব। এনে ব্যৱস্থা দেখি অমিয়ই অভ্যৰ্থনা সমিতিৰ কর্মকর্তাসকলক কৈছিল— বুনিয়াদী শিক্ষাত মন্ত্ৰীও নাই, কর্মচাৰীও নাই—সকলোৱেই কর্মী। আৰু এই ব্যৱস্থাত তেখেতে দুৰ্ঘোৰ আপত্তি কৰাত শেহত আলহী ঘৰতে মন্ত্ৰী আৰু বিষয়া একেলগে থকাৰ ব্যৱস্থা হ'ল—অৱশ্যে অকল অসমৰ ক্ষেত্ৰতহে।

অমিয়ৰ শিক্ষামন্ত্ৰীত্বৰ কালত বুনিয়াদী শিক্ষা-ব্যৱস্থাই অসমত ভালদৰে প্ৰসাৰ লভিবলৈ সক্ষম হয়। আনকি অসমৰ পাৰ্বত্য জিলা কেইখনতো—নগাপাহাৰ, গাৰোপাহাৰ আৰু লুচাই পাহাৰত এই শিক্ষা-ব্যৱস্থাৰ বহুলভাৱে প্ৰবৰ্তন হৈছিল। অসমত বুনিয়াদী শিক্ষাৰ খতিয়ান ল'বলৈ ভাৰতৰ অন্যান্য ঠাইৰ পৰাও বহুতো ব্যক্তি আহিছিল।

অমিয়ৰ বুনিয়াদী শিক্ষা-ব্যৱস্থাত থকা আস্থা আৰু প্ৰত্যয় জীৱনৰ শেষ কাললৈকে অটুট আছিল। দেশৰ শিক্ষা-ব্যৱস্থাত বুনিয়াদী শিক্ষাই লাহে লাহে পশ্চাৎগামী ৰূপ লোৱা দেখি তেওঁ বৰ

আক্ষেপ কৰিছিল। তেওঁৰ ধাৰণাত পশ্চিমীয়া শিক্ষা-ব্যৱস্থাৰ অন্ধ অনুকৰণে দেশত দুৰ্নীতি বঢ়াইছে আৰু নৈতিকতাৰ অৱনতি ঘটাইছে। তেওঁ কৈছিল :

> শিক্ষানীতিৰ পৰিবৰ্তন, অৰ্থনৈতিক উন্নতি, দুৰ্নীতি ইত্যাদি সমস্যাৰ সমাধান কেনেকৈ কৰিব পাৰি সেই-টোৱেই জাতিৰ সন্মুখত এটি ডাঙৰ প্ৰশ্ন। মহাত্মা গান্ধীয়ে এই সম্পৰ্কে আমাৰ আগত কাৰ্য-তালিকা দাঙি ধৰিলেও নানা শক্তিৰ প্ৰভাৱত আমি বিপথগামী হ'বলগীয়া হ'ল। আমি পছিমীয়া দেশবিলাকক অন্ধৰ দৰে অনুসৰণ নকৰি আমাৰ পৰিস্থিতিৰ লগত খাপ খুৱাব পৰাকৈ কেনেকৈ এটা সমাধান সূত্ৰ উলিয়াব পাৰি সেই বিষয়ে সৰ্বলোৱে চিন্তা কৰিব লগীয়া হৈছে। আজি এটা ভাল কথা হৈছে দেশৰ সকলো লোকে উপলব্ধি কৰিব পাৰিছে যে আজি ভুল নীতি অনুসৰণ কৰাৰ ফলত দেশত নিবনুৱা সমস্যা আৰু তাৰ ফলত দাৰিদ্ৰ্যৰ সমস্যা বাঢ়ি যাব ধৰিছে।

তেওঁৰ শিক্ষামন্ত্ৰীত্বৰ কালত বুনিয়াদী শিক্ষা ব্যৱস্থাই অগ্ৰাধিকাৰ পালেও কাৰিকৰী শিক্ষাৰ প্ৰতিও তেওঁ মনোযোগ দিছিল। কাৰিকৰী শিক্ষানুষ্ঠান দেশত গঢ়ি তুলিবলৈ তেওঁ প্ৰয়াস কৰিছিল।

শিক্ষামন্ত্ৰী হিচাপে বিভিন্ন জন-জাতিৰ আবাস-থলী অসমত এটা জন-জাতীয় লোকৰ কলা-কৃষ্টিৰ গৱেষণা কেন্দ্ৰ খোলাৰ বাবেও তেওঁ প্ৰচেষ্টা চলাইছিল।

অসমৰ থলুৱা লোক-সাহিত্য, লোক-গীত আদিৰ সংগ্ৰহ আৰু সংৰক্ষণৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ক ল'বলৈ তেওঁ অনুৰোধ কৰিছিল।

কেইজনমান বিদ্যুৎসাহী মিছনেৰী আৰু ইংৰাজ প্ৰশাসকে অসমৰ জন-জাতীয় অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ ওপৰত আলোকপাত কৰি কেইখনো বহুমূলীয়া গ্ৰন্থ প্ৰণয়ন কৰি থৈ

গৈছে। কিন্তু বহুক্ষেত্ৰতে এই কাম আধকৰা হৈ বৈ গৈছিল অমিয়ই শিক্ষামন্ত্ৰী হৈ থকা কালত জন-জাতীয় লোকৰ ভাষাসমূহৰ গৱেষণা আৰু অধ্যয়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল আৰু তাৰ বাবে তেওঁ এখন আঁচনি যুগুতাইছিল। এই ক্ষেত্ৰত তেওঁক যথেষ্ট পৰিমাণে সহায় কৰিছিল ডঃ বাণীকান্ত কাকতী আৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই। ডঃ বৰুৱাই অসমৰ জন-জাতীয় ভাষা-গৱেষণাৰ আঁচনি এখন তেওঁৰ দিনতে অসম চৰকাৰৰ শিক্ষামন্ত্ৰণালয়ত দাখিল কৰিছিল। এই আঁচনি মতে গৱেষক এজনে এশ' টকাকৈ মাহিলী গৱেষণা বৃত্তি পাব। ১৯৫১ চনত বড়ো আৰু টাই ভাষাৰ গৱেষণাৰ বাবে এই বৃত্তি প্ৰথমে প্ৰমোদ ভট্টাচাৰ্য্যক দিয়া হৈছিল। গুৱাহাটীত প্ৰতিষ্ঠিত 'অসম একাডেমী ফৰ কালচাৰেল ৰিলেচনচ্' (১৯৬০) ডঃ বিৰিঞ্চি বৰুৱা আৰু অমিয় কুমাৰ দাসৰ যুটীয়া প্ৰচেষ্টাৰ ফল। অমিয়ৰ জনজাতীয় ভাষা প্ৰীতিৰ বাবেই বৰ্তমানে ডেউৰী, মিচিং, ডিমাছা—মণিপুৰী আদি বিভিন্ন ভাষাৰ ক্ষেত্ৰত নানা গৱেষণা আৰু চৰ্চা চলি আছে। বড়ো ভাষা আজি শিক্ষাৰ মাধ্যমৰূপে পৰিগণিত হোৱাৰ মূলতে আছিল অমিয়ৰ অনুপ্ৰেৰণা আৰু চেষ্টা।

অমিয়ই নিজেও কষ্ট কৰি কেইটামান জন-জাতীয় ভাষা শিক্ষাৰ প্ৰয়াস কৰিছিল। ভাষা নেজানিলে ভাৱৰ আদান-প্ৰদানত অসুবিধা। সেয়ে নিজে নোট-বুকত অসমীয়া হৰফত জনজাতীয় ভাষাৰ কথা আৰু অৰ্থ লেখি তাক জনাৰ তেওঁ আন্তৰিক প্ৰচেষ্টা চলাইছিল। তাৰ উপৰি তেওঁৰ যত্নতে মিছামাৰীত পৰ্বত-ভৈয়াম ভাষা সমন্বয় কেন্দ্ৰ এটা প্ৰতিষ্ঠিত হৈছিল। এই কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থী-সকলে অসমীয়াত ভালদৰে লিখিব পঢ়িব পাৰিছিল। এই কেন্দ্ৰই চৰকাৰী অনুদানো পাইছিল। তালৈ তেওঁৰ চেষ্টাতে কেইবাজনো অসমীয়া ভাষা পণ্ডিতো গৈছিল—জন-জাতীয় ভাষা আৰু অসমীয়া ভাষাৰ মাজত সমন্বয় গঢ়াৰ বাবে। আৰু এটা কথা অমিয়ই ভাবিছিল অসমীয়া লিপিৰ সলনি দেৱনাগৰী লিপি ব্যৱহাৰ হ'লে অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ বাঢ়িব আৰু বহিঃজগতে অসমক জনাৰ বেছি

সুবিধা পাব। এই ক্ষেত্ৰত হয়তো গান্ধীজীৰ ভাৱধাৰায়ো অমিয়কো প্ৰভাৱন্বিত কৰিছিল। ছাত্ৰ সম্মিলনৰ দিনৰে পৰাই তেওঁ এনে এটা ভাৱ পোষণ কৰিছিল। সেইকালৰ কেইবাজনো বুদ্ধিজীৱি যুব নেতাই অমিয়ক সমৰ্থন কৰিছিল। কিন্তু কাৰ্য্যতঃ একো নহ'ল—অসম সাহিত্য সভাই এই কথাত আপত্তি দৰ্শালে।

১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে ৮৪ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ৬৫ খন আসনতে জয়লাভ কৰে এই নিৰ্বাচনৰ আগে আগে অসম কংগ্ৰেছত দলীয় গোষ্ঠী ৰাজনীতিয়ে অনুপ্ৰৱেশ কৰিছিল। কংগ্ৰেছৰ এটা দলে বিষ্ণুৰাম মেধিক মুখ্যমন্ত্ৰীত্বৰপৰা অপসাৰণ কৰি এজন বেলেগ নেতা নিৰ্বাচন কৰাৰ প্ৰস্তুতি চলাইছিল। এই দলটোৰ গুৰিয়ালসকল আছিল ফকৰুদ্দীন আলি আহমেদ, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, ময়নুল হক চৌধুৰী, দেবেশ্বৰ শৰ্মা, বিমলা প্ৰসাদ চলিহা আৰু দেৱকান্ত বৰুৱা। দলটোৰ মনোনীত প্ৰাৰ্থী বিমলা প্ৰসাদ চলিহা আমগুৰি সমষ্টিত পৰাজিত হোৱাত তেওঁলোকে দেবেশ্বৰ শৰ্মাক মেধিক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবঢ়ায় দিয়ে। শৰ্মাই শেহত দুটা ভোটত পৰাজিত হয়।

অমিয়ই কংগ্ৰেছৰ মাজত ঘটা ঘৰুৱা কন্দলবোৰ দেখি গভীৰ মনোবেদনা অনুভৱ কৰিছিল। দল-উপদলৰ ৰাজনীতিয়ে গোটেই অনুষ্ঠানটোৰ বাবে আৰু দেশৰ বাবেই যে অমঙ্গলজনক এই কথা ভাবি তেওঁ বৰ চিন্তিত হৈ পৰিছিল। দুই দলৰ মাজত কেনেকৈ সমিল মিল কৰিব পাৰি আৰু যাতে দলটো সোঁ মাজতে বিভক্ত হৈ নেযায় তাৰ বাবেও তেওঁ পাৰ্য্যমানে চেষ্টা চলাইছিল। মন্ত্ৰীসভা গঠনৰ সময়ত তেওঁ মেধিক জনালে যে তেওঁক বাদ দি দুয়ো পক্ষৰ সভ্যক লৈ তেওঁ মন্ত্ৰীসভাখন গঠন কৰা উচিত। দলীয় ঐক্যৰ বাবেই অমিয়ই মন্ত্ৰীসভাৰ বাব এৰিবলৈ সিদ্ধান্ত লৈছিল। তেওঁৰ এই সিদ্ধান্তত ঢেকিয়াজুলিবাসী আৰু দৰং পৰীয়া ৰাইজে ভাল পোৱা নাছিল আৰু তেওঁক পূৰ্বৰ সিদ্ধান্ত সলাবলৈ জোৰ দিছিল। তেওঁ কিন্তু স্ব ইচ্ছাৰেই ডেকাকৰ্মীসকলৰ বাবে বাট এৰি দিছিল।

মন্ত্ৰী সভাত নোসোমোৱাটোৱেই তেওঁৰ শেষ সিদ্ধান্ত আছিল। শেহত বিমলা প্ৰসাদ চলিহাৰ মধ্যস্থতাত দেবেশ্বৰ শৰ্মা আৰু কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে মেধি মন্ত্ৰীসভাত যোগ দিলে।

অমিয়ই মন্ত্ৰী সভাত যোগ নিদিয়াত মেধিয়ে তেওঁক বিধান সভাৰ অধ্যক্ষৰ পদ ল'বলৈ অনুৰোধ কৰিছিল। কিন্তু আইন বিষয়ক জ্ঞান কম বুলি তেওঁ এই বাব ল'বলৈ অস্বীকাৰ কৰিলে। তেওঁ এইবাব নোলোৱাত দেৱকান্ত বৰুৱাই লয়।

সেইকালৰ জ্যেষ্ঠ নেতাসকলৰ ভিতৰত বোধকৰো অমিয়ইহে স্বেচ্ছাৰে মন্ত্ৰীত্বৰ পদমৰ্যাদা এৰি সাধাৰণ বিধায়ক হৈ থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল। অসম মন্ত্ৰীসভাত ইতিমধ্যে দেখা দিয়া ফাট্ লাহে লাহে আৰু বহল হৈ গ'ল। মেধি চৰকাৰে মাত্ৰ আঠ মাহকালহে কাৰ্য-নিৰ্বাহ কৰিবলৈ পালে। তেওঁ মাদ্ৰাজত ৰাজ্যপালৰ নিযুক্তি পাই গুচি যোৱাত ১৯৫৮ চনৰ ২৮ ডিচেম্বৰত বিমলাপ্ৰসাদ চলিহাই নতুন মন্ত্ৰীসভা গঠন কৰে। চলিহা মন্ত্ৰীসভাত মেধিপক্ষৰ কোনেও প্ৰতিনিধিত্ব নেপায়। লাহে লাহে চলিহা মন্ত্ৰীসভাতো অন্তৰ্বিবাদ আৰু গৃহকন্দলে শিপায় যাৰ ফলত অসমত কংগ্ৰেছদলৰ অৱস্থানেই সংকটজনক হৈ পৰে।

উনৈশ অধ্যায়

মনে ভাল পোৱা কাম

পৰিস্থিতি আৰু পৰিবেশত পৰি আমি বহুতো কাম কৰিব লগা হয়—মনে নিবিচাৰিলেও কৰোঁ! কৰিবলৈ বাধ্য হওঁ।

সেই তাহানিৰ কথা! অসহযোগৰ সময়ৰ কথা! দুজন যুৱ-কংগ্ৰেছ নেতাই মনে মনে প্ৰতিজ্ঞা কৰিছিল—তেওঁলোকে কেতিয়াও কাৰো গোলামী নকৰে, গোলামী নেখাটে। ধনী হোৱাৰ বাসনাও তেওঁলোকৰ নাছিল। এদিন যে সংসাৰ পাতিব—ল'ৰা-ছোৱালীৰ-পত্নীৰ ভৱিষ্যতৰ বাবে সংস্থান কৰিব লাগিব সেইবোৰ যেন অলীক কল্পনা! ওকালতি কৰা—স্বাধীনভাৱে ব্যৱসায় কৰা—সেইবোৰ পথ খোলা আছিল। কিন্তু দুই বন্ধুৱে অবিশ্ৰান্তভাৱে ৰাজনৈতিক জীৱনৰ লগত জড়িত হৈ যোৱাত সেইবোৰ কথালৈ মন দিবলৈ সময়কে নেপালে। মাথো ৰাজনীতি কৰা আৰু দেশসেৱা কৰাই যাৰ জীৱনৰ ব্ৰত হয় তাৰ বাবে সঁচাকৈয়ে পথ নিষ্কণ্টক নহয়! সমাজ সেৱা এটা আদৰ্শ—মুখৰে ক'বলৈ সহজ বাস্তৱত ৰূপায়িত কৰাতো কঠিন। বৰ কঠিন।

গান্ধীজীৰ বৈপ্লৱিক চিন্তাধাৰাই ১৯১৯-২০ চনত সেইকালৰ প্ৰায় সকলো যুৱকক কমবেছি পৰিমাণে প্ৰভাৱান্বিত কৰিছিল। গান্ধীজীৰ মতে দেশৰ মুক্তিৰ কাৰণে, উন্নতিৰ কাৰণে, স্থায়ী শান্তিৰ কাৰণে গঠনমূলক কাৰ্যক্ৰমহে প্ৰকৃত কাৰ্যক্ৰম। গান্ধীজীয়ে বিচাৰিছিল খাদী, গ্ৰামোদ্যোগ, ন'ই তালিম ব্যাপকতৰ ৰূপত চলক। আনহাতে সৰ্বোদয়ৰ মূলনীতি আছিল—অহিংসা, সত্য, আস্তেয়, ব্ৰহ্মচৰ্য, আস্বাদ, নিৰ্ভীকতা, গাৰ পৰিশ্ৰম, সৰ্বধৰ্মৰ প্ৰতি সমদৰ্শীতা, অসংগ্ৰহ, স্বদেশী আৰু চিন্তাশীলতা। গান্ধীজীৰ আদৰ্শ অনুযায়ী ভাৰতত ভৱিষ্যতে এনে এখন সমাজ গঢ়ি উঠিব য'ত ধনী আৰু

তৃথীয়াৰ বা বগা আৰু ক'লাৰ নাইবা স্বদেশ আৰু অন্যদেশৰ মাজত কোনো পাৰ্থক্য নেথাকে।

অমিয়ৰ চিন্তাধাৰাত স্বাধীনতা লাভত গঠনমূলক কামৰ যি প্ৰয়োজনীয়তা, স্বাধীনতা ৰক্ষা কৰাতো তাৰ সমানেই প্ৰয়োজনীয়তা আছে। গঠনমূলক কাম এটা যুদ্ধ কৌশল নহয় আৰু যুদ্ধৰ অস্ত্ৰও নহয় যে প্ৰয়োজন অনুসৰি তাক ল'ব পাৰি আৰু প্ৰয়োজন শেষ হ'লে তাক দলিয়াই পেলাব পাৰি। গঠনমূলক কাম হৈছে জীৱনৰ নিযম—এই নিয়ম অন্তঃকৰণেৰে নিজ বুদ্ধিমত্তাৰে গ্ৰহণ কৰিব পাৰিব লাগিব।

গ্ৰামোদ্যোগ জনপ্ৰিয় কৰিবলৈ হলে যান্ত্ৰিক ব্যৱস্থাৰ উন্নতিকল্পে গৱেষণাত লাগিব পৰা কৰ্মী লাগে। দেশবাসীৰ মাজত কাম কৰিবলৈ তেওঁ নিষ্ঠাবান কৰ্মী আৰু সেৱকৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিছিল। খাদীত অহিংসা আৰু শান্তি আছে। খাদী আৰু গ্ৰামোদ্যোগত ৰাইজৰ স্বেচ্ছাকৃত সমৰ্থনৰ প্ৰয়োজন। ৰাইজ আৰু চৰকাৰৰ পূৰ্ণ সহযোগিতাতে গ্ৰামোদ্যোগৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰিছে।

১৯৩৪ চনত গান্ধীজী হৰিজনৰ কামত অসম ভ্ৰমণলৈ আহোঁতে তেওঁ উপলব্ধি কৰিছিল অসমৰ পিছ পৰা অঞ্চলবোৰত সমাজ সেৱা কৰা অনুষ্ঠান আৰু ব্যক্তিৰ অভাৱ। তাৰউপৰি এনে এটি প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ প্ৰয়োজনীয় অভিজ্ঞ লোকৰো অভাৱ। গান্ধীজীয়ে অসমৰ ক্ষেত্ৰত কি কৰিব পাৰি এই বিষয়ে এখন আঁচনি কৰিবলৈ ভাৰতীয় আদিম জাতি সেৱক সংঘৰ মূল মানুহ ঠক্কৰ বাপাক দায়িত্ব দিছিল। ঠক্কৰ বাপা অসমলৈ আগতেও আহিছিল। তেওঁ উপলব্ধি কৰিছিল অসমৰ বিভিন্ন অনুন্নত অঞ্চলত স্থায়ীভাৱে থাকি আশাশুধীয়াভাৱে ৰাইজৰ কল্যাণৰ অৰ্থে কাম কৰাৰ সুচল আছে। কিন্তু এনে এটা কাম আৰম্ভ কৰিবলৈ যি অভিজ্ঞতা আৰু দক্ষতাৰ প্ৰয়োজন সি অসমীয়া কৰ্মীসকলৰ মাজত অভাৱ। বহুতো চিন্তা-চৰ্চাৰ পিছত ঠক্কৰ বাপাই ১৯৩৬

চনৰ মাৰ্চ মাহত অসমত এনে কাম কৰিবলৈ বুলি গান্ধীজীৰ সেৱাশ্ৰমত কাম কৰি অভিজ্ঞ হোৱা বেইল কচান্না ভাণ্ডাৰীক পঠিয়ায়। ভাণ্ডাৰী দক্ষিণ ভাৰতৰ মাঙ্গালোৰৰ মানুহ আছিল।

অসমৰ নেতৃবৰ্গই ভাণ্ডাৰীক ক'ত কেনেভাৱে নিয়োগ কৰিব পাৰি চিন্তা কৰি শেহত তেওঁক নলবাৰীৰ ওচৰৰ বৰমালৈ লৈ যায়। ঠাই টুকুৰা অতি ভিতৰুৱা আৰু পিছপৰা অঞ্চল। স্থানীয় মানুহ বেছিভাগেই জন-জাতীয় কছাৰী মানুহ। কেওফালে হাবি জঙ্গল ঃ প্ৰায়ে মানুহ মেলেৰীয়া ৰোগত আক্ৰান্ত হয়।

ভাণ্ডাৰীয়ে ঠাই টুকুৰা চাই চিতি হাবি-জঙ্গল কাটি তাতে আশ্ৰম পতা ঠিক কৰিলে। আশ্ৰমৰ আৰম্ভণীৰ দিনা তাত এখন ৰাজহুৱা সভা হৈছিল। তালৈ অমিয় আৰু কংগ্ৰেছৰ অন্যান্য নেতা-সকল গৈছিল। স্থানীয় লোকে তাত আশ্ৰম হ'ব বুলি শুনি বৰ আনন্দিত হৈছিল।

এনে এক অনুন্নত অঞ্চলত তেওঁ কেনেকৈ কাম কৰিব এই লৈ বহুতৰে মনত সন্দেহ জন্মিছিল। ভাষাৰ ব্যৱধানে অন্তৰায়ৰ সৃষ্টি নকৰিব নে? কিন্তু ভাণ্ডাৰীয়ে কম সময়ৰ ভিতৰতে অসমীয়া ভাষা আয়ত্বাধীন কৰিলে। ভাষাৰ দুৰ্বোধ্য অন্তৰায় আঁতৰি গ'ল।

আশ্ৰম আৰম্ভ হ'ল। তাত কেইবাজনো কছাৰী ল'ৰা থাকিবলৈ ল'লে। অন্যান্য সম্প্ৰদায়ৰ লোকো থাকিবলৈ আহিল। জাত-কুলৰ উৰ্দ্ধত কোনো ধৰণৰ ভেদাভেদ নথকা এখন সুষ্ঠ সমাজ তাত গঢ়ি উঠিল। সিদ্ধিনাথ শৰ্মা আৰু অমিয়ই প্ৰায়ে আশ্ৰমৰ কাম-কাজ চাবলৈ আহে। ভাণ্ডাৰীয়ে ঘৰ চোৱাৰ পৰা মটৰ মেৰামতী কৰা কামলৈকে সকলো জানিছিল আৰু কৰিছিল। কামৰ সৰু-বৰ তেওঁ জ্ঞান নকৰিছিল। পাইখানা চাফ কৰি মল-মূত্ৰক পঁচন সাৰত পৰিণত কৰাৰ কাম তেওঁ নিজে কৰিছিল ঃ তেওঁক দেখি আশ্ৰমৰ ছাত্ৰসকলেও সেই কাম নিজে কৰিবলৈ লৈছিল। এই বিষয়ে ভাণ্ডাৰীৰ সেৱা-শ্ৰমত লব্ধ অভিজ্ঞতাই সহায় কৰিছিল। এনেদৰে

কৰা পঁচন সাঁৰৰ পৰা বৰমাত তেওঁ ভাল শাক-পাচলিৰ খেতি কৰিছিল।

মুঠতে বৰমা আশ্ৰমে সেই অঞ্চলত আৰ্থ-সামাজিক ক্ষেত্ৰত এটা প্ৰভাৱ পেলাব পাৰিছিল।

১৯৪৭ চনৰ পিছত কংগ্ৰেছ চৰকাৰে বৰমা আশ্ৰমক বিভিন্ন উন্নয়নমূলক কাম কৰাৰ বাবে চৰকাৰী অনুদান দিছিল।

বৰমা আশ্ৰমৰ দৰে লাহে লাহে অসমত আৰু কেইবাখনো সমাজ-উন্নয়নমূলক অনুষ্ঠান গঢ়ি উঠিল। শ্বিলঙৰ চেৰাপুঞ্জীত তাৰিণী পুৰকায়স্থই, গোৱালপাৰা জিলাৰ ফকিৰাগ্ৰামত স্বামী যোগানন্দ গিৰীয়ে শক্তি আশ্ৰম প্ৰতিষ্ঠা কৰে। তাৰ উপৰি কস্তুৰবা নিধি, ৰামকৃষ্ণ মিছন, গান্ধী স্মাৰক নিধি, শঙ্কৰ মিছন আদিয়েও পৰ্বত-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ লোকৰ মাজত কল্যাণমূলক কাম কৰাৰ আঁচনি লৈছিল।

নক'লেও হ'ব ভাণ্ডাৰীৰ কামত অসমৰ কংগ্ৰেছ নেতৃবৃন্দই বৰ সন্তোষ পাইছিল। সেয়ে তেওঁৰ কামৰ স্বীকৃতি স্বৰূপে অসম চৰকাৰে ১৯৫২ চনত তেওঁক অনুসূচীত জাতি আৰু জনজাতীয় লোকৰ কল্যাণৰ বাবে কাম কৰিবলৈ সহকাৰি আয়ুক্ত হিচাপে নিয়োগ কৰে। প্ৰধানমন্ত্ৰী জৱহাৰলাল নেহৰুৰ অনুৰোধতহে তেওঁ এই পদ গ্ৰহণ কৰিছিল। তেতিয়াৰপৰা তেওঁৰ মূল কৰ্মস্থলী হ'ল শ্বিলং।

১৯৫০ চনৰ ভূইকম্পত উত্তৰ লক্ষীপুৰ জিলা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। ভাণ্ডাৰীয়ে তালৈ গৈ প্ৰায় তিনি বছৰকাল তাত থাকি দুৰ্দশাগ্ৰস্ত লোকক সহায় কৰিছিল। তেওঁৰ যত্নতে পথালিপাম, পানীগাঁও আৰু ছাবটীত আশ্ৰম স্থাপন হৈছিল। সেই সময়ত তাত **Service Civil International** নামৰ এটি আন্তৰ্জাতিক অনুষ্ঠানৰ লোকেও সমাজসেৱা কৰিবলৈ আগবাঢ়ি আহিছিল। তেওঁলোকে পাচঁটা স্কুল ঘৰ সাজি দিছিল। অমিয়ৰ যত্নত "অসম জনজাতি কল্যাণ সংঘ" প্ৰতিষ্ঠা হয় আৰু ভাণ্ডাৰীকে

তাৰো সম্পাদকৰূপে নিৰ্বাচিত কৰে। এই সংঘই অসমৰ বন্ধুৱা আৰু প্ৰাক্তন বন্ধুৱা সম্প্ৰদায়ৰ মাজত প্ৰায় ডেৰ কুৰিখন প্ৰাইমেৰি স্কুল চলাইছিল।

১৯৫০ চনৰ বৰভূঁইকম্পৰ পিছতে বৰ লুইতত প্ৰবল বান আহিছিল। এই বানে লক্ষ্মীমপুৰ আৰু ডিব্ৰুগড়ৰ ভালেমান অঞ্চল জলমগ্ন কৰি তুলিছিল। অমিয়ই নিজে ডিব্ৰুগড়লৈ গৈ বানপীড়িত ৰাইজৰ মাজত ৰিলিফৰ সাহায্য দিয়া কামত লাগিছিল। এখন মিৰি-গাঁওত নাৱৰে সাহায্য দিবলৈ যাওঁতে ১৯৫০ চনৰ ২২ অক্টোবৰত অমিয় এক অতি করুণ দুৰ্ভাগ্যজনক ঘটনাৰ লগত জড়িত হ'ব লগা হয়। ব্ৰহ্মপুত্ৰৰ দুকূলটকা বানত নাৱৰে ৰিলিফৰ সাহায্য দিবলৈ ওলাইছিল —অমিয়, ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সম্পাদক জীৱনৰাম ফুকন, চৰকাৰী বিষয়া অজয় মেছ, ৰুদ্ৰ বৰঠাকুৰ, হনুমান সিংহানীয়া আৰু বাবুলাল পোদ্দাৰ। দুৰ্ভাগ্যক্ৰমে চাকনৈৰাত পৰি নাওখন ডুব গ'ল। জীৱন ফুকন, অজয় মেছ আদিকে ধৰি এঘাৰ জনৰ সলিল সমাধি ঘটিল। ভাগ্যক্ৰমে অমিয়ৰ প্ৰাণৰক্ষা পৰিল। ঘটনাৰ এনে করুণ পৰিসমাপ্তিয়ে অমিয়ৰ মন অত্যন্ত ভাৰাক্ৰান্ত কৰি তুলিছিল। শোকাকুল পৰিয়ালবৰ্গৰ ওচৰত সান্ত্বনা দিবলৈ গৈ তেওঁ মুক হৈ ৰৈ গৈছিল। বাৰে বাৰে ভাৱ হৈছিল তেওঁলোকৰ মৃত্যুৰ বাবে তেৱেঁই যেন জগৰীয়া। বহুত দিনলৈ অমিয়ই এই আত্ম-দহনত ভুগিছিল।

ভাওাৰী কিন্তু ৰৈ থকা নাছিল। অসমৰ বিভিন্ন অঞ্চলত কাম কৰা জনকল্যাণমূলক অনুষ্ঠানসমূহৰ মাজত সমন্বয় আৰু সহযোগিতাৰ ভাব গঢ়ি তোলাৰ অৰ্থে ভাওাৰীৰ পৰামৰ্শ মতে ১৯৫২ চনত অসম সেৱা সমিতি গঠিত হয়। প্ৰথমতে ইয়াৰ কেন্দ্ৰস্থল আছিল শ্বিলং, পিছত ১৯৫৪ চনত ইয়াক গুৱাহাটীলৈ স্থানান্তৰিত কৰা হয়। ই ভাৰতীয় আদিম জাতি সেৱক সংঘৰ শাখা হিচাপে স্বীকৃতি পাইছিল। ১৯৫৩ চনলৈকে ভাওাৰীৰ মৃত্যুকাললৈকে এই অনুষ্ঠানটোৰ তেৱেঁই সাধাৰণ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। তেওঁৰ পিছত ৰামচৰণ

দাসে এই দায়িত্ব লয়। অসম সেৱা সমিতিয়ে মূলতঃ জনজাতীয় লোকৰ উন্নয়ন, শ্ৰমিক উন্নয়ন, কুষ্ঠৰোগীৰ চিকিৎসা আৰু ভূমিকম্পত আক্ৰান্ত হোৱা লোকক সাহায্য দিয়া কামতে ব্যস্ত আছিল।

অসম সেৱা সমিতিৰ প্ৰথম কাৰ্য্যকৰী কমিটিৰ (১৯৫২) সভাপতি ৰূপে নিৰ্বাচিত হৈছিল ডাঃ হৰেকৃষ্ণ দাস আৰু উপ-সভাপতি ৰূপে অমিয়কুমাৰ দাস। তাৰ উপৰি সাধাৰণ সম্পাদক আৰু ধন-ভঁৰালী ৰূপে বেইল কচান্না ভাণ্ডাৰী, সম্পাদক-বিনয়কুমাৰ গুহ আৰু আৰু অন্যান্য বাৰজন সদস্যক লৈ এই কমিটি গঠিত হৈছিল। ডাঃ দাসৰ মৃত্যুৰ পিছত (১৯৫৮) অমিয়ই এই অনুষ্ঠানৰ গুৰি ধৰিছিল। ১৯৬৯ চনলৈকে তেওঁ তাৰ সভাপতি আছিল। এই সমাজ উন্নয়নমূলক অনুষ্ঠানটো যাতে অন্য সাধাৰণ আমোলাতান্ত্ৰিক কাৰ্যালয়ত পৰ্যবেসিত নহয় তাৰ বাবে তেওঁ সদায় চকু ৰাখিছিল। বহুতো আমোলা লৈ এটা ডাঙৰ কাৰ্যালয় পাতিলেই সমাজ উন্নয়ন-মূলক কাম নহয়। তেওঁৰ ধাৰণাত এই কামৰ প্ৰতি ধাউতি আৰু ঐকান্তিকতা থকা এমুঠি মানুহ হ'লেও তাৰ পৰাহে জন-কল্যাণ-মূলক কাম হোৱা সম্ভৱ।

গান্ধীজীৰ পৰামৰ্শত ১৯৩৪ চনত, অসমত হৰিজন সেৱক সংঘৰ কামৰ পাতনি মেলা হৈছিল। এই সংঘৰ অসম শাখাৰ সভাপতি আছিল গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী আৰু সম্পাদক হ'ল দেবেন্দ্ৰনাথ শৰ্মা। অমিয় তাৰ অন্যতম সদস্য আছিল। হৰিজন সেৱক সংঘই দৰং জিলাৰ মিছামাৰীত এটি সেৱাকেন্দ্ৰ খুলিছিল। অমিয়ই এই কেন্দ্ৰৰ কাৰ্য পৰিচালনাৰ ওপৰত চকু ৰাখিছিল। হৰিজনসকলৰ মাজত শিক্ষা বিস্তাৰ আৰু তেওঁলোকৰ অৰ্থনৈতিক দিশতো কেনেকৈ উন্নত কৰিব পাৰি তাৰ বাবে সংঘই কাম কৰিছিল।

১৯৫৮ চনত অমিয় ভাৰতীয় আদিম জাতি সেৱক সংঘৰ আজীৱন সভ্যৰূপে নিৰ্বাচিত হয়।

ভাৰত সেৱক সমাজৰ লগতো তেওঁ ওতঃপ্ৰোতভাৱে জড়িত আছিল।

লাহে লাহে ৰাজনীতিৰ বিষাক্তময় পৰিবেশে অমিয়ৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এই পঙ্কিলতাময় পৰিবেশৰপৰা কেনেকৈ ওলাই আহিব পাৰি তেওঁ চিন্তা কৰিছিল। তেওঁৰ পত্নীয়ে তেওঁৰ এই গভীৰ মনোবেদনাৰ কথা উপলব্ধি কৰিছিল :

> দলৰ আৰু দলপতিৰ বিশেষ অনুৰোধত কিছুদিনৰ কাৰণে মন্ত্ৰীৰ পদ ল'বলগীয়া হৈ তেওঁ কি মানসিক যাতনাত আছিল মই জানো—সেই পদৰপৰা যিদিনা নিষ্কৃতি পালে সেইদিনা মুক্ত বিহঙ্গৰ দৰে আকৌ মনে ভাল পোৱা কামত নিজক বিলাই দিলে।

১৯৫৭ চনত তেওঁৰ মন্ত্ৰী হোৱাৰ পৰ্বশেষ হ'ল। অমিয়ই ভাণ্ডাৰীৰ পথকে ল'লে। কিন্তু সম্পূৰ্ণৰূপে গা ঢালি লাগিবলৈ বাৰ্ধক্য আৰু ব্যাধিয়ে বাধা দিলে। তথাপি অসম সেৱা সমিতিৰ বিভিন্ন উন্নয়নমূলক কামত তেওঁ নিজকে ওতঃপ্ৰোতভাৱে জড়িত কৰিলে। অসম সেৱা সমিতিয়ে কুষ্ঠ ৰোগীৰ চিকিৎসাৰ বাবে অসমৰ বিভিন্ন ঠাইত পোন্ধৰটা কেন্দ্ৰ খুলিছিল।

মিকিৰ পাহাৰ জিলাৰ সৰিয়হজানত ১৯৪৯ চনত "মিকিৰ পাহাৰ সেৱাকেন্দ্ৰ" প্ৰতিষ্ঠাৰ সময়ত অমিয় তাত নিজে উপস্থিত আছিল। সেই কেন্দ্ৰৰ সঞ্চালক জনাৰ্দন পাঠকক তেওঁ নিজে তালৈ লৈ গৈছিল। সেইদিনাৰ উদ্বোধনী সভাত পাঠকে অনুপ্ৰাণিত হৈ কৈছিল : 'এই সকল কৰ্মযোগীয়ে মোকে কৰ্মীৰূপে সম্পাদকৰূপে জনজাতিৰ এই সেৱা কেন্দ্ৰলৈ আগবঢ়ালে। মোৰ সংকল্প 'হয় কৰ্ম নহয় মৃত্যু—Do or Die।' এই সেৱাকেন্দ্ৰৰ পৰিচালনা কমিটিৰ অমিয়ই আজীৱন সভাপতিৰূপে কাৰ্য্য-নিৰ্বাহ কৰিছিল। এই কেন্দ্ৰ এই অঞ্চলত নানা আৰ্থ সামাজিক কামত লিপ্ত আছিল। ইয়াত কাঠৰ কাম, তেল ঘানিৰ কাম, সমবায় সমিতি স্থাপন আৰু প্ৰায় কুৰিখন প্ৰাইমেৰি স্কুল চলাইছিল। সামাজিক উন্নয়নৰ ক্ষেত্ৰত এই কেন্দ্ৰই এই অঞ্চলত যথেষ্ট প্ৰভাৱ পেলাইছিল। ১৯৫৯ চনত কেন্দ্ৰই এখন বয়ন বিত্যালয় আৰু এখন উচ্চ ইংৰাজী বিত্যালয় এই

অঞ্চলতে পাতে। সভাপতি অমিয় দাসৰ যত্নত সৰিয়হ জানতে এটা ছাত্ৰাবাসো স্থাপন হৈছিল আৰু সেই ছাত্ৰাবাসৰ ছাত্ৰৰ থকা খোৱাৰ বাবে তেওঁ আৰ্থিক সাহাৰ্য্যও দিছিল।

চাহ-বাগিছাৰ প্ৰাক্তন শ্ৰমিকৰ কল্যাণৰ অৰ্থেও অসম সেৱা সমিতিয়ে ১৯৫১ চনতে কল্যাণ সংঘ প্ৰতিষ্ঠা কৰিবলৈ আঁচনি লৈছিল। অসম সেৱা সমিতিৰ উদ্যোগত এনেধৰণৰ দহটা কেন্দ্ৰ পৰিচালিত হৈছিল। অসমৰ চাহ-বাগিছাসমূহত কাম কৰিবলৈ অহা বহুতো শ্ৰমিকেই বাগিছাত কাম কৰাৰ নিৰ্ধাৰিত ম্যাদ উকলি গ'লে আকৌ ঘূৰি নিজ প্ৰদেশলৈ যাবলৈ ইচ্ছা নকৰি অসমতে স্থায়ীভাৱে বসবাস কৰিবলৈ ধৰাত অসমৰ চাহ-বাগিছাসমূহৰ ওচৰে-পাজৰে এনে প্ৰাক্তন শ্ৰমিকৰ বসতিস্থান লাহে লাহে বৃদ্ধি পাইছিল। এই প্ৰাক্তন শ্ৰমিকসকলৰ জীৱন-যাপনৰ অৱস্থা অতি নিম্ন খাপৰ আছিল, শিক্ষাৰ ক্ষেত্ৰত তেওঁলোক সম্পূৰ্ণ অজ্ঞ আছিল। সেৱা-সমিতিয়ে শ্ৰমিকসকলৰ ল'ৰা-ছোৱালীক কল্যাণ কেন্দ্ৰসমূহত শিক্ষা-দানৰ ব্যৱস্থা কৰিলে। কেন্দ্ৰৰ নিজা আৱাস গৃহত শ্ৰমিকৰ ল'ৰা-ছোৱালী ৰখাৰ ব্যৱস্থা হ'ল। প্ৰতিটো কেন্দ্ৰতে একোটা ছাত্ৰৰ বাবে আৱাস গৃহ, কাঠৰ কামৰ কৰ্মশালা, শ্ৰমিক থকা আৱাস গৃহ আৰু খেতিবাতি কৰিবলৈ যথোপযুক্ত মাটি ৰখাৰ ব্যৱস্থা হ'ল। কমাৰ শালিও আৰম্ভ হ'ল। কেন্দ্ৰত থকা সকলোৱেই নিজে খেতি-বাতি কৰি হাতৰ কাম আদি কৰি তাক বজাৰত বিক্ৰী কৰি স্বাৱলম্বী-ভাৱে জীৱন নিৰ্বাহ কৰাৰ আদৰ্শ লৈছিল। গঠনমূলক কৰ্ম আঁচনিয়েই সকলোৰে আদৰ্শস্বৰূপ আছিল। অসম চৰকাৰ, কেন্দ্ৰীয় চাহবোৰ্ডৰ অৰ্থ সাহাৰ্য্যত আৰু ৰাইজৰপৰা বৰঙণি তুলি কেন্দ্ৰসমূহ চলোৱা হৈছিল। প্ৰথমতে চাৰতি, পানবাৰী, বিহালী, যোৰামাৰী, ঢেকিয়াজুলি, মাজবাট, বোকাখাট, ৰবহাপজান, বায়দঙীয়া আৰু হেমলাইত শ্ৰমিক কল্যাণ সংঘ স্থাপিত হৈছিল। ঢেকিয়াজুলিৰ শ্ৰমিক সংঘৰ নিজাৰবীয়াকৈ দহ বিঘা মাটি আছিল। এই কেন্দ্ৰই কাঠৰ কামৰ শিক্ষাদান আৰু কৃষিকৰ্মত জোৰ দিছিল। কেন্দ্ৰত

প্ৰথমতে ২৬ জন ছাত্ৰ আছিল। কেন্দ্ৰীয় সমাজ কল্যাণ বোৰ্ডেও অৰ্থ সাহাৰ্য্য দিছিল। এই অনুষ্ঠানৰ জৰিয়তে পিছত এখন অনাথ আশ্ৰমো আৰম্ভ কৰাৰ পৰিকল্পনা চলিছিল। ই অৰণ্যে ঢেকিয়াজুলিত ফলৱতী নহ'ল—গুৱাহাটীৰ নুনমাটিতহে সম্ভৱপৰ হ'ল।

অমিয়ৰ অনুপ্ৰেৰণা আৰু উৎসাহৰ ফলতে সৰিয়হজান কুষ্ঠ নিবাস আৰু চিকিৎসালয়, কুঠৰীৰ কুষ্ঠ নিবাস, আগিয়া কুষ্ঠ নিবাস, জেংৰাই মুখ কুষ্ঠ নিবাস, বৰাবজাৰ কুষ্ঠ নিবাস, মাং চাং কুষ্ঠ নিবাস, মাঝিকুচি কুষ্ঠ নিবাস আৰু নগাপাহাৰ জিলাৰ চাং টুঙীয়া আৰু চুচেইমলাঙৰ গান্ধী আশ্ৰমৰ জন্ম। এটা সময়ত কাৰ্বি আংলং জিলাত কুষ্ঠ ৰোগৰ প্ৰাদুৰ্ভাৱ বৰকৈ বৃদ্ধি পাইছিল। কুষ্ঠ ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা হোৱাত ৰোগীৰ সংখ্যা জিলাখনত শতকৰা ০.৮৫লৈ কমি যায়।

গান্ধীজীৰ মৃত্যুৰ পিছত অন্যান্য প্ৰদেশৰ দৰে অসমতো গান্ধী স্মাৰক নিধি প্ৰতিষ্ঠা হয়। এই অনুষ্ঠানৰো আদিৰে পৰাই অমিয়ই গুৰি ধৰিছিল। ১৯৫৮ চনৰপৰা এই অনুষ্ঠানৰ সঞ্চালক হিচাবে থাকি তেওঁ গঠনমূলক কৰ্ম আঁচনিক কাৰ্যকৰী কৰাত সহায় কৰে। খাছীয়া পাহাৰ, গাৰো পাহাৰ আদি অঞ্চলো এই আঁচনিৰ অন্তৰ্ভুক্ত হৈছিল। তেওঁৰ যত্নতে আমাৰ শিক্ষিত লোক সকলৰ মাজত গান্ধীতত্ত্বৰ বিচাৰ আৰু প্ৰচাৰৰ চৰ্চা আৰম্ভ হৈছিল।

১৯৪৫ চনত কস্তুৰবা গান্ধীৰ মৃত্যুৰ পিছত তেখেতৰ সোঁৱৰণৰ কাৰণে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধি গঠন কৰা হয়। এই নিধিৰ শাখা প্ৰত্যেকখন প্ৰদেশতে গঠিত হৈছিল। অসম শাখাৰ কস্তুৰবা নিধিৰ গুৰিয়াল আছিল গোপীনাথ বৰদলৈ আৰু সচিবৰ দায়িত্বত আছিল অমল প্ৰভা দাস। গান্ধীজীৰ মতে এই নিধিৰ পৰিচালনাৰ দায়িত্ব তিৰোতা মানুহেই ল'ব লাগিব—যিহেতু এই নিধিৰ টকা গাঁৱৰ বাই-ভনীসকলৰ মঙ্গলৰ কাৰণেই খৰচ হ'ব। অৰণ্যে কেন্দ্ৰীয় নিধিৰ সভাপতি আছিল গান্ধীজী নিজে আৰু সম্পাদক আছিল ঠক্কৰ বাপা। কেন্দ্ৰীয় কাৰ্য্যালয় আছিল

হ্ৰাৰ্ধাত। অসমত এই নিধিৰ অধীনত গুৱাহাটীৰ শৰণীয়া পাহাৰত "কস্তুৰবা গ্ৰাম সেৱিকা বিদ্যালয়" এখন স্থাপন হয়। ১৯৪৬ চনত গান্ধীজী অসম ভ্ৰমণলৈ আহি শৰণীয়া আশ্ৰমতে আছিল। এইবাৰ গান্ধীজীৰ দলত আহিছিল—বাভাৰী লালজী, কুমাৰাপ্পা, মণিলাল গান্ধী, সতীশ দাসগুপ্ত, সুধীৰ ঘোষ, কানু গান্ধী, ৰাজকুমাৰী অমৃত কৌৰ, প্ৰভাৱতী দেৱী আৰু আভা গান্ধী। গান্ধীজী তিনিদিন আশ্ৰমত আছিল।

গোপীনাথ বৰদলৈ, ডাঃ হৰেকৃষ্ণ দাস, অমিয় কুমাৰ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা আদিৰে পৰা কস্তুৰবা নিধিৰ লগত জড়িত আছিল। ডেৰ লাখ টকাৰে নিধিয়ে অসমত গঠনমূলক কৰ্ম আঁচনিৰ পাতনি মেলে। সেই টকাৰেই নিধিয়ে এখন গ্ৰাম সেৱিকা বিদ্যালয় আৰু অসমৰ বিভিন্ন জিলাৰ অতি পিছ পৰা অঞ্চল আৰু জন-জাতীয় লোকৰ ক্ষেত্ৰত কস্তুৰবা কেন্দ্ৰ স্থাপনৰ দ্বাৰা সেৱা কাৰ্য্য আগবঢ়ায়। অসমৰ শিক্ষা বিভাগ আৰু বনুৱা উন্নয়ন বিভাগৰ মন্ত্ৰীত্বৰ দায়িত্বত থকা কালত অমিয়ৰ যত্নত চৰকাৰী অনুদানৰে নিধিয়ে চাহবাগিছাৰ বনুৱা আৰু আদিবাসীৰ মাজত কেইবাটাও সেৱাকেন্দ্ৰ স্থাপন কৰিছিল। বনুৱাৰ মাজত কাম কৰিবলৈ বিশেষ প্ৰশিক্ষণৰ আৰু দক্ষতাৰ প্ৰয়োজন। তাৰ বাবেও তেওঁৰ যত্নতে শিৱসাগৰ জিলাৰ বৰাছালি বাগিছাত অস্থায়ীভাৱে এটা বনুৱা উন্নয়ন শিক্ষা কেন্দ্ৰ স্থাপিত হয়। ১৯৫১ চনৰ পৰা এই কেন্দ্ৰই বনুৱা সেৱা কেন্দ্ৰত কাম কৰিবলৈ কেইবাগৰাকীও শিক্ষাৰ্থীকে প্ৰশিক্ষণ দিয়ে। ১৯৫২-৫৩ চনৰ ভিতৰত এনে শ্ৰমিক উন্নয়ন কেন্দ্ৰ ডিব্ৰুগড়ৰ দৈমুখীয়া আৰু ডিকম বাগিছাত, যোৰহাটৰ টিয়ক বাগিছাত আৰু তেজপুৰৰ হাৰচুৰা বাগিছাত স্থাপিত হৈছিল। এই বিলাক কামত বাগিছাৰ কতৃপক্ষয়ো সহযোগ কৰিছিল ঘৰআদি বাগিছাৰ ফালৰ পৰাই সজাই দিছিল। ইয়াৰ উপৰি অসম চৰকাৰৰ ৭০ হেজাৰ টকাৰ অনুদানেৰে শিৱসাগৰৰ মেজেঙা বাগিছাত কস্তুৰবা নিধিয়ে এটা স্থায়ী প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছিল। ইয়াত বনুৱাৰ তিৰোতা আৰু ছোৱালীক প্ৰশিক্ষণ

দিয়াৰ ব্যৱস্থা হৈছিল। ১৯৬৩ চনত এই কেন্দ্ৰত ৮৫ গৰাকী শিক্ষাৰ্থীনিয়ে প্ৰশিক্ষণ লৈছিল।

তাৰ উপৰি তেওঁৰে উদ্যোগতে কেহেকুখুণ্ডা অঞ্চলত এখন কস্তুৰবা আশ্ৰম প্ৰতিষ্ঠা হয়। ব্যক্তিগত মালিকীস্বত্বৰ পৰা ১৪ বিঘা মাটি দান লৈ এই আশ্ৰম আৰম্ভ হয়। ১৯৪৭ চনৰ ১ আগষ্টত কামাখ্যাপ্ৰসাদ ত্ৰিপাঠীয়ে এই আশ্ৰম উদ্বোধন কৰে। আশ্ৰমবাসী সকল বেছি ভাগেই প্ৰাক্তন চাহকৰ্মী আছিল। অন্যান্য কস্তুৰবা আশ্ৰমৰ দৰে এই কেন্দ্ৰতো কেইবাটাও উন্নয়নমূলক আঁচনি কাৰ্যকৰী কৰিবলৈ লৈছিল। এই কেন্দ্ৰয়ো চৰকাৰী অনুদান পাবলৈ সক্ষম হৈছিল।

অসম সেৱা সমিতিৰ দৰে কস্তুৰবা নিধিয়েও খাছীয়া জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ, নগা পাহাৰ, লুচাই পাহাৰতো উন্নয়নমূলক কাম কৰাৰ আঁচনি লৈছিল। এই বিলাক কথাত অমিয়ৰ উৎসাহ আৰু প্ৰেৰণা আছিল। কস্তুৰবা নিধিৰ আগতে পাৰ্বত্য অঞ্চল সমূহত কোনেও কল্যাণমূলক কাম কৰা নাছিল। অৱশ্যে খৃষ্টান মিছনেৰী সকলৰ কথা সুকীয়া আছিল। যাতায়তৰ সুবিধা নথকা এনে দুৰ্গম অঞ্চলসমূহত কাম কৰাতো বৰ সহজ সাধ্য নাছিল। পাৰ্বত্য অঞ্চলসমূহত জনজাতীয় মানুহৰ লগত মিলা প্ৰীতিৰে সকলো মানুহে কাম কৰিব নোৱাৰে। অমিয়ৰ মন্ত্ৰীত্বৰ কালতে পাৰ্বত্য অঞ্চলৰ বাবেও কাম কৰা লোকক প্ৰশিক্ষণ দিবলৈ—সেৱাকেন্দ্ৰসমূহ চলাব পৰাকৈ উপযুক্ত কৰাৰ বাবে নিধিয়ে চৰকাৰী অনুদান লভিছিল। ১৯৫০ৰ পৰা ১৯৬৮ চনলৈ গাৰো পাহাৰ, খাছীয়া-জয়ন্তীয়া পাহাৰ, নগা পাহাৰ আৰু লুচাই পাহাৰৰ ৬৪ গৰাকী ছোৱালীক শৰণীয়াৰ গ্ৰামসেৱিকা কেন্দ্ৰত প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ পিছতে পাৰ্বত্য-অঞ্চলসমূহত কেইবাটাও সেৱা কেন্দ্ৰ স্থাপিত হৈছিল।

আগতেই উল্লেখ কৰা হৈছে যে ১৯৫০ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্পৰ ফলত উত্তৰ লক্ষ্মীপুৰ, পানীগাঁও, কমলাবৰীয়া, কদম, পথালিপাম, বালিগাওঁ, বৰদলনি, বৰদৈবাম আদি অঞ্চল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। এই অঞ্চলৰ বেছিভাগ লোকেই মিচিং জন-

জাতীয় লোক। কস্তুৰবা নিধিৰ কৰ্মীসকল তালৈ গৈ তিনিমাহ কাল থাকি তাত সাহায্যৰ কামত লাগে। পিছত গৃহহীন, আত্মীয় স্বজনহীন অনাথ শিশু আৰু বিধৱা তিৰোতা সকলক লৈ এটা সমস্যাৰ সৃষ্টি হ'ল। অমিয়ই সেই সময়ত তালৈ গৈছিল আৰু সকলো কথাৰ বুজ লৈছিল। তেওঁৱেই এই নিৰাশ্ৰয় শিশু আৰু মহিলাসকলক আশ্ৰয় দিয়াৰ বাবে কস্তুৰবা নিধিক এটা স্থায়ী সেৱাকেন্দ্ৰ খুলিবলৈ পৰামৰ্শ দিয়ে। সেইমতে নিধিৰ পৰিচালিকা অমলপ্ৰভা দাসে এটি আঁচনি যুগুতাই তেওঁক দিয়ে।

সেই আঁচনিৰ ভিত্তিতে অমিয়ই এই সেৱাকেন্দ্ৰৰ বাবে চৰকাৰী অনুদান আগবঢ়ায়। ১৯৫০ চনৰ ১২ নৱেম্বৰত ১২ গৰাকী বিধৱা আৰু ২৩টি অনাথ শিশুক লৈ পথালিপামত "কস্তুৰবা কল্যাণ কেন্দ্ৰ" স্থাপিত হয়। ১৯৬২ চনৰ ৫ মাৰ্চত আচাৰ্য বিনোৱাভাৱে এই সেৱাকেন্দ্ৰলৈ আহে—তেওঁ ইয়াৰ কাৰ্যতালিকা আৰু পৰিবেশ দেখি ভাল পায় আৰু তেওঁৰ পৰামৰ্শতে ইয়াৰ পূৰ্বৰ নাম সলনি কৰি "মৈত্ৰী আশ্ৰম" নামেৰে অভিহিত কৰে।

অমিয় এইদৰে কস্তুৰবা নিধিৰ প্ৰায় সকলোবোৰ সমাজ উন্নয়নমূলক কামৰ লগতে জড়িত আছিল। তেওঁ আনকি নিধিয়ে চলোৱা গ্ৰামদানী গাওঁলৈকো গৈ তাৰ ৰাইজৰ বা-বতৰা লৈছিল। ১৯৬১ চনত বিনোৱাভাৱে অসমলৈ আহোঁতে অমিয়কো তেওঁৰ মহান যজ্ঞৰ অংশীদাৰ হ'বলৈ আহ্বান জনাইছিল। তেওঁ গ্ৰামদানী সভা-সমিতিত যোগদি ৰাইজক গ্ৰাম্য স্বৰাজৰ কথাবোৰ বুজাই কৈছিল। সৰ্বোদয় সম্মিলনতো যোগ দিছিল।

অমিয় কস্তুৰবা নিধিৰ ৰাজ্যিক উপদেষ্টা সমিতিৰ অধ্যক্ষ আছিল। তেওঁৰ অধ্যক্ষতাত, ১৯৭৩ চনৰ ২৩ ফেব্ৰুৱাৰীত সমিতিৰ শৰণীয়া পাহাৰত তেওঁৰ জীৱনৰ শেষ সভাখন বহিছিল। সেই সভাত কেন্দ্ৰীয় কস্তুৰবা ট্ৰাষ্টৰ অধ্যক্ষা লক্ষ্মী মেননো উপস্থিত আছিল। অমিয় সেইদিনা আৱেগ-প্ৰৱণ হৈ পৰিছিল। মনে মনে হয়তো ভাবিছিল শৰণীয়া পাহাৰলৈ অহা তেওঁৰ এয়ে শেষ। এই কৰ্মীসকল—এই

অনুষ্ঠানসমূহ তেওঁৰ প্ৰিয়তকৈও প্ৰিয়। সেইদিনাৰ সামৰণিৰ ভাষণত তেওঁ কৈছিল :

> সেৱিকাসকলে একাত্মতাৰ ভাৱনাৰে পাৰ্বত্য অঞ্চলৰ বাইজৰ মাজত কিমান যে জটিল পৰিস্থিতিৰ মাজত সেৱা কেন্দ্ৰবোৰৰ কাম আৰম্ভ কৰিছিল, আৰু এনে অন্তৰ ঢালি কৰা সেৱাকাৰ্যই সকলোকে কিমান যে প্ৰভাৱন্বিত কৰিছিল! এই কেন্দ্ৰসমূহৰ আৱশ্যকতা উপলব্ধি কৰি মোৰ ইচ্ছা হৈছিল যেন পাৰ্বত্য অঞ্চল আৰু চাহ-বাগিছা-বোৰত এনে কাম বঢ়ায়েই গৈ থাকিম। কিন্তু সেই অনুপাতে কৰিব নোৱাৰি মই অন্তৰত দুখ পাইছিলো।

অমিয়ৰ মন্ত্ৰীত্ব আৰু বিধায়কী দিনৰ অন্ত পৰাৰ লগে লগে কস্তুৰবা নিধিৰ দৰে সমাজ উন্নয়ন আৰু জন-কল্যাণমূলক অনুষ্ঠান-সমূহেও চৰকাৰী অনুদানৰপৰা বঞ্চিত হ'ব লগা হৈছিল। অৰ্থৰ অভাৱত এনে ধৰণৰ অনুষ্ঠানসমূহ পঙ্গু হৈ যাব লগীয়া হোৱা কথাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক।

অমিয়ৰ মন্ত্ৰীত্বৰ কালত এনে জাতীয় অনুষ্ঠানসমূহে চৰকাৰী অনুদান পোৱাৰ উপৰিও বিভাগীয় মন্ত্ৰীৰ লগত থকা স্বকীয়া পুঁজিৰ পৰাও অৰ্থ সাহাৰ্য পাইছিল। মন্ত্ৰীৰ ব্যস্ততাপূৰ্ণ সময় তালিকাৰ মাজতো অমিয়ই সমাজ-সেৱী অনুষ্ঠানসমূহৰ কৰ্মীৰ লগত দেখা সাক্ষাত কৰিছিল। কৰ্মীসকলে তেওঁক লগ ধৰিবলৈ কোনোধৰণৰ বাধা-নিষেধৰ সম্মুখীন হ'ব লগা নহৈছিল। মন্ত্ৰীত্বৰ গাদী এৰাৰ পিছতো তেওঁ বিধয়ক বা বিনা বিধায়ক হৈ থকা কালছোৱাতো কৰ্মীসকলৰ লগত প্ৰত্যক্ষ যোগাযোগ ৰাখিছিল। অসম সেৱা-সমিতি, কস্তুৰবা আশ্ৰম আদিৰ দ্বাৰা পৰিচালিত কেন্দ্ৰসমূহৰ কাৰ্য পৰিচালনাৰ ভু ল'বলৈ অমিয়ই নিজে দুৰ্গম ঠাই হ'লেও তালৈ গৈছিল। কৰ্মীসকলৰ ব্যক্তিগত অভাৱৰ কথা গম পালে নিজে ব্যক্তিগতভাৱে বিনাদ্বিধাই অৰ্থ সাহায্য দিছিল। কোনো কোনো ক্ষেত্ৰত একো একোটা অনুষ্ঠানেও এনেধৰণৰ দান পাবলৈ সক্ষম হৈছিল।

কুৰি অধ্যায়

পাহাৰে-পৰ্বতে—হাবিয়ে জঙ্ঘলে

বহু আকাঙ্খিত দিনটো আহি পৰিল।

অমিয়ই কানীয়াৰ কথা মতেই ছতেৰাক পথ-প্ৰদৰ্শক হিচাপে লৈ মিকিৰ পাহাৰলৈ যাত্ৰা আৰম্ভ কৰিলে।

১৯৩২ চনতে অমিয় যোৰহাট জে'লত ৰাজনৈতিক বন্দী হৈ থাকোঁতেই মিকিৰ পাহাৰৰ কংগ্ৰেছ কৰ্মী কানীয়া টিমুঙৰ লগত পৰিচয় হৈছিল। টিমুঙৰ গোলাঘাটৰ কলীয়নীৰ ওচৰৰ এখন কাৰ্বি গাঁৱত ঘৰ। কানিসেৰন কৰা বাবেই তেওঁ কানীয়া নাম পাইছিল। গোলাঘাটৰ বিশিষ্ট কংগ্ৰেছ নেতা শংকৰ বৰুৱাই টিমুঙক কংগ্ৰেছ দললৈ আনিছিল। গান্ধীজীৰ প্ৰভাবে তেওঁক কংগ্ৰেছ দললৈ টানে। অমিয়ই তেওঁক লেখাপঢ়া শিকাইছিল। অমিয়ৰ মিকিৰ পাহাৰলৈ যাবলৈ বহুত দিনৰপৰা ইচ্ছা। তেওঁ টিমুঙকে পথ-প্ৰদৰ্শক হ'বলৈ খাটনি ধৰিলে—টিমুঙে তাত সানন্দে ৰাজি হ'ল। কিন্তু অমিয়ৰ আগতেই টিমুঙে জেলৰপৰা মুক্তি পাই ওলাই গ'ল। যোৱাৰ আগতে তেওঁ পাহাৰলৈ কেনেকৈ যাব পাৰি তাৰ কিছু দিহা পৰামৰ্শ দি গ'ল।

অমিয়ৰ অত্যন্ত আগ্ৰহ থকা সত্ত্বেও পাহাৰ বগোৱাতো সোন-কালে হৈ নুঠিল। সময় বাগৰি গ'ল।...

পৰ্বতে-পৰ্বতে বগাব পাৰো মই · ···

কিন্তু পৰ্বত-ভৈয়ামৰ সম্বন্ধত কেনা লগালে ইংৰাজে। 'ইনাৰ-লাইন', 'আওটাৰ লাইন' প্ৰৱৰ্তন কৰি পৰ্বত-ভৈয়ামৰ সম্বন্ধৰ মাজত কৃত্ৰিম দেৱাল গঢ়ি তুলিলে। যাউতি-যুগীয়া আৱেগিক ঐক্য বিনষ্ট হ'ল। পৰ্বতীয়া লোকৰ মাজত লাহে লাহে ভৈয়ামবাসীৰ প্ৰতি ভয়, সন্দেহ—সংশয় উদ্ভৱ হ'ল। সাম্ৰাজ্যবাদী ইংৰাজে পাৰ্বত্য

অঞ্চলসমূহ যাতে স্বাধীন ভাৰতৰ লগত চামিলকৰণ নহয় তাৰ বাবে নানা চল-চাতুৰিত লিপ্ত হ'ল। ইংৰাজে তেওঁলোকক ধৰ্ম দিলে, ইংৰাজী শিক্ষা দিলে আৰু পশ্চিমীয়া সংস্কৃতিৰ সোৱাদ দিলে। ইংৰাজে এই সকলোবোৰ কৰিছিল জন-জাতীয় লোকৰ ধৰ্ম কলা-কৃষ্টি ৰক্ষাৰ নামত। তেওঁলোকক কোৱা হ'ল ভাৰতীয় সংস্কৃতি—বিদেশী—গতিকে তাক দূৰতে বিদূৰ কৰা উচিত।

অমিয়ই বহুত দিনৰপৰা এই অঞ্চলসমূহত কংগ্ৰেছৰ বাণী আৰু গান্ধীজীৰ আদৰ্শ প্ৰচাৰৰ বাবে প্ৰয়াস কৰিছিল। পাৰ্বত্য অঞ্চল-সমূহ ভ্ৰমণ কৰি তাৰ ৰাইজৰ লগত যোগাযোগ কৰিবলৈ অমিয়ৰ বহুত দিনৰপৰা ইচ্ছা। পাৰ্বত্য অঞ্চলসমূহত কোনো ধৰণৰ যাতায়তৰ পথৰ সুচল নথকাত তালৈ অহা যোৱা কৰাতো বৰ সহজ কথা নাছিল। ঔপনিবেশিক ইংৰাজে অৰ্থনৈতিক শোষণৰ কথা হে বুজি পাইছিল। তাৰ উপৰি এইফালে বহিঃ শত্ৰুৰ আক্ৰমণৰ সম্ভাৱনা কম যেন দেখি যাতায়তৰ কথাটোত সম্পূৰ্ণ আওকাণ কৰিছিল। গতিকে পাৰ্বত্য অঞ্চলসমুহ ইংৰাজৰ দিনত অতি অনুন্নত অৱস্থাত থাকি গ'ল।

আন্দোলনত লাগি ফুৰাত অমিয়ৰ অদম্য হেঁপাহ থকা সত্বেও পাহাৰে-পৰ্বতে ভ্ৰমি ফুৰিবলৈ সুযোগ-সুবিধা নেপাইছিল আৰু নোলাইছিলো। স্বাধীনতোৰ কালছোৱাত তেওঁ জন-জাতীয় উন্নয়ন বিভাগৰ মন্ত্ৰীত্বৰ দায়িত্ব লৈ অসমৰ পাহাৰী জিলা কেইখনত হেপাহ-পলুৱাই ভ্ৰমণ কৰাৰ সুবিধা পায়। এনেকৈ ঘুৰি ফুৰোঁতে অমিয়ৰ বহুতো জন-জাতীয় লোকৰ লগত বন্ধুত্ব লাভ হৈছিল। ১৯৪২ চনত অমিয় যোৰহাট জেলত থাকোঁতে এজন নগা যুৱকক পাই তেওঁক লেখাপঢ়া শিকাইছিল। ল'ৰাটিৰ গাত অমিয়ৰ দেখাশুনাৰ ভাৰ পৰিছিল—কিন্তু শেষত দুয়োৰে মাজত গুৰু-শিষ্যৰ সম্বন্ধ হৈছিল। নগা ল'ৰাজনে জেলৰপৰা ওলাই গৈয়ো অমিয়লৈ চিঠি-পত্ৰ দিছিল—এডাল নগা যাঠীও উপহাৰ দিছিল।

* * *

মিকিৰ পাহাৰ যাত্ৰাত অমিয়ই বোকাখাটৰপৰা হুতেৰা টিমুঙক পথ প্ৰদৰ্শক হিচাপে ল'লে। পৰ্বত বগাই ওপৰলৈ উঠি তললৈ ঘূৰি অমিয়ই চায়। তলৰ বিশাল লুইতখন এডাল সৰু সূতা যেন হৈ পৰি আছে। সেই দৃশ্য অতি মনো মুগ্ধকৰ!

প্ৰায় বেলি পৰোঁ পৰোঁ হওঁতেহে তেওঁলোক গৈ গাঁও সোমাইছিল গৈ। অস্তাচলগামী সূৰুযৰ ৰঙীন আভাই গছ-গছনিৰ ওপৰত ৰঙীন ফাকু সিঁচিছিল। অমিয়ৰ মনটো 'ৰোমাণ্টিক' হৈ উঠিছিল। সঁচাই অপূৰ্ব সেই সন্ধিয়াৰ অভিজ্ঞতা। অমিয়ৰ কিন্তু বাৰে বাৰে মনত এটা অনুশোচনাৰ ভাৱ আহিছিল:

> কত শ' শ' বছৰ আমি সেই একেখন আকাশৰ তলত, একেখন দেশৰ মাটিৰ একে খাদ্য খাই, একেদৰে লালিত-পালিত হৈ জীৱনৰ বাটত গতি কৰিছো আৰু আমাৰ ওচৰ-চুবুৰীয়া এই পৰ্বতীয়া জাতিটোৰ বিষয়ে আমি ইমান কম জানো! আমাৰ দুৰ্ভাগ্য যে আমি আমাৰ এই অতি ওচৰৰ মানুহ বিলাকৰ বিষয়ে কিবা জানিবলৈ হ'লেও সাত সাগৰ তেৰ নদী পাৰ হৈ অহা পশ্চিমীয়া পণ্ডিত সকলে লিখি থৈ যোৱা বিৱৰণহে মেলি ল'ব লাগে। সুষ্ঠ সৱল জাতীয়ত্ব গঠনত প্ৰধান অন্তৰায় আমাৰ এই নিৰুদ্যম। আমাৰ জাতীয় ভেটি টনকিয়াল কৰি ল'বলৈ হ'লে তেওঁবিলাককো আমি জানিব লাগিব, ভাৱৰ আদান-প্ৰদান কৰি আমাৰ অতি আপোনাৰ কৰি তুলি ল'ব লাগিব।

অমিয়হঁত গৈ এটা আহল-বহল ঘৰত সোমাল গৈ। ঘৰৰ গৃহস্থই ওলাই আহি 'কাৰদম' জনাই অভিবাদন জনালে। অমিয়য়ো সহাঁৰি জনালে একেদৰে।

তেতিয়া সন্ধিয়া লাগি গৈছে। কাৰ্বি ডেকা-গাভৰু নিজ নিজ চাঙলৈ উঠিছে।

এটা দিনৰ অন্ত পৰিল।

অমিয়ই ৰাতিটো কাৰ্বিসকলৰ আলহী থকা ঘৰ 'হং ফাৰলাকত', কটালে।

পুৱা চাহ-জলপান খাই ছত্ৰেৰাক লৈ তেওঁলোক ফুৰিবলৈ ওলাল। আঘোন মাহ। মানুহ ধান কটাত, কপাহ গোটোৱাত ব্যস্ত। প্ৰায়বোৰ মানুহে এৰা-খেতি কৰে—এৰি পলু পোহে, গোমধান, আদা, হালধি, জলকীয়া, বেঙেনা, কুঁহিয়াৰ, সৰিয়হ, তিল আদিৰো খেতি কৰে। ৰহৰ গছত লা পোহে।

অমিয়ৰ কাৰ্বি সমাজৰ প্ৰচলিত "ডেকা চাং" ব্যৱস্থা চাই ভাল লাগে। ডেকা চাং কাৰ্বি গাঁওৰ উমৈহতীয়া সম্পত্তি। যাৰে কিবা কামৰ প্ৰয়োজন হয়—তাতে গৈ ডেকা চাঙৰ ডেকাদল উবুৰি খাই পৰে গৈ। দলৰ দলপতিয়ে প্ৰত্যেক ডেকাকে কাম ভগাই দিয়ে—সেইমতে সকলোৱে নিয়াৰিকৈ কাম কৰিব লাগিব।

> পূৰ্ণ যৌৱনৰ এটা প্ৰেৰণা এই সংগবদ্ধ যুৱক সকলত দেখা যায়। কাম আৰু ধেমালিৰ অপূৰ্ব সংমিশ্ৰণৰ ইয়াত এটা আভাষ পোৱা যায়। নাচ গানৰে ডেকা চাঙ ভৰপুৰ। ই যেন পয়োভৰে ফুলি উঠা যৌৱন।

ছত্ৰেৰাক লগত লৈ অমিয়ই পৰ্বতে পৰ্বতে বগায়। এখন নতুন গাঁওৰ গাঁও বুঢ়াৰ ঘৰত আলহী হয় গৈ। অমিয় অহা বুলি জানি তাত বহুত মানুহ গোট খালে। গধুলি জুহালৰ ওচৰত মেল বহিল। তাৰে এজন মেলুৱৈয়ে ক'লে, তহঁতে অসমীয়াই আমাৰ কথা নুবুজ, আমিও ভালমতে তহঁতৰ কথা নুবুজো, তই আমাৰ ইয়ালৈ অহাত আমি হ'লে বৰ ৰং পাইছো দে'ই।

—মোৰো বৰ ভাল লাগিছে। অমিয়ই ক'লে।

—তহঁত আমাৰ মিতিৰেই আছিলি। তহঁত আৰু আমি একেই আছিলো, পাছে ছৰগখন জিনিবলৈ যোৱাতহে দেৱতাসকলে আমাক বেলেগ কৰি জিবাত আওল লগাই দিলে।

কথাটোনো কি—অমিয়ই জানিবলৈ বিচৰাত মেলুৱৈসকলে অমিয়ক 'আৰলেঙ'ৰ (মানুহ) সৃষ্টি কেনেকৈ হ'ল সেই সম্পৰ্কে

থকা কাৰ্বি সাধু ক'লে। দেৱতাৰ অভিশাপতহে বোলে মানুহৰ মুখত নানা ভাষা-দোৱান আদিৰ সৃষ্টি হ'ল—যাৰ ফলত আজি ইটোৱে সিটোৰ কথা বুজি নেপায়—ইটোৱে সিটোক চিনি নেপায়।

এই অচিনাকি বন্ধু সকলৰ লগত কথা পাতি থাকোঁতে অমিয়ৰো ভাৱ হৈছিল—'ইহঁতৰ লগত মোৰ যেন কত দিনৰ বন্ধুতা—যুগ যুগান্তৰৰ বিস্মৃতিৰ পাছত যেন মোৰ আপোন মানুহক মই বিচাৰি পাইছো··।'

অমিয়ই কাৰ্বিসমাজৰ মাজত প্ৰচলিত পূজা পাৰ্বন, উৎসৱ আদিৰো সম্ভেদ লয়। মানুহৰ নৰিয়া হ'লে কেনেকৈ মঙ্গল চাব লাগে, মৃতকৰ শৱদাহ কাৰ্য কেনেকৈ 'চোমাঙকান' পাতি পালন কৰিব লাগে ইত্যাদি। হৰৎ কোঞ্ৰৰ সাধু শুনে। বিয়াৰ ক্ষেত্ৰত থকা আচাৰ-বিচাৰৰো আও-ভাও লয়। শেহত অমিয়ই 'ৰংকেৰ' উৎসৱতো যোগ দিয়ে। 'ৰংকেৰ' কাৰ্বি সমাজৰ অতি জনপ্ৰিয় উৎসৱ। এই উৎসৱ পালনৰ বিশেষ নিৰ্দ্ধাৰিত সময় নাই। কিছুমানে খেতি আৰম্ভ কৰাৰ আগতে আৰু কিছুমানে খেতি তুলিহে এই আনন্দ উৎসৱত যোগদান কৰে। ৰংকেৰত নাচ-গান-নহয়—খোৱা-বোৱাতেই ইয়াৰ ফুৰ্তি।

বহুতো নতুন কথাৰ অভিজ্ঞতা লৈ অমিয় ভৈয়ামলৈ উভটি যায় গৈ। অমিয়ৰ কিন্তু বাৰে বাৰে চিন্তা হৈছিল এই মানুহবোৰ আমাৰ ইমান ওচৰত থাকিও ইমান দূৰত। অথচ, সাত সাগৰ তেৰ নদীৰ পাৰৰ চাহাব-মিছনেৰী সকল আহি এই পৰ্বত-পাহাৰৰ কন্দৰে কন্দৰে সোমাই এই মানুহবিলাকক কিমান কষ্টৰে তেওঁলোকক জ্ঞানচক্ষু দান কৰিছে। খৃষ্টান ধৰ্মই প্ৰচাৰ আৰু প্ৰসাৰ লভিছে। কিন্তু তাত আপত্তি কৰিব লগীয়া কিবা আছে জানো ?

অমিয়ই দেশ স্বাধীন হোৱাৰ পিছত আকৌ ১৯৪৯ চনত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলাত মন্ত্ৰী হিচাপে ফুৰিবলৈ গৈছিল। তাৰ কিছুদিনৰ পিছতেই মিকিৰ পাহাৰ আৰু এতিয়াৰ কাৰ্বি আংলং জিলাৰ জন্ম হয়।

নগা পাহাৰ জিলাই ১৯৪৪ চনত পোন প্ৰথম বাৰৰ বাবে বহিঃ জগতৰ লগত সম্পৰ্ক গঢ়ি তুলিবলৈ সুযোগ পায়—যেতিয়া জাপানী আৰু আজাদ হিন্দ ফৌজৰ সৈন্যই মিত্ৰ-শক্তিক খেদি খটুৰাই কহিমা দখল কৰিলেহি। বহুতো নগাক জাপানীয়ে পথ-প্ৰদৰ্শক আৰু সামগ্ৰী কঢ়িওৱা ভাৰী ৰূপে নিয়োগ কৰিলে। জাপো ফিজো আৰু ভিচাৰ আঙ্গামীয়ে নেতাজী সুভাষ বসুৰ আজাদ হিন্দ ফৌজৰ লগত যোগ দিলে। জখোমা-খনমা বস্তিত জাপানী স্কুল আৰম্ভ হ'ল। নগা ল'ৰাই জাপানী শিকিলে। ভিচাৰ আঙ্গামীয়ে সুভাষ বসুৰ বাণী আঙ্গামী লৈ অনুবাদ কৰি গাঁৱে গাঁৱে বিলাই দিলে। নগা-জাপানী-আজাদ হিন্দ ফৌজে গান্ধীজী আৰু জাতীয় কংগ্ৰেছৰ নামত এক গোট হ'ল। জাপানী সৈন্যাধ্যক্ষই নগাক আশ্বাস দিলে তেওঁলোক শাসন আৰু শোষণ কৰিবলৈ অহা নাই। ভাৰতক ইংৰাজৰ দাসত্বৰ শিকলিৰ পৰা মুকলি কৰিবলৈহে আহিছে। তেওঁলোকৰ কাম পূৰণ হ'লেই নিজদেশলৈ ঘূৰি যাব। জাপানী আৰু আজাদ হিন্দ ফৌজৰ নগা পাহাৰৰ স্থিতিকাল খন্তেকীয়া হ'ল। মিত্ৰ পক্ষই জাপানীক খটুৰাই নগা পাহাৰৰ পৰা উলিয়াই পঠিয়ালে।

ইতিমধ্যে নগা ৰাইজৰ মাজত ৰাজনৈতিক চেতনাৰ উন্মেষ ঘটে। এই সময়তে প্ৰথম ৰাজনৈতিক অনুষ্ঠান "নগা নেচনেল কাউন্সিল"ৰ জন্ম হয়। তাৰ প্ৰথম সভাপতি আছিল ভিচাৰ আঙ্গামী আৰু ফিজো হ'ল অন্যতম সদস্য। দলটোৱে নগা বসতি অঞ্চল সমূহ চামিল কৰণ কৰি এখন বৃহৎ নগা ৰাজ্য গঠনৰ দাবী জনালে, মণিপুৰ, টুৱেনচাং, মাও, মাৰাম আদি অঞ্চলত নগালোকৰ ঘন বসতি আছিল। সেই সময়তে নগাসকলৰ এটা দলে ভাৰতৰ পৰা বিচ্ছিন্ন হৈ সুকীয়া স্বাধীন ৰাজ্য স্থাপনৰো পৰিকল্পনা কৰিছিল। তেওঁলোকৰ এনেবিলাক কথাত দুই / এক ইংৰাজ বিষয়ায়ো দিহা পৰামৰ্শ দি ইন্ধন যোগাইছিল।

নগা পাহাৰ জিলাত তেতিয়ালৈকে কংগ্ৰেছৰ কোনো ধৰণৰ কাম হোৱা নাছিল। অমিয়ই নগা নেতা ভিচাৰ আঙ্গামীৰ লগত

যোগাযোগ কৰিলে—দুয়োৰে পত্ৰালাপ চলিল। নগা পাহাৰত কংগ্ৰেছৰ বাণী আৰু কংগ্ৰেছৰ দলত সভ্য ভৰ্ত্তিৰ কাম কৰিবলৈ তেওঁকে ভাৰ দিলে। তেওঁ সভ্য ভৰ্ত্তিৰ কামত ইটো বস্তিৰ পৰা সিটো বস্তিলৈ ঘূৰে। বিশেষ একো কৰিব নোৱাৰে। মানুহবোৰৰ মনত ভৈয়ামৰ প্ৰতি ভয়, সংশয়, সন্দেহ। আশংকা, কিজানি ইংৰাজতকৈও শোষণত ভাৰতীয় বেছি কোবাল হয়? ভিচাবে অমিয়লৈ লেখে: 'কিন্তু এতিয়ালৈকে তেওঁবিলাকে ভৈয়ামৰ মানুহক ভয় কৰে আৰু বগা চেহেৰাক হ'লে বৰকৈ বিশ্বাস কৰে।' তেওঁ অমিয়ক কহিমা হাইস্কুললৈ অসমীয়া মাষ্টৰ পঠিয়াবলৈ খাটনি ধৰিছিল। বঙালী মানুহতকৈ অসমীয়াই নগাৰ লগত বেছি মিলি থাকিব পাৰে। কংগ্ৰেছ দলৰ সভ্য ভৰ্তিৰ কাম আগ নবঢ়াত তেওঁ লেখিছিল 'ধুমুহাৰ দৰে কাম কৰিয়েই আছো কিন্তু এতিয়ালৈকে কোনেও মেম্বৰ হোৱা নাই।' তেওঁ অমিয়ক নগাপাহাৰলৈ আহিবলৈ কয় নিজে পৰিস্থিতি চাই বুজ ল'বলৈ।

১৯৪৬ চনৰ আগষ্টত অমিয়ই পত্নী পুষ্পলতাৰ সৈতে কহিমালৈ যায়। যাত্ৰা আছিল অতি কষ্টকৰ, ৰাস্তা ভঙা-ছিঙা। জান-জুৰিৰ ওপৰত দলং নাই। খোজ কাঢ়িয়েই দলটো যাব লগা হৈছিল অধিক পথ। মূৰৰ ওপৰত বৰষুণ লৈ দলটো গৈ খনমা বস্তি পাইছিল গৈ। তেওঁলোকে যিটো ঘৰত উঠিছিল গৈ তাত ১৯৪৪ চনত আজাদ হিন্দ ফৌজৰ এজন সামৰিক বিষয়া আছিল: ঘৰৰ বেৰত মেচিনগানৰ গুলিৰ চিহ্ন!

অমিয়হঁতক লগ পাবলৈ ফিজো আহিছিল। ফিজোৱে কৈছিল, তেওঁ আজাদ হিন্দ ফৌজৰ লগত আছিল। তেওঁ বহুত দিন এই দলৰ লগত ৰেঙুণত কাম কৰিছিল। ফিজোৰ লগত অমিয়ৰ দীঘলীয়া আলোচনা হৈছিল। দেশৰ স্বাধীনতা আন্দোলনৰ কথা, শাসন-ক্ষমতা হস্তান্তৰ পদ্ধতিৰ কথা। অমিয়ই বিভিন্ন সভা সমিতিত গান্ধীজীৰ আদৰ্শৰ কথা কৈছিল। তেওঁ দৃঢ়তাৰে কৈছিল—নগা সকলৰ স্বকীয় সংস্কৃতি—স্বাভাৱিক জীৱন যাত্ৰাৰ পদ্ধতিত কোনেও

হস্তক্ষেপ নকৰে। সভা বিলাকত নগা সকলে প্ৰায়ে প্ৰশ্ন কৰে—কংগ্ৰেছ দলৰ আদৰ্শৰ কথা লৈ—গান্ধীজীৰ নেতৃত্বৰ কথা লৈ। ফিজোৰ কিন্তু এটা কথা ভাৰতৰ লগত কোনো ধৰণৰ সম্পৰ্ক ৰখাৰ তেওঁ ঘোৰ বিৰোধী। অমিয়ৰ ধাৰণা হয় মানুহজন বৰ অনুভূতিপ্ৰৱণ। তেনে মানুহক কথা কৈ বুজোৱা বৰ টান। অমিয়ই তথাপি আধুনিক গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ কথা কয়—কংগ্ৰেছ আদৰ্শৰ কল্যাণকামী ৰাষ্ট্ৰ গঢ়াৰ কথা কয়।

খনমা বস্তিত এদিন একেলগে বহি খাই থাকোঁতে এজন নগাই অমিয়ক সুধিছিল—তোমালোকে আমাক গৰু আৰু গাহৰি খোৱা বুলি ঘিন কৰা স্বত্বেও একেলগে বহি খাইছা কিয় ?

উত্তৰত অমিয়ই গান্ধীজীৰ অস্পৃশ্যতা নিবাৰণী আন্দোলনৰ কথা কৈছিল। গান্ধীজীয়ে হৰিজনসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত কি ধৰণে কাম কৰিছে তাকো উদাহৰণ সহ বিৱৰি কয়।

কিন্তু নগা সকলৰ ভৈয়ামৰ মানুহৰ প্ৰতি ভয়—সন্দেহ আৰু সংশয়।

অমিয়ই এপষেককাল নগা পাহাৰত কটাই ভৈয়ামলৈ ঘূৰি আহে।

কংগ্ৰেছী নেতৃবৃন্দই ১৯৪৭ চনত পাৰ্বত্য অঞ্চল সমূহৰ প্ৰশাসনীয় গোট গঠন কৰাৰ দায়িত্ব গণ-পৰিষদক দিয়ে। পৰিষদে অসমৰ পাৰ্বত্য অঞ্চলৰ ক্ষেত্ৰত এটা পূৰ্বাঞ্চলীয় উপদেষ্টা কমিটি গঠন কৰে (ফেব্ৰুৱাৰী, ১৯৪৭)। গোপীনাথ বৰদলৈৰ ওপৰত অধ্যক্ষতাৰ ভাৰ ন্যস্ত হয়। ৰেভাঃ নিকলচ ৰয় তাৰ অন্যতম সদস্য আছিল। এই কমিটিৰ পৰামৰ্শমতে পাৰ্বত্য অঞ্চল সমূহৰ শাসন ব্যৱস্থাৰ ক্ষেত্ৰত স্বকীয়া ব্যৱস্থা কৰিবলৈ সংবিধানত ষষ্ঠ অনুসূচী অন্তৰ্ভুক্ত হয়। এই ব্যৱস্থামতে অসমৰ পাৰ্বত্য জিলা কেইখনে অসম চৰকাৰৰ শাসনাধীন হ'লেও স্বায়ত্ব শাসনৰ সুবিধা পাব। জনজাতীয় লোক সকলৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি বৰ্গৰ দ্বাৰা জিলা পৰিষদসমূহ গঠিত হ'ব আৰু নিজ নিজ অঞ্চলৰ উন্নয়নৰ বাবে তেওঁলোকে

কাৰ্যনিৰ্বাহ কৰিব পাৰিব। সেই সময়ত বৰদলৈ কমিটিৰ প্ৰতিবেদনত জন-জাতীয় নেতাসকলে সমৰ্থন দিছিল।

সময়ত ভাৰতবৰ্ষ স্বাধীন হ'ল। কিন্তু নগা পাহাৰে ফিজোৰ নেতৃত্বত এটা স্বকীয়া বাট ল'লে। এই বাট হিংসাৰ। ভাৰতৰ প্ৰধান মন্ত্ৰী নেহৰুৱে ফিজোক এই পথ এৰি সংসদী ৰাজনীতিলৈ ঘূৰি আহিবলৈ কৈছিল। তেওঁক নিৰ্বাচনত নামি অসম বিধান সভালৈ আহিবলৈ কৈছিল। ১৯৫২ চনত প্ৰধান মন্ত্ৰী নগা পাহাৰৰ মাওলৈ আহি বহুতো নগা নেতাক লগ ধৰিছিল। ইতিমধ্যে নগা পাহাৰ জিলাত চৰম পন্থী দলৰ কাৰ্য্যকলাপ বৃদ্ধি পাইছিল। মাওৰ সভাত মোককচাং অঞ্চলৰ বহুতো লোকে নেহৰুক লগ পাবলৈ আহিছিল কিন্তু তেওঁলোকে চৰম পন্থী দলৰ ভয়ত নেহৰুক লগ ধৰিব নোৱাৰিলে। লাহে লাহে হিংসাই অহিংসাক নিৰ্বাপিত কৰিলে। ভাৰত যুক্তৰাষ্ট্ৰৰ লগত থাকিম বুলি কোৱা সমৰ্থকৰ সংখ্যা লাহে লাহে কমি আহিল। নেহৰুৰ যুক্তিয়ে কাকো টলাব নোৱাৰিলে।

১৯৫১ চনত ডাক্তৰ ইনকংলিবা আৱে অমিয়ক কৈছিল "নগা পাহাৰ জিলাই ভাৰতৰ পৰা বিচ্ছিন্ন হৈ যাব নোখোজে।" কিন্তু সময়ত ডাক্তৰ আৱেও তেওঁৰ মত সলালে। তেওঁক হয়তো পৰিস্থিতিয়ে বাধ্য কৰালে।

১৯৫৩ চনত ভাৰতৰ প্ৰধান মন্ত্ৰী নেহৰু আৰু বৰ্মাদেশৰ প্ৰধান মন্ত্ৰী ইউ নু নগা পাহাৰলৈ যায়। তেওঁলোকক আদৰিবলৈ পথত টোৰণ সজা হৈছিল। কিন্তু তেওঁলোক আহি পোৱাৰ আগতেই কোনোবাই সেই টোৰণবোৰ ভাঙি পেলাইছিল। নগাৰ মনত বিচ্ছিন্নতাবাদী মনোভাৱে দ'কৈ শিপাইছিল।

নগাৰ মাজত বিভেদকামী মনোভাৱ কোনে সোমোৱাই দিলে? স্বাধীনতাৰ প্ৰাক মুহূৰ্তত কেইজনমান ইংৰাজ প্ৰশাসকে নগাসকলক বুজাই দিলে তেওঁলোকে ভাৰত স্বাধীন হ'লেও ইংৰাজৰ তলতে 'ক্ৰাউন কলনী' ৰূপে থাকি যাব পাৰিব। এই বিষয়া কেইজনে

ভাৰতবাসী আৰু ভৈয়ামবাসীৰ নানা অপবাদ ৰটাই থৈ গ'ল— যাৰ ফলত নগাৰ মনত সন্দেহ আৰু সংশয়ৰ ভাৱ উপজিল। সময়ত ইংৰাজ চৰকাৰেই এনে প্ৰস্তাৱ সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিলে। কিন্তু ভাৰতীয় ঐক্য আৰু সংহতিৰ মূলতে কুঠাৰাঘাট পৰিল। যেতিয়া নগা নেচনেল কাউন্সিলে স্বাধীন নগা ৰাজ্য দাবী কৰিলে তেতিয়াও কেইবাজনো বিদেশী মিছনেৰীয়ে তেওঁলোকৰ কথাত উজান দিলে। এটা অবাস্তৱ আৰু অবিশ্বাস্য কথাই যেন বাস্তৱত ৰূপান্তৰিত হোৱাৰ পথত আগবাঢ়িল। প্ৰধান মন্ত্ৰী নেহৰুকে আদি কৰি কেন্দ্ৰীয় চৰকাৰৰ নেতা সকলে নগা নেতা ফিজোৰ লগত দীঘলীয়া আলোচনাত বাৰে বাৰে মিলিত হ'ল। নগা সকলৰ মনস্তত্বৰ লগত পৰিচয় নথকাত গোটেই সমস্যাটো লাহে লাহে আহুকলীয়া হৈ পৰিল। অমিয়ৰ ধাৰণাত কেন্দ্ৰীয় চৰকাৰে আদিতে এটা দৃঢ় নীতি লোৱা হ'লে নগাই এনেদৰে হিংসাৰ পথ নল'লেহেঁতেন।

নগা পাহাৰত কিবা প্ৰকাৰে শান্তি ঘূৰাই আনিব পাৰি নেকি? অমিয়ই চিন্তা কৰিছিল—মানুহৰ মনৰ পৰা সন্দেহ-সংশয় আৰু সন্ত্ৰাসৰ ভাৱ দূৰ কৰা সম্ভৱ নে? গান্ধীবাদী আদৰ্শৰে গঠনমূলক কম আঁচনি তাত প্ৰয়োগ কৰা সম্ভৱ নে? ১৯৫৫ চনত নতুন দিল্লীত কাকাচাহেব কালেলকাৰৰ যোঁগে এজন গান্ধীবাদী সমাজ কৰ্মী নটবৰ থক্কৰৰ লগত অমিয়ৰ পৰিচয় ঘটিছিল। থক্কৰৰ ইচ্ছা—নগাপাহাৰত গঠনমূলক কাম কৰাৰ। নগাপাহাৰৰ পৰিবেশ ৰাজনৈতিক ভাৱে উত্তপ্ত—চাৰিওফালে হিংসাই বিৰাজ কৰিছে। কালেলকাৰে অমিয়ৰ হাততে থক্কৰক গটালে। অমিয় তেতিয়া জনজাতীয় উন্নয়ন বিভাগৰো মন্ত্ৰী। ১৯৫৬ চনত নটবৰ দিল্লী এৰি কহিমা পালেহি। মন্ত্ৰীৰ আদেশত জিলা কৰ্তৃপক্ষই থক্কৰক সকলো প্ৰকাৰৰ সাহায্য দিলে। চুচেইমলাঙত নগালেণ্ড সমাজ সেৱাকেন্দ্ৰ এটা গঢ়ি উঠিল। বহুতো নগা যুৱক-যুৱতীৰ থক্কৰৰ সংগঠনত কৰ্ম সংস্থানৰ সুবিধা হ'ল। অমিয়ৰ সক্ৰিয় সহযোগিতাতে ই সম্ভৱপৰ হৈছিল।

১৯৫৫ চনত ৰাজ্য পুনৰ গঠন আয়োগ কহিমালৈ আহোঁতে নগা

নেশ্যনেল কাউন্সিলে আয়োগৰ আগত অসমৰ বাহিৰত বেলেগে থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল।

ইতিমধ্যে পাৰ্বত্য জিলা সমূহে গোট খাই এখন স্বকীয়া পাৰ্বত্য ৰাজ্য গঠনৰ দাবী উত্থাপন কৰিছিল। কাৰ্বি দৰবাৰে এই দাবী সমৰ্থন কৰা নাছিল। ৰাজ্য পুনৰ গঠন আয়োগৰ ওচৰত এই দাবী উত্থাপিত হৈছিল—কিন্তু সমৰ্থন নাপালে।

নগা পাহাৰে হিংসাৰ পথলৈ স্বকীয়া স্বাধীন নগা ৰাজ্যৰ দাবীত আন্দোলন গঢ়ি তুলিলে। ফিজোৰ সমৰ্থকৰ সংখ্যা লাহে লাহে বৃদ্ধি পালে। বহুতো যুৱকে আত্মগোপনীয়তাৰ সহায়েৰে বন্দুক-গুলি-বাৰুদৰে ভাৰতীয় সৈন্য বাহিনীৰ বিৰুদ্ধে 'গৰিলা' যুদ্ধ আৰম্ভ কৰিলে।

এনে সন্ত্ৰাসৰ মাজতে ডাক্তৰ ইনকংলিবা আওৰ সভাপতিত্বত নগা জাতিৰ সন্মিলনত (২২ আগষ্ট, ১৯৫৭) নগা সকলক হিংসাৰ পথ পৰিহাৰ কৰি ভাৰত চৰকাৰৰ লগত এটা আপোচ মীমাংসাত আহিবলৈ দুয়োপক্ষকে এটা শান্তিপুৰ্ণ বাতাবৰণ সৃষ্টি কৰিবলৈ আহ্বান জনায়। সন্মিলনে নগা পাহাৰ জিলা আৰু নেফাৰ অন্তৰ্গত টুৱেনচাঙক লৈ এটা নতুন প্ৰশাসনীয় গোট গঠন কৰি ভাৰত চৰকাৰৰ পৰৰাষ্ট্ৰীয় বিভাগৰ মন্ত্ৰণালয়ৰ অধীনত ৰাখি অসমৰ ৰাজ্যপালৰ দ্বাৰা শাসন চলোৱাৰ পৰামৰ্শ দিয়ে।

১৯৫২ চনত নগাসকলে নিৰ্বাচন বৰ্জন কৰিলেও ১৯৫৭ চনৰ নিৰ্বাচনত তেওঁলোকে অংশ লয় আৰু তিনিজন নগা প্ৰতিনিধি অসম বিধান সভালৈ নিৰ্বাচিত হয়। তেতিয়াৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সৈতে অমিয়ই নগাপাহাৰ জিলাৰ মোককচাং, কহিমা, উখা, আদি বিভিন্ন ঠাইলৈ গৈছিল। অমিয়ৰ মতে অসমৰ নেতৃবৰ্গৰ অনৈক্য, নেহৰুৰ নগা সমস্যাটোৰ প্ৰতি লঘু দৃষ্টিভঙ্গী, অসমীয়াৰ প্ৰতি অবিশ্বাস, নগাৰ মাজত থকা নৰম পন্থী দলক কংগ্ৰেছ নেতৃবৰ্গই বিশ্বাসত নোলোৱা আদিৰ কাৰণেই নগাসমস্যাই গুৰুতৰ আকাৰ ধাৰণ কৰিলে।

১৯৬২ চনৰ জুন-আগষ্ট মাহত অসম বিধান সভাত নগাপাহাৰ জিলা ভাৰত যুক্তৰাষ্ট্ৰৰ অন্তৰ্গত এখন স্বকীয়া প্ৰদেশৰূপে গঠিত হোৱাৰ বাবে যি বিতৰ্ক হৈছিল তাত অমিয়ই ভাগ লৈ বেদনাসিক্ত কণ্ঠৰে কৈছিল: 'আজি আমি একেটি পৰিয়াল হৈয়ো একেলগে থাকিব নোৱাৰি ভাগ ভাগ হ'লোঁ।' ১৯৬৩ চনৰ ১ ডিচেম্বৰত নগাৰাজ্যৰ জন্ম হয়

অমিয়ৰ ধাৰণাত নগাপাহাৰ জিলাক ফালি নি স্বকীয়া ৰাজ্য কৰাৰ ফলত নগাৰ ৰাজনৈতিক সমস্যাৰ জানো সমাধান হ'ল? নগাৰাজ্য লাভে আন পাৰ্বত্য অঞ্চল বিলাকতো বেলেগ ৰাজ্য লাভৰ হেপাহ জগাই নুতুলিবনে? নগাপাহাৰত জানো সঁচাই "অসমীয়াকৰণ" চলিছিল। এটা মিছা কথাৰ ওপৰত গুৰুত্ব দি এই ৰাজ্যখন সৃষ্টি কৰা হ'ল। নগালেণ্ড হ'ল—কিন্তু নগা সমস্যাৰ সমাধান জানো হ'ল? অলপ ধৈৰ্য ধৰি ৰাজ্যনৈতিক বিবেক-বিচাৰ প্ৰয়োগ কৰা হ'লে অসমৰ বুকুত এনেকৈ এখন স্বকীয়া ৰাজ্য গঠন হ'বলৈ নেপালেহেঁতেন! অসমৰ ৰাজনৈতিক-ভৌগলিক সংহতিত এনেকৈ আঘাত নপৰিলেহেঁতেন!

লুচাই পাহাৰৰ প্ৰতিও অমিয়ই কেতিয়াবাৰে পৰাই মনোনিবেশ কৰিছিল। ১৯৪৬ চনৰ ২১-২২ নৱেম্বৰত কাছাৰৰ লক্ষ্মীপুৰত বৰাইচিৰোকাৰ সভাপতিত্বত মিজো সন্মিলন বহে। এই সন্মিলনত লুচাই পাহাৰ, কাছাৰ, মণিপুৰ আৰু চিতাগঙ্গত থকা সকলো মিজোকে লৈ বৃহত্তৰ মিজোৰাম গঠনৰ প্ৰস্তাৱ উঠে আৰু গৃহীত হয়। সন্মিলনে অৱশেষত অসমৰ লগতে অংগৰাজ্য হিচাবে থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু স্বায়ত্ব শাসন ব্যৱস্থাৰ বাবে দাবী জনাইছিল।

গণপৰিষদত মিজো প্ৰতিনিধিয়ে প্ৰতিনিধিত্ব নোপোৱাত তেওঁলোকৰ মনত অসন্তোষৰ বা বলিছিল। অমিয়ই মিজো ইউনিয়নৰ নেতাসকলৰ লগত এই বিষয়টো লৈ পত্ৰালাপ চলায়। নেতাসকলৰ দাবী হ'ল গণপৰিষদৰ উপদেষ্টা পৰিষদত অন্ততঃ এজন মিজো

প্ৰতিনিধিক স্থান দিব লাগে। তেওঁলোকে অমিয়ক জনাইছিল—এই দাবী গণপৰিষদে মানি নল'লে—তেওঁলোক বেলেগ পথ ল'ব। আনে জ্বাপি দিয়া সংবিধান তেওঁলোকে হয়তো মানি নল'বও পাৰে। হয়তো এদিন অসম খণ্ড-খণ্ড হ'ব পাৰে—এনে কাৰ্য্যৰ ফলত। অমিয়ই মিজো নেতাসকলৰ দাবীৰ সন্দৰ্ভত গণপৰিষদত পাৰ্য্যমানে চেষ্টা চলাইছিল। পিছত তেওঁ মিজো ইউনিয়নক উপদেষ্টা পৰিষদত যোগ দিবলৈ ছুজন সহযোগী প্ৰতিনিধি পঠিয়াবলৈ কৈছিল। মিজো নেতাসকল এই কথাত কিছু পৰিমাণে আশ্বস্ত হৈছিল। অমিয়ই ভানুলোৱামা, ভানুথোৱামা আৰু খাউটিনুমোমালৈ চিঠিৰে উপদেষ্টা পৰিষদত যোগ দিবলৈ জোৰ দিছিল। তেওঁলোকক সাক্ষীবাদীৰ তালিকা ঠিক কৰিবলৈও কৈছিল।

মিজোসকলৰ অমিয়ৰ ওপৰতে পৰম আস্থা। তেওঁক লুচাই পাহাৰলৈও তেওঁলোকে মাতিছিল। ১৯৪৬ চনৰ ১৫ অক্টোবৰত তালৈ যাবলৈ ওলাই তেওঁ শ্বিলং বাছষ্টেশ্যনত এটা দুৰ্ঘটনাত পৰি বহুত দিনলৈ শৰ্য্যাশায়ী হ'ব লগা হ'ল। লুচাই পাহাৰলৈ তেতিয়া আৰু যোৱা নহ'ল। লুচাই পাহাৰত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰাৰ তেওঁৰ ইচ্ছা আছিল। মিজো ইউনিয়নে সেই সময়ত কংগ্ৰেছকে সমৰ্থন দিছিল।

জন-জাতীয় লোকৰ প্ৰতি অমিয়ৰ মন সদায় উদাৰ আৰু সহানুভূতিশীল আছিল। এই অঞ্চল বিলাকত গৈ কাম নকৰাৰ ফলত তেওঁলোকৰ মনত ভৈয়ামৰ প্ৰতি সন্দেহ আৰু অবিশ্বাস। কংগ্ৰেছ আৰু গান্ধীজীৰ আদৰ্শ প্ৰচাৰ নোহোৱাৰ ফলত মানুহ-বিলাকৰ মন ভাৰতীয় সংস্কৃতিৰ প্ৰতিও সন্দিহান হৈ থাকিল। ইংৰাজ চৰকাৰৰ দৰে স্বাধীন ভাৰতেও অসমক পাৰ্বত্য অঞ্চলৰপৰা বিচ্ছিন্নকৈ ৰাখি যোৱাৰ ফলত তেওঁলোকৰ মনত বিভেদকামী মনোভাৱৰ সৃষ্টি হয়। অসম যদি সচাঁকৈয়ে খণ্ড-বিখণ্ডিত হৈ যায় তাৰ বাবে দোষী কোন হ'ব? অসমৰ বুকুৰপৰা ইতিমধ্যে নেফা (অৰুণাচল), নগালেণ্ড আৰু মেঘালয়ৰ সৃষ্টি হ'ল—অমিয়ৰ মতে :

> ভৌগলিক অসম ৰক্ষা কৰিবলৈ হ'লে দেশৰ সকলোৰে যত্ন কৰিব লাগিব। কেৱল মন্ত্ৰী কেইজনৰ ওপৰতে এৰি দিলে নহ'ব। মনত ৰাখিব লাগিব, ইংৰাজে ৰাজনৈতিক শক্তিৰেহে এইখন দেশ ৰাখিছে; ইংৰাজৰ ৰাজনৈতিক শক্তিৰ আঁৰত পশুবল আছিল, আমি গণতান্ত্ৰিক শাসনৰ ব্যৱস্থা কৰি পশুবলৰ আশ্ৰয় ল'ব নোৱাৰো। এই ৰাজনৈতিক শক্তিৰ ভেটি হ'ব লাগিব নৈতিক শক্তি। এই বাবে অসমীয়া ভাষী লোকসকলৰ ওপৰতেই দায়িত্ব সৰহ।

১৯৬৮ চনৰ ১১ চেপ্টেম্বৰত কেন্দ্ৰীয় চৰকাৰে অসমৰ বুকুৰপৰা গাৰো পাহাৰ আৰু খাচীয়া-জয়ন্তীয়া পাহাৰ জিলাক লৈ এটা নতুন স্বায়ত্ব শাসিত প্ৰশাসনীয় গোট গঠন কৰে। প্ৰথমতে এই গোটটো অসম ৰাজ্যৰ মাজতে উপৰাজ্য ৰূপে থকাৰ সিদ্ধান্ত হৈছিল। শ্বিলং দুয়োখন ৰাজ্যৰে উমৈহতীয়া ৰাজধানী হিচাপে থাকিব। ১৯৭০ চনৰ ১ এপ্ৰিলত এই প্ৰশাসনীয় গোটটো সম্পূৰ্ণ পৃথক হৈ মেঘালয়ৰ সৃষ্টি হয়।

অমিয়ই মেঘালয়ৰ জন্মৰ বাবে অসমীয়া লোক সকলেই জগৰীয়া বুলি ভাবে। ভাৰতৰ বিশাল জনতাৰ মাজত গাৰো-খাচীয়া-জয়ন্তীয়া মাত্ৰ এমুঠি মানুহ। এই বিৰাট সংখ্যা গৰিষ্ঠতাৰ ওচৰত তেওঁলোকৰ দৰে এটা সংখ্যালঘিষ্ঠ জনগোষ্ঠী সম্পূৰ্ণৰূপে লুপ্ত হৈ যোৱাৰ আশংকাত তেওঁলোক উদ্বিগ্ন হ'ল। আনহাতে অসমীয়া ৰাইজৰ আচৰণত তেওঁলোকে কোনোধৰণৰ প্ৰত্যয় লাভ কৰিব নোৱাৰিলে। ১৯৬০ চনৰ ভাষা আন্দোলনে তেওঁলোকক আৰু শংকাকুলহে কৰি তুলিলে।

অমিয়ৰ মতে—

> গণতন্ত্ৰত সকলো মানুহৰে অধিকাৰ আছে। আৰু এই অধিকাৰ কেনেকৈ সংখ্যাত তাকৰিয়া লোক-সমষ্টিৰে ৰক্ষা কৰিব পাৰে তাৰ ওপৰতে গণতন্ত্ৰ নিৰ্ভৰ কৰে। এইবাবে

> সকলো লোকৰে ৰাজনৈতিক চিন্তাৰ প্ৰয়োজন—যাতে সংখ্যা গৰিষ্ঠতাই সংখ্যা লঘিষ্ঠৰ মনলৈ প্ৰত্যয় আনিব পাৰে—এনে আচৰণৰ প্ৰয়োজন।

আনহাতে অসমীয়া মানুহৰ সংখ্যাও তাকৰিয়া। সেই মানুহখিনিৰ মাজত বিভেদকামী শক্তিয়ে কাম কৰিছে। বুৰঞ্জীয়ে আমাক এখন অসম দিয়া নাই! অসমীয়া মানুহৰ মাজতে সংহতিৰ অভাৱ। জাত-সম্প্ৰদায়-ভাষা লৈ নানা বিদ্বেষ আৰু বিৰোধ। অসমৰ বুকুৰপৰা পাৰ্বত্য অঞ্চলসমূহ ফালি নি সুকীয়া প্ৰশাসনীয় গোট গঠন কৰিলেই অসমৰ সমস্যা জানো সমাধান হ'ব? এনে কৰাৰ ফলত বৰঞ্চ পৰ্বত-ভৈয়ামৰ সম্বন্ধত জটিলতাৰহে সৃষ্টি হৈছে। জৱহাৰলাল নেহৰুৰ পৰা আৰম্ভ কৰি ভাৰতীয় নেতৃত্বই সময়ে সময়ে পৰ্বতীয়া প্ৰীতিৰ ভাব দেখুৱাবলৈ গৈ ভাৰসাম্য হেৰুৱায় অস্বাভাৱিক মন্তব্য কৰা দেখা যায়। পাহাৰী লোকৰ মনস্তত্বৰ লগত কোনোধৰণৰ যোগাযোগ নথকাত পৰিস্থিতি জটিলতৰহে হৈছে। "চিকিৎসকসকলে না না ন ঔষধ উলিয়াই কিছুমান জন্তুৰ ওপৰত পোনতে পৰীক্ষা কৰে—সেইদৰে অসমৰ বেমাৰ চিকিৎসা কৰিবলৈ ৰাজনৈতিক চিকিৎসকসকলে না না ন পৰীক্ষাৰ কথা ভাবি আছে। কেন্দ্ৰীয় চৰকাৰে নিজৰ ভিতৰতে মন স্থিৰ কৰিব পৰা নাই।" পাৰ্বত্য আৰু ভৈয়াম অঞ্চলৰ মাজত সন্দেহ আৰু সংশয় বৃদ্ধি পোৱাৰ মূলত কেন্দ্ৰীয় চৰকাৰৰো অৰিহনা আছে। এটা ৰাজনৈতিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত ভাৰতীয় নেতৃত্বই যি ধৰণৰ সাৱধানতা অৱলম্বন কৰিব লাগিছিল—যি ধৰণৰ ৰাজনৈতিক পৰিপক্কতাৰ পৰিচয় দিব লাগিছিল—সি বাস্তৱ ক্ষেত্ৰত হৈ নুঠিল।

১৯৭২ চনৰ ২১ জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৱ অঞ্চলৰ পুৰ্ণ গঠন আঁচনি কাৰ্যকৰী কৰি মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰক সম্পূৰ্ণ স্বয়ং শাসিত ৰাজ্য ৰূপে পৰিগণিত কৰে আৰু লগতে লুচাই পাহাৰ জিলাক লৈ গঠিত হোৱা মিজোৰাম আৰু পূৰ্বৰ নেফা বৰ্তমানৰ অৰুণাচলক কেন্দ্ৰীয় শাসিত প্ৰদেশৰূপে গঠন কৰে।

উত্তৰ-পূব সীমান্ত অঞ্চল—'নেফা' আৰু অসমৰ মাজত ঐতিহাসিক সম্পৰ্কৰ পৰম্পৰা আছে। প্ৰকৃতাৰ্থত এই অঞ্চলটো আৰু অসমৰ ভৈয়াম অঞ্চলে এটা আৰ্থসামাজিক গোটৰ সৃষ্টি কৰিছে। এই আৱেগিক ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোন—পুৰণিকলীয়া। এই অঞ্চলৰ বিভিন্ন ফৈদৰ মাজত বিভিন্ন দোৱান প্ৰচলিত কিন্তু এটা ফৈদে আন এটা ফৈদৰ লগত কথা পাতোতে "নাগামীজ" (অসমীয়াৰ অপভাষা) ব্যৱহাৰ কৰে। ভৈয়ামৰ লগত বেহাবেপাৰ যোগাযোগ এই ভাষাৰেই হয়। নেফা অঞ্চল অসম চৰকাৰৰ শাসনাধীন হৈ থাকোঁতে তালৈ অসমীয়া বিষয়াসকল গৈছিল—তাৰ স্কুলসমূহত অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা হৈছিল।

পঞ্চাচৰ দশকৰ আৰম্ভণীৰপৰা জৱহাৰলাল নেহৰুৱে নেফা প্ৰশাসন নীতিৰ আমূল পৰিবৰ্তন ঘটায়। যাৰ ফলত নেফা অঞ্চলৰপৰা অসমীয়া, অসমীয়া ভাষা আৰু অসম কংগ্ৰেছ সম্পূৰ্ণৰূপে বহিঃস্কৃত হয়। নেফাৰ শাসন ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ বহিঃ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰণা বিভাগে লয়। অসমীয়া প্ৰশাসকৰ সলনি সামৰিক বাহিনীত কাম কৰা প্ৰাক্তন বিষয়া আৰু উত্তৰ ভাৰতৰ লোকৰ আমদানি হয়। তাত হিন্দী ভাষা প্ৰৱৰ্তন কৰি জাতীয় সংহতি লাভৰ প্ৰচেষ্টা চলিল। অসমীয়া ভাষা সংস্কৃতি নেফাবাসীৰ ওপৰত জোৰকৈ জাপি দিয়া বুলি অসমীয়াৰ বিৰুদ্ধে অভিযোগ উঠিল। এটা বাস্তৱ সত্যক নুই কৰি পাহাৰ বাসীৰ মনত অসমীয়া-বিদ্বেষ ভাৱ এটা চক্ৰই উদ্দেশ্য প্ৰণোদিত ভাৱে চলালে। নেফা প্ৰশাসন প্ৰতিৰক্ষাৰ লগত সংযোজিত হ'ল।

এনেবিলাক কথা দেখি শুনি অসমৰ নেতৃবৃন্দই নীৰৱে থকা নাছিল। অমিয়ই কাকাচাহেব কালেলকাৰ, এল্ এস্ শ্ৰীকান্ত আৰু আনকি জৱহাৰলাল নেহৰুকো লিখিতভাৱে আৰু মুখেৰে কৈছিল যে ভাৰত চৰকাৰৰ নেফা নীতি সম্পূৰ্ণ ভুল। হিন্দী ভাষা শিকালেই জানো জাতীয় সংহতি লাভ হ'ব? সংহতি লাভৰ ক্ষেত্ৰত ভাষাই একমাত্ৰ বাহন নহয়। দাক্ষিণাত্যৰ ৰাজ্যসমূহত বিভিন্ন

ভাষা প্ৰচলিত যদিও তাৰ লোকসকল অভাৰতীয় হৈ যোৱা নাই। সাংস্কৃতিক সমন্বয় আৰু উমৈহতীয়া প্ৰশাসনীয় ব্যৱস্থাৰ দ্বাৰাহে ভাৰতবৰ্ষত সংহতিৰ সৃষ্টি হৈছে। অসম আৰু নেফাৰ ঐতিহাসিক যোগসূত্ৰৰ মাজত কেন্দ্ৰীয় চৰকাৰে এখন কৃত্ৰিম দেৱাল গঢ়ি তুলিলে। সাম্ৰাজ্যবাদী ইংৰাজক অনুসৰণ কৰি নেফাত স্বাধীন চৰকাৰে ঔপনিবেসিক নীতি প্ৰবৰ্তন কৰিলে। নেফাৰ শাসন ব্যৱস্থা সীমান্ত প্ৰতিৰক্ষাৰ লগত সংযোজিত। কিন্তু নেফাক অসম আৰু অসমীয়াৰপৰা পৃথক কৰি দেশৰ সীমান্তৰ প্ৰতিৰক্ষা সুদৃঢ় কৰি ৰখা সম্ভৱ নে? নেপোলীয়নে ৰুচবাসীৰ নৈতিক সমৰ্থন লাভ কৰিবলৈ সমৰ্থ নোহোৱা বাবেই পৰাজয় বৰণ কৰিব লগা নহৈছিল নে? অসমৰ সীমান্তৰ ফালে চীনে অগ্ৰসৰ হ'লেই আমাৰ প্ৰতিৰক্ষাৰ বেহুও তাছঘৰৰ দৰে ভাঙি থানবান হৈ যাব। এনে সময়ত এটা সুস্থিৰ আৰু সুবিবেচক নীতিৰহে অত্যন্ত প্ৰয়োজন আছিল!

প্ৰধানমন্ত্ৰী নেহৰুক ভেৰিয়াৰ এলুইনে 'নেফা দৰ্শন' উপহাৰ দিলে। নেফাত কোনো প্ৰকাৰৰ অসমীয়াকৰণ নচলিব। পাৰ্বত্য আৰু ভৈয়াম অঞ্চলৰ মাজত গঢ়ি উঠা আৱেগিক ঐক্য বিনাশ পালে। অমিয়ই বিচাৰিছিল গান্ধী মিছন বা অন্যান্য সমাজসেৱী অনুষ্ঠানে এই অঞ্চলত কাম কৰক। তাতো নেফা প্ৰশাসনে বাধা দিলে। প্ৰধানমন্ত্ৰী নেহৰুক তেতিয়াই তেওঁ কৈছিল নেফা নীতি সংশোধন নকৰিলে ভাৰতৰ বিপৰ্যয় ঘটিব। চীনে যিকোনো মুহূৰ্তত আমাৰ সীমান্তত আক্ৰমণ চলাব পাৰে। নেহৰুক সীমান্ত সম্পৰ্কীয় পৰামৰ্শদাতাসকলে সুপৰামৰ্শ দিয়া নাছিল। নেহৰুৱে অমিয়ৰ কথা মানি লোৱা নাছিল। তেওঁ কৈছিল—তুমি ভুল—ভুল কৈছা'। উত্তৰত অমিয়ই কৈছিল 'মোৰ যদি ভুল তেন্তে ভাল কথা—কিন্তু মোৰ মনে কৈছে যে নেপোলীয়নে আনক অন্ধভাৱে বিশ্বাস কৰাৰ দৰে যেনেকৈ শেহত পৰাজয় বৰণ কৰিব লগা হ'ল—আপোনাৰ বিপৰ্যয় কিজানি নেফা নীতি লৈয়ে আহিব—মোৰ শংকা হৈছে। মানুহৰ নৈতিক সমৰ্থন বিনা প্ৰতিৰক্ষাৰ বেহুও কেতিয়াও সুদৃঢ় হ'ব নোৱাৰে।'

শেষ অধ্যায়

এন্ধাৰৰপৰা পোহৰলৈ নিয়া

পাহাৰ-পৰ্বত-হাবি-জঙ্ঘলৰ নিৰ্জন পৰিবেশে অমিয়ক আটাইতকৈ বেছি আকৰ্ষিত কৰিছিল। অৰণ্যৰ গহীন গম্ভীৰ সৌন্দৰ্যই তেওঁৰ মন আনন্দত আপ্লুত কৰে। পাহাৰীয়া আৰু হাবিতলীয়া মানুহৰ সহজ সৰল জীৱন যাপনে তেওঁক নগৰীয়া জীৱনৰ প্ৰতি সম্পূৰ্ণ বিতুষ্ট কৰি তুলিছিল।

এটা দিন আছিল তেওঁ জীৱিকা নিৰ্বাহৰ তাড়ণাত ভূটান পাহাৰৰ নামনিৰ গভীৰ অৰণ্যৰ মাজত থাকিব লগা হৈছিল। পাহাৰত কাঠ কাটি ইষ্টাৰ্ণ ৰেলৱেক ৰেলৰ শ্লীপাৰৰ কাঠ যোগান দিয়ে। তাত তেওঁ থাকোঁতে এটা হৰিণা পোৱালিও পুহিছিল—দুধদানীৰে গাখীৰ খুৱাই ডাঙৰ কৰিছিল। ঠাই টুকুৰাত জাক জাক ম'হ চৰাই পৰে। কেতিয়াবা বনৰীয়া হাতীৰ জাক আহে। ঋতুৱে ঋতুৱে বিভিন্ন পখীৰ জাক আহে। ঋতু পৰিবৰ্তন হয়—পখীৰ স্বৰৰ সলনি হয়। এইবোৰ পৰ্যবেক্ষণ কৰি তেওঁ বৰ আনন্দ পায়। পখীক লৈ কৱিতা লেখাতকৈ পখীৰ জীৱন-প্ৰণালীৰ ওপৰত অধ্যয়ন কৰাৰ ইচ্ছা হয়। চহৰৰ কোলাহলময় পৰিবেশ এৰি সেয়েহে তেওঁ বেছেৰীয়াত আশ্ৰম পাতি থকাৰ কথা চিন্তা কৰিছিল। ১৯৪৫ৰপৰা ১৯৪৭ চনলৈ তেওঁ তাতে থাকিবলৈ লৈছিল। ১৯৪৭ চনত মন্ত্ৰী হৈ শ্বিলঙৰ ৰাজ হাউলতি প্ৰৱেশ কৰিব লগা হ'ল। ১৯৫৭ চনৰ এপ্ৰিলত মন্ত্ৰীত্বৰ কাল উকলি যোৱাত শ্বিলঙৰ চৰকাৰী ৰাসভৱন এৰিব লগা হ'ল। এৰিবৰ সময়ত তাত কাম কৰা অসমীয়া, নেপালী, খাছীয়া সকলো কৰ্মচাৰীয়ে তেওঁৰ ভৰিত ধৰি হুকহুকৈ কান্দিবলৈ ধৰিলে। তেওঁলোকে যেন অতি আপোনজনকহে বিদায় দিছে। নতুন মন্ত্ৰীসভাই শপত লোৱাৰ দিনাই নিশা দুই বজাত

অমিয়ই পৰিয়াল সহ গাড়ীত উঠিছিল গুৱাহাটী অভিমুখে—মনত কোনো খেদ নাই—দুখ নাই। মন্ত্রীত্বৰ দায়িত্ব পালন—সেয়া হয়তো দেশবাসীৰ প্রতি কর্তব্য আছিল—আজি তাৰ অন্ত পৰিল। হয়তো প্রয়োজনো শেষ হ'ল।

কিন্তু অমিয় পৰিয়াল লৈ যাব ক'লৈ? বেছেৰীয়াৰ আশ্রমলৈ?

বহুত দিনৰ আগতে অমিয়ৰ কেইবাজনো শুভাকাঙ্ক্ষীয়ে তেওঁক তেজপুৰত মাটি দি তাতে থকাৰ প্রস্তাৱ দিছিল। তেজপুৰ জিলা কর্তৃপক্ষয়ো চৰকাৰী মাটি দিবলৈ আগবাঢ়ি আহিছিল। এনেকুৱা প্রস্তাৱ চাৰিবাৰেই উঠিছিল—কিন্তু অমিয়ৰ অসহযোগিতাৰ বাবে একো নহ'ল। গুৱাহাটীতো এবাৰ ডাঃ হৰেকৃষ্ণ দাসে অমিয়ক শৰণীয়া আশ্রমৰ ওচৰত মাটি এটুকুৰা দিব খুজিছিল। কিন্তু তেজপুৰ বা গুৱাহাটীত থকা নহ'ল।

বহুত দিনৰ আগতে তেজপুৰৰ ৰুদ্র বৰাৰ উৎসাহত অমিয়য়ো উজান দিছিল। তেওঁলোকে ৰুদ্র বৰা, বিজয় ভাগৱতী, অমিয় আৰু তিনি জনে ঢেকিয়াজুলিত সমবায় ভিত্তিত আদর্শ গাম পাতি থকাৰ সিদ্ধান্ত লৈছিল। ১৯৫৬ চনত চৰকাৰে তেওঁলোকক মাটি দিছিল। অমিয় তেতিয়া মন্ত্রী, গতিকে সকলোৰে হৈ খাজনা তেৱেঁই দিছিল। তেওঁলোকৰ পৰিকল্পনা বহুত—তাত ধান খেতি—মাটিকঠালৰ খেতি আৰু আন আন কিবাকিবি কৰাৰ বহুত আঁচনি। ১৯২১ চনতে ঢেকিয়াজুলিলৈ অমিয়ৰ মন আকর্ষিত হৈছিল।

অমিয়ই মনে মনে ঠিক কৰে তেওঁ ঢেকিয়াজুলি অঞ্চলৰ ৰাইজৰ সেৱাতে নিজক বিসর্জন দিব। শেহত ঢেকিয়াজুলিত অমিয়ৰ বাহিৰে কোনো এজনো নেথাকিল। চৰকাৰৰ মাটি চৰকাৰৰ হাতলৈকে ঘূৰি গ'ল।

অমিয়ই ঢেকিয়াজুলিৰ আই. এন. টি. ইউ-চিৰ সম্পাদক প্রতাপ কলিতালৈ লেখিলে: 'মই জীৱনৰ শেষ দিনকেইটা ঢেকিয়াজুলিতে কটাবলৈ ইচ্ছা কৰিছো। তোমালোকে ভাবি চাবা।' চিঠি পাই ঢেকিয়াজুলিৰ ৰাইজে যিমান ভাল পাইছিল—সিমানে অবাক

হৈছিল। এনে এখন পিছ পৰা অনুন্নত ঠাইত "অমিয় দাদা" কেনেকৈ থাকিব ? লাগ বুলিলেই ভাল ডাক্তৰ এজন ক'ত পাব ? বহুতো সন্দেহ আৰু সংশয় থকা সত্বেও ঢেকিয়াজুলিৰ ৰাইজে তেওঁক আমন্ত্ৰণ জনালে। ঢেকিয়াজুলিৰ শ্ৰমিক কল্যাণ আশ্ৰমৰ এটা সৰু ঘৰতে অমিয় আৰু পুষ্পলতাই সংসাৰ পাতিলে। ঘৰটো বৰ সৰু হোৱাত ১৯৫৯ চনত অমিয়ই আশ্ৰমৰ কাষতে আই-এন-টি-ইউ-চিৰ বৰছলাকেন্দ্ৰৰ কাষৰ মাটি এটুকুৰা কিনি এটা সৰু দু-কোঠলীয়া ঘৰ সাজে। ঘৰ সজাত ঢেকিয়াজুলিৰ কল্যাণ আশ্ৰমৰ কৰ্মীসকলে সহযোগ কৰিছিল। ঘৰ সজাৰ যাৱতীয় খৰচ অমিয়ই নিজেই বহন কৰিছিল। অমিয়ই কল্যাণ আশ্ৰমৰ লগত এটা চুক্তিত আহিছিল —তেওঁ আৰু তেওঁৰ পত্নীৰ জীৱিত কালত এই ঘৰ তেওঁলোকৰ হৈ থাকিব। তেওঁলোকৰ মৃত্যুৰ পিছত সেই ঘৰ ৰাজহুৱা কামত ব্যৱহৃত হ'ব। বনুৱা, জনজাতীয় আৰু অৰ্থনৈতিকভাৱে পিছ পৰা ভনীসকলৰ কাৰণে সেই ঘৰ যাতে ব্যৱহাৰ হয় তাকেই তেওঁ আশা কৰিছিল। এই সৰু অকণমানি ঘৰটোতে আশ্ৰমবাসীৰ দৰে স্বামী-স্ত্ৰীয়ে গাৰ্হস্থ্য আশ্ৰম পাতিলে। বৰ্তমানে এই ঘৰটো লোক নায়ক অমিয় কুমাৰ দাস স্মৃতি-ন্যাস কাৰ্যালয় হিচাপে ব্যৱহাৰ হৈছে।

১৯৫৮ চনত অমিয় বিধায়ক হৈ থাকিলেও বাৰে বাৰে তেওঁৰ ভাৱ হৈছিল তেওঁ যেন সময়ৰ অপব্যৱহাৰ কৰিছে। এছেম্বলী এৰি দি গঠনমূলক কামত লগাৰ ইচ্ছাই তেওঁক মাজে মাজে উন্মনা কৰি তোলে। গান্ধীজীৰ আদৰ্শত অনুপ্ৰাণিত হৈ তেওঁ জীৱনৰ এটা বিশেষ পৰ্বত খোজ লৈছে। ধন আৰু ক্ষমতাৰ কণ্টকাকীৰ্ণ পথে তেওঁক মাজে মাজে বিচলিত কৰি তোলে। ১৯৫৮ চনৰ ২ অক্টোবৰৰ দিনা গান্ধী-জয়ন্তী উৎসৱ উপলক্ষে তেওঁ কেহেৰুখণ্ডা আশ্ৰমৰপৰা দৰং জিলাৰ বিভিন্ন অঞ্চললৈ পদযাত্ৰা আৰম্ভ কৰে। উদ্দেশ্য ভিতৰুৱা অঞ্চলৰ ৰাইজৰ অভাৱ-অভিযোগ সামাজিক আৰু অৰ্থনৈতিক দিশৰ লগত চাক্ষুস পৰিচয় লাভ কৰা।

সক্ৰিয় ৰাজনীতিৰ লগত সংশ্ৰৱ এৰাৰ মানসৰেই ১৯৫৭ চনত

তেওঁ মেথি মন্ত্রীসভাৰপৰা স্ব-ইচ্ছাৰে ওলাই আহিছিল। লাহে লাহে অমিয়ই অনুভৱ কৰিছিল সমসাময়িক ৰাজনীতিৰ বাবে তেওঁ অচল টকা। তেওঁক আকৌ ১৯৬৪ চনত দেবেশ্বৰ শৰ্মাই ৰাজনীতিলৈ ঘূৰাই নিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁ তেতিয়া দৃঢ়প্রতিজ্ঞ। ৰাজনীতি-নৈব-নৈব চ'।

অমিয়ৰ দেখি বেয়া লাগে লগৰ বহু কেইজন সহকৰ্মীয়ে মুখেৰে গান্ধীজীৰ নাম লয়—কাৰ্যত তাৰ বিপৰীতটোহে কৰে। গান্ধীবাদত তেওঁলোকৰ গভীৰ আস্থা নাই। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে প্রয়োজন মতে 'ৰাম' নাম লোৱাৰ দৰে গান্ধীজীৰ নাম লয়। কৰ্মীসকলে শাসনৰ গদীত বহিবলৈ হেপাহ এৰি শুদ্ধ উপায়েৰে কাম কৰিব লাগে। কিন্তু বেছিভাগ কৰ্মীয়েই ভাৱে শাসনৰ গাদী গ'লে কংগ্ৰেছ দল ৰাজনৈতিক দল হিচাপে তিষ্ঠি থাকিব নোৱাৰে। শাসনাধীস্ত দল হ'বলৈ চেষ্টা কৰিব লাগে। অশুদ্ধ উপায় অৱলম্বনৰ ফলো কুফল হয়। স্বাধীনতা লাভ হোৱাৰ পিছতেই গান্ধীজীয়ে হয়তো কংগ্ৰেছৰ ভৱিষ্যতৰ ৰূপৰ কথা আশংকা কৰি তেতিয়াই তাক ভঙ্গ কৰি লোক সেৱক সমিতিলৈ ৰূপান্তৰিত কৰাৰ পৰামৰ্শ দিছিল। কিন্তু সেই কথালৈ সেইসময়ত কোনেও কাণষাৰ নিদিলে। ফলত আজি কংগ্ৰেছ দলে নিজৰ ভিতৰত দলাদলি আৰু কাজিয়া কৰি যদুবংশ ধ্বংস হোৱাদি ধ্বংস হোৱাৰ উপক্রম হৈছে। গান্ধী-বাদী অৰ্থনীতিৰো আমূল পৰিবৰ্তন ঘটিল। গোটেই অৰ্থনীতিয়ে এটা বিপৰীতমুখী পথত আগবাঢ়িছে।

ইউ-এন-ধেবৰৰ সভাপতিত্বত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৬৩ তম প্ৰাগজ্যোতিষপুৰ অধিবেশনৰ (১৪ জানুৱাৰী, ১৯৫৮) লগতে হোৱা খাদী আৰু গ্ৰামোদ্যোগ প্ৰদৰ্শনীৰ আদৰণী সভাৰ সভাপতি হিচাবে অমিয়ই কৈছিল :

> আমি এনে এবিধ অৰ্থনীতি গঢ়ি তোলা উচিত য'ত কৃষি আৰু উদ্যোগৰ যথাসঙ্গত ভাৰসাম্য থাকে। এই অৰ্থনীতিত জনবল আৰু ঔদ্যোগিক সম্ভাৰবো সম্পূৰ্ণ স্বদ্ব্যৱহাৰ হ'ব

লাগিব। ক'লে বোধকৰোঁ অপ্ৰাসঙ্গিক নহ'ব যে জাতিৰ জনকৰ সামাজিক নৈতিক আৰু অৰ্থ নৈতিক সংগঠনৰ আদৰ্শ দেশৰ শিক্ষিত সম্প্ৰদায়ৰ ঠিক মনঃপুত হোৱা যেন নেলাগে। গান্ধীজীৰ আদৰ্শ সম্বন্ধে আমাৰ শিক্ষিত সমাজৰ কিছুমানে যেনেকুৱাই ধাৰণা নকৰক, তেওঁৰ বাণী সমূহ এই নতুন যুগৰ কাৰণে এটি প্ৰত্যাহ্বান হৈয়ে থাকিব।

অমিয়ৰ ৰাজহুৱা জীৱনৰ অন্যতম স্মৰণীয় ঘটনা হ'ল ১৯৬২ চনৰ নৱেম্বৰ মাহত হোৱা চীনৰ ভাৰত আক্ৰমণ। অমিয় তেতিয়া ঢেকিয়াজুলি সমষ্টিৰ বিধায়ক। ১৯৬১ চনৰপৰাই চীন-ভাৰত সম্বন্ধৰ অৱনতি ঘটিছিল—সীমা নিৰ্ধাৰণৰ কথাত। চীনৰ অতৰ্কিত আক্ৰমণত ভাৰতীয় সৈন্যই বিশেষকৈ উত্তৰ-পূব সীমান্তত পৰাজয়ৰ সম্মুখীন হ'ব লগা হয়। চীনে থাগ্‌লা ৰীজ, ধলা, লঞ্জু খীনজেমোন আদি দখল কৰি ব'মদিলালৈকে আহে। চীনা সৈন্য হিমালয়ৰ পাদ দেশ পৰ্য্যন্ত আহি পোৱাত অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা বিশেষকৈ দৰং জিলাৰ উত্তৰখণ্ডক আক্ৰমণ কৰাৰ সম্ভাৱনাই সেই অঞ্চলৰ লোকৰ মাজত ঘোৰ সন্ত্ৰাসৰ সৃষ্টি কৰে। তেজপুৰৰ জিলা কৰ্তৃপক্ষই সাধাৰণ নাগৰিকৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব পালন কৰিবলৈ অসমৰ্থ বুলি জনোৱাত ৰাইজৰ মাজত সন্ত্ৰাসৰ মাত্ৰা আৰু বৃদ্ধি পায়। ষ্টেট বেঙ্কৰ নোট পুৰি পেলোৱা, পুখুৰীত ভঙনীয়া পইচা পেলাই দিয়া, মানসিক হস্পিটেলৰ ৰোগীক আৰু জেলৰ কয়দীক মুক্তি দিয়া কাৰ্যই গোটেই অঞ্চলতে অৰাজকতাৰ সৃষ্টি কৰে। শ শ মানুহে নিজৰ স্থাৱৰ অস্থাৱৰ সম্পত্তি এৰি গুৱাহাটী নগাওঁ অভিমুখে যাত্ৰা কৰে। চৰকাৰে সকলো গাড়ী-মটৰ অধিগ্ৰহণ কৰাত মানুহে পদযাত্ৰা আৰম্ভ কৰে। জিলা কৰ্তৃপক্ষই তেজপুৰৰ বিজুলী যোগান আৰু খোৱা-পানী যোগান ব্যৱস্থাকো বিকল কৰাৰ সংকল্প লৈছিল। অমিয়ই হস্ত-ক্ষেপ কৰাত সি শেহত কাৰ্যকৰী নহ'ল। আনকি সদ্য সমাপ্ত ব্ৰহ্মপুত্ৰ দলংখনো চৰকাৰে ধ্বংস কৰিব বুলি উৰা বাতৰি ওলাইছিল। চৰকাৰক ক্ষান্ত কৰিবলৈ অমিয়ই গৃহমন্ত্ৰী শাস্ত্ৰীলৈ তাঁৰবাৰ্তা পঠিয়াইছিল।

অমিয়ই ঢেকিয়াজুলিৰপৰা তেজপুৰলৈ আহিছিল পৰিস্থিতিৰ বুজ ল'বলৈ। কিন্তু তেজপুৰৰ পৰিস্থিতি দেখি তেওঁ হতবাক হৈছিল। দুই মন্ত্ৰী কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী আৰু ফকৰুদ্দীন আলি আহমেদে ততালিকে তেজপুৰ এৰাৰ সিদ্ধান্ত লৈছিল। ইতিমধ্যে তেজপুৰৰ প্ৰায়বোৰ নেতৃস্থানীয় মানুহেই নগৰ এৰি পলাই গৈছে। অমিয়ই কিন্তু অন্য ঠাইলৈ নগৈ ঢেকিয়াজুলিলৈকে ঘূৰি আহিল। ২০ নৱেম্বৰৰ আতঙ্কগ্ৰস্ত নিশাটো তেওঁ ঢেকিয়াজুলিৰ ৰাইজৰ লগতে কটালে। ঢেকিয়াজুলি থানাৰ কেইজনমান বিষয়াও আঁতৰি গৈছিল। অমিয়ই সকলোকে নিৰাপত্তাৰ আশ্বাস দিলে। কেইদিন-মানৰ বাবে বেচৰকাৰীভাৱে তেওঁেই থানাৰ বৰদাৰোগা হ'ল।

১০ নৱেম্বৰৰ নিশা প্ৰধানমন্ত্ৰী জৱহাৰলাল নেহৰুৱে অসমবাসীৰ প্ৰতি অনাতাঁৰ যোগে বিদায় বাণী শুনাইছিল। তেওঁ কৈছিল: 'আজি এই পৰাজয় আৰু বিপৰ্যয়ৰ দিনত মই অসমৰ ৰাইজলৈ বিশেষকৈ নেফাৰ অধিবাসীসকললৈ সাহসৰে সৈতে ঠিয় হোৱা বাবে অভিনন্দন জনাইছো।···অসমবাসীৰ প্ৰতি আমাৰ অন্তৰ দহি গৈছে ···আমি শেষলৈকে এই যুঁজ যুঁজিম আৰু ইতিমধ্যে যিয়েই নঘটক, শেহত আমাৰ জয় সুনিশ্চিত।'

২১ নৱেম্বৰৰ দিনা চীনে একপক্ষীয়ভাৱে যুদ্ধবিৰতিৰ ঘোষণা কৰাত তেজপুৰকে ধৰি দৰং জিলা এক সাম্ভৱ্যপূৰ্ণ সামৰিক আক্ৰমণৰ পৰা বাচি গ'ল।

অমিয়ৰ মতে এনে পৰিস্থিতিত ৰাইজৰ কৰ্তব্য হ'ব, 'যদি সঁচাকৈয়ে চীনা বাহিনী এইখিনি পায়হি তেন্তে আমি চহৰৰপৰা দূৰৈত থকা কোনো এখন গাঁওলৈ গুচি যাম। চহাৰ বেশেৰে থাকি বিদেশীৰ বিৰুদ্ধে স্বাধীনতা উদ্ধাৰাৰ্থে কাৰ্য্যকলাপ আৰম্ভ কৰিম।' গান্ধীবাদী অহিংস নিৰস্ত্ৰ প্ৰতিৰোধৰদ্বাৰা চীনৰ আক্ৰমণৰ সম্মুখীন হ'বলৈহে তেওঁ ৰাইজক আহ্বান জনাইছিল। অহিংস নৈতিক শক্তিৰ আগত সামৰিক শক্তিৰ ক্ষমতা নিষ্প্ৰভ আৰু নিষ্ফল।

এই সময়ত অমিয়ৰ এটা আচৰিত ধৰণৰ অভিজ্ঞতা হৈছিল।

তেজপুৰ জেলৰপৰা ওলাই অহা বহুতো কয়দীয়ে যাৰ ম্যাদ তেতিয়াও সম্পূৰ্ণ হোৱা নাছিল তেওঁৰ ওচৰত আহি আত্মসমৰ্পণ কৰিছিলহি। অমিয়ই তেওঁলোকক পুলিচৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ পৰামৰ্শ দিছিল। কয়দী হ'লেও সকলোৰে এটি মানৱীয় সত্তা বিচাৰ-বিবেচনা আছে। নিজস্ব সততাৰ মান ৰাখি সত্যৰ অপলাপ হ'বলৈ নিদি এই অপৰাধীসকলে স্ব-ইচ্ছাৰে আকৌ কাৰাগাৰলৈ বাট বুলিছিল। সীমান্ত অঞ্চল সমূহৰ ৰাইজৰ মাজত দুঃচিন্তা আৰু আতঙ্কই কি ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে তাৰ বুজ ল'বলৈ অমিয়ই নিজে বালিপাৰা আৰু মিছামাৰী অঞ্চল ভ্ৰমণ কৰিছিল। ইচ্ছা থকা সত্বেও বাৰ্ধক্যই বাধা দিয়া বাবে এনে কাম কৰিবলৈ তেওঁ সমৰ্থ নোহোৱা বাবে ডেকা কৰ্মীসকলক এই অঞ্চলবোৰ ভ্ৰমণ কৰিবলৈ আহ্বান জনাইছিল। ৰাইজৰ মাজত নিৰাপত্তাৰ ভাৱ কেনেকৈ ঘূৰাই আনিব পাৰি তাৰ বাবে তেওঁ সকলো প্ৰকাৰৰ চেষ্টা কৰিছিল।

১৯৬৫ চনত ভাৰত-পাকিস্তান সংঘৰ্ষৰ সময়তো অমিয়ই তেওঁৰ লগৰ কেইবাজনো সহকৰ্মীৰ সৈতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্দেশক্ৰমে অসমৰ সীমান্ত অঞ্চলবোৰত ভ্ৰমণ কৰি বিভিন্ন সভাত বক্তৃতা দি মানুহক সজাগ আৰু সষ্টম ৰাখিবলৈ যত্ন কৰিছিল। মানুহৰ মনত সাহস আৰু নিৰাপত্তাৰ ভাৱ জগাই তোলাৰ বাবে তেওঁলোকে প্ৰচেষ্টা চলাইছিল। উৰা বাতৰিয়ে যাতে কোনো ধৰণৰ ত্ৰাসৰ সৃষ্টি নকৰে তাৰ বাবে প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ ৰাইজক আহ্বান জনাইছিল।

১৯৬৭ চনত কংগ্ৰেছৰ সংসদী বোৰ্ডে অহা সাধাৰণ নিৰ্বাচনত জ্যেষ্ঠ নেতাসকলৰপৰা স্বতঃপ্ৰণোদিতভাৱে অন্ততঃ শতকৰা ৩০ জনক সক্ৰিয় ৰাজনীতিৰপৰা অৱসৰ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱাত অমিয়ই লগে লগে এই সুযোগ গ্ৰহণ কৰি ৰাজনৈতিক মঞ্চৰপৰা বিদায় লোৱাৰ প্ৰয়াস কৰিলে। ৰাইজৰ অনুৰোধ সত্বেও নিৰ্বাচনী ৰাজনীতিক শেষবাৰলৈ সেৱা জনালে। কংগ্ৰেছ দলৰ মনোনয়ন বিচাৰি তেওঁ বা তেওঁৰ পত্নীয়ে অসম কংগ্ৰেছলৈ আবেদন

কৰা নাছিল। তত্ৰাচ, অসম কংগ্ৰেছে ঢেকিয়াজুলি সমষ্টিৰ প্ৰাৰ্থীত্ব তেওঁৰ পত্নী পুষ্পলতাৰ ওপৰতে অৰ্পণ কৰে। অসম কংগ্ৰেছে অমিয় বা পুষ্পলতাক মনোনয়ন নিদিলে এই সমষ্টিৰ পৰা আনে জয় লাভ কৰিব পাৰিবনে আশংকা কৰিছিল। পুষ্পলতাই অনিচ্ছাসত্বেও ৰাজনৈতিক মঞ্চত থিয় দিব লগা হ'ল। অনিচ্ছাসত্বেও অমিয়ই দৰং জিলাত নিৰ্বাচনী অভিযান মুকলি কৰিব লগা হ'ল—অনিচ্ছাসত্বেও নিৰ্বাচনী ফাণ্ডৰ বাবে টকা তুলিব লগা হ'ল। বহু নিৰ্বাচনী সভাত বক্তৃতা দিব লগা হ'ল। ভোট বিচাৰি ফুৰিব লগীয়া হোৱাত ৰাজনৈতিক ভূতটোৱে তেওঁক সহজে এৰা নিদিলে। নিৰ্বাচনী অভিযানত চিঞৰি চিঞৰি পুষ্পলতাৰ ডিঙিত ঘা হ'ল। নিৰ্বাচনত জিকিলেও তেওঁ বহুত দিনলৈ অসুস্থ হৈ আছিল—মুখৰ মাত হৰিছিল—কাহিলৈ তেজ ওলায়। সকলো দেখি শুনি অমিয় নিজে বিহ্বল হৈ পৰিছিল। পত্নীক কেনেদৰে ভাল চিকিৎসা দিয়াব পাৰি সেই লৈ তেওঁ ব্যতিব্যস্ত হৈ পৰিছিল। কিছুদিনৰ পিছত অমিয় নিজে হৃদৰোগত আক্ৰান্ত হৈ পৰে। লাহে লাহে সুস্থ হয়। পুষ্পলতায়ো মাত ঘূৰাই পায়।

কিন্তু দেশৰ বাবে দেহ-মন ঢালি কাম কৰিব খুজিলেও দেহে আৰু নটনা হৈছিল। বাৰ্দ্ধক্যয়ো তাৰ আনুষঙ্গীক কিছুমান অসুখ দেহত জাপি দিলে। ৰক্তচাপ বৃদ্ধিৰ অসুখ, হৃদৰোগৰ অসুখ। গাংমৌঠানৰ বগীৰাম শইকীয়াই আয়ুৰ্বেদিক চিকিৎসাৰ দিহা দিয়ে। গুৱাহাটীলৈ আহিলে চিকিৎসা-বিশেষজ্ঞসকলে চায়ঃ পৰীক্ষা কৰে, দিহা পৰামৰ্শ দিয়ে।

সেই বয়সতো পৰাপক্ষত অমিয়ই আসন অভ্যাস কৰে। প্ৰণায়ম কৰে। পুৱা ৫ বজাতে শোৱাপাটী এৰে। ব্যক্তিগত জীৱনতো নিয়মানুবৰ্ত্তিতা মানি চলিবলৈ চেষ্টা কৰে।

সংসাৰৰ লগত অমিয়ৰ বৰ এটা টান আগৰেপৰা নাছিল। অমিয়-পুষ্পলতাৰ যুটীয়া জীৱনৰ প্ৰতীক হিচাপে আছিল—একেটি কন্যা সন্তান-নন্দিনী (জীউমা)। সময়ত ছোৱালীটি সৎ পাত্ৰস্থ কৰি অমিয় সকলো ঘৰুৱা সমস্যাৰপৰাই আঁতৰি হৈছিল। ছোৱালীটিৰ

বিয়া হৈছিল ঢেকিয়াজুলিতে। অমিয়ই বিয়াখন সাধাৰণভাৱে অনাড়ম্বৰ হিচাপে পাতিবলৈ ঠিক কৰিছিল। কিন্তু ঢেকিয়াজুলিৰ ৰাইজে সেইটো হ'বলৈ নিদিলে। অমিয় দাদাৰ ছোৱালীৰ বিয়া: গতিকে সি হৈ পৰিল ৰাইজে পতা বিয়া। বিয়াৰ যাৱতীয় খা-খৰচ যা-যোগাৰ সকলো ঢেকিয়াজুলিৰ ৰাইজেই বহন কৰিলে। সেই বিয়াত নিমন্ত্রিত অতিথি হিচাপে যোৱা দেবেশ্বৰ শৰ্মাই অভিজ্ঞতা বৰ্ণাই লেখিছে—'সেইখন বিয়া নহয় যেনিবা এখন মেলাহে হৈছিল। অহা আহিছে, যোৱা গৈছে আৰু খোৱাই খাইছে। ৰাইজৰ ছেদ-ভেদ নাই। কোনে ক'ৰপৰা কি বস্তু যোগান ধৰিছিল অমিয়ই তাৰ উৱাদিহহে পোৱা নাছিল।' অমিয়ই অৱশ্যে অভ্যাগতক একেষাৰ মাত দিছিল। সিমানেই।

মিতব্যয়িতা অমিয়ৰ চৰিত্ৰৰ প্ৰধান গুণ আছিল। সকলো কথাতে হিছাপী—মিতাচাৰী। ৰাজহুৱা কথা-কাণ্ডত তেওঁ আৰু হিছাপী। কোনোবাই বেহিছাপী কাম কৰিলে অমিয়ৰ ধৈৰ্যচ্যুতি ঘটে। তেনে অপৰাধকাৰীক তেওঁৰ সহনশীল, ক্ষমাশীল মনেও সহ্য নকৰে। ৰাজহুৱা টকা-পইচাৰ লেনদেনত তেওঁ নিজে সকলো সন্দেহৰ উৰ্দ্ধত থাকিবলৈ বিচাৰিছিল।

অমিয়ৰ চৰিত্ৰৰ এটা ডাঙৰ গুণ আছিল—কৰ্তব্য সচেতনতা আৰু স্বাৱলম্বিতা। আড়ম্বৰপূৰ্ণ জীৱন-যাপনত তেওঁ একেবাৰে অভ্যস্ত নাছিল। খদ্দৰৰ ধুতি-কুৰ্তা আৰু এযোৰ 'কাবুলি চেণ্ডেল'—সেয়ে তেওঁৰ দৈনিক ব্যৱহাৰ্য্য সামগ্ৰী। চোলা-চুৰিয়া প্ৰায়ে নিজেই ধুই লয়। মন্ত্ৰী হৈ থকা কালতো গুৱাহাটী, তেজপুৰ আদি ঠাইত পৰাপক্ষত মটৰ ব্যৱহাৰ নকৰি খোজকাঢ়িয়েই ফুৰিছিল। মন্ত্ৰীৰ আগে-পিছে বন্দুকধাৰী পুলিচ লৈ ফুৰা কথাটো তেওঁৰ বাবে সম্পূৰ্ণ অভাৱনীয় কথা আছিল। তেওঁৰ বন্ধু আৰু সহকৰ্মী দেবেশ্বৰ শৰ্মাই লেখিছে—

> তেওঁ সম্পূৰ্ণ অনাড়ম্বৰ আছিল। তেওঁ প্ৰায়ে নিজ হাতে কটা সূতাৰে কুৰ্তা, বনিয়ন আৰু ধুতি পিন্ধিছিল।

বিয়াল্লিছ চনত সুদীৰ্ঘকাল জেলত থাকোঁতে তেওঁ নিজ হাতে কটা সূতাৰ কুৰ্তা মোকহে উপহাৰ দিছিল। তেওঁৰ বোধকৰো তিনিটামান কুৰ্তা আৰু তিনিখনমান চুৰিয়াহে আছিল। তেওঁ মন্ত্ৰী হৈ থাকোঁতে শ্বিলঙত তেওঁ থকা ঘৰলৈ গৈ দেখোঁ যে তেওঁৰ পৰিবাৰ শ্ৰীমতী পুষ্পলতা দাসে চিমনিটোত পুৰণি খবৰ কাগজ পুৰি তাৰ জুইত অমিয়ৰ চোলা আৰু চুৰিয়া শুকুৱাইছে। মই শুধিলো— 'কি কৰিছা?' শ্ৰীমতী দাসে উত্তৰ দিলে—'কাইলৈ তেখেত মফচললৈ যাব—চোলা চুৰিয়া ধুই দিছিলো— ডাৱৰীয়া হেতুকে নুশুকালে।'

অমিয় মন্ত্ৰী হোৱাৰ পিছৰ পৰা তেওঁৰ মাহিলী দৰ্মহাৰ নিৰিখ বৃদ্ধি পাইছিল। প্ৰয়োজনতকৈ বেছি অৰ্থৰ নো তেওঁৰ কি প্ৰয়োজন? '২১ চনৰ পৰাই অতি সাধাৰণভাৱে জীৱন অতিবাহিত কৰাতহে তেওঁ অভ্যস্ত। গতিকে তেওঁ মাহিলী দৰ্মহাৰ এক বুজন সংখ্যাৰ টকা অপৰিগ্ৰহৰ আদৰ্শ মানি দুখীয়া নিচলা ছাত্ৰ-ছাত্ৰীক পঢ়াশুনাত সহায় কৰিবলৈ খৰচ কৰিছিল। দুগৰাকী নগা ছাত্ৰী, এজন খাছীয়া ছাত্ৰ আৰু এজন অসমীয়া ছাত্ৰই তেওঁৰ পৰা নিয়মীয়া ভাৱে মাহিলী হিচাপত অৰ্থ সাহায্য পাইছিল। এনেকৈ অৰ্থ সাহায্য দিয়াৰ পিছত দৰ্মহাৰ আধাভাগহে তেওঁৰ নিজলৈ বুলি ৰৈছিল। তেওঁৰ যত্নতে দুজন খাছীয়া ছাত্ৰই কলিকতাৰ শিৱপুৰ ইঞ্জিনিয়াৰিং কলেজ আৰু খড়্গপুৰ ইঞ্জিনিয়াৰিং কলেজত পঢ়াৰ সুবিধা পাইছিল। তাৰ উপৰি কেইবাজনো অসমীয়া ছাত্ৰকো বিভিন্ন কাৰিকৰী বিষয়ত উচ্চ শিক্ষা লভাত তেওঁ যথেষ্ট সহায় কৰিছিল।

১৯৬৫ চনৰ ২১ মে তাৰিখে দৰংপৰীয়া ৰাইজে অমিয়ৰ ৭০ বছৰীয়া জন্ম দিৱসত তেজপুৰত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। সেই সভাত বিমলাপ্ৰসাদ চলিহা, বিষ্ণুৰাম মেধি, নীলমণি ফুকন, দেবেশ্বৰ শৰ্মা প্ৰভৃতিয়ে যোগদান কৰিছিল। ৰাজহুৱাভাৱে জন্ম-দিৱস পালনৰ কথাই অমিয়ৰ মনত নানা ভাৱৰ উদ্ৰেক কৰিছিল—

এনে এটা ব্যক্তিগত উৎসৱক ৰাজহুৱাভাৱে পালন কৰাৰ ফলত তেওঁ ভাৱসাম্য হেৰুৱাই পেলাব নেকি? প্ৰশংসা এটা মাদকতা জাতীয় বস্তু—ই এবিধ সুৰাৰ দৰে! অমিয়ই ভগৱানক প্ৰাৰ্থনা কৰে তেওঁক যেন সুধাৰ ৰাগীৰপৰা ভগৱানে ৰক্ষা কৰে—ৰাইজৰ সেৱাত তেওঁ যেন আত্মনিয়োগ কৰিব পাৰে। তাৰ বাবে যেন তেওঁক শক্তি দিয়ে। সভাস্থলীতে তেওঁক ১৭০০১ টকাৰে ধনৰ টোপোলা এটি দিয়ে। আৰু এজন অনামী ব্যক্তিয়ে সেই টোপোলাৰ লগতে বেলেগে পঞ্চাচ টকা দিছিল। সম্বৰ্ধনাৰ উত্তৰত অমিয়ই কৈছিল: 'মই টকাৰে কি কৰিম—ব্যক্তিগত কামত খৰচ নকৰি ৰাজহুৱা কামতেই খৰচ কৰিম।' সেই টকা তেওঁ বেঙ্কত জমা ৰাখে আৰু সিয়েই সময়ত সুতসহ কুৰি হেজাৰ হয় গৈ। এই টকাৰেই তেওঁ "ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতি ন্যাস পুঁজি" গঠন কৰে।

১৯৭২ চনৰ ২৯ অক্টোবৰত অসম চাহ ম'জদুৰ সংঘৰ বৰছলা শাখাই তেওঁক সম্বৰ্ধনা জনাই দহ হেজাৰ টকাৰে এটি টোপোলা দিয়ে। অমিয়ই সেই টকাৰে ১৯২১ চনৰ অসহযোগ আন্দোলনৰ অংশ গ্ৰহণকাৰী ডিক্ৰু-দহং চাহবাগিচাৰ ম'জদুৰ অৰ্জুন ঘাটোৱাৰৰ নামত এটি ন্যাস পুঁজি প্ৰতিষ্ঠা কৰিবলৈ ঠিক কৰে। এই পুঁজিৰ পৰা চাহ-বাগিচাৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়াৰ ব্যৱস্থা হয়। বেছেৰীয়াৰ আশ্ৰমৰ মাটি সামৰিক বাহিনীয়ে অধিগ্ৰহণ কৰাত তাৰপৰাও তেওঁ ২,৭০০ টকা পাইছিল। ১৯৪৫ চনতে অমিয়ই বেছেৰীয়াত আশ্ৰম পাতি থকাৰ কথা কল্পনা কৰিছিল। সেই ডোখৰ মাটিকে এতিয়া সামৰিক বাহিনীয়ে ল'লে। এই টকাৰে অমিয়ৰ ইচ্ছা বেছেৰীয়াতে ৰাইজৰ কিবা লাগতীয়াল অনুষ্ঠান এটা গঢ়ি দিয়ে। ৰাইজে চিকিৎসালয় এখনৰ আৱশ্যকতাৰ কথা কোৱাত অমিয়ই "চন্দ্ৰকুমাৰ নাথ চিকিৎসা কেন্দ্ৰ" পতাৰ ব্যৱস্থা কৰে। বেছেৰীয়াৰ খিতাই নাথেও আশ্ৰমলৈ বুলি মাটি এটুকুৰা দান দিছিল। চিকিৎসালয়ৰ লগতে "খিতাই নাথ ভৱন" এটা সজাৰো অমিয়ৰ ইচ্ছা আছিল। শেহত চৰকাৰী বাধাৰ বাবে সি কাৰ্যকৰী নহ'ল

গৈ। "চন্দ্ৰকুমাৰ নাথ চিকিৎসালয়" ১৯৭৩ চনৰ ২ অক্টোবৰত ৰাইজৰ বাবে মুকলি হয়।

উল্লেখযোগ্য যে অসমৰ স্বাধীনতা ৰণৰ দুজন আগশাৰীৰ নেতা কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা আৰু লক্ষ্মীধৰ শৰ্মাই অকালতে যক্ষ্মাৰোগত আক্ৰান্ত হৈ পৰলোকগত হৈছিল। স্কুলীয়া দিনৰ পৰাই চন্দ্ৰনাথে জ্যেষ্ঠজনৰ দৰে অমিয়ক দেশ সেৱাত ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰিছিল। আৰু আনহাতে লক্ষ্মীধৰ আছিল অমিয়ৰ সহোদৰ স্বৰূপ, ৰাজনীতিত আছিল চেকেণ্ড-ইন্ কমাণ্ডৰ দৰে। দুয়োজনৰ অকাল বিয়োগে অমিয়ক মৰ্মাহত কৰিছিল। দুয়োজন ব্যক্তিৰ স্মৃতি যুগমীয়া কৰিবলৈ অমিয়ই মনে মনে থাৱৰ কৰি ৰাখিছিল বহুত দিনৰ পৰা। তেওঁৰ ভাব হৈছিল একো কৰিব নোৱাৰিলে অকৃতজ্ঞতাৰ দোষে যেন তেওঁক পাব। ১৯৫৬ চনত অমিয়ই এটা সুযোগ পালে। তেতিয়া তেওঁ মন্ত্ৰী। তেওঁৰ উদ্যোগত তেজপুৰৰ শ্ৰীকান্ত শৰ্মাৰ যত্নত কাম আৰম্ভ হ'ল। "চন্দ্ৰনাথ-লক্ষ্মীধৰ মেমোৰিয়েল চেষ্ট হস্পিটেল" পতাৰ আয়োজন হ'ল। অমিয়ৰ পৌৰাহিত্যত স্মৃতি ন্যাস কমিটি গঠিত হ'ল। ৰাইজৰ পৰা বৰঙণি তোলা হ'ল। নিজৰ ফালৰ পৰাই ছয় হেজাৰ টকাৰ বৰঙণি দিলে অমিয়ই। ১৯৬২ চনত কিছু ঘৰ দুৱাৰ তৈয়াৰ হ'ল। চীনাৰ ভাৰত আক্ৰমণৰ সময়ত সামৰিক বাহিনীয়ে এই ঘৰ-দুৱাৰবোৰ অধিগ্ৰহণ কৰে। ৩২-খন বিচনাযুক্ত এই টি-বি হস্পিটেলখন ১৯৬৪ চনত বিষ্ণুৰাম মেধিয়ে মুকলি কৰে। তেজপুৰৰ কেইবাজনো বিশিষ্ট ব্যৱসায়ীয়ে এই হস্পিটেলৰ বাবে কেইবাটাও গৃহ-নিৰ্মাণ কৰি দিছিল। অমিয়ই হস্পিটেলৰ ফাণ্ডৰ বাবে ডিবৰুৰপৰা ধুবুৰিলৈকে চাঁদা বিচাৰি ঘূৰিছিল। বিভিন্ন অনুষ্ঠানৰপৰাও সাহায্য বিচাৰিছিল। চৰকাৰৰ ফালৰ পৰাও ৭৫ হেজাৰ টকাৰ অনুদান পাইছিল। অমিয়ৰ যত্নত যক্ষ্মা ৰোগৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সকলো যন্ত্ৰপাতি কিনি হস্পিটেলখন প্ৰায় স্বয়ং সম্পূৰ্ণ কৰি তুলিছিল।

অমিয়ৰ আনজন সহকৰ্মী হেম বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে তেজপুৰ

চহৰতে এটা ৰাজহুৱা সভাগৃহ সজাৰ আঁচনি লোৱাৰ ক্ষেত্ৰতো অমিয়ৰ প্ৰত্যক্ষ অৱদান আছিল। তেজপুৰৰ পৌৰ সভাৰ সভাপতি শ্ৰীকান্ত শৰ্মাৰ উদ্যোগত এক লাখ দহ হেজাৰ টকাৰ ব্যয়ৰে এই গৃহ-নিৰ্মাণ হয়। সময়ত এই সভাগৃহৰ সন্মুখতে হেম বৰুৱাৰ এটি মাৰ্বলৰ আৱক্ষ মূৰ্তিও স্থাপিত হয়। তাৰ উপৰি ত্যাগবীৰ-স্মৃতিন্যাস সমিতিৰ ফালৰ পৰা ড° সত্যেন শৰ্মাৰ সম্পাদনাত ১৯৭১ চনত "ত্যাগবীৰ হেম বৰুৱা স্মৃতিগ্ৰন্থ" প্ৰকাশিত হয়। এই ন্যাসৰ জৰিয়তে ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত ১৯৮৩ চনত "কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতিগ্ৰন্থ" প্ৰকাশ পায়। এই ক্ষেত্ৰতো অমিয়ৰ বৰঙণি অনস্বীকাৰ্য।

১৯৬৬ চনৰ ৭-৮ মে'ত ঢেকিয়াজুলিত অসম ৰাষ্ট্ৰীয় সন্মিলন বহে। এই সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে ২৩,৭৩৮ টকা ৰাহি কৰে। অমিয়ৰ পৰামৰ্শত সেই ৰাহি টকাৰে ঢেকিয়াজুলিত '৪২ৰ শ্বহীদসকলৰ স্মৃতিত এটা স্মৃতি-সৌদ্ধ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লয়। অৱশ্যে এই অৰ্থে আৰু কুৰি হেজাৰ টকা তোলাৰ আঁচনি লয়। অমিয়ই ব্যক্তিগতভাৱে স্মৃতিস্তম্ভ নিৰ্মাণৰ বাবে তিনি হেজাৰ টকা দান দিয়ে।

ঘগবাৰ বৰপেটা গাঁৱত এখন মহামুনি থান আছে। থানখন বহুত দিন মেৰামতি নোহোৱাত জৰাজীৰ্ণ অৱস্থাত পৰিণত হৈছিল। এই থানখনলৈ বছৰি আঘোণ মাহৰ পূৰ্ণিমাত ভূটীয়াসকল আহে তাত পূজা দিবলৈ। এই থানখন পূৰ্বতে ভূটীয়াৰ ৰাম গোসাঞে তৈয়াৰ কৰি পূজা পাৰ্বন পাতিছিল। মহামুনি থান পৰ্বত-ভৈয়ামৰ মিলন স্মৃতি স্বৰূপ। ভূটীয়াসকল আহি থকাৰ বাবে তাত এটা আৱাস গৃহৰ প্ৰয়োজন আছিল। অমিয়ৰ পৰামৰ্শত তাৰ ৰাইজে এটা আৱাস গৃহ আৰু থানখনৰ পুৰ্ণনিৰ্মাণৰ কাম হাতত লয়। আৱাস গৃহ তৈয়াৰৰ বাবে তেতিয়াৰ মুখ্যমন্ত্ৰী চলিহাই বাৰ হেজাৰ টকাৰ অনুদান দিছিল। তাৰ উপৰি অমিয়ৰ পৰামৰ্শত ৰাইজে থানখন মেৰামতী কৰিবলৈও টকা সংগ্ৰহ কৰিছিল। ইয়াৰ বাবেও

চৰকাৰৰ ফালৰ পৰা অৰ্থ সাহাৰ্য দিছিল। অমিয়ৰ ব্যক্তিগত বৰঙণি ৩৮৯১ টকা আছিল।

অমিয়ৰ পৰামৰ্শত আৰু যত্নত বেছেৰীয়া অঞ্চলৰ বহুতো ৰাজনৈতিক নিৰ্যাতিত কৰ্মীয়ে ১৯৫৫ চনত হুগ্ৰাজুলি অঞ্চলৰ ভোটপাৰাৰ ওচৰত ২০০ বিঘা মাটি অধিগ্ৰহণ কৰি সমবায় ভিত্তিত খেতি কৰিবলৈ লৈছিল। নতুনকৈ বসতি স্থাপন কৰিবলৈ লোৱা ঠাইখনৰ নাম ৰাইজে “অমিয়পুৰ” দিছিল।

দৰং জিলাৰ ঢেকিয়াজুলিৰ ওচৰৰ বাঁহবেৰা অঞ্চলৰ ৰাইজৰ শোচনীয় অৰ্থনৈতিক অৱস্থা দেখি অমিয়ই তাৰ বিহিত ব্যৱস্থা ল’বলৈ ঠিৰাং কৰে। বেছি ভাগ মানুহেই প্ৰাক্তন চাহকৰ্মী আৰু কুৰ্মী সম্প্ৰদায়ৰ মানুহ। বহুতদিনৰ পৰা মহাজনসকলে এই মানুহখিনিক অৰ্থনৈতিকভাৱে শোষণ কৰিছিল। বাৰিষাকালি মহাজনে ধান ধাৰে দি তেওঁলোকৰ পৰা তিনি চাৰিগুণ সুত আদায় কৰে। অৰ্থাৎ বাৰিষা এমোন ধান ধাৰে দি খৰালি ২/৩ আনকি ৫ মোনলৈকে সুত আদায় কৰে। তাৰ উপৰি মেল-মোকৰ্দমাই মানুহখিনিক প্ৰায় সৰ্বশ্ৰান্ত কৰিছিল। তেওঁলোকক শোষণমুক্ত কৰিবলৈ অমিয়ৰ পৰামৰ্শত ১৯৫৮ চনত সেই ঠাইত ৰাইজে এটা লক্ষ্মীভঁৰাল পাতে। ধান কটাৰ লগে লগে আঘোণ-পুহ মাহত খেতিয়কে লক্ষ্মীভঁৰালত ধান জমা ৰখাৰ ব্যৱস্থা কৰে। অভাৱৰ সময়ত সামান্য লাভত দুখীয়া কৃষকক এই ভঁৰালৰ পৰাই ধান ধাৰলৈ দিয়াৰ ব্যৱস্থা হয়। পঞ্চায়তে এটা গুদাম ঘৰ সজাৰ ব্যৱস্থা কৰে।

নিজৰ কথা আত্মবিশ্লেষণ কৰি অমিয়ই ডায়েৰীৰ পাতত লেখিছে ঃ

> ৭৫ বছৰ পূৰ্ণ হ’বলৈ আৰু কেইমাহমান বাকী আছে জীৱনৰ ৭৫ বছৰ কিদৰে পাৰ কৰিলো—ভাগৱানৰ অশেষ কৰুণাৰ মাজতে কটালো। সৰুতে পিতৃহীন হ’বলগীয়া হ’ল—তথাপি তাৰ মাজতে ভগৱানৰ কৰুণাত ডাঙৰ হ’লো। মাজে মাজে লক্ষ্যভ্ৰষ্ট হোৱা যেন লাগে।

> সৰুতে ভাবিছিলো পঢ়াশুনাত ভাল হ'ম—কিন্তু এই বিষয়ত মই নিজৰ লক্ষ্যমতে কাম কৰিব নোৱাৰিলো—কোনোমতে mediocre ল'বাৰ দৰে আগবাঢ়িলো। I. A ত এবাৰ অকৃতকাৰ্য হ'বলগীয়া হৈছিল—মোৰ ভিতৰত Depth ৰ অভাৱ superficiality আছে যেন পাওঁ। অলপতে মনলৈ আহে যেন মই সকলো কথা Grasp কৰিলো—কিন্তু পাছতেই তাৰ আঁত নোপোৱা হওঁ। মই সমাজ-সেৱাৰ মানুহ—কিন্তু ৰাজনীতিলৈ আহিবলগীয়া হ'ল স্বাধীনতা সংগ্ৰামৰ বাবে। কিন্তু এতিয়া এই বয়সত এনেভাৱ হৈছে যেন জীৱনটো ব্যৰ্থ হ'ল—ক'তো কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলো।

আত্ম-বিশ্লেষণ আমিয়ৰ চৰিত্ৰৰ এক লেখত ল'বলগীয়া দিশ। সকলো পৰিস্থিতিতে, পৰিবেশতে নিজকে তেওঁ কঠোৰভাৱে আত্ম-বিশ্লেষণ কৰে-কোনো আৱেগ প্ৰৱণৰ বশ নহৈ সম্পূৰ্ণ বস্তুনিষ্ঠভাৱে এই কাৰ্য কৰে। তেওঁৰ মতে অসমীয়া মানুহে নিজক আত্ম-বিশ্লেষণ নকৰাৰ ফলত নিজৰ ব্যক্তিগত আৰু ৰাজহুৱা দোষ দেখা নেপায়। আৰু এই কাৰণেই অসমীয়াই উন্নতিৰ পথত আগবাঢ়িব পৰা নাই। আত্মবিশ্লেষণৰ দৃষ্টিৰে ১৯৬৬ চনৰ ডায়েৰীৰ পাতত আকৌ লেখে :

> এছেম্বলীৰ জীৱনৰ পৰা আঁতৰি কেনেকৈ জীৱনটো চলাব পাৰো—তাকে ভাবিবলৈ ধৰিছো। নিজক বিচাৰ কৰি চাওঁ—কিবা এটা বেয়া শক্তিয়ে মনলৈ এটা ভয়ৰ ভাৱ আনে—আকৌ কেনেকৈ নিজক এনে ভাৱৰ পৰা উদ্ধাৰ কৰো ভগবানক খাটি আছো। মোক অসত্যৰপৰা সত্যলৈ লৈ যোৱা—মোক এন্ধাৰৰ পৰা পোহৰলৈ নিয়া। জীৱনত দুখ আহিলে আহক মই যেন সত্যৰ বাটৰ পৰা আঁতৰি নেযাওঁ—ভগৱানে যেন মোক ইয়াৰ বাবে শক্তি দিয়ে—ইয়াকে খাটি আছো।

